# ড° জয়নাথ শৰ্মা
# অভিনন্দন গ্ৰন্থ

প্ৰথম খণ্ড

সম্পাদক
নিপন আচাৰ্য্য

প্ৰকাশক
নিধিৰাম আচাৰ্য্য স্মাৰক দল

DR. ZOII NATH SARMA ABHINANDAN GRANTHA : **A collection of some articles written in honour of honourable Dr. Zoii Nath Sarma , former M.L.A. and cabinet minister of Assam and published by 'Nidhiram Acharjya Memorial Group', Sipajhar, Darrang.**

ড° জয়নাথ শৰ্মা অভিনন্দন গ্ৰন্থ(প্ৰথম খণ্ড) প্ৰস্তুতি সমিতি

উপদেষ্টা ঃ মতিৰাম শইকীয়া, লক্ষীকান্ত কলিতা আৰু বলবাহাদুৰ ছেত্ৰী

সভাপতি ঃ ৰজনী কান্ত নাথ সম্পাদক ঃ কুলেন্দ্ৰ নাথ ডেকা

সদস্য ঃ নিপন আচাৰ্য্য, ক্ষিতিকান্ত শৰ্মা, আবুল হুছেইন,গোৱিন্দ মোহন গোস্বামী আৰু দীপিকা শৰ্মা

গ্ৰন্থ সম্পাদক

নিপন আচাৰ্য্য

প্ৰথম প্ৰকাশ ঃ **২০২৪** খ্ৰীঃ, প্ৰকাশক ঃ নিধিৰাম আচাৰ্য্য স্মাৰক দল, ডি. টি. পি.ঃ অপূৰ্ব কুমাৰ নাথ, বেটুপাত ঃ ভৃগু কুমাৰ বেজবৰুৱা, অংগসজ্জা ঃ নিপন আচাৰ্য্য, মুদ্ৰণ ঃ জোনবাই প্ৰিন্টাৰ্ছ, মূল্য **ঃ ২৫০.০০** টকা। ©প্ৰকাশক।

সমাজ সচেতক,জননেতা,বাগ্মীপুৰুষ
ড° জয়নাথ শৰ্মাদেৱৰ কৰকমলত শ্ৰদ্ধাৰে এই গ্ৰন্থখনি অৰ্পন কৰিলোঁ।

# সম্পাদনা কক্ষৰ টোকা

'ড° জয়নাথ শৰ্মা অভিনন্দন গ্ৰন্থ'খন সম্পৰ্কে চিন্তাটো মনলৈ অহাৰ পিছত সেই কথা প্ৰথমবাৰৰ বাবে প্ৰকাশ কৰিছিলোঁ 'নিধিৰাম আচাৰ্য্য স্মাৰক দল' নামৰ সামাজিক মাধ্যমৰ মঞ্চত। এইখিনিতে প্ৰশ্ন আহিব পাৰে নিধিৰাম আচাৰ্য্যনো কোন? কৃতী শিক্ষক, সমাজহিতৈষী, আদৰ্শ পুৰুষ, দৰঙৰ সু-সন্তান সিংহ পুৰুষ নিধিৰাম আচাৰ্য্য বহুতৰ বাবে এটা চিনাকি নাম হ'লেও প্ৰচাৰবিমুখ ব্যক্তিগৰাকী অনেকৰ কাৰণে আজিও অপৰিচিত। ঐতিহ্যপূৰ্ণ ব্যাসপাৰা গাঁৱত জন্ম লাভ কৰা জ্ঞানৰ পূজাৰী,স্বাধীনতা সংগ্ৰামৰ একনিষ্ঠ কৰ্মী নিধিৰাম আচাৰ্য্যৰ তেৰটা সন্তানৰ জৰিয়তে বিস্তৃতি লাভ কৰা বৃহত্তৰ পৰিয়ালটিৰ সদস্যসকল ভাব বিনিময়ৰ সুবিধাৰ্থে সংগঠিত হৈছে নিধিৰাম আচাৰ্য্য স্মাৰক দলৰ জৰিয়তে। একে কাৰণতে আমাৰ দৰে ড° জয়নাথ শৰ্মাও দলটিৰ সদস্য। উল্লেখ্য যে আমাৰ দলে বিভিন্ন সময়ত কিছু গঠনমূলক কামেৰে সেৱা আগবঢ়াই আহিছে। কোনো কোনো সময়ত বেলেগ বেলেগ উপলক্ষ্যৰে আমি গ্ৰন্থও প্ৰকাশ কৰি আহিছো। তেনেকুৱা কাৰণতে প্ৰস্তাৱ দিলো যে নিধিৰাম আচাৰ্য্যৰ সুযোগ্য নাতি, বংশৰ গৌৰৱ, অসমৰ গৌৰৱ, প্ৰাক্তন ৰাজহ মন্ত্ৰী ড° জয়নাথ শৰ্মাদেৱক অভিনন্দন জনোৱাৰ উদ্দেশ্যে গ্ৰন্থ এখন প্ৰকাশৰ পদক্ষেপ লোৱা হওক।

ড° শৰ্মাদেৱৰ লগতো কথা পাতি পৰামৰ্শ বিচাৰিলোঁ। তেখেতে ক'লে- সৎ কথাত ব্যস্ত থকা আৰু শুদ্ধ পথেৰে খোজ দিয়াটোৱেই হ'ল উত্তম আদৰ্শ। আগবাঢ়ি যোৱা।

জ্যেষ্ঠ সদস্যসকলৰ লগত কথা পাতিলোঁ। সেইমতে এখন সু-বৃহৎ গ্ৰন্থৰ পৰিকল্পনা কৰি প্ৰস্তুতি সমিতি এখন গঠন কৰিলোঁ। শক্তিশালী আৰু কৰ্মদক্ষ সমিতি এখনৰ কথা ভাবি বহু চিন্তা চৰ্চাৰে বিষয়-ববীয়াসকল মনোনীত কৰি প্ৰত্যেকৰ ওচৰলৈ গৈ সন্মতি ল'লো। দুখনকৈ বৈঠকত মিলিত হোৱাৰ উপৰি অনানুষ্ঠানিকভাৱে বহু কথা পাতিলোঁ। কিন্তু সময় বাগৰাৰ লগে

লগে সমিতিখনৰ বিষয়-ববীয়াসকলে গা এৰা দিলে। সময় খৰচ নকৰিলে বা পৰিশ্ৰম নকৰিলে কোনো কাম নিসিজে বুলি বুজা মানুহবোৰো অবুজন হৈ পৰিল। তাৰ কাৰণ কি মই আজিও নুবুজিলোঁ। আনহাতে ড° শৰ্মাদেৱেও সমগ্ৰ কামটোত প্ৰেৰণা দিব পৰা পদক্ষেপ ল'ব নুখুজিলে। মুঠতে বুজিব নোৱাৰা অৱস্থা এটাত সোমাই পৰিলোঁ। ক'ত কি ভুল হ'ল নিজেই নাজানিলোঁ। কামটোৰ পৰা আঁতৰি অহাও দিগদাৰ হ'ল। কাৰণ বাৰম্বাৰ অনুৰোধ কৰি কৰি মই ইতিমধ্যে কিছু লেখা গোট খুৱাইছিলোঁ। গ্ৰন্থখন নোলালে সেইসকল শ্ৰদ্ধেয় লেখকৰ আগত মুখ উলিয়াবলৈ লাজ লগা কথা হ'ব। আনহাতে পূজনীয় ব্যক্তি এগৰাকীক অভিনন্দন জনোৱা প্ৰক্ৰিয়া এটা বাতিল কৰাটো মৰ্যাদা হানি হোৱা কথা। মই নতুন লেখকৰ লগত যোগাযোগ কৰিবলৈ এৰি দিলোঁ। সময় বাগৰি প্ৰায় দুবছৰ হ'ল। এটা আধৰুৱা কামৰ দুঃচিন্তাই অশান্তি বৃদ্ধি কৰিলে। অৱশেষত সেই সকলোবোৰৰ সমিধান উলিয়াবলৈ উপায় বিচাৰিলোঁ। সু-বৃহৎ গ্ৰন্থৰ সলনি ক্ষুদ্ৰ কলেৱৰৰ হ'লেও কিতাপ এখন উলিয়াবলৈ আগবাঢ়িলোঁ। সমগ্ৰ গ্ৰন্থখনত কেবাটাও খণ্ড ৰখাৰ কথা ভবা হৈছিল। কিন্তু তাৰ পৰিৱৰ্তে কামটো সৰল কৰাৰ লক্ষ্য লৈ প্ৰতিটো খণ্ডকে সুকীয়াকৈ প্ৰকাশ কৰাৰ চিন্তা ল'লোঁ। সেয়ে হাতত পৰা লেখাবোৰেৰে প্ৰথম খণ্ডটো প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিলোঁ। এই খণ্ডটিত মূলতঃ ছিপাঝাৰকেন্দ্ৰিক লেখকবৃন্দক সামৰি লোৱা হৈছে।

যি সকল সন্মানীয় লেখকে আমাৰ প্ৰচেষ্টাৰ প্ৰতি সহাঁৰি জনালে বা মৰমৰ নেতা গৰাকীৰ প্ৰতি আন্তৰিক অভিনন্দন জনাই গ্ৰন্থ এখন প্ৰকাশৰ চিন্তাক বাস্তৱ ৰূপ দিলে সেইসকল মহানুভৱলৈ জনালোঁ হিয়া ভৰা কৃতজ্ঞতা।

শেষত আশা কৰিছো অগ্ৰজ প্ৰতীম, সংগ্ৰামী জনদৰদী নেতা মাননীয় ড° জয়নাথ শৰ্মাদেৱৰ কৰ্মময় জীৱন চিৰদিন অভিনন্দিত হৈ ৰ'ব আৰু লগতে আশা ৰাখিছো অনাগত দিনবোৰতো তেখেত এগৰাকী চিৰ তাৰুণ্যৰে পৰিপূৰ্ণ উজ্বল ভাৱমূৰ্তিৰ সুন্দৰ সু-পুৰুষ হৈ সমাজলৈ সেৱা আগবঢ়াই যাব।

*- নিপন আচাৰ্য্য*

# অভিনন্দন জ্ঞাপক
# লেখক-লেখিকাসকল

| নাম | ঠিকনা | দূৰভাষ | পৃষ্ঠা |
|---|---|---|---|
| ৰজনী কান্ত নাথ | সাতঘৰীয়াা | ৯৩৬৫৪৩৬১২০ | ১১ |
| গৌৰী কান্ত শৰ্মা | দাৰিয়াপাৰা | ৯৮৬৪১৪৬৬২০ | ১৭ |
| আকলু দেৱ শৰ্মা | ডাঁহী | ৯৪৩৫৫৪৮৭৬৩ | ৩৩ |
| প্ৰসন্ন কুমাৰ নাথ | ছিপাঝাৰ | ৮৬৩৮৫২৬০৩০ | ৩৮ |
| দ্বীপেন্দ্ৰ শৰ্মা | লক্ষীমপুৰ | ৬৯০০৫২৪২২৯ | ৪৪ |
| কমলাকান্ত ডেকা | কাইকিয়া পাৰা | ৯৮৬৪০২৬৫২৯ | ৪৮ |
| অম্বিকানন্দ শৰ্মা | ব্যাসপাৰা | ৬০০২৮০৬৬১৮ | ৫১ |
| শশীধৰ নাথ | ছিপাঝাৰ | ৮৮৭৬৮০৩৯৬২ | ৫৩ |
| টংকেশ্বৰ কলিতা | লঠাপাৰা | ৯৮৫৯৩০৭২৬০ | ৫৭ |
| দুৰ্গাকান্ত শৰ্মা | নাপ্তাপাৰা | ৭৮৯৬৫৬৯৩৮১ | ৬২ |
| ভাবিৰাম ডেকা | দগীয়াপাৰা | ৯৭০৭৮২৭১৪৮ | ৭৫ |
| ফজলুল হক চৌধুৰী, | কটৰা | ৬৯০১০১৬৮০১ | ৮০ |
| ৰজনী কুমাৰ শৰ্মা | ব্যাসপাৰা | ৭০৯৯১৩২৬৮২ | ৮৩ |
| বসুন্ধৰ ডেকা | খটৰা | ৬৯০০৭৪২৮২৯ | ৮৫ |
| অক্ষয় কুমাৰ নাথ | বালিপাৰা | ৯৪৩৫০৮৮৪৭৪ | ৮৮ |
| এম.হাফিজ আলী | মাৰৈ | ৮৮১২৯৭৪০৫৩ | ৯২ |
| ভবেন্দ্ৰ চন্দ্ৰডেকা | কটাহী | ৯৩৬৬৩৬০৩১১ | ৯৬ |
| নীলকান্ত বড়া | শান্তিপুৰ | ৭০০২১৬৩৫১৮ | ৯৮ |
| দিলীপ কুমাৰ ডেকা, | ছিপাঝাৰ | ৯৯৫৪৮২০২০৩ | ১০১ |

| নাম | ঠিকনা | দূৰভাষ | পৃষ্ঠা |
|---|---|---|---|
| খিতেশ্বৰ কলিতা | ভেৰুৱা | ৯৮৫৪০২৮৮৪০ | ১০৫ |
| মলয়া ভট্টাচাৰ্য | মঙলদৈ | ৯৩৬৫০৬৯৫৫১ | ১১১ |
| জীতেন ভাগৱতী | সৰু থেকেৰাবাৰী | ৮৪৮৬৭৫৭১৬৮ | ১১৫ |
| পৃথুৰাম বৰুৱা | শিঙিমাৰী | ৮০১১৬২৭২২১ | ১২২ |
| বিজয় চন্দ্ৰ ভাগৱতী | সৰু থেকেৰাবাৰী | ৯৩৬৫৫০১৪৪৭ | ১২৫ |
| ধীৰেন্দ্ৰ কুমাৰ শৰ্মা | শান্তিপুৰ | ৯৪৩৫০০৬৪৬১ | ১২৮ |
| কৰুণা কান্ত শৰ্মা | টেঙেৰা | ৭০০২৪৫৮৭৮৩ | ১৩৬ |
| বিজয় শংকৰ নাথ | দলংঘাট | ৭৮৯৬৪০০৮২৬ | ১৪০ |
| ক্ষিতিকান্ত শৰ্মা | দুনী | ৯৯৫৭৯০৩৮৮৭ | ১৪৭ |
| গজেন বড়া | জয়পুৰ | ৯৬৭৮৪২২১০১ | ১৫০ |
| ৰণেন্দ্ৰ শৰ্মা | দুনী | ৯৮৫৯৯৭৭২৯৭ | ১৫৯ |
| ৰমেশ শৰ্মা | টেঙেৰা | ৭০০২৪২৮৪০৫ | ১৬১ |
| কৰুণা কান্ত ভট্টাচাৰ্য | দুনী | ৮৬৩৮৫০০৩৭৫ | ১৬৪ |
| দিলীপ কুমাৰ নাথ | দলংঘাট | ৯১০১৭৮৩৭৫৭ | ১৬৯ |
| অনন্ত নাৰায়ণ শৰ্মা | শানপাৰা | ৭০৮৬৬২১৮৯৬ | ১৭৬ |
| হিৰণ্য কুমাৰ নাথ | হালধা | ৯১০১১৮৫১০৭ | ১৮১ |
| গোবিন্দ মোহন গোস্বামী | উলুবাৰী | ৬৯০১৬২৫৪৫৭ | ১৮৪ |
| কৈলাশ চন্দ্ৰ শৰ্মা | পশ্চিমচুবা . | ৮৬৩৮৪৭৮৯৯১ | ১৯১ |
| আদ্য প্ৰসাদ শৰ্মা | দুনী | ৯৫৭৭২২২০৯৫ | ১৯৭ |
| প্ৰসন্ন শৰ্মা | দুনী | ৮১৩৬০৩০৮৮৯ | ১৯৯ |
| বিনয় কুমাৰ শৰ্মা | দেওমৰনৈ | ৮৬৩৮৭৬৮৭৯৭ | ২০১ |
| কুলেন্দ্ৰ কুমাৰ চহৰীয়া | মঙলদৈ | ৯৯৫৪০৪৬৯০৪ | ২০৭ |
| গৌৰী কান্ত শৰ্মা | নলবাৰী | ৯৮৬৪৪০০১৯৯ | ২০৯ |

| নাম | ঠিকনা | দূৰভাষ | পৃষ্ঠা |
|---|---|---|---|
| অনিমা দেৱী | ছিপাঝাৰ | ৯৮৫৪১৫৪০২০ | ২১১ |
| ভাস্কৰ শৰ্মা | বৰমপুৰ | ৬০০২৩৫১৯৯০ | ২১৩ |
| নগেন্দ্ৰ ডেকা | খটৰা | ৭০০২১৬৪২৮০ | ২১৫ |
| কমল কুমাৰ নাথ | পশ্চিমচুবা | ৮৬৩৮৩০৬২৬৩ | ২১৮ |
| প্ৰমেশ কুমাৰ মহন্ত | দেওমৰনৈ | ৯৮৬৪৫৯৪৭৮৩ | ২২০ |
| ললিত নাথ | গোৰেশ্বৰ | ৭৮৯৬৭২৪২৫৯ | ২২৩ |
| বনমালী নাথ | কটাহী | ৯১০১৬০০৩৩৮ | ২২৬ |
| দিলীপ কুমাৰ শৰ্মা | মঙলদৈ | ৯৫৩১১৬৯৪২৯ | ২২৯ |
| দীপান্বীতা চহৰীয়া | মঙলদৈ | ৭০০২২০৬৭৪৭ | ২৩২ |
| চিত্ৰাবালা দেৱী | আনন্দিপাৰা | ৮৮৭৬৩০৫৪৩০ | ২৩৬ |
| নাৰায়ণ চন্দ্ৰ বৰুৱা | নাপ্তাপাৰা | ৯৫০৮০৭২৮৮৮ | ২৩৮ |
| চন্দ্ৰ কান্ত নাথ | নাৰিকলি | ৬০০১০৬৮৮৮৩ | ২৪০ |
| নিৰঞ্জন শৰ্মা | মঙলদৈ | ৯৪৩৫১৮৬১৩৮ | ২৪৩ |
| অনিল প্ৰিয়ৰঞ্জন শৰ্মা | পুনিয়া | ৮৮১১৮৫৪৯৮১ | ২৪৬ |
| কান্তিৰাম শইকীয়া | পাতিদৰং | ৯৩৮৭২২১৯০২ | ২৫০ |
| ৰজনীকান্ত বৰুৱা | জনাৰাম চৌকা | ৯৬১৩১৫০৪৩৮ | ২৫৫ |
| অপূৰ্ব কুমাৰ নাথ | পশ্চিমচুবা | ৮২৫৬৮১৫৩৮৮ | ২৬৬ |
| ব্ৰজেন্দ্ৰ শৰ্মা | আনন্দিপাৰা | ৮৪৮৬৭৯৩২৭০ | ২৭০ |
| শিৱ প্ৰসাদ কলিতা | তেজপুৰ | ৯৮৫৪৪৩৮২৯৮ | ২৭২ |
| কমলাকান্ত কলিতা | দগীয়াপাৰা | ৬৯০০৯১৮২২৮ | ২৭৫ |
| মহানন্দ কলিতা | দগীয়াপাৰা | ৯১০১৩৫১৩৪৩ | ২৭৮ |
| হৰেন্দ্ৰ কলিতা | দগীয়াপাৰা | ৭০০২৭৭৫৬৩৬ | ২৮০ |
| কৰুণা কান্ত কলিতা | দগীয়াপাৰা | ৯৮৫৪৭৬৮৫৩৭ | ২৮৩ |

| নাম | ঠিকনা | দূৰভাষ | পৃষ্ঠা |
|---|---|---|---|
| কুলেন কলিতা | লঠাপাৰা | ৮৩৯৯০৫১৯৮৫ | ২৮৫ |
| ব্রজেশ্বৰ শৰ্মা | টংলা | ৯৮৫৪২৫৭৮৯০ | ২৮৭ |
| কনক চন্দ্ৰ দেৱশৰ্মা | সৰু থেকেৰাবাৰী | ৯১৮৭২১০৭৩১৬৪ | ২৯০ |
| ক্ষুদিৰাম শৰ্মা | সৰু থেকেৰাবাৰী | ৯৫৩১৪২২৪৮১ | ২৯২ |
| ৰাজেন্দ্ৰ শৰ্মা | সৰু থেকেৰাবাৰী | ৬০০০৭৫৪৩৪৫ | ২৯৩ |
| ৰমেশ নাথ | দলংঘাট | ৯৯৫৭১৪৬৭৯৭ | ২৯৫ |
| বীৰেন্দ্ৰ শৰ্মা | কেহেৰা | ৯১০১৫৫৭৫৩৯ | ২৯৭ |
| আবুল হুছেইন | তুৰাই | ৯৮৬৪৪৬৫৮১৫ | ৩০৩ |
| ধৰ্মনাৰায়ণ ভট্টাচাৰ্য | শানপাৰা | ৮৪০৪০৩১৬১৭ | ৩০৫ |
| যুগল চন্দ্ৰ শৰ্মা | দেওমৰনৈ | ৯১০১৮৭৮৫৩৩ | ৩০৬ |
| শিৱ প্ৰসাদ শৰ্মা | শানপাৰা | ৯৪৩৫৩৮৬৪৩৪ | ৩০৯ |
| মন্টু চহৰীয়া | শীতলাবড়ী | ৯৪৩৫৩৮৫৬৬৬ | ৩০৯ |
| ননী কুমাৰ শইকীয়া | ছিপাঝাৰ | ৭০০২১০০৭৩৬ | ৩১৫ |
| হেমলতা দেৱী | সৰু ব্যাসপাৰা | ৯১২৭৮৬০৭৫৫ | ৩১৭ |
| ভূপেন শৰ্মা | আনন্দিপাৰা | ৯৮৫৯২৪৫৩৮৬ | ৩১৮ |
| উমেশ শৰ্মা | দাৰিয়াপাৰা | ৬০০০১২২০৫২ | ৩২১ |
| ব্রজেন্দ্র আচাৰ্য্য | সৰু ব্যাসপাাৰা | ৯১২৭৮৬০৭৫৫ | ৩২৩ |
| মণিমালা আচাৰ্য্য | পূৰ্বজ্যোতি চৌকা | ৯৮৫৪২২৭৪১২ | ৩২৫ |
| ৰুদ্ৰনাথ শৰ্মা | দাৰিয়াপাৰা | ৯৮৫৪৫৫৪৩২৬ | ৩২৬ |
| হৈম্য দেৱী | সৰু থেকেৰাবাৰী | ৯৩৯৪৬৫২৩৮৩ | ৩২৮ |
| গোলাপী শৰ্মা | দাৰিয়াপাৰা | ৯৮৫৪৫৫৪৩২৬ | ৩৩৬ |

# ড° জয়নাথ শৰ্মা মানুহজন - মই তেওঁক কেনেভাৱে জানো

- ৰজনী কান্ত নাথ

এই চৰাচৰত এনে কিছু লোকৰ জন্ম হয়- যি জনে সমাজৰ হকে কিছুমান কাম কৰে, যিবোৰে সমজুৱাৰ মনত গভীৰ ৰেখাপাত কৰে আৰু সমাজখনে দীৰ্ঘ দিনলৈ সেই কৰ্মৰাজি সোঁৱৰণ কৰে। শিক্ষা, সমাজ সংস্কাৰ, কৰ্ম সংস্থাপনৰ ব্যৱস্থা কৰ্তা, নিয়োগ দাতা ইত্যাদি কাৰকসমূহৰ বাবে আনৰ মনত মানুহজন সাঁচতীয়া সম্পদ স্বৰূপে গঢ় লয়। এনে ক্ষণ জন্মা ব্যক্তিৰ সংখ্যা তাকৰ। তেনে নগন্য সংখ্যক লোকৰ অন্যতম ড°জয়নাথ শৰ্মা।

ড° জয়নাথ শৰ্মা আমাৰ ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা নাছিল। গতিকে তেওঁ মোৰ পোনপটীয়া ছাত্ৰ নাছিল। তেওঁ মজলীয়া আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰ্যায়ৰ শিক্ষা ক্ৰমে ৰঙামাটি জে.ডি. এম.ই.স্কুল আৰু মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গ্ৰহণ কৰিছিল। দুয়োখন বিদ্যালয়তে মোৰ সমকালীন সহপাঠী ছাত্ৰবন্ধু কিছুমানে শিক্ষকতা কৰি আছিল। তেখেতসকলৰ মুখৰ পৰা সাহসী তীখৰ ছাত্ৰ ড° জয়নাথ শৰ্মাৰ কাণ্ড শুনি বৰ আমোদ পাইছিলো।

পৰৱৰ্তী সময়ত ড° শৰ্মাদেৱ বিধায়ক বা মন্ত্ৰী হৈ থকা সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ সভাত ছাত্ৰ সমাজক নিজৰ ছাত্ৰ কালৰ অভিজ্ঞতাৰ বৰ্ণনা দিওঁতে এম. ই. পৰীক্ষাত লাভ কৰা বৃত্তিৰ ধন খৰচ কৰি উৰাজাহাজত ভ্ৰমণ কৰা আৰু মঙলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-সভাৰ সম্পাদকৰ দায়িত্বত থাকোতে সম্পাদন কৰা গঠনমূলক কৰ্মৰাজি উল্লেখ কৰি ভাষণ দান কৰা দেখিছো, শুনিছো।

পূৰ্বতে উল্লেখ কৰা হৈছে যে তীখৰ ছাত্ৰ গৰাকীৰ সৈতে মোৰ চাক্ষুষ চিনাকি নাছিল। তেওঁৰ উচ্চতৰ মাধ্যমিক আৰু কলেজীয়া শিক্ষা গ্ৰহণ কালত বাতৰি কাকতত প্ৰকাশিত অসমৰ বিদেশী নাগৰিকৰ জ্বলন্ত সমস্যাই খিলঞ্জীয়া লোকৰ ভৱিষ্যৎ গ্ৰাস কৰিবৰ উপক্ৰম হোৱা বৰ্ণনাৰে তথ্য সম্বলিত বিবৃতি আমাৰ বন্ধুমহলত আলোচনাৰ বিষয় হিচাপে স্থান পাইছিল। তাতে দুই এগৰাকীয়ে ভৱিষ্যৎ বাণী কৰিছিল যে এটা সময়ত খিলঞ্জীয়া অসমীয়াসকলে বিদেশী বিতাড়নৰ আন্দোলন কৰিবলৈ বাধ্য হ'বগৈ। পিছলৈ কথাষাৰ সত্যত পৰিণত হৈছিল। সদৌ অসম ছাত্ৰসন্থাৰ আহ্বানত ইং ১৯৭৯ চনত অসমীয়াসকল আন্দোলনত জঁপিয়াই পৰিছিল।

ইং ১৯৭৫ চনত দেশত জৰুৰীকালীন অৱস্থা ঘোষণা হৈছিল। বিৰোধী দলসমূহৰ সন্মিলিত নেতৃত্বই ইয়াৰ প্ৰতিবাদ কৰি নিৰ্যাতন ভুগিছিল আৰু কাৰাবাস খাটিছিল। অসমতো ইয়াৰ প্ৰভাৱ পৰিছিল। ফলশ্ৰুতিত কেন্দ্ৰত জনতা দলৰ সন্মিলিত চৰকাৰ গঠন হৈছিল। তেতিয়া ৮নং মঙলদৈ লোকসভা সমষ্টিৰ পৰা জনতা দলৰ মাননীয় হীৰালাল পাটোৱাৰী (টংলা) সাংসদ ৰূপে নিৰ্বাচিত হৈছিল। ইং ১৯৭৭ চনত জনতা দলৰ কেন্দ্ৰীয় চৰকাৰ গঠন হোৱাত ইং১৯৭৮ চনত অসমতো জনতা দলৰ চৰকাৰ হৈছিল। কিন্তু কিছু দিনৰ ভিতৰত পাটোৱাৰীদেৱৰ বিয়োগ ঘটাত মঙলদৈ সমষ্টি (সংসদীয়)ত উপ-নিৰ্বাচন আহি পৰিল। ইতিমধ্যে দৰঙত ভয়াবহ ৰূপত বিদেশী ভোটাৰৰ বৃদ্ধিত প্ৰাপ্তবয়স্ক অগ্ৰণী ছাত্ৰনেতা ড° জয়নাথ শৰ্মাই অসমবাসীক সজাগ হ'বলৈ আহ্বান দি, নিৰ্বাচন বিদেশী ভোটাৰ মুক্ত শুদ্ধ তালিকা প্ৰস্তুত কৰণেৰে পাতিবলৈ দাবী কৰিছিল। বিষয়টো সঠিক ৰূপত 'সদৌ অসম ছাত্ৰসন্থা'ৰ দৃষ্টি গোচৰ কৰোৱাত ওপৰোল্লেখিত ইং ১৯৭৯ চনৰ আন্দোলন হৈছিল। সংসদীয় উপ-নিৰ্বাচন বন্ধ হৈছিল।

ইতিমধ্যে জনতা দলৰ সন্মিলিত নেতৃবৃন্দৰ মাজত বিভাজন আহি পৰিল। এটা সময়ত চৰকাৰখনৰ নিৰ্ধাৰিত কাল সম্পূৰ্ণ নকৰাকৈয়ে পতন ঘটিল। কেন্দ্ৰত কংগ্ৰেছ দলৰ মিলিজুলি চৰকাৰ গঠন হৈছিল। অসমতো অনুৰূপ ঘটনাই ঘটিল।

ইফালে সদৌ অসম ছাত্ৰসন্থাৰ আহ্বানত অসমীয়াসকলৰ বিশেষ

বিশেষ দল সংগঠন আৰু ব্যক্তি একাংশৰ ব্যতিৰেকে, বাকীসকল আন্দোলনত জঁপিয়াই পৰিল। বিশ্বৰ বুদ্ধিজীৱি আৰু বিশিষ্ট সাংবদিকসকলৰ দৃষ্টিত অনন্য ঐতিহাসিক আন্দোলন স্বৰূপে আখ্যা লোৱা এই বিদেশী বহিষ্কৰণ আন্দোলনৰ সূত্ৰপাত দৰঙতেই ঘটিছিল। চৰকাৰৰ দৃষ্টিত দীঘলীয়া ছবছৰীয়া আন্দোলনৰ কাৰক ৰূপে চিহ্নিত ড° জয়নাথ শৰ্মা প্ৰমুখ্যে অসমৰ বিভিন্ন ঠাইৰ ছাত্ৰনেতা আৰু বুদ্ধিজীৱিয়ে কাৰাবৰণ কৰিবলগীয়া হৈছিল। আনহাতে অনেকে অঘৰী জীৱন কটাই অ'ত ত'ত পলাই ফুৰিছিল।

ভূতৰ ওপৰত দানহ পৰাৰ দৰে মহামহিম ৰাষ্ট্ৰপতি মহোদয়ৰ অনুমোদিত তদাৰকী কংগ্ৰেছ মিলিজুলি (জনতা চৰকাৰ পতনত) চৰকাৰে অবৈধ নাগৰিকৰ নাম সন্নিৰিষ্ট ভোটাৰ তালিকাৰে নিৰ্বাচন পাতিবলৈ উদ্যোগ লোৱাত অথন্তৰ ঘটিল। নানান চমকপ্ৰদ ব্যতিক্ৰমী কাৰ্যসূচীৰে আন্দোলনৰ নেতৃত্ব বহন কৰা নেতাসকলৰ কাৰাবাসৰ লগে লগে শান্তিপূৰ্ণ অহিংসা আন্দোলনৰ চৰিত্ৰ হিংসাত্মক ৰূপলৈ ক্ৰমাৎ সলনি হ'ল। নেতাসকল কাৰাবাসত আৱদ্ধ হোৱাৰ লগে লগে ইং ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলন ৯ আগষ্ট তাৰিখৰ পৰা 'জুই-ছাঁই-ধোঁৱা'ৰে ধুসৰিত হোৱাৰ নিচিনাকৈ সদৌ অসম ছাত্ৰসন্থাৰ অহিংসা আন্দোলনত কালিমা লাগিবলৈ ধৰিলে। ৰাস্তাৰ কাঠৰ দলং, চৰকাৰী কাৰ্যালয় ইত্যাদি চাৰ-খাৰ হ'বলৈ ধৰিলে। অনেক আন্দোলনকাৰীৰ প্ৰাণহানি হ'ল। অনেক ঘূণীয়া হ'ল। ইং ১৯৮২ চনৰ ১০ ডিচেম্বৰ তাৰিখে ভবানীপুৰত খৰ্গেশ্বৰ তালুকদাৰ শ্বহীদ হোৱাৰ লগে লগে 'জুয়ে পোৰা তিৰাশী' হিচাপে খ্যাত ইং ১৯৮৩ চনত শ শ আন্দোলনকাৰী শ্বহীদ হৈছিল। ইফালে প্ৰতিবাদী তথাকথিত বিদেশী লোকৰো প্ৰাণহানিৰ লগতে ঘৰ-দুৱাৰ আৰু সা-সম্পত্তি ধ্বংস হৈছিল। ইং ১৯৮৩ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখে দৰঙৰ শাকতোলা নদীৰ দলঙত অগ্নি সংযোগ কৰি পুৰি ছাঁই কৰিবলৈ বৃথা চেষ্টা চলাই কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ ৰাইফলৰ গুলীত ছয়জন শ্বহীদ হৈছিল। তেওঁলোক আছিল নীলাৰাম নাথ (কৃষক), আয়ুৰ্বিজ্ঞান চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ যাদৱ নাথ, কাপোৰ চিলোৱা দৰ্জী গজেন শৰ্মা, কৃষকদ্বয় কণ্ঠি মেধি, লোহিত নাথ, ছাত্ৰ ৰামচন্দ্ৰ নাথ। 'শ্বহীদ যাদৱ নাথ আয়ুৰ্বিজ্ঞান চিকিৎসা মহাবিদ্যালয়'খনে এই ঘটনাৰ সাক্ষ্য বহন কৰি আছে।

সেইদিনাৰ পৰা দৰঙত নিতৌ একো একোটা বিশেষ ঘটনা সংঘটিত হৈছিল। তাৰে ভিতৰত ১৫ আৰু ১৬ ফেব্ৰুৱাৰী তাৰিখে ভয়াবহ ঢলপুৰৰ বৃহৎ অঞ্চল বিদেশী মুক্ত কৰাৰ অভিপ্ৰায়েৰে আন্দোলনকাৰী জঁপিয়াই পৰিছিল আৰু ১৬ ফেব্ৰুৱাৰী তাৰিখে ড° জয়নাথ শৰ্মাদেৱৰ ভাতৃ দয়া শৰ্মা শ্বহীদ হৈছিল।

ভাতৃ বিয়োগৰ খবৰ ল'বলৈ কাৰাবাসী ছাত্ৰনেতা ড° জয়নাথ শৰ্মা ২০ ফেব্ৰুৱাৰী তাৰিখে জে'লৰ পৰা পুলিচ, চি. আৰ. পিৰে পৰিবেষ্টিত হৈ তেওঁৰ থেকেৰাবাৰী গাঁৱৰ পিতৃগৃহলৈ আহিছিল। তাৰ পৰা সন্ধিয়া ছিপাঝাৰ থানালৈ তেওঁক হাতত 'হেণ্ডকাফ' আৰু এখন ভৰিত 'খণ্ড শিকলি' লগাই আনিছিল। আমাৰ নতুনকৈ ঠন ধৰা কদমতলি চৌকাত ছাত্ৰকৰ্মী কিছুৱে এখন মেজত মেণ্টেল লাইট জ্বলাই তেওঁলৈ অপেক্ষা কৰিছিল। ইমান দিনে দেখা সাক্ষাৎ নোহোৱা মোৰ প্ৰিয় ছাত্ৰনেতাজনক চাবলৈ ময়ো জুমটোত আছিলো। ছাত্ৰখিনিয়ে মোক মানিছিল। মই তেওঁলোকক কোনো কাৰণতে সীমা চেৰাই নাযাবলৈ কৈছিলো। চৰকাৰ বিৰোধী শ্লোগান দিবলৈ হাক দিছিলো। মাথোন 'জয় আই অসম', 'সদৌ অসম ছাত্ৰসন্থা, জিন্দাবাদ', 'জয়নাথ শৰ্মা, জিন্দাবাদ', 'শ্বহীদসকল অমৰ হওঁক' আদি ধ্বনি দিবলৈ পৰামৰ্শ দিছিলো। সেইমতে কাম কৰিছিল। শান্তিপূৰ্ণভাৱে পৰিঘটনাৰ ওৰ পৰিছিল। এই ব্যতিক্ৰমী প্ৰক্ৰিয়াৰে জয়নাথ শৰ্মাৰ লগত চাক্ষুষ চিনাকি হৈছিল।

ইং ১৯৮৫ চনত 'অসম গণ পৰিষদ' নামৰ এটি ৰাজনৈতিক দল গঠন হ'ল। সদৌ অসম ছাত্ৰসন্থাৰ জ্যেষ্ঠ একাংশ ছাত্ৰনেতা আৰু অসম গণ সংগ্ৰাম পৰিষদ নামৰ অসমপ্ৰেমী অৰসৰী কৰ্মচাৰী, শিক্ষক আৰু বুদ্ধিজীৱি অন্যান্য কিছু সংখ্যক একত্ৰিত হৈ AGP গঠিত হৈছিল য'ত ছাত্ৰসন্থাই বাহিৰৰ পৰাই নৈতিক সমৰ্থন জনাইছিল আৰু ১৯৮৫ চনৰ নিৰ্বাচনত সকলো পক্ষই দেহেকেহে খাটি আঞ্চলিক দলৰ পোন প্ৰথমবাৰৰ বাবে চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হৈছিল। তেতিয়া অসম গণ পৰিষদ দল (AGP)ৰ দৰঙৰ জ্যেষ্ঠ ছাত্ৰনেতা জয়নাথ শৰ্মা (ছিপাঝাৰ), নীলমণি দাস (মঙলদৈ), দুৰ্গাদাস বড়ো (পানেৰী), মহেন্দ্ৰ মোহন ৰায় চৌধুৰী (কালাইগাঁও) আৰু অৰসৰী শিক্ষক আব্দুল জব্বৰ (দলগাঁও) নিৰ্বাচন খেলি বিধায়ক হৈছিল। জয়নাথ শৰ্মাদেৱৰ নিৰ্বাচনত আমি

ধনে-জনে, দেহেকেহে খাটিছিলো। তেতিয়াৰে পৰা তেখেতৰ সৈতে মোৰ অন্তৰংগতা গঢ়ি উঠে।

বিধায়ক তথা মন্ত্ৰী হৈ থকা কালত সমষ্টি উন্নয়নৰ কাৰণে আৰু আঁচনিবোৰ সঠিকভাৱে ৰূপদান কৰোৱাৰ স্বাৰ্থত সমষ্টিটোৰ মূল মূল স্থানত গুৰুত্ব সাপেক্ষে কেন্দ্ৰীয়ভাৱে এখন বা একাধিক স্বেচ্ছাসেৱী সমিতি গঠন কৰিছিল। মই দুখন তেনে কেন্দ্ৰীয় সমিতিৰ সদস্য আছিলো। "খণ্ড-পৰ্যায়ৰ সমন্বয় সমিতি" (BLCC) আৰু জিলাখনৰ "মাধ্যমিক স্তৰৰ শিক্ষক বাছনি সমিতি" (SCSST)।

দুয়োখন সমিতিত যুক্ত হৈ তেখেতক পাৰ্যমানে সহায় কৰিছিলো।

প্ৰথম পাঁচ বছৰত সমষ্টিৰ প্ৰাথমিক বিদ্যালয়বোৰৰ গৃহ নিৰ্মাণৰ কাৰণে তেওঁ একষষ্ঠি হাজাৰ টকীয়া অনুদান দিছিল। বিদ্যালয়বোৰৰ প্ৰধান শিক্ষকক সচিব হিচাপে ৰাখি স্থানীয় মুখিয়াল আৰু শিক্ষাসেৱীসকলৰে গঠিত সমিতি এখনেৰে গৃহ নিৰ্মাণ কৰাত বিদ্যালয়বোৰে নতুন ৰূপ পাইছিল। শৈক্ষিক দিশৰ উন্নয়নৰ কাৰণে তেওঁ সকলো সময়তে গুৰুত্ব দি অহা কথাটো বিশেষভাৱে লক্ষনীয়।

জয়নাথ শৰ্মাদেৱে অগপ দলৰ জনপ্ৰতিনিধি হিচাপে ছিপাঝাৰ বিধানসভা সমষ্টিৰ পৰা চাৰিবাৰ নিৰ্বাচিত হৈছিল। তাৰ ভিতৰত অসম মন্ত্ৰী সভাৰ এজন প্ৰভাবশালী কেবিনেট মন্ত্ৰীও হৈছিল। চতুৰ্থবাৰ নিৰ্বাচিত হোৱা সময়ত অসম বিধান সভাত অগপ দল প্ৰধান বিৰোধী দলহে আছিল।

জনপ্ৰতিনিধি হিচাপে ব্যস্ত থকাৰ সময়তে শৰ্মাদেৱে ডক্টৰেট ডিগ্ৰী লাভ কৰি বিদ্বৎ সমাজত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। অনন্য মেধা সম্পন্ন ড° জয়নাথ শৰ্মাদেৱে অগপ চৰকাৰৰ প্ৰাৰম্ভিক কালত কেবাটাও গুৰুত্বপূৰ্ণ দিশত সমষ্টি উন্নয়নৰ কাৰণে কাম আৰম্ভ কৰিছিল। ইতিপূৰ্বে প্ৰাথমিক বিদ্যালয়ৰ ক্ষেত্ৰত লোৱা ভূমিকাৰ কথা উল্লেখ কৰিছো। তাৰোপৰি ছিপাঝাৰৰ মাজ মজিয়াত এটি শ্বহীদ ভৱন নিৰ্মাণ, বিজুলীবাৰীত প্ৰাগ বচিমি চিন্থেটিক লিমিটেড নামৰ উদ্যোগ স্থাপন, বিভিন্ন স্থানত ত্ৰিশখন বিছনাযুক্ত নাইবা ষাঠিখন বিছনাযুক্ত স্বাস্থ্যকেন্দ্ৰৰ উপৰিও উপস্বাস্থ্যকেন্দ্ৰ নিৰ্মাণ কৰোৱা আদি কাম কৰি তেওঁ জনতাৰ মন জিনিবলৈ সক্ষম হৈছিল।

তীক্ষ্ণ মেধা সম্পন্ন ড° শৰ্মাদেৱ প্ৰকৃতাৰ্থত এগৰাকী কৰ্মমুখী শিক্ষাৰ প্ৰযোজক সেৱক। ইয়াৰ মাধ্যমেৰে তেওঁ আঞ্চলিক ৰাইজৰে নহয় অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ আৰু ভাৰতৰ বিভিন্ন স্থানৰ যুৱক যুৱতীৰ কৰ্ম সংস্থাপনৰ শিক্ষা দান কৰোৱাই ভাৰতৰ এগৰাকী অগ্ৰণী শিক্ষা প্ৰসাৰক ৰূপে স্বীকৃতি লভিবলৈ সক্ষম হৈছে।

তীক্ষ্ণ মেধা সম্পন্ন ড° শৰ্মাদেৱে ৰাজনৈতিক জীৱনত উজুটি খোৱাটো ছিপাঝাৰবাসীৰ কাৰণে এক দুৰ্ভাগ্য হিচাপে গন্য কৰো। অৱশ্যে তেওঁ থমকিবলৈ বাধ্য হওঁতে বা নতুন দৃশ্যপট আহি পৰোতে তুলনাত্মক বিবেচনাত মানুহজন অধিক ভাস্বৰ হৈহে পৰিছে। তেওঁ জনতাৰ প্ৰতি কৰা নিঃস্বাৰ্থ সেৱাৰ কাৰণে জনগণৰ মৰমৰ পৰা কেতিয়াও বঞ্চিত নহ'ব বুলি ধাৰণা কৰিছিল কিজানি। কিছু কিছু অভিমানৰ কাৰণতে তেখেতে বোধ হয় অসম সাহিত্য সভাৰ অষ্টষষ্ঠীতম ছিপাঝাৰ অধিৱেশনত 'ডোবলৰ ভিতৰত থাকিও আতৰৰ ভিতৰ সোমোৱা নাছিল'। আমি কেইজনমান শুভাকাংক্ষীয়ে তেখেতক অনুৰোধ কৰি অধিৱেশনত সাধাৰণভাৱে অংশ লোৱাইছিলো যদিও ৰাইজৰ মন জিনিবৰ জোখাৰে হোৱা নাছিল। পাকচক্ৰত তেখেত দূৰে দূৰে থাকিব লগা হোৱাত শুভাকাংক্ষীসকলে মনত দুখ পাইছিল।

যি কি নহওক তেখেত যে ৰাইজৰ অগ্ৰণী সেৱক মাথো তেনে নহয়, তেখেত প্ৰকৃতপক্ষে এগৰাকী শিক্ষানুৰাগী শিক্ষা প্ৰযোজক আৰু কৰ্মযোগী। সেইভাৱেই তেখেত সকলোৰে পূজনীয় হৈ থাকিব।

শেহত ভগৱানক প্ৰাৰ্থনা জনাওঁ যাতে পৰমেশ্বৰে তেখেতক শতবৰ্ষ আয়ুস প্ৰদান কৰে। সেয়েহে সমস্বৰে গাওঁ আহক-

পশ্যেম শৰদ শতম্
জীৱেম শৰদ শতম্
শৃণুয়াম শৰদ শতম্।

❑❑❑

# ড° জয়নাথ শৰ্মাৰ জীৱনৰ ওপৰত চমু আলোকপাত

- গৌৰীকান্ত শৰ্মা

ড° জয়নাথ শৰ্মাৰ শৈশৱ, কৈশোৰ, কলেজীয়া জীৱন, ৰাজনৈতিক জীৱন আৰু উদ্যোগী জীৱনৰ সকলো দিশ সামৰি আলোকপাত কৰা আমাৰ পক্ষে সম্ভৱ নহয়। কাৰণ তেওঁৰ জীৱন পৰিক্ৰমা ইমান বিশাল আৰু কৰ্মবহুল যে তেখেতৰ কৰ্মময় জীৱনৰ প্ৰতিটো কথাই প্ৰতিটো চিন্তাই এক বিপ্লৱৰ সূচনা কৰে। সেয়েহে তেখেতৰ কৰ্মময় জীৱনৰ আটাইবোৰ দিশ সামৰি ল'বলৈ গ'লে কলমৰ সুৰুঙাৰে কিম্বা জ্ঞানৰ অকুলনত বহু কথা বৈ যোৱাটো স্বাভাৱিক। তথাপি ড° জয়নাথ শৰ্মাৰ শৈশৱ, কৈশোৰ আৰু যৌৱনৰ কিছু ৰোমাঞ্চকৰ কথা থুপিয়াই আনি প্ৰবন্ধটি যুগুত কৰিবলৈ চেষ্টা কৰা হৈছে।

শৈশৱ কাল ঃ মঙলদৈ বিধান সভা সমষ্টিৰ ৰঙামাটি গাঁও পঞ্চায়তৰ অন্তৰ্গত দাৰিয়াপাৰা গাঁৱত ড° জয়নাথ শৰ্মাৰ জন্ম। তেওঁৰ পিতৃ প্ৰয়াত পদ্মনাথ শৰ্মা। ড° জয়নাথ শৰ্মা জনমতেই সোণৰ চামুচ মুখত লৈ অহা নাই যদিও কিছু অসাধাৰণ গুণ লৈ  জন্ম গ্ৰহণ কৰিছিল যিটো সাধাৰণ বালকৰ ক্ষেত্ৰত দেখা নাযায়। ল'ৰালি কালৰে পৰা ড° জয়নাথ শৰ্মা অতি তীক্ষ্ণবুদ্ধি সম্পন্ন। জ্যেষ্ঠসকলে ডঃ জয়নাথ শৰ্মাক মৰমতে 'জয়' বুলি মাতিছিল। এই জয় নামটো দাৰিয়াপাৰা, ভাঙুৰিচুবা, সৰুথেকেৰাবাৰীৰ প্ৰতি ঘৰ পৰিয়ালৰ চিনাকিয়েই নহয় আদৰৰো। কাৰণ দহজন বালকৰ মাজত জয় এজন বিস্ময় বালক।

দদায়েকসকলৰ পিছে পিছে দৌৰি দৌৰি হাতত এখন ছটি ঢাৰি লৈ ২২২নং সৰু থেকেৰাবাৰী প্ৰথামিক বিদ্যালয়ত জয়ে এদিন খোজ পেলায়। বয়স ৫ বছৰ। ক্ষীণ দেহা, কিন্তু ভাষণ চতুৰ। নিজে ঘৰৰ পৰা লৈ যোৱা পুৰণা

ছুটি ঢাৰিখন অপচন্দ হ'লে অন্যৰ আহল-বহল চিকুণ ঢাৰিখন বিভিন্ন কৌশলেৰে নিজে আনি ব্যৱহাৰ কৰা, আৰু ঘৰলৈ ওভতাৰ সময়ত নিজৰখন লৈ ওভতি অহা কাৰ্য নিত্য নৈমিত্তিক। অন্য বন্ধুৰ ধুনীয়া আহল-বহল ঢাৰিখন নিজৰ হাতলৈ অনা তেওঁৰ কৌশল সদায় নতুন নতুন। জ্যেষ্ঠসকলৰ মুখৰ পৰা জনা মতে 'জয়ে' পাঠভিত্তিক কথাতেই হওক বা সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰতেই হওক, কেতিয়াও দ্বিতীয় হ'ব নিবিচাৰিছিল। আত্মপক্ষ সমৰ্থনত যুক্তি থিয় কৰা তেওঁৰ সৰু কালৰ অভ্যাস। নেতৃত্ব দিব পৰা গুণ তেওঁৰ আজন্ম। চিনাকিয়েই হওক বা অচিনাকিয়েই হওঁক সহজতে আপোন কৰি পেলাই নেতৃত্ব দিব পৰা গুণৰ বাবে জ্যেষ্টসকলে মৰম কৰিছিল আৰু কণিষ্ঠসকলে জয়ৰ অতুলনীয় গুণৰ বাবে তবধ মানিছিল। প্ৰয়োজনত যুক্তিতৰ্ক, প্ৰয়োজনত দবৰা-দবৰি, সময়-সুবিধা বুজি হতাহতি, সেইবোৰে বিশেষ কাম নিদিয়া যেন পালে বৌদ্ধিক ৰণনীতি প্ৰয়োগ তেওঁৰ বাল্য কালৰ অভ্যাস। প্ৰাথমিক বিদ্যালয়ত জয়ে চাফাই মন্ত্ৰীৰ দায়িত্ব পাইছিল। সেই দায়িত্ব তেওঁ নিষ্ঠা সহকাৰে পালন কৰিছিল। বিদ্যালয়ৰ ভিতৰ ভাগ পৰিষ্কাৰ কৰা, বাৰাণ্ডা সাৰি-মচি ৰখা, বিদ্যালয় সন্মুখৰ দুৱৰি বনবোৰ চিকুটি চিকুটি উভালি পেলোৱা, শুকান গছৰ পাত আঁতৰ কৰা দৈনন্দিন কৰ্মসূচী। এই কৰ্মত অৱহেলা কৰা ছাত্ৰ-ছাত্ৰীক তাগিদা দিয়াত জয় বৰ সিদ্ধহস্ত। নিজে সৈমান কৰিব নোৱাৰিলে শিক্ষকক অভিযোগ দি হ'লেও সৈমান কৰাইহে এৰে। সেয়েহে চাফাই মন্ত্ৰীৰ নিৰ্দেশ মানেই শিক্ষকৰ নিৰ্দেশ। ২২২নং সৰু থেকেৰাবাৰী প্ৰাথমিক বিদ্যালয়ত তদানীন্তন সন্মানীয় শিক্ষাগুৰুসকল হ'ল- প্ৰয়াত কবিৰাম বৰা, প্ৰয়াত বাপুৰাম কলিতা (ডেকা মাষ্টৰ) আৰু শ্ৰীমতী প্ৰতিভা বৰুৱা। এই গৰাকী শিক্ষয়িত্ৰীয়ে চোকা আৰু সহজতে সৈমান নোহোৱা ছাত্ৰসকলক মৰম কৰি শাসন কৰিব বিচাৰিছিল। জয়ে এই সুবিধাকণ পূৰ্ণ মাত্ৰাই গ্ৰহণ কৰিছিল আৰু বিদ্যালয়খনৰ এক প্ৰকাৰ অঘোষিত শাসন কৰ্তা। শিক্ষাগুৰু কিম্বা জ্যেষ্ঠজনক কেনেকৈ সন্মান কৰিব লাগে তাক জয়ে ভালদৰে জানিছিল। সেয়ে শিক্ষাগুৰুসকলৰো বৰ প্ৰিয় পাত্ৰ। তেওঁৰ খেল বৰ প্ৰিয় নাছিল। খেলৰ ভিতৰত ৰৱাব টেঙাৰ বল ঠেলি-হেঁচি

খেলিছিল যদিও অত্যুৎসাহী নাছিল বুলি শুনা যায়। জয়ৰ বাল্য কালৰ কথা ক'বলৈ গ'লে এযাৰ কথা নক'লে ভুল হ'ব। চুবুৰীটোৰ কণিষ্ঠ কিম্বা সমনীয়াসকলে তেওঁক দেখা মাত্রকে ওচৰত আহি চেলাম দিব লাগিছিল। ...সম্পূর্ণ মিলিটাৰী আদব-কায়দাৰে। চেলুট নিদিলে আঁঠু কাঢ়িব লাগে। তেনেকৈ সৈমান কৰিব নোৱাৰিলে পাঠভিত্তিক বা সাধাৰণ জ্ঞানৰ দুই-চাৰিটা প্রশ্ন সুধি কাণত ধৰি আঁঠু কঢ়িবলৈ বাধ্য কৰাইছিল যাতে অভিভাৱকসকলে কোনো আপত্তি তুলিবলৈ সুবিধাকে উলিয়াব নোৱাৰে। প্রশ্ন সোধা অভ্যাসটো জয়ৰ বাল্য কালতেই গঢ় লৈ উঠা। হয়তো শিক্ষাৰ প্রতি গভীৰ অনুৰাগ থকাৰ বাবে তেওঁ এনে কৰিছিল। আনকি বহুতো ভুক্তভোগীয়ে কোৱামতে তেওঁ মন্ত্রী হোৱা সময়তো কিছু সংখ্যক যুৱক-যুৱতীক প্রশ্ন সুধি বিব্রত কৰিছিল, সেইলৈ বহুতে তেওঁক হয়তো বেয়াও পাইছিল। কিন্তু সেইটো এজন ছাত্রৰ মানসিক, বৌদ্ধিক উত্তৰণৰ উত্তম পন্থা হিচাপে তেওঁ গণ্য কৰিছিল। 'জয়'ৰ চুবুৰীটোৰ আনুগত্যশীল বন্ধুসকলৰ ভিতৰত প্রয়াত মলয় শৰ্মা, শ্রীভৰেন শৰ্মা (ছাটিয়াপাৰা), শ্রী শশীন শৰ্মা উল্লেখযোগ্য। জয়ৰ নির্দেশ আদেশ তেওঁলোকে আখৰে আখৰে মানি চলে। সেই নির্দেশ যিমানেই কঠোৰ নহওক। প্রয়াত মলয় শৰ্মা আৰু ভৰেন শৰ্মা দুর্দান্ত সাহসী। শ্রীশশীন্দ্র শৰ্মা অতি চোকা, কিন্তু অতি ভয়াতুৰ। আঁঠু কঢ়াৰ ভয়তেই জয়ৰ কথা মানি চলে। শশীন্দ্র শৰ্মা পৰৱৰ্তী সময়ত ভাৰত চৰাকাৰৰ বায়ুসেনা বাহিনীৰ উচ্চ পদস্ত বিষয়া হিচাপে কার্য নির্বাহ কৰে।

শ্রীশশীন্দ্র শৰ্মাৰ বছক সন্তুষ্ট কৰাৰ নমুনা বৰ আমোদ জনক। বছে যেতিয়া নির্দেশ কৰে আটাইতকৈ ডাঙৰ পকা কঁঠাল কোনে আনি খুৱাব পাৰে, সেয়েই 'চাব্বাচ' পাব। শশীন্দ্র সৰ্মাই উপায়ন্তৰ হৈ নিজৰ ঘৰৰ বিচনাৰ তলত মাকে অম্বুবাচীত খাবলৈ সাঁচি থৈ দিয়া ডাঙৰৰো ডাঙৰ পকা কঁঠালটো হেকো নেকোকৈ কঢ়িয়াই নি 'বছৰ' আগত জমা দি 'বছৰ' মুখৰ চাব্বাচ শব্দটোৰ বাবে অধীৰ আগ্রহেৰে বাট চাই ৰয়। বছে পিঠিত থপৰিয়াই চাব্বাচ বুলি ক'লে, শশীন্দ্র শৰ্মাৰ বিমল আনন্দ। কিন্তু মাকৰ মুখৰ  গালি শপনিত দিনটোৰ বাবে

ভাত-পানী এৰিব লগীয়া হ'লেও যেন কোনো দুখ নাই। কাৰণ বছে চাব্বাচ দিছে। শ্ৰীভৱেন শৰ্মা মোমায়েকৰ ঘৰত থাকি পঢ়া-শুনা কৰিছিল। বয়সৰ ফালৰ পৰা জয়তকৈ কিছু ডাঙৰ। তথাপি জয়ৰ একান্ত বাধ্য। প্ৰয়াত মলয় শৰ্মা দুৰ্দান্ত সাহসী যদিও জয়ৰ আঙুলিৰ ঠাঁৰতহে সাহস দুগুণে বাঢ়ে। ইয়াৰ উপৰিও চুবুৰীটোত বন্ধুসকলক সদায় তেওঁ সমালোচনা কৰে, তেওঁৰ মতে প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ সাহস নথকা বন্ধু প্ৰশংসাৰ পাত্ৰ হ'ব নোৱাৰে। সেয়েহে কিছু সংখ্যক বাল্য বন্ধুৱে জয়ৰ ওচৰৰ পৰা যথা সম্ভৱ গা এৰা দি চলিব বিচাৰিছিল। পৰৱৰ্তী ৰাজনৈতিক জীৱনতো তেওঁৰ সন্মুখত সাহসেৰে থিয় হ'ব পৰা যুৱক-যুৱতীসকলক যথা সম্ভৱ সহায়ৰ হাত আগবঢ়াবলৈ যত্নপৰ হৈছিল। যুৱকসকলক কেতিয়াবা সম্পূৰ্ণ গ্ৰাম্য ঠাঁচত গ্ৰাম্য ভাষাৰে স্বভাৱসুলভ ধম্‌কি দি কথা সোধা তেওঁৰ আজন্ম স্বভাৱ। কিন্তু ভিতৰৰ মানুহজনক বুজাইহে বুজে।

চুবুৰীটোৰ প্ৰতিঘৰ পৰিয়ালৰ লগত জয়ৰ সম্পৰ্ক বৰ নিবিড়। অৱশ্যে পৰিয়াল কেইটা একেটা বংশৰেই। জয়ে যদি কোনোবা এগৰাকী খুৰীয়েক, কিম্বা পেহীয়েকক এটি ভাল সাধু ক'বলৈ কুতুৰণি ধৰে, তেতিয়া খুৰীয়েকৰ পদুলি মুখত জেওত ওলমি থকা কোমল তিঁয়হকেইটা নোহোৱা হোৱাটো খাটাং। অৱশ্যে পিছ মুহূতৰ্তে শান্তি পানী ছটিয়াই ভূক্তভোগীৰ বিষাদ, উপশম কৰা কাৰ্য জয়ৰ বৌদ্ধিক বিচক্ষণতাৰ অপূৰ্ব নিদৰ্শন। দৌল পূজা চাবলৈ গ'লেও জয়ৰ সাংগো-পাংগই দুই-এটা অঘটন সংঘটিত নকৰাকৈ নাথাকে।

এনেকুৱা কৰ্মকাণ্ডই জয়ৰ পিতৃ প্ৰয়াত পদ্মনাথ শৰ্মাক বৰ চিন্তাত পেলাইছিল। তেখেতৰ জ্যেষ্ঠ পুত্ৰ শ্ৰীখগেন্দ্ৰনাথ শৰ্মাৰ লগত জয়ৰ স্বভাৱৰ মুঠেই মিল নাই। এজন মেধা বুদ্ধি দীপ্ত ধৈৰ্যশীল ছাত্ৰ হিচাপে শ্ৰীখগেন্দ্ৰনাথ শৰ্মাক লৈ পিতৃয়ে যিমান গৌৰৱ বোধ কৰে, জয়ক লৈ সেই সুবিধা নেদেখে। এনে দুঃচিন্তাৰ মাজত বহি থাকোতে এদিন প্ৰয়াত গংগাদেউ অধ্যাপক আহি উপস্থিত হ'ল। প্ৰয়াত গংগাদেউ অধ্যাপক জয়ৰ সম্পৰ্কীয় পিতামহ। গাৰ ৰং তেজ গোড়া বগা, মূৰটো তপা কিন্তু শিখা যুক্ত কপালত ৰঙা চন্দনৰ দীৰ্ঘ তিলক, পিন্ধনত চুৰিয়া, গলবস্ত্ৰ। তেওঁ আহিয়েই জয়ৰ বিচাৰ কৰিলে। দেউতাকে

শান্তভাৱে জয় ঘৰত নাই বুলি কৈ তাক লৈ দুঃচিন্তাৰ কাৰণ ব্যক্ত কৰিলে। কথাখিনি মনোযোগেৰে শুনি কিছু সময় নিৰৱ হৈ থাকি তেওঁ গম্ভীৰভাৱে ক'লে "পদো, তোমাৰ গৃহত জয় এটি পদুম হৈ ফুলি তোমাৰ ঘৰ উজ্জ্বল কৰিব। ইয়াৰ সুঘ্ৰাণ চৌদিশে বিয়পি যাব।" কথাষাৰ শুনি পিতৃ প্ৰয়াত পদ্মনাথ শৰ্মা আৰু মাতৃ প্ৰয়াত কিৰণ বালা দেৱীৰ মন কিছু মুকলি হ'ল যদিও দুঃচিন্তাৰ ওৰ নপৰিল।

কৈশোৰ কাল ঃ এনেকৈয়ে জয়ে প্ৰাথমিক বিদ্যালয় অতি সুখ্যাতিৰে শেষ কৰি, গাঁৱৰে নিকৱৰ্তী জোনদেৰ মধ্য ইংৰাজী বিদ্যালয়ত ১৯৬৫ চনত নামভৰ্তি কৰে। এইখন এখন পুৰণি শিক্ষানুষ্ঠান। বিদ্যালয় প্ৰধান গৰাকী প্ৰয়াত বাপুৰাম চলিহা আৰু তদানীন্তন সহকাৰী শিক্ষকসকল প্ৰয়াত দণ্ডীৰাম বৰা (সুদৰ্শন চেহেৰাৰ মুক্তি সংগ্ৰামী) মঃ লুটফুল্লা আলী বা মৌলবী ছাৰ (যদিও তেওঁ মৌলবী ছাৰ বুলি ছাত্ৰসকলৰ মাজত পৰিচিত, তেখেতে আৰবী নাজানে, ইংৰাজী ভাষাতহে অগাধ ব্যুৎপত্তি থকা শিক্ষাগুৰু) প্ৰয়াত নন্দীৰাম নাথ, প্ৰয়াত মুকুন্দ শৰ্মা, মোহেশ্বৰ শইকীয়া আদি স্বনামধন্য শিক্ষাগুৰু সকলে বিদ্যালয়খনত শিক্ষাদান কৰিছিল। একে চৌহদতে ৰঙামাটি পাব্লিক হাইস্কুলখনো অৱস্থিত। সেই হাইস্কুলখনৰ শিক্ষক প্ৰয়াত কুমুদ চন্দ্ৰ শইকীয়া, প্ৰয়াত গজেন্দ্ৰ নাথ ডেকা, প্ৰয়াত ভূবন শৰ্মা শাস্ত্ৰী, প্ৰয়াত মহেন্দ্ৰ নাথ নাথ, প্ৰয়াত লোহিত চন্দ্ৰ কলিতা আদি। বিদ্যালয় দুয়োখন সুকীয়া যদিও সামূহিক কাম-কাজ সমূহ, উৎসৱ-পাৰ্বন একেলগে চলে। এই উচ্চ ইংৰাজী বিদ্যালয়খন তেতিয়া তেনেই চালুকীয়া অৱস্থাত আছিল যদিও এই বিদ্যালয়ৰ পৰাই জয়ৰ জ্যেষ্ঠ ভাতৃ শ্ৰীযুত খগেন্দ্ৰ নাথ শৰ্মাই ১৯৬৭ চনত প্ৰথম বিভাগত H.S.L.C. পৰীক্ষাত উত্তীৰ্ণ হৈ বিদ্যালয়ৰ সুনাম কঢ়িয়াই আনে। এই যুটীয়াভাৱে পৰিচালিত হোৱা বিদ্যালয়ত বহুতো চোকা আৰু মেধাবী ছাত্ৰৰ সমাগম ঘটিছিল। শ্ৰীযতীন্দ্ৰ নাথ কেওঁট, শ্ৰীবলোৰাম ডেকা, শ্ৰীকৰুণা কান্ত ডেকা, শ্ৰীগোবিন্দ ডেকা আদি মেধাবী ছাত্ৰসকলৰ মাজত জয়েও নিজৰ যোগ্যতাৰ পৰিচয়ৰে, ছাত্ৰ-শিক্ষকসকলৰ মাজত পৰিচিত হৈ পৰিছিল। বিদ্যালয়ৰ মুকলি

প্ৰতিযোগিতা সমূহত বিশেষকৈ বক্তৃতা আৰু তৰ্কত ‘জয়’ সদায়েই প্ৰথম হৈ শিক্ষকসকলৰ প্ৰিয়ভাজন হ’ব পাৰিছিল। বিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰতিযোগিতা সমূহৰ তত্বাৱধাক ভাৰপ্ৰাপ্ত শিক্ষক গৰাকী প্ৰয়াত মুহেন্দ্ৰ নাথ নাথ। তদানীন্তন ছাত্ৰসকলৰ ভাষ্য মতে জয় ৰঙামাটি মধ্য ইংৰাজী বিদ্যালয়ত পঢ়ি থকা সময়ছোৱাত কাপোৰ-কানিৰ ক্ষেত্ৰত মুঠেই বিলাসী নাছিল।

বয়ঃ সন্ধি কাল ঃ এনেকৈয়ে তিনিটা বছৰ ৰঙামাটি জে. ডি.. এম. ই. বিদ্যালয়ত অতিবাহিত কৰি এদিন তেওঁ মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৯৬৮ চনত সপ্তম শ্ৰেণীত নামভৰ্তি কৰিলে। সেই সময়ত শ্ৰীযুত খগেন্দ্ৰ নাথ শৰ্মা মঙলদৈ মহাবিদ্যালয়ৰ বি.এচচি. পঢ়ি থকা ছাত্ৰ। কলেজৰ ওচৰৰ Third colonyত প্ৰয়াত নৰেন্দ্ৰ দেৱ শৰ্মাৰ সম্বন্ধীয় (ককাক) পিতামহৰ জুপুৰি ঘৰত তেওঁ থাকে। গাঁৱত থাকিলে জয় নিয়ন্ত্ৰণহীন হৈ পৰিব বুলি আশংকা কৰি জয়ক নিজৰ লগতে ৰখাৰ ব্যৱস্থা কৰিলে। এইবাৰ তেওঁ দদায়েকৰ কঠোৰ অনুশাসনৰ মাজত আবদ্ধ হৈ পৰিল। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ মুখ্য চৰিত্ৰ সুকুমাৰৰ নিচিনাকৈ। এনেকৈয়ে জয় এদিন মঙলদৈবাসী হ’ল। ইফালে জন্ম গাঁও দাৰিয়াপাৰা, সৰু থেকেৰাবাৰী, ভাঙুৰিচুবা একেবাৰে নিজম পৰিল। ভগৱান শ্ৰীকৃষ্ণ ব্ৰজধাম এৰি মথুৰালৈ গুচি যোৱাত ব্ৰজধামৰ সেই একেই দশা হৈছিল। সকলোবোৰেই যেন বিৰহ বিধুৰা। গাঁৱৰ শিশুসকলক সংগঠিত কৰিবলৈ যেন আজি কোনো নাই। দৌল, পূজা, মথনি, পালনাম, বিয়া-সভা, ভাউৰিয়াত আগভাগ লৈ উলিয়াই নিবলৈ কোনো আগবাঢ়ি নাহে। মাঘৰ সংক্ৰান্তিৰ ওচৰে পাঁজৰে ভেলাঘৰ কিম্বা মেজি সাজি হৰিধ্বনি দি ঘৰে ঘৰে পইচা বিচাৰি হুলস্থূল কৰিবলৈ গুৰি ধৰা গৰখীয়াৰ অভাৱ ঘটিল। জয়ে গৃহ এৰি যোৱাৰ পিছে পিছে শ্ৰীভৱেন শৰ্মাও মোমায়েকৰ ঘৰৰ পৰা নিজ গৃহাভিমুখী হোৱাৰ প্ৰস্তুতি চলালে। প্ৰয়াত মলয় শৰ্মায়ো প্ৰায় নিৰুদ্দেশ হোৱাৰ দৰে হ’ল। প্ৰায় সুদীৰ্ঘ ১৫-২০ বছৰ ক’ত থাকিল, ক’ত খালে, পৰিয়ালৰ লোকে গম নোপোৱা হ’ল।

জয়ে গাঁৱৰ ঘৰ এৰি আহিব লগীয়া হোৱাত গোৰ মাৰি গংগাত

পেলোৱাহে হ'ল। ভগৱান শ্ৰীকৃষ্ণওই ব্ৰজধাম এৰি আহি মথুৰাত সোমাই ব্ৰজধামলৈ ওভতি যাবলৈ সময় উলিয়াব নোৱাৰাৰ লেখিয়াকৈ ডঃ জয়নাথ শৰ্মাও মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নামভৰ্তি কৰি নিজৰ বুদ্ধি বৃত্তিৰ সু-প্ৰয়োগ কৰিবলৈ এখন বিশাল ক্ষেত্ৰ পালে। যিখন বিদ্যালয় জিলাখনৰ ভিতৰতে অগ্ৰগনি। এই বিদ্যালয়ৰ পৰাই শ্ৰীবৰদা চৰণ শৰ্মাৰ দৰে সৰ্বভাৰতীয় পৰীক্ষাত উজ্বলি উঠা ছাত্ৰৰ জন্ম হৈছিল। যিখন বিদ্যালয়ত প্ৰয়াত ৰমনী কান্ত বৰুৱা, প্ৰয়াত দীনাথ চহৰীয়া, প্ৰয়াত বগদুল আলী, খৰিকাজাইৰ কবি প্ৰয়াত ভৱানন্দ ৰাজখোৱা, প্ৰয়াত খিলকান্ত শৰ্মা, প্ৰয়াত লোহিত চন্দ্ৰ চৌধুৰী, শ্ৰীকামাখ্যা প্ৰসাদ শৰ্মা, শ্ৰীফুলেন্দ্ৰ নাথ চহৰীয়া, নাট্যকাৰ শিশু সাহিত্যিক প্ৰয়াত গজেন্দ্ৰ নাথ চহৰীয়া, প্ৰয়াত বিজয় বৰঠাকুৰ, প্ৰয়াত দেৱেন্দ্ৰ দেৱ শৰ্মা আদিৰ দৰে স্বনামধন্য শিক্ষাগুৰুসকলে বিদ্যালয় শুৱনি কৰি ৰাখিছিল। অসমৰ প্ৰতিটো জাতীয় আন্দোলনত যিখন বিদ্যালয়ে গুৰি ব'ঠা ধৰে সেইখন বিদ্যালয়ৰ ছাত্ৰ হ'বলৈ সুবিধা পাই তেওঁ অধ্যয়নৰ সমান্তৰালভাৱে তেওঁৰ বৈপ্লৱিক মনটোৰ দীঘ বাণীত বুটা বাচিবলৈ সুবিধা উলিয়াই ল'লে। তদানীন্তন ছাত্ৰ বন্ধু প্ৰয়াত ড° নীলমণি দাস, ডাঃ দিলীপ চৌধুৰী আদিৰ দৰে অতি মেধাসম্পন্ন ছাত্ৰৰ লগত সমানে ফেৰ মাৰি যাবলগীয়া হোৱাটো এজন গাঁৱৰ সাধাৰণ পৰিয়ালৰ ছাত্ৰৰ পক্ষে বৰ সহজ সাধ্য নাছিল।

জয়নাথ শৰ্মাই মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যলয়ৰ মজিয়াত থিতাপি লোৱাৰ তাৎক্ষণিকভাৱে অসমত দ্বিতীয়টো তেল শোধনাগাৰৰ দাবীত অসম জুৰি ধৰ্মঘট চলে। সেই ধৰ্মঘট শান্তিপূৰ্ণ আছিল যদিও মঙলদৈ মহকুমাধিপতি কাৰ্যালয়ৰ সন্মুখত ধৰ্মঘট কৰিবলৈ ছাত্ৰ সন্থাৰ নিৰ্দেশত মঙলদৈ মহকুমাৰ বিভিন্ন প্ৰান্তৰ পৰা ছাত্ৰসকল আহি ধৰ্মঘট কৰি ন্যায্য দাবী কাৰ্যকৰণাৰ্থে ধ্বনি দি আকাশ-বতাহ কঁপাই তুলিছিল। বিদ্যালয়সমূহৰ শ্ৰেণী বৰ্জন কৰি মুকলি সভা অনুষ্ঠিত কৰি ছাত্ৰ নেতাসকলে দাবীৰ প্ৰাসংগিকতা ব্যাখ্যা কৰিছিল। অতি পৰিতাপৰ বিষয় সেই ধৰ্মঘটৰ পৰা ওভতি যোৱা পথত ছিপাঝাৰ একাডেমিৰ নৱম শ্ৰেণীৰ ছাত্ৰ ৰঙাচৰণ

চুবুৰীৰ শ্বহীদ ৰেৱত শৰ্মাৰ কৰুণ মৃত্যু হয়। সেয়া আছিল ১৯৬৯ চনৰ ২২ চেপ্তেম্বৰ। মঙলদৈ জিলা ছাত্ৰ সন্থাই মঙলদৈৰ শ্বহীদ বাকৰিত সন্মান সহকাৰে তেওঁৰ নশ্বৰ দেহ সংস্কাৰ কৰি শ্বহীদ ঘোষণা কৰে। জয়নাথ শৰ্মাক ৰেৱতৰ মৃত্যুৱে ব্যথিত কৰি তুলিছিল। সেই সময়ত তেওঁ মঙলদৈ ছাত্ৰ ইউনিয়নৰ সক্ৰীয় কৰ্মী।

মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰি থকা অৱস্থাত তেওঁৰ জীৱনৰ এটি উল্লেখযোগ্য পৰিঘটনা ১৯৭২ চনৰ ভাষা আন্দোলন। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত অসম বন্ধ কাৰ্যসূচী গ্ৰহণ কৰা হয়। সেই কাৰ্যসূচীত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ ইউনিয়নৰ প্ৰায় ৪৪ জন ছাত্ৰ ASD - 4831নং ট্ৰাকত উঠি খাৰুপেটীয়া টাউনৰ দোকান-পোহাৰ বন্ধ কৰিবলৈ যায়। কিন্তু আগৰে পৰাই পূৰ্ব পৰিকল্পিতভাৱে সাজু হৈ থকা এজাক উন্মাদ বঙালী ভাষী লোকে ছাত্ৰ সন্থাৰ দলটোৰ ওপৰত অতৰ্কিতে আক্ৰমণ কৰি দা, জোং, যাঠী, শিল, ইটা ৰদেৰে বহুতকে আঘাতপ্ৰাপ্ত কৰে। সেই বৰ্বৰ আক্ৰমণত অষ্টম শ্ৰেণীৰ ছাত্ৰ মঃ মোজামিল হক ওৰফে ধনটি গুৰুতৰভাৱে আঘাট প্ৰাপ্ত হৈ মৃত্যুক সাৱটি ল'ব লগাত পৰে। সেই দিনটো আছিল ১৯৭২ চনৰ ৫ অক্টোবৰ। জয়নাথ শৰ্মাও আঘাটপ্ৰাপ্ত হয় যদিও এজন দৰদী মুছলমান লোকৰ সহায়ত এটি মছজিদত আশ্ৰয় গ্ৰহণ কৰি কথমপি প্ৰাণ ৰক্ষা কৰে। এই দুৰ্ভাগ্যজনক ঘটনাটো গাঁৱত প্ৰচাৰ হোৱাত সকলো বিমৰ্ষ হৈ পৰিছিল। পিছদিনা জয়নাথ শৰ্মাৰ মাতৃ প্ৰয়াত কিৰণ বালা দেৱীয়ে পুত্ৰৰ কাপোৰ-কানিত লাগি থকা শুকান তেজৰ গোন্ধত বিহ্বল হৈ পৰিছিল আৰু পুত্ৰৰ আসন্ন বিপদৰ আশংকাত কাতৰ হৈ নিৰৱে চকুপানী টুকিছিল। এই ঘটনাটোৰ দুবছৰ পিছতেই জয়নাথ শৰ্মাৰ মাতৃৰ অকাল বিয়োগ ঘটে। কিন্তু সেইদিনাও তেওঁ মাতৃক শেষ বিদায় দিবলৈ চিতাৰ কাষত থাকিব পৰা নাছিল। এইবোৰ ভাবি চালে এনে ভাব হয় তেওঁ যেন স্বদেশ স্বজাতিৰ বাবে সমৰ্পিত এটা অক্লান্ত সত্ত্বা।

১৯৭২ চনৰেই জুলাই-আগষ্ট মাহত অসমত প্ৰলয়ংকৰী

বানপানীয়ে বিধ্বংসী ৰূপ ধাৰণ কৰিছিল। ৰঙামাটি-কুৰুৱা মথাউৰিত বানপানীয়ে কোবাই আছিল। মঙলদৈ সংৰক্ষিত সমষ্টিটোৰ জনপ্রতিনিধি উপেন দাস গুৱাহাটীৰ স্থায়ী বাসীন্দা। গতিকে সমষ্টিৰ ৰাইজে তেওঁক লগ পোৱা বৰ দুৰ্লভ। স্থানীয় দুই এজন কংগ্রেছ কৰ্মীয়ে গুৱাহাটীতে গৈ লগ কৰি তেওঁলোকৰ ঠিকা ঠুকুলি বা পানী চাবলৈ স্থানীয় কংগ্রেছ কৰ্মীসকলে অনুনয় বিনয় কৰি ৰঙামাটিলৈ মাতি পঠালে। সেইমতে যথা সময়ত জনপ্রতিনিধি প্রয়াত উপেন দাস আহি ৰঙামাটি প্রাথমিক স্বাস্থ্য কেন্দ্রৰ প্রাংগণত উপস্থিত হ'ল। কংগ্রেছ চৰকাৰৰ মীন বিভাগৰ মন্ত্রী গৰাকীক আপ্যায়নৰ বাবে স্থানীয় নেতা কৰ্মীসকল ব্যস্ত হৈ পৰিল। এনে সময়তে ধুমুহাৰ দৰে ডঃ জয়নাথ শৰ্মা আহি সভাত উপস্থিত হ'ল আৰু মন্ত্রী গৰাকীৰ লগত পোনপটীয়া বিতৰ্কত লিপ্ত হ'ল। মন্ত্রীয়েও থতমত খালে। স্থানীয় নেতা কৰ্মীসকলে পৰিস্থিতি চম্ভালিবলৈ যৎপৰোনাস্তি চেষ্টা চলালে। ড° জয়নাথ শৰ্মাও নাচোৰ বান্দা। এগৰাকী জনপ্রতিনিধিৰ দায়িত্ব কৰ্তব্য এফালৰ পৰা সোঁৰৰাই দি কঠোৰভাৱে ভৎসৰ্না কৰিলে। অকল সেয়াই নহয়, ৰাইজৰ সন্মুখতে মন্ত্রী গৰাকীক দুই-এটা ধম্‌কি দি এনে চৰিত্ৰ ত্যাগ কৰিবলৈ সকিয়াই দিলে। এজন স্কুলীয়া ছাত্ৰৰ সাহস দেখি ৰাইজে বিস্ময় মানিলে।

১৯৭১-৭২ চন দুটা অসম আৰু খিলঞ্জীয়া অসমীয়াৰ বাবে ৰাজনৈতিক ক্ষেত্ৰখনত অন্ধকাৰ যুগৰ আৰম্ভণি। সেই সময়ৰ ইন্দিৰা কংগ্রেছ চৰকাৰে অসমৰ জনপ্রিয় নেতা প্রয়াত মহেন্দ্র মোহন চৌধুৰীদেৰক মাত্ৰ তেৰ মাহ মুখ্যমন্ত্ৰী হোৱাৰ পিছতেই মুখ্যমন্ত্ৰী পদৰ পৰা অপসাৰণ কৰি প্রয়াত শৰৎ সিংহদেৰক মুখ্যমন্ত্ৰী পাতিছিল। ইয়াৰ অন্তৰালত কংগ্রেছৰ কিছু সংখ্যক নেতা কৰ্মীৰ কি কু-অভিসন্ধি আছিল, এই সকলো কথা সেই সময়ৰ ছাত্ৰ নেতাসকলে ভালদৰে অনুধাৱন কৰিছিল। ডঃ জয়নাথ শৰ্মাৰ চকুতো সেই দুষ্কাৰ্য ধৰা পৰিছিল। সেয়েহে তেওঁৰ বিপ্লৱী মনটোৱে গুজৰি উঠিছিল। সেয়া ইন্দিৰা মজিবুৰ চুক্তি পূৰ্ণ কাৰ্যকৰীকৰণ।

১৯৭৪ চনত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা

জয়নাথ শৰ্মা বিজ্ঞান শাখাত দ্বাদশ শ্ৰেণী প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তেতিয়াৰ পৰাই উচ্চতৰ মাধ্যমিকত দ্বাদশ শ্ৰেণীৰ সংযোজন ঘটে। মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শতবৰ্ষ অনুষ্ঠানৰ স্মৃতিগ্ৰন্থত ছাত্ৰ ইউনিয়নৰ নেতা হিচাপে ড° জয়নাথ শৰ্মা, শ্ৰীতিলক প্ৰসাদ বৰুৱা আদিৰ নাম উল্লেক আছে যদিও কাৰ্যকাল স্পষ্ট নহয় বাবে প্ৰবন্ধত উল্লেখ কৰা নহ'ল।

কলেজীয়া জীৱন ঃ ১৯৭৪ চনত তেওঁ মঙলদৈ মহাবিদ্যালয়ত বিজ্ঞান শাখাত নামভৰ্তি কৰে। সেই বছৰটো কলেজ কৰ্তৃপক্ষৰ লগত সংগ্ৰাম কৰোতেই গ'ল। মঙলদৈ কলেজতো ছাত্ৰ ইউনিয়নৰ নেতা হিচাপে বৰমাল্য পিন্ধিলে। সেই সময়ত কলেজখনত মুষ্টিমেয় কিছু সংখ্যক টাউনৰ ল'ৰাই আধিপত্য বিস্তাৰ কৰি আছিল। তেওঁলোকৰ কথামতে ছাত্ৰ সভাখন পৰিচালিত হৈছিল। ড° জয়নাথ শৰ্মাই মঙলদৈ কলেজত সেই পৰম্পৰা থানবান কৰি, গাঁৱৰ ছাত্ৰ-ছাত্ৰীকো ছাত্ৰ একতা সভাত প্ৰতিষ্ঠা কৰিলে। মঙলদৈ কলেজত ড° জয়নাথ শৰ্মা বেছি দিন ছাত্ৰ হিচাপে থকা নাছিল। ১৯৭৫ চনৰ ২৫ জুনত ভাৰতবৰ্ষত জৰুৰী কালীন অৱস্থা ঘোষণা হয়। সৰ্বত্ৰতে মিলিটাৰী শাসন। ড° জয়নাথ শৰ্মাও মঙলদৈ কলেজৰ পৰা শিক্ষা সম্পূৰ্ণ নকৰাকৈয়ে তেজপুৰ দৰং কলেজলৈ ৰাওনা হ'ল। তাতো তেওঁ একাউণ্টেচিত অৰ্নাচ লৈ বি. কম. শাখাত নামভৰ্তি কৰে। এইটো এটা দীঘলীয়া সংগ্ৰামী যাত্ৰা। দৰং কলেজতো ছাত্ৰ ইউনিয়নৰ নেতা হিচাপে ছাত্ৰ সমাজে তেওঁক আদৰি ল'লে। কলেজীয়া জীৱনৰ অনেক বন্ধুৰ ভিতৰত এজন ছাত্ৰ বন্ধুক সৰু থেকেৰাবাৰীৰ ৰাইজে সঘনে প্ৰত্যক্ষ কৰিছিল। তেওঁ তেজপুৰৰ শ্ৰীবাপধন কোঁচ। দুৰ্দান্ত সাহসী ল'ৰা, মাত-কথা মৰম লগা, গাঁৱৰ মানুহৰ উৎসুকতাৰ মূল কেন্দ্ৰ বিন্দু হ'ল, ল'ৰাজনৰ এখন হাতৰ প্ৰায় আটাইকেইটা আঙুলি কটা যোৱা, অনবৰতে হাতখনত ৰুমালেৰে মেৰিয়াই ৰাখে। এয়া নিঃসন্দেহে সংগ্ৰামী জীৱনৰেই প্ৰতিফলন। দৰং কলেজৰ পৰা একাউণ্টেচি অনাৰ্চ সহ বি. কম. পাছ কৰি ইলেক্ট্ৰিচিটি ব'ৰ্ডত একাউনটেণ্ট হিচাপে কিছু দিন কাম কৰিছিল। তাৰ পিছত আকৌ বিশ্ববিদ্যালয়ৰ সংগ্ৰামী জীৱন। সেয়াও এক দীঘলীয়া জীৱন গাঁথা।

অসম আন্দোলন ঃ তাৰ পিছে পিছে বিদেশী বিতাৰণ আন্দোলনৰ উক্‌মুকনি। এই আন্দোলন মঙলদৈৰ পৰাই আৰম্ভণি। এই আন্দোলনত গণ সংগ্ৰাম পৰিষদৰ স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক ডঃ জয়নাথ শৰ্মা আৰু দৰং জিলা স্বেচ্ছাসেৱক বাহিনীৰ প্ৰথম গৰাকী জিলা অধিনায়ক শ্ৰীযাদৱ চন্দ্ৰ শৰ্মা।

১৯৭৯ চনৰ ২৭ নবেম্বৰত মঙলদৈ গান্ধী ময়দানত বিৰাট জনসমাবেশৰ আয়োজন হয়। মঙলদৈৰ ইতিহাসত অভূতপূৰ্ব আৰু অবিস্মৰণীয় জনসমাবেশ। সেই সভাখনত মুক্তি যুঁজাৰু প্ৰয়াত পানীৰাম দাসদেৱে সভাপতিত্ব কৰিছিল। শ্ৰীডিম্বেশ্বৰ শইকীয়াদেৱে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আৰু আইনজ্ঞ নিবাৰণ বৰা, শ্ৰীবৃন্দাবন গোস্বামী, শ্ৰীভৰত নৰহ, শ্ৰীতিলক প্ৰসাদ বৰুৱা আৰু ডঃ জয়নাথ শৰ্মাই তেজস্বী ভাষণেৰে সমবেত হোৱা ৰাইজক আন্দোলনমুখী কৰি তোলে। আমিবোৰো সেই জনসামাবেশৰ প্ৰত্যক্ষদৰ্শী। এখন জনসমুদ্ৰ। সকলোৰে পাৰভঙা উচাহ। বিদেশী বিতাৰণ আন্দোলন তেতিয়া জোৰদাৰ হ'ল। ছাত্ৰ সন্থাৰ নেতা কৰ্মীসকলক জে'লত ৰাখিলে। ড° জয়নাথ শৰ্মাও জে'লত। ইফালে জুয়ে পোৰা তিৰাশীৰ ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহৰ পৰা মঙলদৈৰ সৰ্বত্ৰতে অগ্নি সংযোগ, মৰাকটা, গুলীয়াগুলি। ইয়াৰ মূলতঃ অসমৰ জনসাধাৰণে নিৰ্বাচন বৰ্জন কৰা সত্বেও অসমত নিৰ্বাচন পাতিবলৈ নিৰ্বাচনী আয়োগ বদ্ধপৰিকৰ। বিদেশীৰ ভোটেৰে হ'লেও কংগ্ৰেছ চৰকাৰখনক জিকাই নিয়াৰ নিকৃষ্ট পৰিকল্পনা অসমীয়া ৰাইজে বুজি উঠিছিল। ফেব্ৰুৱাৰী মাহৰ মধ্য ভাগত চাউলখোৱা, অপৰিয়া, ঢলপুৰ, ধৰীয়া খাইটীত কেইবাজনো অসমীয়া যুৱকে বিদেশী দখলদাৰীৰ হাতত প্ৰাণ আহুতি দিব লগা হ'ল। ৰঙামাটি থেকেৰাবাৰীৰ পৰা শ্বহীদ অৰুণ বড়া, শ্বহীদ যতীন চহৰীয়া, শ্বহীদ দ্বীপেন শৰ্মাক সৰু থেকেৰাবাৰী আৰতি খেলপথাৰত সমূহীয়াভাৱে সংস্কাৰ কৰা হ'ল। সেই সংস্কাৰ স্থলীত ড° জয়নাথ শৰ্মাৰ পিতৃ প্ৰয়াত পদ্মনাথ শৰ্মাক আমি যেনে ভাৱে প্ৰত্যক্ষ কৰিছিলো সেয়া বিস্ময়কৰ। নিজপুত্ৰ দ্বীপেন শৰ্মাৰ মৃত্যুত তেওঁ অকণমান বিচলিত হোৱা দেখা নাছিলো। সেই তিনিজন

সুদৰ্শন যুৱকক চিতাত তুলি তেওঁ ধাৰাবাহিকভাৱে প্ৰায় আধা ঘণ্টা সময় উপনিষদৰ মন্ত্ৰেৰে চিতাৰ চাৰিও দিশে প্ৰদক্ষিণ কৰিছিল। মোৰ জীৱনত মই এনে দৃশ্য কাহানিও দেখা নাই আৰু দেখাৰ সম্ভাৱনাও নাই। সেই দৃশ্য দেখি মনতে ভাব হ'ল, উপনিষদৰ "অথঃ ব্ৰহ্ম জিজ্ঞাসা" এয়াই চাগে।

কাৰাবৰণ ঃ শ্বহীদ কেইজনৰ ৰাজহুৱাভাৱে অনুষ্ঠিত কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ দিনা সৰু থেকেৰাবাৰীৰ নিজ গৃহত জয়নাথ শৰ্মাক গাঁৱৰ ৰাইজে পুনৰ দেখা পাইছিল। চৌপাশে পুলিচ প্ৰশাসনেৰে পৰিৱেষ্টিত। জে'লৰ পৰা পোনে পোনে নিজ গৃহলৈ অনা হৈছিল। গাঁৱৰ মানুহখিনিয়ে আন্দোলনৰ নেতা অতি ওচৰৰ পৰা প্ৰত্যক্ষ কৰিলে। ড° জয়নাথ শৰ্মাই চোতালৰ মাজত এখন আহল-বহল ঢাৰিত অতি বিমৰ্ষভাৱে নিজৰ হাতৰ আঙুলিত থকা আঙুঠিটো পিটিকি আছিল। গাঁওখনৰ ল'ৰা-বুঢ়া সকলো পুৰুষ-মহিলাই নিজৰ ঘৰৰ ল'ৰাটোকেই অপলক দৃষ্টিৰে হেঁপাহ পলুৱাই চাইছিল। সকলোৰে মুখে মুখে কেৱল এটাই কথা- "আমাৰ জয়নাথ শৰ্মা আহিছে।"

ৰাজনৈতিক জীৱন ঃ তাৰ পিছত তেখেতৰ ৰাজনৈতিক জীৱন আৰম্ভ হ'ল। বিশাল ছিপাঝাৰ সমষ্টিত ৰাইজে কি পালে, কি দিলে সেয়া ৰাইজৰ বিচাৰ্য। কিন্তু একাষাৰে ৰাইজে স্বীকাৰ কৰে, ডঃ জয়নাথ শৰ্মাৰ পত্নীৰ বিয়োগৰ প্ৰাক্‌মুহূৰ্তলৈ অসম বিধান সভাৰ এজন অপ্ৰতিদ্বন্দী ৰাইজৰ প্ৰতিনিধি। পৰৱৰ্তী সময়ত তেওঁ মানসীকভাৱে কিছু দুৰ্বল দেখা গৈছিল। সেয়া স্বাভাৱিক। নিজৰ সমষ্টিৰ মানুহখিনিৰ বাহিৰেও তেওঁ য'ত যেনেকৈ সুবিধা পাইছিল সকলোকে সহায়ৰ হাত আগবঢ়াইছিল। বহুতকে জীৱন জীৱিকাৰ সন্ধান দিছিল। সেইটো ৰাজনৈতিক জীৱনত থকা শত্ৰুসকলেও একেমুখে স্বীকাৰ কৰিবলৈ বাধ্য। তেওঁ বাল্য কালত শিক্ষা গ্ৰহণ কৰা ৰঙামাটি জে. ডি. এম. ই. আৰু ৰঙামাটি পাব্লিক উচ্চ ইংৰাজী বিদ্যালয়ৰ সোণালী জয়ন্তী অনুষ্ঠানত সেই সময়ৰ দেৱগৌৰা চৰকাৰৰ লো আৰু তীখা মন্ত্ৰী শ্ৰীবীৰেন্দ্ৰ কুমাৰ বৈশ্যদেৱক লাখ টকাৰ অনুদান ঘোষণা কৰাইছিল। তাৰ পিছৰ ১৯৮৮ চনৰ বানপানীত ক্ষয়-ক্ষতি হোৱাৰ বাবে বিদ্যালয়ৰ মেৰামতিৰ বাবদ পুনৰ এক লাখ টকা

অনুমোদন দিছিল। সেইখিনি সময়ত সেয়া আছিল বৃহৎ অনুদান।

সমাজ জীৱন ঃ ড° জয়নাথ শৰ্মাৰ অন্য এটি বৈশিষ্ট্য তেওঁ ৰঙামাটিৰ মানুহ য'তেই যাক লগ নাপাওক, ওচৰৰ চুবুৰীয়া সকলোৰে কুশল মংগল খবৰ নকৰাকৈ নাথাকে। এবাৰ দেখিলে নাম-ধাম, গাঁও মনত ৰখা অদ্ভুত স্মৃতি শক্তি। গাঁৱলৈ আহিলে যথা সম্ভৱ সকলোৰে খা-খবৰ লোৱা, নতুবা কোনোবা এজনক লগত লৈ বাটে বাটে গৈ, কোনডাল গছ কোনে কাটিলে, ডাঙৰ আম জোপা কাটি কি কামত ব্যৱহাৰ কৰিলে, সেইবোৰৰ লগত কি কি পুৰণা স্মৃতি বিজৰিত হৈ আছে, এনেবোৰ কথা কৈ তেওঁ নষ্টালজিয়া অনুভৱ কৰে। ড° জয়নাথ শৰ্মা এজন অভাৱনীয় ৰসিক ব্যক্তি। সভা-সমিতি, উৎসৱ-পাৰ্বণ, বিবাহ মণ্ডপ কিম্বা ব্যক্তিগত মানুহৰ ঘৰত সৰু-বৰ সকলোৰে লগত ৰসৰ ৰহগৰা সৃষ্টি কৰি অনাবিল আনন্দ প্ৰদান কৰা তেওঁৰ ল'ৰালি কালৰ অভ্যাস। ড° জয়নাথ শৰ্মাৰ এনে কিছু গুণমুগ্ধ আছে ভাবিলে আচৰিত লাগে। তেখেতে তেওঁৰ ৰাজনৈতিক জীৱনত এনে কিছু দুৰ্গত লোকক জীৱনলৈ অহা ভাবুকিৰ সময়ত কাষত দুৰ্ভেদ্য প্ৰাচীৰৰ দৰে থিয় হৈ সাহস দিছে, প্ৰেৰণা দিছে, অৰ্থ সাহায্য দি জীৱন ৰক্ষা কৰিছে, সেই সকল লোকৰ বাবে তেওঁ আজিও ভগৱান তুল্য। কিন্তু তেখেতৰ বদান্যতাত বহুতে বহু পায়ো পাহৰিছে।

জনপ্ৰিয়তা ঃ কিন্তু এনে কিছু লোক আছে যিয়ে পৰিয়ালৰ বাবে এমুঠা ভাত, এখন কাপোৰৰ দুঃচিন্তাত ভোগে। তথাপি তেওঁলোকে ড° জয়নাথ শৰ্মাৰ প্ৰশংসাত পঞ্চমুখ আৰু তেওঁ অসমৰ এজন অদ্বিতীয় ৰাজনৈতিক বীৰ বুলি গৌৰৱ বোধ কৰে। সেইসকলৰ ভিতৰত এসময়ৰ দুৰ্দান্ত সাহসী ড° জয়নাথ শৰ্মাৰ সংগ্ৰামী সতীৰ্থ শ্ৰীক্ষীতিন্দ্ৰ শৰ্মা বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ ভাষ্য মতে অসমৰ বুকুত একেধাৰে ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, উদ্যোগনীতি, ধৰ্মনীতি ন্যায় শাস্ত্ৰত পাৰংগদ ব্যক্তি আৰু দহজন বিচাৰি উলিয়াবলৈ কেইবা শতিকাৰ প্ৰয়োজন হ'ব। বৈদিক সংস্কৃতিৰ ক্ষেত্ৰতো ড° জয়নাথ শৰ্মাৰ সন্মুখত পৌৰহিত্য কৰিবলৈ সাহস কৰা পুৰোহিত পণ্ডিত কম ওলাব। যি সময়ত অসমৰ

গাঁৱে ভূএঃ M.B.A. বিষয়ৰ ওপৰত বহুতো শিক্ষিত লোকেই ভুঁ পোৱা নাছিল, সেই সময়তেই M.Com., M.B.A., LLM আৰু ডক্তৰেট। অকল সিমানেই নহয়, ড° জয়নাথ শৰ্মাই ছিপাঝাৰবাসী ৰাইজলৈ এনে এটি বৃহৎ উদ্যোগ আগবঢ়াই দিছিল সেয়া ড° জয়নাথ শৰ্মাৰ ব্যতিৰেক অন্য কোনো মন্ত্ৰী-বিধায়কৰ পক্ষে আজিলৈ সম্ভৱ হোৱা নাই। অথচ তেওঁ মুখ্যমন্ত্ৰীও নাছিল। সেই উদ্যোগটো হ'ল প্ৰাগ বচিমি ছিন্থেটিক লিমিটেড।

বৈবাহিক জীৱন ঃ ১৯৮৮ চনৰ অক্টোবৰ মাহৰ এটি পৱিত্ৰ ক্ষণত বিবাহ পাশত আৱদ্ধ হয়। অসমৰ এটি প্ৰখ্যাত পৰিয়ালৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক ড° হিতেন্দ্ৰ বৰুৱা আৰু ড° পাৰকুট্টী বৰুৱাৰ কণিষ্ঠা কন্যা ডঃ অনিতা বৰুৱা শৰ্মাৰ লগত। ড° অনিতা বৰুৱা শৰ্মা এগৰাকী অতি সৰলমনা দেৱী তুল্য গুৱাহাটী বিশ্ববিদ্যালয় ইংৰাজী বিষয়ৰ অধ্যাপিকা। অসমৰ বাহিৰত শিক্ষা-দীক্ষা গ্ৰহণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰে। স্বল্পভাষী ৰাজনীতিৰ ভু নোপোৱা মানুহগৰাকী সকলোৰে আদৰৰ আৰু অতি সন্মানৰ। অসমৰ উপন্যাস সম্ৰাট ব্ৰিটিছ আমোলৰ প্ৰশাসনীয় বিষয়া (SDC) প্ৰয়াত ৰজনী কান্ত বৰদলৈদেৱৰ জীয়েকৰ পক্ষৰ পৰিনাতি। উচ্চ শিক্ষিতা, কেইবাখনো চাহ বাগানৰ স্বত্বাধিকাৰীৰ কন্যা হোৱা সত্বেও মানুহগৰাকী পৰিমাৰ্জিত আৰু অহংকাৰ বৰ্জিতা বুলি গাঁৱৰ সকলোৰে মুখে মুখে চৰ্চিত হৈ আছে। পত্নী হিচাপে ড° জয়নাথ শৰ্মাৰ ব্যস্ত ৰাজনৈতিক জীৱনত তেওঁ মুঠেই হস্তক্ষেপ নকৰিছিল আৰু ৰাজনীতিৰ প্ৰতি মুঠেই উৎসাহী নাছিল বুলি জনা যায়। এখন সংসাৰ কিন্তু আদৰ্শগত দিশত দুই মেৰুত দুজন। তথাপি এখন সুখৰ সংসাৰ, এয়া সম্ভৱ হয় কেৱল দুয়োপক্ষৰ বুজা-বুজি, সহনশীলতাৰ ওপৰত।

আধ্যাত্মিক ও বৈদান্তিক অৱলোকন ঃ অতি পৰিতাপৰ বিষয় ২০০০ চনত ড° অনিতা বৰুৱা শৰ্মাৰ শাৰীৰিক অসুস্থতাৰ অনুমান পোৱা গৈছিল। ২০০৩ চনৰ ৭ জানুৱাৰীত ড° জয়নাথ শৰ্মা ৰ পিতৃৰ বিয়োগ ঘটে। সেই সময়ত ড° জয়নাথ শৰ্মা ISKCONৰ এজন একনিষ্ঠ অনুগামী হৈ

সেৰা আগবঢ়াইছিল আৰু এটি আধ্যাত্মিক সংযমী জীৱন চৰ্য্যাৰ মাজত সোমাই পৰে। তেওঁ পিতৃৰ শ্ৰাদ্ধখন অতি আড়ম্বৰপূৰ্ণভাৱে সম্পাদন কৰে। গএগ্ৰা ৰাইজে এখন ব্যতিক্ৰমী মৃতকৰ শ্ৰাদ্ধ প্ৰত্যক্ষ কৰিছিল। একো দিশতেই তেওঁ ত্ৰুটী বিশ্ৰুতি ৰখা নাছিল। সেই শ্ৰাদ্ধত অসমৰ বিভিন্ন মূলুকৰ অগণন লোকৰ সমাগম ঘটিছিল। সেই কাজখনত তেওঁ অতি সাহসীকতাৰে এটি আধ্যাত্মিক চিন্তাৰ প্ৰতিফলন ঘটাইছিল যে মাছ-মাংস বৰ্জিত ভাৱেও পিতৃ শ্ৰাদ্ধ সম্ভৱ হ'ব পাৰে। বিনা প্ৰতিবাদে সকলো ৰাইজে এই নতুন ধাৰাটো আদৰি লৈছিল। ISKCONৰ সদস্যসকলে বৃহত্তৰ সৰু থেকেৰাবাৰী অঞ্চল হৰি নামেৰে মুখৰিত কৰি তুলিছিল। ই এটা পাহৰিব নোৱাৰা স্মৃতি।

ড° জয়নাথ শৰ্মাক পত্নীৰ অসুখে বহুখিনি বিচলিত কৰি তুলিছিল। তথাপি অতি ধৈৰ্য সহকাৰে ধাৰাবাহিক চিকিৎসা চলাই গৈ থাকিল। মুম্বাইৰ টাটা মেম'ৰিয়েল হস্পিতালত চিকিৎসা চলিল। কিছু আৰোগ্য হোৱাত পুনৰ গুৱাহাটীলৈ অনা হ'ল। তাৰ মাজতে উন্নত চিকিৎসাৰ বাবে আমেৰিকালৈ নিয়া হৈছিল। তাতো সম্পূৰ্ণ আৰোগ্য নহ'ল। ২০০৪ চনত পুনৰ ড° অনিতা বৰুৱা শৰ্মা অসুস্থ হোৱাত মুম্বাইলৈ নিয়া হয়। মাতৃক শেষ দৰ্শনৰ বাবে দুই সন্তানক মাতৃৰ কাষলৈ লৈ যোৱা হয়। ডঃ জয়নাথ শৰ্মাৰ ভগ্নী শ্ৰীহৈম্যবালা দেৱী (সৰু) ডঃ অনিতা বৰুৱা শৰ্মাৰ লগত জাগ্ৰত পহৰিৰ দৰে থাকিল। একেখন বিছনাতে বহু দিন একেলগে শুলে। বহু নিশা উজাগৰে কটালে। স্বল্পভাষী মানুহজনীয়ে হিয়া উজাৰি কওঁ-নকওঁকৈ নননক বহু কথা ক'লে যদিও কিছু বুজিলে কিছু নুবুজিলে। কাৰণ শ্ৰীহৈম্যবালা দেৱী (সৰু)য়ে হাইস্কুলৰ মজিয়াখনতে খোজ পেলাই নাপালে। সেয়েহে বিশ্ববিদ্যালয়ৰ অধ্যাপিকা এগৰাকীৰ লগত কথা-বতৰা পাতোতে ভয় শংকা অসহনীয় দুখত সহজ হ'ব নোৱাৰাকৈ দিনবোৰ অতিবাহিত কৰি থাকিল। ডঃ অনিতা বৰুৱা শৰ্মায়ো দিনে দিনে শৰীৰটো বিকল হৈ অহা অনুমান কৰি মৰমৰ পুত্ৰ ৰোহন আৰু কণমানি প্ৰিয়ংকাক চোৱাচিতাৰ বাবে ননন্দ হৈম্যক কাতৰ অনুৰোধ কৰি ২০০৫ চনৰ ২৭মে' তাৰিখে এই মায়াময় সংসাৰৰ পৰা বিদায় ল'লে। এখন

আৰোহনমুখী পূৰ্ণাংগ নাটৰ গ্ৰন্থী মোচনৰ পিছত হোৱা বেদনাদায়ক অৱৰোহন।

সেই দিন ধৰি ভগ্নী শ্ৰীহৈম্য দেৱী (সৰু)য়ে প্ৰায় আঠ বছৰ কাল ৰোহন আৰু প্ৰিয়ংকাৰ লগত থাকি মাতৃৰ অভাৱ অনুভৱ কৰিব নিদিয়াকৈ ৰাখিছিল। ডঃ জয়নাথ শৰ্মাৰো এটি সন্ন্যাস জীৱন আৰম্ভ হ'ল। আনকি তেওঁৰ ৭২নং বাসভৱনৰ কাম কৰা আয়া কেইজনীকো বিদায় দি বিলাসবৰ্জিত এটি জীৱনৰ মাজত সোমাই পৰিল।

সনাতন সংস্কৃতি আৰু আধ্যাত্মিক গ্ৰন্থ অধ্যয়নত তেওঁ একান্তভাৱে মনোনিৱেশ কৰিলে। তেওঁৰ জীৱন পৰিক্ৰমা ফঁহিয়াই চালে এনেহেন লাগে যেন ডঃ জয়নাথ শৰ্মা এজন সফল বিদ্যাৰ্থী, সফল বিপ্লৱী, এজন সফল জাতীয় বীৰ, এজন সফল ৰাজনৈতিক নেতা, এজন আধ্যাত্মিক জ্ঞান পুষ্ট সনাতনী সংস্কৃতিৰ পূজাৰী। তেওঁতকৈ উচ্চ ডিগ্ৰীধাৰী বিধান সভাৰ মজিয়াত কেইজন জনপ্ৰতিনিধি বিচাৰি পোৱা যাব, এইটো এটা ডাঙৰ প্ৰশ্ন।

অনাবিল প্ৰাপ্তি ঃ ১৯৭৫ চন মানতেই ডঃ জয়নাথ শৰ্মাই মঙলদৈ এৰি সদৌ অসম ছাত্ৰ ইউনিয়নৰ বিষয়ববীয়া হোৱাৰ উপৰিও অসম আন্দোলনৰ সময়ত অসমৰ স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক। আমাৰ বয়সৰ অভিজ্ঞতাৰে সেই সময়ত যি প্ৰত্যক্ষ কৰিছিলো, মঙলদৈত যিসকল ছাত্ৰ নেতা তদানীন্তন সময়ছোৱাত বিশেষ অগ্ৰগনী আছিল, তেওঁলোক হ'ল পৰমানন্দ ৰাজবংশী, যাদৱ চন্দ্ৰ শৰ্মা, তিলক প্ৰসাদ বৰুৱা, জুৰণ কলিতা, সৎৰাম নাথ, প্ৰেমেশ্বৰ শৰ্মা, মহেন্দ্ৰ মোহন চৌধুৰী, দুৰ্গা দাস বড়ো, ডিম্বেশ্বৰ শইকীয়া, প্ৰয়াত খগেন কটকী যাৰ নামেই মনলৈ আহক, প্ৰত্যেকজনেই ডঃ জয়নাথ শৰ্মাক বীৰৰ মৰ্যাদা দিয়া প্ৰত্যক্ষ কৰিছিলো। সকলোৰে মুখত এটাই নাম 'জয়নাথ দা'। ডঃ জয়নাথ শৰ্মাক বাদ দি কোনো কথাই সম্ভৱ নহৈছিল। গতিকে ডঃ জয়নাথ শৰ্মা, মঙলদৈৰ ছাত্ৰ আন্দোলনকাৰীৰ ভীষ্ম পিতামহ বুলি ক'লেও বঢ়াই কোৱা নহয়। বৰ্তমান তেওঁ সক্ৰিয় ৰাজনীতিত নাই যদিও উত্তৰ পূৰ্বাঞ্চলৰ শিক্ষা জগতখনৰ এটি সৰ্বজন সমাদৃত উজ্জ্বল তাৰকা।

❑❑❑

# সাফল্যৰ শিখৰত আৰোহিত সফল বিদ্বৎ এগৰাকীৰ বিষয়ে কিঞ্চিৎ

আকলু দেৱ শৰ্মা

জয়া নগৰ গুৱাহাটীৰ বৰ্তমান অস্থায়ী বাসিন্দা মই। মই থকা ঘৰটোৰ ওপৰৰ পৰা নাতি দূৰত অগ্নিকোণত NERIM নামৰ মহান শিক্ষানুষ্ঠানখন দেখিবলৈ পাওঁ। NERIM অনুষ্ঠিত ঘৰটোৰ (ঘৰ মানে চাৰি মহলীয়া বিল্ডিং) নাম প্ৰয়াত পদ্মনাথ শৰ্মা ভৱন।

দৰং জিলাৰ ৰঙামাটি মৌজাৰ ঐতিহ্যপূৰ্ণ সৰু থেকেৰাবাৰী গাঁৱৰ গাঁও পঞ্চায়তৰ চেক্ৰেটাৰী সমাজকৰ্মী, শাস্ত্ৰজ্ঞ, উদাৰ, বুদ্ধিমান, পৰোপকাৰী ব্যক্তি আছিল পদ্মনাথ শৰ্মা (পদো চেক্ৰেটাৰী)।

সেইগৰাকী মহান ব্যক্তিৰ নামেৰে তেখেতৰ সুযোগ্য তৃতীয় পুত্ৰ অসমৰ প্ৰাক্তন ৰাজহ মন্ত্ৰী ড° জয়নাথ শৰ্মাদেৱে স্বৰ্গগত পিতৃৰ নাম চিৰযুগমীয়া কৰিবৰ বাবে উক্ত মহান শিক্ষানুষ্টানৰ গৃহটোৰ নাম পদ্মনথ শৰ্মা ভৱন নাম দি মহৎ আদৰ্শ দেখুৱাইছে। সৰু থেকেৰাবাৰীৰে আন এগৰাকী আদৰ্শৱান ব্যক্তি মাননীয় শ্ৰীযুত গিৰিন্দ্ৰ শৰ্মাদেৱেও তেখেতৰ স্বৰ্গগত পিতৃ প্ৰয়াত ৰঞ্জিত শৰ্মাদেৱৰ নামত মঙলদৈ চহৰত ৰঞ্জিত শৰ্মা একাডেমী নামৰ এখন উচ্চ পৰ্যায়ৰ হাইস্কুল আৰু ৰঞ্জিত শৰ্মা একাডেমী নামৰ এখন জুনিয়ৰ কলেজ স্থাপন কৰি সমাজত আদৰ্শ প্ৰদান কৰিছে। দুয়োখন শিক্ষানুষ্ঠানৰে পৰীক্ষাৰ ফলাফল ঈৰ্ষণীয়ভাৱে সন্তোষজনক। যিটো সময়ত আমাৰ দেশত পুত্ৰ কিছুমানে বৃদ্ধ বা ৰুগীয়া পিতৃ-মাতৃক বৃদ্ধ বয়সত অনাদৰ কৰা বাবে পুত্ৰসকলে ভৰণ-পোষণ দিব লাগে বুলি চৰকাৰে আইন প্ৰণয়ন কৰিবলগীয়া হৈছে, সেই সময়তে এই দুগৰাকী ব্যক্তিয়ে দেখুওৱা আদৰ্শ বুৰঞ্জীত চিৰযুগমীয়া হৈ থাকিব।

পদ্মনাথ শৰ্মা আৰু ৰঞ্জিত শৰ্মা দুয়োগৰাকী মহান ব্যক্তি একে গাঁৱতে ওপজা। এই ঐতিহ্যমণ্ডিত গাঁওখনৰ নাম সৰু থেকেৰাবাৰী হ'লেও প্ৰত্যেক কামতেই বৰ আগবঢ়া। মহাবাহু ব্ৰহ্মপুত্ৰই অঞ্চলটো পলসুৱা কৰি তোলা আৰু শস্যে-মৎস্যে ভৰপূৰ এই অঞ্চলটো। মৈজেলীৰ সাক-পাচলিত সাৰ দিব নালাগে। এইখন গাঁও অসমৰ কেইবা গৰাকীও বিখ্যাত জ্যোতিষী, পুৰোহিত, মুক্তিযোদ্ধা, সাহিত্যিক, পেঞ্চনাৰ, বিদগ্ধ পণ্ডিত, শিল্পী পেঞ্চনাৰৰ গৃহভূমি। চৰকাৰী চাকৰিয়ালৰ কথা ক'বই নালাগে। এই সকলৰ কথা এই কাৰণেই উল্লেখ কৰা হৈছে যে, স্থান, কাল আৰু পাত্ৰৰ ওপৰত নিৰ্ভৰ কৰি এখন ঠাই উন্নত অনুন্নত ৰূপে পৰিগণিত হয়।

এই ছেগতে মুখ্য কেইগৰাকীমান বিদেহী আৰু দেহী ব্যক্তিৰ নাম উল্লেখ কৰা হৈছে। সেই সকলৰ ভিতৰত বিশিষ্ট জ্যোতিষী, মুক্তিযোদ্ধা পদ্মকান্ত ভাগৱতী, মেৰৌ অধ্যাপক, ভোমোৰ অধ্যাপক, কালপুৰুষ পঞ্জিকা গনিতজ্ঞ কুমুদ চন্দ্ৰ শৰ্মা, জ্যোতিষী যোগেশ্বৰ শৰ্মা, মুক্তিযোদ্ধা দীননাথ শৰ্মা, শাওনা দেৱ শৰ্মা (শাওনা কানু), ভৈৰৱ শৰ্মা, লক্ষীকান্ত শৰ্মা ডাক্তৰ, পূৰ্ণকান্ত ভাগৱতী, ধৰ্মকান্ত শৰ্মা শিক্ষক, গুণাৰাম শৰ্মা কাননগুহ, অকন চন্দ্ৰ শৰ্মা, বাসৱ শৰ্মা, জোনদেৱ শৰ্মা, কল্পনাথ দেৱ শৰ্মা, সাহিত্যিক পেঞ্চনাৰ শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী আৰু শ্ৰীজিতেন ভাগৱতী, পৰেশ চন্দ্ৰ ভাগৱতী, আমেৰিকা নিবাসী পৱন চন্দ্ৰ শৰ্মা, বিশিষ্ট পুৰোহিত শ্ৰীযুত কৰুণা শৰ্মা, ডি. টি. অ'. উমেশ শৰ্মা ইঞ্জিনিয়াৰ সুৰেণ শৰ্মা, শিল্পী পেঞ্চনাৰ শ্ৰীযুত শোভন চন্দ্ৰ শৰ্মা আৰু বহুতো পাণ্ডিত্যপূৰ্ণ ব্যক্তিৰ জন্মস্থান।

প্ৰয়াত পদ্মনাথ শৰ্মাৰ প্ৰথম পুত্ৰ শ্ৰীযুত খগেন্দ্ৰনাথ শৰ্মা ভাৰতীয় ষ্টেট বেংকৰ জোনেল অফিচাৰ হৈ অৱসৰ গ্ৰহণ কৰি বৰ্তমান অসম ব্ৰাহ্মণ মহাসভাৰ সভাপতি ৰূপে সমাজ কল্যাণ কামত গভীৰভাৱে মনোনিৱেশ কৰি আছে। তেখেত এগৰাকী বিদগ্ধ পণ্ডিত আৰু শাস্ত্ৰজ্ঞ পুৰুষ।

মাননীয় ড° জয়নাথ শৰ্মাৰ বিষয়ে মোক অলপমান লিখিবলৈ ক'লে- আমাৰ সম্বন্ধীয় সাহিত্যানুৰাগী শিক্ষক, সাধনা সাহিত্য সভাৰ প্ৰাক্তন

সম্পাদক মৰমৰ শ্ৰীনিপন আচাৰ্য্যই। সেই গৰাকী অসমৰ প্ৰাক্তন ৰাজহ মন্ত্ৰীৰ স্কুলীয়া শিক্ষা, মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষা গ্ৰহণৰ কথা, মঙলদৈ কলেজত পঢ়া দিনবোৰৰ মই জনা কিছু কথা লিখিলেই কেইবাখনো মহাভাৰতৰ আকাৰ ল'ব আৰু সেই বাবেই শিৰোনামাতেই 'কিঞ্চিৎ' শব্দটো ব্যৱহাৰ কৰা হৈছে।

নামটো ড° জয়নাথ শৰ্মা এম.কম., এম.বি. এ., এল. এল. বি., পি. এইচ. ডি.। নামটো হয়তো ভোমোৰা অধ্যাপকেই দিয়া আৰু গণনা কৰা।

জয় শব্দটো কাৰ্যকালত, সৰ্বক্ষণত সদা মংগলময়। সেয়েহে ধৰ্মশাস্ত্ৰবোৰত আৰম্ভণিতে জয় শব্দেৰে আৰম্ভ কৰা আছে। মহাভাৰত পুথিখনিৰো হেনো প্ৰথমতে নাম আছিল জয়হে।

১৯৭৪ চনৰ ফেব্ৰুৱাৰী মাহত ডাঁহী উচ্চ ইংৰাজী বিদ্যালয়ত (বৰ্তমান উচ্চতৰ মাধ্যমিক) দৰং জিলা ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল দুদিনীয়াকৈ। এই অভাজন  আছিলো অভ্যৰ্থনা সমিতিৰ সম্পাদক। দুদিনীয়া কাৰ্যসূচীত দুজন কলেজীয়া ছাত্ৰই উদাত্ত বক্তব্যৰে সভাস্থলী ৰজনজনাই যোৱাকৈ বক্তৃতা দিছিল। তাৰে এজন আছিল ড° জয়নাথ শৰ্মা আৰু আনজন কলাইগাঁও বাসিন্দা নাম পাহৰিছো। মঙলদৈ কলেজৰ কঠিয়াতলীত সাৰ পানী পাই, বিশ্ববিদ্যালয়তো পোখা বিস্তাৰিত হোৱাৰ পিছত অসম গণ পৰিষদ চৰকাৰ গঠনত ৰাজহ মন্ত্ৰীৰ আসন লাভ কৰে। আমাৰ বিদ্যালয়ৰ সংক্ৰান্তত তেখেতৰ কোৱাৰ্টাৰলৈ দুই দিন গ'লো এদিনো লগ নাপালো। পিছৰ কালত নেৰিমলৈ দুই দিন গৈছো পহৰাদাৰীয়ে মোক বাধা নিদিয়ে। এপাক ঘূৰি চাই আহো- মোৰ চিনাকি কৰ্মচাৰী আৰু তাতে অধ্যয়নৰত বহুতো ছাত্ৰ লগ পাওঁ, মাতে। যিহেতু মোৰ ব্যক্তিগত কাম নাই সেয়ে কোনো অধ্যাপক বা কৰ্মচাৰীৰ কোঠাত নোসোমাওঁ। ড° জয়নাথ শৰ্মাতকৈ তেখেতৰ প্ৰয়াত পিতৃৰ লগতহে মোৰ গভীৰ আলোচনা হৈছিল সততে। ভাগৱত বা পুৰাণ আদি ধৰ্মগ্ৰন্থ পাঠ হোৱা মন্দিৰ বা যজ্ঞস্থলীত। সেই বিস্তৃত অঞ্চলত তেখেতৰ লগত ফুৰা সংগী আছিল বি. এচ. এন. এল.ত কাম কৰা  শাস্ত্ৰজ্ঞ ব্যক্তি হৰনাথ শৰ্মা। মোৰ লগত দুই

তিনি ঘণ্টা আলোচনা হয়। ৰাইজৰ সভাত এখন ৰভাথলীত কোন ব্যক্তি কোন ঠাইত বহিব লাগে সেইবোৰ কথা বুজাই কয়।

কথাৰ লাচতে মই এদিন তেখেতক সুধিলো- "আপুনি যে এনেকৈ ঘূৰি ফুৰে সভা-সমিতি পাঠ মিটিঙত, আপোনাৰ ল'ৰা-ছোৱালীবোৰৰ আটাইকে কেনেকৈ কি বুদ্ধিৰে উপযুক্ত আৰু শিক্ষিত কৰিব পাৰিলে?" তেখেত ক্ষন্তেক থমকি ৰৈ ক'লে- " সিহঁতৰ মাকৰ কাৰণে, মাক ব্যাসপাৰাৰ স্বাধীনতা সংগ্ৰামী আৰু এসময়ৰ শিক্ষক প্ৰয়াত নিধিৰাম আচাৰ্য্যৰ (নিধিবাবু বা নিধি পণ্ডিত) জীয়ৰী। তেখেত বৰ্তমান স্বৰ্গগত।"

তেতিয়া মোৰ মনত পৰিল সেই মহান বাক্য- উপাধ্যায়াম্ দশাচাৰ্য্য, আচাৰ্য্যামাং শতং পিতুঃ সহস্ৰান্তং পিতৃন্মাতাঃ গৌৰৱে নাতিৰিচ্যতে। এনে উপযুক্ত পিতৃকুল আৰু মাতৃকুলৰ সন্তান ড° জয়নাথ শৰ্মাদেৱ উদ্দীপ্ত অতুলনীয় নহ'ব কিয়?

"অক্টোপাছ..., অক্টোপাছ..."।

১৯৮৩-৮৪ চন মানৰ কথা। জনাৰামচৌকাৰ পৰা দুই মাইলমান উত্তৰে বৰজলজলি পুখুৰীৰ দক্ষিণৰ পূজাখলাৰ পথাৰত এখন ডাঙৰ সভা হৈছিল। আবেলি আমিও গৈছিলো। স্কুলৰ ছাত্ৰ-ছাত্ৰীবোৰো উপস্থিত আছিল। সেই সভাত কেইবা গৰাকীও ব্যক্তিয়ে তেজস্বী ভাষণ দিছিল- বিষয় অসমৰ বিদেশী সমস্যা।

সেই সভাত ড° জয়নাথ শৰ্মাদেৱে ৰাইজক সম্বোধন কৰাৰ পিছত অক্টোপাছ অক্টোপাছ বুলি দুই হাতৰ আঙুলিবোৰেৰে অংগী-ভংগীৰে নাটকীয় ভংগী প্ৰদৰ্শনেৰে মুদুৰা দি যি বক্তৃতা আৰম্ভ কৰিলে সভাস্থলীত হৰ্ষোল্লাসৰ খলকনি হ'ল। মই সভাৰ বহুদিন পিছলৈ দেখিছিলো ছাত্ৰসকলে ইজনে সিজনক নাপালে অক্টোপাছ অক্টোপাছ বুলি কোৱা হ'ল। সেই সভাত উপস্থিত থকা ব্যক্তিৰ নিশ্চয় এই দৃশ্য হৃদয়ত সঞ্চিত হৈ আছে।

এগৰাকী সৰ্বোচ্চ উপাধিধাৰী, সফল ৰাজনীতিবিদ, উপযুক্ত পিতৃ, সফল অভিভাৱক, তেজস্বী বক্তা, সমাজকৰ্মী ড° জয়নাথ শৰ্মাদেৱৰ নাম অসমৰ

সকলোৰে মুখে মুখে শুনা যায়। অতি ব্যস্ততাৰ মাজতে গৱেষণাৰত থাকি পি. এইচ.ডি. লাভ কৰিলে। এই উদাহৰণ অতুলনীয় আৰু অনুকৰণীয় উত্তৰ পুৰুষসকলৰ বাবে।

নেৰিমৰ বাহিৰে আৰু এখন নবীন নগৰত থকা তেখেতৰ স্বৰ্গগত পত্নীৰ নামৰ ড° অনিতা বৰুৱা শৰ্মা বি. এড. কলেজত অসম আৰু অসমৰ বাহিৰৰ ছাত্ৰ-ছাত্ৰীসকলেও পাঠ গ্ৰহণ কৰি নিজৰ জীৱন যাত্ৰা সুগম কৰি তুলিছে। লগতে দেশকো উপকৃত কৰিছে।

মঙলদৈ চহৰৰ গেৰিমাৰী চাপৰিতো নেৰিমৰ এটা শাখা থকা বুলি গম পাইছো। ড° জয়নাথ শৰ্মাদেৱৰ নিজ জন্মস্থান সৰু থেকেৰাবাৰী গাঁৱত এটা জাগ্ৰত শিৱ মন্দিৰ আছে বহুদিনীয়া। প্ৰত্যেক বছৰে তাত দুদিনীয়াকৈ যজ্ঞ সম্পন্ন হয় আৰু কেইবা হাজাৰো ধৰ্মপ্ৰাণ ব্যক্তিৰ উপস্থিতিত এখন ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। মন্দিৰৰ দক্ষিণৰ দিশৰ পদুম পুখুৰীৰ চাৰিওপাৰে আৰু পুখুৰীৰ মাজত দিয়া মাটিৰ বন্তিয়ে গধুলি যি নান্দনিক দৃশ্যৰ সৃষ্টি কৰে নেদেখিলে ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি সেই দৃশ্য। ডঃ জয়নাথ শৰ্মাদেৱে অসমৰ ৰাইজৰ মংগলৰ বাবে যি কৰিলে বা এতিয়াও কৰি আছে সেয়া কোনেও পাহৰিব নোৱাৰে। নিজৰ জন্ম গাঁও সৰু থেকেৰাবাৰীতো ৰাইজৰ কল্যাণমূলক এটি স্থায়ী অনুষ্ঠান পাতিলে ৰাইজৰ উপকাৰ হ'ব। এয়া মোৰ নিজস্ব মতহে। তেখেতৰ নামত এখন উৎকৃষ্ট অভিনন্দন গ্ৰন্থ প্ৰকাশৰ উদ্যোগ লোৱাৰ বাবে শ্ৰীমান নিপন আচাৰ্য্যৰ প্ৰচেষ্টা প্ৰশংসনীয়। ড° জয়নাথ শৰ্মাদেৱ বিংশতি অধিক শতবৰ্ষ সমাজ সেৱাত ব্ৰতী হৈ নৰৰূপী নাৰায়ণৰ সেৱাত ব্ৰতী হৈ ৰওক।

এয়ে মোৰ দৰে জ্যেষ্ঠ নাগৰিক এজনৰ শুভ ইচ্ছা।

❑❑❑

# মাননীয় ড° জয়নাথ শৰ্মাদেৱলৈ আন্তৰিক অভিনন্দনেৰে এষাৰ

ড° প্ৰসন্ন কুমাৰ নাথ

বিংশ শতিকাৰ সত্তৰৰ দশকটো অসম তথা ভাৰতবৰ্ষৰ ৰাজনৈতিক, সামাজিক, সাহিত্যিক, সাংস্কৃতিক ক্ষেত্ৰৰ বাবে এক উল্লেখযোগ্য দশক হিচাপে চিহ্নিত হৈ আছে। নতুন চিন্তা চেতনা, পৰিৱৰ্তনমুখী দৰ্শনৰ দ্বাৰা প্ৰভাৱিত ৰাজনীতি, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনে এক নব্য চেতনা জাগ্ৰত কৰিবলৈ সক্ষম হৈছিল এই দশকতে। আমি এই দশকৰ চিন্তাৰ দ্বাৰা প্ৰত্যক্ষভাৱে প্ৰভাৱান্বিত হোৱা নাছিলো যদিও পৰোক্ষভাৱে হয়তো প্ৰভাৱান্বিত হৈছিলো। এই দশকত আমি প্ৰাথমিক বিদ্যালয় তথা হাইস্কুলীয়া ছাত্ৰ জীৱন কটোৱা ছাত্ৰ আছিলো। আমি প্ৰাথমিক বিদ্যালয়ৰ নিম্ন শ্ৰেণীৰ ছাত্ৰ হৈ থাকোতে সাধুকথাৰ দৰে শুনিছিলো ১৯৭২ চনত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত ৰাজ্যজুৰি হোৱা মাধ্যম আন্দোলনত প্ৰাণাহুতি দিয়া মঙলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ মোজ্জামিল হকৰ কাহিনী। লগতে শুনিছিলো এই আন্দোলনৰ নেতৃত্ব দিয়া ছাত্ৰ সন্থাৰ বিভিন্ন বিষয়-ববীয়াৰ নামৰ সৈতে সাঙোৰ খাই থকা জয়নাথ শৰ্মাৰ নামো। জয়নাথ শৰ্মা তেতিয়া ছাত্ৰ নেতা। আমাৰ ঘৰখনত সাপ্তাহিক 'নাগৰিক'ৰ উপৰিও 'অসম বাণী,' 'দৈনিক অসম' আদিৰ দৰে বাতৰি কাকত সহজতে পোৱাৰ বাবেই বোধহয় মোজ্জামিল হকৰ আত্মত্যাগৰ কাহিনীৰ দৰে দেশপ্ৰেম বিষয়ক খবৰে বিশেষভাৱে আমাক প্ৰভাৱান্বিত কৰিছিল। গম নোপোৱাকৈ আমাৰ কুমলীয়া মনত শ্বহীদ মোজ্জামিল হক, অনিল বৰুৱা আদিৰ আত্মত্যাগে এক বিশেষ মান্যতা লাভ কৰিছিল। সেইবাবেই হয়তো পঞ্চম শ্ৰেণীত থাকোতেই 'দেশ মাতৃ মোৰ' শীৰ্ষক দেশপ্ৰেমমূলক কবিতা এটা লিখিছিলো, যিটো কবিতা ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী

বিদ্যালয়ৰ আলোচনী ‘পদুম’ত প্ৰকাশিত হৈছিল। ব্যক্তিগত কথাখিনি এইকাৰণেই উল্লেখ কৰিব খুজিছো যে সেই সময়ত দেশপ্ৰেমূলক কথা-বতৰাই কিদৰে আমাক প্ৰভাৱিত কৰিছিল আৰু তাৰ বাবে পোৱা অনুপ্ৰেৰণাই আমাৰ হৃদয় মন মগজুত এক ধৰণে ক্ৰিয়া কৰিছিল যাৰ ফলত কবিতা, গল্প, গীত-মাত আদি সৃষ্টিমূলক কাৰ্যত ৰত হ’বলৈ এক পৰিৱেশ দিছিল। সেই সময়ত ছাত্ৰ নেতা, দেশ নেতাসকলৰ কথা কাহিনী বিভিন্ন হৰতাল, আন্দোলন আদিয়ে বিশেষ ধৰণে আমাক প্ৰভাৱান্বিত কৰিছিল। অকল জয়নাথ শৰ্মাই নহয়, সেই সময়ৰ সৰ্বভাৰতীয় পৰ্যায়ৰ নেতা জৰ্জ ফাৰ্ণাণ্ডেজ, হেম বৰুৱা প্ৰমুখ্যে যিসকল বলিষ্ঠ নেতাৰ নাম সেই সময়ত সততে চৰ্চিত হৈছিল তেওঁলোক আমাৰ বাবে ‘ৰাজনৈতিক হিৰো’ আছিল।

আজিৰ ড° জয়নাথ শৰ্মাৰ অভিনন্দন গ্ৰন্থত লিখিব গ’লে নিশ্চয় জয়নাথ শৰ্মাৰ সৈতে থকা আমাৰ সম্পৰ্ক তথা তেওঁৰ ব্যক্তিত্বৰ কথাই লিখিব লাগিব। ওপৰত উল্লেখ কৰাৰ দৰে সেই প্ৰাথমিক বিদ্যালয় কিম্বা হাইস্কুলীয়া জীৱনৰ পৰাই জয়নাথ শৰ্মা নামটি আমাৰ চিনাকি। ১৯৭৯-৮০ চনত আমি ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ হাইস্কুল খণ্ডৰ উচ্চ শ্ৰেণীৰ ছাত্ৰ। নৱম শ্ৰেণীত মই আছিলো ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় ছাত্ৰ একতা সভাৰ সাংস্কৃতিক বিভাগৰ সম্পাদক। সেই সময়ত ঐতিহাসিক বিদেশী বিতাড়ন আন্দোলনৰ প্ৰস্তুতিৰ সময়। ক’ব পাৰি সময়খিনি আন্দোলনৰ ফেঁহুজালিৰ সময়। ছাত্ৰ একতা সভাৰ বিষয়-ববীয়া হিচাপে আমাৰ সৈতে আন কেইজনমান ছাত্ৰ নেতাৰ সৈতে জয়নাথ শৰ্মাই আমাক আন্দোলন সন্দৰ্ভত কিবাকিবি বুজাইছিল। বৰকৈ বুজা নাছিলো। লাহে লাহে আন্দোলনৰ বিভিন্ন কাৰ্যসূচী ৰূপায়িত হ’বলৈ ধৰিলে। সেই সময়ত এক সৰ্বভাৰতীয় ছাত্ৰ সংগঠনৰ কিছু সংখ্যক নেতা কৰ্মীয়ে আমাক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল। ফলত আমি অসমৰ বিদেশী বিতাড়ন আন্দোলনৰ কাৰ্যসূচীবোৰৰ পৰা লাহে লাহে আঁতৰি আহিছিলো। কিন্তু বিদেশী বিতাড়নৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিলো বাবে আন্দোলনটো বিশেষভাৱে লক্ষ্য কৰিছিলে। সেই সময়তেই

অসম আন্দোলনৰ শীৰ্ষ নেতাসকলৰ ভিতৰৰ অন্যতম নেতা জয়নাথ শৰ্মাৰ বাক্‌পটুতা, বুদ্ধিনিষ্ঠতা আদি সম্বন্ধে আমি জ্ঞাত আছিলো। অসম চুক্তিৰ জৰিয়তে সমাপ্ত হোৱা অসম আন্দোলনৰ নেতাসকল ভবা ধৰণেই মন্ত্ৰী, বিধায়ক হ'ল। জয়নাথ শৰ্মা আমাৰ ছিপাঝাৰ সমষ্টিৰ জন-প্ৰতিনিধি অৰ্থাৎ বিধায়ক, মন্ত্ৰী হ'ল। আমিও উচ্চ শিক্ষা গ্ৰহণৰ অৰ্থে গুৱাহাটী বিশ্ববিদ্যালয়ৰ মজিয়া পালোগৈ। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ অনেক সতীৰ্থ সহপাঠী লাভ কৰিলো। প্ৰথম চিনাকিতেই ছিপাঝাৰ বুলি ক'লে জয়নাথ শৰ্মাৰ নামটো সকলোৰে মুখে মুখে। অনুভৱ কৰিছিলো জয়নাথ শৰ্মা অসমৰ মানুহৰ বাবে কেনে এটি পৰিচিত নাম। অকল ছাত্ৰ-ছাত্ৰীসকলৰ মাজতেই নহয় সেই সময়ত ছিপাঝাৰৰ বাহিৰৰ ঠাইলৈ গৈ নতুন কোনোবা ব্যক্তিৰ সৈতে চিনাকি হ'লে ড° জয়নাথ শৰ্মাৰ প্ৰসংগ আহিছিল। এগৰাকী ৰাজনৈতিক ব্যক্তিৰ এনে চিনাকিয়ে আমাকো কিছু গৌৰৱান্বিত কৰিছিল। কিন্তু এই সময়খিনিত জয়নাথ শৰ্মাৰ সৈতে আমাৰ বিশেষ যোগাযোগ নাছিল। কিন্তু তেওঁৰ মেধা, বুদ্ধিনিষ্ঠতা, বাক্‌পটুতাৰ জৰিয়তে আন্তৰিকতাৰে আশা কৰিছিলো ছিপাঝাৰ সমষ্টিৰ সাৰ্বিক উন্নয়ন হ'ব। উন্নয়ন নোহোৱাও নহয়, হৈছিল। কিন্তু সমষ্টিবাসীয়ে তেওঁৰ পৰা  তাতোকৈ অধিক পাবলৈ আশা কৰিছিল। আমি লক্ষ্য কৰিছিলো এটি আঞ্চলিক দলৰ বিধায়ক, মন্ত্ৰী হিচাপে জয়নাথ শৰ্মাদেৱে ছিপাঝাৰ সমষ্টিৰ বহু যুৱক-যুৱতীক চৰকাৰী চাকৰি দিবলৈ সক্ষম হৈছিল। অৱশ্যে বহু চাকৰি প্ৰাৰ্থী বিফল হোৱাও দেখিছিলো। জয়নাথ শৰ্মাৰ প্ৰতি বিষোদগাৰ কৰা বহু চাকৰি প্ৰাৰ্থী, অভিভাৱকো দেখিছো। ব্যক্তিগতভাৱে সকলোকে চাকৰি দিব নোৱাৰাটো বিধায়ক, মন্ত্ৰী গৰাকীৰ ব্যৰ্থতা বুলি ক'ব নোখোজো। কিন্তু সামগ্ৰিকভাৱে বিশেষ ব্যৱস্থাপনাৰ জৰিয়তে নিবনুৱাৰ সংখ্যা ৰোধ কৰাৰ শক্তি থকাৰ পিছতো জয়নাথ শৰ্মা প্ৰমুখ্যে আঞ্চলিক চৰকাখনৰ মন্ত্ৰী, বিধায়কসকলে বিশেষ ফলপ্ৰসু কাৰ্যপন্থা লোৱা যেন অনুভৱ নহ'ল। অসমৰ দৰে কৃষি উপযোগী উৰ্বৰ ৰাজ্যখনত কৃষি খণ্ডৰ উন্নয়নৰ বাবে যে অনেক কাৰ্যপন্থা ল'ব পাৰি সেই কথা পৰৱৰ্তী কালত জয়নাথ শৰ্মাদেৱৰ সৈতে হোৱা আমাৰ বিভিন্ন

আলোচনাত ঠাই পাইছিল। তেনে ধৰণৰ আঁচনিৰ কথা তেওঁ ব্যক্তও কৰিছিল।

আমাৰ কৰ্মক্ষেত্ৰ ছিপাঝাৰ মহাবিদ্যালয়ৰ সৈতে জয়নাথ শৰ্মাৰ এক যোগসূত্ৰ আছে যদিও সততে সঘনাই তেওঁক মহাবিদ্যালয়ত আমি লগ পোৱা নাছিলো। আমাৰ জ্ঞাত যে, ছিপাঝাৰ মহাবিদ্যালয়ে ১৯৮৬ চনত চৰকাৰৰ ঘাটি মঞ্জুৰী লাভৰ ক্ষেত্ৰত জয়নাথ শৰ্মাৰ ভূমিকা আছিল বলিষ্ঠ আৰু ফলপ্ৰসু। মহাবিদ্যালয়খনত শিক্ষকতা কৰাৰ বাবে ছিপাঝাৰ অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান তথা সামাজিক সমস্যাসমূহৰ সৈতে আমি একাত্ম হ'বলৈ বাধ্য হৈছিলো। এনে পৰিপ্ৰেক্ষিতত স্থানীয় বিধায়ক তথা মন্ত্ৰী হিচাপে জয়নাথ শৰ্মাদেৱক বিভিন্ন কাৰণত লগ পাবলগীয়া হৈছিল। ক্ৰমাৎ তেওঁৰ সৈতে আমাৰ এক সম্পৰ্ক গঢ় লৈ উঠিছিল। কোনো ৰাজনৈতিক দলৰ হৈ নহয়, ৰাজনৈতিক দলৰ উৰ্দ্ধত থাকি এগৰাকী শিক্ষক তথা স্থানীয় নাগৰিক হিচাপে জয়নাথ শৰ্মাৰ সৈতে আমাৰ সম্পৰ্ক আছিল সমাজ উন্নয়নমুখী চিন্তাৰ দ্বাৰা পৰিচালিত হৈ হোৱা সম্পৰ্ক। আঞ্চলিক দলৰ চৰকাৰৰ অংশীদাৰ হৈ ছিপাঝাৰ সমষ্টিত স্থাপন কৰা বৃহদাকাৰৰ উদ্যোগ প্ৰাগ ৰছিমী চিন্থেটিক লিমিটেড (PBSL) জয়নাথ দেৱৰ এক উল্লেখযোগ্য কাম বুলি ক'ব পাৰি। বহু নিবনুৱা যুৱক-যুৱতীৰ কৰ্ম সংস্থাপনৰ ক্ষেত্ৰ হিচাপে বিবেচিত হোৱাৰ উপৰিও দেশৰ উদ্যোগ খণ্ডত এই উদ্যোগটিৰ গুৰুত্ব মনকৰিবলগীয়া। মৃতপ্ৰায় এই উদ্যোগটি পুনৰ সক্ৰিয় কৰাৰ ক্ষেত্ৰত আজি সকলো পক্ষ আগবাঢ়ি অহা উচিত বুলি আমি বিবেচনা কৰো। (আজিৰ PBSL অৰ অৱস্থা দেখি ব্যথিত হওঁ)।

বিভিন্ন সভা-সমিতিত ড° জয়নাথ শৰ্মাদেৱক নিচেই ওচৰৰ পৰা পাই আহিছো। আমি লক্ষ্য কৰিছো যে এগৰাকী বিদ্যোৎসাহী, জ্ঞান অন্বেষী ব্যক্তি হিচাপে তেওঁ সদায় সময়ৰ সৈতে খোজ মিলাব খোজে। সেইবাবেই তেওঁ NERIM অৰ দৰে সময়ৰ সৈতে খাপ খোৱা শৈক্ষিক প্ৰতিষ্ঠান স্থাপনত বিশেষ গুৰুত্ব দিছিল। এই শৈক্ষিক প্ৰতিষ্ঠানৰ জৰিয়তে বিভিন্ন বিভাগত শিক্ষা গ্ৰহণ কৰি বহু শিক্ষাৰ্থী লাভান্বিত হৈছে। বহু দিনৰ পৰা লক্ষ্য কৰি আহিছো যে, এগৰাকী শিক্ষকৰ বাবে শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰা B.Ed. ডিগ্ৰী

লোৱাটো প্ৰায় বাধ্যতামূলক আছিল। বিদ্যালয়সমূহৰ অধ্যক্ষ বা মুৰব্বী হ'বৰ বাবে B.Ed. ডিগ্ৰীৰ প্ৰয়োজনীয়তা চৰকাৰে বাধ্যতামূলক কৰিছে। সম্প্ৰতি হাইস্কুল পৰ্যায়ৰ শিক্ষক হ'বৰ বাবে প্ৰয়োজন হোৱা টেট (TET) পৰীক্ষাত বহিবলৈয়ো B.Ed. ডিগ্ৰীৰ প্ৰয়োজন। B.Ed. ডিগ্ৰী লাভ কৰাৰ অৰ্থে আগ্ৰহী শিক্ষাৰ্থী অনুযায়ী চৰকাৰী খণ্ডত আজিও B.Ed. কলেজৰ যথেষ্ট অভাৱ। কিন্তু ড° জয়নাথ শৰ্মাৰ এক বিশেষ তৎপৰতাত নেৰিমকে ধৰি ছিপাঝাৰতো ব্যক্তিগত প্ৰচেষ্টাত B.Ed. কলেজ প্ৰতিষ্ঠা হ'ল আৰু সি দিনক দিনে আগবাঢ়ি যোৱাটো ছিপাঝাৰ তথা অসমৰ শৈক্ষিক ক্ষেত্ৰত এক বিশেষ সংযোজন বুলি অনুভৱ কৰিছো। আজি অসমত কম্পিউটাৰ শিক্ষাই ব্যাপকতা লাভ কৰিছে। কিন্তু যোৱা শতিকাৰ শেষ দশকৰ আৰম্ভণিতে হোৱা কম্পিউটাৰ শিক্ষাৰ চালুকীয়া প্ৰচলনৰ সময়ত ডঃ জয়নাথ শৰ্মাই নিজৰ প্ৰতিষ্ঠানত কম্পিউটাৰ শিক্ষাৰ প্ৰচলন কৰি আগ্ৰহী ছাত্ৰ-ছাত্ৰীক কম্পিউটাৰৰ সৈতে চিনাকি কৰি দিয়াটো যুগোপযোগী কাম হিচাপে বিবেচিত হৈ ৰৈছে। আঞ্চলিক দল অগপৰ সময়ত চৰকাৰৰ বিত্তীয় দিশ যথেষ্ট দুৰ্বল হৈ আছিল। ফলত যাতায়ত ব্যৱস্থাকে ধৰি ৰাজ্যখনৰ উন্নয়নৰ ক্ষেত্ৰত যথেষ্ট ব্যাঘাত হৈছিল। আমাৰ গাঁৱৰ মাজেৰে যোৱা পথটি (কবি ধনাই বৰা পথ) সেই সময়ত যথেষ্ট বেয়া আছিল। বাৰিষা গাড়ী-মটৰ চলাটো দূৰৈৰে কথা, খোজ কাঢ়ি বা চাইকেল চলাই যাতায়ত কৰাটোও এটা অত্যন্ত কষ্টকৰ কথা আছিল। উক্ত পথটিৰ উন্নয়নৰ স্বাৰ্থত বিধায়ক তথা মন্ত্ৰী ডঃ জয়নাথ শৰ্মাদেৱৰ ওচৰলৈ গাঁওবাসীৰ হৈ আমি কেইবাজনো তেওঁক লগ ধৰিবলৈ দিছপুৰ পৰ্যন্ত গৈছিলো। এবাৰ দিছপুৰ বিধায়ক আবাসত সোমোৱাৰ ক্ষেত্ৰত আহি পৰা জটিলতা দূৰ কৰাৰ বাবে ছিপাঝাৰ সমষ্টিৰ ড° শৰ্মাদেৱৰ ঘনিষ্ঠ ব্যক্তি এগৰাকীৰ সহায় বিচাৰিছিলো। কিন্তু তেওঁ অধিক ক্ষমতাপ্ৰাপ্ত হোৱাৰ দৰে আমাৰ লগত যি আচৰণ কৰিছিল সেই আচৰণে সেই ব্যক্তি গৰাকীৰ লগতে ড° শৰ্মাদেৱৰ প্ৰতিও আমাক বিতুষ্ট কৰিছিল। কিন্তু বিশেষ যোগাযোগেৰে শৰ্মাদেৱৰ মন্ত্ৰীৰ চেম্বাৰ পাই আমি যথেষ্ট আহ্লাদিত হৈছিলো। তেওঁ আমাৰ আবেদনক যথেষ্ট গুৰুত্ব দিছিল।

কথাখিনি এই কাৰণেই উল্লেখনীয় যে বহু মন্ত্ৰী, বিধায়ক তেওঁৰ অপৰিপক্ক অনুগত কিছুমানৰ বাবে জনৰোষত পৰা দেখা যায়। ডঃ জয়নাথ শৰ্মাদেৱৰ ৰাজনৈতিক জীৱন, মন্ত্ৰী, বিধায়কৰ সময়ৰ মূল্যায়ন কৰাটো আমাৰ বাবে সম্ভৱ নহয়। কিন্তু তেওঁৰ সৈতে থকা কিছু সম্পৰ্কৰ এয়া এক ৰোমন্থনহে কেৱল। ছিপাঝাৰত সেই সময়ত চৰকাৰী অনুজ্ঞাপ্ৰাপ্ত বিলাতী সুৰা বা দেশীয় সুৰাৰ বিপনী বন্ধ কৰাৰ ক্ষেত্ৰত ডঃ শৰ্মাদেৱে আমাক যথেষ্ট সহায় কৰিছিল। জিলা উপায়ুক্ত মহোদয়ৰ ওচৰত আমি স্থানীয় নাগৰিক হিচাপে প্ৰদান কৰা সুৰাৰ বিপনী বন্ধ কৰাৰ আবেদনৰ ক্ষেত্ৰত ডঃ শৰ্মাদেৱে আমাক যোগাত্মক সহাঁৰি জনাই অঞ্চলটোৰ হিত সাধন কৰিছিল বুলি আমাৰ বোধ হয়।

সদৌ অসম ছাত্ৰ সন্থাৰ স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়কৰ পৰা বিধায়ক, মন্ত্ৰী তথা আজিৰ সময়লৈ ড° শৰ্মাক প্ৰত্যক্ষ কৰি আহিছো। বাক্‌পটুতা সম্পন্ন, সুবক্তা ড° শৰ্মাদেৱ হেনো এগৰাকী অত্যন্ত খঙাল ব্যক্তি। মই ব্যক্তিগতভাৱে তেওঁৰ সেই খঙাল ৰূপ দেখা নাই। মই তেওঁক এগৰাকী চতুৰ, যুক্তিনিষ্ঠ আৰু কিছু পৰিমাণে আত্মবিশ্বাসী ব্যক্তি হিচাপেও প্ৰত্যক্ষ কৰি আহিছো। তেওঁৰ বুদ্ধিদীপ্ত হাস্যৰসো শলাগিবলগীয়া। ড° শৰ্মাদেৱৰ প্ৰিয়তমা পত্নীৰ বিয়োগ অকল তেওঁৰ পৰিয়ালৰ বাবেই নহয় অসমৰ বৌদ্ধিক আৰু বিদ্যায়তনিক ক্ষেত্ৰখনিলৈয়ো এক বিশেষ ক্ষতি বুলি আমি বিবেচনা কৰো। তথাপি ড° শৰ্মাদেৱে পত্নীৰ অবৰ্তমানতো নিজ পুত্ৰ-কন্যাক পিতৃ-মাতৃ উভয়ৰ দায়িত্ব যথাৰ্থ ৰূপে পালন কৰি এটি সুখী জীৱন যাপন কৰাটোও তেওঁৰ জীৱনৰ উল্লেখযোগ্য সফল দিশ বুলি বিবেচনা কৰো।

শেষত ড° জয়নাথ শৰ্মাদেৱৰ আগত দিনবোৰ সু-স্বাস্থ্য আৰু আনন্দেৰে অতিবাহিত কৰক, দেশ আৰু দহৰ বাবে বৰ্তমান যি কৰি আছে তাতকৈ অধিক (যিহেতু তেওঁৰ এনে কাৰ্য সম্পন্ন কৰাৰ বাবে প্ৰচুৰ সমল আৰু শক্তি আছে) ফলপ্ৰসু আঁচনিৰে কৰ্ম সম্পাদন কৰক তাকেই আন্তৰিকতাৰে আশা কৰি আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো ❑❑❑

# বিশাল ব্যক্তিত্বৰ অধিকাৰী ড° জয়নাথ শৰ্মাৰ  সান্নিধ্যৰ স্মৰণীয় মুহূৰ্ত

- দ্বীপেন্দ্ৰ শৰ্মা

মনোৰম প্ৰাকৃতিক ফুলনিত  জাতিস্কাৰ হৈ ফুলে যিদৰে সৌৰভ বিলাই মানুহৰ মনত আনন্দ দিয়ে, সু-স্বাস্থ্য ৰক্ষা কৰে, কাব্যিক প্ৰতিভা বিকাশ কৰে ঠিক সেইদৰে এই ধুনীয়া ধৰিত্ৰীৰ মানৱ ফুলনিত জন্ম গ্ৰহণ কৰি মানুহেও জীৱন যোৰা সাধনাৰে  সাহিত্য-সংস্কৃতি, ধৰ্মীয়, সমাজনীতি, ৰাজনীতি আদি বিষয়ত নিজৰ প্ৰতিভা বিকাশ কৰি এগৰাকী ভগৱানৰ সন্তান হিচাপে সমাজৰ, দেশৰ, দহৰ মংগলৰ বাবে প্ৰগতিৰ বাবে অৰিহণা যোগাব পাৰে। তাতেই আছে মানুহৰ জন্মৰ সাৰ্থকতা আৰু জীৱন জ্যোতিৰ মাদকতা।

এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে ঐতিহ্যমণ্ডিত এখন গাঁও শিক্ষা, সাহিত্য, ধৰ্মীয়, সংস্কৃতি, জ্যোতিষ চৰ্চা, কৃষি-বাণিজ্য আদিত যথেষ্ট উৰ্বৰা সৰু থেকেৰাবাৰীৰ প্ৰয়াত পিতৃ পদ্মনাথ শৰ্মা আৰু প্ৰয়াত মাতৃ কিৰণ্ময়ী দেৱীৰ সুযোগ্য সন্তান হিচাপে জন্ম গ্ৰহণ কৰি মহাগুৰু পিতৃ-মাতৃৰ আশীৰ্বাদপুষ্ট হৈ জীৱন মহিমামণ্ডিত কৰিবলৈ সক্ষম হোৱা অসমৰ এগৰাকী প্ৰাক্তন ৰাজহমন্ত্ৰী, প্ৰাক্তন ছাত্ৰ নেতা, অসম আন্দোলনৰ (বিদেশী খেদা) গুৰি বঠা ধৰোতা সন্মানীয় ড° জয়নাথ শৰ্মাৰ জীৱন আলেখ্যৰ ওপৰত এখনি অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰিবলৈ বিচৰাটো সঁচাই আনন্দ আৰু গৌৰৱৰ কথা। সেয়ে প্ৰথমে অভিনন্দন গ্ৰন্থ সম্পাদনা সমিতিৰ সন্মানীয় উপদেষ্টা মণ্ডলী, সভাপতি, সম্পাদক মহোদয় প্ৰমুখ্যে সদস্যসকলকো আন্তৰিক ধন্যবাদ জনালোঁ। মই সন্মানীয় ড° জয়নাথ শৰ্মাদেৱক বিভিন্ন সভা-সমিতিত লগ পাইছিলো। ছাত্ৰ সংগঠনৰ সভাত অসমৰ বিভিন্ন জ্বলন্ত সমস্যাৰ ওপৰত উদাত্ত কণ্ঠে দিয়া ভাষণবোৰ শুনি অসমক ভালপোৱা অসম প্ৰেমী ব্যক্তি বুলি উপলব্ধি কৰিছিলো। সকলো কথা লিখিবলৈ হ'লে দীঘলীয়া হ'ব বুলি ভাবি মই ড°

শৰ্মাক নিচেই ওচৰৰ পৰা লগ পোৱা আৰু ভাবৰ আদান-প্ৰদান কৰা কথাৰ কিছু সাৰাংশ মাত্ৰ প্ৰকাশ কৰিম বুলি ভাবিছো।

মই যেতিয়া ইং ২০১৫-১৬ বৰ্ষত দৰং আৰু ওদালগুৰি জিলা ব্ৰহ্ম সমাজৰ সভাপতি আছিলো, তেতিয়া ব্ৰহ্ম সমাজৰ কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত অনুসৰি এখনি পৰিকল্পনা আয়োগ গঠন কৰি আয়োগৰ জৰিয়তে কেইটিমান অভিলাষী আঁচনি গ্ৰহণ কৰিছিল। তাৰে মুখ্যত কেইটিমান আঁচনি ৰূপায়ণৰ বাবে ডঃ শৰ্মাৰ দিহা-পৰামৰ্শ, সহযোগিতা বিচাৰি পৰিকল্পনা আয়োগৰ সভাপতি মাননীয় শ্ৰীঅনন্ত শৰ্মা, দুনী, ব্ৰহ্ম সমাজৰ বিশিষ্ট ব্যক্তি ডিম্বেশ্বৰ ভট্টাচাৰ্য্যসহ আমি কেইজনমান গুৱাহাটীত থকা ড° শৰ্মাদেৱৰ নেৰিমলৈ গৈছিলো। আমি গৈ পোৱাৰ পাছত ব্ৰহ্ম সমাজৰ মানুহ আহিছে বুলি খবৰ দিয়াত তেখেতে সকলো কাম-কাজ বাদ দি আমাৰ ওচৰলৈ আহি আমাক তেখেতৰ কোঠালৈ লৈ গ'ল আৰু সুন্দৰভাৱে চাহ-মিঠাই, ফল-মূল খাবলৈ দি আপ্যায়ণ কৰিলে। তেখেতে অতি আগ্ৰহ আৰু আন্তৰিকতাৰে আমি যোৱাৰ উদ্দেশ্যে সোধাত আমি দৰং আৰু ওদালগুৰি জিলা ব্ৰহ্ম সমাজৰ সিদ্ধান্ত অনুসৰি (বৰ্তমান ব্ৰাহ্মণ সভা) অনুসৰি এখনি ব্ৰাহ্মণ উন্নয়ন পৰিষদ গঠন কৰিব খুজিছো আৰু এই ক্ষেত্ৰত আপুনি আমাক সহায় কৰি দিব লাগে বুলি ক'লো। তেখেতে অতি সহজভাৱে মই এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি পৰিষদ গঠনৰ বাবে আগভাগ ল'ম আৰু প্ৰয়োজনীয় নথি-পত্ৰ কি লাগে আপোনালোকক জনাম বুলি ক'লে। তাৰোপৰি আমি ব্ৰহ্ম সমাজৰ প্ৰাতঃস্মৰণীয় গুৰু শ্ৰীশ্ৰীশম্ভোদেৱ গোস্বামীৰ নামত এটি এক কোটি টকাৰ ন্যাস খুলিম বুলি ক'লো। তেতিয়া কিন্তু তেওঁ ক'লে এক কোটি কিয়? পাঁচ কোটি কৰিব লাগে আৰু ন্যাসৰ লাভাংশৰে এটি ক'চিং চেণ্টাৰ খুলিব লাগে। আমাৰ এতিয়া এ. পি. এচ., এ. চি. এচ., আই. চি. এচ., প্ৰশাসনীয় বিষয়া নোহোৱা হ'ল। গতিকে ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা আৰু শিক্ষা দিয়াৰ বাবে ক'চিং চেণ্টাৰ লাগে। তাত অকল আমাৰ সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাহিৰেও আন সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীকো সামৰি ল'ব লাগে। প্ৰয়োজনীয় টকাৰ ক্ষেত্ৰতো মই দান-বৰঙণি সংগ্ৰহ কৰি

দিব পাৰিম বুলি কোৱাত আমি অতিশয় উৎসাহিত আৰু আনন্দিত হৈছিলো। তাৰ পাছত ড° শৰ্মাই আমাক আন এটি কোঠালৈ লৈ গ'ল। আমি কোঠাটোত সোমাই দেখিলো মন্দিৰ সদৃশ অতি সুন্দৰভাৱে সজাই পৰাই ৰাখিছে। ধূপ-ধূনা দীপ আদি জ্বলাই পুৱা-গধূলি পূজা-অৰ্চনা-প্ৰাৰ্থনা কৰে। দেৱ-দেৱীৰ ফটোৰ বাহিৰেও বেৰত এখন তেখেতৰ পিতৃ দেৱতাৰ ফটো সুন্দৰভাৱে বন্ধাই থৈছে। এয়া তেখেতৰ পিতৃ-মাতৃৰ প্ৰতি থকা অসীম শ্ৰদ্ধা আৰু ভক্তি। ছাত্ৰ-ছাত্ৰীসকলেও কোঠাত সোমাই প্ৰাৰ্থনা আদি কৰে। যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ মনত পিতৃ ভক্তি ঈশ্বৰ পৰায়ণতা আদি আধ্যাত্মিক গুণৰ বিকাশ হোৱাত প্ৰেৰণা পায়।

সেইদিনা তেখেতৰ সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশৰ মাজতে আমাক দৰং আৰু ওদালগুৰি জিলা ব্ৰহ্ম সমাজৰ কাৰ্যনিৰ্বাহ সভা এখন গীতানগৰ গুৱাহাটীত থকা শ্ৰীশ্ৰী পৰমানন্দ সেৱাশ্ৰম হৰিহৰ মঠ মন্দিৰত দিবলৈ কৈছিল। খোৱা-লোৱাৰ সকলো দায়িত্ব তেওঁ ল'ম বুলি ক'লে। সভাত আমি পৰৱৰ্তী আঁচনিসমূহ আলোচনা কৰিব পাৰিম বুলি মত পোষণ কৰিছিল। কিন্তু সমাজৰ সম্পাদক গৰাকীক কৈ কৈয়ো মই সভাখন দিয়াত সফল নহ'লো। সেইদিনা আমি দৰং আৰু ওদালগুৰি জিলা ব্ৰহ্ম সমাজৰ উদ্যোগত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভাৰতৰত্ন গোপীনাথ বৰদলৈদেৱৰ নামত এটি স্মৃতি ভৱন নিৰ্মাণ কৰাৰ বাবেও আঁচনি গ্ৰহণ কৰা হৈছে বুলি কোৱাত অতি ভাল কথা হোৱা বুলি তেখেতে প্ৰশংসা কৰিছিল। তাৰোপৰি তেখেতে মঙলদৈ বুৰঞ্জী লিখক দীনেশ্বৰ শৰ্মাৰ স্মৃতি ৰক্ষাৰ কাৰণেও সমাজে চিন্তা চৰ্চা কৰিব লাগে বুলি পৰামৰ্শ দিছিল।

সেইদিনা ডঃ শৰ্মাদেৱৰ বহুমূলীয়া পৰামৰ্শবোৰ বুকুত সাৱটি লৈ ঘৰলৈ আহিছিলো। পৰৱৰ্তী বছৰত ব্ৰহ্ম সমাজৰ সভাপতি পদৰ পৰা মোক অব্যাহতি দিলে। মই ড° শৰ্মাদেৱৰ লগত যোগাযোগৰ বাবে কৰ্তৃত্ব বিহীন হৈ পৰিলো আৰু আঁচনিবোৰ ৰূপায়ণৰ ক্ষেত্ৰত সফল হ'ব নোৱাৰিলো। এয়া মোৰ কাৰণে আছিল অতি দুৰ্ভাগ্য আৰু বেদনাৰ কথা। ২০১৫-১৬ বৰ্ষত দৰং আৰু ওদালগুৰি ব্ৰহ্ম সমাজৰ বাৰ্ষিক অধিৱেশন আৰু যজ্ঞানুষ্ঠান কেন্দ্ৰীভাৱে

ডাঁহীত অনুষ্ঠিত হৈছিল। অধিৱেশন উপলক্ষে অনুষ্ঠিত হোৱা মুকলি সভাৰ উদ্বোধক হিচাপে ড° শৰ্মাদেৱক আনুষ্ঠানিকভাৱে দায়িত্ব অৰ্পণ কৰি নিমন্ত্ৰণ জনাইছিলো। তেখেতে নিৰ্দিষ্ট সময়তকৈ দুঘণ্টা আগতে যজ্ঞাস্থলীত উপস্থিত হৈ যজ্ঞৰ নিৰ্মালী গ্ৰহণ কৰি সমূহীয়া ভোজনতো অংশগ্ৰহণ কৰিছিল। মুকলি সভা আৰম্ভ হোৱাত উদ্বোধক হিচাপে তেখেতে দিয়া উদ্বোধনী ভাষণ ইমানেই মনোগ্ৰাহী হৈছিল যে হাজাৰ হাজাৰ শ্ৰোতা দৰ্শকে মৌন হৈ ভাষণ শুনি আছিল। তেখেতে সনাতন ধৰ্ম, বেদ-গীতাৰ ওপৰত বিভিন্ন তাৎপৰ্যপূৰ্ণ ব্যাখ্যাৰে ভাষণ ৰাখি মানুহৰ মাজত ধৰ্মৰ সুগন্ধি সুবাস বিলাই দিবলৈ সক্ষম হৈছিল। এগৰাকী সুদক্ষ ৰাজনীতিবিদ হিচাপে ইমান ধৰ্মীয় আৰু শাস্ত্ৰীয় জ্ঞান যে আছে মই ভাবিবই পৰা নাছিলো। সেইদিনা সভাত প্ৰায় দহ হাজাৰ মানুহ উপস্থিত আছিল আৰু নিৰ্বাচন সমাগত আছিল যদিও ড° শৰ্মাই ৰাজনৈতিকভাৱে এটা শব্দও উচ্চৰণ কৰা নাছিল। এয়া ড° শৰ্মাৰ ব্যক্তিত্বৰ এটা গৰিমা বুলি ক'ব লাগিব।

ড° শৰ্মাদেৱৰ অভিনন্দন গ্ৰন্থখনে ভৱিষ্যত জীৱনত আৰু অধিক প্ৰেৰণা দিব। গ্ৰন্থ হেনো মানুহৰ জীৱনৰ সঞ্জীৱনী সুধা। উইল ডুৰাণ্ট নামৰ এজন লিখকে কৈছিল- "পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ মহাসাগৰ চিয়াঁহীৰ মহাসাগৰ। এই চিয়াঁহীৰ মহাসাগৰত ভাঁহি থাকে অগণন গ্ৰন্থ।" ড° শৰ্মাদেৱৰ অভিনন্দন গ্ৰন্থখনো চিয়াঁহীৰ মহাসাগৰত মণি-মুকুতা হৈ জিলিকি থাকিব। পৰম পিতা পৰমেশ্বৰৰ ওচৰত সনিৰ্বন্ধ প্ৰাৰ্থনা কৰিছো, তেখেতৰ অনাগত দিনবোৰ চিৰ সুন্দৰ হওক, ভগৱানে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু প্ৰদান কৰক, তাকে কামনা কৰি লেখটিৰ সামৰণি মাৰিলো।

সৰ্বে ভৱন্তু সুখীনঃ সৰ্বে সন্তু নিৰামযাঃ।
সৰ্বে ভদ্ৰাণি পশ্যন্তু মা কশ্চিদ দুখ ভাগ ভৱেৎ।।"

❑❑❑

# ৰাইজৰ নেতা ড° জয়নাথ শৰ্মা ঃ এটি অনুভৱ

কমলাকান্ত ডেকা

ছিপাঝাৰ বিধান সভা সমষ্টিৰ চাৰিটা কাৰ্যকালৰ বিধায়ক, প্ৰাক্তন মন্ত্ৰী অসমৰ বিদেশী বিতাৰণ আন্দোলনৰ অগ্ৰণী নেতা জয়নাথ শৰ্মাদেৱক এগৰাকী শক্তিশালী ৰাজনৈতিক ব্যক্তি হিচাপে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে চিনি পাওঁ।

অসমত বিদেশী বিতাৰণৰ দাবীত ১৯৭৯ চনৰ পৰা হোৱা আন্দোলনটাৰ সময়ত মই হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হৈ টংলা কলেজত নামভৰ্তি কৰিছিলো। ১৯৭৯ চনৰ পৰা ১৯৮৩ চনলৈ মই টংলাত আছিলো আৰু এই সময়ছোৱাত টংলাৰ যিবোৰ সভা-সমিতি এই দাবীৰ সমৰ্থনত অনুষ্ঠিত হৈছিল তাত দৰ্শক শ্ৰোতাৰ ভূমিকাৰে অংশগ্ৰহণ কৰিছিলো। মঙলদৈত হোৱা গণ সমাবেশ আদিলৈ টংলাৰ পৰা অহা দলবিলাকৰ মাজত প্ৰায়ে আহিছিলো। তেতিয়াই দৰঙত এই আন্দোলনৰ নেতৃত্ব বহন কৰাসকলৰ ভিতৰত ড° জয়নাথ শৰ্মাদেৱক সৰ্বাধিক সক্ৰিয় ৰূপত প্ৰত্যক্ষ কৰিছিলো। তেওঁৰ উদাত্ত কণ্ঠৰ তথ্যপূৰ্ণ বক্তৃতাত জাক জাক মানুহ মন্ত্ৰমুগ্ধ আৰু উদ্বুদ্ধ হোৱা দেখিছিলো।

এটা সময়ত কেন্দ্ৰীয় চৰকাৰৰ লগত হোৱা চুক্তিৰ জৰিয়তে আন্দোলন স্থগিত হৈছিল আৰু আন্দোলনকাৰী ছাত্ৰ নেতা আৰু গণ সংগ্ৰাম পৰিষদৰ নেতাসকলৰ দ্বাৰা গঠিত 'অসম গণ পৰিষদ' নামৰ ৰাজনৈতিক দলৰ অভ্যুদয় হৈছিল। ১৯৮৫ চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিাত হোৱা অসম বিধান সভাৰ সাধাৰণ নিৰ্বাচনত প্ৰথমবাৰৰ বাবে এই নৱ গঠিত ৰাজনৈতিক দলটিয়ে অংশগ্ৰহণ কৰি চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছিল। অসম গণ পৰিষদৰ ছিপাঝাৰ সমষ্টিৰ প্ৰাৰ্থী হিচাপে ড° জয়নাথ শৰ্মাই প্ৰাৰ্থীত্ব আগবঢ়াইছিল। বিপুল সংখ্যক ভোট লাভ কৰি তেওঁ বিধান সভালৈ নিৰ্বাচিত হৈছিল। অসম

গণ পৰিষদ দলৰ চৰকাৰৰ মুখ্য সচেতক আৰু অসম চুক্তি ৰূপায়ণ দপ্তৰৰ দায়িত্ব তেওঁ লাভ কৰিছিল।

ড° জয়নাথ শৰ্মাদেৱৰ সমষ্টিৰ ৰাইজৰ লগত ঘনিষ্ঠ সম্পৰ্ক স্থাপন হৈছিল। এই সম্পৰ্ক ইমান আত্মীকৰণ হৈছিল যে প্ৰতিখন গাঁৱৰ প্ৰতিঘৰ মানুহৰ লগত তেওঁৰ নিকট সম্পৰ্ক স্থাপন হৈছিল। ৰাজনৈতিকভাৱে বিৰোধী দল আৰু অঞ্চলৰ মানুহেও তেওঁৰ প্ৰভাৱৰ পৰা মুক্ত হোৱা নাছিল। প্ৰায় প্ৰতিখন গাঁৱেই কিবা নহয় কিবা এটা চৰকাৰী অনুদান প্ৰথমবাৰৰ বাবে পাবলৈ সক্ষম হৈছিল। চৰকাৰী অনুদান, চাকৰি আৰু অন্যান্য সকলো সুবিধা ৰাইজৰ বাবে সুলভ হৈ পৰিছিল। বানপানী আদি প্ৰাকৃতিক দুৰ্যোগৰ মোকাবিলা কৰিবলৈ পৰ্যাপ্ত চৰকাৰী সুবিধা উপলব্ধ হৈছিল। অপাৰেচন ব্লেক বোৰ্ড আঁচনি, অংগনবাড়ী কেন্দ্ৰ, ই. এ. এছ. আঁচনিৰ দ্বাৰা ৰাস্তা-ঘাটৰ উন্নয়ন আঁচনিয়ে প্ৰায় প্ৰতিটো অঞ্চলক স্পৰ্শ কৰিছিল।

আমাৰ কাইকীয়াপাৰাৰ দৰে একেবাৰে পিছপৰা অঞ্চলটিৰ প্ৰাথমিক বিদ্যালয়খন, যুৱক সংঘটি, মহিলা সামিতিখনকে ধৰি ৰাস্তা-ঘাটৰ উন্নয়ন সাধন হৈছিল। গাঁৱে প্ৰতি এখন অংগনবাড়ী কেন্দ্ৰৰ অনুমোদন থকা হেতু আমাৰ অঞ্চলে এই কেন্দ্ৰৰ সুবিধা পোৱাৰ যোগ্যতা নাছিল। কিন্তু আওহতীয়া এলেকা বিশেষকৈ ননৈ নদীয়ে দুভাগ কৰি পৃথক অৱস্থান দিয়া আমাৰ চুবুৰীটোৰ বাবে তেখেতে অতিৰিক্ত কেন্দ্ৰৰ অনুমোদন দিছিল। বৰ্তমানো কণ কণ শিশুহঁতে এই কেন্দ্ৰটিৰ যোগে শাৰীৰিক, মানসিক উৎকৰ্ষ লাভৰ সুযোগ লাভ কৰি আছে।

ডঃ শৰ্মাদেৱে ব্যক্তিগতভাৱেও মোক ঋণী কৰি থৈছে। মই সুদীৰ্ঘ তেৰ বছৰ ঘৰৰ পৰা দূৰৈৰ এখন হাইস্কুলত শিক্ষকতা কৰি আছিলো। ভাৰা ঘৰত থাকি শিক্ষকতা কৰি ঘৰ চলোৱাটো যথেষ্ট আৰ্থিকভাৱে কষ্ট সাধ্য কাম আছিল। মই ঘৰৰ ওচৰৰ বিদ্যালয়লৈ বদলি হৈ আহিব বিচাৰি মোৰ সমস্যাৰ কথাটো তেখেতক জনাইছিলো। তেখেতে মোৰ উক্ত অনুৰোধ ৰক্ষা কৰিছিল। মই সাধ্য অনুসৰি আঞ্চলিক ৰাইজৰ লগত থাকি সমাজৰ সেৱা কৰিবলৈ আজৰি

সময় ব্যৱহাৰ কৰিব পাৰিছিলো। তেখেতৰ অনুগ্ৰহ নহ'লে মই সেই সুযোগৰ পৰা বঞ্চিত হ'লোহেঁতেন।

আমাৰ পাথৰিঘাট-দিপীলা অঞ্চলটো ড° জয়নাথ শৰ্মাদেৱৰ বদান্যতাৰে ধন্য হৈ আছে। বিশেষকৈ দৰঙৰ ধৰ্মীয় ঐতিহ্য ক্ষেত্ৰ খটৰা সত্ৰলৈ ড° শৰ্মাদেৱে প্ৰথমবাৰৰ বাবে বৃহৎ পৰিমাণৰ ধনৰ আবণ্টন দি বৰ্তমানৰ বৃহৎ কীৰ্তনঘৰটিৰ নিৰ্মাণৰ বাট প্ৰশস্ত কৰিছিল। সত্ৰৰ মূল কীৰ্তন ঘৰ সংলগ্ন বাটচ'ৰা, তোৰণটি তেখেতে ব্যক্তিগত উদ্যোগত ধন সংগ্ৰহ কৰি দি নিৰ্মাণ কাৰ্যত সহযোগিতা কৰি এটা স্মৰণীয় কৃতী ৰাখিছে। তদুপৰি পাথৰিঘাট কৃষি মহকুমা কাৰ্যালয়, পাথৰিঘাট ৰাজহ চক্ৰ কাৰ্যালয়, পাথৰিঘাট আৰক্ষী থানা, মহকুমা শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয়, পাথৰিঘাট-দিপীলাৰ জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ পানী যোগান আঁচনি আদি প্ৰকল্প তেখেতৰ বিধায়ক কাৰ্যকালৰ স্মৰণীয় ফচল। অঞ্চলটোৰ প্ৰায় প্ৰতিখন প্ৰাথমিক, মধ্য ইংৰাজী আৰু হাইস্কুলে তেখেতৰ দ্বাৰা আহুত অনুদানেৰে ধন্য হৈছে। নানা সমস্যাৰে জৰ্জৰিত মানুহক ব্যক্তিগতভাৱে সহায়ৰ হাত আগবঢ়াইও তেখেতে মানৱীয়তাৰ পৰিচয় দি আহিছে।

সম্প্ৰতি ৰাজনৈতিক ক্ষমতাত নাথাকিলেও ড° শৰ্মাদেৱক ছিপাঝাৰ সমষ্টিবাসীয়ে পাহৰি যোৱা নাই। এতিয়াও কোনো অঞ্চলৰ ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানে আয়োজন কৰা সভা-সমিতিলৈ তেখেতক সাদৰ নিমন্ত্ৰণ দিয়া হয় আৰু তেখেতেও ব্যক্তিগত ব্যস্ততাৰ মাজতো ৰাইজকে দেখা দি সু-সম্পৰ্ক ৰক্ষা কৰি আহিছে।

ড° শৰ্মাদেৱক অভিনন্দন জ্ঞাপনাৰ্থে প্ৰকাশ কৰা এই গ্ৰন্থৰ এই লেখাৰ জৰিয়তে তেখেতৰ সু-স্বাস্থ্য আৰু সু-দীৰ্ঘ জীৱন কামনা কৰি মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

❑❑❑

# স্নেহভাজন ড° জয়নাথ শৰ্মা

– অম্বিকানন্দ শৰ্মা

নিধিবাবু আৰু মোৰ দেউতা ভূমিধৰ কাননগো মিতা আছিল। নিধিবাবুৰ জোঁৱাই পদ্মনাথ শৰ্মা হ'ল জয়নাথ শৰ্মাৰ পিতৃ। সেই কাৰণে পদ্মনাথ শৰ্মাৰ লগত আমিও সম্পৰ্কিত হৈ পৰিছিলো। আমাৰ বিপদ আপদৰ সময়বোৰত তেওঁ সততে কাষত থিয় দিছিল। ঠাণ্ডাৰ দিনত আমাৰ ঘৰলৈ আহিলে জুই পুৱাবৰ সময়ত তেওঁ আমাৰ লগত নানা আধ্যাত্মিক তত্ব থকা কথা কৈ শুনাইছিল। আচলতে এনেকুৱা ঘৰুৱা সম্পৰ্কৰ বাবে জয়নাথৰ লগত আমাৰ আত্মীয়তা বাঢ়িল। আজিও তেওঁ আমাক মামা মামী বুলি মাতে। আমিও ভাগিন বুলি চিনাকি দিওঁ। মোৰ ভাই প্ৰয়াত কুলেন্দ্ৰ শৰ্মাৰ বুলেট এখন আছিল। সেই খন লৈ জয়নাথ প্ৰায়ে ছাত্ৰ সন্থাৰ কামত ঘূৰিবলৈ যায়। পুলিচৰ পৰা ৰক্ষা পাবলৈ নিশা আমাৰ ঘৰত আত্মগোপন কৰিব লগা হৈছিল।

আমাৰ পৰিয়ালৰ মানুহবোৰক সকলোৱে সমীহ কৰিছিল। গতিকে কোনোবাই পুলিচক খবৰ দিবও ভয় কৰিছিল। তেওঁ যেতিয়া ৰাজনীতিলৈ আহিল তেতিয়া তেওঁক মই বিভিন্ন ধৰণে সহায় কৰিছিলো। তেৱোঁ মোক বহুত গুৰুত্ব দিছিল। সেই সময়ত লম্বোদৰ শৰ্মা, ঘনকান্ত শৰ্মা, ছাইফুদ্দিন আহমেদ, হাছান আলী আদি বৰ আন্তৰিকতাৰে সহযোগী হৈ আছিল।

পৰৱৰ্তী সময়ত তেওঁ বহুবাৰ জিকিল, হাৰিলো। কিন্তু আমাৰ সম্পৰ্কৰ কোনো অৱনতি নহ'ল। আজি পৰ্যন্ত মই তেওঁৰ প্ৰিয়ভাজন হৈ আছো। তেৱোঁ মোৰ চেনেহভাজন হৈ আছে। তেওঁ ৰাজনীতি বিষয়ৰ সভা-সমিতিবোৰত আহিলে মই বক্তব্য ৰাখিব লগা হৈছিল।

তেওঁৰ পৰিবাৰৰ লগতো ঘৰুৱা সম্পৰ্ক আছিল। অৱশ্যে

ৰাজনীতিৰ লগত তেওঁ বিশেষ জড়িত হ'ব বিচৰা নাছিল। শিক্ষা জগতৰ লগতে তেওঁ জড়িত থাকি ভাল পাইছিল। তেওঁৰ মৃত্যুত আমি বৰ দুখ পাইছিলো। এজন শুভাকাংক্ষীক হেৰুৱাৰ বেদনা অনুভৱ কৰিছিলো।

আমাৰ ব্যাসপাৰাত দৰং জিলা ব্ৰহ্ম সমাজৰ অধিৱেশন পাতোতে তেওঁ যথেষ্ট দান বৰঙনি দি সহায় কৰাৰ কথাও মনত পৰে। অন্য ৰাজহুৱা কাম কিছুমানো কৰি দিছিল। বহুলোক ব্যক্তিগতভাৱেও উপকৃত হৈছে।

তেওঁৰ অভিনন্দন গ্ৰন্থ এখন প্ৰকাশ কৰিব ওলোৱাত মই বৰ সুখ পাইছো। তেওঁৰ উজ্বল ভৱিষ্যত কামনা কৰিলোঁ।

❑❑❑

# সংগ্ৰামী জীৱনৰ এক আদৰ্শৰ প্ৰতীক ড° জয়নাথ শৰ্মা

– শশীধৰ নাথ

অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ এগৰাকী অগ্ৰগণী নেতা, প্ৰবীণ ৰাজনীতিবিদ, সমাজবিদ, শিক্ষাবিদ ড° জয়নাথ শৰ্মাৰ নাম নুশুনা বা তেওঁক নজনা লোক অসমত হয়তো খুব কমেইহে ওলাব। অসম গণ পৰিষদ চৰকাৰৰ অতি গুৰুত্বপূৰ্ণ আৰু দায়িত্বপূৰ্ণ বিষয়ৰ কেবিনেট মন্ত্ৰী হৈ দক্ষতাৰে কাৰ্য সম্পাদন কৰি ৰাজনীতিৰ ক্ষেত্ৰখনত নিজৰ কৰ্ম কুশলতাৰ পৰিচয় দিয়া ড° শৰ্মাই বৌদ্ধিক ক্ষেত্ৰতো এটি আদৰ্শনীয় ব্যক্তি হিচাপে অসমত সুপৰিচিতি লাভ কৰিছে।

দৰঙৰ এটি পিছপৰা অঞ্চল ৰঙামাটিৰ দাৰিয়াপাৰা গাঁৱৰ মধ্য বিত্ত পৰিয়ালৰ সন্তান ড° জয়নাথ শৰ্মাৰ অন্তৰত ছাত্ৰাৱস্থাৰ পৰাই অন্যায়-অবিচাৰ আদিৰ বিপক্ষে যুঁজ দিয়াৰ, নিজ মাতৃভূমিৰ প্ৰতি সেৱা আগবঢ়োৱাৰ চিন্তা-চেতনা জাগৃত হৈছিল। তেতিয়াই তেওঁৰ অন্তৰত এই চেতনাই বাহ লৈছিল তেওঁৰ পিতৃ মুক্তি যুঁজাৰু শ্ৰদ্ধাৰ প্ৰয়াত পদ্মনাথ শৰ্মাৰ প্ৰভাৱত। সেয়ে তেওঁ সদৌ অসম ছাত্ৰ সন্থাৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ পৰিছিল আৰু সন্থাৰ গুৰুত্বপূৰ্ণ বিষয় বাবতো কাৰ্য নিৰ্বাহ কৰিছিল।

অসমত অবৈধ বাংলাদেশীৰ আগমনে অসমৰ পৰিস্থিতি অস্থিৰ কৰাৰ সময়ত সেইসকলক শীঘ্ৰেই অসমৰ পৰা বিতাৰণ কৰি অসমক অবৈধ বিদেশী মুক্ত কৰিবলৈ সেই সময়ৰ অসম চৰকাৰক অসমৰ ৰাইজে চাৰিওফালৰ পৰা দাবী জনালে, আন্দোলন কৰিলে। এই আন্দোলনৰ গুৰি ধৰিলে সদৌ অসম ছাত্ৰ সন্থাই। সেই সময়ৰ অসম চৰকাৰে ছাত্ৰসন্থা তথা অসমৰ ৰাইজৰ

দাবী মানি নোলোৱাত আন্দোলন তীব্ৰতৰ হৈ পৰিছিল, ফলত চৰকাৰে আন্দোলন দমন কৰিবলৈ নিয়োজিত কৰা পুলিচ আৰু সশস্ত্ৰ বাহিনী আন্দোলনকাৰীৰ ওপৰত জঁপিয়াই পৰিল। দমনকাৰী বাহিনীৰ নিষ্ঠুৰতাৰ পৰা হাত সাৰিবলৈ ছাত্ৰসন্থাৰ বিষয়ববীয়াকে ধৰি আন আন সদস্য-সদস্যা আৰু ৰাইজৰ মাজৰো নেতৃত্ব লোৱা অনেক লোকেই লুকাই থাকি আন্দোলন চলাব লগীয়া হৈছিল। ইয়াৰ মাজতে বহুতো আন্দোলনকাৰীক ধৰি জে'লত ভৰাইছিল, বহুজনে প্ৰাণ দিব লগীয়া হৈছিল। অবৈধ বিদেশীলোকৰ ভোটেৰে চৰকাৰে অসমত নিৰ্বাচন পতাৰ জোৰ-জুলুম ব্যৱস্থা কৰিবলৈ লৈছিল।

সদৌ অসম ছাত্ৰ সন্থাৰ এগৰাকী সংগ্ৰামী নেতা হিচাপে ড° শৰ্মায়ো কঠোৰ নিৰ্যাতন ভূগিব লগীয়া হৈছিল, প্ৰাণ বচাই আন্দোলনত লাগিবলৈ পুলিচ-মিলিটাৰীৰ চকুত ধূলি দি লুকাই ফুৰিব লগীয়া হৈছিল।

শেষত ছাত্ৰসন্থা আৰু অসমৰ ৰাইজৰ দাবী মানি লৈ কেন্দ্ৰীয় চৰকাৰ, অসম চৰকাৰ আৰু সদৌ অসম ছাত্ৰসন্থাৰ প্ৰতিনিধিৰ মাজত দিল্লীত কেবালানিও আলোচনাৰ অন্তত ঐতিহাসিক চুক্তি সম্পাদিত হয়। অসমত নিৰ্বাচনৰ পৰিৱেশ আহি পৰাত ছাত্ৰসন্থাৰ এচাম নেতাই আৰু ৰাইজৰ কিছু সংখ্যক লোকে 'অসম গণ পৰিষদ' নাম দি এটি ৰাজনৈতিক দল গঠন কৰে আৰু বিভিন্ন সমষ্টিত নতুনকৈ গঠিত হোৱা অসম গণ পৰিষদে নিৰ্বাচনত প্ৰাৰ্থীত্ব প্ৰদান কৰে। ছিপাঝাৰ বিধান সভা সমষ্টিত অসম গণ পৰিষদৰ প্ৰাৰ্থী হ'ল জয়নাথ শৰ্মা আৰু বিপুল ভোটত জয়ী হ'ল। বুজন পৰিমাণৰ সংখ্যা গৰিষ্ঠৰে অসম গণ পৰিষদে অসমত চৰকাৰ গঠন কৰিলে। মুখ্যমন্ত্ৰী বাব পোৱা প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বাধীন চৰকাৰখনত জয়নাথ শৰ্মাই কেবাটাও গুৰুত্বপূৰ্ণ দায়িত্বৰে কেবিনেট মন্ত্ৰীত্ব লাভ কৰিলে।

মন্ত্ৰী সভাৰ আটাই কেইজনেই ৰাজনীতিত আৰু চৰকাৰ চলোৱাত অপৰিপক্ক, অনভিজ্ঞ ব্যক্তি। প্ৰথমবাৰৰ কাৰণে ৰাজনীতিত নামিছে আৰু চৰকাৰ গঠন কৰিছে। কিন্তু অতি সোনকালেই তেওঁলোকে সকলো চম্ভালি ল'লে। তথাপি কিছু খেনি-মেলি নোহোৱাকৈ নাথাকিল। মন্ত্ৰী জয়নাথ শৰ্মাদেৱে

কিন্তু নিজৰ বুদ্ধিমত্তা আৰু দক্ষতাৰ কাৰণে বৰ নিপুণতাৰে তেওঁৰ বিভাগৰ সকলো কাম-কাজ নিয়াৰিকৈ কৰিব পাৰিছিল। অসম গণ পৰিষদ দলে একেৰাহে নহ'লেও দুটাকৈ কাৰ্যকাল চৰকাৰ গঠন কৰি শাসন ভাৰ চলাইছিল। এই দুয়োটা কাৰ্যকালতে ড° শৰ্মাই কেবিনেট মন্ত্ৰী হিচাপে থাকি জলসিঞ্চন, অসম চুক্তি ৰূপায়ণ, সংসদীয় পৰিক্ৰমা আৰু ৰাজহ বিভাগ আদিৰ দৰে অতি গুৰুত্বপূৰ্ণ দপ্তৰসমূহত দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰিছিল। উল্লেখযোগ্য যে এই কালছোৱাতেই তেওঁ বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ ডক্তৰেট ডিগ্ৰীও লাভ কৰিবলৈ সক্ষম হয়। তেওঁ অসম গণ পৰিষদ দলৰ উপ-সভাপতি আৰু চৰকাৰৰ বিভিন্ন সমিতিৰো সদস্য হোৱাৰ উপৰিও চৰকাৰৰ মুখ্য সচেতকৰো দায়িত্ব বহন কৰিছিল। তেওঁ একেৰাহে নিজা সমষ্টি ছিপাঝাৰৰ পৰা চাৰিবাৰকৈ বিধান সভালৈ নিৰ্বাচিত হৈছিল। দলৰ আভ্যন্তৰীণ কিছু খেলি-মেলি হোৱাত তেওঁ এবাৰ দলৰ পৰা পদত্যাগ কৰি কংগ্ৰেছ দলতো যোগদান কৰিছিল। অৱশ্যে অতি কম সময়ৰ ভিতৰতে অসম গণ পৰিষদ দলে তেওঁক ঘূৰাই আনে।

ৰাজনীতিৰ ক্ষেত্ৰখনত এনেদৰে ব্যস্ত থাকিও ড° শৰ্মা প্ৰকৃতাৰ্থত এগৰাকী শিক্ষাপ্ৰেমী, শিক্ষাবিদ, শিক্ষা সংগঠক হিচাপেও জনাজাত। আইনৰ স্নাতক পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ত শীৰ্ষস্থানপ্ৰাপ্ত ড° শৰ্মা প্ৰখ্যাত NERIM (North Eastern Regional Institution of Management) ৰো স্বত্বাধিকাৰী। নেৰিম আইন মহাবিদ্যালয়, নেৰিম কম্পিউটাৰ বিজ্ঞান মহাবিদ্যালয়, নেৰিম বাণিজ্যিক মহাবিদ্যালয়, নেৰিম চ'চিয়েল ওৱৰ্ক মহাবিদ্যালয়, ড° অনিতা বৰুৱা শৰ্মা শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, মঙলদৈ মহৰ্ষি বিদ্যালয়, মঙলদৈ গ্ৰাম্য কম্পিউটাৰ কেন্দ্ৰ এই সকলো শিক্ষানুষ্ঠানৰ গৰাকী ড° শৰ্মাই ছিপাঝাৰ বি. এড. মহাবিদ্যালয়ৰ লগতো বিশেষভাৱে জড়িত। এইবোৰ শিক্ষানুষ্ঠান অতি সুচাৰুৰূপে পৰিচালনা কৰি বিদ্বৎ সমাজত সমাদৃত হৈছে। তেওঁ দুখীয়া মেধাৱী ছাত্ৰ-ছাত্ৰীক ইয়াত পঢ়া-শুনা কৰিবলৈ বিশেষভাবে সহায় কৰিও আহিছে।

অসম গণ পৰিষদ চৰকাৰৰ মন্ত্ৰীত্বৰ দায়িত্বত থকা সময়ত অসমৰ,

বিশেষকৈ তেওঁৰ সমষ্টিৰ ভালেমান শিক্ষিত যুৱক-যুৱতীক সংস্থাপন দি মহান উপকাৰ সাধন কৰিছিল। মন্ত্ৰীত্ব বা বিধায়কৰ ভেমত কোনো দিনেই তেওঁ উটি-ভাহি ফুৰা নাছিল। সকলো পৰ্যায়ৰ মানুহৰ লগতে আন্তৰিকাৰে মিলি যায়, কথা পাতে, সুখ-দুখৰ খবৰ লয়, বিপদৰ সময়ত ওচৰত থিয় হয়হি, অসুখ-বিসুখৰ খবৰ লয়, মৃতকৰ পৰিয়াললৈ আহি সমবেদনা প্ৰকাশ কৰে। সকলোৰে লগত ঘৰুৱা আৰু আপোন ভাৱেৰে কথা পতাটো তেওঁৰ চৰিত্ৰ আৰু ব্যৱহাৰৰ এটি মন কৰিবলগীয়া গুণ। তেওঁৰ সহধৰ্মিণী গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ড° অনিতা বৰুৱা শৰ্মাৰ আকস্মিক অকাল বিয়োগে তেওঁৰ অন্তৰত সহিব নোৱাৰা আঘাত দিছিল যদিও তাক অতি ধৈৰ্যসহকাৰে চম্ভালি কৰ্তব্য পথত কোনো বিশৃংখল নোহোৱাকৈ আগুৱাই গৈ আছে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্টান আৰু সভা-সমিতিত তেওঁ পাৰ্যমানে দান-বৰঙণি আৰু সহায়-সহযোগ কৰিও আহিছে। অতি প্ৰত্যুৎপন্নমতি আৰু সুবক্তা হিচাপেও তেওঁৰ খিয়াতি আছে।

ড° জয়নাথ শৰ্মাৰ সুস্বাস্থ্য আৰু কৰ্মময় দীৰ্ঘ জীৱন কামনা কৰিলোঁ।

❑❑❑

# বাগ্মী পুৰুষ ড° জয়নাথ শৰ্মা

- টংকেশ্বৰ কলিতা

সদৌ অসম ছাত্ৰসন্থাৰ ৰথৰ চকৰি ঘূৰিছে। এখন জনবহুল, ৰাইজে গিজ্‌গিজাই থকা ৰাজহুৱা সভাত কাকো সম্বোধন নকৰাকৈ বক্তৃতাটো আৰম্ভ কৰিছিল। আশীৰ দশকৰ কথা। প্ৰায় তেতিয়াৰ সেইখন সভাৰ পৰাই জয়নাথ শৰ্মাৰ ৰাজনীতি আৰম্ভ হৈছিল। মানুহবোৰ শেষৰ ফালে স্বতঃস্ফূৰ্তভাৱে জয়নাথ শৰ্মাৰ সভাবোৰত উপস্থিত হৈ মিছিল পাতিবলৈ লৈছিল। তেখেতে নিৰ্বাচন খেলি সেই সময়ৰ কংগ্ৰেছৰ প্ৰধান নেতাসকলক হৰুৱাই জয়ী হৈছিল। বহু সময়ত নিজৰ নীতি আৰু আদৰ্শৰ পৰা বিচলিত নোহোৱা শৰ্মা ছাৰ নিজৰ যোগ্যতা থকা সত্বেও প্ৰাপ্য আসনৰ পৰা বঞ্চিত হৈছিল। আনৰ যোগ্যতাক অস্বীকাৰ কৰিলেহে ৰাজনীতিত প্ৰতিষ্ঠিত হ'ব পৰা বহু উদাহৰণ আছে। শৰ্মা ছাৰকো সেই নীতিৰে বঞ্চিত কৰা দেখিছো।

আশীৰ দশকৰ সেই সময়খিনিত ভাল বাট-পথেই নাছিল। বহু সময়ত ওৰে নিশা খোজ কাঢ়ি কাঢ়ি এজাক সমৰ্থকক লগত লৈ মানুহক টোপনিৰ পৰা জগাই ভোট ভিক্ষা কৰিছিল। কেৰাচিনৰ চাকি গছি হাতত লৈ নিজৰ চোতালত জয়নাথ শৰ্মাৰ মুখৰ আগত চাকি গছি দাঙি ধৰি চকুত চকু থৈ গৃহস্থই ভোট দিয়াৰ প্ৰতিশ্ৰুতি দিছিল- সৰল প্ৰতিশ্ৰুতি। এই নিৰন্ন মানুহবোৰে আকৌ কেৱল বঞ্চনাৰ পৰা মুক্তি পাবলৈ, ঘৰলৈ অহা-যোৱা কৰা বাটটোৰ ভঙা দলংখন, ভাঙি থকা বিদ্যালয়বোৰ, চিকিৎসালয়ত কেইটামান নিমুনীয়া জ্বৰৰ বড়ি পাবলৈ, বিয়া দিব নোৱাৰা ছোৱালীবোৰ আৰু গাঁৱৰ বিধৱা মহিলাখিনিক নিৰাপত্তা তথা সামাজিক মৰ্যাদা দিবলৈ, এনে বহুত সমস্যা থকা সত্বেও কোনো প্ৰতিবাদ নকৰাকৈ নিৰ্বাক হৈ কেৱল স্থিৰ দৃষ্টিৰে জয়নাথ

শৰ্মাক প্ৰতিশ্ৰুতি দিছিল, নেতা সজাৰ প্ৰস্তুতি আৰম্ভ হৈছিল।

দিনে দিনে সভা-সমিতিবোৰ ঘন হৈছিল। মানুহৰ সমাগম বাঢ়িছিল। মুখে মুখে প্ৰচলিত হৈছিল কেৱল জয়নাথ শৰ্মাৰ নাম। উদাৰ মনৰ শৰ্মাদেৱে ৰাইজলৈ বুলি অহা ধনবোৰ নিজৰ বাকপটুতাৰে, দুই-এজনক দাবী ধমকি দি হ'লেও সঠিকভাৱে ৰাইজৰ মাজত বিতৰণ কৰি নিৰন্ন মানুহৰ মনত আলাসৰ লাডু হৈ পৰিছিল।

বিধৱা পেন্সন, আৱাসিক গৃহ, নলী-নাদ, গাঁৱৰ দুটা দলৰ মানুহৰ কাজিয়া, ভকত-সংসাৰীৰ যুদ্ধ, কংগ্ৰেছী আৰু গণ পৰিষদৰ কৰ্মীৰ মাজৰ কাজিয়া, খেলৰ গণ্ডগোল, পোৱা-নোপাৱাৰ যুদ্ধত মাজে মাজে জয়নাথ শৰ্মা বিব্ৰত হৈছিল। লাহে লাহে পালি-নেতাবোৰৰ যুদ্ধহে বেছি আকৰ্ষণীয় হৈছিল। পালি-নেতাবোৰে ভাবিছিল প্ৰতিপক্ষৰ বাবে মুনাফা লোটা বৰ টান। কিন্তু প্ৰতিপক্ষ নাথাকিলে যে নিজৰ যোগ্যতাৰ কোনো মূল্য নাথাকে তাক ভাবি চোৱাৰ অৱকাস নাছিল।

সময় ৰৈ থকা নাছিল। জিকিছিল। পালি-নেতাবোৰৰ অতপালিও ৰৈ থকা নাছিল। আশীৰ দশকতে এবাৰ বৰ খৰ মাৰিলে। মানুহে কঠিয়া পাৰিব পৰা নাছিল। লঠাপাৰা কেন্দ্ৰিক এই অঞ্চলটোত শৰ্মা ছাৰৰ অহা-যোৱা ঘন আছিল। কালপানী নদীত এটা বান্ধ দি এই খৰাংপীড়িত মানুহখিনিক সকাহ দিবলৈ চৈধ্য লাখ বাসত্তৰ হেজাৰ টকাৰ এটি অনুদান আনিছিল। চৰকাৰী মেৰপেছৰ বাবে আঁচনিখন সম্ভৱ নহ'ল। কিন্তু টকাখিনি? ডিপাৰ্টমেণ্টে এটা ভাল সুদ খাই বহি থাকে, কাম নহয়। অৱশেষত টকাখিনি অঞ্চলৰ অনুষ্ঠানসমূহত ভগাই দিবলৈ স্থিৰ কৰি এখন সমিতিক দায়িত্ব দিলে। সমিতিয়ে সভাত আলোচনা কৰা ধৰণে টকাবোৰ নভগাই তেওঁলোকৰ ইচ্ছা মতে ভাগ কৰি তালিকা শৰ্মা ছাৰক দাখিল কৰিলে। সুচতুৰ শৰ্মা ছাৰে তালিকাখন দেখি সন্দেহ কৰি মোক মাতি পঠায়। মই অকলে নগৈ মোৰ শহুৰ দেউতা প্ৰয়াত চিকণ চন্দ্ৰ কলিতাদেৱক লগত লৈ তেওঁক দেখা কৰোঁ। তেওঁ সন্দেহ কৰা মতে তালিকাখনত টকাবোৰ দিব লগা ঠাইত দিয়া নাই। নতুনকৈ তালিকাখন

কৰি টকাবোৰ ভগাই দিলে। মই পুনৰ জব্দ হ'লো। মোক হাতে-ভৰিয়ে এডাল লোৰ শিকলিৰে মেৰাই পেলালে।

"হাত ভৰি ল'ৰালেই শুনা পাওঁ,
শৃংখলৰ তীব্ৰ ঝন্ ঝন্।"

দূৰদৰ্শিতা নে মহানুভৱতা নে সমাজৰ প্ৰতি দায়বদ্ধতা? মই কি বুলি সিদ্ধান্ত লম। জব্দ। সামাজিক দায়বদ্ধতা। আকৌ এবাৰ। কেন্সাৰ। গাঁওখনৰ প্ৰায়খিনি মানুহৰ ঘৰতে কেন্সাৰ ৰোগী। আমাৰ বন্ধুখিনিয়ে আলোচনা কৰি, শৰ্মা ছাৰক কিয় ইমান কেন্সাৰ ৰোগী তাৰ কাৰণটো নিৰ্ণয় কৰিবলৈ অনুৰোধ কৰিলে। তেওঁ ক'লে সম্ভৱ নহয়। তথাপি এটা কেন্সাৰ চিনাক্তকৰণ শিবিৰ দিম বুলি কথা দিলে। কথা মতে কাম। বি, বৰুৱা কেন্সাৰ ইনষ্টিটিউতৰ পৰা ডাক্তৰ-নাৰ্চ আনি নগাঁও জনতা হাইস্কুলত শিবিৰ পাতি প্ৰতিজন কেন্সাৰ ৰোগী চিনাক্ত কৰি, তেওঁলোকৰ বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কৰি দিলে। আমিবোৰ বৰ আনন্দিত হ'লো। এনে মানুহ নাথাকিলে বৰষুণ গুচি আকৌ মেঘ হ'ব, মাটি গুচি শিল হ'ব।

কেতিয়াবা ব্ৰজ নিনাদ কণ্ঠে চিঞৰি উঠে- অক্টোপাছ। অসম অক্টোপাছৰ গ্ৰাসত। সভা-সমিতিবোৰত পুৰুষ-মহিলাৰ জাক জাক উপস্থিতিয়ে সভাৰ উদ্যোক্তাসকলক বহিবৰ বাবে প্ৰয়োজনীয় আসন দিব নোৱাৰা অৱস্থাত পেলায়। বনৰ ওপৰত, ৰ'দত আৰু জাকে জাকে মানুহ থিয় হৈ বক্তৃতা শুনে। আমিও এখনো সভা বাদ দিয়া নাছিলো।

মানুহৰ দৈন্যতা ঢাকিবলৈ প্ৰয়োজনীয় টকাৰ অভাৱ। দিব নোৱাৰে। বিচাৰি গ'লে খং কৰে, কেতিয়াবা বাতৰি পঢ়াৰ অজুহাতত মুখখন ঢাকি থয়। শৰ্মা ছাৰৰ এই পুতৌ লগা অৱস্থা আমি নিৰলে গোপনে চাই থাকো। পিছে ব্যক্তিগতভাৱে কোনো সুবিধা বিচাৰি তেওঁক কেতিয়াও আমনি কৰা নাছিলো। মোৰ ঘৰলৈ অহা পথটিত মই নিজে মাটি পেলাই লৈছিলো। ইয়াৰ মাজতো ডঃ জয়নাথ শৰ্মাৰ বদান্যতা আৰু মহানুভৱতা মোৰ দৃষ্টিত অনন্য। তেখেতক মই নেতা বুলি স্বীকাৰ কৰিছো।

এজন অসাধাৰণ ব্যক্তিত্বসম্পন্ন ব্যক্তিক আমি চিনিব নোৱাৰাটোৱেই আমাৰ জীৱনৰ ডাঙৰ ব্যৰ্থতা। তেওঁৰ ব্যক্তিগত জীৱনৰ কিছু অংশ বাদ দি নিৰপেক্ষভাৱে মানুহজনৰ জীৱন পৰিক্ৰমা বিশ্লেষণ কৰিলে কম্প্ৰমাইজ নকৰি নিজৰ খেয়াল-খুচি মতে চলি যোৱা স্বাভিমানী জয়নাথ শৰ্মা এই বাবেই ডঃ জয়নাথ শৰ্মা হ'ল। ন'হলেনো ডঃ জয়নাথ শৰ্মাই কংগ্ৰেছ কৰেনে?

শৰ্মা ছাৰৰ ওপৰত পুহি ৰখা মোৰ এই মানসিকতাই নিশ্চয়তা লাভ কৰে আজি কিছু দিন আগতে ২০২৩ বৰ্ষৰ এপ্ৰিল মাহৰ ত্ৰিশ তাৰিখে। আনক যথাযোগ্য সন্মান জনাব জনা বহ্নিমান গোষ্ঠীৰ এখন ৰাইজে ঠাহ খাই থকা জনাকীৰ্ণ সভাত ড° জয়নাথ শৰ্মাদেৱে 'কৃতজ্ঞতাৰ অভিজ্ঞান' নামৰ বঁটা গ্ৰহণ কৰি ৰাইজৰ আশীৰ্বাদপুষ্ট হ'বলৈ সক্ষম হৈছিল। আমিও সভাত উপস্থিত থাকি নিজৰ নেতাজনক দিয়া এই সন্মান দেখি উৎসাহিত হৈছিলো।

ড° জয়নাথ শৰ্মা পাৰাপাৰহীন এখন অপাৰ সমুদ্ৰ। এই মহাসমুদ্ৰত অৱগাহন কৰি কোনোৱে গিলাচত, কোনোৱে মগত, কোনোৱে বাল্টিত, কোনোৱে ড্ৰামত আৰু কোনোৱে টেংকাৰেৰেৰে পানী আনিলে। প্ৰতিযোগিতাৰ দৌৰত আমিবোৰ টিকিব নোৱাৰি কেৱল নিৰীক্ষণ কৰিছো, নিৰলে।

মানসিকভাৱে যথেষ্ট চতুৰ হোৱা সত্বেও বহু ক্ষেত্ৰত তেওঁক জটিলতাতকৈ সৰলতা, বক্ৰতাতকৈ ঋজুতাৰ আৰু আক্ৰোশতকৈ উদাৰতা তথা বদান্যতা স্বভাৱৰ দেখা যায়। নিয়মীয়া ওখ, চুটি চুটিকৈ কটা মুখ ঢাকি ৰখা নিমজ দাড়ি, তিৰবিৰাই থকা উজ্জ্বল চকু, দীঘল নাক, মিঠা বৰণৰ ধীৰ-স্থিৰ, বিবেচনাত বিচক্ষণ, বলিষ্ঠ কণ্ঠৰ বাকপটু  বিৰল প্ৰতিভাধৰ আৰু এক নিৰ্ধাৰিত বিৰতিৰ অন্তত ঈষৎ হাঁহি থকা স্বভাৱে মানুহজনক আৰু অধিক ৰহস্যঘন কৰি তোলে।

আকৌ এই ব্যক্তিজনৰ আভ্যন্তৰীণ দিশত দেখা যায় গুণী, দূৰদৰ্শী, জ্ঞানী, সুনিপুণ, নিৰ্মল স্বভাৱৰ নিষ্ঠাৱান, স্পষ্টবাদী, ত্যাগী, দৰদী, বিনয়ী আৰু সন্মুখত থিয় হ'লে মানুহজনক জব্দ কৰিব পৰা এক গুণ। এনে মহান গুণ সম্পন্ন ব্যক্তিজনৰ সকলোতকৈ ডাঙৰ ট্ৰেজেদী হ'ল খং স্বভাৱটোক নিয়ন্ত্ৰণ

কৰিব নোৱাৰা অৱস্থাটি। খং-অহংকাৰৰ মুকলি প্ৰকাশ ঘটে শৰ্মাদেৱৰ চৰিত্ৰত। মন, বুদ্ধি, আত্মা, অহংকাৰ, অন্তৰেন্দ্ৰিয়- অহংভাৱ নাথাকিলে হেনো সৃষ্টি হ'ব নোৱাৰে। খং বিনাশকাৰক, খং উঠিলে মানুহে নিজে ৰোৱা পুলিটো কাটি পেলায়, সন্মুখত যি পায় তাকে ভাঙে, আনকি মানুহ কাটিবলৈও কুণ্ঠাবোধ নকৰে। কিন্তু এই ব্যক্তিজনৰ জীৱন কালত কোনো দিনেই এনে অৱস্থা হোৱা নাই। মাত্ৰ মুকলিকৈ প্ৰতিবাদ কৰে। বহু ক্ষেত্ৰত কম্প্ৰমাইজো কৰে। গতিকে খঙৰ সংজ্ঞাও তেওঁৰ ক্ষেত্ৰত অন্য ৰূপৰ। আকৌ খং নাথাকিলে আনৰ পৰা নিজকে ৰক্ষা কৰিব পৰা নাযায়। খং নাথাকিলে আনে আপোনাৰ টকা-পইচা, গাৰ কাপোৰ-কানি খুলি নিব। এনে ক্ষেত্ৰত খঙৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু ইয়াক নিয়ন্ত্ৰণ কৰিব জানিব লাগিব।

ৰাজনৈতিক ক্ষেত্ৰত তেওঁৰ সৈতে বহুবাৰ মোৰ মত বিৰোধ হৈছে। বাক-বিতণ্ডাও নোহোৱা নহয়। তথাপিতো মোৰ আশীৰ অনুৰ্ধৰ জীৱন কালত ড° জয়নাথ শৰ্মাৰ ব্যক্তিত্বক মই অস্বীকাৰ কৰিব নোৱাৰিলো। এনে পৰহিতৈষী লোকৰ প্ৰয়োজন অনস্বীকাৰ্য। প্ৰভু ভগৱন্তই অনন্ত কাল সুখে শান্তিৰে কৃপা কৰিবলৈ নিৰন্তৰ প্ৰাৰ্থনা জনালোঁ।

❑❑❑

# জয়নাথৰ জয়মন্ত্ৰ

- দুৰ্গাকান্ত শৰ্মা

শিক্ষাৰ প্ৰভাৱত ছাত্ৰ-ছাত্ৰীৰ দৃষ্টিভংগী উদাৰ হয়। আদৰ্শৰ হকে আৰু অন্যায়ৰ বিৰুদ্ধে নিঃস্বাৰ্থভাৱে যুঁজ দিবলৈ তেওঁলোক আগ্ৰহী হৈ উঠে। জ্ঞান আৰু কৌশলৰ উপযুক্ত শিক্ষাৰ বলত আধুনিক সমাজ গঠনৰ প্ৰতি জাগ্ৰত হোৱা দেশপ্ৰেমৰ ভাৱধাৰাই ভেদাভেদ পাহৰি জাতিটোক একত্ৰিত হৈ প্ৰগতিৰ দিশে আগবাঢ়িবলৈ শিকায়। অতীজৰে পৰা অসমীয়া জাতিৰ ভাষা-সংস্কৃতিকে ধৰি অৰ্থনৈতিক তথা ৰাজনৈতিক সংকটকালত ছাত্ৰ সমাজৰ উল্লেখনীয় ভূমিকাই ইতিহাসৰ পাত জিলিকাই ৰাখিছে। স্বাধীনোত্তৰ কালতো সুশাসন আৰু স্বাৱলম্বনৰ হকে অসমীয়াই অনেক সময়ত বাদ-প্ৰতিবাদ তথা আন্দোলনৰ পথ ল'বলগীয়া হৈছিল। স্বাধীন ভাৰতৰ অভূতপূৰ্ব জনজাগৰণ ৰূপে পৰিগণিত ছবছৰীয়া অসম আন্দোলনৰো গুৰিতে আছিল সেই সময়ৰ ছাত্ৰ নেতাসকল। চুবুৰীয়া ৰাষ্ট্ৰৰ নাগৰিকৰ অবৈধ অনুপ্ৰৱেশৰ ফলত অসমীয়াৰ অস্তিত্ব বিপন্ন হোৱাৰ উপক্ৰম দেখি সদৌ অসম ছাত্ৰসন্থাই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বিদেশী বহিষ্কাৰৰ দাবী উত্থাপন কৰে। এনে সৰল প্ৰক্ৰিয়াই ফল নধৰাত ছাত্ৰসন্থাই আন্দোলনৰ পথ ল'বলৈ বাধ্য হয়। এই জ্বলন্ত সমস্যা সমাধানৰ হকে ছাত্ৰসন্থাৰ নেতৃবৃন্দই অসমবাসীক একত্ৰিত কৰি অস্তিত্ব ৰক্ষাৰ গণ আন্দোলন গঢ়ি তোলে। সাধাৰণ ৰাইজৰ সন্মিলিত সংগঠন "অসম গণ সংগ্ৰাম সমিতি" আৰু সদৌ অসম ছাত্ৰসন্থাই (১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ) বিদেশী বিতাড়ণক মূল দাবী হিচাপে লৈ আগবঢ়াই নিয়া আন্দোলনক ন্যায্যতা প্ৰদান কৰিবলৈ বাধ্য হ'ল কেন্দ্ৰীয় চৰকাৰ। সম্পাদিত হ'ল অসম চুক্তি। জাতীয় চেতনাৰে আঞ্চলিকতাবাদ আধাৰিত ৰাজনৈতিক দল অসম গণ পৰিষদৰ জন্ম হ'ল।

ছাত্ৰ নেতা জননেতালৈ আৰু জননেতা ৰাজনৈতিক নেতালৈ উন্নিত হ'ল। অধ্যয়ন, অধ্যৱসায়, চিন্তন-চেতনাৰে উদ্বুদ্ধ জ্ঞান-অভিজ্ঞানেৰে পুষ্ট দেশসেৱাৰ মহান ব্ৰত লৈ জনকল্যাণৰ কামত নিয়োজিত হ'ল অসমৰ কষ্টসহিষ্ণু জ্ঞানপিপাসু, সৎ সাহস, দেশপ্ৰেম আৰু সফল ব্যক্তিত্বৰ অধিকাৰী আই অসমীৰ সু-সন্তান ছাত্ৰ নেতাসকল। সেইসকলৰ মাজত শ্ৰেষ্ঠ ৰূপে সমাদৃত হ'ল বলিষ্ঠ তথা জনপ্ৰিয় নেতা ড° জয়নাথ শৰ্মা। অনন্য ৰূপত সন্মুখৰ পৰা অস্তিত্ব ৰক্ষাৰ সংগ্ৰামক নেতৃত্ব দি অহা এইগৰাকী সেৱকে একেৰাহে কুৰি বছৰ ছিপাঝাৰ সমষ্টিৰ বিধায়ক হোৱাৰ উপৰিও দুটা কাৰ্যকালৰ বাবে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰীৰ দয়িত্ব দক্ষতাৰে পালন কৰে। বাণিজ্য, আইন আদি বিষয়ক উচ্চ শিক্ষাৰে বিভূষিত বিশিষ্ট শিক্ষাবিদ ৰূপে, দেশপ্ৰেম আৰু মানৱতাবোধেৰে বিচক্ষণ ৰাজনীতিজ্ঞ হিচাপে, ভাৰতীয় আস্তিক দৰ্শনৰ লগতে দেশ-বিদেশৰ ভিন্ন ভাষা-সংস্কৃতিৰ জ্ঞানেৰে সমৃদ্ধ এগৰাকী পণ্ডিত ৰূপে, নৈতিক আধ্যাত্মিক ভাৱ-প্ৰৱন বিজ্ঞান মনস্কাতাৰে পৰিপূৰ্ণ সমাজ সংস্কাৰকবেশে জনমানসত সুপৰিচিত এক জীৱন্ত কিংবদন্তি স্বৰূপ শ্ৰদ্ধেয় ডঃ শৰ্মাদেৱৰ অনুকৰণীয় জীৱনাদৰ্শ তুলি ধৰিব পৰা লিখনশক্তি মোৰ কলমত যে নাই সেয়া নিশ্চিত। তথাপিও গ্ৰন্থ সম্পাদনা সমিতিৰ আহ্বানৰ প্ৰতি সন্মান জনাই তেখেতৰ সৈতে সম্পৰ্কিত কেইটিমান প্ৰসংগৰ স্মৃতি অৱগতিৰে, আয়োজিত সম্বৰ্ধনাত অংশ লোৱাৰ প্ৰয়াস কৰিলো।

১৯৮০ চনৰ কোনোবা এটি সন্ধিয়া ঘোষণাক্ৰমে গম পালো, কাইলৈ সৰাবাৰী হাইস্কুল খেল পথাৰত বিৰাট ৰাজহুৱা সভা অনুষ্ঠিত হ'ব। উক্ত সভাত বলিষ্ঠ ছাত্ৰ নেতা ডঃ শৰ্মাদেৱ উপস্থিত থাকিব। ইতিমধ্যে হাইস্কুল পৰীক্ষা উত্তীৰ্ণ হৈ ১৯৭৯ চনত দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঢ়া আৰম্ভ কৰিছো। পোহনীয়া গৰু-ছাগলী আৰু বাৰীৰ পাণ-তামোল বেচি কোনোমতে এখন চাইকেল গোটাই লৈছো। গতিকে বজাৰ, আলহীৰ ঘৰ, বিদ্যালয়, আন্দোলনৰ কাৰ্যসূচী আৰু সভা আদিলৈ যোৱাৰ অসুবিধা আঁতৰিল। ইমান দিনে শুনি অহা বিখ্যাত নেতা ড° শৰ্মাদেৱক প্ৰথম দেখা আৰু তেখেতৰ

ভাষণ শুনাৰ হেঁপাহ লগত লৈ সমনীয়াসকলৰ সৈতে পঢ়ি অহা হাইস্কুলৰ সন্মুখত আয়োজিত সেই বিৰাট জনসভাত যুৱ দৰ্শকৰ লগত থিয় হৈ ৰলো। সেই সময়ৰ এনে ধৰণৰ সভাবোৰত ইমান বেছি উপস্থিত হৈছিল যে মহিলা আৰু জ্যেষ্ঠসকলহে দৰ্শকৰ আসনত বহিব পাইছিল। সভা আৰম্ভণীৰ আনুষ্ঠানিকতাৰ পিছতেই মূল কাৰ্যসূচী নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদানৰ বাবে সভাপতি গৰাকীয়ে আহ্বান জনালে জনসমাবেশৰ মুখ্য আকৰ্ষণ ছাত্ৰ নেতা ডঃ শৰ্মাদেৱক। নিয়মিত উচ্চতা, সুঠাম শৰীৰ, পোন মেৰুদণ্ড, উচ্চ শিৰ, ঘন ক'লা ছুটি দাড়িৰে আবৃত উজ্জ্বল মুখমণ্ডল এক সুদৰ্শন যুৱক সঠিক দেহ ভংগিমাৰে আগবাঢ়িল মাইক্ৰ'ফোনৰ ওচৰলৈ। অত দিনে নাম শুনি থকা এইজনেই ড° জয়নাথ শৰ্মা। নামটোৰ সৈতে মানুহজনৰ মিল থকা বিশ্বাস হ'ল। মিচিকিয়া হাঁহিৰে সবাকে সম্বোধন কৰি দিগন্ত ব্যাপ্ত চাৰনিৰে যেন প্ৰতিজন শ্ৰোতা দৰ্শকক তেওঁ সম্ভাষণ জনালে। হঠাতে মুখত কিছু কঠোৰতা বিয়পাই দুয়োখন হাত সন্মুখলৈ তুলি বুঢ়া আঙুলি দুটা তলুৱাৰ ফালে কোঁচাই আন কেইটা আঙুলি ভাজ দি কেকোঁৰা সদৃশ মুদ্ৰা দেখুৱাই উচ্চ তথা দৃঢ়স্বৰে তেওঁ কৈ গ'ল- অক্টোপাছ, আঠখন ঠেং যুক্ত কেকোঁৰাসদৃশ বৃহৎ আকৃতিৰ এবিধ সাগৰীয় প্ৰাণী। মাছ-কাছ আদি নিমাষিত জীৱবোৰ আঠখন ঠেঙৰ মাজত সুমুৱাই ৰক্ত মাংস শোষণ কৰে এইবিধ হিংস্ৰ জলচৰে। অক্টোপাছ সদৃশ ৰাষ্ট্ৰতন্ত্ৰই সকলো প্ৰকাৰ সম্পদৰাজি হস্তগত কৰি দীৰ্ঘকাল ধৰি আমাক প্ৰৱঞ্চনা কৰি আহিছে। ৰাজনৈতিক মুনাফা আদায়ৰ ক্ষুদ্ৰ স্বাৰ্থৰ বিনিময়ত এচাম অসমীয়া নেতাই বিদেশীক গাঁও পতাত গোপনে সহায় কৰিছে। বিদেশীৰ আগ্ৰাসনৰ ফলত আমাৰ চুবুৰীয়া ৰাজ্য মণিপুৰ আৰু ত্ৰিপুৰাত ক্ৰমে নলবাহাদুৰ ভাণ্ডাৰী আৰু নৃপেন চক্ৰৱৰ্তীয়ে মুখ্যমন্ত্ৰী পদ দখলৰ প্ৰসংগও উল্লেখ কৰে। অসমীয়াৰ অস্তিত্ব বিপন্ন হোৱাৰ সম্ভাৱনাক প্ৰকট কৰি প্ৰাপ্য সুবিচাৰৰ পৰা বঞ্চিত হৈ অহা প্ৰত্যক্ষ উদাহৰণ দাঙি ধৰি জাতীয় চেতনা জাগ্ৰত কৰোৱা উদাত্ত ভাষণ দি গৈছে ড° শৰ্মাদেৱে। অসমৰ ভাষা-সংস্কৃতি আৰু ৰাজনৈতিক সুৰক্ষাৰ লগতে খিলঞ্জীয়াৰ স্বকীয়তা বৰ্তাই ৰখাৰ স্বাৰ্থত ভাৰতীয় সংবিধানৰ গণ্ডীত গঢ়ি

তোলা গণতান্ত্রিক আন্দোলনক অপব্যাখ্যাৰে কলুষিত কৰিব বিচৰা এচাম ঘৰশত্ৰুক মুকলি প্ৰত্যাহ্বান জনাইছে তেওঁৰ বক্তব্যত। অসম আন্দোলনৰ দাবী, কাৰ্যসূচী, সাংগঠনিক ভেটিৰ লগতে শ্ৰোতা দৰ্শকৰ মনত সৃষ্টি হোৱা নেতিবাচক ভাৱনা সন্দৰ্ভত পোনপটীয়া প্ৰশ্ন তুলিবলৈ এই যুক্তিবাদী নেতাজনে আহ্বান জনায়। কিছু চিন্তনীয় আৰু বাস্তৱ ধাৰণাযুক্ত উত্থাপিত কেইবাটাও প্ৰশ্নৰ উত্তৰ সহজ ব্যাখ্যাৰে দাঙি ধৰি প্ৰশ্নকৰ্তা বিশিষ্টজনৰ সমৰ্থন আদায়ৰ উপৰিও সমাবেশত উপস্থিত আটাইৰে হৃদয় জয় কৰিবলৈ সক্ষম হৈছিল বাকপটু ডঃ শৰ্মাদেৱ। সেই দিনাৰ পৰা চাইকেলেৰে সহজে ঢুকি পোৱা, দুনী, দিপীলা, পাথৰিঘাট, বৰমপুৰ, মহলিয়াপাৰা, নামখলা, শান্তিপুখুৰী আদি ঠাইত অনুষ্ঠিত এনে ধৰণৰ সভাৰ ভাষণ শুনিবলৈ প্ৰায়ে গৈছিলো। বিশেষকৈ আৰু দুগৰাকী নেতা ক্ৰমে তিলক প্ৰসাদ বৰুৱা, হবিবৰ ৰহমানৰ তেজদীপ্ত কৰা বীৰোচিত ভাষণে যুৱ শক্তিক অসম মাতৃৰ সংকটমোচনৰ হকে উলিয়াই আনে। "আহ ঐ আহ, ওলাই আহ, খেদ ঐ খেদ বিদেশীক খেদ, অবৈধ নিৰ্বাচন বন্ধ কৰক" আদি শ্লোগান আৰু বেনাৰসহ শোভাযাত্ৰা তথা আন্দোলনৰ কাৰ্যসূচীসমূহত অংশ লোৱা প্ৰসংগ আজিও ভালদৰে মনত আছে। অসম গণ সংগ্ৰাম সমিতি আৰু ছাত্ৰসন্থাই গঠন কৰা স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক ড° শৰ্মাদেৱৰ পৰামৰ্শক্ৰমে আঞ্চলিক গোটসমূহৰ অধীনত সমৰ সজ্জাৰ অভিজ্ঞ ব্যক্তিৰ দ্বাৰা নিজকে আক্ৰমণৰ পৰা ৰক্ষা, অভিজ্ঞ চিকিৎসকৰ দ্বাৰা আঘাত প্ৰাপ্তক শুশ্ৰূষা আৰু প্ৰাথমিক চিকিথ প্ৰদান প্ৰশিক্ষণ কাৰ্যসূচীত উৎসাহেৰে অংশ লৈ তৃপ্তি পাইছিলো।

স্বনিৰ্ভৰশীলতা আৰু দেশপ্ৰেমৰ মূল বাণীৰে ডঃ শৰ্মাদেৱৰ সেই অৰ্থবহ ভাষণৰ শ্ৰোতা দৰ্শক ক্ৰমাৎ বৃদ্ধি পাই অহাটো লক্ষণীয় হৈ উঠিছিল। নেতা গৰাকীয়ে বাৰম্বাৰ সোঁৱৰাই দিছিল- উপনিষদৰ বাণী "আত্ম বলম পৰম বলম।" আনৰ ওপৰত নিৰ্ভৰশীল মানুহৰ আত্মশক্তি কম। তেনে মানুহ সদায় আনৰ ওচৰত কৃতজ্ঞ হৈ থাকিব লগাত পৰে। ফলত অন্যায় কৰিলেও কৃতজ্ঞতাৰ খাটিৰত প্ৰতিবাদ কৰিব নোৱাৰে। সফল জীৱন কটাবলৈ স্বাৱলম্বনৰ বিকল্প

নাই। চাহিদা অনুপাতে উৎপাদন বা সেৱা কাৰ্যত ব্ৰতী হ'ব লাগে। স্বাৱলম্বিতা অবিহনে জাতিটোৰ উত্তৰণ সম্ভৱ নহয়। অহিংসা আৰু স্বাৱলম্বনৰ আদৰ্শৰে মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত পৰিচালিত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ আৰ্হিত অসমীয়া জাতিটো স্বনিৰ্ভৰশীলতাৰ দিশে অগ্ৰসৰ হোৱাত অসম আন্দোলনৰ অন্যতম নেতা ডঃ শৰ্মাদেৱে পটন্তৰসহ আগবঢ়োৱা উদীপ্ত ভাষণে জনতাক প্ৰভাৱিত কৰে। নাপিত, কুমাৰ, কমাৰ, ড্ৰাইভাৰ, বাঢ়ৈ, ৰাজমিস্ত্ৰী, মেকানিক, শিপিনী আদি বৃত্তিত নিয়োজিত হোৱাৰ উপৰিও চাবন, চক-পেঞ্চিল, ব্লেকবোৰ্ড, ধূপকাঠি, বাঁহ-বেতৰ সঁজুলি আদি বনোৱা ক্ষুদ্ৰ উদ্যোগ গঢ়াৰ কামত আগবাঢ়ে অসমীয়া যুৱ সমাজ। ইয়াৰোপৰি বৈজ্ঞানিক পদ্ধতিৰে কৃষি আৰু পশু পালনতো নতুন উদ্যমেৰে ভাগ ল'ব ধৰিলে। বেহা-বেপাৰৰ দিশতো কিছু দখল দিবলৈ সমৰ্থ হ'ল আন্দোলনকাৰী অসমীয়া। 'স্বাৱলম্বী হওঁ আহা' এই বাণীৰে অসম আন্দোলনৰ সমান্তৰালকৈ স্বনিৰ্ভৰশীলতাৰ এই বিপ্লৱে নিবনুৱা যুৱ সমাজত ঠন ধৰি উঠে। প্ৰতি গৰাকী অসমীয়াৰ নিজ জাতি তথা দেশখনৰ প্ৰতি ভালপোৱা মনোভাৱ জগাই তোলাত ছাত্ৰ নেতা ড° শৰ্মাদেৱ যেন সদাতৎপৰ। প্ৰকৃত দেশপ্ৰেমিক কেতিয়াও দুৰ্নীতিত লিপ্ত হ'ব নোৱাৰে, দেশপ্ৰেমে মানুহৰ হৃদয় পৱিত্ৰ কৰে আৰু ভেদাভেদ পাহৰি সকলোকে একত্ৰিত হৈ থাকিবলৈ শিকনি দিয়ে আদি মূল্যৱান কথাৰে অসমীয়াৰ মনত জাতীয়তাবাদী ভাৱনা সঞ্চাৰিত কৰাত তেওঁ সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিছিল। নেতাসকলৰ সংঘাতপূৰ্ণ জীৱন আৰু সৰ্বসাধাৰণৰ দুৰ্ভোগৰ যেন অন্ত পৰিল। আন্দোলনকাৰী নেতৃবৃন্দৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ সম্পাদিত চুক্তিৰ ফলত ঐতিহাসিক অস্তিত্ব ৰক্ষাৰ সংগ্ৰামে সফলতা লাভ কৰিলে। অসম গণ পৰিষদ নামে ৰাজনৈতিক দল গঠন হ'ল। ৰাইজৰ অভূতপূৰ্ব সমৰ্থনত আঞ্চলিক দলে চৰকাৰ গঠন কৰিলে। স্বাধীনোত্তৰ কালত অসমে যেন নতুন মৰ্যাদা লভিবলৈ সমৰ্থ হ'ল। উন্নয়নৰ গতিও সলনি হ'ল। চুক্তিৰ আধাৰত পৰৱৰ্তী সময়ত তেল শোধনাগাৰ, শংকৰদেৱ কলাক্ষেত্ৰ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, জ্যোতি চিত্ৰবন পুনৰ নিৰ্মাণ, তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, বগীবিল দলং, অনুদান

ঋণৰ হাৰ পৰিৱৰ্তন আদিৰে উল্লেখনীয় প্ৰগতি লাভ কৰিলে আমাৰ ৰাজ্যখনে। অভিলেখসূচক বিজয় সাব্যস্ত কৰি ডঃ শৰ্মাদেৱ বিধায়ক তথা মন্ত্ৰী হ'ল। ৰাজনৈতিক জীৱনৰ মাজতে বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ সন্মান ডক্টৰেট ডিগ্ৰী লাভে পূৰ্বৰ মেধা শক্তিক তীক্ষ্ণতৰ ৰূপত প্ৰতিভাত কৰে ড° শৰ্মাদেৱক। তেখেতৰ মনন শক্তি আৰু কৰ্মদক্ষতাৰ পৰিচিতিয়ে সমষ্টিবাসীক গৌৰৱান্বিত কৰিলে। লগতে অসম বিধান সভাৰ মজিয়াত ছিপাঝাৰ এক সন্মানজনক সমষ্টি ৰূপে পৰিগণিত হ'ল।

অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ সময়ছোৱাত অসমৰ চৰকাৰী ভূমিত থলুৱালোকে অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপনৰ কাম আগবাঢ়ে। বিশেষকৈ শিক্ষা প্ৰসাৰ আৰু নিবনুৱা সমস্যা সমাধানৰ আশা লৈ ৰাইজে কিছু সংখ্যক শিক্ষানুষ্ঠান প্ৰতিস্থাত মন দিয়ে। আমাৰ অঞ্চলতে নগাঁও (সৰবাৰী), নাপ্তাপাৰা, পশ্চিম চমতীয়াপাৰা, কটাহী, নগাঁও (দিপীলা) আদি গাঁৱৰ শিক্ষানুৰাগীসবে নগাঁওত (সৰাবাৰী) (গো-চৰণীয়া পথাৰত ১৯৮৩ চনত) নগাঁও আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰে। একে চৌহদত থকা নগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক পদত যোগদানৰ পিছত বিদ্যালয় পৰিচালনা সমিতিৰ সৈতে শ্ৰেণীকোঠা নিৰ্মাণৰ অনুদান বিচাৰি স্থানীয় বিধায়ক তথা মন্ত্ৰী ডঃ শৰ্মাদেৱৰ ওচৰলৈ প্ৰথমবাৰ গৈছিলো। কম এক দূৰদৰ্শী চিন্তাৰে মন্ত্ৰী মহোদয়ে আমাৰ সজাতি দলটিক বিদ্যালয় চৌহদত পঞ্চাশ হাজাৰ টকাৰ অনুদানেৰে আয়ৰ উৎস হিচাপে এটি পুখুৰী খন্দাবলৈ পৰামৰ্শ দিছিল। কিন্তু দুখীয়া ৰাইজৰ ধন আৰু শ্ৰমেৰে সঘনে গৃহ নিৰ্মাণ বা মেৰামতিৰ অসুবিধা দেখুৱাই স্থায়ী গৃহ নিৰ্মাণ ব্যৱস্থা গ্ৰহণৰ বাবে পুনঃ জনোৱা অনুৰোধ তেখেতে মানি ল'লে। ৰাইটিং পেডত বাঁওহতীয়া সুন্দৰ অক্ষৰযুক্ত খণ্ড উন্নয়ন বিষয়া, ছিপাঝাৰ, ৰাজহুৱা আশ্বাস দিয়া হয় যে নগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ শ্ৰেণীকোঠা নিৰ্মাণৰ হকে পঞ্চাশ হাজাৰ টকাৰ অনুদান আগবঢ়োৱা হ'ব। ভ্যৱস্থা ল'ব, বুলি লিখা বাক্য শাৰীৰৰ তলত বিশেষ কায়দাৰ স্বাক্ষৰযুক্ত পত্ৰখনি সজাতি দলটিৰ নেতৃত্ব লোৱা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰাজেন্দ্ৰ নাথ কাকতিদেৱেৰ

হাতত সসন্মানে অৰ্পন কৰে বিধায়ক তথা মন্ত্ৰী শ্ৰদ্ধেয় ডঃ শৰ্মাদেৱে। অনগ্ৰসৰ অঞ্চলটোৰ বাবে এক ৰাজহুৱা সম্পদ প্ৰাপ্তিৰে উন্নয়ন যাত্ৰাত নতুন খোজ দিয়াৰ বিমল আনন্দেৰে কৃতজ্ঞতা জনাই সঁজাতি দলটিয়ে তেখেতৰ পৰা বিদায় লোৱা শুভমুহূৰ্ত আজিও সজীৱ হৈ আছে। ১৯৯০ চনত নিৰ্মিত স্থায়ী গৃহটিৰে আৰম্ভ হোৱা আন্তঃগাঁথনি উন্নয়নে যেন আমাৰ অঞ্চলৰ শৈক্ষিক পৰিৱেশ উত্তৰণত এক নতুন মাত্ৰা প্ৰদান কৰিলে। সেই সময়তে চৰকাৰী নীতি মতে বিভাগীয় স্বীকৃতি নোপোৱা উচ্চ খণ্ড বিদ্যালয়খনলৈ অনুদান প্ৰদানৰ সুযোগ নথকা স্বত্বেও তেখেতে চক্ৰ বিষয়ালৈ চিঠি লিখিলে- " পাথৰিঘাট, নগাঁও আঞ্চলিক হাইস্কুলখন ধুমুহাত ভাঙিছিল, প্ৰতিবেদন দিব।" ফলস্বৰূপে উপায়ুক্তৰ সাহায্য পুঁজিৰ পৰা পোৱা ধনেৰে বিদ্যালয়খনৰ অত্যাৱশ্যকীয় শ্ৰেণীকোঠা অৰ্ধস্থায়ীভাৱে সজাই ল'ব পৰা গৈছিল। মধ্যখণ্ড বিদ্যালয় ১৯৯১ চনত প্ৰাদেশীকৰণ হোৱাৰ পিছত চৰকাৰী অনুদান প্ৰাপ্তিত কিছু সুচল হৈছিল যদিও দীৰ্ঘকাল ভেন্সাৰ পৰ্যায়ত থকা উচ্চ খণ্ড বিদ্যালয় পৰিচালনাত ৰাইজৰ দায়বদ্ধতা কমা নাছিল। বিভিন্ন সময়ত যাদু, চিনেমা, উপহাৰ কুপন খেল আৰু ভ্ৰাম্যমাণ থিয়েটাৰ দলৰ মঞ্চাভিনয় প্ৰদৰ্শন যোগে পুঁজি সংগ্ৰহ কৰা হৈছিল। এনে উদ্দেশ্যেৰে এবাৰ 'পল্লৱী থিয়েটাৰ'ক আমন্ত্ৰণ জনোৱা হ'ল। হাতীমাৰা-গোমঠাপাৰা ৰাস্তাৰ বিদ্যালয়খনৰ সন্মুখকে ধৰি বেছি অংশই দুৰ্গম। কেঁচা ৰাস্তাৰ ঠায়েঠায়ে পানী যোৱা জান। ৰাস্তাৰ একাষে ৰাইজে সৰু বাঁহৰ দলং বা চাউগছৰ ধোন্দৰৰ ব্যৱস্থা কৰে। খৰালি কালত দ অংশৰে যান-বাহন চলে। বৰষুণ নামিলে সেই সুবিধা নোহোৱা হয়। নাট দৰ্শনৰ দহ দিনমান পূৰ্বে আবতৰীয়া বৰষুণে ৰাস্তাৰ জানৰ বহল দ অংশ পানীৰে ওপচি পৰাত থিয়েটাৰ দলৰ সামগ্ৰী কঢ়িওৱা মালবাহী গাড়ী আৰু ইতিপূৰ্বে বিধায়ক ডঃ শৰ্মাদেৱে ব্যৱস্থা কৰাই দিয়া খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ে অস্থায়ী চৌহদত বেৰ দিয়া টিনপাতৰ গধুৰ যান-বাহন সোমাব নোৱাৰা আশংকাই দেখা দিলে। সেয়ে দুজন সংগীৰ সৈতে গৈ তেখেতক সমস্যাতো অৱগত কৰিলো। তেখেতে জিলা পৰ্যায়ৰ গড়কাপ্তানী বিভাগৰ সহকাৰী অভিযন্তালৈ ফোন লগালে। মনত আমাৰো সন্দেহ, বিৰোধী পক্ষৰ বিধায়কৰ নিৰ্দশনাত ইমান ডাঙৰ কামটো

সময়মতে হৈ উঠিবনে? ফোন ৰিচিভ হোৱাত ড° শৰ্মাদেৱে কোৱা শুনিলো- “মই M. L. A. জয়নাথ শৰ্মা (অলপ বৈ), নমস্কাৰ নমস্কাৰ নমস্কাৰ, মন কৰিব, খটৰা সত্ৰৰ পৰা উত্তৰে অলপ গৈয়ে হাতীমাৰা, ঝিল্‌কা ভাজৰ পৰা গোমঠাপাৰা গাঁৱলীয়া আলিবাটটো আগৰ M. L. A. ৰাজবংশীদেৱৰ দিনত গড়কাপ্তানী বিভাগৰ অধীনত লোৱা হৈছিল যদিও মাত্ৰ এক কিলোমিটাৰমান পথতহে শিলগুটি দিয়া আছে। সেইখিনিৰ পৰা তিনি শ মিটাৰমান দূৰত থকা নগাঁও আঞ্চলিক হাইস্কুলৰ সাহায্যাৰ্থে ভ্ৰাম্যমাণ থিয়েটাৰ আমন্ত্ৰণ কৰা হৈছে। তাতে ৰাস্তাটোৰ এটা অংশত কালভাৰ্টটো স্থাপন হোৱা নাই। গতিকে যিকোনো প্ৰকাৰে এসপ্তাহৰ ভিতৰত চলিব পৰাকৈ কালৰ্ভাটটো বহুৱাই দিয়াৰ ব্যৱস্থা কৰক। অন্যথাই থিয়েটাৰৰ ট্ৰাক যাব নোৱাৰিব। ফলত ৰাইজৰ আশাত চেঁচা পানী পৰিব আৰু মোৰো বদনাম হ'ব।” ফোনটো থৈ তেখেতে অভিযন্তা গৰাকীলৈ এখন চমু চিঠি লিখি আমাৰ হাতত দিলে। পিছদিনা ৰাতিপুৱা দহমান বজাত অভিযন্তা মহোদয়ক পত্ৰখন দি আমাৰ পৰিস্থিতিটো বিৱৰি জনালো। “সদ্যহতে কোনো ফাণ্ড নাই, তথাপিও চাওচোন কি কৰিব পাৰো” বুলি কৈ মহোদয়ে আমাক বিদায় দিলে। দুদিন পিছতেই বিভাগীয় কৰ্মীয়ে কালৰ্ভাটটো স্থাপন কৰি দিলে। নিৰ্দিষ্ট সময়ত নিৰ্বিঘ্নে ভ্ৰাম্যমাণ পল্লৱী থিয়েটাৰ দলে সফলভাৱে নাট প্ৰদৰ্শন কৰিলে। তাৰ পৰা ৰাহি হোৱা ধনেৰে পৰিচালনা সমিতিয়ে বিদ্যালয়খনৰ আশানুৰূপ আন্তঃগাঁথনি উন্নয়ন সাধিলে। লগতে অঞ্চলৰ যাতায়ত ব্যৱস্থাৰ এটি অন্তৰায় দূৰ হ'ল। সৰাবাৰী মৌজাৰ কেবাখনো গাঁও সামৰি ক্ৰীড়া, সাহিত্য-সংস্কৃতি আদি বিষয়ত সেৱা আগবঢ়াই অহা স্বেচ্ছাসেৱী অনুষ্ঠান দক্ষিণ সৰাবাৰী সমাজসেৱক সংঘ (নাপ্তাপাৰা)ৰ খেল পথাৰৰ মাটি আৱণ্টন দিয়াৰ উপৰি ইয়াৰ কাৰ্যালয় গৃহটি স্থানান্তৰ কৰি নগাঁও আঞ্চলিক হাইস্কুলৰ সন্মুখত স্থায়ীভাৱে নিৰ্মাণৰ আৰম্ভণীৰে ৰাজহ মন্ত্ৰী ডঃ শৰ্মাদেৱে আমাৰ অঞ্চলৰ উন্নয়নত মনোযোগ দিয়ে। প্ৰাথমিক বিদ্যালয় গৃহৰ পুনৰ নিৰ্মাণ, স্থানান্তৰ আৰু মাটি আৱণ্টন, স্বাস্থ্য উপকেন্দ্ৰ মঞ্জুৰীৰ লগতে স্থায়ীগৃহ আৰু চিকিৎসা প্ৰাপ্তিৰ সুবিধা সৃষ্টি আদিৰে ঠাইখনলৈ প্ৰগতিৰ এক নব্যধাৰা বোৱাবলৈ ডঃ শৰ্মাদেৱে চেষ্টা কৰে। পৰৱৰ্তী সময়তো সামগ্ৰীক

বিকাশ আৰু উন্নয়নৰ দ্ৰুততৰ যাত্ৰাই আমাৰ অঞ্চলকে ধৰি ছিপাঝাৰ সমষ্টিক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। নৱ প্ৰজন্মক ইংৰাজী আৰু হিন্দী ভাষাত কথোপকথনৰ যোগ্যতা আহৰণৰ হকে স্বেচ্ছাসেৱী অনুষ্ঠানবিলাকৰ প্ৰতি জনোৱা ৰাজহুৱা আহ্বানৰ প্ৰতি সন্মান জনাই "মৌখিক ভাষা প্ৰয়োগ প্ৰশিক্ষণ কেন্দ্ৰ" মুকলি কৰি আমাৰ সংঘই ৰাইজৰ সহযোগত সেৱা আগবঢ়াই যদিও চৰকাৰী সাহায্য অবিহনে কেইবছৰমান পিছত কেন্দ্ৰটি বন্ধ হৈ পৰে। বৃহৎ অঞ্চলটিৰ ৰাইজৰ আকাংক্ষিত নাপ্তাপাৰা প্ৰাথমিক বিদ্যালয়ৰ শতবাৰ্ষিকী মহোৎসৱ উদ্‌যাপনৰ সময়তো তেখেতৰ আৰ্থিক সহায় দিহা-পৰামৰ্শ আৰু অংশগ্ৰহণে শিক্ষানুৰাগী ৰাইজক উৎসাহিত কৰে। কৃষি, পশুপালন, ক্ষুদ্ৰ উদ্যোগ আদিত নিয়োগৰ সুবিধাৰ্থে ঋণাদিৰ উপৰিও চৰকাৰী চাকৰিত মকৰল ব্যৱস্থাৰে এই অঞ্চলৰ নিবনুৱা সমস্যা সমাধানতো কিছু সকাহ দিয়ে ডঃ শৰ্মাদেৱে। বেলেগ বেলেগ সকামত লগ ধৰিব খোজা প্ৰতিজনকে কথা, কলম অথবা অৰ্থৰে সহায় আগবঢ়োৱাত তেখেতক সদায় আগ্ৰহী দেখা গৈছিল। সেয়ে জনতা ভৱনৰ বিশেষ কক্ষ আৰু ৭২নং নিৱেশত সাক্ষাৎকাৰীৰ সংখ্যা সবাতোকৈ সৰহ আছিল। ৰাজহুৱা সেৱা তথা উন্নয়নৰ ক্ষেত্ৰত ড° শৰ্মাদেৱ আছিল অধিক তৎপৰ। সেয়ে সাক্ষাতৰ বেলিকা তেখেতে ৰাজহুৱা সকামত যোৱা সকলক অগ্ৰাধিকাৰ দিছিল। উদ্দেশ্যপূৰ্ণ সাক্ষাতৰ সময়তো আধ্যাত্মিক ধাৰণা তথা সামাজিক দৃষ্টিভংগীৰ ৰসাল, অৰ্থবহ চমু আলাপেৰে সকলোকে আনন্দ দিয়াত তেখেত অভ্যস্ত আছিল। আদৰ্শ, ব্যক্তিত্ব আৰু কৰ্মনিপুণতাৰে প্ৰভাৱশালী মন্ত্ৰী ড° শৰ্মাদেৱৰ নাম লৈয়ো কিছু কথা কাম কৰিব পৰা গৈছিল। স্থায়ী গৃহ নিৰ্মাণৰ বাবে চৰকাৰী সংস্থা এটিৰ পৰা ঋণ বিচৰা মোৰ আবেদন গুৱাহাটীৰ মূল কাৰ্যালয়ৰ পৰা অনুমোদন প্ৰাপ্তিত পলম হোৱাত মই নিজে যাবলগীয়াত পৰিলো। সেয়া ১৯৯৮ চনমানৰ কথা। কাৰ্যালয় সহায়কজনে বন্ধুত্বৰ মাজেৰে জনালে যে, অনুমোদনৰ দায়িত্বত থকা বিষয়া গৰাকীয়ে উপঢৌকন নিদিলে কাম নকৰে। মৌখিক অনুমতি লৈ আছুতীয়া কোঠাত সোমাই ছাৰক মোৰ সমস্যা জনালো। সৌজন্যতাৰ অভাৱ থকা বিষয়াজনে

ব্যস্ততাৰ মাজতে এতিয়া যাওকচোন বাৰু বুলি কৈ মোক বিদায় দিলে। কিছুদিন পিছত পুনৰ গৈ গম পালো কামটো হোৱাই নাই। যথোচিত সন্মান জনাই বিষয়া গৰাকীৰ কোঠাত প্ৰৱেশ কৰি ক'লো- ছাৰ, খেৰ-বাঁহৰ জুপুৰিটোতে যিমান দিন পাৰি থাকিম, আৰু ধাৰ বিচাৰি নাহো, কিন্তু এই অসুবিধাটো আমাৰ ঘৰত কিছুদিন আগেয়ে অলপ সময়ৰ বাবে বহি অহা বিশেষ ব্যক্তি গৰাকীক জনাইহে উভতিম। ছাৰে ক'লে- কাক ক'ব? উত্তৰত ক'লো- মন্ত্ৰী ড° জয়নাথ শৰ্মাদেৱক। হঠাতে তেওঁৰ যেন ব্যস্ততাৰ বোজা নাইকিয়া হ'ল। চশমা যোৰ খুলি টেবুলত থৈ চকু দুটা মোহাৰি ছাৰে ক'লে- বহকচোন বহক, খং কৰিব নালাগে, আপুনি পোনে পোনে ঘৰলৈ যাওক, কথা দিলো এসপ্তাহৰ ভিতৰতে আপোনাৰ কাম হৈ যাব। বিষয়া গৰাকীক ধন্যবাদ জনাই ঘৰলৈ উভতিলো। সময়মতে মোৰ কামটো সম্পূৰ্ণ হ'ল।

এখন সুস্থ সবল আধুনিক সমাজ গঠনৰ উদ্দেশ্য আগত ৰাখি অধ্যয়ন, পৰ্যবেক্ষণ আৰু মেধাৰ আধাৰত আয়ত্ব কৰা বাকশক্তি যথাযথভাৱে প্ৰয়োগত ড° শৰ্মাদেৱৰ সফলতা সকলোৱে স্বীকাৰ কৰে। উপযুক্ত শব্দ আৰু ব্যাখ্যা সংযুক্ত গ্ৰহণযোগ্য বাৰ্তা সমৃদ্ধ বক্তৃতা তেখেতৰ ভূষণস্বৰূপ। ভাৰতৰ আধুনিক সংস্কৃতিৰ ভেটি বেদ, উপনিষদ, গীতা, ৰামায়ণ, মহাভাৰত, পুৰাণাদি ঋষি শাস্ত্ৰৰ শাশ্বত বাণীসমূহৰ সৰব আলোচনা তেখেতৰ ভাষণৰ অন্যতম বৈশিষ্ট্য। যি বেদৰ নীতি, তত্ব, ধৰ্ম আৰু দৰ্শনৰ বাণী আজি এই অতি আধুনিক যুগতো জগতবাসীয়ে অন্তঃকৰণে গ্ৰহণ কৰিছে। ইছলাম আৰু খ্ৰীষ্ট ধৰ্মৰ মাৰ্গীয় দৰ্শনৰ ওপৰত দখল থকা ডঃ শৰ্মাদেৱে ভিন্ন ধৰ্ম, জাতি আৰু বৰ্ণৰ মানুহৰ মাজত সম্প্ৰীতিৰ বান্ধোন ৰক্ষাৰ্থে উমৈহতীয়া ৰুচিসন্মত তথা একাত্মবোধৰ বক্তব্য সততে আগবঢ়ায়। পৌৰাণিক কাহিনীত বৰ্ণিত বিশেষ চৰিত্ৰৰ বিশ্লেষণ, ঐতিহাসিক ৰজা-মন্ত্ৰী, বীৰ-বীৰঙ্গণা, পণ্ডিত, দাৰ্শনিক, অৰ্থনীতিবিদসকলৰ উক্তি আৰু কৰ্ম দক্ষতা ব্যাখ্যাৰে অনুকৰণীয় দিশবোৰ দাঙি ধৰাটো ড° শৰ্মাদেৱৰ বক্তৃতাৰ অন্তৰ্ভুক্ত বিষয়। নৈতিক, আধ্যাত্মিক আৰু পাঠ্যক্ৰমৰ জ্ঞান আহৰণ কৰি সেইবোৰৰ উচিত প্ৰয়োগৰ দ্বাৰা মানৱ সম্পদ ৰূপে গঢ়ি লৈ মানৱীয়

গুণেৰে বিভূষিত হৈ পিতৃ-মাতৃ, পূৰ্বপুৰুষ তথা বংশ পৰিয়ালক দোষমুক্ত আৰু উজ্বল কৰোৱাৰ আহ্বানত শিক্ষাৰ্থীসকলক উদ্দেশ্যি প্ৰায়ে ড° শৰ্মাদেৱে প্ৰয়োগে সফল বিদ্যা, বংশদোষেণ অদাতা, কৰ্মদোষেণ দৰিদ্ৰতা, মাতৃ দোষেণ উন্মত্তা, পিতৃ দোষেণ মূৰ্খতা, উত্তমা আত্মনামখ্যাত, পিতৃখ্যাত চ মধ্যমা.... আদি অমৃত বচনৰ বিস্তৃত অৰ্থ দাঙি ধৰে। কণমানি পুত্ৰই প্ৰতিবেশীৰ দাখন চুৰি কৰি অনাত নালটো সলাই নিৰাপত্তা দিয়া পিতৃ, চৰকাৰী চাকৰিয়াল দেউতাকে নিজ কাৰ্যালয়ৰ পৰা কাগজ-কলম আনি ল'ৰা-ছোৱালীক পঢ়া সঁজুলি যোগান ধৰা আদি বাস্তৱ ঘটনাৰ ৰসিকতাপূৰ্ণ বিৱৰণীৰে নৈতিক শিক্ষা দিয়া অভিভাৱকৰ অনৈতিক কৰ্ম পৰিহাৰৰ পৰামৰ্শও থাকে তেখেতৰ ভাষণত। সাধুকথাৰ লগতে চিন্তাৰ খোৰাক দিব পৰা প্ৰশ্নবান তেখেতৰ বক্তৃতাৰ অন্য এক উপাদান। এবাৰ আমাৰ (নগাঁও আঞ্চলিক উচ্চ মাধ্যমিক) বিদ্যালয়ত অনুষ্ঠিত এখন বিশাল সভাত কৈছিল , "এখন দেশৰ এজন নৈশ ৰাজ প্ৰহৰীয়ে পুৱাতে আহি ৰজাক সেইদিনা অৰণ্যৰ আমোদ ভ্ৰমণলৈ যোৱাত বাধা দিলে, কাৰণ সি সপোনত ৰজাৰ ৰথখন দুৰ্ঘটনাত পতিত হোৱা দেখিছে। প্ৰহৰীৰ কথামতে ৰজা নিজে নগৈ কেইজনমান কৰ্মচাৰীকে ৰথখনত পালে। আচৰিতভাৱে ৰথখন দুৰ্ঘটনাগ্ৰস্ত হ'ল আৰু এজনৰ মৃত্যুও হ'ল। সকলোৱে তাক প্ৰশংসা কৰিলে। কিন্তু ৰজাৰ জীৱন বচোৱা প্ৰহৰীজনক প্ৰাপ্য বেতন আদায় দি চাকৰিৰ পৰা বিদায় দিলে।" এই সাধুটো সামৰি ডঃ শৰ্মাদেৱে ছাত্ৰ-ছাত্ৰীসকলক সুধিলে, কিয় বাৰু প্ৰহৰীজনক প্ৰমোচন নিদি চাকৰিৰ পৰা বিদায় দিলে? কিছু সময় পিছত নৱ কুমাৰ কলিতা নামৰ সপ্তম শ্ৰেণীৰ মেধাৱী ছাত্ৰজনে দিয়া সঠিক উত্তৰত সভাসদে আমোদ পালে আৰু মাননীয় ডঃ শৰ্মাদেৱে নগদ এশ টকাৰে চাত্ৰজনক পুৰস্কৃত কৰিলে। সম্প্ৰতি এইটো এটা সাধাৰণ সাধুকথাৰ সৈতে জড়িত প্ৰশ্ন যদিও সেই সময়ত ই এক নতুন চিন্তাকৰ্ষক আকৰ্ষণীয় বৰ্ণনা আছিল।

কৰ্ম বিমুখ শিক্ষিত যুৱকসকল চৰকাৰী চাকৰি বিচাৰি সময় নষ্ট নকৰি কৃষিপাম, পশুপালন, মীন মহল, ভিন্ন ধৰণৰ উদ্যোগ আদি গঢ়ি আন দহজনক সংস্থান দিব পৰা অৱস্থালৈ উন্নীত হোৱাত গুৰুত্ব দিছিল মন্ত্ৰী

গৰাকীয়ে। ইয়াৰ বাবে আৱশ্যকীয় ঋণ আৰু ৰাজসাহায্যৰ সুবিধা গ্ৰহণৰ হকে শিক্ষিত যুৱ চামৰ প্ৰতি মুকলি আহ্বান জনাইছিল। বহুমুখী শৈক্ষিক প্ৰতিষ্ঠান নেৰিমৰ প্ৰতিষ্ঠাতা স্বত্বাধিকাৰী ড° শৰ্মাদেৱক এগৰাকী সুনিপুণ প্ৰশিক্ষক আৰু সুদক্ষ নিয়ন্ত্ৰক ৰূপেও প্ৰত্যক্ষ কৰিছো। আধুনিক শিক্ষা ব্যৱস্থাত এগৰাকী পথিকৃৎ উদ্যোগী হিচাপে উত্তৰপূৰ্বাঞ্চলত তেখেতৰ ভূমিকা প্ৰকৃতাৰ্থত আদৰণীয়।

ৰাজনৈতিক সম্পৰ্ক নথকা সময়তো সামাজিক দায়বদ্ধতাক অগ্ৰাধিকাৰ দি ড° শৰ্মাদেৱে সদায় সমষ্টিবাসীৰ লগত প্ৰয়াস ৰাখি আহিছে। ৰাজহুৱা উৎসৱ-পাৰ্বন, সভা-সমিতিত যোগদান তথা সহযোগিতাৰ উপৰিও পৰিয়াল কেন্দ্ৰিক আপদ-সম্পদতো যথাসম্ভৱ খা-খবৰ লোৱা উচ্চ মানৱীয় ভাৱধাৰাক তেখেতে আজিও সজীৱ কৰি ৰাখিছে। খাদ্যভ্যাস, যোগ-ব্যায়াম আদিৰ উপৰিও নিয়মিত প্ৰাৰ্থনাৰ সু-অভ্যাসৰ যোগেদি জীৱনক সুন্দৰ ৰূপত সজোৱা আহ্বান তেখেতৰ মুখত প্ৰায় শুনিব পোৱা যায়। সংসাৰ যাত্ৰাত কামনাপূৰ্বক নিত্য সেৱাৰ বৈদিক মন্ত্ৰ বা স্তুতি আদিৰো প্ৰচাৰ কৰে ডঃ শৰ্মাদেৱে। ভালেমান দীঘলীয়া শ্লোকৰ সংক্ষিপ্ত ৰূপ উচ্চাৰণৰ মাধ্যমত ইষ্ট দেৱতাৰ ওচৰত ভক্তি নিবেদনৰ উপায় এইজনা শাস্ত্ৰ জ্ঞানীয়ে প্ৰকাশ কৰি আহিছে। শিক্ষা আৰু ধৰ্মীয় দিশত ড° শৰ্মাদেৱৰ আছে এক সুকীয়া উচ্চ দৰ্শন। শিক্ষানুষ্ঠান আৰু আধ্যাত্মিক চৰ্চাৰ অনুষ্ঠানসমূহৰ প্ৰতি তেখেতে সন্মান আৰু গভীৰ বিশ্বাস সহকাৰে সংযোগ ৰক্ষা কৰি আহিছে। অৰ্ধনাৰীশ্বৰ মহাভৈৰৱ, নৱগ্ৰহ আৰু শিৱলিংগৰ আপুৰুগীয়া বিগ্ৰহ থকা নাপ্তাপাৰা মহাভৈৰৱৰ সোঁৱৰণত উৎসৰ্গিত মণিকুটৰ দ্বাৰ উন্মোচন (২২ নবেম্বৰ, ১৯৯৬ চন) কৰা মন্ত্ৰী ড° শৰ্মাদেৱ যোৱা ৮-১০-২০২২ তাৰিখে উক্ত মন্দিৰত পূজা-অৰ্চনা আগবঢ়োৱাৰ লগতে ইয়াৰ কিছু সংখ্যক অংশীদাৰৰ সৈতে অন্তৰতাপূৰ্ণ সাক্ষাৎ হয়। সেইদিনাই নগাঁও আঞ্চলিক হাইস্কুল আৰু স্বগৃহত মোৰ অৱসৰকালীন বিদায় সম্বৰ্ধনা আৰু গ্ৰন্থ উন্মোচনী সভাত তেখেতৰ অংশগ্ৰহণে বিশেষভাৱে উপস্থিত থকা দুগৰাকী ব্যক্তি শ্ৰীযুত মাধৱ চন্দ্ৰ ৰাজবংশী আৰু শ্ৰীযুত বিনন্দ কুমাৰ শইকীয়াকে ধৰি

বৰেণ্য শিক্ষানুৰাগী সমাজ আৰু পৰিয়ালবৰ্গক উৎসাহিত কৰে। মন পছন্দৰ জাতীয় সম্পদ আৰু সুন্দৰ ভাষণেৰে সম্বৰ্ধনা জনোৱাৰ উপৰিও উপস্থিত সমজুৱাক জড়িত কৰি এক ব্যতিক্ৰমী ৰূপত মোৰ অৱসৰী জীৱন আৰু পৰিয়ালৰ সৰ্বতোপ্ৰকাৰ মংগল কামনাৰে অন্তৰ চুই যোৱা ড° শৰ্মাদেৱৰ সেই আশীৰ্বাদ স্মৰণীয় হৈ ৰ'ব।

প্ৰতিদিনে এটি হ'লেও আনৰ মংগলজনক কামৰ প্ৰয়াস ৰাখি "ওঁ" ধ্বনিৰে দৈনন্দিন জীৱন যাত্ৰা আৰম্ভ কৰা এই গৰাকী স্বনামধন্য মহানুভৱ কৰ্মযোগীলৈ অন্তৰ ভৰা শ্ৰদ্ধা নিবেদিলোঁ। মান্যবৰ ড° শৰ্মাদেৱৰ সদ্ভাৱনাৰে প্ৰাৰ্থনা জনাওঁ পৰমপিতা পৰমেশ্বৰ তেখেতৰ যাত্ৰা পথৰ সাৰথি হৈ ৰওক।

❑❑❑

# জননেতা ড° জয়নাথ শৰ্মা

-ভাবিৰাম ডেকা

'যি মূলা বাঢ়িব তাৰ দুপাততে চিন'। কথাষাৰৰ সত্যতা নিৰূপনৰ কাৰণে ড° জয়নাথ শৰ্মাদেৱক উদাহৰণ স্বৰূপে ল'ব পাৰি।

১৯৭২ চনৰ ভাষা আন্দোলন, বিদেশী বহিষ্কাৰ আন্দোলন আদিত সেই সময়ৰ ছাত্ৰ নেতা প্ৰফুল্ল কুমাৰ মহন্ত, প্ৰয়াত ভৃগু কুমাৰ ফুকন, প্ৰয়াত ললিত ৰাজখোৱা, নগেন শৰ্মা আদিৰ লগতে দৰঙৰ সৰু থেকেৰাবাৰী গাঁৱৰ ড° জয়নাথ শৰ্মাদেৱেও অতি ঘনিষ্ঠভাৱে নেতৃত্ব দিছিল। বিদেশী বহিষ্কাৰ আন্দোলনত তেওঁ আছিল এগৰাকী ৰাজ্যিক পৰ্যায়ৰ নেতা।

১৯৮৩ চনৰ বিদেশী বহিষ্কাৰ আন্দোলনে গোটেই ভাৰতবৰ্ষত এক তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰিছিল। এই ভয় লগা আন্দোলনটিত ৮৫৫ গৰাকী তেজাল অসমীয়া ডেকা শ্বহীদ হৈছিল। ড° জয়নাথ শৰ্মাদেৱৰ ভাতৃ দয়া শৰ্মা আৰু আমাৰ মামাৰ সৰু ল'ৰা যতীন চহৰীয়াই এই আন্দোলনতে পূৰ্ববংগীয় বহিৰাগতৰ হাতত প্ৰাণ বিসৰ্জন দি স্ব-জাতিৰ বাবে শ্বহীদ হৈছিল।

আন্দোলন চলি থকা সময়ত কোনো সভালৈ জয়নাথ শৰ্মা অহা বুলি শুনিলে চৰকাৰী পক্ষৰ চি. আৰ. পি. বাহিনীৰ বাধাকো নেওচি সভাস্থলী লোকে-লোকাৰণ্য হৈছিল। তেখেতৰ তেজস্বী ভাষণ শুনি ৰাইজৰ আগবাঢ়ি যাবলৈ সাহস আৰু প্ৰেৰণা বৃদ্ধি হৈছিল।

আন্দোলনৰ ফলশ্ৰুতিত ১৯৮৫ চনত কেন্দ্ৰীয় চৰকাৰ আৰু আন্দোলনকাৰীসকলৰ মাজত অসম চুক্তি স্বাক্ষৰিত হয়। ইয়াৰ পিছত সদৌ অসম ছাত্ৰ সন্থা, গণ সংগ্ৰাম পৰিষদ আৰু পূৰ্বাঞ্চল লোক পৰিষদক লৈ জ্যেষ্ঠ নাগৰিক সন্থাই ৰাজনৈতিক দল গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। ফলশ্ৰুতিত

অসমত গঠিত হ'ল আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদ। দলৰ মুখ্য নেতৃত্ব দিয়া হ'ল মাননীয় প্ৰফুল্ল কুমাৰ মহন্তক। গণ পৰিষদে প্ৰতিদ্বন্দ্বিতা কৰা প্ৰথমটো নিৰ্বাচনত ছিপাঝাৰ সমষ্টিৰ পৰা টিকট লাভ কৰে ডঃ জয়নাথ শৰ্মাদেৱে। নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ তেখেতক ৰাইজে দান-বৰঙণি, উৎসাহ-উদ্দীপনা আদিৰে যথেষ্ট সহায় কৰিছিল। আমিও সেই নিৰ্বাচনত ভকতপাৰা চকত নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয়টি দিছিলো। লগতে প্ৰয়োজনীয় আৰ্থিক খৰচখিনিও সামান্যভাৱে আমি বহন কৰিছিলো।

সেই নিৰ্বাচনত শৰ্মাদেৱ ৩২ হাজাৰ ভোটৰ ব্যৱধানত জয়লাভ কৰিছিল। ফলাফল ঘোষণাৰ পিছদিনা তেখেতক আগত লৈ বিজয় গানেৰে গোটেই ছিপাঝাৰ সমষ্টিত শোভাযাত্ৰা কৰা হৈছিল। সেই সময়ত পুহ মাহ, পথাৰৰ ধান কটা মানুহে ধান কাটিবলৈ এৰি ড° শৰ্মাদেৱৰ বিজয় উৎসৱত অংশগ্ৰহণ কৰিছিল।

মাননীয় ড° শৰ্মাদেৱ ঐতিহ্যমণ্ডিত বিধান সভাৰ মজিয়া পালেগৈ। আমি তৃণমূল কৰ্মীসকলে ভাবিছিলো তেখেতে এটা ভাল মন্ত্ৰীত্বৰ বাব পাব। কিন্তু প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই তেখেতক মন্ত্ৰীত্বৰ বাব নিদি দলক ৰক্ষণাবেক্ষণৰ বাবে দলৰ মুখ্য সচেতকৰ দায়িত্ব দিয়ে। শেষৰ ফালে চুক্তি ৰূপায়ণ আৰু জলসিঞ্চন বিভাগৰ পূৰ্ণ পৰ্যায়ৰ মন্ত্ৰীত্বৰ বাব দিয়ে।

এইখিনিতে ক'ব লাগিব যে, সেই নিৰ্বাচনত দৰং জিলাৰ চাৰিওটা সমষ্টিতে অসম গণ পৰিষদ দল জয়ী হৈছিল আৰু মঙলদৈ সমষ্টিৰ বিধায়ক প্ৰয়াত নীলমণি দাসদেৱক মন্ত্ৰীত্ব দিয়া হৈছিল। পাথৰিঘাট আঞ্চলিক, ছিপাঝাৰ আঞ্চলিক আৰু নিবনুৱা সন্থাই ডঃ শৰ্মাদেৱকো পূৰ্ণ পৰ্যায়ৰ মন্ত্ৰীত্ব পদ দিব লাগে বুলি সজোৰে দাবী জনাই চৰকাৰ তথা দললৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছিল।

সেই সময়ত ছিপাঝাৰ সমষ্টিত ১৮ হাজাৰৰো অধিক নিবনুৱা আছিল। এই অভাৱনীয় নিবনুৱাৰ ওপৰত ভিত্তি কৰিয়েই ভাৰতৰ ২য় বৃহত্তম উদ্যোগ প্ৰাগ বচিমি চিন্থেটিকচ্ লিমিটেড পলিয়েষ্টাৰ উদ্যোগটি আনিবলৈ ড° শৰ্মাদেৱে অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। তেখেতে উদ্যোগ বিভাগৰ

মহাপ্ৰবন্ধকক মাতি আনি ৰাইজ আৰু নিবনুৱাৰ মাজত উপস্থিত কৰাই বিভিন্ন আলোচনাৰ মাজেৰে গৈ ছিপাঝাৰত এই উদ্যোগটি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। ফলশ্ৰুতিত এদিন ছিপাঝাৰত পলিয়েষ্টাৰ উদ্যোগ স্থাপন হ'ল। এই ক্ষেত্ৰত সেই সময়ৰ উদ্যোগ মন্ত্ৰী প্ৰয়াত গুণীন হাজৰিকাদেৱৰ লগতে মুখ্যমন্ত্ৰী প্ৰফুল্লকুমাৰ মহন্তদেৱে ছিপাঝাৰৰ ৰাইজক যথেষ্ট সহায় কৰে। উদ্যোগটিৰ কাৰণে ড° শৰ্মাদেৱে বিভাগীয় মন্ত্ৰীৰ ওচৰত দু-আষাৰ ক'বলৈ আমাকো সুবিধা কৰি দিছিল।

১৯৮৫ চনৰ বিধান সভাৰ নিৰ্বাচনৰ সময়ত আমি ছিপাঝাৰ বিধান সভা সমষ্টিৰ নিবনুৱা সন্থাৰ উপ-সভাপতিৰ দায়িত্বত আছিলো। ১৯৯১ চনৰ নিৰ্বাচনত ছিপাঝাৰ বিধান সভা সমষ্টিৰ অগপ দলৰ নিৰ্বাচনী সমিতিৰ উপ-সভাপতি আৰু পাথৰিঘাট আঞ্চলিক সভাপতিৰ দায়িত্ব আমাক দিয়া হৈছিল। ১৯৯১ চনৰ নিৰ্বাচনত তেখেতৰ লগত আমি দিন-ৰাতি একেৰাহে ১৩ দিন থাকি নিৰ্বাচনী প্ৰচাৰ কাৰ্যত নগন্যভাৱে সহায় কৰিছিলো। সেই দিনবোৰত ড° শৰ্মাদেৱৰ পৰা বহু কথাই শিকিব পাৰিছিলো। ১৯৯১ চনৰ নিৰ্বাচনত তেখেতে প্ৰায় ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ কাৰ্য চলাইছিল। তেখেতৰ লগত গৈ আমি উপলব্ধি কৰিছিলো মানুহবোৰে তেখেতক গভীৰ আন্তৰিকতাৰে ভাল পাইছিল আৰু অগাধ বিশ্বাস কৰিছিল। বামুণঝাৰ, তিতকুচি, কুৰুৱা, খলিহৈ, ৰজাপথাৰ, কিৰাকাটা আদি ঠাইত ডঃ শৰ্মাদেৱক সন্মুখত পাই বহুতো লোকে মনৰ কথা খুলি কৈ আৱেগত কান্দি দিছিল।

গণ পৰিষদ চৰকাৰৰ প্ৰথম কাৰ্যকালত ১৯৮৭ চনত দলৰ অভিৱৰ্তনখন ড° শৰ্মাদেৱৰ প্ৰচেষ্টাত মঙলদৈত অনুষ্ঠিত হৈছিল। এই অভিৱৰ্তনখনিত তেখেতৰ কাৰণে ছিপাঝাৰ সমষ্টিৰ বহুলোকে কাম কৰিবলৈ সুযোগ লাভ কৰিছিল।

ড° শৰ্মাদেৱৰ কাম-কাজৰ ওপৰত ভিত্তি কৰি সেই সময়ৰ দৰং জিলা গণ পৰিষদৰ সভাপতি প্ৰয়াত পানিৰাম দাসদেৱে কৈছিল- "আমি ৰাইজে এই চৰকাৰখন কমেও ২৫ বছৰ ৰাখিব লাগিব। তেতিয়াহে ৰাইজৰ কাম হ'ব।"

তেখেতে এইটোও কৈছিল- “এখেতসকলৰ এই পাঁচ বছৰ শিকোতেই যাব, পিছৰ কাৰ্যকালতহে কাম কৰিবলৈ সুবিধা পাব।” কিন্তু ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি বুলি এযাৰ কথা আছে। কাৰ্যকাল সম্পূৰ্ণ হ'বলৈ দুমাহ বাকী থাকোতে অসমত ৰাষ্ট্ৰপতি শাসন বলবৎ কৰা হয়।

ৰাষ্ট্ৰপতি শাসনৰ পিছত ১৯৯১ চনৰ নিৰ্বাচনত প্ৰয়াত হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰ গঠন হয়। অৱশ্যে ছিপাঝাৰৰ ৰাইজে এইবাৰো ডঃ শৰ্মাদেৱক জয়যুক্ত কৰাই অগপৰ ভেটি সবল কৰি ৰাখে। হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন চৰকাৰৰ টোঘলকী নীতিয়ে ৰাইজৰ মোহ ভংগ কৰায়। ফলশ্ৰুতিত ১৯৯৬ চনৰ নিৰ্বাচনত পুনৰ প্ৰফুল্ল কুমাৰ মহন্তদেৱৰ নেতৃত্বত অসম গণ পৰিষদ দলে চৰকাৰ গঠন কৰে। এইবাৰ ডঃ জয়নাথ শৰ্মাদেৱ পূৰ্ণ পৰ্যায়ৰ ৰাজহ মন্ত্ৰীৰ পদ লাভ কৰে।

১৯৯৬ চনৰ নিৰ্বাচনত আমি তেওঁৰ লগত ওতঃপ্ৰোতভাৱে থাকিব পৰা নাছিলো। কাৰণ তেখেতে ১৯৯৩ চনত মোক শিক্ষকতাৰ চাকৰিটো দিছিল। অৱশ্যে এই নিৰ্বাচনতো ঢুকি পোৱা ঠাইবোৰত তেখেতক সহায় কৰিবলৈ চেষ্টা কৰিছিলো। ১৯৯৬ চনৰ নিৰ্বাচনত ধলপুৰ, কিৰাকাটা হৈ গৰুখুটি নদীৰ মাজেৰে তেখেত নাৱেৰে গৈ থকা মুহূৰ্তত নদীৰ পাৰৰ পৰা কোনোবা দুৰ্বৃত্তই তেখেতলৈ লক্ষ্য কৰি গুলীয়াইছিল। কিন্তু সদা-সতৰ্ক ড° শৰ্মাদেৱে গুলীওৱাৰ আগমুহূৰ্তত দুৰ্বৃত্তক দেখে আৰু সিহঁতৰ অভিপ্ৰায় বুজি পাই নাৱতে সকলোকে বাগৰি পৰিবলৈ কৈ নিজেও বাগৰি পৰে। সেই আক্ৰমণত ডঃ শৰ্মাদেৱৰ একো নহ'ল যদিও এজন সতীৰ্থই গুলীবিদ্ধ হৈ প্ৰাণ বিসৰ্জন দিব লগীয়া হয়। ইয়াকে কয়- ৰাখে হৰি মাৰে কোনে, মাৰে হৰি ৰাখে কোনে।

ড° জয়নাথ শৰ্মাদেৱে ছাত্ৰ অৱস্থাত কিছুমান অদ্ভুত কাম কৰি আনক তবধ মনাইছিল। মঙলদৈ কলেজত পঢ়ি থকা দিনত, ৰাতি ধুনীয়াকৈ বিছনাখন সজাই পৰাই থয়, বিছনাখনত গাৰু, লেপক মানুহৰ আকৃতি দি শুৱাই থৈ হোষ্টেল পৰিচালকৰ চকুত ধূলি মাৰি তেওঁ সাংগঠনিক কামত বাহিৰ হয়।

বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ত এদিন ড° শৰ্মাদেৱক বিচাৰি

পুলিচ গৈ তেওঁৰ ঘৰ ওলাইছিল। সেই সময়ত তেখেত ঘৰতে আছিল। তেখেতে তৎক্ষণাত চাদৰ মেখেলা এযোৰ পিন্ধি মূৰত ওৰণি টানি কাষত কলহ এটি লৈ পুলিচৰ কাযেৰেই বাহিৰলৈ ওলাই যায়। পুলিচে সোধাত ঘৰৰ পৰিয়ালে তেখেত অলপ আগতে ওলাই যোৱা বুলি জনায়। বিপদ কালত উপস্থিতি বুদ্ধিৰে তেখেতে নিজক ৰক্ষা কৰিছিল।

যোৱা তিনিটা নিৰ্বাচনত তেখেত যদিও নিৰ্বাচিত হোৱা নাই, তথাপি বহু লোকৰ মনৰ পৰা তেখেত আঁতৰি যোৱা নাই। অগাধ জ্ঞানৰ অধিকাৰী ড° জয়নাথ শৰ্মাদেৱ এগৰাকী সাহসী সু-বক্তা। ৰাজনৈতিক, সামাজিক, আধ্যাত্মিক আদি সকলো দিশৰ ভাষণেৰে তেখেতে ল'ৰা-বুঢ়া-শিশু সকলোকে মোহাচ্ছন্ন কৰিব পাৰে।

তেখেতৰ বিগত ৰাজনৈতিক কালছোৱাত ৰাস্তা-ঘাট, দলং, দৌল-দেৱালয়, মঠ-মন্দিৰ, পৰিত্যক্ত অৱস্থাত থকা ৰজাদিনীয়া পুখুৰীসমূহ উদ্ধাৰ আৰু নিৰ্মাণ কৰে। ছয়ৰ পৰা ত্ৰিশখন বিছনাযুক্ত হস্পিটাল নিৰ্মাণ কৰে। বিখ্যাত পলিয়েষ্টাৰ উদ্যোগ আৰু বিদ্যালয়সমূহৰ নতুনকৈ গৃহ নিৰ্মাণ কৰে। এটা যুগৰ পৰা আন এটা যুগলৈ, এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ পৰম্পৰা কঢ়িয়াই নিয়ে প্ৰতিষ্ঠানসমূহে। ড° জয়নাথ শৰ্মাদেৱৰ উক্ত কামবোৰৰ লগতে তেখেতৰ অতি উচ্চস্তৰীয় শৈক্ষিক প্ৰতিষ্ঠান নেৰিমে হৰাপ্পা আৰু নালন্দা বিশ্ববিদ্যালয়ৰ নিচিনা প্ৰশংসা লাভ কৰি থাকিব।

ড° শৰ্মাদেৱৰ পত্নী প্ৰয়াত ড° অনিতা শৰ্মা বৰুৱা বাইদেউ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ এগৰাকী সু-অধ্যাপিকা আছিল। তেখেতৰ আত্মাই স্বৰ্গত শান্তিৰে বাস কৰক তাৰে কামনা কৰিলো।

ড° শৰ্মাদেৱৰ পুত্ৰ-বোৱাৰী, জী-জোঁৱাই আদিৰে পৰিপূৰ্ণ সংসাৰখন অধিক সুখময় হওক, ভগৱানে পৰিয়ালটিৰ সকলোকে সু-স্বাস্থ্য আৰু সুখ্যাতি দান কৰক, লগতে শৰ্মাদেৱে সুদীৰ্ঘ কৰ্মময় জীৱন যাপন কৰক তাকে কামনা কৰি ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনালোঁ। ❑❑❑

# জনকল্যাণৰ হকে
# আত্মোৎসৰ্গ কৰা মানুহজন

- ফজলুল হক চৌধুৰী

সমাজত বিভিন্ন স্তৰত জড়িত ব্যক্তি এজনৰ পৰিপূৰ্ণ কৰ্মৰাজি সামৰি লিখি শেষ কৰাটো বৰ কঠিন। এজন দূৰন্ত সমাজ সেৱকে ছাত্ৰ অৱস্থাৰ পৰা সমাজ জীৱনত বিভিন্ন ক্ষেত্ৰখনত নিৰৱচ্ছিন্নভাৱে কাম কৰি যোৱা আৰু সেই ব্যক্তিজনৰ বিশাল ব্যক্তিত্বৰ কথাবোৰ উপস্থাপন কৰিবলৈ হ'লে লাগিব ব্যক্তিজনৰ ওপৰত গভীৰ অধ্যয়ন। নিজ কৰ্মৰ দ্বাৰা মানুহক আকৃষ্ট আৰু প্ৰভাৱান্বিত কৰিব পৰা গুণৰ অধিকাৰী সংগ্ৰামী ছাত্ৰ নেতা ড° জয়নাথ শৰ্মাদেৱৰ কিছু কথা লিখিব লৈছো।

দৰঙৰ সুসন্তান ড° জয়নাথ শৰ্মাদেৱে ১৯৭৯ চনৰ আগৰ পৰাই ছাত্ৰ সন্থাৰ বিভিন্ন বিষয় বাবত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সদস্যত অধিষ্ঠিত হৈছিল। ১৯৭৯ চনৰ পৰা আৰম্ভ হোৱা অসম আন্দোলনৰ সকলো কাৰ্যসূচীতে তেখেতে সন্মুখত থাকি নেতৃত্ব দি বিদেশী বহিষ্কৰণ ক্ষেত্ৰত এক বলিষ্ঠ ভূমিকা পালন কৰিছিল। জাতিৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত সদৌ অসম চাত্ৰ সন্থাৰ স্বেখাসেৱক বাহিনীৰ সৰ্বাধিনায়ক হৈ অসমৰ সকলো স্তৰৰ লোককে বিদেশী বহিষ্কাৰ পক্ষত থিয় কৰাবলৈ তেওঁ সমৰ্থবান হৈছিল। এইজন আপোচ বিহীন ডঃ জয়নাথ শৰ্মাদেৱক আমাৰ অঞ্চলত বিশেষকৈ অসম আন্দোলন চলি থকা অৱস্থাত দুনী, দিপীলা, ভেৰুৱা, শান্তিপুখুৰী, কটৰা, নামখলা আদি ঠাইত সঘনাই লগ পাইছিলো। নিৰ্ভীক, অদম্য সাহসী, স্পষ্টবাদী জাতীয়তাবাদী অসমীয়া হিচাপে ৰাইজৰ সন্মুখত যি ভাষণ দিছিল সেয়া মানুহে আজিও মনত পেলায়। বিদেশী বহিস্কাৰ আন্দোলনত আগ্ৰণী ভূমিকা পালন কৰা সদৌ অসম

ছাত্ৰ সন্থাৰ স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক গৰাকীক ৰাইজে সুন্দৰ অসম গঢ়াৰ স্বপ্ন সন্ধানী ব্যক্তি হিচাপে বৰ শ্ৰদ্ধা আৰু মৰম কৰিছিল। সেয়ে হয়তো তেখেতৰ নীতি-নিষ্ঠা আৰু বলিষ্ঠ ভূমিকাই ছাত্ৰ সন্থাক এক নতুন গতিত নিবলৈ ৰাইজে প্ৰেৰণা যোগাইছিল।

আন্দোলনৰ আগশাৰীৰ সেনানী হৈ আমাৰ অঞ্চললৈ আহোতে আবাল-বৃদ্ধা-বনিতাৰ পৰা যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰী সকলোৰে আপোন ছাত্ৰ নেতা হ'ব পাৰিছিল। তেখেতৰ ভাষণত নিগৰি ওলাইছিল আন্দোলনটোৰ যোগাত্মক দিশ, অসমীয়াৰ স্বাৰ্থ ৰক্ষা, জাতিটোৰ কৰণীয়, ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য আদি বহু দিশৰ কথা। বাকপটু 'ড° জয়নাথ শৰ্মাদেৱ জিন্দাবাদ' ধ্বনিৰে মুখৰিত সভাবোৰ আছিল আঞ্চলিকতা মনোভাৱক জাগ্ৰত ৰূপ দিয়া সভা। ৰাইজৰ মনত আৱেগ আনি দিয়া সভা। ৰাইজৰ মনত সৃষ্টি হৈছিল বিদেশীমুক্ত এখন অসম গঢ়াৰ কথা। সদৌ অসম ছাত্ৰ সন্থাৰ আদৰ্শ আৰু বাণী অসমৰ বিভিন্ন প্ৰান্তত লৈ ফুৰোতে ড° জয়নাথ শৰ্মাদেৱে তেৰ মাহ কাৰাবাস খাতিবলগীয়া হৈছিল। তথাপি তেখেত ভাগৰি পৰা নাছিল। অধিক মনোবল লৈ কাৰাবাসৰ পৰা ওলাই অসম আৰু অসমীয়াৰ স্বাৰ্থ ৰক্ষাৰ কামত ছাত্ৰ সন্থাৰ নীতি আদৰ্শ ৰাইজৰ মাজত প্ৰচাৰ কৰি সকলোকে এক হোৱাৰ সাহস যোগাব পাৰিছিল।

ছবছৰীয়া ঐতিহাসিক অসম আন্দোলনৰ শেষ পৰ্যায়ত সদৌ অসম ছাত্ৰ সন্থা, গণ সংগ্ৰাম পৰিষদৰ লগত ভাৰত চৰকাৰৰ মাজত অসম চুক্তি হ'ল। চুক্তিৰ পিছত গোলাঘাটত জন্ম হ'ল এটা আঞ্চলিক ৰাজনৈতিক দল 'অসম গণ পৰিষদ'ৰ। ছাত্ৰ সন্থাৰ সহস্ৰ সংঘাত আৰু ৮৫৫ জন বীৰ শ্বহীদৰ আত্মবলিদান আগত ৰাখি অসমৰ সৰ্বদিশৰ উন্নয়নৰ হকে এই নতুন আঞ্চলিক দলৰ এজন সদস্য নিৰ্বাচিত হ'ল ড° জয়নাথ শৰ্মাদেৱ। অসমৰ মানুহে অসম আন্দোলনৰ নেতৃত্বই গঠন কৰা আঞ্চলিক দলটিক আকোঁৱালি ল'লে। সমৃদ্ধিশালী অসম গঢ়াৰ সংকল্প গ্ৰহণ কৰা আঞ্চলিক দলটিৰ পৰা ডঃ জয়নাথ শৰ্মাদেৱে ৬৬ নং ছিপাঝাৰ বিধান সভা সমষ্টিৰ পৰা বিপুল ভোটত জয়ী হৈ ৰাইজৰ সেৱাত মনোনিৱেশ কৰিবলৈ সুযোগ পাইছিল। অসম বিধান সভালৈ নিৰ্বাচিত হোৱা

ডঃ জয়নাথ শৰ্মাদেৱে অসম গণ পৰিষদ দলৰ চৰকাৰত থাকি আমাৰ অঞ্চলৰ উন্নয়ন প্ৰভূত অৰিহণা যোগাইছিল। চৰকাৰৰ অংশীদাৰ হৈ ৰাজহ বিভাগ আৰু অসম চুক্তি ৰূপায়ণ মন্ত্ৰীৰ দায়িত্ব বহন কৰি নিঃস্বাৰ্থভাৱে ৰাইজৰ উন্নয়নত প্ৰাধান্য দি আহিছিল। একেৰাহে চাৰিটা কাৰ্যকালৰ বাবে ছিপাঝাৰবাসী ৰাইজৰ অধিক জনপ্ৰিয় সমাজ হিতৈষী, অনন্য ৰাজনীতিবিদ ড° জয়নাথ শৰ্মাদেৱে অসম ৰাজ্য আৰু অসমীয়া জাতিলৈ আগবঢ়োৱা অৰিহণা ইতিহাসত সোণালী আখৰেৰে লিখা থাকিব।

একনিষ্ঠ সমাজ সেৱক ডঃ জয়নাথ শৰ্মাদেৱ চিৰঞ্জীৱ হওক, আমি ভগৱানৰ ওচৰত তাৰেই প্ৰাৰ্থনা কৰিছো।

❑❑❑

# স্মৃতিৰ এখিলা পাত

- ৰজনী কুমাৰ শৰ্মা

মই মোৰ কথা আৰম্ভ কৰিম অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ পৰা। সেই সময়ত মই ডেকা মানুহ, চাকৰি কৰি আছো। আন্দোলনে ভৰপক দিছিল। কৰ্মচাৰী সকলো সেই আন্দোলনত ভাগ ল'বলৈ বাধ্য হৈছিল। আমি প্ৰায় একে বয়সৰ শিক্ষক কৰ্মচাৰী কেইজনমান আছিলো- ছিপাঝাৰ কলেজৰ অধ্যক্ষ প্ৰয়াত ৰেৱন চন্দ্ৰ নাথ ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ বিষয় শিক্ষক। প্ৰয়াত দিবাকৰ ডেকা, প্ৰয়াত বদন চন্দ্ৰ শইকীয়া, ভবেন বৰুৱা, হাজৰিকাপাৰা গান্ধীস্মৃতি হাইস্কুলৰ প্ৰধান শিক্ষক অম্বিকানন্দ শৰ্মা, সেৱক হাইস্কুলৰ শিক্ষকদ্বয় অমৰেন্দ্ৰ শৰ্মা, ধীৰেশ্বৰ হাজৰিকা, জনসেৱা মজলীয়া বিদ্যালয় শিক্ষক ৰুদ্ৰ শৰ্মা। আমাৰ সকলোৰে শ্ৰদ্ধাৰ প্ৰয়াত ভুচন্দ্ৰ বৰুৱা ছাৰ সেই সময়ৰ শিক্ষক। এইসকলৰ উপৰিও আমাৰ অঞ্চলৰ বহু কৰ্মচাৰীয়েই আন্দোলনটোত সক্ৰিয় সহযোগ আগবঢ়াইছিল। আন্দোলনত যোগ দি ছিপাঝাৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি ৰেৱন নাথ যেতিয়া গ্ৰেপ্তাৰ হ'ল তেতিয়া মই সভাপতিৰ দায়িত্ব লৈছিলো।

আন্দোলনৰ সময়ত মোৰ গ্ৰেপ্তাৰী পৰোৱানা ওলোৱাত মঙলদৈ থানাৰ পৰা আৰক্ষীৰ দল এটা ঘৰলৈ আহে। এনে অভিযানৰ খবৰ গোপনসূত্ৰে মই আগতেই পাইছিলো আৰু ঘৰ এৰি অন্য ঠাইত আত্মগোপন কৰি আছিলো। আমাৰ এগৰাকী পেহী স্বাধীনতা আন্দোলনৰ কৰ্মী আছিল আৰু ইন্দিৰা গান্ধীৰ সৈতে উঠা ফটো এখন সংৰক্ষিত হৈ আছিল। সেই ফটোখন দেখা পাই তেওঁলোক পতিয়ন গ'ল যে এনে এখন ঘৰৰ ল'ৰা চৰকাৰ বিৰোধী কামত জড়িত হ'ব নোৱাৰে। এক কথাত পুলিচৰ আতিশয্যাৰ পৰা ফটোখনেও মোক ৰক্ষা কৰিছিল।

এনেকৈয়ে আন্দোলনত যোগ দিব গৈ আন্দোলনটোৰ অগ্ৰণী

নেতা জয়নাথ শৰ্মাৰ লগত মোৰ ব্যক্তিগত সান্নিধ্য আৰম্ভ হয়।

আন্দোলনৰ সমাপ্তিত অগপ গঠন হোৱাত অগপত জয়নাথে যোগদান কৰে। ৰাইজে অকুণ্ঠ সঁহাৰি আগবঢ়ায়। আগেয়ে আমি ৰাজনৈতিক ক্ষেত্ৰত জনতা দলৰ মাধৱ ৰাজবংশীৰ সমৰ্থক আছিলো। আমাৰ আইতাই কৈছিল- "গছৰ আগত উঠি চাবি ৰাইজ যেনি যায় তেনি যাবি।" গতিকে অসম গণ পৰিষদৰ সমৰ্থক হিচাপে অগপৰ দলৰ প্ৰাৰ্থী (ছিপাঝাৰ বিধান সভা সমষ্টিৰ) জয়নাথ শৰ্মাৰ লগত থাকি সহযোগিতা আগবঢ়োলো।

তেওঁৰ প্ৰচাৰ অভিযানত বুঢ়া গাঁৱলৈ গৈ চাৰি দিন থাকিছিলো। একেদৰে পাণ্ডাঘাট, ভেৰুৱা আদিত তিনি দিন, কুৰুৱাত দুদিন দিনে-নিশাই প্ৰচাৰ কাৰ্য চলাইছিলো। এই কাৰ্যত মোৰ প্ৰধান সংগী আছিল প্ৰয়াত অমৰেন্দ্ৰ শৰ্মা। আমাৰ গাঁৱৰ আশে-পাশে ঘূৰা-ফুৰা কৰাৰ কথা নক'লোৱেই যেনিবা।

এবাৰ, দুবাৰ নহয় চাৰিটা নিৰ্বাচনত প্ৰচাৰ চলাই তেওঁক আমি জিকাইছিলো। পিছলৈ আমাৰ ল'ৰা শ্ৰীমান গণেশ শৰ্মাও তেওঁৰ প্ৰচাৰ অভিযানত অংশ লৈছিল।

দীৰ্ঘদিন তেওঁৰ ৰাজনৈতিক ক্ষেত্ৰত সক্ৰিয় সহযোগ কৰি পিছলৈ সকলো এৰি ঘৰ সোমাই থকা হ'লো। কি পালো, কি নাপালো মই নকওঁ। আনে বিচাৰ কৰিব।

ব্যক্তিগত স্বাৰ্থ পূৰণ নোহোৱাক লৈ তেওঁক বহুতে খং কৰে, মই সেইবোৰলৈ নাযাওঁ, ৰাজহুৱা দিশলৈ চাই দেখা পাইছো বিদেশী বহিষ্কাৰে হওক বা সমষ্টি উন্নয়নে হওক তেনেকুৱা দিশত আমি ভবা ধৰণে নাইবা প্ৰত্যাশা কৰা মতে বিশেষ কিবা নহ'ল। ভাল কথাবোৰৰ মাজতে এই কথাখিনি নক'লে ভুল হ'ব বাবে কথাটো উনুকিয়ালো।

তেওঁলৈ মোৰ মৰম চেনেহ শুভেচ্ছা, অভিনন্দন আগেয়েও আছিল, এতিয়াও আছে আৰু ভৱিষ্যতেও থাকিব। শেষত তেওঁৰ সুস্বাস্থ্য আৰু উজ্বল ভৱিষ্যৎ কামনা কৰিলোঁ। ❑❑❑

# সুদক্ষ ৰাজনীতিজ্ঞ ড° জয়নাথ শৰ্মা

– বসুন্ধৰ ডেকা

ঐতিহাসিক অসম আন্দোলনৰ নেতৃত্ব বহনকাৰী, সুদক্ষ ৰাজনীতিজ্ঞ, প্ৰাক্তন ৰাজহ মন্ত্ৰী ড° জয়নাথ শৰ্মাদেৱৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক জীৱনৰ কৃতি আলোকপাত কৰি এখনি অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰিব বুলি ড° জয়নাথ শৰ্মা অভিনন্দন গ্ৰন্থ প্ৰস্তুতি সমিতিয়ে প্ৰেৰণ কৰা পত্ৰ যোগে জানিব পাই বৰ আনন্দিত হৈছিলো। জীৱন্ত কালতেই ড° জয়নাথ শৰ্মাৰ দৰে মহান ব্যক্তিসকলৰ কৃতি, গুণ-যশ অভিনন্দন গ্ৰন্থৰ যোগেদি প্ৰচাৰ কৰা কাৰ্য সঁচাকৈয়ে প্ৰশংসনীয়। এই ছেগতে অভিনন্দন গ্ৰন্থ সম্পাদনা সমিতিলৈ ধন্যবাদ জ্ঞাপন কৰিলো। সজ চিন্তা, কৰ্মদক্ষতা, ধৈৰ্য, ক্ষমা আদি গুণৰ বাবে ড° জয়নাথ শৰ্মাদেৱ সমাজত সমাদৃত হবলৈ সক্ষম হৈছে। ড° জয়নাথ শৰ্মা মোৰ অতিকৈ শ্ৰদ্ধাৰ ব্যক্তি। অসম আন্দোলনৰ সময়ত সভা-সমিতিসমূহত লগ পাইছিলো যদিও ভালদৰে কথা পতাৰ সুযোগ পোৱা নাছিলো। অসম বিধান সভাৰ সমষ্টিৰ সন্মানীয় বিধায়ক নিৰ্বাচিত হোৱাৰ পিছত সমাজ আৰু সংস্কৃতিৰ কামত সঘনাই লগ পোৱাৰ সৌভাগ্য ঘটে। জয়নাথ শৰ্মাদেৱে দেশ তথা জাতিৰ কাৰণে যিমান ত্যাগ আৰু অৰিহণা আগবঢ়ালে সকলোবোৰ সদাশয় গুণমুগ্ধ লোকসকলে লিখনিৰ জৰিয়তে প্ৰকাশ কৰিব। আমি শৰ্মাদেৱৰ জৰিয়তে উপকৃত হোৱা কৰ্মৰাজিৰ এটি চমু আভাস দাঙি ধৰিলো।

১৯৮৭ চনৰ ১৩, ১৪ আৰু ১৫ ফেব্ৰুৱাৰীত ভেৰুৱাত শ্ৰীমন্ত শংকৰদেৱ সংঘ, দৰং জিলা শাখাৰ সপ্তদশ বাৰ্ষিক অধিৱেশন ভাগি জাকজমকতাৰে অনুষ্ঠিত হৈছিল। আমি আদৰণী সমিতিৰ সম্পাদকৰ দায়িত্বত

থকা বাবে শ্ৰদ্ধেয় ড° জয়নাথ শৰ্মাদেৱক সঘনে লগ ধৰিছিলো। ড° শৰ্মাদেৱে ভেৰুৱাত খোৱা পানীৰ যোগান আৰু বিজুলী-বাতিৰ সু-ব্যৱস্থা কৰাৰ উপৰিও অধিৱেশন ভাগি সফল কৰাত মুখ্য ভূমিকা লৈছিল। আমি ১৯৮৬ চনৰ পৰা ১৯৯৫ চনলৈ ভেৰুৱা হাইস্কুলৰ সম্পাদকৰ দায়িত্বত থাকি সেৱা আগবঢ়োৱা সময়ত শ্ৰদ্ধেয় ড° শৰ্মাদেৱে বিদ্যালয়খনৰ উন্নয়নত সৰ্বতো প্ৰকাৰে সহায়-সহযোগ কৰিছিল। ড° জয়নাথ শৰ্মাদেৱে প্ৰথমবাৰ বিধায়ক হৈ থকা সময়তে ভেৰুৱা গাঁৱৰ খটেৰীয়াটাৰি চুবাতো কালপানী নদীৰ গৰাখহনীয়াত মাৰ যোৱাৰ উপক্ৰম হৈছিল। শ্ৰদ্ধেয় শ্ৰীবুদ্ধিৰাম ডেকা, শ্ৰীকুশেশ্বৰ বৈশ্য, গজেন ডেকা আৰু আমি ড° জয়নাথ শৰ্মাদেৱক আবেদন দিয়াত ব'ল্ডাৰ পিট্‌চিঙৰ ব্যৱস্থা কৰি গৰাখহনীয়াৰ পৰা চুবুৰীটো ৰক্ষা কৰে।

শ্ৰীমন্ত শংকৰদেৱ সংঘ উত্তৰ-পূব ভাৰতৰ ধৰ্মীয়, সাংস্কৃতিক সামাজিক জাতীয় অনুষ্ঠান। শ্ৰীমন্ত শংকৰদেৱ সংঘ, দৰং জিলাৰ প্ৰত্যেক অধিৱেশনতে ড° জয়নাথ শৰ্মাদেৱে সৰ্বতো প্ৰকাৰে সহায়-সহযোগ কৰি আহিছে। ৰাজহ মন্ত্ৰীৰ দায়িত্বত থকা ড° জয়নাথ শৰ্মাদেৱে শ্ৰীমন্ত শংকৰদেৱ সংঘ, দৰং জিলা শাখাৰ মঙলদৈৰ শংকৰদেৱ নগৰস্থ পাঁচ বিঘা মাটি ম্যাদি কৰি মহানুভৱতাৰ পৰিচয় দাঙি ধৰে। তাৰোপৰি আমি দৰং জিলা শাখাৰ সম্পাদকৰ দায়িত্বত থাকি সেৱা আগবঢ়োৱা সময়ত ৰাজহ মন্ত্ৰী ড° শৰ্মাদেৱৰ ওচৰত মঙলদৈ গেৰিমাৰী চাপৰিত শ্ৰীমন্ত শংকৰদেৱ সংঘ, দৰং জিলা শাখাৰ শংকৰদেৱ শিশু গ্ৰামৰ নামত দহ বিঘা মাটিৰ আৱণ্টন বিচাৰি আবেদন কৰিছিলো। শ্ৰদ্ধেয় ডঃ শৰ্মাদেৱে সহৃদয়তাৰে জিলা শাখাৰ শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয় আৰু শ্ৰীমন্ত শংকৰদেৱ কণিষ্ঠ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি শৈক্ষিক পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হৈছে। জিলা শাখাৰ শংকৰদেৱ নগৰস্থ জিলা কাৰ্যালয়, কেন্দ্ৰীয় নামঘৰৰ পূব দিশৰ মাটিডৰা মঙলদৈ নদীয়ে খহাই নিয়াত ড° শৰ্মাদেৱৰ ওচৰত আবেদন দিয়াত বিভাগীয় কৰ্তৃপক্ষৰ জৰিয়তে গৰাখহনীয়া ৰোধ কৰাত অৰিহণা যোগায়। চুক্তি ৰূপায়ণ মন্ত্ৰী হিচাপে সেৱা আগবঢ়োৱাৰ সময়ত জিলা নামঘৰৰ বৰ্দ্ধিত অংশ নিৰ্মাণ কৰিবৰ কাৰণে সেই সময়তে তিনি

লাখ টকা অনুদান আগবঢ়াই মহৎ কাৰ্য সম্পন্ন কৰিছিল। ২০০৪ চনত পকাবাঙিপাৰা পুনিয়া পথাৰত শ্ৰীশ্ৰীগোবিন্দ আতা ক্ষেত্ৰত ৭৩ সংখ্যক বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হৈছিল। উত্তৰ-পূব ভাৰতৰ লক্ষ লক্ষ জনতাৰ সমাবেশ ঘটিছিল। ডঃ শৰ্মাদেৱে এগৰাকী পৃষ্ঠপোষক হিচাপে অধিৱেশন সফল কৰাত বিশেষ অৱদান আগবঢ়াইছিল। দূৰ-দূৰণিৰ পৰা অহা দৰ্শক, প্ৰতিনিধিসকলে যাতে কোনো ধৰণৰ অসুবিধাত নপৰে তাৰ কাৰণে বিশেষ নজৰ ৰাখিছিল।

ড° জয়নাথ শৰ্মাদেৱ দীৰ্ঘজীৱি হওক, সমাজখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত শক্তি দিয়ক। এয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা।

❑❑❑

# ছিপাঝাৰৰ চাৰিটা কাৰ্যকালৰ বিধায়ক ড° জয়নাথ শৰ্মা

- অক্ষয় কুমাৰ নাথ

আমি যেতিয়া স্নাতক পাঠ্যক্ৰম অধ্যয়ন কৰি আছো, (১৯৭৯-৮১) তেতিয়াই জয়নাথ শৰ্মাদেৱৰ নামটোৰ সৈতে পৰিচিত। এগৰাকী সাহসী ছাত্ৰ আৰু নেতৃত্ব দিব পৰা গুণৰ অধিকাৰী হিচাপেই তেখেত আমাৰ মাজত পৰিচিত। কিন্তু কায়িকভাৱে তেখেতৰ সৈতে পৰিচিত হওঁ ১৯৮৩ চনৰ এপ্ৰিল নে মে' মাহত, সঠিক মনত নাই। এপ্ৰিলত আমি ছাত্ৰ দল এটাই আমাৰ অনেক সপোনৰ মূৰত 'মেজাংকৰি' নামৰ এখন দুমহীয়া আলোচনীৰ জন্ম দিছিলো- যিখন সম্পাদনা কৰিছিলো মই নিজে। তেতিয়া আমি ঠিক স্নাতক হৈ উঠিছো মাত্ৰ। আলোচনীখন ওলোৱাৰ কিছুদিন পিছতে ঘোঁৰাবান্ধাৰ বিশিষ্ট ব্যৱসায়ী সিদ্ধিৰাম চহৰীয়াদেৱৰ ৰবপুত্ৰ, বৰ্তমন দলিবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সদ্য অৱসৰী প্ৰধান শিক্ষক শ্ৰীপঙ্কজ চহৰীয়াই ঘোঁৰাবান্ধাত লগ পাই এদিন মোক ক'লে- "তোক জয়নাথ শৰ্মাদাদাই লগ পাব বিচাৰিছে।" মই সুধিলো- "কিয় ?" উত্তৰত সি জনালে তহঁতে উলিওৱা আলোচনীখন তেওঁ চাইছে আৰু সেই সম্পৰ্কতেই লগ পাব বিচাৰিছে।" মই জানিব বিচাৰিলো যে ক'ত কেনেকৈ তেওঁক লগ পাম? সি জনালে, 'মানুহজন প্ৰায়ে 'আছু'ৰ বিভিন্ন কাৰ্যসূচী সম্পৰ্কত আহিয়েই থাকে আৰু আহিলে আমাৰ দোকানতো বহে, তই তাতেই লগ পাবি। কোৱা বাহুল্য যে বিদেশী বহিষ্কৰণ আন্দোলনৰ বাবে তেতিয়া শিক্ষানুষ্ঠানবোৰ প্ৰায় বন্ধৰ দৰে হৈ পৰিছিল আৰু আমাৰ কামৰ ভিতৰত আছিল আলোচনীৰ কাম, ছিপাঝাৰ হায়াৰ ছেকেণ্ডাৰীৰ ফিল্ডত বন্ধুবোৰৰ সৈতে ক্ৰিকেট খেলা আৰু লুমিনাচ ইউনিটৰ হৈ কিবা-কিবি সামাজিক কাম কৰা। গতিকে মোটামুটিভাৱে আমি দিনটোৰ এছোৱা সময় ঘোঁৰাবান্ধাত কটাইছিলো।

তেনে এটা দিনতে খবৰ পালো যে জয়নাথ শৰ্মাদেৱ ছিপাঝাৰলৈ আহিছে। মই বন্ধু এজনেৰে পঙ্কজ চহৰীয়াৰ (ঘোঁৰাবান্ধা) ওচৰলৈ গ'লো। ইতিমধ্যে কিছু সংখ্যক স্থানীয় ছাত্ৰ নেতাৰ সৈতে তেখেতে কথা পাতি আছিল। পঙ্কজে মোক নি চিনাকি কৰাই দিলে। তেখেতে মোৰ চিনাকি লৈ আলোচনীখন উলিওৱাৰ বাবে প্ৰশংসা কৰিলে আৰু তাক উলিয়াই থাকিবলৈ ক'লে। মই ভাল পালো যে ছাত্ৰ আন্দোলনৰ মাজতো এজন ছাত্ৰ নেতাই ছিপাঝাৰৰ পৰা ওলোৱা অসমীয়া আলোচনী এখনৰ খবৰ ৰাখিছে। প্ৰসংগত উল্লেখযোগ্য যে 'মেজাংকৰি'ৰ প্ৰথম সংখ্যাটো ১৯৮৩ চনৰ এপ্ৰিল মাহত প্ৰকাশ হৈছিল। তাৰ আগে আগে ফেব্ৰুৱাৰী মাহত আন্দোলনৰ নামত ছিপাঝাৰত পুলিচ, চি. আৰ. পি.ৰ গুলী চালনা আৰু সন্দেহজনক বিদেশীৰ আক্ৰমণত বহু কেইজন ডেকা ল'ৰা আৰু মধ্যবয়সীয়া ব্যক্তিয়ে মৃত্যু বৰণ কৰিছিল। সদৌ অসম ছাত্ৰ সন্থাই নিহত ব্যক্তিসকলক শ্বহীদ ঘোষণা কৰিছিল। এই সমস্ত ঘটনাৰ বিৱৰণ আৰু শ্বহীদসকলৰ নাম তালিকা তথা পৰিচিতি 'মেজাংকৰি'ত প্ৰকাশ কৰা হৈছিল। সম্ভৱপৰ সকলৰ আলোকচিত্ৰ দিয়া হৈছিল। বেটুপাটত 'ছিপাঝাৰৰ ঘটনাৰ উৎস কি আছিল?' শীৰ্ষক 'কেপচন' দিয়া হৈছিল। এনেবোৰ কাৰণত মেজাংকৰিৰ সেই সংখ্যাটো নিমিষতে বিক্ৰী হৈ শেষ হৈ গৈছিল। অসমৰ বিভিন্ন ঠাইৰ মানুহে ছিপাঝাৰৰ ঘটনাটোৰ বিষয়ে জানিবলৈ উদ্গ্ৰীৱ হৈ পৰিছিল।

প্ৰসংগক্ৰমে উল্লেখ্য যে অসম আন্দোলনৰ ভৰপক হৈ থকা সময়ত ছাত্ৰ সন্থাৰ অধীনত এটি স্বেচ্ছাসেৱক বাহিনী গঠন কৰা হৈছিল, যাৰ মুখ্য আহ্বায়ক আছিল জয়নাথ শৰ্মাদেৱ। এই স্বেচ্ছাসেৱক বাহিনীৰ তৎপৰতাত আমি তথা অন্যান্য ছাত্ৰসকলে লাঠিৰে আত্মৰক্ষা কৰাৰ পদ্ধতি, আঘাত বা দুৰ্ঘটনাজনিত পৰিস্থিতিত প্ৰাথমিক চিকিৎসা প্ৰদান আদি বিষয়ত অভিজ্ঞ ব্যক্তিৰ দ্বাৰা প্ৰশিক্ষণ গ্ৰহণ কৰিছিলো। ইতিমধ্যে ১৯৮৫ চনৰ ১৪ আগষ্টত দিল্লীত অসম চুক্তি স্বাক্ষৰিত হৈছিল আৰু অসম আন্দোলনৰ ইতি পৰিছিল। তাৰ পৰৱৰ্তী পৰ্যায়ত গঠিত হৈছিল অসম গণ পৰিষদ দল আৰু সদৌ অসম ছাত্ৰ সন্থাই এই দলক সমৰ্থন দি ৰাজনৈতিক ক্ষমতা অসম গণ পৰিষদ দলৰ হাতলৈ

অনাৰ পোষকতা কৰিছিল। কোৱা বাহুল্য যে দৰঙৰ এগৰাকী বিশিষ্ট ছাত্ৰ নেতা হিচাপে গণ পৰিষদ দলে ছিপাঝাৰ বিধান সভা সমষ্টিৰ পৰা জয়নাথ শৰ্মাদেৱক বিধায়কৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপিত কৰিছিল আৰু ছিপাঝাৰৰ ৰাইজে নিৰ্বিচাৰে তেখেতক বিজয়ী কৰিছিল। নিৰ্বাচনৰ পূৰ্বে লুমিনাচ ইউনিটৰ সন্মুখ ভাগত (তেতিয়া লুমিনাচ ইউনিট, ছিপাঝাৰ বি. জে. ছোৱালী হাইস্কুলৰ সন্মুখত আৰু তেতিয়াৰ ইউকো বেংকৰ ছিপাঝাৰ শাখাৰ পশ্চিমে গাতে লগাকৈ এটি সৰু ভাৰাঘৰ আছিল।) অগপ দলৰ এটি সৰু কাৰ্যালয় স্থাপন কৰা হৈছিল লুমিনাচ ইউনিটৰ উদ্যোগতে। উল্লেখযোগ্য যে এই সকলোবোৰ কাম জাতীয় আৱেগত স্বতঃস্ফূৰ্তভাৱে কৰা হৈছিল। আমি নিৰ্বাচনৰ বাবে এখন গামোচা চাৰিজনে চাৰিটা কোণত ধৰি বহলকৈ মেলি নঙলাই নঙলাই পইচা সংগ্ৰহ কৰিছিলো। এনে সংগ্ৰহত পাঁচ টকা বা দহ টকা মানুহবোৰে দিছিল। এটকা, দুটকা উঠিছিল গামোচাত। এনে ঘটনা অকল ছিপাঝাৰতে নয়, সমগ্ৰ অসমতেই ৰূপায়িত হৈছিল। আৰু এসময়ত ভবা ধৰণেই অগপ দল একক সংখ্যা গৰিষ্ঠ দল হিচাপে নিৰ্বাচনত বিজয়ী হৈছিল। আমি ছিপাঝাৰৰ মানুহে সেই বাৰৰ মন্ত্ৰী সভাত জয়নাথ শৰ্মাদেৱক এক গুৰুত্বপূৰ্ণ পদবী দিব বুলি আশা কৰি আছিলো, কিন্তু দিয়া হোৱা নাছিল। পিছত শুনিছিলো তেখেতক 'মুখ্য সচেতক'ৰ দায়িত্ব দিয়া হৈছিল। যি নহওক অসমৰ ৰাইজে নিজৰ মনে বিচৰা চৰকাৰ এখন পোৱা বুলি সেই সময়ত সৰ্বসাধাৰণৰ ধাৰণা হৈছিল। প্ৰসংগত উল্লেখযোগ্য যে অ.গ.প. মন্ত্ৰী সভা গঠন হোৱা সময়ত আমি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ আৰু আৰ. চি. চি. হোষ্টেল ১নংৰ (মাধৱ বেজবৰুৱা ছাত্ৰাবাস) আবাসী। মন্ত্ৰী সভাখনত বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ পৰা নিৰ্বাচনত বিজয়ী নেতাসকল চিধা দিছপুৰৰ বিধায়ক আবাসলৈ গমন কৰিছিল। তেনে আবাসীৰ ভিতৰত জয়নাথ শৰ্মাদেৱৰ সতীৰ্থ প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, ললিত চন্দ্ৰ ৰাজখোৱা, গিৰীণ বৰুৱা, অতুল বৰা আদি অনেকজন আগশাৰী ছাত্ৰ নেতা আছিল।

পৰৱৰ্তী সময়ত জয়নাথ শৰ্মাদেৱক আমি ছিপাঝাৰ অঞ্চলৰ বিভিন্ন

সভা-সমিতি আদিত এগৰাকী জনপ্ৰতিনিধি হিচাপে লগ পাইছিলো। তেখেতৰ বাকপটুতাত আমি মুগ্ধ হৈছিলো। তাৰোপৰি আশ্চৰ্য বোধ কৰিছিলো তেখেতৰ স্মৃতি শক্তি দেখি। কোনো কৰ্মী, যুৱক বা সৰ্বসাধাৰণ লোকক এবাৰ চিনাকি কৰি দিলে তেওঁ নাপাহৰিছিল আৰু দ্বিতীয়বাৰ লগ পালে নাম কাঢ়ি মাতিব পাৰিছিল। তেখেতে ছিপাঝাৰৰ বিধান সভা সমষ্টিৰ পৰা একেৰাহে চাৰিটা কাৰ্যকালৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। তেখেতৰ বিশেষ উদ্যোগত ছিপাঝাৰত প্ৰাগবছিমি চিন্থেটিকচ লিমিটেড নামৰ পলিয়েষ্টাৰ আঁহ উৎপাদনকাৰী উদ্যোগটো স্থাপন হৈছিল আৰু তাত স্থানীয় ভালে সংখ্যক যুৱকৰ নিযুক্তি হোৱাৰ উপৰি নিৰ্মাণ, ক্ষুদ্ৰ ব্যৱসায়, ক্ষেত্ৰ উন্নয়ন আদি দিশতো ভালেমান যুৱকে জীৱিকাৰ সন্ধান পাইছিল। পিছলৈ কিন্তু উদ্যোগটো মসৃনভাবে নচলিল।

পৰৱৰ্তী সময়ত আমি শিক্ষকতা বৃত্তিত নিয়োজিত হোৱাৰ বাবে (ডিচেম্বৰ, ১৯৮৭) বিধান সভা নিৰ্বাচনত অগপ দলক সক্ৰিয় সহযোগ কৰাৰ পৰা বিৰত থাকিবলগীয়া হয় আৰু ডঃ জয়নাথ শৰ্মাদেৱৰ ৰাজনৈতিক ব্যস্ততা বাঢ়িছিল, যাৰ বাবে আমাৰ ব্যক্তিগত ঘনিষ্ঠতা যতি পৰাৰ দৰে হৈছিল। কিন্তু তাৰ মাজতো ক'ৰবাত লগালগি হ'লে তেখেতে খা-খবৰ লৈছিল, বিশেষকৈ দেউতা ভাৰত চন্দ্ৰ নাথৰ (প্ৰয়াত) সম্পৰ্কত খা-খবৰ লৈছিল।

এইখিনি লিখনিৰেই তেখেতলৈ শুভেচ্ছা জ্ঞাপন কৰি সামৰিলে।

❑❑❑

# মোৰ সাংবাদিকতা জীৱনত ড° জয়নাথ শৰ্মাদেৱৰ সান্নিধ্য

এম. হাফিজ আলী

ইং ১৯৯০ চনৰ কথা। মই ইতিমধ্যে সাংবাদিকতাৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰিছো। মোৰ দৰে ছিপাঝাৰত এদল নবীন সাংবাদিকৰ আৱিৰ্ভাৱ ঘটিছে। সেই সময়ত অসমত বাতৰি কাকতৰ পাঠকৰ চাহিদা বৃদ্ধিত ভালেকেইখন সংবাদ পত্ৰৰ জন্ম হয়। ফলশ্ৰুতিত সৃষ্টি হয় অঞ্চল ভিত্তিক প্ৰতিখন সংবাদ পত্ৰৰ বাবে মফচলীয়া সাংবাদসেৱীৰ। যিসকলৰ দ্বাৰা প্ৰেৰিত প্ৰতিটো খবৰে অঞ্চলটোৰ পঢ়ুৱৈ সমাজক কৌতুহলী কৰি তুলিছিল। অঞ্চলৰ আৰ্থিক, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অভাৱ-অভিযোগ আদিৰ বাতৰিয়ে ছিপাঝাৰবাসীকো প্ৰতিদিনে আকৰ্ষণ কৰিছিল। এই ক্ষেত্ৰত নব্বৈৰ দশকত গঠিত 'ছিপাঝাৰ প্ৰেছ গীল্ড'ৰ ভূমিকা আছিল অপৰিসীম। উল্লেখ্য যে নব্বৈৰ দশকটি ছিপাঝাৰ অঞ্চলত বাতৰি কাকত আৰু পঢ়ুৱৈ সমাজৰ বাবে সোণালী যুগ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সেই সময়ত অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনত বহু চৰ্চিত এগৰাকী ব্যক্তি হ'ল- ড° জয়নাথ শৰ্মাদেৱ। অসমৰ মহাপ্ৰতাপী মন্ত্ৰী ডঃ জয়নাথ শৰ্মাদেৱ আছিল ছিপাঝাৰ বিধান সভা সমষ্টিৰ বিধায়ক। একেধাৰে চাৰি টাকৈ বিধান সভা নিৰ্বাচনত বিজয়ী হৈ অভিলেখ সৃষ্টি কৰি অসমৰ লগতে ছিপাঝাৰ শাসন কৰিছিল। সাংবাদিক হিচাপে ড° শৰ্মাদেৱৰ স'তে এটা সম্পৰ্ক গঢ়ি উঠিছিল। প্ৰথমছোৱাত সম্পৰ্ক কিছু দূৰত আছিল যদিও লাহে লাহে সেই সম্পৰ্কৰ ওচৰ চাপিলো। যাৰ বাবে আমাৰ জ্যেষ্ঠ ভাতৃপ্ৰতীম সম্পৰ্ক আজিও অটুট আছে।

ড° জয়নাথ শৰ্মাদেৱৰ বিষয়ে লিখিবলৈ লওঁতে সান্নিধ্যৰ কিছু স্মৃতি মনত পৰিছে। মনত পৰা স্মৃতিৰ কিয়দাংশ প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিলে।

১৯৯৭ চন। সেই সময়ত ড° জয়নাথ শৰ্মাদেৱ অসম চৰকাৰৰ ৰাজহ মন্ত্ৰী। সেই সময়ত ছিপাঝাৰ প্ৰেছ গীল্ডৰ সাংবাদিকসকলে কিবা এটা শিকা আৰু

কৰাৰ আগ্ৰহেৰে এখনি কৰ্মশালাৰ চিন্তা-চৰ্চা মনলৈ আনে। কিন্তু ইয়াৰ বাবে আৱশ্যকীয় দক্ষ ব্যক্তি সকলক একত্ৰে ছিপাঝাৰলৈ আনি কৰ্মশালাখনি অনুষ্ঠিত কৰিবলৈ আৰ্থিক দিশটোই কিছু সমস্যাৰ সৃষ্টি কৰিলে। কিন্তু গীল্ডৰ সভাপতি-সম্পাদকৰ নেতৃত্বত গুৱাহাটী মহানগৰত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত ল'লে। য'ত সংবাদ জগতৰ জ্যেষ্ঠ সাংবাদিকসকলক একত্ৰে পোৱা যাব। এই ক্ষেত্ৰত ড° জয়নাথ শৰ্মাদেৱৰ ভূমিকা আছিল উল্লেখনীয়। ভবামতেই ১৯৯৭ চনৰ ৩০ আৰু ৩১ আগষ্ট তাৰিখে অসম ৰাজ্যিক সংগ্ৰহালয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত দুদিনীয়া কাৰ্যসূচীৰে সাংবাদিক কৰ্মশালা অনুষ্ঠিত হৈ যায়। ছিপাঝাৰ প্ৰেছ গীল্ডৰ উদ্যোগত আৰু 'নেৰিম'ৰ সহযোগত অনুষ্ঠিত এই কৰ্মশালাত অকল ছিপাঝাৰ অঞ্চলৰেই নহয় দৰং জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা বহু সংখ্যক সাংবাদিকে যোগদান কৰে। ময়ো এই কৰ্মশালাৰ এগৰাকী প্ৰশিক্ষাৰ্থী আছিলো আৰু লাভান্বিত হৈছিলো।

২০০১ চন। মই তেতিয়া ছিপাঝাৰ প্ৰেছ গীল্ডৰ সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিলো। আমাৰ সেই কাৰ্যকালত ছিপাঝাৰ অঞ্চলৰ আৰ্থ-সামাজিক, শৈক্ষিক আদি দিশৰ বিভিন্ন সমস্যাৰাজিৰ বিষয়ে আলোকপাত কৰাৰ মানসেৰে সমগ্ৰ ছিপাঝাৰ সমষ্টিৰ বচা বচা বাতৰি কাকতৰ পাঠকক লৈ এক মুখামুখি অনুষ্ঠান আয়োজন কৰিছিলো। সেই অনুষ্ঠানলৈ সেই সময়ৰ সাংসদ আৰু বিধায়কক আমন্ত্ৰণ জনাইছিলো। সেই অনুষ্ঠানত সাংসদ গৰাকী পাঠকৰ সৈতে বিধায়ক ড° জয়নাথ শৰ্মাদেৱ উপস্থিত থাকি ছিপাঝাৰৰ বিভিন্ন সমস্যাৰ ওপৰত উত্থাপিত বিভিন্ন অভিযোগৰ উত্তৰ দিছিল। ড° জয়নাথ শৰ্মাদেৱৰ সৎ সাহস দেখি আমি শ্ৰদ্ধাত গদ্‌গদ্ হৈ পৰিছিলো।

ড° জয়নাথ শৰ্মাদেৱৰ মহানুভৱতা দেখি অভিভূত হৈছিলো, যিদিনা সাংবাদিক মতিউৰ ৰহমান পথ দুৰ্ঘটনাত গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হৈ গুৱাহাটীস্থ জি. এন. আৰ. চি. চিকিৎসালয়ত ভৰ্তি হৈছিল। খবৰ শুনা মাত্ৰকে ড° জয়নাথ শৰ্মাদেৱে জি. এন. আৰ. চি. চিকিৎসালয়ৰ স্বত্বাধিকাৰী ডাঃ নোমল চন্দ্ৰ বৰাদেৱক ফোন কৰি মতিউৰৰ আঘাতৰ বুজ লৈছিল। যেতিয়া চিকিৎসকে আঘাত গুৰুতৰ বুলি জনাইছিল তেতিয়া ড° জয়নাথ শৰ্মাদেৱ ডাঃ বৰাক জনাইছিল যে যিকোনো

বিনিময়ত ল'ৰাজনক সুস্থ কৰি তুলিব লাগিব। প্ৰয়োজন হ'লে বাহিৰলৈ হ'লেও নিয়াৰ ব্যৱস্থা কৰিম। কিন্তু ডাঃ বৰাই জনাইছিল যে ভগৱানক প্ৰাৰ্থনা কৰক। কাৰণ ল'ৰাজন বাহিৰলৈ নিব পৰা অৱস্থাত নাই। পৰিতাপৰ কথা যে ২০১০ চনৰ ২৫ এপ্ৰিলৰ পৰা জি. এন. আৰ. চি.ত মৃত্যুৰ স'তে যুঁজি সেই চনৰে ১ মে'ত মতিউৰৰ মৃত্যু হয়। ৰাজহাড় পোন কৰি সাংবাদিকতা কৰা মতিউৰ ৰহমানে কোনো কথাত আপোচ কৰা নাছিল। ৰাইজৰ লগত আছিল বাবে মতিউৰৰ মৃত্যুৰ দিনা সমগ্ৰ ছিপাঝাৰ শোকাচ্ছন্ন হৈ পৰিছিল। মতিউৰক শেষবাৰৰ বাবে চাবৰ কাৰণে মানুহৰ সোঁত বৈছিল। আনকি ড°জয়নাথ শৰ্মাদেৱেও মোৰ স'তে দিনটো ফোনত যোগাযোগ ৰাখি সন্ধিয়া মতিউৰহঁতৰ ঘৰত উপস্থিত হৈ চকুলো টুকিছিল। আমি আচৰিত হৈছিলো যিজন সাংবাদিক মতিউৰক এদিন বাতৰি লিখাৰ বাবেই জে'ললৈ পঠাইছিল, মতিউৰ জীয়াই থকালৈকে ড° জয়নাথ শৰ্মাদেৱৰ মূৰৰ কামোৰণি আছিল সেই মতিউৰক জীয়াই ৰাখিবলৈ কৰা ড° জয়নাথ শৰ্মাদেৱৰ প্ৰয়াস দেখি।

মাৰৈ যুৱ সংঘই আয়োজন কৰা এখন 'ঈদ মেহফিল'ৰ মুকলি সভাৰ মুখ্য অতিথ আছিল ড° জয়নাথ শৰ্মাদেৱ। সেই সভাৰ মাজতে মই এটি স্বৰচিত গীত গাইছিলো। গীতটো শুনি ড° জয়নাথ শৰ্মাদেৱে অভিভূত হৈ মোক মাতি নি পিঠিত চপৰিয়াই কৈছিল- "তই সাংবাদিকতা কৰা কৰি থাক। কিন্তু তোৰ কণ্ঠটো ভাল। তই গান গাই থাকিবি।" কিছু দিন যোৱাৰ পিছত ড° জয়নাথ শৰ্মাদেৱৰ ঘনিষ্ঠ কেইবাজনেও মোক খবৰ দিলে যে মন্ত্ৰীয়ে তোমাক গুৱাহাটীলৈ মাতিছে কোনোবা শিল্পীৰ স'তে কথা পাতি থৈছে। মই নগলো। কিন্তু এদিন লোক সভাৰ নিৰ্বাচনৰ সময়ত লগ পাই ড° জয়নাথ শৰ্মাদেৱে ক'লে- "তোৰ কথা শিল্পী জিতুল সোণোৱালৰ লগত পাতিছো। নিৰ্বাচনটো শেষ হ'লে তই গুৱাহাটীলৈ আহিবি। মই লগ কৰি দিম। তেওঁৰ গ্ৰুপত তই গান গাবি।" মই ডঃ জয়নাথ শৰ্মাদেৱৰ এই প্ৰস্তাৱ গ্ৰহণ নকৰিলো। কাৰণ মোৰ সাংবাদিকতাই সেই সময়ত মোৰ বিবেকক বাধা দিছিল। যদি মই গ'লোহেঁতেন আজি হয়তো এজন শিল্পী ৰূপে পৰিচয় পালোহেঁতেন। যা নহওক ড° জয়নাথ শৰ্মাদেৱক সুদীৰ্ঘ ২০ টা বছৰে মন্ত্ৰী-বিধায়ক ৰূপে নিচেই ওচৰৰ পৰা পাইছো যদিও কোনো দিনে ব্যক্তিগত সা-সুবিধা বিচাৰি এদিনো যোৱা নাছিলো।

সেই বাবেই চাগে তেওঁৰ স'তে আজিও সম্পৰ্কত ভাঙোন অহা নাই। বহু নিকট ব্যক্তিয়ে তেওঁৰ পৰা ব্যক্তিগত সা-সুবিধা লৈ আজি হয়তো তেওঁৰ ওচৰত নাই। সেইবাবেই চাগে আজিও ৰাজহুৱা বিষয়ত কথা পাতিলে বা কিবা বিচাৰিলে 'না' বুলি নকয়। যিমান পাৰে সহায় কৰে। বিশেষকৈ 'উদম্ব' নাট্যগোষ্ঠীৰ স্থায়ী মঞ্চলৈ এক লাখ টকা, এম. বি. ক্লাৱ গৃহ নিৰ্মাণৰ বাবে এক লাখ টকা, মাৰৈ-বিজুলিবাৰী হাইস্কুলৰ ৰূপালী জয়ন্তীত এম. বি. ক্লাৱৰ ৰূপালী জয়ন্তী আদি অনুষ্ঠানত শকত অনুদন আগবঢ়াইছিল। ২০১৫ চনৰ ১৩, ১৪, আৰু ১৫ নবেম্বৰত এম. বি. ক্লাৱৰ ৰূপালী জয়ন্তী উদ্‌যাপন। ড° জয়নাথ শৰ্মাদেৱক ১৪ নবেম্বৰ এটি অনুষ্ঠানত আমন্ত্ৰণ জনাইছিলো যদিও তেওঁ ১৫ নবেম্বৰ সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ সময়ত উপস্থিত হৈছিলহি। সেই সময়ত সমিতিৰ কিছু ব্যক্তিয়ে কোনোপধ্যে ড° জয়নাথ শৰ্মাদেৱক মঞ্চত নুঠাই ক্লাৱৰ ভিতৰতে আদৰণি জনায় বিদায় দিয়ে। অপমানবোধ কৰি ড° জয়নাথ শৰ্মাদেৱ গুৱাহাটীলৈ উভতি গৈ নিশা ১১ বজাত ফোন যোগে মোৰ লগত প্ৰায় দুঘণ্টামান কথা পাতে। ময়ো বৰ অপমান আৰু লাজ পাইছিলো। অৱশেষত তেওঁৰ লগত যোগাযোগ নোহোৱা হৈছিল যদিও মাজে মাজে লগ পালে খা-খবৰ লয়। কিন্তু ২০২১ চনত মই ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা পোৱাৰ সময়ত ফোন যোগে খবৰ লৈ শুভেচ্ছা জ্ঞাপন কৰে।

শেষত কওঁ- বিদ্বেষহীন, সাম্প্ৰদায়িক মনোভাবহীন মনৰ মানুহ ড° জয়নাথ শৰ্মাৰ জাতীয় সত্বাৰ কথা , সমাজৰ প্ৰতি থকা ঐকান্তিকতাৰ কথা নিশ্চয় মনত ৰাখিব ছিপাঝাৰবাসীয়ে। মহান আল্লাহৰ ওচৰত দোৱা মাগিছো- শ্ৰদ্ধাৰ ড° জয়নাথ শৰ্মাদেৱৰ জীৱন দীৰ্ঘায়ু হওক, নতুন প্ৰজন্মৰ প্ৰেৰণা হৈ ৰওক আৰু আমাৰ জীৱনৰ পাথেয় হওক। এই শুভ কামনা একান্তই থাকিল।

❑❑❑

# সাহসৰ অন্য এক নাম
# ড° জয়নাথ শৰ্মা

– ভৰেন্দ্ৰ চন্দ্ৰ ডেকা

ড° জয়নাথ শৰ্মা এগৰাকী অদম্য সাহসী, আপোচ বিহীন ব্যক্তিত্বৰ গতিশীল ব্যক্তি। ১৯৭২ চনত আমি যেতিয়া মঙলদৈ কলেজত, শৰ্মা তেতিয়া মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হায়াৰ ছেকেণ্ডাৰী (বিজ্ঞান শাখা)ত পঢ়ে। তেতিয়াই আমি তেওঁৰ বিষয়ে জানিব পাওঁ। যেতিয়া বিজ্ঞান স্নাতক শাখাত ভৰ্তি হওঁ, তেতিয়া শৰ্মা আহি আমাৰ লগতে স্নাতক বিজ্ঞান শাখাত ভৰ্তি হয়। অৰ্থাৎ আমি সহপাঠী। কলেজলৈ আহি শৰ্মা সাধাৰণ সম্পাদক নিৰ্বাচিত হয়। নিৰ্বাচিত হৈ কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক সুবিধাবোৰলৈ চকু দিয়ে। বিশেষকৈ বিজ্ঞান শাখাৰ এটা বিষয়তো তেতিয়া অনাৰ্চ লৈ পঢ়াৰ ব্যৱস্থা নাছিল। আবেদন নিবেদন কৰা স্বত্বেও কৰ্তৃপক্ষই (বিশ্ববিদ্যালয় বা কলেজ কৰ্তৃপক্ষ) ফলপ্ৰসু ব্যৱস্থা গ্ৰহণ নকৰাত ছাত্ৰসকল আন্দোলনমুখী হ'বলৈ বাধ্য হয়।

সেই সময়ত মঙলদৈ নগৰৰ বাহিৰৰ ছাত্ৰবোৰ কলেজ চৌহদৰ পশ্চিম ফালে থকা তিনিটা কলনীত অধিকাংশ ছাত্ৰই মেচ কৰি পঢ়া-শুনা কৰিছিল। কলেজ আন্দোলনৰ সময়ত আন্দোলনৰ পৰিকল্পনা সম্পৰ্কত সভা-সমিতিবোৰ এই কলনী কেইটাতে অনুষ্ঠিত হৈছিল। সেই আন্দোলনৰ সময়ত শৰ্মা কাৰাবৰণ কৰিবলগীয়া হৈছিল। আমাৰ মেচৰ শ্ৰীপ্ৰফুল্ল কলিতা নামৰ ছাত্ৰ এজনো গ্ৰেপ্তাৰ হৈছিল। ইয়াৰ পিছত কেন্দ্ৰীয় চৰকাৰে জৰুৰী অৱস্থা ঘোষণা কৰাত জয় প্ৰকাশ নাৰায়ণৰ নেতৃত্বত যি আন্দোলন হৈছিল শৰ্মা ডাঙৰীয়াই তাতো অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। পিছলৈ শৰ্মাদেৱে আমাৰ

সংগ ত্যাগ কৰি দৰং কলেজত বিজ্ঞানৰ পৰিৱৰ্তে বাণিজ্য শাখাত নামভৰ্তি কৰা বুলি জানিব পাৰিছিলো।

মঙলদৈ কলেজৰ অনাৰ্চ প্ৰৱৰ্তনৰ যি আন্দোলন সেই আন্দোলনত তাৎক্ষণিক সন্তোষজনক ফলাফল পোৱা নগ'ল যদিও মঙলদৈবাসী এই সম্পৰ্কত সচেতন হৈছিল আৰু পিছলৈ ফলো পাইছিল।

ইং ১৯৭৯ চনত আৰম্ভ হোৱা বিদেশী বহিষ্কৰণ আন্দোলনৰ সময়ত স্বেচ্ছাসেৱক বাহিনীৰ মুখ্য অধিনায়ক পদত অধিষ্ঠিত হৈ আন্দোলনটোক গতি প্ৰদান কৰাত সফল হৈছিল। ১৯৮৫ চনত হোৱা অসম চুক্তিৰ পিছত নতুনকৈ গঠন হোৱা অসম গণ পৰিষদ নামৰ জাতীয়তাবাদী আঞ্চলিক দলৰ জৰিয়তে ছিপাঝাৰ সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে বিধায়ক নিৰ্বাচিত হয় আৰু একেৰাহে চাৰিটা কাৰ্যকাল ছিপাঝাৰ সমষ্টিৰ পৰা বিধায়ক হৈ সন্মানজনক ৰাজহ মন্ত্ৰী হৈ জনগণৰ জনপ্ৰিয়তা বুটলিবলৈ সক্ষম হয়।

বৰ্তমানো ছিপাঝাৰ সমষ্টিৰ ৰাইজৰ প্ৰতি সহানুভূতিশীল হোৱাৰ লগত সমষ্টিৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানলৈ আহি চেনেহৰ আদান-প্ৰদান কৰি আছে। প্ৰকৃতপক্ষে সমষ্টিৰ জনগণেও কৃতজ্ঞতা প্ৰকাশ কৰি আছে। ছিপাঝাৰবাসীয়ে আজিও শৰ্মাদেৱৰ সবল নেতৃত্বৰ প্ৰতি শ্ৰদ্ধাশীল হৈ কৃতজ্ঞতা প্ৰকাশ কৰে।

❑❑❑

# অসম আন্দোলনৰ অন্যতম নেতা ড° জয়নাথ শৰ্মা

– নীলকান্ত বড়া

অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ ফলশ্ৰুতি হিচাপে অসম গণ পৰিষদ চৰকাৰ প্ৰতিষ্ঠা কৰি এক সোণালী অধ্যায়ৰ সূচনা কৰা সকলৰ ভিতৰত অন্যতম নেতা ড° জয়নাথ শৰ্মা। অসম গণ পৰিষদ চৰকাৰৰ অন্যতম এজন বিধায়ক যাক লৈ ছিপাঝাৰবাসীৰ উপৰিও সমগ্ৰ দৰংবাসীয়ে গৌৰৱবোধ কৰিছিল। অসমৰ ৰাইজে অগপ চৰকাৰখনক লৈ সপোন দেখিছিল যি সপোনৰ দলিচাতে অভ্যুদয় হৈছিল অসমৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক কাঠামোৰ। ড° জয়নাথ শৰ্মাদেৱ আছিল দৰং জিলাৰ এজন উচ্চ শিক্ষিত তথা যুক্তবাদী, কৰ্মপটু বিধায়ক। আগৰ চৰকাৰবোৰে সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশটি কোঙা কৰি থোৱা অৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ আৱিৰ্ভাৱ হৈছিল ড° জয়নাথ শৰ্মাদেৱৰ দৰে ব্যক্তিসকলৰ। অসমৰ বিদেশী বিতাৰণ আন্দোলনৰ জৰিয়তে নানান ঘাত-প্ৰতিঘাতৰ মাজেদি জীয়াতু ভোগা সত্বেও নিজৰ আত্মবিশ্বাস অটুট ৰাখি অসমৰ জনসাধাৰণ তথা ছিপাঝাৰবাসীৰ বাবে সদায় সেৱা আগবঢ়াইছিল। নিজৰ অদম্য সাহস, নিৰ্ভীকতা, স্থিতপ্ৰজ্ঞ আৰু এজন ভাল ৰাজনৈতিক নেতা হিচাপে নিজকে সমাজৰ আগত দাঙি ধৰিবলৈ সক্ষম হোৱা ব্যক্তিজন আছিল ডঃ জয়নাথ শৰ্মা। ইতিহাস প্ৰসিদ্ধ অসমৰ বহিৰাগত বহিষ্কাৰ আন্দোলন আছিল অসমীয়াৰ বাবে সৰ্ববৃহৎ প্ৰত্যাহ্বান আৰু এই আন্দোলন আছিল অসমীয়া জাতিৰ অস্বিত্ব ৰক্ষাৰ এক প্ৰত্যাহ্বান তথা এক জাতীয় সংগ্ৰাম। যাৰ বাবে বহু অসমীয়া ডেকা ল'ৰাই নিজৰ জীৱন বলিদান দিবলগীয়া হৈছিল। কিন্তু ৰাইজৰ মনৰ আশা সম্পূৰ্ণ পূৰণ নহ'ল। বহু কাম আজিও অৰ্দ্ধসমাপ্ত হৈয়ে থাকিল। যি মহান উদ্দেশ্যত অসমৰ আন্দোলনত

জনসাধাৰণে যোগ দিছিল তাত যেন কিবা এটা কেনা লাগি থাকিল। যিটো কোনোদিনেই সমাধা নহ'ব বুলি সন্দেহ কৰা হৈছে। তথাপি যিসকলৰ আপ্ৰাণ চেষ্টাত অসমৰ মানুহে এটা প্ৰাণ পাইছিল তেওঁলোক সদায়ে আমাৰ বাবে পূজ্য হৈ থাকিব। এনে এক জটিল সন্ধিক্ষণত ড° জয়নাথ শৰ্মাদেৱৰ দৰে ব্যক্তিসকলে দেশাত্মবোধৰ দৰে যি অপূৰ্ব নিদৰ্শন দেখুৱাইছিল সেয়া অসম আৰু অসমীয়াৰ বাবে চিৰদিন আদৰ্শ হৈ ৰ'ব।

জানিব পৰা মতে ড° জয়নাথ শৰ্মাদেৱৰ জীৱন পৰিক্ৰমা আৰম্ভ হৈছিল দৰং জিলাৰ থেকেৰাবাৰীত। এজন তীক্ষ্ণ বুদ্ধিসম্পন্ন তথা প্ৰখৰ চোকা ছাত্ৰ হিচাপে চিনাকি দিছিল। সদায় শ্ৰেণী কোঠাত নিজকে এজন ওজা ছাত্ৰ হিচাপে চিনাকি দিছিল। নিজকে ভৱিষ্যত জীৱনৰ বাবে মানসিক আৰু শাৰীৰিকভাবে প্ৰস্তুত কৰি তুলিছিল। অকল পঢ়াতে নাথাকি ছাত্ৰ ৰাজনীতিত যোগ দি নিজৰ পৰিচয় দাঙি ধৰিছিল। যাৰ ফলশ্ৰুতিত অসম আন্দোলনত এক বলিষ্ঠ ভূমিকা পালন কৰিছিল আৰু অসমৰ ৰাজনীতি ক্ষেত্ৰখনত ই আছিল ড° জয়নাথ শৰ্মাদেৱৰ প্ৰথমটো সপোন। বিধায়ক, অসম চুক্তিমন্ত্ৰী, ৰাজহমন্ত্ৰী হৈ নিজকে বিচক্ষণতা প্ৰমাণ কৰিব পাৰিছিল। আনহাতে অসম চৰকাৰৰ অতীতৰ মন্ত্ৰী-বিধায়কসকলৰ শিক্ষাগত অৰ্হতাৰ কোনো ধৰা-বন্ধা নিয়ম নাছিল। ফলত যিকোনো ব্যক্তিয়ে নিজৰ বুদ্ধিৰ বলত ৰাজভোগ কৰিবলৈ সক্ষম হৈছিল। কিন্তু অসম গণ পৰিষদ চৰকাৰৰ কালতে বিধায়কসকল শিক্ষিত হোৱাটো এটা নীতিগত সিদ্ধান্ত কৰি থৈছিল। ফলত পৰৱৰ্তী সময়ত বিধায়ক পদৰ বাবে শিক্ষিতসকলক মনোনয়ন দিবলৈ চৰকাৰে নিয়ম কৰি বিধায়ক নিৰ্বাচন কৰা পৰিলক্ষিত হৈছিল। আনহাতে শৰ্মাদেৱ সেই সময়ৰ বিধায়কসকলৰ ভিতৰত এজন উচ্চ শিক্ষিত ব্যক্তি আছিল। সেয়ে ছিপাঝাৰবাসীয়ে গৌৰৱবোধ কৰিছিল যে অসমৰ ভিতৰত উচ্চ শিক্ষিত বিধায়কজন আছিল ড° জয়নাথ শৰ্মাদেৱ। ড° জয়নাথ শৰ্মাৰ উপস্থিতিত মুখ্যমন্ত্ৰীৰ পৰা বিৰোধী বিধায়কসকলে বিধান সভাত ভাষণ ৰাখোতে সাৱধান হ'ব লগীয়া হৈছিল। আনহাতে বিৰোধী আসনত থাকোতে বহু সময়ত চৰকাৰখনক প্ৰশ্নবানেৰে থকা-সৰকা কৰা

সকলোৰে জ্ঞাত। এয়া সম্ভৱ আছিল তেখেতৰ পাণ্ডিত্য, বুদ্ধিমত্তা আৰু বিচক্ষণতাৰ বাবে। ড° জয়নাথ শৰ্মাদেৱৰ চৰিত্ৰৰ আন এক বৈশিষ্ট্য আছিল তেওঁৰ কৰ্তব্য প্ৰতি থকা দায়বদ্ধতা আৰু উপস্থিত বুদ্ধিৰে যিকোনো সমস্যা সমাধান কৰিব পাৰিছিল। তেখেতৰ দৰে মহান কৰ্মসংস্কৃতি, ত্যাগ আৰু আদৰ্শ অসমৰ ৰাজনীতিত বিৰল। ড° জয়নাথ শৰ্মাদেৱৰ কৰ্তব্য পৰায়ণতা, নিৰ্ভীক, সৎ আৰু স্পষ্টবাদীতাৰে অসম চৰকাৰৰ মন্ত্ৰী হৈ যি সেৱা আগবঢ়াইছিল সেয়া আমাৰ সকলোৰে বাবে আদৰ্শ আৰু পাথেয় হৈ ৰ'ব।

শেষত এই লিখনিৰে তেখেতৰ প্ৰতি শ্ৰদ্ধা জনালো আৰু প্ৰভু ভগৱন্তৰ ওচৰত সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

❑❑❑

# ড° জয়নাথ শৰ্মা, মই আৰু আমাৰ পৰিয়াল

– দিলীপ কুমাৰ ডেকা

ইং১৯৮৫ চন। অসমৰ ৰাজনীতিত অসমীয়া জাতীয় শক্তি হিচাপে উত্থান হয় অসম গণ পৰিষদ দলৰ। অসম গণ পৰিষদ দলৰ জন্ম আছিল অসমীয়া বীৰ সন্তানৰ জন্মৰ লেখিয়া। জন্ম লগনত দলটোৰ কেন্দ্ৰীয় নেতৃত্বৰ ভিতৰত প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, নিবাৰণ বৰা, ললিত ৰাজখোৱা, দীগেন বৰা আদি অনেক আগশাৰীৰ নেতাৰ লগতে ড° জয়নাথ শৰ্মা ডাঙৰীয়া আছিল অন্যতম। লগে লগে ছিপাঝাৰতো দলটোৰ নেতৃত্ব দিয়াৰ বাবে উচ্চাৰিত হ'ল বহু কেইগৰাকীমান ছাত্ৰ নেতাৰ নাম। তাৰ ভিতৰত দলটোৰ নেতৃত্ব, ছিপাঝাৰবাসী ৰাইজৰ আশা, বিশ্বাস লাভ কৰি নিৰ্বাচনত অৱতীৰ্ণ হয় ড° জয়নাথ শৰ্মা ডাঙৰীয়া। সময়ত ৰাইজে শৰ্মা ডাঙৰীয়াক আশা কৰা ধৰণে বিপুল ভোটত জয়যুক্ত কৰি বিধান সভালৈ আগবঢ়াই দিয়ে।

অসম চুক্তিৰ সময়ত আমি সদৌ অসম ছাত্ৰ সন্থাৰ মজিয়াত আঞ্চলিক পৰ্যায়ত আছিলো যদিও আমি ১৯৮৫ চনৰ নিৰ্বাচনত আঞ্চলিক দল অসম গণ পৰিষদৰ সমৰ্থনত প্ৰচাৰত নামি পৰিলো। দৰাচলতে অসম গণ পৰিষদ দল গঠন হোৱাৰ সময়ৰে পৰা নিৰ্বাচনটোলৈ আমাৰ দৰে অসংখ্য ছাত্ৰ কৰ্মীয়ে অসম গণ পৰিষদ দলক জয়যুক্ত কৰাৰ বাবে দিনে-নিশাই হেঁপাহেৰে কাম কৰাটো আছিল আদৰ্শ প্ৰতিষ্ঠা যুঁজৰ লগতে অবৈধ বাংলাদেশী বিতাৰণৰ দ্বাৰা অসম মাতৃক উদ্ধাৰ কৰাৰ প্ৰৱল হেঁপাহ। সময়ত অসমত নিৰ্বাচন অনুষ্ঠিত হ'ল আৰু অসম গণ পৰিষদ দলৰ চৰকাৰ হ'ল। আশামতে ছিপাঝাৰত ড° জয়নাথ শৰ্মা ডাঙৰীয়া বিধায়ক হিচাপে

নিৰ্বাচিত হৈ দলৰ মুখ্য সচেতক নিয়োগ হোৱাৰ লগে লগে সমষ্টিবাসীৰ অভাৱ-অভিযোগ আৰু উন্নয়নমূলক কামৰ সুবিধাৰ্থে ছিপাঝাৰৰ বিশিষ্ট ব্যৱসায়ী প্ৰয়াত যাদৱ হাজৰিকাৰ নতুনকৈ সজা ছিপাঝাৰ মটৰ ষ্টেচনৰ চাদ দিয়া ঘৰটোত (বৰ্তমানৰ শ্ৰীমন্ত শংকৰদেৱ সংঘ, ছিপাঝাৰ প্ৰাথমিক শাখাৰ কাষতে) কাৰ্যালয় পাতি সমষ্টিৰ ৰাইজৰ অভাৱ-অভিযোগ সমাধানৰ বাবে প্ৰচেষ্টা লৈছিল। কাৰ্যালয় প্ৰতিষ্ঠাৰ অলপ দিনৰ ভিতৰতে কাৰ্যালয় গৃহত হেজাৰ হেজাৰ আবেদন জমা হোৱাত সেইবোৰৰ বিভাগে বিভাগে চিজিল লগাবলৈ এদিন ড° জয়নাথ শৰ্মা ডাঙৰীয়াই কামৰ ল'ৰা বিচাৰিছিল। সেই সময়ত আমাৰ জ্যেষ্ঠ ভাতৃ যামিনী ডেকা ডাঙৰীয়া আছিল ছিপাঝাৰ সমষ্টি অসম গণ পৰিষদৰ অন্যতম বিষয়ববীয়া। সেইমতে আমাৰ দুজন মানে কামটো কৰাৰ সুবিধা পাইছিলো আৰু আমি উৎসাহেৰে অলপ দিনৰ ভিতৰতে তেখেতে বিচৰা ধৰণে আবেদনবিলাক চিজিল লগাই দিছিলো. দৰাচলতে একমাত্ৰ অত্যাধিক অতুৎসাহ অবিহনে কামখিনি কৰাটো কোনোমতে সম্ভৱ নাছিল।

অসম গণ পৰিষদৰ প্ৰথম পাঁচ বছৰীয়া কাৰ্যকালত ড° জয়নাথ শৰ্মা ডাঙৰীয়াৰে আমাৰ পৰিয়ালটিৰ স'তে সম্বন্ধ গভীৰ হৈছিল। সমষ্টিবাসী ৰাইজে শৰ্মা ডাঙৰীয়াক আমাৰ পৰিয়ালৰ অংশ হিচাপে ধৰি লৈ বহুতো সমস্যা আমাকো অৱগত কৰাই সমাধানৰ আশা কৰিছিল। এই ক্ষেত্ৰত বহুতে আমাৰ পৰিয়ালটিৰ পৰা তেনে সহায়ো লাভ কৰিছিল। আমি বিষয়টিৰ চত্ৰছাঁয়াত গৰ্বিত অনুভৱ কৰিছিলো। হ'লেও কি কাৰণত নাজানো তেখেতে আমাৰ পৰিয়ালত সংস্থাপনমূলক কোনো সহায়-সুবিধা কৰি নিদিলে যদিও আমাৰ পিতৃ দেহীৰাম ডেকা আৰু সেই সময়ৰ অৱসৰপ্ৰাপ্ত শিক্ষকসকলৰ দূৰৱস্থাৰ উমান পাই পেঞ্চন নীতি ল'বলৈ চৰকাৰক বাধ্য কৰোৱাত ড° জয়নাথ শৰ্মা ডাঙৰীয়াই আগভাগ লৈছিল। পিছলৈ সংস্থাপন নোপোৱাৰ বিষয়ত তেখেতৰ স'তে ৰাজনৈতিক সম্বন্ধত দূৰত্ব বাঢ়িছিল। সেইবাবে দ্বিতীয়টো কাৰ্যকালৰ বাবে অনুষ্ঠিত হোৱা বিধান সভা নিৰ্বাচনত মই সক্ৰিয়তাৰে অংশগ্ৰহণ নকৰিলো। শেষান্তত, ১৯৯৮ চনৰ শেষৰ ফালে মিলিত হৈ আনুষ্ঠানিকভাৱে অসম গণ পৰিষদত যোগদান কৰো। উল্লেখযোগ্য যে এয়াই আছিল আমাৰ প্ৰত্যক্ষ ৰাজনীতিত অংশগ্ৰহণ। পিছত প্ৰায় পোন্ধৰ বছৰকাল তেখেতৰ

লগত অসমৰ আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদৰ হৈ কাম কৰিছিলো। অসম গণ পৰিষদ দলত থকা সময়ত সমষ্টিটোৰ চুকে-কোণে ঘূৰি ৰাইজৰ সুখ-দুখৰ দিনত মাত এযাৰ দিয়াৰ উপৰিও অনেক অভিজ্ঞতাৰে সময়ক বুজি পাবলৈ সক্ষম হৈছো।

ড° জয়নাথ শৰ্মা ডাঙৰীয়া অসমৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ সবল আৰু সক্ষম নেতা। দৰাচলতে ড° জয়নাত শৰ্মা ডাঙৰীয়াৰ সাহস, বাকপটুতা, ক্ষমতা অনুসাৰে তেখেতে সমষ্টিৰ উন্নয়ন তথা ৰাইজৰ ভালেখিনি কাম কৰিছিল যদিও বৰ্তমান আধুনিকতাৰ দৌৰত সেই কামবোৰৰ চিনাকি নোহোৱা হৈছে। উল্লেখযোগ্য আশী-নব্বৈ দশকত আঞ্চলিক ৰাজনৈতিক দলৰ গুৰুত্ব সৰ্বভাৰতীয় ৰাজনীতিত বিশেষ নাছিল আৰু সেই সময়ত দক্ষিণৰ কেইখনমান ৰাজ্যৰ লগতে উৰিষ্যা, জন্মু আৰু কাশ্মীৰত আঞ্চলিক ৰাজনীতিয়ে খোপনি ল'বলৈ সক্ষম হৈছিল সেই ৰাজ্যসমূহৰ শিক্ষা, অৰ্থনীতি আৰু সামাজিক উন্নয়নৰ বাবে। ফলত ৰাজ্যসমূহে কেন্দ্ৰৰ ওচৰত মূৰ নোদোৱাকৈ নিজৰ পাপ্যৰ বাবে হেঁচা দিব পাৰিছিল। ইফালে উত্তৰ-পূবৰ ৰাজ্যসমূহৰ অথনৈতিক, শৈক্ষিক, সামাজিক, ব্যৱসায়-বাণিজ্য একেবাৰে পিছ পৰা আছিল আৰু আজিও সেই অৱস্থাৰ বিশেষ উন্নয়ন হোৱা নাই। তাৰোপৰি অসম আৰু নাগালেণ্ডৰ বাহিৰে অসমত সৰ্বভাৰতীয় ৰাজনীতিৰ দপদপনিয়ে তেতিয়াৰ আঞ্চলিক দলৰ চৰকাৰক সততে পৰিশ্ৰান্ত কৰি ৰাখিছিল। সময়ত ক্ষমতা বিকেন্দ্ৰীকৰণৰ বিপৰীতে সৰ্বভাৰতীয় ৰাজনৈতিক চিন্তাৰে উত্তৰণৰ স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰে বিৰোধী আঞ্চলিক দলৰ চৰকাৰক হেঁচি ৰখাটো আছিল সুস্পষ্ট ৰণনীতি। এনেকুৱা বাধ্য-বাধ্যকতাৰ ফলত অসম গণ পৰিষদ দলৰ চৰকাৰখনে ৰাইজৰ আশাক পূৰ্ণতা দিবলৈ সক্ষম নহ'ল বা যিখিনি দিলে সেয়া আশা কৰাতকৈ বহু কম হ'ল।

আমি ডঃ জয়নাথ শৰ্মাৰ স'তে থকা সময়খিনিত সংস্থাপনমূলক সুবিধা পাবলৈ চেষ্টা নকৰা নহয়। কিন্তু সেই বিষয়ত আমি সময়ৰ সঁহাৰি নাপালো যদিও সামাজিক ক্ষেত্ৰত জীৱন চিনাকিৰে থিয় হৈ থাকিবলৈ অনুপ্ৰেৰণা লাভ কৰিলো। উল্লেখযোগ্য অসম গণ পৰিষদ দলৰ ছিপাঝাৰ আঞ্চলিক শাখাৰ একেৰাহে দহ বছৰকাল সভাপতি হৈ থকা সময়ত দলটোৰ হৈ অশেষ কষ্ট কৰিবলগীয়া হৈছিল।

এই সময়ছোৱাত মই তিনিটাকৈ বিধান সভা নিৰ্বাচনত সমষ্টি সমিতিৰ সম্পাদক হিচাপে তেখেতক সহায় কৰিছিলো। পিছলৈ অসম গণ পৰিষদ দলটোক ৰাইজে ভোট যুঁজত প্ৰত্যাখ্যান কৰাত আমি নিজৰ চৰকাৰ গঠন কৰিব নোৱাৰিলো। এবাৰ ড° জয়নাথ শৰ্মা ডাঙৰীয়া জয়ী হৈ বিৰোধী বিধায়ক হিচাপে সমষ্টিৰ জনসেৱা কৰিবলৈ সুবিধা পাইছিল। বাকী দুবাৰ তেখেতে পৰাজিত হয়। ৰাজনৈতিক পথাৰখনত ড° জয়নাথ শৰ্মা ডাঙৰীয়াৰ স'তে যুক্ত হৈ মই ভয়মুক্ত জীৱনৰ পথ লাভ কৰিবলৈ সক্ষম হৈছো। পিছলৈ তেখেতে কংগ্ৰেছ দলত যোগদান কৰা আৰু অসম গণ পৰিষদ দলটোৰ নেতৃত্বৰ খামখিয়ালি আৰু আমাৰ ঘৰুৱা অসুবিধাৰ বাবে কিছু দিনলৈ সক্ৰিয় ৰাজনীতি ত্যাগ কৰি নিজৰ সংসাৰৰ পাৰ পাবলৈ চেষ্টা কৰিলো। ইয়াৰ মাজতো কিন্তু মোৰ আৰু পৰিয়ালৰ লগত ড° জয়নাথ শৰ্মা ডাঙৰীয়াৰ কুশল-মংগলৰ টেলিফোনিক যোগাযোগ আছিল আৰু এতিয়াও আছে।

শেষত জীৱনৰ আধা বয়স প্ৰাপ্তিৰ সময়ত বাটত, ঘাটত, খেতি-বাতিত বা অন্যান্য সকলো উৎসতে আমি ড° জয়নাথ শৰ্মা ডাঙৰীয়াক শক্তি হিচাপে গ্ৰহণ কৰিছো। সময়ত কিবা পোৱা বা নোপোৱাৰ এটা অংকই খেলিমেলি লগালেও এনেকৈয়ো ভাবি ল'ব পাৰো যে, চাৰিজন ভাতৃৰ এজনে সম্পূৰ্ণ সফলতাৰে নিজক প্ৰতিষ্ঠা কৰাকলৈ ঘৰুৱাভাৱে পৰিয়ালটি গৌৰৱান্বিত। এই মুহূৰ্তত আমি এইটো আশা কৰিম যে, এতিয়াও সমাজক উন্নয়নৰ ক্ষেত্ৰত দিব পৰা বহু সমল তেখেতৰ হাতত আছে আৰু সেই সমলেৰে ছিপাঝাৰবাসীক উপকৃত কৰি আগুৱাই নিয়ক। শেষত ড° জয়নাথ শৰ্মা ডাঙৰীয়া কুশলে থাকক তাৰেই কামনা কৰিলোঁ।

❑❑❑

# অনন্য ব্যক্তিত্বৰ অধিকাৰী ড° জয়নাথ শৰ্মা

– খিতেশ্বৰ কলিতা

জ্ঞান-গৰিমামণ্ডিত, বহু গুণৰ অধিকাৰী, অজস্ৰ অভিজ্ঞাতাপুষ্ট, সকলোৰে প্ৰিয় ডঃ জয়নাথ শৰ্মা এগৰাকী অনন্য ব্যক্তিত্বৰ অধিকাৰী। ড° শৰ্মাদেৱৰ সাগৰ সদৃশ ব্যক্তিত্বৰ বাবে আজিও বহুলোক তেখেতৰ গুণমুগ্ধ। যি সকল লোক ধনাত্মক গুণৰ অধিকাৰী (Possitive mind) সেই সকল লোকে নিজৰ লগতে আনকো সঠিক পথৰ সন্ধান দিব পাৰে। যি সকল লোক ঋণাত্মক ভাৱৰ (Nagetive mind) তেওঁলোকে আনৰ কটু সমালোচনা কৰি সময় কটায় সেই সকলে নিজে একোতো কৰিব নোৱাৰেই, আনে কৰা কামৰ অজস্ৰ খুঁত উলিয়াই তৃপ্তি পায়। তেনেলোক সমাজৰ কলংক। ড° জয়নাথ শৰ্মা এগৰাকী ধনাত্মক গুণৰ (Possitive) অধিকাৰী। জন্মতে কিছুমান লোকে ঈশ্বৰ প্ৰদত্ত গুণ লগত লৈ জন্ম গ্ৰহণ কৰে। এনেকুৱা গুণ হাজাৰ বা লাখ মানুহৰ ভিতৰত দুই-এজনৰ কৰ্মতহে প্ৰকাশ পায়।

১৯৭৯ চনৰ অসমৰ বিদেশী বহিঃষ্কৰণ আন্দোলনে অসমৰ জনগণক কিবা দিলেনে নিদিলে তালৈ আমি হিচাপ  কৰি চালে ইয়াকে ক'ব পাৰো যে অসমীয়া মানুহক ভৱিষ্যতলৈ এক সত্বাৰ অস্তিত্বৰ জ্ঞান দিছে। আন্দোলনৰ আগৰ মানুহৰ ভাৱধাৰা আৰু আন্দোলনৰ পিছৰ ভাৱধাৰা যথেষ্ট সলনি হোৱা লক্ষ্য কৰা যায়। এক প্ৰগতিবাদী ধাৰণাই মানুহক উদ্বুদ্ধ কৰিছে। কোনোবাই কিবা হেৰুৱালেও বা পালেও সাধাৰণ জনতাই লাভ কৰে দেশপ্ৰেমৰ এক মধুৰ আস্বাদন। মানুহে আত্মনিৰ্ভৰতাৰ এক জ্বলন্ত মাৰ্গ দৰ্শন কৰে। গীতিকাৰ, সুৰকাৰ, গায়ক, কবি-সাহিত্যিকসকলে দেশপ্ৰেম, জাতীয় অস্তিত্ব

আদিৰ সংকট কালত কত গীত গালে, কত গীত ৰচিলে। সাহিত্যিক, সাংবাদিকসকলে দেশৰ বিপন্ন অৱস্থাৰ কথা জনগণক কৈ সতৰ্ক কৰি দিলে। ড° জয়নাথ শৰ্মাৰ গুণ আৰু কীৰ্তিক লৈয়ো গীত-পদ ৰচিত হ'ল। বাটে-পথে প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰচাৰ হ'ল ড° জয়নাথ শৰ্মাৰ কৰ্ম গুণ-গৰিমাৰ কথা। তাৰ ফলশ্ৰুতিত অসম বিধান সভালৈ একেবাৰে চাৰিটা কাৰ্যকালৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হ'ল। এইদৰে একেৰাহে বিশ বছৰ কাল বিধায়ক-মন্ত্ৰী আদি পদ অলংকৃত কৰি নিজৰ নাম অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হ'ল।

অসম আন্দোলনৰ সময়ত মই শিক্ষাদান কাৰ্যত ব্ৰতী আছিলো। সেয়ে দৈহিকভাৱে আন্দোলনত বিশেষ ভূমিকা গ্ৰহণ কৰিব পৰা নাছিলো যদিও মানসিকভাৱে কিছু পৰিমাণে সহায় কৰিছিলো। দেশৰ ধৰণী স্বৰূপ আমাৰ ছাত্ৰ-ছাত্ৰীসকলক কি দৰে সুনাগৰিক কৰি গঢ়ি তুলিব পাৰো তাতহে বেছি মনোযোগ দিছিলো। ক্ষুদ্ৰ পৰিসৰৰ হ'লেও শিক্ষা-সাহিত্য, সংস্কৃতি, ধৰ্মীয় আদি দিশত উদ্বুদ্ধ হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা যোগাবলৈ যত্নপৰ হৈছিলো। আমাৰ দৰে আৰু বহুতে এই ক্ষেত্ৰত লাগি থকা বাবেই হয়তো আমাৰ দেশৰ মৰ্যাদা এতিয়াও বৰ্তি আছে।

শিক্ষকতা কৰি থকা সময়ত বা পাছতো বহু ঠাইত, অনেক সভা-সমিতিত ডঃ জয়নাথ শৰ্মাৰ লগত মোৰ ঘনিষ্ঠ সান্নিধ্য ঘটিছিল। বিদ্যালয়ৰ বাৰ্ষিক বঁটা বিতৰণী সভা, শাখা সাহিত্য সভাৰ বাৰ্ষিক অধিবেশন, মন্দিৰ, নামঘৰ আদিৰ ধৰ্মীয় সভা, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ ৰূপালী জয়ন্তী, সোণালী জয়ন্তী উৎসৱত মুকলি সভা আৰু বিশেষকৈ অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনত শাখা তথা জিলাৰ অধিবেশনসমূহত ড° জয়নাথ শৰ্মাক মই সততে লগ পোৱাৰ সৌভাগ্য ঘটিছিল।

ড° জয়নাথ শৰ্মা এগৰাকী সুবক্তা। সভাবোৰত তেখেতৰ ভাষণ শুনিবলৈ মানুহে বহু সময় অপেক্ষা কৰি থাকে, এই সভাসমূহত পৰিচালকসকলে ডঃ জয়নাথ শৰ্মাৰ ভাষণ পিছুৱাই ৰাখিছিল। কাৰণ তেখেতৰ ভাষণ আগত থাকিলে মানুহ সভাৰ পৰা সোনকালে যাব। তেতিয়া সভা হয়তো সেৰেঙা

হৈ যাব। এই কাৰণে তেখেতক সভাৰ শেষৰ ফালে ৰাখি মানুহৰ সমাগম ৰক্ষা কৰিছিল। তেখেতৰ ভাষণসমূহ যুক্তি নিৰ্ভৰ আৰু ৰসাল। কলিতা জনগোষ্ঠী সন্মিলনৰ এখন সভাত তেখেতে নামজ্বলা প্ৰকৃত কলিতা কোন আছিল বুলি ম'বাইল নেটত চাইছিল। তেতিয়া তেখেতে উত্তৰটো পাইছিল মহাপুৰুষ মাধৱদেৱ বুলি। ২০২২ চনৰ এপ্ৰিল মাহৰ ৩ তাৰিখে দিপীলা হাইস্কুলৰ খেলপথাৰত অনুষ্ঠিত অবিভক্ত দৰং জিলা কলিতা জনগোষ্ঠী সন্মিলনৰ ১০৩ সংখ্যক বাৰ্ষিক অধিবেশনৰ মুকলি সভাত ড° জয়নাথ শৰ্মা সন্মানীয় অতিথিৰ আসনত অধিষ্ঠিত আছিল। সভাত নিৰ্দিষ্ট বক্তাৰ আসন অলংকৃত কৰিছিল কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ অসমৰ মুৰব্বী অধ্যাপক ডঃ মাধুৰ্য মণ্ডিত বৰুৱা। তেখেতৰ ভাষণ শুনি উপস্থিত প্ৰায় দহ হাজাৰ শ্ৰোতা নিজম পৰি আছিল। অসমৰ প্ৰাচীন জনগোষ্ঠী কলিতাসকলৰ ইতিবৃত্ত আৰু বৰ্তমান সামাজিক প্ৰেক্ষাপটত এই জাতিটোৰ অৱদানৰ কথা বহলাই ব্যাখ্যা কৰিছিল। সেই দিনা গোটেই দিনটো বৰষুণ দি আছিল। সেই দবাপিতা বৰষুণৰ মাজতো সভাত প্ৰায় দহ হাজাৰমান মানুহ সমবেত হৈছিল। অৱশ্যে মাজে মাজে বৰষুণ এৰা-ধৰাকৈ চলি আছিল। সভাত ড° জয়নাথ শৰ্মাৰ ভাষণৰ সময়তো বৰষুণ দি আছিল যদিও মানুহ সভাৰ পৰা আঁতৰি যোৱা নাছিল। ড° জয়নাথ শৰ্মাদেৱৰ ভাষণ সামৰণি পৰাত কিছু সংখ্যক মানুহ সভাৰ পৰা গৃহাভিমুখে গতি কৰিছিল। তেখেতে উল্লেখ কৰিছিল দৰং জিলাত থকা গোষ্ঠীগত সন্মিলন এক বিকাশমুখী আৰু অসমৰ সকলো জনগোষ্ঠীৰে ঐক্য সংহতিৰ বাৰ্তা বাহক।

ড° জয়নাথ শৰ্মা বিধায়ক বা মন্ত্ৰী হৈ থকা সময়ত কেতিয়াও নিজক পাহৰি যোৱা নাছিল। বহুতে বিধায়ক বা মন্ত্ৰী হৈ নিজকে পাহৰি যোৱা দেখা যায়। তেখেতে নিজৰ সমষ্টি ছিপাঝাৰৰ প্ৰত্যেক ঘৰ মানুহৰ নঙলামুখ কোনফালে আৰু প্ৰায়খিনি মানুহৰ নাম ক'ব পাৰিছিল। প্ৰত্যেকজন ডেকা-ডেকেৰীৰ কৰ্ম সংস্থাপনৰ কথা চিন্তা কৰিছিল। সেই সময়ত বহুত ল'ৰা-ছোৱালীয়ে বিভিন্ন বিভাগত নিযুক্তি লাভ কৰিবলৈ সক্ষম হৈছিল। ড° জয়নাথ

শৰ্মা বিধায়ক বা মন্ত্ৰী হৈ থকা সময়ত ছিপাঝাৰ সমষ্টিৰ এটা সুনাম আছিল। আন সমষ্টিৰ মানুহক আমি ছিপাঝাৰ সমষ্টিৰ মানুহ বুলি কৈ গৌৰৱ অনুভৱ কৰা দেখিছিলো। সেই সময়ত বিধায়কসকলৰ সমষ্টি উন্নয়নৰ বাবে বহু কম ধন ধাৰ্য কৰি দিছিল। কেন্দ্ৰীয় চৰকাৰেও ৰাজ্যলৈ বিশেষকৈ অসমলৈ বহুত কম ধনৰ বাজেট নিৰ্ধাৰণ কৰি দিছিল। ফলত জনসাধাৰণৰ বা সমষ্টিৰ সকলো উন্নয়ন সম্ভৱ হোৱা নাছিল। অৱশ্যে ড° জয়নাথ শৰ্মাই নিজ দক্ষতা, সাহস আৰু নিৰপেক্ষতাৰে সমষ্টিৰ কামসমূহ কৰি জনসাধাৰণৰ প্ৰিয়ভাজন হ'ব পাৰিছিল বুলি মনত ভাব হৈছিল। তেখেতৰ কাৰ্যকালত এবাৰ ছিপাঝাৰ সমষ্টিত নৈ আদি নৈৰ মথাউৰি ভাঙি ভয়ানক বানপানী হৈছিল। চৰকাৰে আৰু বিধায়ক ডঃ শৰ্মাই নিজ সমষ্টি উন্নয়ন পুঁজিৰ জৰিয়তে দুৰ্গত ৰাইজক পাৰ্যমানে সহায় কৰিছিল। সেই সময়ত তেওঁৰ সমৰ্থক কিছুমানে দলৰ মানুহক বেছি গুৰুত্ব দিব খোজাত তেখেতে নিজে আহি সমৰ্থকসকলক কৈছিল যে বানপানী কেৱল তেওঁৰ দলৰ মানুহৰ হোৱা নাই। গতিকে সকলো মানুহে সমানে সাহায্য পোৱাৰ ব্যৱস্থা কৰি দিছিল। পাশ্চাত্যই প্ৰাচ্যৰ প্ৰতি কৰা আচৰণৰ দৰে ড° শৰ্মাৰ ক্ষেত্ৰতো উজনি, নামনিৰ কিছু প্ৰভাৱ পৰা যেন অনুমান হৈছিল। ফলস্বৰূপে ড° শৰ্মাৰ ৰাজনৈতিক ক্ষেত্ৰখনত আশা কৰা ধৰণে উদ্‌গতিত বাধাৰ সৃষ্টি নোহোৱাকৈ নাথাকিল।

ড° শৰ্মাই পুৰুষ শক্তিৰ লগতে নাৰী শক্তিকো প্ৰাধান্য দিবলৈ বহু সভাত বক্তব্যৰ মাজতে উল্লেখ কৰিছিল। তেখেতে পঞ্চসতী কুন্তী, দ্ৰৌপদী, তাৰা, মন্দোদৰী আৰু অহল্যাৰ অন্তনিৰ্হিত গুণ-গৰিমাই যে আৱহমান কালৰ পৰা সমাজ বিৱৰ্তনৰ মাজতো মহীয়ান হৈ আছে বুলি উনুকিয়াই আহিছে। ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ পৰিশ্ৰমী হৈ একাণপতীয়াকৈ অধ্যয়নৰত হ'বলৈ আহ্বান জনাই আহিছে। পিতৃ-মাতৃ আৰু শিক্ষাগুৰুৰ প্ৰতি ভক্তি সহকাৰে কৰ্মত বিশ্বাস ৰাখি নিজ কৰ্তব্য পথত আগুৱাই যাবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনাইছিল।

ড° জয়নাথ শৰ্মা শিক্ষাৰ প্ৰতি ধাউতি থকা এগৰাকী প্ৰকৃত কৰ্মী।

নিজৰ উপাৰ্জিত ধন শিক্ষাৰ ক্ষেত্ৰত খৰচ কৰি ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ উপকাৰ সাধন কৰি আহিছে। তেখেতে গুৱাহাটীৰ জয়া নগৰত NERIM নামৰ শৈক্ষিক অনুষ্ঠানত গুৰি ধৰি শিক্ষা, বাণিজ্য আদিৰ দৰে গভীৰ বিষয়সমূহৰ অধ্যয়নৰ বাবে ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকলক সুবিধা দান কৰি আহিছে। এনে ধৰণৰ অনুষ্ঠান মঙলদৈৰ ভেবাৰঘাটতো অনুষ্ঠিত কৰি শিক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। আৰ্থিকভাবে পিছ পৰা ছাত্ৰ-ছাত্ৰীক মাছুল ৰেহাই আদি পৰ্যন্ত সহায় আগবঢ়াইছে। সাধাৰণতে কিছুমান মানুহে ব্যক্তিগত লাভ-লোকচানৰ কথা ভাবি ৰাইজৰ সেৱা কৰে। কিন্তু সমাজত এনে কিছুমান মানুহ আছে যিসকলে নিজৰ লাভ-লোকচানৰ কথা চিন্তা নকৰি সমাজৰ হিতৰ বাবে জীৱন উছৰ্গা কৰে। এনে লোকসকলৰ ভিতৰত ড° জয়নাথ শৰ্মা নিশ্চয় এগৰাকী হ'ব।

'অতিথি দেৱ ভৱ' অৰ্থাৎ অতিথি সাক্ষাৎ নাৰায়ণ। বিধায়ক বা মন্ত্ৰী হৈ থকা সময়ত তেখেতৰ ওচৰলৈ কোনো লোক গ'লে আনকি বৰ্তমান সময়তো যদি কোনোবা গৈছে তেনেহ'লে সেই সকলক বিশেষ আতিথ্য সহকাৰে আপ্যায়নৰ ব্যৱস্থা কৰিছে। আনহাতে কোনো অনুষ্ঠান-প্ৰতিষ্ঠানৰ বাবে দান-বৰঙণি বিচাৰি গ'লেও সেই সকলক আপ্যায়ন কৰিহে কথা-বতৰা হৈছে আৰু দান-বৰঙণি দিয়াৰ লগতে বিভিন্ন দিহা-পৰামৰ্শ দি আহিছে। সমাজত এনে কিছুমান লোক আছে যিসকলে পিছত দিম বুলি কৈ নিজৰ গৌৰৱ ৰক্ষা কৰিব বিচাৰে। কিন্তু সময়ত সেইটো হৈ নুঠে। ড° জয়নাথ শৰ্মা কিন্তু মিছা প্ৰলোভন দিয়া মানুহ নহয়। মই নিজে বহুতবাৰ তেখেতৰ ওচৰলৈ গৈছো। প্ৰতিবাৰতে মই এনেকুৱা ব্যৱহাৰ পাইছো। ২০০৭ চনত মই কৃতি শিক্ষকৰ ৰাজ্যিক বঁটা পাবলৈ সক্ষম হওঁ। তাৰ বহু দিন পিছত মই তেখেতৰ ঘৰ খাৰঘুলিলৈ গৈছিলো। তেখেতে তেতিয়া নিজৰ ল'ৰাজনক মাতি আনি মোক চিনাকি কৰি দি এখন গামোচাৰে সন্মানিত কৰাত মই অভিভূত হৈ পৰিছিলো। এইটো তেখেতৰ গুণগ্ৰাহীতাৰ জ্বলন্ত নিদৰ্শন বুলি মোৰ মনত ভাৱ হৈছিল।

যিসকল লোক দুখতো কাতৰ নহয় বা সুখতো আনন্দিত নহয়

তেনেলোক ‘গীতাশাস্ত্র’ মতে স্থিতপ্ৰজ্ঞ লোক। অসমৰ বিদেশী বহিঃষ্কৰণ আন্দোলনত তেখেতৰ নিজৰ ভাতৃক হেৰুৱাইছে। তাৰ পিছত পিতৃৰ বিয়োগ ঘটিছে। ছাত্ৰ অৱস্থাতে মাকো ঢুকাইছে। জীৱনৰ ভৰ বয়সতে দুটি পুত্ৰ-কন্যা সন্তান এৰি থৈ মৰমৰ পত্নীয়ে ইহ সংসাৰৰ পৰা বিদায় মাগিছে। এনেকুৱা ঘটনা চিৰাচৰিত ঘটনা হ’লেও মানুহৰ হৃদয়ে সহজতে মানি ল’ব নোৱাৰে। সেই সময়ত হাজাৰ হাজাৰ লোক তেখেতক সান্ত্বনা দিবৰ বাবে তেখেতৰ ওচৰলৈ গৈছিল। আমিও প্ৰায় ২০-২৫জন একেলগে গৈছিলো। তেখেতে আমাক সুধিছিল কোনোবাই ‘গীতা’ পাঠ কৰিব পাৰে নেকি? সকলোৱে মোৰ নামটো কৈছিল। মই পেণ্ট-চাৰ্ট পিন্ধি যোৱা বাবে ইতঃস্ততঃ কৰিছিলো। তেখেতে যুক্তি সহকাৰে কৈছিল যে যি সময়ত ‘গীতা শাস্ত্ৰ’ৰ সৃষ্টি হৈছিল সেই সময়ত পেণ্টৰ প্ৰচলন হোৱা নাছিল আৰু তেনেকৈয়ে মোক ‘গীতা’ পাঠ কৰিবলৈ অনুমতি দিছিল। ময়ো ঈশ্বৰৰ ওচৰত দোষৰ ভাগী নহ’বলৈ প্ৰাৰ্থনা জনাই বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে একাগ্ৰচিত্তে ‘গীতা’ পাঠত আত্ম নিয়োগ কৰিছিলো। অৱশ্যে মই পিন্ধি যোৱা পেণ্ট-চাৰ্ট বগা আছিল বাবে মনত এটা পৱিত্ৰ ভাৱ হৈছিল। মই তেনেকৈয়ে গীতা পাঠ কৰি সেই গৰাকী মহীয়সী নাৰীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰো। সেই সময়ত মোৰ মনত ভাৱ হৈছিল ড° জয়নাথ শৰ্মা এগৰাকী সময় আৰু পৰিৱেশৰ লগত নিজকে খাপ খুৱাব পৰা অনন্য ব্যক্তিত্বৰ অধিকাৰী লোক। ড° জয়নাথ শৰ্মাদেৱৰ ভৱিষ্যত উজ্জ্বল দীৰ্ঘ জীৱন আৰু সুস্বাস্থ্য কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো।

❑❑❑

# অসম তথা ভাৰতৰ শৈক্ষিক ক্ষেত্ৰত ড° জয়নাথ শৰ্মা ছাৰৰ অৱদান

- মলয়া ভট্টাচাৰ্য্য

যি গৰাকী ব্যক্তিৰ বিষয়ে লিখিবলৈ মই আজি কলম হাতত তুলি লৈছো তেখেতৰ জীৱন চৰিতৰ অন্যান্য কৃতিত্বৰ বিষয়ে এই অভিনন্দন গ্ৰন্থত যিহেতু প্ৰকাশ পাব সেইখিনি পুনৰ দোহাৰিব নোখোজো। নিৰ্বাচন কৰি দিয়া ব্যক্তিত্বৰ এটা নিৰ্দিষ্ট দিশৰ ওপৰত আলোকপাত কৰিব খোজা সেই গৰাকী ব্যক্তি হ'ল ড° জয়নাথ শৰ্মাদেৱ।

অসম আন্দোলনৰ এগৰাকী সুদক্ষ নেতা প্ৰখ্যাত ৰাজনীতিজ্ঞ, বিশিষ্ট শিক্ষাবিদ ডঃ জয়নাথ শৰ্মা ছাৰৰ সান্নিধ্যলৈ আহিছিলো ২০১৭ চনৰ চেপ্তেম্বৰ মাহত। বাতৰি কাকত বা টিভিৰ পৰ্দাত প্ৰায়েই দেখি থকা ব্যক্তি গৰাকীৰ লগত কেতিয়াবা মুখামুখিকৈ কথা পাতিব পাৰিম বুলি ভবা নাছিলো কাহানিও। কিন্তু নিজৰ চাকৰি সন্দৰ্ভত তেখেতৰ ওচৰ চাপিবলৈ সক্ষম হৈছিলো। তেখেতক প্ৰথম দেখাতেই মই অনুধাৱন কৰিব পাৰিছিলো কেনে ধৰণৰ এক বিশাল ব্যক্তিত্বৰ অধিকাৰী তেখেত। মই প্ৰথম লগ পাইছিলো তেখেতক ছয়মাইলৰ জয়া নগৰস্থিত "নেৰিম"ত। তেখেতৰ কথা-বতৰাত এক দৃঢ় মনোভাৱৰ উমান পোৱা যায়। তেখেতে মোৰ শিক্ষাগত অৰ্হতাৰ তথ্যপাতিখিনি নিৰীক্ষণ কৰি থকাৰ মাজতেই বহুতো ফোন কল আহিছিল আৰু প্ৰত্যেকৰে লগত এক উৎসাহজনক মন এটা লৈ কথা-বতৰাবোৰ পাতি থকা মই মন কৰিছিলো। সেই সময়ত "নেৰিম"ৰ একাংশ ছাত্ৰ-ছাত্ৰীয়ে অসমৰ বাহিৰত প্ৰদৰ্শন কৰি অহা পাৰদৰ্শিতাৰ বাবে লাভ কৰা পুৰস্কাৰ হাতত লৈ ড° শৰ্মা ছাৰৰ কোঠালিত প্ৰৱেশ কৰিছিল। তেওঁলোকক ছাৰে অন্তৰৰ পৰা

অভিনন্দন জ্ঞাপন কৰিছিল আৰু বিভিন্ন ধৰণে উৎসাহিত কৰা দেখা পাইছিলো। দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীৰ মাছুল ৰেহাই দিয়াৰ লগতে প্ৰতিজন শিক্ষক-কৰ্মচাৰীক নীতি আদৰ্শেৰে অনুপ্ৰাণিত কৰাত ড° শৰ্মা ছাৰে কেনেকৈ নিজকে ব্যস্ত ৰাখে এইবোৰ দেখি অভিভূত হৈছিলো। ডঃ শৰ্মা ছাৰৰ অনুমতি মৰ্মে মই ছিপাঝাৰ শিক্ষক প্ৰশিক্ষন মহাবিদ্যালয়ত সহকাৰী অধ্যাপিকা হিচাপে যোগদান কৰিছিলো।

ইং১৯৯৪ চনত ছিপাঝাৰ অঞ্চলৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তিৰ নেতৃত্বত ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়খন স্থাপন কৰা হৈছিল। সেই সময়ত ছিপাঝাৰ অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকল মঙলদৈ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়লৈ বি. এড. ডিগ্ৰী ল'ব যাব লগা হৈছিল। যাৰ ফলত তেওঁলোকে যথেষ্ট দুৰ্ভোগ ভুগিবলগীয়া হৈছিল। কিন্তু ছিপাঝাৰ অঞ্চলৰ কেই গৰাকীমান শিক্ষাবিদ ক্ৰমে- ৰজনী কান্ত নাথ, প্ৰয়াত বদন চন্দ্ৰ শইকীয়া, প্ৰয়াত ভদ্ৰেশ্বৰ নাথ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলৰ সবল নেতৃত্বত ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়খন স্থাপন কৰা সম্ভৱ হয়। সেই সময়ত ডঃ শৰ্মা ছাৰ বিধায়ক হৈ আছিল। পৰৱৰ্তী সময়ত অসম মন্ত্ৰী সভাৰ চুক্তি ৰূপায়ন মন্ত্ৰী, ৰাজহ মন্ত্ৰী, জলসিঞ্চন মন্তী হিচাপে তেখেতে কাৰ্যনিৰ্বাহ কৰিছিল। তেখেতৰ অনুগ্ৰহতেই ছিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত দেওমৰনৈ বি. এড. মহাবিদ্যালয় আৰু ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপন হোৱাত সুবিধা হয়। অতিকৈ দূৰদৰ্শী মনোভাৱৰ ব্যক্তি ডঃ জয়নাথ শৰ্মা ছাৰে তাহানিতে অনুভৱ কৰা শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়সমূহৰ প্ৰয়োজনীয়তাৰ বাবে আজিৰ শৈক্ষিক ক্ষেত্ৰখনত উপযুক্ত শিক্ষক গঢ় দিব পৰাটো সম্ভৱপৰ হৈছে। উক্ত দুয়োখন শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ উপৰিও তেখেতৰ তত্বাৱধানত গুৱাহাটীত ২০০৪ চনত ড° অনিতা বৰুৱা শৰ্মা বি. এড. মহাবিদ্যালয়খনো স্থাপন কৰা হয়। প্ৰত্যেকখন শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় স্থাপনৰ আঁৰত ডঃ শৰ্মা ছাৰৰ আছে অযুত সপোন। শিক্ষক সমাজক সঠিক ৰূপত প্ৰশিক্ষণ দি আগুৱাই নিব পাৰিলেহে দেশৰ ভৱিষ্যত উজ্জ্বল হ'ব, এই কথা তেখেতে দেহে-কেহে-মনে অনুভৱ কৰে।

প্ৰথম অৱস্থাত ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত বহিৰাগত প্ৰশিক্ষাৰ্থীৰ কাৰণে ২০ খনমান আসন সংৰক্ষিত আছিল। য'ত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা যেনে পশ্চিমবংগ, কেৰেলা, উৰিষ্যা, হিমাচল প্ৰদেশ আদিৰ পৰা প্ৰশিক্ষাৰ্থীয়ে নামভৰ্তি কৰিবলৈ আহিছিল। তেওঁলোকে নামভৰ্তিৰ সময়ত দিয়া অতিৰিক্ত মাছুলৰ দ্বাৰা মহাবিদ্যালয়ৰ আন্তঃগাঁথনি যথেষ্ট উন্নতি কৰিব পৰা গৈছিল। এই সকল প্ৰশিক্ষাৰ্থীয়ে শিক্ষকৰ প্ৰশিক্ষণ লৈ গৈ নিজৰ নিজৰ ৰাজ্যত বৰ্তমান কৰ্মৰত হৈ আছে।

অসমৰ শৈক্ষিক ক্ষেত্ৰখনত ড° শৰ্মা চাৰৰ অৱদান অতুলনীয়। ১৯৯২ চনত ছয়মাইলৰ জয়া নগৰত স্থাপন হোৱা "নেৰিম গ্ৰুপ অফ্ ইনষ্টিটিউচন"ত বিভিন্ন পাঠ্যক্ৰমৰ সংযোগ হৈ আছে। কলা, বিজ্ঞান শাখাৰ লগতে বাণিজ্য মহাবিদ্যালয়, আইন মহাবিদ্যালয়ো ইয়াৰ অন্তৰ্ভুক্ত। উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত পোন প্ৰথমবাৰৰ বাবে ব্যক্তিগত মহাবিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ আৰম্ভণি কৰা ব্যক্তি গৰাকীয়েই হৈছে ড° জয়নাথ শৰ্মা।

ইয়াৰ উপৰিও তেখেতৰ অনুগ্ৰহত ২০০০ চনত মঙলদৈত মহৰ্ষি বিদ্যামন্দিৰ স্থাপন কৰা হয় আৰু দৰং জিলাৰ ভিতৰত চি. বি. এছ. ই. পাঠ্যক্ৰমৰ এক অনন্য বিদ্যালয় প্ৰতিষ্ঠান হিচাপে স্বীকৃতি লাভ কৰে। ইয়াৰোপৰি ২০১৭ চনত ড° শৰ্মা ছাৰৰ তত্বাৱধানত মঙলদৈ চহৰৰ মাজ মজিয়াত "নেৰিম চেলেঞ্জ একাডেমী" স্থাপন কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়, অসম বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞান বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰম থকাৰ লগতে এই মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনত উচ্চতৰ মাধ্যমিক শাখাও স্থাপন কৰা হৈছে। এক সুন্দৰ আন্তঃগাঁথনিৰে নিৰ্মিত এই মহাবিদ্যালয়খনেও দৰং জিলাৰ ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট উপকৃত কৰিব বুলি আশা কৰিব পাৰি।

ড° শৰ্মা ছাৰে শৈক্ষিক প্ৰতিষ্ঠানসমূহ প্ৰতিষ্ঠা কৰাৰ লগতে ইয়াৰ লগত জড়িত শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলক নিয়মানুৱৰ্তিতা, সহমৰ্মিতা, অনুশাসনৰ মাজেৰে শিক্ষাদান তথা শিক্ষা আহৰণ কেনেদৰে কৰিব পাৰি সেই বিষয়ে অহৰহ সকলোকে নীতিশিক্ষা প্ৰদান কৰা দেখা যায়। তেখেতে

শিক্ষকসকলক নিঃস্বাৰ্থভাৱে শিক্ষাদান কৰিবলৈ সদায় উদ্‌গনি যোগাই আহিছে। ‘শিক্ষণ কেৱল মাথোন এটা সাধাৰণ বৃত্তি নহয়, ই এক পৱিত্ৰ বৃত্তি”, এই কথা সাৰোগত কৰি তেখেতে প্ৰত্যেক গৰাকী শিক্ষকক উৎসাহিত কৰি অহা দেখা যায়। ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীসকলৰ লগত তেখেতে সৌহাদ্যপূৰ্ণ সম্পৰ্ক স্থাপন কৰাত সফল হৈছে। আজিলৈকে শিক্ষানুষ্ঠানসমূহলৈ অহা প্ৰতিটো প্ৰত্যাহ্বান তেখেতে হাঁহিমুখে গ্ৰহণ কৰিছে আৰু প্ৰত্যেকটো সমস্যাক সুন্দৰভাৱে তেখেতে নিজৰ বিবেকেৰে সমাধান কৰাৰ প্ৰয়াস কৰিছে। প্ৰতিখন শিক্ষানুষ্ঠানতেই ন ন বিষয়সমূহ সংযোগ কৰি তেখেতে শিক্ষাৰ ক্ষেত্ৰখনত এক যুগান্তকাৰী অধ্যায়ৰ সূচনা কৰিছে। এই অনুষ্ঠানসমূহৰ পৰা প্ৰতি বছৰে হাজাৰ হাজাৰ শিক্ষাৰ্থী সুখ্যাতিৰে উত্তীৰ্ণ হৈ ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত বিভিন্ন বিভাগত কৰ্মৰত হৈ অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে।

ড° শৰ্মা ছাৰে আজিলৈকে তেখেতৰ অনুষ্ঠানসমূহৰ যোগেদি অসমৰ নিবনুৱা সমস্যা বহু পৰিমাণে হ্ৰাস কৰিবলৈ সক্ষম হৈছে তেখেতৰ সান্নিধ্যলৈ আহি আৰু তেখেতৰ সভাপতিত্বত গঢ় লৈ উঠা এখন শিক্ষা-প্ৰতিষ্ঠানত কৰ্মৰত হৈ থাকি বহুখিনি নীতি আদৰ্শ শিকিবলৈ পাই নিজকে ধন্য মানিছো। এই লিখনিৰ জৰিয়তে তেখেতৰ তত্বৱধানত গঢ় লৈ উঠা প্ৰতিখন শিক্ষানুষ্ঠানৰ উত্তৰোত্তৰ কামনা কৰিলো আৰু লগতে ডঃ জয়নাথ শৰ্মা ছাৰৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো। (এই লিখনিটো ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ আধাৰত লিখা হৈছে।)

❑❑❑

# দুষ্ট ল'ৰাৰ উপদেষ্টাৰ কাহিনী আৰু জয়নাথ শৰ্মা

- জীতেন ভাগৱতী

দৰং জিলাৰ অন্তৰ্গত মঙলদৈ মহকুমাৰ মঙলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত সৰু থেকেৰাবাৰী, ভাণ্ডুৰীচুবা আৰু দাড়িয়াপাৰা এই তিনিখন ৰাজহ গাঁও মিলি ৰঙামাটি অঞ্চলৰ ভিতৰতে এক বৃহৎ সমন্বয় ক্ষেত্ৰ হিচাপে পৰিচিত ঠাই। উক্ত অঞ্চলত ব্ৰাহ্মণ, কোচ ৰাজবংশী, হৰিজন, বড়ো-কছাৰী, ইছলাম ধৰ্মীলোকসকলে সাহিত্য-সংস্কৃতি ধৰ্মীয় অনুষ্ঠান আদি সকলোতে মিলাপ্ৰীতিৰে থাকি সমন্বয়ৰ মাজেৰে বসবাস কৰি আহিছে। এইখন সমন্বয় ক্ষেত্ৰতেই জন্ম গ্ৰহণ কৰিছে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ নেতা, ভাষা আন্দোলন আৰু অসম আন্দোলনৰ নেতা, শ্বহীদ, তেল শোধনাগাৰ আন্দোলনৰ সংগ্ৰামী নেতা, অসম বিধান সভাৰ বিধায়ক, মন্ত্ৰী, ৰাজপত্ৰিত বিষয়া, কৃতী শিক্ষক, সাহিত্যিক পেন্সনাৰ, অসম চৰকাৰৰ সাহিত্য বঁটা প্ৰাপক, শিশু মহীয়ান উপাধি প্ৰাপক, শিশু সেৱা বঁটা প্ৰাপক, দৰংজ্যোতি সন্মান প্ৰাপক আদি । এইসকলৰ মাজৰেই আমাৰ গৌৰৱ প্ৰাক্তন মন্ত্ৰী ড° জয়নাথ শৰ্মা এজন।

দাড়িয়াপাৰা গাঁৱৰ সমাজকৰ্মী প্ৰয়াত পদ্মনাথ শৰ্মা আছিল অতি ধাৰ্মিক পৰোপকাৰী ব্ৰাহ্মণ। তেখেতে বিয়া কৰাইছিল ব্যাসপাৰা গাঁৱৰ অতি সম্ভ্ৰান্ত শিক্ষাৱন্ত পৰিয়াল প্ৰয়াত নিধিৰাম আচাৰ্য্যৰ কন্যা শিক্ষিতা যুৱতী তথা সমাজ সেৱিকা কিৰণময়ী দেৱীক। তেখেতসকলৰ যুগ্ম জীৱনৰ সাক্ষী হিচাপে জন্ম লাভ কৰিছিল আঠটাকৈ ল'ৰা-ছোৱালী। তেওঁলোকৰ ভিতৰতেই জন্মৰ পৰাই জীৱনৰ নানা ঘাত-প্ৰতিঘাত পাৰ কৰি নানা সংগ্ৰামৰ মাজেৰে নিজক

প্ৰতিষ্ঠিত কৰিব পৰা এগৰাকী সংঘাতপূৰ্ণ জীৱন অতিবাহিত কৰা ব্যক্তি জয়নাথ শৰ্মা। প্ৰয়াত পদ্মনাথ শৰ্মাদেৱৰ পত্নী প্ৰয়াত কিৰণময়ী দেৱী আছিল এগৰাকী সমাজ সেৱিকা তথা সমাজ সংস্কাৰক। সেই সময়ত এই অঞ্চলটোত শিশু আৰু মহিলাসকলৰ বাবে চিন্তাশীল ব্যক্তিৰ অভাৱ আছিল। সেই সময়তে প্ৰয়াত কিৰণ্ময়ী দেৱীয়ে পদ্মপৰী পুখুৰীৰ পাৰক কেন্দ্ৰস্থল কৰি জন্ম দিছিল সৰু থেকেৰাবাৰী মহিলা সমিতি আৰু একে সময়তে শিশু অনুষ্ঠান ৰঙামাটি শিশু মংগল সমিতিৰ জন্ম দিছিল দীন কৰুণাময় হৰিপদদেৱে। এই দুগৰাকীৰ প্ৰচেষ্টাতে বৃহৎ অঞ্চলটি শিশু আৰু মহিলা কল্যাণৰ দিশত আগবাঢ়ি যাবলৈ সক্ষম হৈছিল।

প্ৰয়াত পদ্মনাথ শৰ্মাদেৱৰ এনে সুযোগ্যা পত্নী আৰু এমা-ডিমা সতি-সন্তানেৰে জীৱন নিৰ্বাহ কৰি থকাৰ ভিতৰতে এদিন হঠাৎ পোৱা আন্তৰিক বেদনাই দিশহাৰা কৰি পেলাবলৈ বাধ্য কৰিছিল পদ্মনাথ শৰ্মাদেৱক। তেখেতৰ পত্নী কিৰণময়ী দেৱীয়ে হঠাৎ সেইদিনা সকলোকে এৰি থৈ ইহ সংসাৰৰ পৰা গুচি গৈছিল স্বৰ্গধামলৈ। সেয়েহে পদ্মনাথ শৰ্মাদেৱৰ কণ কণ ল'ৰা-ছোৱালীকেইটা হৈ পৰিল মাউৰা। যাৰ ফলত সিহঁত অভিভাৱকহীন হৈ দিশহাৰা হৈ পৰিছিল। পদ্মনাথ শৰ্মা যিহেতুকে এগৰাকী গাঁও পঞ্চায়তৰ সম্পাদক আছিল সেয়েহে গাঁৱে গাঁৱে ঘূৰি ফুৰিবলগীয়া হোৱা পদ্মনাথ শৰ্মাৰ ল'ৰা-ছোৱালীকেইটাক চাবলৈকে মানুহ নোহোৱাৰ দৰে হ'ল। ডাঙৰ ল'ৰা শ্ৰীখগেন শৰ্মা এগৰাকী ছাত্ৰ আছিল যদিও তেৱেঁই সকলোৰে হৈ পৰিছিল অভিভাৱকস্বৰূপ। এই ল'ৰা-ছোৱালীকেইটা আছিল পঢ়া-শুনাত অতি চোকা। ইয়াৰ ভিতৰৰে জয়নাথ শৰ্মা আছিল সৰুৰে পৰা দুঃসাহসিক আৰু দুষ্টালি কৰা ল'ৰা। অৱশ্যে দুষ্টালি মানে আনৰ বাৰীত গৈ জলফাই, বগৰী, আম চুৰ কৰি চৌৰ্যবৃত্তৰ দুষ্টালি নাছিল। বাটত যাওঁতে দুই-এটা ল'ৰা-ছোৱালীৰ লগত ঠেলা গতা, মইনা পাৰিজিাত অনুষ্ঠানত গৈ একনায়কত্ব চলোৱা, তেওঁৰ কথা-বচন নুশুনিলে দুই-এজনক দুই-এচাট দিয়া, যুক্তিসংগত কথাৰে প্ৰশ্ন কৰি আনক ব্যতিব্যস্ত কৰা, আনকি কেতিয়াবা মইনা পাৰিজাত অনুষ্ঠানত উদ্ধতালি কৰা

দুই-এজনক কোবাই কোবাই পানীত পেলোৱা আদিৰ দৰে দুষ্টালিবোৰৰ কথা উল্লেখ কৰা হৈছে। তেনে ধৰণৰ আমোদজনক দুষ্টালিবোৰৰ কথা মনত পৰিলে আজিও হাঁহিহে উঠে। মইনা পাৰিজাতৰ যোগেদি মোৰ সান্নিধ্যলৈ আহিছিল এনে ধৰণৰ দুষ্ট ল'ৰাৰ জাক। এই ল'ৰাবোৰক আয়ত্বলৈ অনাটো আছিল মোৰ বাবে অতি কষ্টকৰ। এই দুষ্ট ল'ৰাৰ ভিতৰৰে চতুৰ জয়নাথ শৰ্মা হৈ পৰিছিল মোৰ অতি ঘনিষ্ঠ আৰু শিশু বন্ধুস্বৰূপ। জয়নাথৰ নলে-গলে লগা আন এগৰাকী বন্ধু মলয় শৰ্মা নামৰ আন এজন মহাদুষ্ট ল'ৰাও আহি মোৰ শিশু বন্ধু স্বৰূপে ঘনিষ্ঠ হৈ পৰিল। (এতিয়া ইহ সংসাৰত নাই।)

আমাৰ ঘৰখন আছিল এখন হোষ্টেল টাইপ। সৰুতে মোৰ দেউতা মুক্তি যোদ্ধা পদ্মকান্ত ভাগৱতীৰ মৃত্যু হৈছিল। ডাঙৰ ককাইদেউ শিক্ষাবিদ প্ৰয়াত পূৰ্ণকান্ত ভাগৱতী চাকৰি সূত্ৰে আৰু আন গৰাকী ককাইদেউ গৱেষক সাহিত্যিক তথা সাহিত্যিক পেঞ্চনাৰ শ্ৰীবিজয় ভাগৱতী অধ্যয়নৰ বাবে ঘৰৰ পৰা বাহিৰত আছিল। ঘৰখনত সৰু প্ৰয়াত ক্ষীৰদা দুৱাৰা মা আৰু মই থাকো। এনে ক্ষেত্ৰত ময়ো গিৰি নোহোৱা গৰু ঢাকোন নোহোৱা চৰুৰ দৰে হৈ পৰো। সেয়েহে মই হৈ পৰো দুষ্ট ল'ৰাৰ উপদেষ্টা। এই কথা ভবা হৈছিল যদিও প্ৰকৃততে জয়নাথ শৰ্মাৰ ক্ষেত্ৰত সেইটো নাছিল। জয়নাথ শৰ্মা আছিল অতি দূৰদৰ্শী ব্যক্তি। তেওঁ জানিছিল যে, কোন ব্যক্তিৰ লগত সংগতি ৰাখিলে তেওঁ জীৱনত উন্নতিৰ বাবে কিছু শিকিব পাৰে। সেই সময়ত আমাৰ ঘৰখন আছিল অঞ্চলৰ ভিতৰতে আদৰ্শ ঘৰ। আমাৰ দেউতা আছিল ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ১৯২১ চন, ১৯৩০ চন আৰু ১৯৪২ চনৰ এগৰাকী সক্ৰিয় মুক্তি যোদ্ধা প্ৰয়াত পদ্মকান্ত ভাগৱতী। মা আছিল এগৰাকী ধৰ্মপ্ৰাণা তথা অতি নিৰ্জু প্ৰকৃতিৰ আদৰ্শ মাতৃ। মাৰ পিতৃ তথা ককা আছিল এগৰাকী সমাজ সংস্কাৰক সমাজকৰ্মী জীৱানন্দ শৰ্মা ভট্টাচাৰ্য্য। সেই সূত্ৰে আমাৰ ঘৰখনৰ সংস্কৃতি আছিল আনতকৈ কিছু বেলেগ। অঞ্চলৰ প্ৰথমজন বাতৰি কাকতৰ গ্ৰাহক তথা বাতৰি পঢ়োতা আছিল দেউতা। সেই সূত্ৰেই উচ্চ চিন্তা চৰ্চাৰে পৰিবেষ্টিত উক্ত ঘৰখনৰ লগত অতি ঘনিষ্ঠ আছিল দাৰিয়াপাৰা গাঁৱৰ পদ্মনাথ শৰ্মাদেৱ (পদো চেক্ৰেটাৰী)ৰ ঘৰখন।

সেয়েহে মাতৃ বিয়োগৰ পিছত ল'ৰা-ছোৱালীকেইটাই আমাৰ লগত সম্পৰ্ক ৰক্ষা কৰিছিল। বিশেষকৈ জয়নাথ শৰ্মা সততে আমাৰ ঘৰখনতেই আছিল। তেওঁৰ ককায়েক শ্ৰীখগেন শৰ্মাই আমাৰ ঘৰখনৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলিছিল। আনহাতে আমাৰ ওপৰত কিছু নজৰো ৰাখিছিল। আনজন দুষ্ট ল'ৰা দ্বীপেন শৰ্মা বুলি সকলোৱে জানিছিল। জয়নাথ শৰ্মাৰ ভাতৃ দ্বীপেন (দয়া) বহুদিনলৈ মোৰ আয়ত্বত আছিল। মোৰ ওচৰত আহিলেই সদায় সৎ পৰামৰ্শ দি ককায়েকহঁতৰ দৰে ভাল হ'বলৈ কৈছিলো। কিন্তু.... কিছু দিনৰ পিছত ল'ৰাজন আঁতৰি গ'ল। বহুদিন মই দেখা নাছিলো। পিছত জানিছিলো সৎ চৰিত্ৰৱান এগৰাকী ছোৱালীৰ লগত তাৰ বিয়া হৈছিল। সেই সূত্ৰে ঘৰৰ পৰা বাহিৰত আছিল। বিবাহ পাশত আৱদ্ধ কৰি তেওঁক সৎ পথেৰে আগবঢ়াই নিবলৈ যত্ন কৰা ছোৱালীজনী আছিল সৰস্বতী দেৱী (বৰ্তমান অৱসৰপ্ৰাপ্ত কৰ্মচাৰী)। বিধিৰ বিপাক কোনেও এৰাব নোৱাৰে। ১৯৮৫ চনৰ বিদেশী বহিষ্কৰণৰ তীব্ৰ আন্দোলনত জঁপিয়াই পৰিছিল 'দয়া' আৰু চাউলখোৱাত বিদেশীৰ আক্ৰমণত শ্বহীদ হ'ল দয়া শৰ্মা। মোৰ অতি মৰমৰ ভাতৃস্বৰূপ দয়াৰ মৃত্যুৱে অন্তৰত অতি আঘাত দিছিল। চকুলো টুকি টুকি তেওঁৰ ঘৰখনত উপস্থিত হৈছিলোগৈ মৃত শৰীৰৰ সমবেদনা জনাবৰ বাবে। এনেতে চকুলো টুকি টুকি অতি মৰমৰ জয়নাথ শৰ্মাৰ ভাতৃ দেৱব্ৰত শৰ্মা মোৰ কাষত থিয় হ'লহি আৰু গাত ধৰি ক'লে দাদা, আপুনি ইয়াত আৰু বেছি সময় নৰ'ব। কিছুমান লোকে আপোনাৰ বিৰুদ্ধে মিছা অপবাদ উলিয়াই আপোনাকো মৃত্যুদণ্ড দিয়াৰ বাবে কিছুমান লোকে সুবিধা বিচাৰি আছে। পাৰিলে আপুনি ঘৰৰ পৰা নোলাব। কথাটো শুনি মোৰ গা-মন ভয়ত কম্পমান হ'ল। বিনাদোষত মৃত্যুদণ্ড? আনফালে মোৰ বংশৰ গৌৰৱ ত্ৰৈলোক্য নাথ ভাগৱতীয়ে এই কথাটো আগৰে পৰা জানিব পাৰিছিল। সেয়েহে হুংকাৰ দিলে যে কোনে জীতেন ভাগৱতীক মৃত্যুদণ্ড দিয়ে চাওঁ এবাৰ। মোক আহি ত্ৰৈলোক্য ভাগৱতীয়ে ক'লে- দাদা, আপুনি ঘৰৰ পৰা নোলাব। এনেদৰে অসম আন্দোলনৰ শাম কাটিলে। মোৰো জীৱনটো এই দুগৰাকী ব্যক্তিৰ সহায়ত ৰক্ষা পৰিল। মোৰ মৃত্যুদণ্ডৰ কাৰমনো কি আছিল? মই যিহেতুকে

সেই সময়ত কাউন্সিলৰ পদত অধিস্থিত আছিলো সেই হেতুকে হিন্দু মুছলিম সকলো শ্রেণীৰ লোকৰ লগত মিলা-মিছা কৰিছিলো। সেয়েহে কিছুমানৰ মনত মই হৈ পৰিছিলো দেশদ্রোহী। প্রকৃততে সেইটো আছিল ভুল ধাৰণা। মই যে মাতৃভূমিৰ এজন প্রকৃত সেৱক সেই কথা সেই সময়ৰ দৰং জিলা ছাত্র সন্থায়ো জানিছিল আৰু তেওঁলোকৰেই প্রধান নেতা প্রয়াত ক্ষীৰদা গোস্বামীৰ বাবেই নিশ্চিত মৃত্যুৰ পৰা এদিন মোৰ জীৱন ৰক্ষা পৰিছিল। জয়নাথ শৰ্মাই মোৰ এই দুৰ্যোগবোৰৰ কথা পলাতক হৈ থকা অৱস্থাতে শুনিছিল। তেওঁ পৰিয়ালৰ লোক আৰু আত্মীয়সকলক কৈছিল যে জীতেন দাদাৰ বিষয়ে ওলোৱা কথাবোৰ মিছা। তেওঁক সকলোৱে ৰক্ষণাবেক্ষণ দিব লাগে। মোৰ জীৱন ৰক্ষাৰ ক্ষেত্ৰত এনেদৰেই জয়নাথ শৰ্মাই সহায় কৰিছিল যে সেই কথা উল্লেখ কৰিবই লাগিব।

১৯৬১ চন। আমাৰ বৰপুখুৰীপাৰত প্রয়াত কৰুণাময় হৰিপদ দেৱৰ তত্বাৱধানত শ্রীবিজয় ভাগৱতীৰ পৰিচালনাত “ৰঙামাটি শিশু মংগল সমিতি” নামৰ এটি শিশু অনুষ্ঠান পৰিচালনা হৈ আছিল। তেনে সময়তেই অসমৰ ভিত্তিত এটি শিশু অনুষ্ঠান “সদৌ অসম মইনা পাৰিজাত”ৰ জন্ম হৈছিল। সভাপতি আছিল শিশু সাহিত্যিক অসম বিধান সভাৰ বিধায়ক প্রয়াত মহাদেৱ শৰ্মা। তেখেতৰ ঘৰ আছিল তেজপুৰত। এদিন আমি শ্রীহৰেণ শৰ্মা (পুৰোহিত) আৰু মই তেজপুৰলৈ গৈ প্রয়াত মহাদেৱ শৰ্মাক লগ কৰি সদৌ অসম মইনা পাৰিজাতৰ শাখা খোলাৰ বিষয়ে পৰামৰ্শ লৈ ঘূৰি আহিলো। তেখেতে দিয়া পৰামৰ্শ অনুসৰি সৰু থেকেৰাবাৰী আৰতি সংঘৰ তত্বাৱধানত আৰতি মইনা পাৰিজাত নামৰ শাখা এটা গঠন কৰি সদৌ অসম মইনা পাৰিজাতৰ স্বীকৃতি লোৱা হয়। বৰপুখুৰীপাৰৰ পশ্চিম পাৰত আমি স্থান নিৰ্ধাৰণ কৰি নিয়মীয়াকৈ মইনা পাৰিজাত অনুষ্ঠান পৰিচালনা কৰিবলৈ ল’লো। প্রতি শনিবাৰ আৰু মংগলবাৰে আবেলি নানা খেল-ধেমালি, নাটক, আকস্মিক বক্তৃতা প্রতিযোগিতা আদি কাৰ্যক্রম পৰিচালনা কৰা হয়। আৰতি মইনা পাৰিজাতৰ প্রথম মইনাসকলৰ ভিতৰত মুকুল শৰ্মা, ক্ষীৰদা বালা দেৱী, মনোমতী দেৱী, হংসধৰ শৰ্মা, অনন্ত শৰ্মা, কণিকা দেৱী, মনোমতী দেৱী, ৰেণুবালা দেৱী,

ত্রৈলোক্য মোহন শৰ্মা, নীলকণ্ঠ শৰ্মা, দিলীপ কুমাৰ শৰ্মা, দণ্ডধৰ শৰ্মা, শোণিতী দেৱী, নীলমণি শৰ্মা, ভৱেন্দ্ৰ নাথ শৰ্মা, তৰুলতা দেৱী, শশীন্দ্ৰ কুমাৰ আচাৰ্য্য, ত্রৈলোক্য ভাগৱতী, ভানুবালা দেৱী, সুৰেন্দ্ৰ নাথ শৰ্মা, চন্দ্ৰপ্ৰভা দেৱী, স্বৰ্ণলতা দেৱী, ক্ষীৰদা দেৱী ভাগৱতী, মুকুন্দ শৰ্মা, যজ্ঞেশ্বৰ শৰ্মা, মলয় শৰ্মা আৰু জয়নাথ শৰ্মা (১ম মান শ্ৰেণী স্বীকৃতি ৭২১২নং)। সকলো মইনাৰ ভিতৰতেই অতি পাৰদৰ্শী মইনা আছিল জয়নাথ শৰ্মা। বিশেষকৈ আকস্মিক বক্তৃতা, ৰচনা প্ৰতিযোগিতা আদি বিষয়ত তেওঁ আছিল সদায় আগস্থানত। সেয়াই আছিল তেওঁৰ ৰাজনৈতিক জীৱনৰ আৰু শৈক্ষিক জীৱনৰ সোণালী বাট। যাৰ বাবে তেওঁ অসম বিধান সভাত মন্ত্ৰীত্ব লাভ কৰি ৰাজনৈতিক জীৱনৰ সুনাম লাভ কৰাৰ লগতে ডক্টৰেট ডিগ্ৰী লাভ কৰি শৈক্ষিক জীৱন ধন্য কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত আৰতি মইনা পাৰিজাত আৰু মই এগৰাকী গুৰু হিচাপে তেওঁৰ ওচৰত আজিও সন্মানীয় ব্যক্তি হিচাপে থকাটো মোৰ বাবে গৌৰৱৰ কথা। সভা-সমিতিত বক্তৃতা দিবলৈ কৌশল আৰু সাহস দিয়া ব্যক্তি আছিলো মই নিজেই। সেয়েহে মই তেওঁৰ এগৰাকী স্বীকৃত ব্যক্তি আৰু বাল্যকালৰ পৰা কৈশোৰ জীৱনৰ অধিকাংশ সময়েই মোৰ লগত সময় কটোৱা ড° জয়নাথ শৰ্মাক লৈ মই চিৰদিনেই গৌৰৱান্বিত হৈ থাকিবলৈ পোৱাটো অতি সৌভাগ্যৰ কথা।

মোৰ কৈশোৰ আৰু যৌৱন কালৰ আগভাগটো দুগৰাকী বাল্যবন্ধুৰ সৈতে হাঁহি-ধেমালি, ৰং-তামাচাৰে কটোৱা দীঘলীয়া কালছোৱাৰ পিছত আমাৰ বাবে এদিন বেয়া দিন আহিছিল। গাঁওখনত আমি তিনিওজনে সকলো ল'ৰা-ছোৱালীক একত্ৰিত কৰি আৰতি মইনা পাৰিজাতত খেল-ধেমালি কৰি থকা কাৰ্যত দুই-এজনে বৰ ভাল পোৱা নাছিল। সেয়েহে আমাক সংগচ্ছেদ কৰিবলৈ এগৰাকী শিক্ষিত ব্যক্তিয়ে নানান কথাৰে কটু সমালোচনা কৰিছিল। সেয়েহে এদিন জয়নাথ আৰু মলয় সন্ধিয়া আমাৰ ঘৰলৈ আহিল আৰু আমাৰ মাক ভাত ৰান্ধিবলৈ ক'লে। কথামতে মাই ভাত ৰান্ধিলে আৰু আমি তিনিও ভাত খাই মোৰ সেই ভঙা পজাঁতেই শুই থাকিলো। পিছদিনা জয়নাথে মোক ক'লে-

দাদা, আজি আমাৰ তিনিওৰে সংগ বিদায়ৰ দিন। সকলোৱে নিজৰ পথলৈ যাম আৰু জীৱনৰ উন্নয়নৰ পথ বাছি ল'ম। এনেকৈয়ে আমাৰ তিনিওজনে নিজৰ নিজৰ বাটেৰে আগুৱাই গ'লো। সেয়েহে বহুদিনলৈ জয়নাথৰ লগত আমাৰ দেখা-দেখি হোৱা নাছিল। মোৰ পৰা আঁতৰি যোৱাৰ দিনৰে পৰা তেওঁ মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী চকুত লগা ছাত্ৰ হিচাপে আৰু সদৌ অসম ছাত্ৰ সন্থাৰ এগৰাকী ছাত্ৰনেতা হিচাপে পৰিচিত হৈছিল। ভাষা আন্দোলনৰ প্ৰধান নেতা হিচাপে আগবাঢ়ি শ্বহীদ মোজাম্মিল হকৰ মৃত্যুৰ সময়ত তেওঁ একেলগে থাকি আঘাতপ্ৰাপ্ত হৈ কোনো ৰকম জীৱন ৰক্ষা পৰিছিল। এনেদৰে ১৯৮৩ চনৰ ভাষা আন্দোলনৰ পৰা অসম আন্দোলনলৈ পুলিচৰ মূৰ কামোৰণি হৈ পৰা জয়নাথ শৰ্মা বিদেশীৰ হাতত ১৯৮৩ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে ভাতৃ দ্বীপেন শৰ্মা শ্বহীদ হোৱা বেদনাৰ মাজেৰেই জে'ল জীৱনৰ পৰা মুক্ত হৈ এদিন ৰাজনীতিৰ পথাৰত ভৰি দি অসম চৰকাৰৰ মন্ত্ৰীত্বৰ গাদীত বহি শাসনৰ বাঘজৰী হাতত লোৱাটো আছিল আমাৰ বাবে গৌৰৱৰ কথা। সকলো সময়তে সভাই-সমিতিয়ে মোক এগৰাকী বাল্যগুৰু হিচাপে আজিও পৰিচয় দি অহা এই গৰাকী মৰমৰ জয়নাথ এগৰাকী আন্দোলনকাৰী আৰু ৰাজনীতিবিদেই নহয়, তেওঁ এগৰাকী আদৰ্শৱান শিক্ষাবিদ, আইনজ্ঞ হিচাপেও পৰিচয় দিব পৰাটো অকল মোৰেই নহয় আমাৰ অঞ্চলৰ বাবেই গৌৰৱৰ মণি। শেষত এই গৰাকী আদৰ্শ ব্যক্তি মোৰ অতি মৰমৰ ডঃ জয়নাথ শৰ্মালৈ আন্তৰিক কৃতজ্ঞতা আৰু আশীৰ্বাদ জনালোঁ।

❑❑❑

# বাকপটু ৰাজনীতিবিদ
# ড° জয়নাথ শৰ্মা

- পৃথুৰাম বৰুৱা

ড° জয়নাথ শৰ্মা ছাত্ৰ অৱস্থাৰে পৰা যে আন্দোলনকাৰী এই কথা সৰ্বজন বিদিত আৰু স্বীকৃত। অবিভক্ত দৰং জিলাৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ পিছত আন্দোলনৰ সূত্ৰপাত। পোনতে দৰং জিলাত, তাৰ পিছত অসমৰ ইমূৰ সিমূৰৰ সকলোতে আন্দোলনৰ অগ্নি জ্বলিছিল। আন্দোলনৰ মূল কাৰণ ভোটাৰ তালিকাত বিদেশীৰ নাম। ভাৰত স্বাধীনতাৰ কালৰে পৰা ভাৰত তথা অসমত কংগ্ৰেছে শাসন কৰি আহিছে। স্বাধীনতাৰ কালৰে পৰা বিদেশীৰ আগমন। মাত মাতোতা নাই। অসমৰ চুবুৰীয়া ৰাজ্য বাংলাদেশ, পাকিস্তান। তাৰ পৰা জল পথেদিয়ে হওক বা স্থল পথেদিয়েই হওক অসমলৈ আহি পোনতে গোৱালপাৰা জিলাত খোপনি পিতে। তাৰ পিছত কামৰূপ জিলালৈ আহি এটা ভাগ কাছাৰলৈ আৰু আন এটা ভাগ দৰঙত সোমায়। ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে কুৰুৱা, গৰুখুটি, ধলপুৰ, কৰৈবাৰী, চাউলখোৱা, অপৰীয়া, খাৰুপেটিয়া, অচিনতলা হৈ দলগাঁওলৈ বিয়পি পৰে বাংলাদেশী। নিৰ্বাচন আহিলে গোৱালপাৰাত ভোটদান কৰি পিছত আকৌ দৰং জিলাত দ্বিতীয়বাৰ নিৰ্বাচনত ভোটদান কৰা উদাহৰণ নোহোৱা নহয়। এনে ধৰণে বিদেশীয়ে স্বদেশী হোৱাৰ বুদ্ধি পাওঁে। বিদেশীৰ নাম কৰ্তন কৰাৰ বাবে ছাত্ৰ সন্থাৰ আন্দোলন। এই আন্দোলন এবছৰ দুই বছৰ নহয় ছয় বছৰ হয়। আন্দোলনত শ্বহীদ হ'ল ৮৫৫ গৰাকী। আন্দোলনৰ ফল স্বৰূপে অসম গণ পৰিষদ দলৰ জন্ম হয়। ইফালে সংযুক্ত মুক্তি সংগ্ৰাম বাহিনীৰো জন্ম, অসম স্বাধীন কৰাৰ বাবে। পৰেশ বৰুৱাৰ নেতৃত্বত সংযুক্ত মুক্তি বাহিনীয়ে অসম

স্বাধীন কৰাৰ আশা আজিও এৰা নাই। ইফালে অসম গণ পৰিষদ চৰকাৰ গঠন হ'ল। চুক্তি হ'ল। কিন্তু চুক্তি অথলে গ'ল। আজিও চুক্তি, চুক্তি হয়েই থাকিল। অসমৰ মুখ্যমন্ত্ৰী দুবাৰৰ বাবে শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত হ'ল। ছিপাঝাৰ সমষ্টিৰ বিধায়ক ডঃ জয়নাথ শৰ্মা হ'ল। তাৰ পিছত চুক্তিমন্ত্ৰীও হ'ল। ফল নধৰিলে। কাৰণ কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ।

বিদেশী বহিষ্কাৰ আন্দোলনত দৰং জিলাৰ ছাত্ৰসন্থা, সৰ্বসাধাৰণ লোক জঁপিয়াই পৰিল। বিদেশীয়ে বসবাস কৰা ধলপুৰ, গৰুখুটি, মোৱামাৰী, কিৰাকাটাত বিদেশীয়ে মাটি দখল কৰাৰ লগতে গৰু, ছাগলী আদি চুৰি কৰিবলৈ ধৰিলে। দৰঙৰ ছাত্ৰসন্থা, সৰ্বসাধাৰণ লোক আগবাঢ়ি আহিল। নাগাৰাৰ কোব, শিঙাৰ মাত শুনাৰ লগে লগে পিপৰা অহাদি আহিল অসমীয়া লোক। বাংলাদেশীও আহিল। আন্দোলনৰ ফলত বাংলাদেশী বিৰিণাৰ মাজেৰে লুকাই দৌৰি দৌৰি ব্ৰহ্মপুত্ৰৰ পানীত পৰি আঁতৰি গ'ল। তাৰ পিছত অসমৰ ছাত্ৰনেতা আৰু জনতাৰ ওপৰত বাংলাদেশীয়ে আক্ৰমণ কৰি ড° জয়নাথ শৰ্মাৰ ভাতৃ দয়া শৰ্মাক কাটি মাৰিলে। তাৰ পিছত হৰগোবিন্দ গোস্বামী, নীলাৰাম দাসকে আদি কৰি অনেক জনৰ মৃত্যু হ'ল। শেষত ছাত্ৰসন্থাই মৃত ব্যক্তিসকলক শ্বহীদ ঘোষণা কৰিলে।

সিংহপুৰুষ ডঃ জয়নাথ শৰ্মাই ছিপাঝাৰ সমষ্টিত কৰা উল্লেখনীয় কামবোৰৰ ভিতৰত বিজুলীবাৰী ভোটৰ দলত পলিষ্টাৰ ইণ্ডাষ্ট্ৰি (PBSL) কৰি বহুতক পেটৰ ভাত মুঠি দিছিল যদিও বৰ্তমান ই মৰি গ'ল অৰ্থাৎ অন্য মালিকৰ হাতত বিক্ৰী কৰিলে। শ্বহীদ ভৱন, ষ্টেডিয়াম আৰু উচ্চ শিক্ষাৰ স্থলী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় প্ৰতিষ্ঠা কৰি ছাত্ৰ-ছাত্ৰীৰ মহৎ উপকাৰ কৰাটো স্বীকাৰ্য। তদুপৰি ১৮৯৪ চনৰ কৃষক বিদ্ৰোহত প্ৰাণাহুতি দিয়া ১২০ গৰাকীৰ আকাশ লংঘা শ্বহীদ স্তম্ভ নিৰ্মাণত ডঃ জয়নাথ শৰ্মাৰ নাম ল'ব লাগিব। তদুপৰি পাথৰিঘাট-বড়িচৌকাত মহকুমা কৃষি কাৰ্যালয় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত পাথৰিঘাট উচ্চ মাধ্যমিক বিদ্যালয় অৱসৰী অধ্যক্ষ শ্ৰীযুত কুলেন্দ্ৰ নাথ ডেকাৰ পৰিয়ালবৰ্গই কৰা ভূমি দানৰ বাবে শলাগ লোৱাৰ লগতে ড° জয়নাথ শৰ্মাক

ধন্যবাদ জ্ঞাপন কৰিলো। মণ্ডলদৈ চহৰৰ পশ্চিমত বিৰিণাৰে ভৰি থকা লগতে বাংলাদেশীয়ে বসবাস কৰা চৰকাৰী মাটি উচ্ছেদ কৰি প্ৰফুল্ল নগৰ আৰু জয় নগৰ প্ৰতিষ্ঠা কৰিলে। নিবনুৱাসকলক দুয়োখন নগৰত ১ কঠা ৫ লেচা মাটি দি বাসস্থানৰ সুবিধা কৰি দিয়া কাৰ্য প্ৰশংসনীয়।

ড° জয়নাথ শৰ্মাৰ গুণৰ কথা কৈ থাকিলেও অন্ত নপৰে। শেষত ড° জয়নাথ শৰ্মাদেৱৰ সু-স্বাস্থ্য আৰু শতায়ু পৰম পিতা পৰমেশ্বৰৰ ওচৰত কামনা কৰিলো।

❑❑❑

# অভিনন্দন
# ড° জয়নাথ শৰ্মা

- বিজয় চন্দ্ৰ ভাগৱতী

জয় আই অসম। নামে কামে একে। ঐতিহাসিক অসম আন্দোলনৰ নেতৃত্ব বহনকাৰী সংগ্ৰামী ইতিহাসৰ উজ্জ্বল নক্ষত্ৰ ড° জয়নাথ শৰ্মা। আমাৰ দেশৰ গৌৰৱ। তেওঁলৈ জনাইছো হিয়া ভৰা অভিনন্দন। ড° জয়নাথ শৰ্মাৰ জন্মস্থান ৰঙামাটি মৌজাৰ সৰু থেকেৰাবাৰীৰ ভাঙুৰি খণ্ড দাঢ়িয়া চুবুৰীত। ৰঙামাটিৰেই মহান ইতিহাস। মহাবাহুৰ উত্তৰ পাৰত উত্তৰ টাঙ্কৰোডত আউলাচৌকা। আউলা পাটগিৰিদেৰৰ নামেৰে আউলাচৌকা। আউলাচৌকাত চৰকাৰী ৰাজহ আদায় কৰা ঠাই বাবে আউলাৰ চৌকা। আউলা পাটগিৰি হাজৰিকাপাৰাৰ। তেখেত সমাজ কৰ্মী লোক আছিল। আউলাচৌকাত দেউল আৰু ৰাইজক পানী খোৱা পুখুৰী খন্দাই দিছিল। ৰঙামাটি মৌজাৰ পৰা আউলাচৌকা এক-ডেৰ কিঃ মিঃ দূৰ হ'ব। মিৰজুমলাৰ আক্ৰমণৰ সময়ত ৰঙামাটি সৈন্যৰ চাউনী থকা ঠাই। ৰঙামাটি নামৰ এই ঠাইখন মহাবাহুৰ একাষত আছে। ৰঙামাটিৰ পৰা নাতিদূৰৈত মানৈঘাট মাণ্টাপাৰা। তাতে মানে ভয় খাইছিল। মান সৈন্য ৰাতিতেই ব্ৰহ্মপুত্ৰৰে পলাই গৈছিল সেয়ে মানৈঘাট। মানৈঘাটৰ লগতেই মণিটাৰী বৰবৰি চৰ। এই বৰবৰিতে স্থাপন হৈছিল বৰবৰি শিবিৰ য'ত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাস আছে। পোনে পোনে সৰু থেকেৰাবাৰী ডগীয়া ভাঙুৰি, দাঢ়িয়া চুবুৰী। তাতে জন্ম ড° জয়নাথ শৰ্মাৰ। বোকাৰ পদুম জয়। কথাষাৰৰ তাৎপৰ্য আছে। ড° জয়নাথ শৰ্মাৰ জন্মস্থানত পদ্মপৰী পুখুৰী। এই পদ্মপৰী পুখুৰীত প্ৰায় সময়তে পদ্ম ফুল থাকে। সৰু থেকেৰাবাৰীৰ বিখ্যাত জ্যোতিষ পণ্ডিত জীৱন চন্দ্ৰ অধ্যাপকৰ চেষ্টাত পদ্মপৰী

পুখুৰী উদ্ধাৰ হৈছিল। প্ৰসংগত ড° জয়নাথ শৰ্মাৰ জন্মস্থান ৰঙামাটি সম্পৰ্কে অলপ কওঁ। ৰঙামাটি বেতৰ ঘূলি তেতিয়াৰ মানুহৰ এটা চিনাকি নাম। ওচৰতে বঙালপোটা। তাতে হেনো ইংৰাজ চাহাবৰ বাগানৰ চাহপাট আমদানি-ৰপ্তানি কৰা বাংলা। এতিয়া সেইবোৰৰ চিন নোহোৱা হৈছে। এতিয়া তাত দেওলাও হুছেইনৰ দৰগাহ। দেলাওৰ হুচেইনৰ পুত্ৰ আব্দুল আৱালৰ সমাধি দিয়া আছে।

ৰঙামাটিৰ পৰা সৰু থেকেৰাবাৰী মাথোন এমাইলৰ দূৰ। এই ঠাইৰ মানুহে জয়নাথক বৰ মৰম কৰিছিল।

ড° জয়নাথ শৰ্মাৰ পিতৃ পদ্মনাথ শৰ্মা আৰু মাতৃ কিৰণ্ময়ী দেৱী। পদ্মনাথ শৰ্মা এগৰাকী আদৰ্শ কৃষকৰ ঘৰৰ পৰিয়াল। পঞ্চায়ত কৰ্মচাৰী আছিল। ড° জয়নাথ শৰ্মাৰ মাতৃ কিৰণ্ময়ী দেৱী আদৰ্শ শিক্ষক নিধিৰাম আচাৰ্য্যৰ জীয়ৰী। নিধিৰাম আচাৰ্য্যক মানুহে নিধিবাবু বুলি মাতিছিল। মানুহজন অতি জ্ঞান পিপাসু লোক আছিল। পিতৃ পদ্মনাথ শৰ্মাই সগৌৰৱেৰে কৈ ফুৰিছিল “মই ছাৰ বীৰেশ্বৰ শৰ্মাৰ অতি প্ৰিয় ছাত্ৰ আছিলো। দৰং গৌৰৱ বীৰেশ্বৰ শৰ্মাক পাহৰিব নোৱাৰিম। পদ্মনাথ শৰ্মাই সকলো সময়তে উপদেশ দিছিল। আমি পঢ়াশালিত বিশ্ব ব্ৰহ্মাণ্ড দেখিছিলো। অৰ্থাৎ আমাক হেডমাষ্টৰ বীৰেশ্বৰ শৰ্মাদেৱ এজন পণ্ডিত লোক আছিল। “পঢ়াই পঢ়ে, ৰোৱে পাণ এই তিনিয়ে নিচিন্তে আন।” গুৰুৰ বাণী। পিতৃ-মাতৃ পৰম গুৰু। শিক্ষাকে আদি কৰি সকলো ক্ষেত্ৰতে গুৰুই শ্ৰেষ্ঠ। পদ্মনাথ শৰ্মাই সকলো সময়তে হে প্ৰভু ভগৱান জয় জগন্নাথ .....বুলি ভগৱানক স্মৰণ কৰিছিল।

উপযুক্ত পিতৃৰ উপযুক্ত পুত্ৰ ড° জয়নাথ শৰ্মা। এগৰাকী কৰ্মঠ সাহসী মহান ভাৰতীয়ই সকলো সময়তে সন্মান জনোৱা লোক। অতি ভদ্ৰ আৰু নম্ৰ লোক। অসম আন্দোলনত বহুবাৰ জে'ইলত যোৱা সময়ত কাকো কটু কথা কোৱাৰ নজিৰ ড° জয়নাথ শৰ্মাৰ নাই। চৰকাৰে ন্যায় বিচাৰ কৰিব লাগে। এইটোৱে আছিল ড° জয়নাথৰ আবেদন।

বিশ্বশিল্পী ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই গোৱা গীত শাৰী ডঃ জয়নাথ শৰ্মাৰ গোটেই জীৱনত প্ৰতিফলিত হৈছিল যেন লাগে। “জুয়ে পোৰা

তিৰাশীৰ নিৰ্বাচনী বতৰ, ভাইটি নোহোৱা হ'ল জাননে খবৰ.....” ইত্যাদি। ড° জয়নাথ শৰ্মাৰ সহোদৰ দ্বিপেন শৰ্মা শ্বহীদ হ'ল। পিতৃ পদ্মনাথ শৰ্মা। বৃদ্ধ নিৰুপায়। দ্বিপেনৰ মৃত্যু দিনতে একে চুবুৰীতেই বুলিব পাৰি, বুদ্ধি চহৰীয়া, যতীন চহৰীয়া, অৰুণ বড়া শ্বহীদ হৈছিল। ইমান বেদনাৰ মাজতো পদ্মনাথ শৰ্মাই ৰক্ষা কৰাহে প্ৰভু জগন্নাথ জয় জয়গন্নাথ বুলি প্ৰাৰ্থনা কৰিছিল। ভগৱানে মানুহৰ মনবোৰ সুস্থ কৰি ৰাখিছিল। জয়নাথৰ অনেক বিসংগতি। এবাৰ আৰক্ষীৰ হাতৰ পৰা লুকাই সাৰিছিল। ধানৰ ডুলিত সোমাই পৰিছিল। ড° জয়নাথ শৰ্মাই এইবোৰ কথা পিচে নিজমুখে কৈছিল। সত্যৰ সদায় জয়। এই উপদেশহে দিছিল। ভগৱান য'ত আছে ত'তেই জয় হ'ব। বোধ হয় বৰ্তমান ঈশ্বৰৰ ওচৰত তাকেই প্ৰাৰ্থনা কৰে।

ড° জয়নাথ শৰ্মাৰ বৈশিষ্ট্য যে, “নাই জ্ঞানেন সদৃশং পৱিত্ৰ সহ বিদ্যতে।” অৰ্থাৎ জ্ঞানৰ দৰে আন সম্পত্তি পৃথিৱীত নাই। জয়নাথৰ পত্নী অনিতা শৰ্মা বৰুৱাই দুৰাৰোগ্য বেমাৰত ইহলীলা এৰিছে। এতিয়া অনিতা শৰ্মা বৰুৱাৰ নামত শিক্ষা কেন্দ্ৰ গঢ়ি উঠিছে।

ছাত্ৰ কালৰে পৰা ড° জয়নাথ শৰ্মাক শিক্ষাৰ লগতে সংযোগ হৈ থকা দেখিছো। মোক দেউতাই যি শিকাইছে তাকে কৰিম। মোক দেউতাই পঢ়াশালিৰ পৰাই বিশ্ব ব্ৰহ্মাণ্ড চাবলৈ শিকাইছে গতিকে ময়ো তাকেই কৰিম। “নেৰিম” শিক্ষা কেন্দ্ৰৰ দ্বাৰা বহুতক কৰ্মসংস্থান দিম। দেউতাই কৈ গৈছে - বোপা মানুহক ভাত দিবলৈ চেষ্টা কৰিবা। মানুহৰ অন্যায় নকৰিবা। কিমান পাৰি উপকাৰ কৰিবা।

ড° জয়নাথ শৰ্মাৰ অভিনন্দন গ্ৰন্থলৈ আমোৰো শ্ৰদ্ধা থাকিল। কাৰণ সকলোকে আৰ্থিক, সামাজিক দিশত আগবঢ়াই দিবলৈ যত্ন কৰা ড° জয়নাথ শৰ্মা প্ৰকৃতাৰ্থতেই অভিনন্দনৰ পাত্ৰ।

❑❑❑

# মোৰ দৃষ্টিত প্ৰাণস্পৰ্শী ব্যক্তি ড° জয়নাথ শৰ্মা

– ধীৰেন্দ্ৰ কুমাৰ শৰ্মা

ইং১৯৭৫ চন। দৰং জিলা ব্ৰহ্ম সমাজৰ বাৰ্ষিক অধিবেশন। জনাৰাম চৌকাত ব্ৰহ্মযজ্ঞৰ উদুলি-মুদুলি পৰিৱেশ। দ্বিতীয় দিনাখন ৰাতি বিষয় বাছনি সভা। মোৰ দেউতা প্ৰয়াত ডাঃ জয়দেৱ শৰ্মা সমাজৰ সভাপতি হোৱাৰ আপাহতে ময়ো বিষয় বাছনি সভাত উপস্থিত আছিলো। নিৰ্দিষ্ট সময়ত বিষয় বাছনি সভা আৰম্ভ হ'ল। মোৰ নিচেই কাষতে বৰ্তমানৰ অসমৰ প্ৰখ্যাত ৰাজনীতিবিদ ড° জয়নাথ শৰ্মাও এজন চফল যুৱক হিচাপে আসন ল'লে। বিষয় বাছনি সভাৰ কাৰ্যসূচীবিলাক ক্ৰমান্বয়ে গতি কৰিছে। সেই সময়ৰ সমাজৰ বিশিষ্ট ব্যক্তি ক্ৰমে- প্ৰয়াত জিতেন্দ্ৰ নাথ শৰ্মা, বংশীধৰ শৰ্মা, অমৃত শৰ্মা, ভুৱন শৰ্মা, দমোদৰ শৰ্মা প্ৰমুখ্যে ব্যক্তিসকলে আলোচনাত অংশগ্ৰহণ কৰিছিল। তাৰ মাজত এগৰাকী যুৱক হিচাপে সমাজৰ বিভিন্ন কথা-বতৰাত ড° জয়নাথ শৰ্মাদেৱে অংশগ্ৰহণ কৰিছিল। এইদৰে বিভিন্ন বাক্-বিতণ্ডাৰে কাৰ্যসূচীৰ আলোচ্য বিষয়সমূহ আগবাঢ়িছিল। ৰাতি ১২ বজা মানত ড° জয়নাথ শৰ্মা দাদাই ক'লে- "মই যাওঁ দে। এইবিলাক আলোচনা অলপ বেলেগ ধৰণৰ। আমাৰ লগত নিমিলে। ধীৰেন তই বহ।" দাদাই সকলোকে নমস্কাৰ দি বিদায় ল'লে। কথাটো শুনাত বৰ সৰু কথা। কিন্তু যদি আমাৰ সূক্ষ্ম বিশ্লেষণেৰে চাওঁ তাৰ মাজত লুকাই আছিল এক প্ৰগতিবাদী সাম্প্ৰতিকতাৰ বিশেষ চিন্তা। হয়তো জ্যেষ্ঠজনে মনত আঘাত পাব বুলি তেখেতে তেতিয়া ক'ব খোজাখিনিও নক'লে। এজন বিশাল ব্যক্তিত্বৰ মানুহৰ জীৱন বিশ্লেষণ তেখেতৰ জীৱন কালত কৰাটো মোৰ বোধেৰে সিমান সহজ কথা নহয়। তথাপি লিখাৰ তাগিদাত ড°

জয়নাথ শৰ্মা দাদাক যেতিয়াৰ পৰা লগ পাইছিলো মোৰ স্মৃতিত থকা দুই-এটা কথাৰে সমাজৰ মাজলৈ নিবলৈ চেষ্টা কৰিছো। মানুহে তেখেতক কি ধৰণে জানে তাৰ উত্তৰৰ ধৰণ হয়তো শতকৰ সংখ্যা পাৰ হৈ যাব। মোৰ জীৱনৰ এগৰাকী শ্ৰদ্ধেয় ব্যক্তি হিচাপে কেইটামান কথা লিখিব ল'লো।

কলেজীয়া জীৱনত লগ পোৱা ড° জয়নাথ শৰ্মা ১৯৭৪-৭৫ চনত মঙলদৈ কলেজৰ ছাত্ৰ আছিল। কলেজৰ সাধাৰণ নিৰ্বাচন আহিল। সাধাৰণ সম্পাদক পদৰ প্ৰাৰ্থী হৈ ভোট বিচাৰিলে। সেই সময়ৰ বাকপটু ছাত্ৰ ড° জয়নাথ শৰ্মাই। ভোট বিচৰা প্ৰক্ৰিয়া আকৌ সুকীয়া। শ্ৰেণীয়ে শ্ৰেণীয়ে গৈ ক'লে- যিজন সাধাৰণ সম্পাদকৰ প্ৰাৰ্থী হ'ব তেওঁৰ যোগ্যতা আপোনালোকে পৰীক্ষা কৰক। মই আপোনালোকৰ মাজলৈ আহিছো মোক যি ধৰণৰ প্ৰশ্ন কৰিব মন যায় কৰক। যদি মই উত্তৰ দিব পাৰো উপযুক্ত বুলি ভাবে মোক ভোট দিব। কি বাকপটুতা। কি জ্ঞান। কি স্পষ্টবাদিতা, কি কথা শৈলী। যিটো শ্ৰেণীতে ড° জয়নাথ শৰ্মা সোমাই তাতে ছাত্ৰ-ছাত্ৰীৰ ভিৰ। তেখেতৰ কথা শুনাৰ বাবে। তেতিয়া এগৰাকী কলেজৰ নৱাগত ছাত্ৰ হিচাপে মোৰ ভাল লাগিছিল। তেখেতৰ নেতৃত্ব দিব গুণৰ বাবে। আজিও মনত পৰে হাঁহি হাঁহি দিয়া তাৎপৰ্যপূৰ্ণ মন্তব্যবোৰলৈ। কলেজীয়া কালতে সকলোৰে মনত সাঁচ পেলাব পৰা ড° জয়নাথ শৰ্মা দাদা আমাৰো জীৱনৰো আদৰ্শ ব্যক্তি বুলি কৃপণালি নকৰাকৈ ক'ব পাৰো। মই তেখেতৰ ৰাজনৈতিক জীৱনৰ ওপৰত ক'ব নাযাওঁ। কিন্তু ৰাজনৈতিক ব্যক্তি হিচাপে আমাক আমি জড়িত সামাজিক অনুষ্ঠানত কৰা সহায়ৰ কথা নিশ্চয় অলপ ক'ব লাগিব। বিশাল ব্যক্তিত্বৰ মাজত থকা তেখেতৰ জীৱনৰ মোৰ লক্ষণীয় কথাবোৰ মই ভাবো আমাৰ দৰে সাধাৰণ মানুহৰ জীৱনৰ নতুন পথৰ একোটা উদ্দীপনা বা প্ৰেৰণা স্বৰূপ।

তেখেত দৰং জিলাৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক। আমি সেই সময়ৰ ছাত্ৰ হোৱাৰ লগতে দুই-এটা সামাজিক ব্যাধিমূলক কামতো প্ৰতিবাদ কৰা ছাত্ৰ আছিলো। এবাৰ মঙলদৈ মহকুমাৰ সদৰৰ মহকুমাধিপতি কুলধৰ কুটুমদেৱৰ পৰা আদেশ পাই সেই সময়ত চলি থকা ধানৰ চোৰাং বেপাৰৰ

ওপৰত প্ৰয়াত তৰুণ শৰ্মা, গজেন বৰা, উপেন চহৰীয়া আদি কেইজনমানে বাধা দিব যাওঁতে স্বাৰ্থন্বেষী ব্যক্তিৰ কবলত পৰি পুলিচৰ জালত আমি সোমাইছিলো। সেই সময়ত জিলা ছাত্ৰ সন্থাৰ সম্পাদক হিচাপে আমি ড° জয়নাথ শৰ্মাদেৱক লগ কৰি কথাখিনি ক'ব আহিছিলো। কিন্তু সেইদিনাখন তেখেতৰ ক'ৰবাত বিশেষ কাৰ্যসূচীৰ বাবে যাবলগীয়া হোৱাত আমাক সময় দিব নোৱাৰিলে যদিও থাওকতে তেতিয়া গণেশ হোটেলৰ সন্মুখত এখন পত্ৰ লিখি দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ অভিযোগ আমি জিলাই গ্ৰহণ কৰিছো বুলি মহকুমাধিপতি মহোদয়ক দিব দিলে। কথাটো উল্লেখ কৰিলো এইবাবে এগৰাকী নেতৃত্ব সম্পন্ন ব্যক্তিৰ তেখেতৰ সময়ৰ অকুলন সময়তো এটা তাৎক্ষণিক সিদ্ধান্ত দি দায়িত্ব মূৰ পাতি লোৱাৰ চানেকিৰ বাবে। তেখেতৰ জীৱনত হয়তো এনেকুৱা অলেখ কথা আছে। মই ভাবো এইবিলাক কথাৰ সময়োপযোগী সিদ্ধান্ত দিব পৰা ব্যক্তি হোৱা বাবে আজিও ড° জয়নাথ শৰ্মাক মানুহে আকোৱালী লয় এজন জ্ঞানদৰদী ব্যক্তি হিচাপে। বজ্ৰ কঠোৰ তেখেতৰ মাতত কিমান সাহসৰ প্ৰতিকী শব্দ শুনিছো তাক নিশ্চয় শত্ৰুৱেও স্বীকাৰ কৰিব। আমি জ্ঞানীলোকৰ লিখনিত পাইছো জ্ঞানৰ পৰিধিৰ বিশালতাই মানুহক সাহস দিয়াই নহয় জীৱন বাটত বিভিন্ন পথেৰে আগবঢ়াই নিয়াত ভূমিকা লয়। বিভিন্ন শ্ৰেষ্ঠ জ্ঞানেৰে ড° জয়নাথ শৰ্মাই সমাজক দি যোৱা অৰিহণা নিশ্চয় চিৰকালে স্বীকাৰ্য হ'ব। টান শব্দৰে কোৱাৰ পিছত সুন্দৰ হাঁহিটিৰে কথাটো অন্য দিশলৈ নিব পৰাটো এগৰাকী গতিশীল মনৰ অতি চতুৰ ব্যক্তিৰ অন্য এক চিনাকি। গদ্‌গদ্ মাতেৰে দুৰ্গত জনতাৰ সাহায্যত আগবাঢ়ি যোৱা ব্যক্তি ড° জয়নাথ শৰ্মাক মানুহে পাহৰিলেও সময়ে কিন্তু কেতিয়াও নাপাহৰিব।

তেখেতৰ খোজত এক বীৰৰ দপ্‌দপনি। ঢাল-তৰোৱাল নথকা এজন ব্যক্তিক এসময়ত দেখিলে মানুহে কিমান সমীহ কৰিছিল তাক হয়তো কোৱাৰ প্ৰয়োজন নহ'ব। সেই কথাবোৰৰ মাজত দেশৰ জনসাধাৰণক নতুন দিশেৰে আগবঢ়াই নিয়াৰ চিন্তা তেখেতৰ জীৱনৰ কৰ্মাৱলীত পৰিচায়ক হিচাপে আমি নিশ্চয় গ্ৰহণ কৰিব পাৰো।

ব্যক্তিগত কথাৰ মাজেৰে মোৰ জ্যেষ্ঠজন শ্ৰদ্ধেয় ড° জয়নাথ শৰ্মাক মই মোৰ লিখনিত চাব খুজিছো। তেখেতক মাত্ৰ কেইদিন মান ওচৰৰ পৰা পাইছিলো যদিও ব্যক্তিত্বৰ গুণেৰে মোৰ বহু দিনৰ চিনাকি। ২০০১ চনত দৰং জিলা ব্ৰহ্ম সমাজৰ শতবাৰ্ষিকী বঢ়িগাঁও অধিৱেশন। তেখেত বিশেষ আমন্ত্ৰিত ব্যক্তি। তেখেতৰ ভাষণটি আজিও মোৰ কাণত বাজি উঠে। মহাভাৰতৰ বিশেষ চৰিত্ৰ কৰ্ণৰ কাহিনীৰে দিয়া বক্তব্য সুন্দৰ শ্লোকৰ উচ্চাৰণ প্ৰসুত বক্তব্য। এটি সামাজিক অনুষ্ঠানত যি ধৰণে কৰ্ণ আৰু অৰ্জুনক উপস্থাপন কৰি সমাজৰ ন্যায় স্বাৰ্থত কৰ্তব্যৰ কথা কৈছিল তেতিয়া সেইজন ড° জয়নাথ শৰ্মাক সেইদিনা ৰাজনীতিবিদৰ ৰূপত নেদেখি মই দেখিছিলো এজন ধৰ্মীয় জ্ঞানপুষ্ট ব্যক্তিৰ ৰূপত সমাজক ভালপোৱা বলিষ্ঠ ব্যক্তি হিচাপে। সেইকাৰণে ড° জয়নাথ শৰ্মা মানুহৰ আপোনৰো আপোন।

মোৰ লিখনিত ড° জয়নাথ শৰ্মাক মই লগ পোৱা কথাৰে এজন মানুহৰ মন জিনিব পৰা ব্যক্তি হিচাপে চাব খুজিছো।

দুনী শাখা সাহিত্য সভাৰ গভৰা অধিৱেশনত মই দুনী শাখা সাহিত্য সভাৰ সম্পাদক। অধিৱেশনলৈ কটন মহাবিদ্যালয়ৰ সেই সময়ৰ অধ্যক্ষ ৰামচৰণ ঠাকুৰীয়া প্ৰমুখ্যে ড° জয়নাথ শৰ্মাক সভালৈ আমন্ত্ৰণ জনোৱা হৈছিল। মোৰ দৃষ্টিত সেই সময়ত দুনীকে ভিতৰ কৰি পশ্চিম মঙলদৈ বোধকৰো তেখেতৰ আপোনৰো আপোন আছিল। চমুকৈ ক'ব খুজিছো যে অধিৱেশনৰ কাৰ্যসূচীত দুনী শাখা সাহিত্য সভাৰ প্ৰকাশিত পুথিৰ উন্মোচনক আছিল ড° জয়নাথ শৰ্মা। সেই পুথিসমূহৰ ভিতৰত শাখা সাহিত্য সভাৰ দ্বাৰা অনুষ্ঠিত কৰা গল্পপুথিৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ নিৰ্বাচিত “বদনাম” নামৰ কিতাপখনৰ উন্মোচনৰ দয়িত্ব দিয়া হৈছিল। গল্পপুথিখনৰ লেখিকা মঙলদৈৰ শ্ৰীডালিমী দাস বড়ো। কিতাপখন উন্মোচন কৰি “প্ৰথম গল্প” বদনামৰ ওপৰত তেখেতৰ যি বিশ্লেষণ আছিল তাৰ বাবে লেখিকা গৰাকীয়ে নহয় গোটেই পাঠক অভিভূত হৈছিল। সাম্প্ৰতিক পৰিৱেশৰ তুলনাৰে তেওঁৰ ব্যাখ্যাটোত আছিল প্ৰেৰণা। নতুন সৃষ্টিৰ বাবে দিয়া প্ৰচণ্ড আহ্বান। ৰাজনীতি তেখেতৰ পেচা হোৱা সত্বেও সামাজিক, সাহিত্য

বিষয়ক দায়িত্ববোধ পৰিস্ফুট ভাষণটিয়ে তেখেতৰ মানুহৰ প্ৰতি থকা বিশাল মৰমকে প্ৰতিপন্ন কৰা নাছিল বৰং এজন তাত্বিক ব্যক্তি হিচাপেও সমাজত সমাদৃত হৈছিল।

আন এবাৰৰ কথা। দুনী শাখা সাহিত্য সভাৰ দুনী অধিৱেশন। বহু কেইজন বিশিষ্ট ব্যক্তিৰ আমন্ত্ৰণ পূৰ্ণ সভাখন লোকে লোকাৰণ্য। দুনী কৃষ্টি সংঘৰ সন্মুখৰ বহল পথাৰখনত সুন্দৰ মঞ্চৰে সভামণ্ডপ। লেখক সেই বৰ্ষৰো শাখা সাহিত্য সভাৰ সম্পাদক। সভাৰ কাৰ্যক্ৰমণিকা আগবাঢ়িল। এটা সময়ত ডঃ জয়নাথ শৰ্মাৰ ভাষণৰ পাল পৰিল। সুন্দৰ আৰম্ভণী তেখেতৰ স্বভাৱশৈলী ভাষণেৰে। কোনো কথাৰ উল্লেখ নকৰাকৈ তেখেতে কৈছিল- আল্লাউদ্দিন খিলীজীয়ে যিদৰে গে'ট ভাঙি জালালুদ্দিনক খিলীজীৰ প্ৰতিশোধ বিচাৰিছিল, সেইদৰে আজিৰ সভাত সম্পাদক ধীৰেনেও মোক যেন বন্দী কৰিব খুজিছে। ময়ো আচৰিত হ'লো। তেনেকুৱা কোনো কথা মইতো কৰা নাই বা কোৱাও নাই। লাহে লাহে সুৰ সলাই ক'লে- সম্পাদকৰ আহ্বান দুনী সাহিত্য সভাক কমেও ২ লাখ টকা দিব লাগে। লগে লগে সমজুৱাবিলাকে তেখেতৰ উপমা বুজি পাই হাত চাপৰি মাৰি ক'লে- দিবই লাগিব। ড° জয়নাথ শৰ্মাই হাঁহি হাঁহি ক'লে- মই গে'ট ভাঙি পৰা ৰজা হ'লো। বাৰু মই নিশ্চয় কিবা কৰিম। কথাখিনি একেবাৰে সহজ। কিন্তু কথাখিনি কিমান তাৎপৰ্যপূৰ্ণ। তেখেতে বুৰঞ্জীৰ এটি উদাহৰণেৰে আমাৰ ঐতিহ্য আমাৰ ৰাইজৰ মৰমক কৌশলেৰে গ্ৰহণ কৰাৰ কি অনন্য প্ৰকাশ। সেয়ে মানুহে হয়তো আজিও কয়- (যিয়ে যি সম্বোধনেৰে মাতে) তেখেত অতি কৌশলী ব্যক্তি। ৰাইজৰ মাজত থিয় হৈ যেতিয়া নামেৰে মানুহক মাতে তেতিয়া অনুভৱ কৰিব পাৰি তেখেত কিমান স্মৃতি শক্তিৰে শক্তিশালী ব্যক্তি।

তেতিয়া আমি মঙলদৈ জিলা কৰ্মচাৰী পৰিষদৰ সভাপতিৰ দায়িত্বত। হঠাৎ মঙলদৈস্থিত ৰাষ্ট্ৰীয় পথ সংমণ্ডলটি কাছাৰলৈ বদলি কৰাৰ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিলে। সেই কাৰ্যালয়ৰ বিষয়া কৰ্মচাৰীৰ আবেদনত আমি সম্পাদক শ্ৰীসুৰেন্দ্ৰ বৰুৱা প্ৰমুখ্যে কেইজনমান কাৰ্যালয়টোৰ বদলি

স্থগিতকৰণৰ বাবে বিভাগীয় মন্ত্ৰী, বিষয়াক লগ কৰিব দিছপুৰলৈ গ'লো। প্ৰয়াত চিলভিয়াচ কন্দপান আছিল তেতিয়াৰ গড়কাপ্তানি মন্ত্ৰী। তেখেতকো লগ কৰিলো। বিভাগীয় মন্ত্ৰী বিষয়াৰ বিশেষ সহায়ৰ আশা নেদেখি সেই সময়ৰ বিধায়ক ডঃ জয়নাথ শৰ্মাক লগ কৰি গোটেইখিনি কথা ক'লো। তেখেতৰ দৰঙৰ প্ৰতি থকা দায়িত্ব বা মৰমৰ কাৰণে আমাৰ কথাখিনি উজু হ'ল। সুদূৰ কাছাৰৰ পাথাৰকান্দিলৈ অফিচটো নগ'ল। সেয়ে বিষয়টি বহলাই নকওঁ।

তেখেতৰ আপোন দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীত তেখেতে বিধায়ক হিচাপে কৰা সহায় তথা ব্যক্তিগতভাৱে কৰা সহযোগ প্ৰত্যেক্ষভাৱে পাই আজিও উপলব্ধি হয় ক'ৰবাত ক'ত কেনা লাগিল যে তেখেতৰ ৰাজনীতিৰ পথাৰখন হঠাৎ উকা হ'ল। সেয়া হয়তো অদৃশ্যজনৰ মানুহৰ জীৱনত দিয়া সফলতা আৰু বিফলতাৰ কাৰণ।

১৯৯৪-৯৫ চন। মই দুনী কৃষ্টি সংঘৰ সাধাৰণ সম্পাদক। ১৯৬২ চনতে নিৰ্মিত নাট্যমন্দিৰটি (যিটোৰ নিৰ্মাণৰ সময়ত সাধাৰণ সম্পাদক আছিল মোৰ প্ৰয়াত পিতৃ ডাঃ জয়দেৱ শৰ্মা) সময় উপযোগী নোহোৱা বাবে নতুনকৈ নিৰ্মাণ কৰাৰ একান্ত প্ৰয়াস আছিল। মই এদিনাখন ডঃ জয়নাথ শৰ্মা বিধায়কদেৱক যিজন পৰম শ্ৰদ্ধাৰ- যিজনক মই সদায় দাদা বুলি মাতো তেখেতক মোৰ মনৰ কথাখিনি ক'লো। তেখেতে মোক এখন সভা পতাৰ পৰামৰ্শ দি তালৈ তেখেতক মাতিব ক'লে। কথামতে কাম। সভা পাতিলো। মঙলদৈৰ দুজন বিশিষ্ট ব্যৱসায়ী শ্ৰীযুত চন্দ্ৰ কুমাৰ চক্ৰৱৰ্তী আৰু শ্ৰীযুত গোবিন্দ উপাধ্যায়কো সভালৈ আমন্ত্ৰণ দিলে। ড° জয়নাথ শৰ্মাদেৱ সময়মতে আহিল আৰু সভাত আমাৰ যোজনাকো স্বীকাৰ কৰি অত্যাধুনিক নাট্যমঞ্চ নিৰ্মাণৰ বাবে বিধায়ক পুঁজিৰ পৰা ১.৫০ লাখকৈ তিনিটা কিস্তিত ধন দিম বুলি ক'লে। প্ৰথম কিস্তি পালো। বিভিন্ন কাৰণত তেখেতেও পিচৰ কিস্তি দিব নোৱাৰিলে। বিষয়টি মোৰ লিখনিত অনাৰ কাৰণ, তেখেতৰ সাংস্কৃতিক জগতৰ প্ৰতি থকা দায়বদ্ধতা আৰু দুনীখন সজোৱাৰ চিন্তাৰ উদাহৰণ হিচাপে। অত্যাধুনিক নাট্যমঞ্চৰ প্ৰয়োজনীয়তা ক'ত তেখেতেই ভালদৰে উপলব্ধি কৰিছিল।

এইখিনিতে মই ব্যক্তিগত কথা এটা লিখিব খুজিছো। মোৰ সামাজিক কৃতকাৰ্যতাত ক্ষুণ্ণ হৈ কোনোবাই তেখেতক মঞ্চৰ ধন আত্মসাৎ কৰা বুলি লগাইছিল। সেয়ে সংঘৰ সদস্যক কথাটি কৈছিল। মই শুনিলো। মোৰ সামাজিক জীৱনত কলংক জাপি দিয়াৰ প্ৰয়াসক নস্যাৎ কৰি দিয়াৰ ধাৰণাৰে গোটেই জমা খৰচৰ বহী এখন বনাই, প্ৰমাণক সহিতে দুনীৰে এটি সজাতী দলৰ লগত যাওঁতে মই তেখেতে দিয়া ধনৰ গোটেই হিচাপ-নিকাচ নথি পত্ৰ তেখেতক দিলো। সত্যাসত্য নিৰূপণ কৰিব ক'লো। সুন্দৰ হাঁহি এটাৰে ক'লে- আজি মোৰ ১৫ বছৰীয়া বিধায়ক জীৱনত মই দিয়া ধনৰ হিচাপে আজিলৈকে কোনেও দিয়া নাই। তোৰ কাৰ্যক মই স্বীকাৰ কৰি ধন্যবাদ দিলো। সুন্দৰ টোকা এটাৰে গোটেইখিনি সামগ্ৰী মোক ঘূৰাই দিলে।

এইটো মোৰ জীৱনৰ ঘটনা যদিও এজন জ্ঞানী ব্যক্তিৰ আন এজনক কাম কৰি যোৱাৰ প্ৰেৰণা দিয়াৰ জ্বলন্ত উদাহৰণ। তেখেতক মানুহক বুজিব পৰা বা বুজিব চেষ্টা কৰাটো আমি সদায় লক্ষ্য কৰিছিলো। সেয়ে হয়তো আজিও ড° জয়নাথ শৰ্মাই গাঁৱৰ মাটিত খোজ পেলালে অগণন মানুহ সমবেত হৈ মাত এষাৰ দিয়াৰ ইচ্ছা কৰে। এইদৰে হয়তো বহু কথাই মই শ্ৰদ্ধেয় দাদাৰ বিষয়ে লিখি যাব পাৰো।

বহুতৰ দৃষ্টিত হয়তো আৰু বহু গুৰুত্বপূৰ্ণ কথা সন্নিৱিষ্ট হ'ব। পত্নীৰ অকাল বিয়োগত থমকি নপৰা ব্যক্তিজনৰ বিষয়ে হয়তো অসমৰ বিভিন্ন জনে লিখিব। লিখনি দীঘল নকৰো।

বিধান সভাৰ মজিয়াত সিংহ গৰ্জনেৰে গৰ্জি উঠা ড° জয়নাথ শৰ্মা সঁচাকৈয়ে জয়ৰ নাথ নাছিল জানো। প্ৰবল বাকচাতুৰ্য্য কৌশলপূৰ্ণ যুক্তিৰে বিধান সভাত অসম মাতৃৰ মংগল কামনা, নতুন সপোন দেখা ব্যক্তি ড° জয়নাথ শৰ্মা নাছিল জানো। প্ৰচণ্ড গতিৰে অসম আন্দোলন আগবঢ়াই নিয়াৰ নেতৃত্ব বহনকাৰী জনৰ দেহ-মনত নতুন অসম গঢ়াৰ কোবাল তেজৰ পৰিচয় আমি অসমবাসীয়ে পোৱা নাছিলো জানো। এজন শক্তিশালী ব্যক্তিৰ প্ৰতিভা মোৰ ক্ষুদ্ৰ লিখনিত কিদৰে প্ৰতিভাত কৰিম।

শেষত এযাৰ কথাই মোক আজিও তেখেতৰ দৰদী মনটোৰ কথা সোঁৱৰায়।

২২ ফেব্ৰুৱাৰী, ২০০৮ চন। ৰাতিপুৱা এটা ফোন আহিল। ধীৰেন ঘটনাটো তোৰনে ব্যাসপাৰাৰ ধীৰেণৰ। মোৰে দাদা উত্তৰত ক'লো। গোটেই খবৰবোৰ ল'লো। সেইদিনাখন বাতৰি কাকতত মোৰ পত্নীৰ বিয়োগৰ বাতৰিটো আহিছিল। শ্ৰদ্ধেয় দাদাই ভাতৃৰ প্ৰতি থকা মৰমত লগে লগে ফোন কৰিছিল। গতিকে মই কওঁ তেখেত সামাজিক জীৱনৰ নহয় মানুহৰ ব্যক্তিগত জীৱনৰো এজন প্ৰকৃত লগৰী।

দাদা কুশলে থাকক আমাক দিয়া কথাৰ অমূল্য শব্দবোৰ জীৱনৰ বীথিকা হওক। মৰম স্নেহ আৰু সৌহাৰ্দ্যতাৰ শিখৰত আৰোহণ কৰা ড° জয়নাথ শৰ্মা মোৰেই শ্ৰদ্ধেয় নহয় অসমৰ হাজাৰ হাজাৰজন অসমীয়াৰ বুকুৰ আপোনজন।

পৰম পিতা পৰমেশ্বৰে তেখেতক দীৰ্ঘায়ু কৰক। সুন্দৰ হাঁহি আৰু বলিষ্ঠ মাতত নিৰ্গত হওক তেখেতৰ প্ৰাণস্পৰ্শী দুৰন্ত ভাষ্য। যিয়ে জগাই তুলিব হাজাৰ হাজাৰ জনক পুনৰ নতুন ৰূপত।

❑❑❑

# জনপ্ৰিয় নেতা ড° জয়নাথ শৰ্মা

– কৰুণা কান্ত শৰ্মা

মানুহৰ গাত দেৱত্বই যেতিয়া বিৰাজ কৰিব তেতিয়া তেওঁ হৈ পৰে অলৌকিক শক্তিৰ অধিকাৰী। এই দেৱত্ব আৰু শক্তি দেখা যায় কিছু লোকৰ জীৱনভৰ নিহিত হৈ থাকে আৰু কিছু লোকৰ ক্ষন্তেকীয়া হৈ ভেকুলীৰ নেজ গাতে মাৰ যোৱাৰ দৰে নোহোৱা হৈ পৰে। দেৱত্ব বা শক্তি অটুট ৰাখিবলৈ হ'লে প্ৰয়োজন সততা ধাৰ্মিকতা, নৈতিকতা পৰোপকাৰিতা আৰু স্বাৰ্থহীনতা। এনেবোৰ গুণে একোজন লোকক শক্তিমন্ত কৰি তোলে। আমাৰ আজিৰ বক্তব্যৰ আদিমূল পুৰুষগৰাকীয়ে হৈছে অসম চৰকাৰৰ প্ৰাক্তন জলসিঞ্চন, চুক্তি ৰূপায়ণ তথা ৰাজহ মন্ত্ৰী ড° জয়নাথ শৰ্মা। যি গৰাকী ব্যক্তিৰ উদাত্ত কণ্ঠই অসম আন্দোলনৰ সময়ত অসম তথা ভাৰত চৰকাৰৰ বুকু কঁপাই দিছিল। এটা মাত্ৰ আহ্বানত হাজাৰ হাজাৰ লোক ওলাই আহিছিল ৰাজপথলৈ। চি. আৰ. পি., আৰক্ষীৰ গুলী বুকু পাতি ল'বলৈ উদগ্ৰ জনতাই ভয় কৰা নাছিল। তেনে এই গৰাকী নেতাই সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক হৈছিল আৰু সেই অসম আন্দোলনৰ নেতৃত্ব বহন কৰি পিছলৈ চাৰিবাৰকৈ ছিপাঝাৰ সমষ্টিৰ বিধায়ক ৰূপে প্ৰতিনিধিত্ব কৰি আৰ্থ সামাজিক দিশত সমষ্টিটোক ন ৰূপত সজাই অসমৰ ভিতৰত এক অনন্য ৰূপত গঢ় দিছিল।

মন্ত্ৰী স্বৰূপে ড° জয়নাথ শৰ্মা ঃ মই জনাত মন্ত্ৰী হিচাপে ড° জয়নাথ শৰ্মা এগৰাকী দূৰদৰ্শীশীল ব্যক্তি আছিল। ৰজাঘৰ, প্ৰজাঘৰ সকলোৰে কৰ্ম নিপুণতা, নিৰ্ভিকতা আৰু সদা সচেতনতাপূৰ্ণ লোক ৰূপে সমীহ তথা শ্ৰদ্ধা

কৰিছিল। তেখেতৰ বাকচাতুৰ্যতা আৰু প্ৰত্যুৎপন্নমতি গুণ ৰাশিৰ বাবে সৰ্বজন বিদিত আৰু সমাদৃত। অন্যান্য গুণ ৰাশিৰ লগতে সমষ্টিৰ মানুহবোৰৰ নাম মনত ৰখা ক্ষমতা অতি আচৰিত। বহু দিনৰ মূৰত কোনো এজন লোকক লগ পোৱাৰ লগে লগে নাম কাঢ়ি মতা কথাটোৱে সকলোকে আচৰিত কৰি তোলে। লগতে ফোন নম্বৰবোৰ মনত ৰখা ক্ষমতা আছিল অতি আচৰিত।

মন্ত্ৰী হিচাপে কোনো দিন কাৰো প্ৰতি পক্ষপাতিত্ব কৰা দেখা নগ'ল। সম দৃষ্টিৰে সম বিতৰণ তেখেতৰ এক ধৰ্ম। "জাত পাতৰ কথা নাই, হিন্দু-মুছলমান ভাই ভাই।" এই বহুল প্ৰচাৰিত আপ্ত বাক্য লৈ ৰূপান্তৰিত হোৱা বাক্যটিও ডঃ জয়নাথ শৰ্মাদেৱৰে সৃষ্টি। ইয়াৰ উপৰিও ঘৰে ঘৰে এটাকৈ চাকৰি দিয়া প্ৰস্তাৱটিও এখেতেই চৰকাৰৰ কেবিনটত হেনো দাঙি ধৰিছিল। অৱশ্যে এই ক্ষেত্ৰত সৰ্বাংগসে কৃতকাৰ্য নহ'লেও ছিপাঝাৰ সমষ্টিত যিমানবোৰ চাকৰি দিলে কোনেও এটকাও খৰচ কৰিবলগীয়া হোৱা নাছিল।

সমষ্টিৰ ৰাস্তা-ঘাট, দলং, অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে নব্যৰূপ লাভ কৰিছিল। আজিৰ উন্নত ছিপাঝাৰ সমষ্টিৰ ভেটি নিৰ্মিত হৈছে ডঃ জয়নাথ শৰ্মাৰ ভেটিৰ ওপৰত ভৰ দি বোলা কথাষাৰৰ সত্যতা আমিও স্বীকাৰ কৰিছো। অসমৰ এগৰাকী কেবিনেট মন্ত্ৰী হিচাপে সমগ্ৰ অসমতে যি হাৰত কাম কৰিলে আজিও মানুহৰ মুখে মুখে শুনা যায়। এখেতৰ দৰে কৰ্ম নিষ্ঠাৱান মন্ত্ৰী আজিও আমি বিচাৰো।

পণ্ডিত ড° জয়নাথ শৰ্মা ঃ যেনে পিতৃ তেনে পুত্ৰ বোলা কথাষাৰ এখেতৰ ক্ষেত্ৰত প্ৰযোজ্য। পিতৃ প্ৰয়াত পদ্মনাথ শৰ্মা এগৰাকী সাহসী আৰু জ্ঞানলব্ধ পণ্ডিত তথা ধৰ্মপৰায়ণ লোক আছিল। ঠিক তেনেদৰে ড° জয়নাথ শৰ্মাদেৱো এগৰাকী পণ্ডিত ব্যক্তি। তেখেতৰ সৈতে ব্যক্তিগত মুহূৰ্তবোৰত দেশ-বিদেশ তথা ধৰ্ম-কৰ্মবোৰৰ যথেষ্ট আলোচনা হৈ পাইছো। তেতিয়াই উমান পাওঁ ড° জয়নাথ শৰ্মাৰ অধ্যয়নপুষ্ট ব্যক্তিত্বৰ কথা। তেখেত এগৰাকী সব্যসাচী লোক। আপুনি আচৰিত হ'ব যে একেলগে দুয়োখন হাতেৰে সমানে লিখিব পাৰে। লগতে আন এক বিষয় মুখেৰেও কৈ যাব পাৰে। হাতৰ আখৰবোৰো

মুকুটা সদৃশ, বৰ সুন্দৰ। লেখনিৰাজিও পাণ্ডিত্বপূৰ্ণ। ড° জয়নাথ শৰ্মাদেৱে শৰীৰ চৰ্চাৰ ওপৰত বৰ গুৰুত্ব দিয়া দেখা যায়। আমাকো খাদ্যৰ ওপৰত যথেষ্ট জ্ঞানবৰ্দ্ধক কথাৰে সুমিষ্ট জ্ঞান দিয়ে। ফলাহাৰেৰে আজি দুই-তিনি বছৰৰ পৰা জীৱন নিৰ্বাহ কৰি আছে। যাৰ বাবে ৰোগবোৰ দূৰতে পলাই পটং দিছে।

তেখেতৰ পৰিয়ালটিৰ তেখেত পৰামৰ্শ দাতা। বিপদ-আপদত এগৰাকী সাহস হৈ থিয় দিয়া লোক। অৱশ্যে ৰাজনৈতিক বা অৰ্থনৈতিক দিশত কোনো দিন স্বজনপ্ৰীতি দেখা পোৱা নাযায়। জ্যেষ্ঠ ভাতৃ শ্ৰীখগেন্দ্ৰ নাথ শৰ্মাক তেখেতে পিতৃৰ তলতে স্থান দিয়া দেখা যায়। জীৱনৰ উপদেষ্টা ৰূপে মামাক প্ৰয়াত দেৱেন্দ্ৰ আচাৰ্য্যদেৱক মনা দেখা গৈছিল। তেখেতৰ পত্নী গৰাকী আছিল মহিমাৰে প্ৰোজ্জল এগৰাকী বিদূষী মহিলা। তেখেতক আজিও ভালদৰে পোৱা সকলে লক্ষী স্বৰূপা বুলি কয়। পুত্ৰ ডাঃ ৰণঞ্জয় শৰ্মা (ৰোহন) কন্যা শ্ৰীপ্ৰিয়ংকা শৰ্মা দুয়ো উচ্চ শিক্ষাৰে শিক্ষিত হৈ বৰ্তমান নিজা নিজা কৰ্মত ব্যস্ত। যেনে পিতৃ-মাতৃ তেনে সন্তান। দুয়ো কুলৰ গৌৰৱ ৰূপে খ্যাতিমন্ত হৈছে। তেখেতে যি পাণ্ডিত্বৰে সন্তান দুটিক মাতৃহাৰা অৱস্থাটো মাতৃৰ অভাৱ অনুভৱ কৰিব নিদিয়াকৈ শ্ৰেষ্ঠত্বৰ শাৰীত তুলিলে সঁচাই প্ৰশংসনীয়। পুত্ৰ ডাঃ ৰণঞ্জয় শৰ্মাদেৱে গুৱাহাটী মেডিকেল কলেজত এগৰাকী অধ্যাপক ৰূপে মানৱ সেৱা আগবঢ়াই আহিছে। এইটো তেখেতৰ বংশৰে নহয় ছিপাঝাৰ সমষ্টিৰ বাবেও গৌৰৱৰ বিষয়। পিতৃ ৰূপেও ড° জয়নাথ শৰ্মা কৃতকাৰ্য হৈছে।

আধ্যাত্মিক পুৰুষ ড° জয়নাথ শৰ্মা ঃ ড° জয়নাথ শৰ্মা এগৰাকী ধৰ্ম নিৰপেক্ষ লোক। তেখেত আধ্যাত্ম দিশৰ ফালৰ পৰা এগৰাকী জ্ঞান সমুদ্ৰ সদৃশ। সনাতন হিন্দু ধৰ্মৰ চাৰি বেদ, চৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণৰ জ্ঞান সমূদ্ৰত যেনেদৰে স্নাত ঠিক তেনেদৰে ইছলাম ধৰ্মৰ কোৰাণ হাদিছ আৰু চৰিয়ত সমূহ তন্নতন্নকৈ অধ্যয়ন কৰিছে। ঠিক তেনেদৰে খ্ৰীষ্টান ধৰ্মৰ বাইবেল আদিও পঢ়ি তাৰ গুৰুত্ববোৰ অধ্যয়ন কৰিছে। তেখেতে সন্ধ্যা গায়ত্ৰী নকৰাকৈ অন্নজল গ্ৰহণ নকৰে। নিৰ্বাচনৰ সময়ত বা আন কোনো সময়তো দেখা যায় গোসাঁই

সেৱা, সন্ধ্যা গায়ত্ৰী নকৰাকৈ বাহিৰলৈ নোলায়। তেখেতৰ ঘৰ বা নেৰিম আদি তথা বাসস্থানবোৰত ধৰ্মীয় গ্ৰন্থসমূহ ৰখা দেখা যায়। আৰু এক উল্লেখযোগ্য কথা হ'ল এয়ে যে বিভিন্ন দেৱ-দেৱীৰ তন্ত্ৰ-মন্ত্ৰ, মন্ত্ৰ কবচ আদি তামৰ, ৰূপৰ তথা সোণৰ পাতত ধুনীয়াকৈ লিখিত, অংকিত কৰি লৈছে। এই সকলোবোৰ তেখেতৰ কণ্ঠস্থ হৈ আছে। এগৰাকী নিয়মীয়া পুৰোহিতৰ যিমান মন্ত্ৰ মুখস্থ তাতকৈয়ো অধিক মুখস্থ দেখা যায়। ইছলাম ধৰ্মৰ কোৰাণৰো যিমানবোৰ কথা মুখস্থ আছে, দেখিলে তবধ মানিব লাগে। তেখেতৰ পিতৃদেৱৰ প্ৰতি থকা শ্ৰদ্ধা-ভক্তি সঁচাই মানিব লাগিব। নেৰিম কেইখনত একো একোটা ডাঙৰ স্থিৰচিত্ৰৰ সন্মুখত অখণ্ড প্ৰদীপ প্ৰজ্বলন কৰা আছে। সেই প্ৰদীপ জ্বলাবৰ বাবে একোজন পুৰোহিত নিয়োগ কৰিছে।

সৰ্বগুণাকৰ এই মহান পুৰুষ গৰাকীৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

❑❑❑

# কৰ্মোদ্যমী ড° জয়নাথ শৰ্মাৰ সান্নিধ্য

- বিজয় শংকৰ নাথ

এৰি অহা দিনবোৰৰ স্মৃতি ৰোমন্থনে জীৱনত প্ৰাণৰ সঞ্চাৰ কৰাৰ লগতে দুখৰ মাজতো কঢ়িয়াই আনে সুখ। নিষ্ঠা আৰু সততাৰে কৰি অহা কামবোৰৰ উপযুক্ত বিশ্লেষণ তথা মূল্যায়নে মানুহ এজনৰ ত্যাগ, কষ্ট আৰু অহোপুৰুষাৰ্থৰ স্বীকৃতিৰ লগতে প্ৰদান কৰা হয় সন্মান। লগতে উঠি অহা প্ৰজন্মৰ বাবে হ'ব সিয়েই প্ৰেৰণা তথা পথ নিৰ্দেশনা। মনিষীসকলে কোৱাৰ দৰে সুন্দৰ মাত-কথা, বিদ্যা-বুদ্ধি, সা-সম্পত্তিৰ অধিকাৰীজনেহে সন্মান লাভ কৰিব পাৰে। ধৈৰ্য, সহ্য, কষ্ট সহিষ্ণুতা, বাক-চাতুৰ্যতা, সাহস, কৰ্মদক্ষতা আৰু মানৱীয় প্ৰমূল্যবোধ থকাজনহে প্ৰকৃততে নেতাৰ যোগ্য। ড° জয়নাথ শৰ্মা তেনে এজন ব্যক্তি যি গৰাকী ব্যক্তি এই আটাইকেইটা গুণৰেই অধিকাৰী। মই তেখেতৰ বিশাল প্ৰতিভাৰ বিশ্লেষণ তথা মূল্যায়ন কৰিব বিচৰা নাই। ব'ঠা এপাতেৰে সাগৰৰ গভীৰতা জোখাৰ ধৃষ্টতা মোৰ নাই। মাত্ৰ তেখেতক লগ পোৱাৰ দিনৰে পৰা মনলৈ অহা ডুখুৰীয়া দুই-এটা স্মৃতিহে আওৰাব বিচাৰিছো।

বিদেশী বহিষ্কাৰ আন্দোলন ঃ "ৰথৰ চকৰি ঘূৰিছে, ঘূৰিবই। ইয়াক বাধা দি কোনেও ৰখাব নোৱাৰে।" এয়া আছিল ১৯৮০ চনৰ কোনোবা এটি দিনত দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা বিৰাট জনসভাত প্ৰদান কৰা তেতিয়াৰ ছাত্ৰ নেতা ড° জয়নাথ শৰ্মাৰ উদাত্ত ভাষণ। ১৯৭৯ চনৰ ৮ জুনত অসম বন্ধ কাৰ্যসূচীৰে আৰম্ভ হোৱা বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ত দৰং জিলা ছাত্ৰ সন্থাৰ পৰা সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য হিচাপে দুগৰাকী ছাত্ৰ নেতাই প্ৰতিনিধিত্ব কৰিছিল। তাৰে ভিতৰত এজন সন্মানীয় ড° জয়নাথ শৰ্মা আৰু আন গৰাকী আছিল মাননীয় শ্ৰীঅতুল

গোস্বামী। মাননীয় ড° জয়নাথ শৰ্মাদেৱে এই ছয় বছৰীয়া দীঘলীয়া আন্দোলনৰ সময়ত অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে হোৱা জনসভাবোৰত উদাত্ত ভাষণেৰে সকলোকে জাগ্ৰত কৰি তুলিছিল। তেখেতৰ ভাষণ শুনিবলৈ সকলো হিলদল ভাঙি আহিছিল আৰু 'জয় আই অসম' ধ্বনিৰে আকাশ-বতাহ কঁপাই তুলিছিল। আন্দোলনটি আৰু তীব্ৰতৰ কৰি তোলাৰ অৰ্থে গঠন হৈছিল স্বেচ্ছাসেৱক বাহিনী। তেখেত আছিল স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক। আঞ্চলিক ছাত্ৰ সন্থাবোৰতো স্বেচ্ছাসেৱক বাহিনী গঠন হৈছিল। সেইমৰ্মে দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়কৰ দায়িত্ব মোৰ ওপৰত ন্যস্ত হোৱাত তেখেতৰ পৰামৰ্শ মৰ্মে প্ৰতিখন গাঁও, প্ৰতিটো চুবুৰীত স্বেচ্ছাসেৱক বাহিনী গঠন কৰি পাৰদৰ্শী ব্যক্তিৰ দ্বাৰা প্ৰশিক্ষণৰ ব্যৱস্থা কৰাৰ উপৰিও আন্দোলনৰ সকলো কাৰ্যসূচীত ৰাইজৰ অংশগ্ৰহণ নিশ্চিত কৰিছিলো। সেই সময়ত তেখেত গ্ৰেপ্তাৰৰ পৰা হাত সাৰি থাকিবলৈ আত্মগোপন কৰি থাকিব লগীয়া হৈছিল। তেনে এটা পৰিস্থিতিত এবাৰ আমাৰ গাঁও (গভৰা)ৰ প্ৰয়াত তাৰক চন্দ্ৰ নাথৰ ঘৰত তেখেতৰ ডাঙৰ জোঁৱাই প্ৰয়াত ৰুদ্ৰ চহৰীয়া (মণ্ডলদৈ)ৰ সৈতে আহি কেইবাদিনো আত্মগোপন কৰি আছিলহি। সেই সময়ত তেখেতক আমি সংগ দিছিলো আৰু আন্দোলনটি আগুৱাই লৈ যোৱাৰ সম্পৰ্কত বহুতো আলোচনা কৰিছিলো। অৱশ্যে তাৰ মাজতো তেওঁ কেইবাবাৰো গ্ৰেপ্তাৰ হ'বলগীয়া হৈছিল। এবাৰ তেওঁক বেয়াকৈ পুলিচে শাৰীৰিক অত্যাচাৰ কৰাত হাত এখনত আঘাতপ্ৰাপ্ত হৈ পানবজাৰ মেডিকেলত (MMCH)ত চিকিৎসাধীন হ'বলগীয়া হৈছিল। আমি খা-খবৰ ল'বলৈ যোৱাত তেখেতে আমাক পুলিচ, চি. আৰ. পিলৈ ভয় নাখাবলৈ সাহস দিছিল আৰু কৈছিল বেছি দিনলৈ পুলিচ, চি. আৰ. পিৰ অত্যাচাৰ তিষ্ঠি নাথাকে। ছাত্ৰ সন্থা, গণ সংগ্ৰাম পৰিষদ আৰু অসমৰ ৰাইজে গণতান্ত্ৰিকভাৱে কৰা এই আন্দোলনত এদিন কেন্দ্ৰীয় চৰকাৰে স্বীকাৰ কৰিবই লাগিব বুলি দৃঢ়তাৰে কৈছিল। ১৯৮৩ চনৰ ২ ফেব্ৰুৱাৰীত বুঢ়া আৰক্ষী চকীত হোৱা গুলীচালনাত ২৬ জন মৌন প্ৰতিবাদকাৰী আঘাতপ্ৰাপ্ত হোৱাৰ উপৰিও দুনীৰ কুলেন্দ্ৰ শৰ্মা শ্বহীদ হৈছিল। আঘাতপ্ৰাপ্ত সকলক ক'ত

কেনেদৰে চিকিৎসা কৰাব লাগিব সকলো পৰামৰ্শ তেওঁ দিছিল। আৰু সেইমতে আমি দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ কৰ্মী সুৰেন্দ্ৰ বৰুৱা, অন্নদা ডেকা, ইউচুফ আহমেদ আদি সকলে চিকিৎসাৰ ব্যৱস্থা  কৰিছিলো। গম্ভীৰ কলিতা নামৰ এজন আন্দোলনকাৰীৰ আঘাত গুৰুতৰ হোৱাত উন্নত চিকিৎসাৰ বাবে তেওঁৰ পৰামৰ্শ মতে আৰু তেতিয়াৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি তথা পশ্চিম দৰঙৰ ছাত্ৰ নেতা শ্ৰীগজেন বড়াৰ সহযোগত সেই সময়ৰ অন্য এজন ছাত্ৰ নেতা শ্ৰীসুৰেন্দ্ৰ বৰুৱা আৰু মই (বিজয় শংকৰ নাথ) পাটনাৰ পপুলাৰ নাৰ্চিং হ'মলৈ লৈ গৈ উন্নত চিকিৎসা কৰাইছিলো। সেই সময়ৰ ছাত্ৰ সন্থাৰ সভাপতি মাননীয় শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক প্ৰয়াত ভৃগু কুমাৰ ফুকনদেৱে সকলো খৰচ বহন কৰাৰ উপৰিও সেই দিনকেইটাত প্ৰায়ে খা-খবৰ লৈ আছিল। ১৯৮৫ চনৰ ১৫ আগষ্টৰ পুৱতি নিশা কেন্দ্ৰীয় চৰকাৰৰ লগত চুক্তি স্বাক্ষৰিত হোৱাত বিদেশী বিতাৰণ আন্দোলনৰ পৰিসমাপ্তি ঘটে।

ৰাজনৈতিক পথাৰ ঃ অসম চুক্তি স্বাক্ষৰিত হোৱাৰ পিছত আৰু অসম গণ পৰিষদ নামেৰে নতুন আঞ্চলিক দলটিৰ চৰকাৰ হোৱাৰ পিছত এদিন তেখেতক লগ ধৰিবলৈ প্ৰাক্তন ছাত্ৰ নেতা শ্ৰীগজেন বড়া আৰু মই দিছপুৰলৈ গৈছিলো। তেতিয়া তেখেত দলৰ মুখ্য সচেতক। আমি গৈ পোৱাৰ লগে লগে তেখেতে আমাক দুয়োজনকে দলৰ কাৰ্যালয়লৈ লৈ গ'ল আৰু দলৰ তদানিন্তন সভাপতি মাননীয় শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ উপস্থিতিত দুয়োজনকে আঞ্চলিক দলটিত যোগদান কৰাই দিলে। তেতিয়াৰে পৰাই আমি গণ পৰিষদৰ লগত জড়িত হৈ পৰিলো। ১৯৮৫ চনৰ নিৰ্বাচনত তেখেত ছিপাঝাৰ বিধান সভা সমষ্টিৰ পৰা বিধায়ক হ'ল। পিছলৈ অসম চুক্তি আদি বিভাগৰ মন্ত্ৰী হ'ল। উক্ত বিধান সভা নিৰ্বাচনত আমি ছাত্ৰ সন্থাৰ মজিয়াৰ পৰাই আঞ্চলিক দলটিৰ সপক্ষে ভোটদান কৰিবলৈ ৰাইজক আহ্বান জনাইছিলো। ১৯৯১ চনৰ বিধান সভা নিৰ্বাচন। তেতিয়া বোনমাঝা গাঁও পঞ্চায়ৰ নিৰ্বাচনী সমিতিৰ সম্পাদকৰ দায়িত্ব মোৰ ওপৰত আছিল। তেতিয়া অবিভক্ত পঞ্চায়ত অৰ্থাৎ দুনী বুঢ়া আৰু বোনমাঝা পঞ্চায়ত মিলি এখনহে পঞ্চায়ত আছিল। পৰিষৰটো বৰ ডাঙৰ

আছিল। যেতিয়া তেখেত নিৰ্বাচনী প্ৰচাৰলৈ আহিছিল তেতিয়া মোৰ লগত থকা পুৰণা গাড়ীখনতেই তেখেতে বহি লৈছিল। লগত নিৰ্বাচনী সমিতিৰ সভাপতি প্ৰয়াত ভূমিধৰ শৰ্মা, প্ৰয়াত ললিত চন্দ্ৰ বড়া আৰু শ্ৰীদেৱকান্ত বৰুৱা। দিন-ৰাতি একাকাৰ কৰি প্ৰচাৰত নামি পৰিছিলো। আমাৰ লগত আৰু বহু মানুহ প্ৰয়াত ধনেশ্বৰ চহৰীয়া প্ৰয়াত ভূমিধৰ ডেকা, প্ৰয়াত হাচিম আলী, প্ৰয়াত থোকচেদ আলী, ৰমেশ নাথ, ৰমণী ডেকা, তনু ডেকা, মুকুল নাথ আদি। গজেন বড়া আৰু প্ৰয়াত খবিৰ আলী আমাৰ উপদেষ্টা স্বৰূপ আছিল। তেখেত য'তেই গৈছে ত'তেই শ শ মানুহ। এনে কি তেখেতৰ যাদুকৰী শক্তি আছে, মাজে সময়ে তেখেতক সমালোচনা কৰা সকলেও আহি জয়নাথ শৰ্মা জিন্দাবাদ, অসম গণ পৰিষদ জিন্দাবাদ আদি ধ্বনি দি সমদলত যোগদান কৰিছিল। সেইবাৰ বিপুল ভোটত জয়নাথ দা জয়ী হৈছিল। কিন্তু দুৰ্ভাগ্যৰ কথা হ'ল সেইবাৰ অগপ চৰকাৰ নহ'ল। কংগ্ৰেছ চৰকাৰ গঠন কৰিলে। জয়নাথ দাৰ ওচৰলৈ যোৱা মানুহৰ সোত কমি আহিল। কিন্তু মই প্ৰায়েই গৈছিলো। এদিন ৰাতিপুৱাতে বাতৰি কাকতখন হাতত লৈ ক'লে- বিজয়, বহুত চাকৰি ওলাইছে। মাষ্টৰ চাকৰি। তয়ো আবেদন কৰিবি। সেই মৰ্মে ময়ো চাকৰিৰ বাবে আবেদন কৰিলো আৰু তেওঁৰ কৃপাত এপইচাও নভৰাকৈ ঘৰৰ ওচৰতে চাকৰিটো পালো। ১৯৯৬ চনত পুনৰ অগপ চৰকাৰ হ'ল। তেখেত আকৌ মন্ত্ৰী হ'ল।

সামাজিক ক্ষেত্ৰত ঃ ১৯৯৮ চনত মই দুনী স্নাতক মহাদ্যিালয়ৰ গৰ্ভানিং ব'ডিৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিব লগীয়া হওঁ। তেখেতক ৰাইজে সভাপতিৰ দায়িত্ব অৰ্পণ কৰিলো। মোৰ ওপৰত গধুৰ দায়িত্ব আহি পৰিল। তেতিয়ালৈকে মহাবিদ্যালয়ৰ প্ৰয়োজনীয় মাটি, N.S.C. স্থায়ী গৃহ আদি হৈ উঠা নাই। প্ৰধানকৈ মাটিৰ সমস্যাটি সমাধান কৰাটো বৰ জটিল সমস্যা হিচাপে দেখা দিলে। কাৰণ ইতিমধ্যে মহাবিদ্যালয়ে দখল কৰা মাটিখিনি বহু বছৰ পূৰ্বেই ৰেচম বিভাগৰ নামত আবণ্টন হৈ আছে। বিভাগীয় কৰ্তৃপক্ষই মহাবিদ্যালয়ৰ নামত আবণ্টন দিব নোৱাৰে। এই বিষয়ে জয়নাথ দাৰ লগত

বিতংভাৱে আলোচনা কৰিলো। তেখেতে ক'লে, কাইলৈ তই মঙলদৈলৈ আহিবি। ময়ো মঙলদৈলৈ যাম। তাত উপায়ুক্ত মহোদয়ৰ লগত কথা পাতিম। সেই মৰ্মে পিছদিনা মঙলদৈলৈ গ'লো আৰু আবৰ্ত ভৱনত উপায়ুক্তৰ সৈতে আলোচনা কৰিলো। তেখেতে উপায়ুক্তক ক'লে যিহেতু ৰেচম বিভাগে ইমান দিনে মাটিটো ব্যৱহাৰ কৰা নাই, গতিকে সেই মাটিটো ৰেচম বিভাগৰ পৰা ঘূৰাই আনিব লাগে আৰু মহাবিদ্যালয়ৰ নামত পুনৰ আবণ্টন দিব লাগে। উপায়ুক্ত মহোদয় মান্তি হ'ল আৰু মহাবিদ্যালয়ৰ নামত ৪৫ বিঘা মাটি আবণ্টন দিলে। এদিন মহাবিদ্যালয়ৰ অন্যান্য বিষয়সমূহ আলোচনা কৰিবলৈ গৰ্ভানিং ব'ডিখন দিছপুৰলৈ মাতি পঠিয়ালে। প্ৰধানকৈ N.S.C.ৰ বিষয়টি আলোচনা হ'ল। তেখেতে ক'লে, বিজয় তই কিমানখিনি পাৰ যোগাৰ কৰ, বাকীখিনি মই দিম N.S.C.ৰ কাৰণে এক লাখ টকাৰ প্ৰয়োজন। মই মাত্ৰ ১৮ হাজাৰ টকা যোগাৰ কৰিলো। জয়নাথ দাই ক'লে, মই এক লাখ টকা দিম। সেই মৰ্মে এদিন দুনী মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীলোহিত চমুৱাদেৱৰ সৈতে গৈ কানাড়া বেংকত (গুৱাহাটী) এক লাখ ওঠৰ হাজাৰ টকাৰ এখন N.S.C.কৰা হ'ল। N.S.C.ৰ কাৰণে ধন দিয়া অন্য ব্যক্তি সকল হ'ল প্ৰয়াত কুলেন্দ্ৰ শইকীয়া, প্ৰয়াত পুষ্পৰাম বড়া, দেৱীৰাম নাথ, খিতেশ্বৰ কলিতা, তনু ডেকা, সৰলা প্ৰিয়া দেৱী আৰু বিজয় শংকৰ নাথ। মহাবিদ্যালয়খনৰ পাৰ্মিচনৰ কাৰণে আৰু এটা প্ৰধান অন্তৰায় হ'ল স্থায়ী গৃহ। তেতিয়ালৈকে মহাবিদ্যালয়খনৰ কোনো স্থায়ী গৃহ নাছিল। অস্থায়ীভাৱে টৰ্জাৰ ঘৰতেই ক্লাছ আদি কামবোৰ চলি আছিল। জয়নাথ দাই ক'লে, ঘৰৰ কাৰণে মই এক লাখ টকা দিম। এই ক্ষেত্ৰত ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সদস্য শ্ৰীকমলেশ্বৰ বৰুৱাদেৱেও যথেষ্ট সহায় কৰিছিল। মহাবিদ্যালয়ৰ এটি স্থায়ী গৃহ হৈ উঠাৰ পিছত Permission আদিৰ কাৰণে থকা প্ৰধান তিনিটা সমস্যা দূৰ হ'ল। কিন্তু মহাবিদ্যালয়খনৰ বাবে দুৰ্ভাগ্য। সেই সময়তে অসম চৰকাৰে সকলো বিদ্যালয়, মহাবিদ্যালয় Permission বন্ধ কৰি নিষেধাজ্ঞা (Moratorium) আৰোপ কৰিলে। গভৰা অঞ্চলৰ অনুষ্ঠান-প্ৰতিষ্ঠানসমূহলৈ তেওঁ প্ৰায়ে আহিছিল। বিশেষকৈ ধৰ্মীয় অনুষ্ঠান

দিপীলা-বোনমাঝা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উদ্যোগত অনুস্থিত হোৱা মহাপুৰুষ গুৰুজনাৰ জন্মোৎসৱ, গৰখীয়া সভাৰ বিভিন্ন কাৰ্যসূচীত তেখেতে প্ৰদান কৰা তত্বগধুৰ আধ্যাত্মিক ভাষণবোৰ ৰাইজে মন্ত্ৰমুগ্ধ হৈ শুনিছিল। শিক্ষাৰ দিশতো তেখেতে বহুমূলীয়া ভাষণেৰে ৰাইজক উদ্বোদ্ধ কৰিছিল। ২০০৫ চনত অনুষ্ঠিত হোৱা দিপীলা-বোনমাঝা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সোণালী জয়ন্তী মহোৎসৱত তেখেতে বিভিন্ন দিহা-পৰামৰ্শৰ লগতে আৰ্থিকভাৱেও সহায় কৰিছিল। উক্ত সোণালী জয়ন্তী মহোৎসৱৰ উদ্‌যাপন সমিতিৰ সম্পাদকৰ দায়িত্ব এই অভাজনৰ ওপৰতেই আছিল। ১৯৮৭ চনত প্ৰথম অগপ চৰকাৰৰ দিনত গভৰাত এখন আঞ্চলিক শিশু সমাৰোহ তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছিল। সমাৰোহলৈ তেখেতক নিমন্ত্ৰণ দিবলৈ যোৱাত তেখেতে ক'লে, মই মন্ত্ৰীকো লৈ যাম। সেই মৰ্মে তেতিয়াৰ সমাজ কল্যাণ মন্ত্ৰী মাননীয়া ৰেখাৰাণী দাস বড়ো, সমাজ কল্যাণৰ সঞ্চালিকা প্ৰয়াত শুচিব্ৰতা ৰায় চৌধুৰীক লগত লৈ সভাত উপস্থিত হ'ল। সেইদিনা আটাইকেইজনকে আমাৰ ঘৰতেই আপ্যায়ন কৰাৰ সৌভাগ্য হৈছিল। সেই স্মৃতি এতিয়াও সজীৱ হৈ আছে। দুনী মহাবিদ্যালয় বৰ্তমান দুনী চিনিয়ৰ চেকেণ্ডাৰী নামেৰে পৰিচিত বিদ্যালয়খনিৰো তেখেত আৰম্ভণিৰে পৰাই গৰ্ভানিং ব'ডিৰ সভাপতি হৈ আছিল। সেই সময়ত তেখেতে বিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে যথেষ্ট সহায় কৰিছল। জিলাৰ উপায়ুক্ত, বিভাগীয় মুৰব্বীসকলক লগত লৈ তেওঁ কেইবাবাৰো বিদ্যালয়ৰ সভা-সমিতিবোৰত ভাগ লৈছিলহি। এদিন গভৰা গাঁওৰ বিশিষ্ট ব্যক্তি শ্ৰীৰমেশ নাথদেৱক লগত লৈ তেখেতৰ ওচৰলৈ গৈ ক'লো, আমাৰ এটা বৰ অসুবিধা হৈ আছে, আটাইকেইখন স্কুল, কলেজৰ ল'ৰা-ছোৱালীৰ লগতে, গভৰা, জয়পুৰ, মালিবাৰীতাৰী, হেঙালপাৰা আদি গাঁওৰ মানুহখিনি দুনী কলেজৰ ওচৰত দিমীলা নদীৰ ওপৰত দলং এখন নথকাৰ বাবে বহুবাট ঘূৰি অহা-যোৱা কৰিব লাগে। এখন কাঠৰ দলঙৰ অতি প্ৰয়োজন। তেখেতে একাষাৰে ক'লে, হ'ব মই ফুটব্ৰীজ এখন বনাই দিম। কথা মতেই কাম। কেইদিনমান পিছতেই ফুটব্ৰীজখনৰ কাম আৰম্ভ হ'ল। তেখেত মন্ত্ৰী-বিধায়ক হৈ থকা অৱস্থাত যথেষ্ট

উন্নয়নমূলক কাম হৈছিল। বহুতো নিবনুৱা যুৱক-যুৱতীয়ে এপইচাও নভৰাকৈয়ে চাকৰি লাভ কৰিবলৈ সক্ষম হৈছিল। সকলো ক্ষেত্ৰতে তেখেতে নিষ্ঠা আৰু সততাৰে কামবোৰ কৰা আমি দেখা পাইছিলো। তেখেতক অলপ খঙাল যেন দেখিলেও তেখেতৰ অন্তৰখন বৰ কোমল, মৰমিয়াল আৰু সহানুভূতিশীল বুলি আমাৰ অনুভৱ হয়। তেখেতৰ লগত এৰি অহা দিনবোৰৰ সান্নিধ্য তথা স্মৃতিবোৰৰ কথা লিখি শেষ কৰাটো সম্ভৱপৰ নহ'ব। মুঠৰ ওপৰত ৰাজনৈতিক পথাৰখনত তেখেতে যি বিচক্ষণতাৰ পৰিচয় দাঙি ধৰিলে, শৈক্ষিক, সামাজিক উত্তৰণত তেখেতৰ যি বলিষ্ঠ পদক্ষেপ তাৰ বাবে তেখেত সদায় অনুকৰণীয় আৰু স্মৰণীয় ব্যক্তি হিচাপে পৰিগণিত হৈ ৰ'ব।

শেষত ধীৰ-স্থিৰ, গুৰু-গম্ভীৰ, অল্পভাষী প্ৰয়াত ড° অনিতা শৰ্মা বৰুৱা বাইদেউৰ স্বৰ্গগত আত্মাৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি শ্ৰদ্ধাৰ ড° জয়নাথ শৰ্মাদেৱৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰাৰ লগতে পৰিয়ালবৰ্গৰো মংগল কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

❑❑❑

# ৰথৰ চকৰি ঘূৰিছে, ঘূৰিবই...

– ক্ষিতিকান্ত শৰ্মা

"ৰথৰ চকৰি ঘূৰিছে, ৰথৰ চকৰি ঘূৰিছে, ঘূৰিবই" এই উদাত্ত কণ্ঠ সদৌ অসম ছাত্ৰ সন্থাৰ বলিষ্ঠ, বাগ্মী, নিৰ্ভীক, আপোচহীন ছাত্ৰ সন্থাৰ নেতা ড° জয়নাথ শৰ্মাৰ। যি গৰাকী ব্যক্তি পৰৱৰ্তী সময়ত অসম বিধান সভাত Tiger বুলি স্বীকৃত হৈছিল। অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ সময়ত নৱম শ্ৰেণীত অধ্যয়ন কৰি আছিলো। 'বিশাল গণ সমাবেশ' শব্দটো বিদেশী বহিষ্কৃত আন্দোলনৰ পৰাই অহা। য'তেই গণ সমাবেশ হ'ব বুলি গম পাওঁ ত'তেই ড° জয়নাথ শৰ্মা আহিব বুলি জানি ভাষণ শুনিবলৈ চাইকেল, ট্ৰাক, বাছ, খোজ কাঢ়ি শ শ মানুহ যোৱাৰ দৃশ্য আজিও মোৰ মানসপটত ভাঁহি আছে। কি অদ্ভুত যাদুকৰী ভাষণ, তেখেতৰ ভাষণৰ সময়ত লোকে লোকাৰণ্য হৈ পৰা বিশাল জনগণৰ মাজৰ পৰা তীব্ৰ চিঞৰ, জয়নাথ শৰ্মা জিন্দাবাদ, জয়নাথ শৰ্মা জিন্দাবাদ.... অসমৰ পৰা বিদেশী বহিষ্কাৰ হ'বই লাগিব। কেন্দ্ৰীয় চৰকাৰ হুচিয়াৰ, হুচিয়াৰ আদি তীব্ৰ জয়ধ্বনিৰ কণ্ঠস্বৰ। ৰাইজৰ মাজত গৰম তেজ ৰন্ধ্ৰে ৰন্ধ্ৰে প্ৰবাহিত হৈ যায়।

আন্দোলনৰ সময়ত দুনীৰ মাজেৰে ডাঙৰ ডাঙৰ বাছবোৰ বৰপেটা-গুৱাহাটীলৈ চলিছিল। আজিৰ দৰে যোগাযোগৰ ভাল ব্যৱস্থা নাছিল। কেইখনমান বাতৰি আহে। সিও নিৰ্দিষ্টকৈ বিশেষ বিশেষ মানুহে লয় ডাঃ জয়দেৱ শৰ্মাৰ ফাৰ্মাচীৰ পৰা। বাতৰি আহি পাওঁতে আবেলি পায়গৈ। আমি বাতৰিখন পঢ়িবলৈ বহু সময় অপেক্ষা কৰিব লাগে যদিও অপেক্ষা কৰাটো নিয়মত পৰিণত হৈছিল। বাতৰিখন লৈয়েই প্ৰথমে আন্দোলনৰ

বাতৰিবোৰ পঢ়ো আৰু ডঃ জয়নাথ শৰ্মাৰ ভাষণ বা নামটো পালে সেই বাতৰিখনৰ বাতৰিটো কাটি সংৰক্ষণ কৰিছিলো। মোৰ জীৱনত বহুতো ধুমুহা পাৰ হৈ গৈছে। যদি ধুমুহাবোৰ নাহিলহেঁতেন ৰাখি থোৱা সেই বাতৰিৰ অংশসমূহ এই অভিনন্দন গ্ৰন্থত প্ৰকাশ কৰিলে মই সুখ অনুভৱ কৰিলোহেঁতেন। ডঃ জয়নাথ শৰ্মাৰ বিভিন্ন সময়ত কাৰাবাস খটা বা আন্দোলনত চৰকাৰী ভেৰোণীয়া গুণ্ডাই কৰা অত্যাচাৰৰ বাতৰিবোৰ BBC ৰ জৰিয়তে ৰেডিঅ'ত শুনিবলৈ পাইছিলো। এই মহান বিপ্লৱী গৰাকীৰ নামটো বাতৰি কাকত বা ৰেডিঅ'ত শুনাৰ পিছত ৰাইজৰ য'তেই সমাগম হয় ত'তেই আলোচনাৰ বিষয়বস্তু হৈ পৰিছিল।

অসম চুক্তি ৰূপায়ণৰ পিছত গোলাঘাটত অসম গণ পৰিষদৰ জন্ম হ'ল। আঞ্চলিক দলৰ চৰকাৰ হ'ল আৰু তেখেতৰ দলটো সঠিক দিশত আগবঢ়াই নিবলৈ দলৰ মুখ্য সচেতক পাতিলে। পিছলৈ ৰাজহ বিভাগৰ কেবিনেট মন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰিলে। দলে পুনৰ প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত হোৱা দ্বিতীয়বাৰ মন্ত্ৰী সভাত শৰ্মাদেৱক অসম চুক্তি ৰূপায়ণৰ দায়িত্ব অৰ্পণ কৰিলে। তেখেতে দায়িত্ব গ্ৰহণ কৰিয়েই চুক্তি দফাসমূহৰ ৰূপায়ণৰ বাবে উঠি পৰি লাগিল যদিও বিভিন্ন ৰাজনৈতিক দলৰ বাধা আহি পৰিল আৰু বিভিন্ন ধৰণে চুক্তি ৰূপায়ণত কিছু দফা কাৰ্যকৰী কৰিবলৈ সক্ষম হ'ল। জয়নাথ শৰ্মা চুক্তি ৰূপায়ণৰ মন্ত্ৰী হৈ থকা সময়ত বিদেশী বহিষ্কৰণৰ কাৰণে আইনী বাধা-বিঘিনী আহি পালে যদিও চেষ্টাৰ ত্ৰুটি কৰা নাছিল। তেখেত মন্ত্ৰী হৈ থকাৰ সময়ত নিজ জিলাখনৰ লগতে সমগ্ৰ ৰাজ্যখনৰ বাবে ন ন দিশত সু-উচ্চ চিন্তা ধাৰণাৰ প্ৰতিফলন পিচৰ পৰ্যায়ত দেখিবলৈ পোৱা যায়।

আধ্যাত্মিক দিশৰ প্ৰতি যদি লক্ষ্য কৰা যায় তেখেতৰ আধ্যাত্মিক চিন্তা-চৰ্চা, সু-উচ্চ এভাৰেষ্ট শৃংগৰ দৰে। শাক্ত, বৈষ্ণৱ মহাপুৰুষীয়া, সংখ্যালঘুসকলৰ বিভিন্ন ধৰ্ম অনুষ্ঠানত তেখেতৰ ভাষণে হাজাৰ হাজাৰ প্ৰজাক মোহাচ্ছন্ন কৰি ৰাখিছিল। আধ্যাত্মিক ভাষণৰ জৰিয়তে সমাজখনক একতাৰ ডোলেৰে বান্ধি ৰাখিব পৰা তেখেতৰ একক অনন্য শক্তি।

ড° জয়নাথ শৰ্মাৰ ৰাজনৈতিক জীৱনৰ এটা দিশ উল্লেখ নকৰিলে পাপে চুব। সমষ্টি তথা জিলাখনৰ লগতে অঞ্চলৰ বিভিন্ন সমস্যা লৈ অন্যান্য মন্ত্ৰীসকলৰ ওচৰলৈ গ'লে আমাক সোধে কোন সমষ্টিৰ পৰা আহিছো। ছিপাঝাৰ সমষ্টিৰ পৰা আহিছো বুলি ক'লে যি গুৰুত্ব দিয়ে আজিও মনত পৰিলে মই নষ্টালজিক হৈ পৰো।

শেষত পৰিৱৰ্তিত ৰাজনীতিৰ মেৰ পাকত এজন প্ৰসিদ্ধ ৰাজনৈতিক, শিক্ষাবিদ, সাহিত্যিক, সমাজ সংগঠক জনপ্ৰিয় নেতা ৰাজনৈতিকভাৱে কিছু বঞ্চিত হৈছে যদিও ৰাইজে যি ধৰণে বিচাৰে আজিও সেই সুফল পাব।

হে মহান কৰ্মযোগী, আপোনাৰ জীৱনৰ সাহসিকতাৰ চানেকি উত্তৰপুৰুষৰ বাবে অনুকৰণীয়। আপুনি যুগ যুগ ধৰি ছিপাঝাৰবাসীৰ লগতে প্ৰতিটো সংগ্ৰামী সত্বাৰ উজ্জ্বল নক্ষত্ৰ হৈ সদায় আছিল, আছে আৰু থাকিব। মই আপোনাৰ সু-স্বাস্থ্য কামনা কৰাৰ লগতে  সহধৰ্মিণী প্ৰয়াত ড° অনিতা শৰ্মা বৰুৱাৰো স্বৰ্গগত আত্মাৰ প্ৰতি চিৰশান্তি  কামনা কৰিলো। লগতে পুত্ৰ, জী-জোঁৱাই, নাতি-নাতিনীৰ প্ৰতি মোৰ সদায় মৰম, শুভ কামা অটুট থাকিব। পুনৰবাৰ আপোনাৰ উজ্বল ভৱিষ্যত কামনা কৰি প্ৰভু ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাই হাতী মাৰি ভুৰুকাত ভৰোৱা লিখনিটো সামৰণি মাৰিলোঁ।

❑❑❑

# বিশাল ব্যক্তিত্বৰ পৰশ পোৱা দিনবোৰ

- গজেন বড়া

ইং ১৯৭৪ চনত খাদ্য সমস্যাৰ বাবে আন্দোলন চলিছিল। তেতিয়া আছুৰ দ্বাৰা জিলা ছাত্ৰ সন্থা, আঞ্চলিক ছাত্ৰ সন্থাসমূহক কাঢ়া নিৰ্দেশ দিলে যে প্ৰতিখন আঞ্চলিক ছাত্ৰ সন্থাই জিলা সীমাত চোকা নজৰ দিব লাগে। এখন জিলাৰ পৰা অন্য এখন জিলালৈ কোনো বস্তু আদান-প্ৰদান কৰিব নোৱাৰে। বিশেষকৈ খাদ্য সামগ্ৰী। সেয়ে মঙলদৈ জিলা ছাত্ৰ সন্থাৰ নিৰ্দেশত দুনী আঞ্চলিক ছাত্ৰ সন্থাই চোৰাংভাৱে গৰু গাড়ীৰে নিব বিচৰা ধানসমূহৰ বাবে প্ৰতিবন্ধক দিবলৈ সিদ্ধান্ত লৈ দৰং-কামৰূপৰ মুখ্য যাতায়তী পথ দুনীতে কেইবাখনো ধান লৈ যাব বিচৰা গাড়ী বন্ধ ৰখা হ'ল। তেতিয়াই চোৰাং বেপাৰী আৰু ছাত্ৰ সন্থাৰ কৰ্মীৰ মাজত গণ্ডগোল লাগিল। আৰু বেপাৰীবোৰে দৰং জিলাৰ তেতিয়াৰ সদৰ তেজপুৰত S.P.ক জনাই দিলে যে, দুনীত যোৱা নিশা ডকাইত হৈছে আৰু ধানৰ গাড়ী ভাঙি দিছে। সেয়ে উক্ত ঘটনাৰ তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ বুঢ়া আৰক্ষী চকীক দায়িত্ব দিয়াত আমাৰ ৪-৫ জন ছাত্ৰ কৰ্মীৰ ওপৰত গোচৰত নাম পৰিল। আমাক বিচাৰি পুলিচ আহিল। তেতিয়াই আমি মঙলদৈ জিলা ছাত্ৰ সন্থাৰ সভাপতি সম্পাদকক লগ কৰিবলৈ গৈছিলো। মঙলদৈ ছাত্ৰ সন্থাৰ সভাপতি আছিল ডঃ জয়নাথ শৰ্মা আৰু সম্পাদক আছিল প্ৰয়াত জুৰণ কলিতাদেৱ। তেতিয়া সভাপতি অৰ্থাৎ শৰ্মা ডাঙৰীয়াই ক'লে যে যাক যাক পুলিচে ধৰিছে ধৰিব দিয়া, মই সকলোকে মোকলাই আনি দিম। চিন্তা কৰিব নালাগে। এতিয়া তোমালোক যোৱা বুলি আমাক

বিদায় দিছিল। সেই সময়ত শৰ্মা ডাঙৰীয়াই মঙলদৈ চহৰৰ মাজমজিয়াত পুলিচ প্ৰশাসনক গালি পাৰি ভাষণ দিয়া শুনি আমি অবাক হৈছিলো। কিয়নো সেই সময়ত পুলিচেৰে টাউন ভৰি আছিল, আমি সেই সাহসটোক ধন্য মানিছিলো। কিন্তু আমাক পুলিচে একো নকৰিলে। সেই সময়ত মোৰ পূজনীয় দেউতা প্ৰয়াত মহীৰাম বড়াদেৱে থানাত গৈ আমাক সহায় কৰি দিছিল। উক্ত গোচৰত মোৰ নাম সাঙোৰ খাইছিল। ছাত্ৰ নেতা হিচাপে তেতিয়াৰ পৰাই ডঃ জয়নাথ শৰ্মাৰ প্ৰতি শ্ৰদ্ধা আছিল অসীম।

দিনবোৰ গৈ থাকিল। এনেতে ভাৰতৰ জৰুৰীকালীন অৱস্থা। ছাত্ৰ সন্থা প্ৰায় নিস্ক্ৰিয় হ'ল যদিও চেগা চেৰেগাকৈ সন্থাৰ কাম চলি আছিল। তাৰ পিছতে আহিল অসমৰ বিদেশী বহিষ্কাৰ আন্দোলন। বিদেশীৰ ক্ষেত্ৰত মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ খালী হোৱা আসনৰ নিৰ্বাচন, ভোটাৰ তালিকা শুধৰণিৰ আসোঁৱাহ, সেয়ে মঙলদৈ জিলা ছাত্ৰ সন্থাই অগ্ৰদূত কাকতত ভোটৰ তালিকা শুদ্ধ নোহোৱাকৈ নিৰ্বাচনত বিৰোধিতা কৰাৰ বিবৃতি ওলোৱাত সদৌ অসম ছাত্ৰ সন্থাই তেজপুৰ দৰং কলেজত বহা আছুৰ সাধাৰণ সভাই আন্দোলন গুৰুত্ব সহকাৰে লোৱাত উক্ত সভালৈ যোৱাৰ সৌভাগ্য মোৰ হৈছিল। তাতো তেওঁ সুন্দৰ ভাষণ দি মানুহক আপ্লুত কৰিছিল। তেতিয়া সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি মঃ নেকিবুৰ জামানৰ লগত লগা গঠনমূলক তৰ্কাতৰ্কীৰ চাক্ষুক বহন কৰিছিলো মই। আন্দোলনৰ গণ সমাবেশসমূহত শৰ্মা ডাঙৰীয়াই আমাৰ দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ বিভিন্ন ঠাইত ভাষণৰ সময়ত কৈছিল -ৰথৰ চকৰী ঘূৰিছে। আন্দোলনৰ চকৰীও তীব্ৰৰ পৰা তীব্ৰতৰভাৱে চলিব। মোক সঁচাকৈয়ে সেই কথাবোৰে বাৰুকৈয়ে আপ্লুত কৰিছিল। ভাষণ শুনি সেই সময়ত গাৰ নোম শিয়ৰি উঠিছিল। আৰু আমাক সাহস দিছিল। গম পাইছিলো যে তেখেতে মোক খুব ভাল পাইছিল। কাৰণ আন্দোলনৰ প্ৰতিটো কাৰ্যসূচীত দুনী আঞ্চলিক ছাত্ৰ সন্থাই (অবিভক্ত) কোনো দিনে পিছ হোহোকি অহা নহ'ল। তেখেতৰ লগত বৰপেটা, নলবাৰী আদিত দুৰ্গতলোকৰ সাহায্যৰ বাবে গৈছিলো। নিশা বৰপেটা MIC কলেজত থকা

হৈছিল। মঙলদৈ জিলা ছাত্ৰ সন্থাৰ সঁজাতি দল হিচাপে তেখেতৰ লগত আছিলো। সেই সময়ত দুনীলৈ যাতায়ত ব্যৱস্থা পুতৌ লগা আছিল। এবাৰ মঙলদৈত স্বেচ্ছাসেৱক বাহিনীৰ মিটিঙত থাকি নিশা ১১ বাজিল, মোৰ গাড়ী নাই, তেতিয়া শৰ্মা ডাঙৰীয়া ইতিমধ্যে তেজপুৰ যাব ওলাইছে। মোৰ সমস্যাক লৈ তেখেত বিমোৰত পৰিল আৰু মোক তেখেতৰ লগত তেজপুৰলৈ লৈ যাব বিচাৰিলে যদিও মই অমান্তি হ'লো। যাৰ ফলত নেকি আছুৰ নেতৃবৃন্দৰ লগত দ্বিগেন বৰা, ধ্ৰুৱ বৈশ্যহঁতৰ লগত গুৱাহাটী পঠাই দিছিল, তেখেতৰ মোৰ প্ৰতি থকা মৰম আৰু দায়িত্ব দুয়োটাই ব্যৱহাৰ কৰাত মই আচৰিত হৈছিলো। পিছদিনা মোক আছুৰ নেতৃত্বত গাড়ী ভাড়া কৰি দুনীলৈ পঠাই দিছিল। আকৌ এবাৰ আমি তেজপুৰত তেখেতক লগ কৰিব গৈছিলো, তেখেতৰ ৰুমত 'মহা ভৈৰৱী'ত ৰাতি থাকিলো। সেইদিনা গোটেই ৰাতিটো আমি শুই থাকিলো আৰু তেখেতে ওৰে ৰাতিটো অধ্যয়ন কৰিয়ে পোহৰ কৰি দিলে যেহেতু তেখেতে বি. কম. পৰীক্ষা দিব দৰং কলেজত। সেইবাবে ৰাতি শোৱাৰ পৰা বিৰত থাকিল। তেখেতৰ প্ৰতিটো কামতে মনোযোগ দিছিলো যদিও নিজে এটাও কাৰ্যত প্ৰতিফলিত কৰিব পৰা নাই যেন অনুভৱ কৰো।

মোৰ জীৱন গঢ়া ক্ষেত্ৰত তেখেতে সুধিছিল, গজেন তই ৰাজনীতি কৰিবি নে ঠিকা কৰিবি? নে চাকৰি কৰিবি? তেতিয়া মোৰ অদূৰদৰ্শীতাৰ বাবে একো সঠিক উত্তৰ দিব নোৱাৰাৰ ফলত আজি মৰ্মে মৰ্মে উপলব্ধি কৰিছো। এবাৰ-দুবাৰ নহয় তিনিবাৰকৈ মোক চাকৰি যাচিছিল, ১৯৮৭ চনত, ১৯৯০ চনত আৰু ১৯৯৮ চনত। কিন্তু মোৰ জীৱন গঢ়াত সিদ্ধান্ত লোৱাত ভুল হৈ গ'ল। যি ভুলৰ শুধৰণি এই জীৱনত পুৰণ নহয়। লিখিতভাৱেও স্বীকাৰ কৰিলো।

কিন্তু মোৰ কথা মতে তেখেতে বহু কেইজনমান আন্দোলনকাৰীক চাকৰি দিয়াও নজিৰ আছে। মোৰ ককাইদেউৰ চাকৰি তেখেতৰ জৰিয়তে হৈছিল ১৯৮৪ চনত। তেখেতে কাগজ-পত্ৰখিনি গুৱাহাটীত লৈ মাতিছিল। ময়ো তেখেত থকা ঠাইলৈ লৈছিলো। মইহে জানিছিলো তেখেত থকা ঠাইখিনিৰ

কথা। যেহেতু তেখেতক পুলিচে বিচাৰি ফুৰিছিল। ইমানৰ মাজতো মোক লৈ ৰিক্সাৰে মেডিকেল সঞ্চালকালয়, হেঙেৰাবাৰীলৈ লৈ গৈছিল আৰু অফিচাৰক কৈছিল, ‘এওঁ মুক্তি যুঁজাৰু মহীৰাম বড়াৰ ল’ৰা। এওঁৰ ককাইয়েক চন্দ্ৰ মোহন বড়াক যিকোনো প্ৰকাৰে এটি চাকৰি দিব লাগে।’ অৱশ্যে কথা মতে কাম হৈছিল। অফিচাৰে সুধিছিল, ‘আপুনি জয়নাথ শৰ্মাক কিয় ক’লে?’ মই কৈছিলো যে তেখেত মোৰ অভিভাৱক।

এদিনৰ কথা জয়পুৰত বিজুলী ব্যৱস্থা লাগে বুলি কোৱাত হ’ব বুলি ক’লে, কিন্তু জয়পুৰৰ বিজুলী খুঁটা জয়ন্তীপুৰলৈ লৈ গ’ল। তেখেতে ক’লে ,‘জয়ন্তীপুৰৰ কামটোও হৈ গ’ল। জয়পুৰৰ কামটোও হৈ যাব চাবাচোন।’ তেতিয়া তেখেতে মোক তেখেতৰ গাড়ীত উঠাই লৈ মুখ্য অভিযন্তাৰ কাৰ্যালয় পোৱালেগৈ। মোৰ সন্মুখতে অভিযন্তাক দম দি ক’লে যে জয়পুৰত এতিয়ালৈ বিজুলীৰ খুঁটা দিয়া নাই যে? অভিযন্তাই তপৰাই ক’লে দিয়া বুলি। পুনৰ ক’লে যে এওঁ সেই গাঁৱৰ বাসিন্দা হয়। স্থানীয় ছাত্ৰ সন্থাৰ সভাপতি। তেতিয়া অভিযন্তা গৰাকীয়ে ক’লে ,‘ ঠিক আছে ছাৰ,আজিৰ ভিতৰত পেলোৱা হ’ব।’ কথা মতে কাম হৈছিল।

অসম চুক্তি হোৱাৰ পিছতো বিধায়ক হোৱালৈ বহুত কথাতে জড়িত আছিলো। তেখেত বিধায়ক হোৱা বাবেই হয়তো মোক কেইবাখনো চৰকাৰী সমিতিৰ সদস্য কৰি দিছিল। বিশেষকৈ Employment Ex. ৰ সমিতিৰ সদস্য, অ’. বি. চি. Development ৰ সদস্য, পশ্চিম মঙলদৈ মাদক দ্ৰব্য নিবাৰণীৰ সভাপতি, পৰিষদৰ সভাপতি, মঙলদৈ মহকুমা বানপানী কমিতিৰ সদস্য, বিদ্যালয়সমূহত বিধায়কৰ মনোনীত সদস্য আদিত। আন্দোলনৰ নিৰ্যাতিত ব্যক্তিক মোৰ পৰামৰ্শ মতে চৰকাৰী চাকৰি দিছিল কিয়নো মই ছয় বছৰীয়া অসম আন্দোলনৰ কালছোৱাত দুনী অবিভক্ত দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতিৰ দায়িত্বত আছিলো। তেখেতৰ পৰা মই বহুতো জ্ঞান লাভ কৰিছিলো। তেখেত সদায় ধুম পানৰ বিৰোধী আছিল। আৰু মোকো বহুতো গালি-গালাজ পাৰি কৈছিল, বেয়া বস্তু নাখাবলৈ। মই আগতে বহুতো চিগাৰেট

খাইছিলো। তেখেতৰ শাসন আৰু সাহসৰ প্ৰতিটো মুহূৰ্ত, বুদ্ধি আচলতে শলাগ ল'ব লগীয়া। খোৱা-লোৱাৰ ওপৰতো গুৰুত্ব নিদিয়া নহয়। সদায় ভাল খাদ্য খাব লাগে বুলি মোক কৈছিল।তেখেতৰ কেইটামান বিশেষ কথা মোৰ মনত আজিও সজীৱ হৈ আছে।

উত্তৰ কামৰূপৰ আন্দোলনৰ দুৰ্গত লোকক সহায় কৰিবলৈ মঙলদৈ চহৰত ছাত্ৰ সন্থাৰ এটি দলে কাপোৰ, লেপ, কম্বল মুষ্টিভীক্ষা খুজিছিলো। সেইদিনা তেখেতৰ বুদ্ধি, কথাৰ যুক্তিত প্ৰত্যেক সামগ্ৰীৰ যোগান ধৰিছিল। পিছদিনা বাছ যোগে সেইবোৰ লৈ বৰপেটা মহকুমাৰ কাৱৈমাৰী অঞ্চলত গৈছিলো নিশা হোৱাত বৰপেটা এম. চি. কলেজত থাকিব লগীয়া হৈছিল।

পিছদিনা মোক ৰিক্সাত উঠাই লৈ যায়, বৰপেটাৰ কীৰ্তনঘৰ চাবলৈ। যাওঁতে বাটত আধা পকা মালভোগ কল এক আখি আৰু দুটা ফুলকবি কিনি মোক এটা খাবলৈ দি তেখেতেও এটা খাবলৈ লৈছে। সেই দৃশ্য দেখি মই আচৰিত হৈছিলো। মোক কৈছিল- নাৰান্ধি চোবাই খোৱাও অভ্যাস কৰিব লাগে। কোনে জানে কেতিয়া ক'ত কি পৰিৱেশৰ মুখামুখি হৈ যাব লাগে। অৱশ্যে মই গোটেইখিনি খাব নোৱাৰিলো। তেখেতে নেদেখাকৈ পেলাই দিছিলো। অৱশ্যে আজিকালিৰ সকলো ফুলকবি তেনেকৈ খোৱা সম্ভৱেই নহয়।

আন এদিনৰ কথা। ১৯৮৪ চনত অবৈধ চৰকাৰে অন্যায় কৰি মোৰ ককাইদেউ বুলি জানি চাকৰিৰ লিষ্টৰ পৰা নাম কাটি দিছিল। কাৰণ মই তেতিয়া দুনী আঞ্চলিক সভাপতি বুলি জানিছিল। তেতিয়া পুনৰ তেখেতক চাকৰিৰ লিষ্টৰ পৰা বাদ পৰা খবৰটো দিবৰ বাবে লগ কৰিব যোৱা কথা আজিও মনত জলজল-পটপটকৈ আছে। Health Education চাকৰি আবেদনখন তেখেতে নিজে লিখিবৰ বাবে মোক, মোৰ কলম খুজিছিল, মই মোৰ কলম নাই বুলি কোৱাত এনেভাৱে গালি দিছিল, মই উত্তৰ দিব পৰা নাছিলো। কৈছিল যুদ্ধ ক্ষেত্ৰলৈ আহিছা হাতত কোনো তৰোৱাল কিম্বা সজুলি নোহোৱাকৈ। জীৱনত এনে ভুল কোনো দিন নকৰিবি। ইতিমধ্যে তাত আছুৰ তিনিজনীয়া

দল এটিও উপস্থিত আছিল। তেখেতসকলৰ আগতে মোক শুদ্ধ ভাষাত গালি-গালাজ দিয়া কথা আজিও পাহৰিব পৰা নাই। সেই কথা মনত ৰাখি এতিয়া পিছে মই কলম বিহীন খোজ এটাও দিব নোৱাৰাৰ লেখিয়া। য'তে ওলাই নাযাওঁ কিয় চোলাৰ জেপত কলম, ফনি লোৱাটো মোৰ অভ্যাস। তেতিয়া তেখেতে এটা কাহিনী কৈছিল, অৰ্থাৎ আসাম ট্ৰিবিউনত হেনো বাতৰিটো ওলাইছিল।ইং ১৯৭১ চনৰ ভাৰত-পাকিস্তানৰ যুদ্ধত বাংলাদেশ স্বাধীন হোৱাৰ সময়ৰ কথা। যিদিনা পাকিস্তানৰ বাহিনীয়ে ভাৰতীয় বাহিনীৰ হাতত পৰাজয় স্বীকাৰ কৰি ৯৯ হাজাৰ সৈন্যই হাত দাঙিলে, তেতিয়া এখন পৰাজয়ৰ চুক্তি হৈছিল। সেই চুক্তিত চহী কৰিবলৈ আমাৰ সেনা মেজৰ জেনেৰেলৰ চহী কৰিব লগা কাগজত চহী কৰিবলৈ তেখেতৰ হাতত কলম নাছিল, তেতিয়া অতি লাজ লগাকৈ পাকিস্তানী হাত দাঙি থকা সেনাৰ পৰা কলম আনি চহী কৰিব লগা হোৱা কথা সেই সময়ৰ ভাৰতৰ আগশাৰীৰ বাতৰি কাকতবোৰে প্ৰকাশ কৰি ভাৰতীয় সেনাক ধিক্কাৰ দি বাতৰি প্ৰচাৰ কৰিছিল। কিয়নো ইমান ডাঙৰ সেনা বাহিনীৰ মুৰব্বী হৈ সাধাৰণ কলম এটাও লগত নাছিল। পৃথিৱীৰ অন্য কাকত বিলাকতো এই বাতৰি পৰিৱেশন হৈছিল। এটা সৰু কথাৰ কাৰণে ভাৰতবৰ্ষ লজ্জিত হ'ব লগা হৈছিল। মোৰ আৰু বুজিবলৈ বাকী নাছিল। বিষয়টো যে মোক উদ্দেশ্যে কৰি কৈছিল, মোক কৈছিল, তই যুদ্ধ ক্ষেত্ৰত আহিছা, কিন্তু ৰণৰ আহিলা অনা নাই অৰ্থাৎ কলম অনা নাই। তেতিয়া আন এটা কলম উলিয়াই আবেদনখন লিখি মোক উজান বজাৰৰ পৰা হেঙেৰাবাৰীলৈ লৈ গৈছিল। ৰিক্সাৰে দুয়ো গৈছিলো যদিও তেখেতে ভয়ো খাই আছিল। কাৰণ পুলিচে বিচাৰি ফুৰিছিল তেখেতক। অৱশ্যে ককাইদেউৰ সেই আবেদনতহে চাকৰি পাবলৈ সক্ষম হৈছিল। গতিকে তেখেত অশেষ কৃতজ্ঞতাৰ পাত্ৰ হৈ থাকিল।

এনেকুৱা বহুত কথা আছে কিছুমান পাহৰি যোৱাৰ লেখীয়া হৈছে। তেখেত দুনীলৈ আহিলে মোক আৰু ৰনেন্দ্ৰক লৈ আলহীৰ ঘৰ পাণ্ডাঘাটলৈ লৈ গৈছিল।

আন্দোলনৰ মাজতে সত্যাগ্ৰহ হৈ থকা অৱস্থাত সত্যাগ্ৰহী লাগে। মোক আহি দুনীত লগ ধৰি কৈছিল, কালি মঙলদৈলৈ ৩-৪খন গাড়ীত সত্যাগ্ৰহ কৰিবলৈ মানুহ নিব লাগে। আমি দুনীৰ পৰা ৮-৯খন গাড়ীত মানুহ লৈ গৈছিলো আৰু আন্দোলনৰ কাৰ্যসূচীসমূহত দুনীৰ পৰা হাজাৰ হাজাৰ মানুহে অংশগ্ৰহণ কৰিছিল।

এই ক্ষেত্ৰত জিলা ছাত্ৰ সন্থাৰ কৰ্মীসকলৰ পৰা আমি দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ কৰ্মীসকলক উৎসাহ যোগাইছিলো। অনশন, পিকেটিং আদিত নাৰেংগী, বঙাইগাঁও আদিত অংশগ্ৰহণ কৰাত স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক মাননীয় জয়নাথ শৰ্মাদেৱে ধন্যবাদ জ্ঞাপন কৰিছিল আমাক।

এবাৰ ১৯৮৪ চনত মঙলদৈ জে'লত থকা অৱস্থাত তেখেতক কোনোৱে লগ কৰিব পৰা নাছিল। কিন্তু মই তেখেতৰ ঘৰৰ আত্মীয় বুলি লগ কৰি খোৱা সামগ্ৰী কিছু দিছিলো। তেতিয়া মোক তেখেতে মৰমেৰে কৈছিল, গজেন তই সাৱধানে থাকিবি। নিজক চম্ভালি লবি আৰু কৈছিল আন্দোলন বিৰোধীসকলৰ নাম লিখিবলৈ পৰামৰ্শ দিছিল। দৰং কলেজত আছুৰ সাধাৰণ সভা এখনত শৰ্মাদেৱে মোক আছুৰ সভাপতি মাননীয় প্ৰফুল্ল কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ লগত চিনাকি কৰাই দিছিল। টিক সেই সময়ৰে পৰা আছুৰ বিদেশী বহিষ্কাৰ আন্দোলনত জঁপিয়াই পৰিছিলো। আন্দোলনৰ সপক্ষত ৰাইজৰ চহী সংগ্ৰহ কৰিবলৈ দায়িত্ব দিছিল শৰ্মাদেৱে। আৰু সেই মৰ্মে আমি কেইবা হাজাৰো স্বাক্ষৰ সংগ্ৰহ কৰি শৰ্মাদেৱক জমা দিছিলো। আৰু সেয়া সভাত প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ হাতত শৰ্মাই জমা দিয়াত তেতিয়া দৰং জিলা ছাত্ৰ সন্থাৰ ভিতৰত দুনী আঞ্চলিক ছাত্ৰ সন্থাই প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিলো। তেতিয়া আমি উৎফুল্লিত হৈছিলো। এই ক্ষেত্ৰতো জয়নাথ শৰ্মাই আমাৰ প্ৰতি দায়িত্ব থকাৰ উমান দিছিল। আনহাতে মই যেতিয়া মঙলদৈ জে'লত লগ কৰিব যাওঁ তেতিয়া মোক কৈছিল, অবৈধ চৰকাৰৰ লগত (১৯৮৩ চনৰ অবৈধ চৰকাৰৰ লগত) কোন কোন আন্দোলনকাৰীয়ে যোগাযোগ কৰিছে নামবোৰ লিখি থবি।

দিনবোৰ গৈ থাকিল। কেন্দ্ৰীয় চৰকাৰ আৰু আন্দোলনকাৰীৰ মাজত ঐতিহাসিক অসম চুক্তি হ'ল ১৯৮৫ চনৰ ১৫ আগষ্টত। আন্দোলন বন্ধ হ'ল। গোলাঘাটত। অসম গণ পৰিষদ দল হ'ল ১৪ অক্টোবৰ ১৯৮৫ চনত। নিৰ্বাচন হ'ল। অসমত গণ পৰিষদৰ চৰকাৰ হ'ল। বিধায়ক হিচাপে জয়নাথ শৰ্মা হ'ল ছিপাঝাৰ সমষ্টিৰ। ৰাইজৰ দিছপুৰত প্ৰভুত্ব বাঢ়িল। তেখেতে আন্দোলনত ক্ষয়-ক্ষতি হোৱা মানুহৰ বুজ ল'লে, লগতে আন্দোলনত গুলী লগা ল'ৰাৰ চাকৰি, বাট-পথ উন্নয়ন কৰিলে। বিশেষকৈ বৰবড়ী, মালিবাৰীতাৰী হৈ বামুণপাৰালৈ প্ৰায় তিনি কি. মি. পথ, জয়পুৰত Sub centre, অঙ্গনবাড়ী কেন্দ্ৰ, জয়পুৰ ভাবিৰাম বড়া প্ৰাথমিক বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ সাহায্য প্ৰদান কৰা দেখা গৈছিল। আমাৰ অঞ্চলত বিষ্ণুজ্যোতি হাইস্কুল, দুনী মহাবিদ্যালয়তো তেখেতে পাৰ্যমানে ধন অৰ্থাৎ সাহায্য আগবঢ়াইছিল। এই ক্ষেত্ৰত তেখেতৰ নাম নল'লে ভুল কোৱা হ'ব।

দুনী মহাবিদ্যালয়ত সেই সময়ত মই সাধাৰণ সম্পাদকৰ দায়িত্বত আছিলো বাবে তেখেতৰ পৰা বহুতো উন্নয়নমূলক কাৰ্য সম্পাদন কৰিছিলো, ২০ বছৰীয়া বিধায়কৰ কাৰ্যকালত তথা মন্ত্ৰীত্বৰ কাৰ্যকালত। এটা বিশেষ কথা লিখিবলৈ ৰৈ গৈছিল, সেইটো হ'ল নিৰ্বাচন বৰ্জন কাৰ্যসূচী। ১৯৮৩ চনৰ ২ ফেব্ৰুৱাৰী। বুঢ়া আৰক্ষী চকীত আন্দোলনকাৰীৰ ওপৰত হোৱা গুলী চালনাত ২৭ জন ব্যক্তিৰ গাত গুলী লাগিছিল।

আনহাতে এজন শ্বহীদ হৈছিল। সেইজন হ'ল দুনী মাজমজিয়াৰ শ্বহীদ কুলেন শৰ্মা। ১৯৭৯ চনৰ ৮ জুনৰ পৰা আৰম্ভ হোৱা অসম আন্দোলনৰ ৮৫৫ জন জাতীয় শ্বহীদ হ'ল। ১৯৮৫ চনৰ ১৫ আগষ্টত আন্দোলনৰ পৰিসমাপ্তি হ'ল। আহতসকলক চিকিৎসাৰ সাহায্য আগবঢ়াইছিল আৰু অৰ্হতা অনুয়ায়ী কিছুমানক চৰকাৰী চাকৰি দি মহানতাৰ পৰিচয় দাঙি থৈ গৈছে। এই ক্ষেত্ৰত মই আক্ষেপেৰে ক'ব বিচাৰিছো যে যাৰ নুন খাই, তাৰ গুণ গাব লাগে বুলি এষাৰ কথা আছে। কিন্তু সেইটো যেন তেখেতৰ পৰা স্বাৰ্থ আদায় কৰা ব্যক্তি কিছুমানে পাহৰি গ'ল। সময়ত তেখেতক ঠগিলে। নিৰ্বাচনৰ সময়ত

তেখেতৰ পৰা চাকৰি আদায় কৰা ব্যক্তি কিছুমানে ওলোটা খৰ মৰা দেখা গ'ল। (অৰ্থাৎ চিপৰাং মাৰিলে) যাৰ ফলত পুনৰ নিৰ্বাচনৰ সময়ত সেই স্বৰূপবোৰ ফাটি ওলাই পৰিছিল।

তেখেতৰ বিষয়ে লিখিলে ওৰকে নপৰে। লিখিব লগীয়া আৰু থাকি গ'ল যদিও ডায়েৰীৰ পাতত, মন-মগজুত দুলি থকা বহুতো কথা পিছত সুবিধা পালে লিখাৰ প্ৰতিশ্ৰুতিৰে তথা বঢ়া-টুটাৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি সামৰিলো।

❑❑❑

# ড° জয়নাথ শৰ্মাৰ সৈতে মোৰ সান্নিধ্য

– ৰণেন্দ্ৰ শৰ্মা

সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত অসমত অবৈধ বিদেশী নাগৰিক বহিষ্কাৰ আন্দোলনৰ জৰিয়তে ১৯৭৯ চনৰ পৰাই জয়নাথ দাক মই একেবাৰে ওচৰৰ পৰাই লগ পোৱাৰ সৌভাগ্য হৈছিল এই বাবেইযে  তেতিয়া নিজে দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত আছিলো। মোক প্ৰথম ছাত্ৰ সন্থাত উলিয়াই আনিছিল গজেন বড়াই। তেওঁ আছিল কাৰ্যকৰী সভাপতি।

সদৌ অসম ছাত্ৰ সন্থাৰ স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক আছিল জয়নাথ দা। সংগঠনৰ কামত তেওঁ নিৰ্ভীক, সততা আৰু আপোচবিহীনভাৱে যি সিদ্ধান্ত ল'ব সেইটো কৰিহে সন্তুষ্টি লাভ কৰিব। তেওঁ এজন নেতা হিচাপে লগত থকা কৰ্মীখিনিক কিবা বিপদ হ'লে সুৰক্ষা দিব পাৰিছিল। এইটো মই দৃঢ়ভাৱে ক'ব পাৰো। সুৰক্ষা দিব নোৱাৰা নেতাৰ নেতৃত্বত কোনো কৰ্মী লগত নাথাকে। এইটো বাস্তৱ সত্য। সেয়ে তেওঁ এজন ভাল নেতৃত্ব দিব পৰা ব্যক্তি।

অগপ চৰকাৰৰ শাসনত প্ৰথম অৱস্থাত তেওঁ বিধায়ক হৈয়ো কোনোবা বিপদত পৰিলে তেওঁ সততে কাষত উপস্থিত হৈছিল। তেওঁৰ অসম্ভৱ কাম সম্ভৱ কৰিব পৰা ক্ষমতা আছিল বুলি ক'লেও অত্যুক্তি কৰা নহয়।। উদাহৰণ স্বৰূপে বোনমাঝা মৌজাৰ মৌজাদাৰৰ ৰাজহ দিব নোৱাৰা বাবে মৌজা তেওঁৰ হাতৰ পৰা কৰ্তন হ'লহেঁতেন। এদিন জয়নাথ দা আমাৰ ঘৰত নিশা অহাৰ সময়ত কথাখিনি অৱগত কৰাত জয়নাথ দাই মৌজাদাৰক ক'লে, আপোনাৰ মৌজা আপোনাক মই ঘূৰাই দিম। কথা দিলো। হিমালয় পাহাৰৰ সিফালে

যাব লাগিলেও মই আনি দিব পাৰিম। কথামতে অসম্ভৱ কামক সম্ভৱ কৰি দিলে। দ্বিতীয়টো হ'ল ব্ৰহ্মপুত্ৰ দলঙৰ ওপৰত এটা হাতীৰ মৃত্যু হ'ল। তেতিয়া হাতীটো সেই ঠাইৰ পৰা নি কেনেকৈ ব্যৱস্থা কৰি গৃহস্থক সকাহ দিছিল এইটো এটা মন কৰিবলগীয়া কথা। তৃতীয়টো হ'ল দেউতাৰ অৱসৰৰ পিছত পেঞ্চনৰ যিটো খেলি মেলি হৈছিল অৰ্থাৎ Recovery হ'ব লগা হৈছিল সেইটো জয়নাথ দাই পেঞ্চন অফিচত দেউতাক লগত লৈ Directorক যি কৌশলগত ভাবে কথাখিনি ক'লে তাৰ পিছত একো Recovery নোহোৱাকৈ এমাহৰ ভিতৰত পেঞ্চন লাভ কৰিলে। এনেকুৱা বহুত কথাই আছে। কৈ শেষ কৰিব নোৱাৰি। জয়নাথ দা এজন নিৰামিষ ভোজী। ধূমপান সেৱনৰ পৰাও সম্পূৰ্ণ বিৰত থাকে। মোক যথেষ্ট ভাল পায়। মই ৰাজহুৱা কামত গৈ কিবা অনুৰোধ কৰিলে সেইটো না নকৰিছিল। সঁচাকৈ তেওঁৰ দৰে এজন নেতাৰ লগত থাকি নিৰাপদ অনুভৱ কৰিছিলো। জয়নাথ দাৰ সান্নিধ্যৰ বহু কথা মনলৈ আহে। কেতিয়াবা অন্তৰংগ আলাপ হ'লে ক'ব পৰা যাব। শেষত জয়নাথ দাৰ দীৰ্ঘায়ু কামনা কৰি মই ইমানতে শেষ কৰিলো।

❑❑❑

# বটবৃক্ষ স্বৰূপ ড° জয়নাথ শৰ্মা

- ৰমেশ শৰ্মা

সময়ে সময়ে ধৰাৰ বুকুত একো একোজন ক্ষণজন্মা পুৰুষৰ আৱিৰ্ভাৱ হয়। এনে এক ক্ষণজন্মা পুৰুষ হ'ল ড° জয়নাথ শৰ্মাদেৱ। যি গৰাকী ব্যক্তিৰ ব্যক্তিত্বত শৈশৱতে বিমুগ্ধ হৈছিলো।সেই সময়তে তেতিয়াৰ ছাত্ৰ নেতা হিচাপে সন্মানীয় শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তকে ধৰি ড° জয়নাথ শৰ্মাদেৱেও ছাত্ৰ সন্থাৰ নেতৃত্ব বহন কৰি অক্লান্ত পৰিশ্ৰম কৰি অসমৰ অমূৰৰ পৰা সিমূৰলৈ সভা-সমিতি অনুষ্ঠিত কৰি অসম আৰু অসমীয়াক এক বলিষ্ঠ ও লালিত্যময় উদাত্ত ভাষণেৰে জনজাগৰণৰ সৃষ্টি কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। ১৯৮০-৮১ চনমানত দুনী খেলপথাৰত সেই সময়তে বিশাল জনসভাত ভাষণ দিয়া অৱস্থাতে দূৰৈৰ পৰাই তেওঁলৈ নয়ন ভৰি চাইছিলো। তেতিয়া মোৰ বয়স ১০-১১ বছৰমান হ'ব। সেই শিশুসুলভ মনত জাগ্ৰত হৈছিল তেখেতক ওচৰৰ পৰা নয়ন ভৰি চোৱাৰ হেঁপাহ। অসম আন্দোলনে গৈ ১৯৮৩ চনত তুংগত উঠিছিল আৰু লাহে লাহে চৰকাৰী যন্ত্ৰই বাধ্য হৈছিল তেওঁলোকৰ দাবী চনদ মানি ল'বলৈ। তাৰ পিছতে জন্ম হ'ল অসম গণ পৰিষদ নামে। আঞ্চলিক ৰাজনৈতিক দল।  অসম গণ পৰিষদে চৰকাৰ গঠন কৰিলে। তেওঁ ছিপাঝাৰ বিধান সভা সমষ্টিৰ পৰা নিৰ্বাচিত হ'ল একক জনপ্ৰিয়তা লাভেৰে। যি তেওঁ ৰাজনৈতিক ক্ষেত্ৰখনত ভৰি দি একেৰাহে ২০ বছৰ ধৰি বিধায়ক হোৱাই নহয় মন্ত্ৰীত্ব পদ অলংকৃত কৰি জননায়কত পৰিণত হ'ল। তেখেতৰ সভা-সমিতিত জনতাৰ লানি নিছিগা ভিৰ বহুবাৰ দৰ্শন কৰিছো, আজিকোপতি সেই জনপ্ৰিয়তা ম্লান হোৱা নাই। ৰাজনৈতিক ক্ষেত্ৰখনত থাকিও শিক্ষাই যে সমাজৰ মূল ভেটি

তাক বুজাবলৈ হাতে-কামে ছাত্ৰ-ছাত্ৰীলৈ বহু অমূল্য উপদেশ বাণী প্ৰচাৰ-প্ৰসাৰৰ কামৰ চানেকি আজিও বিদ্যমান। তাৰ ভিতৰত একেলগে ২০ বছৰৰ বাবে একেখন কেলেণ্ডাৰতে চাব পৰাকৈ এখন কেলেণ্ডাৰো প্ৰস্তুত কৰি উলিয়াইছিল। আজিও সেইখন আমাৰ হাতত সযতনে ৰাখিছো। নেতা হিচাপে অসম মাতৃৰ সেৱা আগবঢ়াই বহুতো শিক্ষিত যুৱক-যুৱতীক চৰকাৰী সংস্থাপন দিবলৈ সক্ষম হৈছে। তেখেতৰ কৰ্মপটুতাৰ কথা কৈ শত্ৰু মিত্ৰ সকলোৱে প্ৰশংসা কৰা কথাটো তাৎপৰ্যপূৰ্ণ।

ৰাজনৈতিক ক্ষেত্ৰৰ পৰা বিৰতি লৈ পূৰ্বতে চিন্তা কৰি থকা শিক্ষা জগতত সেৱাৰ মানসিকতাৰে শিক্ষাৰ দিশত এখোজ অসমৰ ল'ৰা-ছোৱালীক আগুৱাই লৈ যোৱাৰ উদ্দেশ্যে উত্তৰ-পূবাঞ্চলৰ লেখত ল'বলগীয়া 'নেৰিম' নামেৰে উচ্চ শিক্ষানুষ্ঠানেৰে আজিকোপতি সেৱা আগবঢ়াই আছে। এই অনুষ্ঠানৰ জৰিয়তে অসমৰ অতি দৰিদ্ৰ পৰিয়ালৰ যোগ্য ল'ৰা-ছোৱালীক বিনামূলীয়াকৈ শিক্ষা প্ৰদানৰ সুবিধা দিয়াৰ উপৰিও বহু শিক্ষিত যুৱক-যুৱতীক কৰ্ম সংস্থাপন দিছে।

কিন্তু মই এজন বেদৰ ছাত্ৰ হোৱা হেতু তেখেতৰ অতি অন্তৰংগ সান্নিধ্য পোৱাৰ সৌভাগ্য হৈছে বুলি অনুভৱ কৰোঁ। আধ্যাত্মিক জ্ঞান গভীৰতাৰ বিষয়ে তেখেতক মই যিমানখিনি জানো এজন ছাত্ৰ নেতা বা ৰাজনৈতিক নেতা হিচাপে সিমান নাজানো। তেখেতৰ পিতৃ পুৰুষ প্ৰয়াত পদ্মনাথ শৰ্মাদেৱো আছিল আধ্যাত্মিক জ্ঞান সম্পন্ন ঋষি তুল্য ব্যক্তি। সেয়ে পিতৃ গুণে পুত্ৰ শ্ৰেষ্ঠ আৰু স্ব-মহিমামণ্ডিত শৰ্মাদেৱ। সভাসমূহত ভাষণ দিয়াৰ সময়তো ৰসময়ী ধৰ্মীয় আখ্যানৰ জৰিয়তে সকলোকে যে মন্ত্ৰমুগ্ধ কৰি পেলাই সেই কথা শ্ৰোতাসকলৰ পৰাই গম পোৱা যায়। তদুপৰি মই এজন পুৰোহিত হিচাপে প্ৰায় ১৯৯৪-৯৫ চন মানৰ পৰাই তেওঁলোকৰ পৰিয়ালৰ এজন হিচাপে জড়িত হৈ পৰো। তেখেতৰ পিতৃ-পিতামহৰ দিনৰে পৰা সংগৃহীত পুৰণি পুথি-পাজি, গীতা-ভাগৱত, স্তৱমালা, বাস্তুশাস্ত্ৰ, জ্যোতিষশাস্ত্ৰ আদিৰ ভঁৰালৰ প্ৰতিখন তন্নতন্নকৈ জ্ঞান আহৰণ কৰি আধ্যাত্মিক দিশতো বটবৃক্ষৰ দৰে বিৰাট

মহীৰোহত পৰিণত হৈছে ডঃ জয়নাথ শৰ্মাদেৱ। তেখেতৰ স্মৃতিশক্তিত তবধ মানিব লাগিব। অতি সলসলিয়াকৈ সেইবোৰ মুখস্থ মাতি আমাৰ মনত আছেনে নাই সোধে আৰু আমাক মুখস্থ কৰি ল'বলৈ পৰামৰ্শ দিয়ে। বিভিন্ন সময়ৰ পূজা-পাৰ্বনত তেখেতৰ তিথি, সময়ৰ জ্ঞান আৰু এখোপ চৰা। সময়ৰ কাম যে সময়ত কৰিলেহে ফলদায়ক হয় সেই কথা আমাক সোঁৱৰাই দিয়ে। আধ্যাত্মিক জ্ঞান বল যে সকলো শক্তিৰ উৰ্দ্ধত এই কথা বিশ্বাসত ৰাখিবলৈ তেওঁ আমাক বুজায়। সমাজত শান্তি-সম্প্ৰতিৰ মূল চাবি-কাঠি যে আধ্যাত্মিক চিন্তা-চৰ্চা আৰু যুৱ সমাজক সঠিক পথৰ সন্ধান কৰিবলৈ অতি অপৰিহাৰ্য সেইবোৰ কথা প্ৰায়ে বুজনি দি থাকে। সেয়ে তেওঁৰ গৃহ কৰ্মৰ লগত আধ্যাত্মিক অনুষ্ঠান প্ৰায়ে অনুষ্ঠিত কৰি আহিছে। বহু কেইটা ধৰ্মীয় অনুষ্ঠানৰ লগতে আন্তঃৰাষ্ট্ৰীয় 'ইস্কন'ৰ লগতো ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। ধৰ্মানুৰাগী ধৰ্মধী সদাচাৰী ধৰ্মজ্ঞসকলৰ অতি আদৰণীয় ও আকৰ্ষণীয় ব্যক্তি ড° জয়নাথ শৰ্মাদেৱ।

সেয়ে ড° জয়নাথ শৰ্মাদেৱ এজন ব্যক্তি নহয় তেওঁ নিজে এখন সমাজ স্বৰূপ। তেওঁ শিক্ষা গৱেষক, ৰাজনৈতিক আদৰ্শ পুৰুষ, সমাজ সংস্কাৰক, আধ্যাত্মিক জ্ঞান গৱেষক, বিদ্বান সমাজৰ অগ্ৰগণী ব্যক্তি। সেয়ে তেওঁ কেৱল স্বদেশতে পূজ্য নহয় সৰ্বত্ৰ পূজনীয়।

এইজনা অসম মাতৃৰ সুযোগ্য সন্তানক ভগৱানে সু-স্বাস্থ্যৰে দীৰ্ঘ জীৱন প্ৰদান কৰিবলৈ পৰমপিতা পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

❑❑❑

# অমৰ মানৱ ড° জয়নাথ শৰ্মা

– কৰুণা কান্ত ভট্টাচাৰ্য্য

অসমৰ সামাজিক, ৰাজনৈতিক আৰু বৌদ্ধিক ক্ষেত্ৰসমূহৰ অগ্ৰণী ব্যক্তি ড° জয়নাথ শৰ্মা। ছাত্ৰাৱস্থাৰে পৰা মেধাৱী গুণসম্পন্ন ড° জয়নাথ শৰ্মা পিছলৈ অতি জনপ্ৰিয় নেতালৈ পৰ্যৱসিত হ'ব পাৰিছিল। তেখেতৰ ভাষণ শুনিবলৈ মানুহে ঘণ্টাৰ পিছত ঘণ্টা অপেক্ষা কৰি আছিল।

ঐতিহাসিক অসম আন্দোলনৰ জন্মদাতা বুলি তেওঁকেই কোৱা হয়। অসমৰ ভিতৰত দৰং জিলাতেই সৰ্বাধিক পঞ্চল্লিশ হাজাৰ বাংলাদেশী নাগৰিক বাস কৰি আছিল আৰু সেই সকলোকে এটি এটিকৈ বাহিৰ উলিয়াই আনি বাংলাদেশ চৰকাৰক অৰ্পন কৰাৰ দাবী তেখেতেই প্ৰথমতে চৰকাৰৰ ওচৰত সদৌ অসম ছাত্ৰ সন্থাৰ পৱিত্ৰ মজিয়াৰ পৰা দিল্লীৰ মছনদ লোকসভাৰ মজিয়ালৈ লৈ যাবলৈ বাধ্য কৰায়। অসম চৰকাৰৰ জৰিয়তে যোৱা এই বৃহৎ দাবীয়ে দিল্লীত অভূতপূৰ্ব কঁপনি তুলিছিল আৰু অসমীয়া জাতীয় জীৱনৰ ৰূপৰেখা স্বৰূপ হৈ পৰিল। সদৌ অসম ছাত্ৰ সন্থাৰ মজিয়াৰ পৰা যোৱা এই দাবীৰ প্ৰতি ভাৰতৰ প্ৰতিজন নাগৰিকক ভবাই তুলিছল আৰু সকলোৱে এই দাবীৰ নায্যতা দেশৰ ভৱিষ্যতৰ লগত জড়িত বুলি মত পোষণ কৰিছিল। ভাৰতৰ প্ৰতি গৰাকী নাগৰিক তথা সচেতন বুদ্ধিজীৱিয়ে দেশৰ নায্যতাৰ দাবীত অটল হৈ থাকিবলৈ দেশবাসীক আহ্বান জনায়।

মন্ত্ৰী, ডা-ডাঙৰীয়া আৰু উচ্চ পদস্থ বিষয়া বৰ্গৰ কিছু সংখ্যকৰ ৰাষ্ট্ৰ তথা ৰাষ্ট্ৰীয় সমস্যাৰ প্ৰতি উদাসীনতাই নায্য দাবীক আন্দোলনৰ পথলৈ আগবঢ়াই নিয়ে। এই পথ বৰ মসৃণ নহয় বাবেই অসম আন্দোলন এক গণ

আন্দোলনলৈ পৰ্যবসিত হ'বলৈ পালে। এই গণ আন্দোলন ইমানেই ভয়াৱহ হ'ব পাৰে বুলি কোনেও কেতিয়াও কল্পনা কৰা নাছিল। ডঃ জয়নাথ শৰ্মাদেৱে এই আন্দোলনত সমুখ সমৰৰ পৰা নেতৃত্ব দিবলৈ আগবাঢ়িল আৰু অসম গণ সংগ্ৰাম পৰিষদ নামৰ অসমৰ জাতীয় সংগঠনৰ মুখ্য সেনাধিনায়ক ৰূপে আগবাঢ়ি আহি সম্পূৰ্ণ অহিংসা নীতিৰে অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ আন্দোলন পৰিচালনা কৰি গ'ল। এই আন্দোলন প্ৰতিহত কৰিবলৈ এচাম স্বাৰ্থান্বেষী তথা অসম বিদ্বেষী লোকে নানা কূট-কৌশল ৰচনা কৰিও বিফল হ'ল। সুদীৰ্ঘ ছয় বছৰ যোৰা আন্দোলনে ১৯৮৫ চনৰ ১৪ আগষ্ট তাৰিখৰ নিশা পূৰ্ণতা লাভ কৰিলে আৰু দাবী চনদৰ খতিয়ানেৰে ঐতিহাসিক অসম চুক্তি স্বাক্ষৰ হ'ল। সমুখ সমৰৰ যোদ্ধা ডঃ জয়নাথ শৰ্মাৰ বাবে এই নেতৃত্ব অতি উজু আছিল। এই সুন্দৰ নেতৃত্বই তেওঁক জনসাধাৰণৰ মনৰ মাজলৈ এনেভাৱে আগবঢ়াই নিব পাৰিছিল যে তেখেতৰ অবিহনে যেন ৰাইজ কোনো দিনেই আশ্বস্ত হ'ব নোৱাৰে।

ছয় বছৰীয়া আন্দোলনে অসমৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক তথা বৌদ্ধিক বিকাশত প্ৰচণ্ড আঘাত কৰিলে। লৈ গ'ল ৮৫৫ গৰাকী স্বদেশপ্ৰেমী অসম সন্তানৰ প্ৰাণ। ইয়াৰ পৰা পৰিত্ৰাণ নাপালে গণ আন্দোলনৰ সত্যাগ্ৰহী নেতা জয়নাথ শৰ্মাৰ স্ব-গৰ্ভী ভাতৃ শ্বহীদ দ্বীপেন (দয়া) শৰ্মাইও। সন্দেহযুক্ত নাগৰিকে ভাতৃ দয়াক নিঃসংগ স্থানত ঘেৰি ধৰি হত্যা কৰে। দেশ সেৱাত প্ৰতিশোধৰ স্থান নাই। সেয়ে ড° শৰ্মাই ভাতৃ দয়াৰ আত্মাৰ শান্তিৰ অৰ্থে কাৰো প্ৰতি প্ৰতিশোধৰ ভাব নাৰাখি ৰাইজৰ সেৱা কৰিবলৈ প্ৰবল আগ্ৰহেৰে আগবাঢ়ি আহিল। দেশ মাতৃৰ সেৱাৰ বাবে ভাতৃ দয়া যিদৰে আগবাঢ়ি গৈছিল সেই পথ সেন্দূৰীয়া হৈ জাতিৰ উন্নতি হওক এয়াই তেখেতৰ কামনা। ছয় বছৰীয়া আন্দোলনৰ পাৰ্শ্বক্ৰিয়াই তচ্‌নচ্‌ কৰি থৈ যোৱা চেনেহৰ অসমখনিক পুনৰ উদ্ধাৰৰ প্ৰচেষ্টাৰে অসম গণ পৰিষদৰ সূচনা হ'ল। অসমৰ ৰাজনীতিত নতুন যুগৰ সৃষ্টি হ'ল।

ৰাজ্য জুৰি অসম গণ পৰিষদৰ সপক্ষে লাখ লাখ নাগৰিক ওলাই

আহিল আৰু ৰাজ্যৰ সাধাৰণ নিৰ্বাচনত এই দলৰ সদস্যই সংখ্যা গৰিষ্ঠতা লাভ কৰিলে আৰু অসমত এটি আঞ্চলিক দলে চৰকাৰ গঠন কৰিলে। ৬৬ নং ছিপাঝাৰ সমষ্টিৰ পৰা নিৰ্বাচিত হ'ল ড° জয়নাথ শৰ্মা। ইতিপূৰ্বে দেশে স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা সেই সময়লৈ পূৰ্বৰ কলাইগাঁও, মঙলদৈ, ৰঙামাটি নামেৰে খ্যাত ছিপাঝাৰ সমষ্টিৰ পৰা যিসকল সদস্যই বিধায়ক হিচাপে নিৰ্বাচিত হৈ অসম বিধান সভাৰ শ্বিলং আৰু পৰৱৰ্তী কালত গুৱাহাটীত কাৰ্যনিৰ্বাহ কৰিছিল সেইসকলৰ ভিতৰত ড° জয়নাথ শৰ্মা আটাইতকৈ বুধিয়ক, সাহসী, বাকপটু, প্ৰত্যুৎপন্নমতি আদি অনেক গুণেৰে সু-শোভিত বুলি ৰজাঘৰ-প্ৰজাঘৰ সকলোতে জনাজাত হৈ পৰিছিল। পৰৱৰ্তী কালত "অসম গণ পৰিষদ"ৰ ভিতৰ চ'ৰা লাহে লাহে নিষ্প্ৰভ হৈ আহিবলৈ লোৱাত ৰাজ্যত ৰাজনৈতিক অস্থিৰতাই বিৰাজ কৰিলে। এনে এক সন্ধিক্ষণতে এদিন ড° জয়নাথ শৰ্মাই সুদীৰ্ঘ ২০ বছৰ কাল একেৰাহে বিধান সভালৈ নিৰ্বাচিত হৈ অহা পথ সংকীৰ্ণ হ'বলৈ ল'লে। দৃঢ় মনা ড° জয়নাথ শৰ্মাই ৰাজনৈতিক পথাৰখন ত্যাগ কৰিবলৈ বৰ সহজতে মান্তি নহৈ অন্য দলৰ লগত চামিল হৈও দেশ সেৱাৰ ইচ্ছা পুহি ৰাখে।

তেখেতৰ সম্পৰ্কে বহু কথা লিখা-পঢ়া কৰিব পাৰি। অনেক বুদ্ধিমত্তাৰ কথা শুনা যায়। এইবোৰৰ ভিতৰত অসম আন্দোলনৰ সময়ত অনেক কাহিনী আছে। তাৰে এটি শুনিছিলো এইদৰে- "এদিন তেখেতে দেউতাক, দদায়েকহঁতৰ লগত নিশাৰ আহাৰ গ্ৰহণ কৰি থকা সময়ত আন্দোলন সম্পৰ্কীয় গোচৰৰ বাবে পুলিচে তেখেতক বিচাৰি গৈ পাকঘৰটি ঘেৰি ধৰিলে আৰু দেউতাকক জয়নাথ শৰ্মাৰ কথা সুধিলে। জয়নাথ শৰ্মাই পুলিচ অহা উমান পায়েই ভিতৰলৈ গৈ ৰান্ধনিয়ে পিন্ধি থকা চাদৰখন কুচি-মুচিকৈ গাত মেৰিয়াই সাজ-বাচনৰ বোজা এটি তিৰোতা মানুহে বাহিৰলৈ ধুবলৈ নিয়াৰ দৰে তলমূৰ কৰি লৈ গো-গোৱাই বাৰীৰ পিছলৈ নি নিজে পলাই গ'ল। বিচাৰি অহাবোৰে ধৰিবই নোৱাৰিলে। পিছত ৰখি থকা পুলিচক দেউতাকে ইংগিতেৰে বুজাই কোৱাতহে তেওঁলোকে লাজ পালে।" এনে অনেক কাহিনী শুনিছিলো ।

যি নহওক, তেখেত এগৰাকী বিচক্ষণ ব্যক্তিত্বৰ মানুহ। পৰোপকাৰ তেখেতৰ চাৰিত্ৰিক বৈশিষ্ট্য। চৰকাৰীভাৱে পাবলগীয়া সাহায্য তেখেতে সকলোকে দি মানসিক শান্তি লাভ কৰে। বিশেষকৈ বানপানী আৰু খৰাং বতৰৰ বাবে পাবলগীয়া সাহায্য। ধনী-দুখীয়া সকলোকে সমানে দিবলৈ চৰকাৰী বিষয়াবৰ্গক মাতি আনি নিৰ্দেশ দিছিল। কোনোজন বিষয়া কৰ্মচাৰীয়ে ব্যতিক্ৰমী চিন্তাধাৰ প্ৰয়োগ কৰাৰ কথা ভাবিব নোৱাৰে। খৰাংপীড়িত অঞ্চলৰ বাবে ৰাজ-সাহায্য অনুমোদন কৰি প্ৰত্যেকৰে মাজত গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে বিতৰণ কৰি আনন্দ লাভ কৰিছিল। সদায় হাঁহিমুখে থকা এইগৰাকী মন্ত্ৰীয়ে সকলোকে সমদৃষ্টিৰে চাই ৰাজ্যকাৰ্য সম্পাদন কৰিছিল। সভা-সমিতি, উৎসৱ-পাৰ্বণ আদিত নিমন্ত্ৰণ পালে ৰাজকাৰ্য আধাৰুৱা নোহোৱাকৈ নিৰ্ধাৰিত সময়ত উপস্থিত হৈছিল। বিলম্ব হোৱাৰ সম্ভাৱনা থাকিলে আগতীয়াকৈ কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি জনাই দিছিল যাতে কোনেও অনাহকত সময় নষ্ট নকৰে।

ড° জয়নাথ শৰ্মাদেৱ নিৰ্মল চৰিত্ৰৰ লোক। ৰাজনীতিৰ পথাৰখন অতিশয় পংকিলতাপূৰ্ণ বুলি কোৱা হয়। কিন্তু তেখেতৰ বাবে সুকোমল গোলাপী বাগিচা যেন। তেওঁ চৰিত্ৰত কোনো ধৰণৰ আঁচ নপৰাকৈ জীৱন অতিবাহিত কৰি আছে। কোনো ধৰণৰ এপদো ৰাগিয়াল বা মাদকতাপূৰ্ণ দ্ৰব্যৰ ওচৰ নচপাকৈ আছে বুলি সকলোবোৰ বিশ্বাস। কাৰো পৰা উপঢৌকণ আদি লোৱাৰ অভিযোগ পোৱা নগ'ল। সমষ্টিবাসীৰ বাবে এয়ে মহান গৌৰৱৰ স্থলী হৈ আছে।

নিজ সমষ্টিৰ উপৰিও অনেক ঠাইত তেখেতে মহান অনুষ্ঠান গঢ় দিছে। সকলো অনুষ্ঠান সুন্দৰভাৱে চলি আছে। অনগ্ৰসৰ সমষ্টিবাসীৰ অনেক যুৱক-যুৱতীক সমগ্ৰ অসমৰ চুৰে-কোণে থকা অনুষ্ঠান-প্ৰতিষ্ঠান আৰু স্কুল-কলেজ আদিত কৰ্মসংস্থাপন দিছে। বহু সময়ত আকৌ হাজাৰ হাজাৰ আবেদনকাৰীৰ এজনকো চৰকাৰী চাকৰি দিব পৰা অৱস্থাত নাথাকিলে সেই অঞ্চলৰ ৰাস্তা-ঘাটকে নিৰ্মান কৰি বা মেৰামতি কৰি দি ৰাইজৰ যোগাযোগ ব্যৱস্থা সূচল কৰি দিছিল।

১৯৯৬ চনৰ কথা। বুঢ়া লোকপ্ৰিয় বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ত তেখেতক সম্বৰ্ধনা জনাবলৈ এখন জনসভা পতা হৈছিল। যথা সময়ত উপস্থিত হোৱা ডঃ জয়নাথ শৰ্মাদেৱক বিদ্যালয় কৰ্তৃপক্ষ আৰু ৰাইজে মিলি বিপুল সম্বৰ্ধনা জনালো। বিভিন্ন জনে তেখেতক উদ্দেশ্যি বুঢ়া আৰু পাৰ্শ্বৱৰ্তী অঞ্চলৰ উন্নয়নৰ হকে কাম কৰিবলৈ কাতৰ অনুৰোধ জনাই ভাষণ ৰাখিলে। বিধায়ক মহোদয়ে যথা সময়ত সকলো উন্নয়নমূলক কাম কৰাৰ আশ্বাস দি দীঘলীয়া বক্তৃতা দিলে। ইয়াৰ মাজতে ৰাইজৰ মাজৰ একাংশই প্ৰায় শতাধিক দৰ্খাস্ত দিলে চাকৰি বিচাৰি। তেখেতে দৰ্খাস্তবোৰ হাতত লৈ ৰাইজক ক'লে যে ইয়াত থকা সৰহভাগ দৰ্খাস্ত চাকৰি প্ৰাৰ্থীৰ। কিন্তু ইমান চাকৰিটো দিব পৰা নাযাব। সেয়েহে সকলোৰে আপত্তি নথকা আৰু এই অঞ্চলৰ মানুহৰ বাবে আটাইতকৈ প্ৰয়োজনীয় বস্তুটো হ'ল ৰাস্তা। এই ৰাস্তা খণ্ড শালমাৰাৰ পৰা আন্ধেৰীঘাটলৈ পিট্‌চ কৰি দিলে আপোনালোকৰ যোগাযোগ ব্যৱস্থা সুন্দৰ হ'লে ঠাইবোৰ উন্নত হ'ব। উন্নত ঠাইত বেপাৰ-বাণিজ্য আৰু উন্নত শিক্ষা ব্যৱস্থা গঢ়ি উঠিব। সময়ত এই কথা প্ৰতীয়মান কৰি ৰাইজ উপকৃত হ'ব পাৰিছে। আজি সেই পথটি ভেৰগাঁও, ডিমাকুছি আদি ঠাইলৈ যোৱা আটাইতকৈ আৰামদায়ক পথ হিচাপে পৰিগণিত হৈছে।

ড° জয়নাথ শৰ্মাদেৱৰ বৈচিত্ৰ্যপূৰ্ণ জীৱন গাঁথাৰ কথা কৈ শেষ কৰিব নোৱাৰি। অসমীয়া জাতিৰ দিক্-নিৰ্ণায়ক স্বৰূপ তেখেতৰ কৰ্মৰাজি চিৰ স্মৰণীয় হৈ ৰ'ব। বিশেষকৈ অবৈধ বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ সমস্যাৰ বিষয়ে ৰাইজক অৱগত নকৰাহেঁতেন আজি অসম বৰ্তমানৰ অৱস্থা নাপালেহেঁতেন। সেই ফালৰ পৰা এই গৰাকী কৃতী সন্তান অমৰ মানৱক অসমীয়া জাতিৰ অন্য এক খনিকৰ আখ্যা দিব পাৰি।

জয়তু ড° জয়নাথ শৰ্মা।

❑❑❑

# মোৰ শ্ৰদ্ধাৰ দাদা ড° জয়নাথ শৰ্মাদেৱ আৰু কিছু সান্নিধ্য

- দিলীপ কুমাৰ নাথ

কিছুমান ব্যক্তিয়ে জীৱনৰ সফলতাৰ ফলপ্ৰসু দিশ উন্মোচন কৰিবলৈ সক্ষম হয় নিজ কৰ্ম আৰু গুণৰাজিৰ জৰিয়তে। তেনে বহু ব্যক্তি ভৰতবৰ্ষ তথা আমাৰ অসম মুলুকতো বিৰাজমান। তেনে এজন ব্যক্তিৰ বিষয়ে সম্যক আলোচনা আগবঢ়াব বিচাৰিছো। তেখেত হ'ল জন্মসূত্ৰে দৰঙী সন্তান স্বনামধন্য ব্যক্তি বৰ্তমান গুৱাহাটী খাৰঘুলিৰ বাসিন্দা প্ৰাক্তন ছাত্ৰ নেতা অসম চৰকাৰৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী শিক্ষাবিদ মোৰ শ্ৰদ্ধাৰ ড° জয়নাথ শৰ্মাদেৱ।

জন্ম ঃ ড° জয়নাথ শৰ্মাৰ জন্ম দৰং জিলাৰ অন্তৰ্গত ৰঙামাটি মৌজাৰ দাৰিয়াপাৰা গাঁৱত। পিতৃ স্বাধীনতা সংগ্ৰামী প্ৰয়াত পদ্মনাথ শৰ্মা আৰু মাতৃ এগৰাকী ধৰ্মপ্ৰাণা মহিলা প্ৰয়াত কিৰন্ময়ী দেৱী।

শিক্ষা ঃ ৰঙামাটি অঞ্চলত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰাৰ পিছত তেখেতে মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰে। উক্ত বিদ্যালয়ৰ পৰা শিক্ষা সাং  কৰি মঙলদৈ মহাবিদ্যালয়ত নামভৰ্তি কৰে। মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰি থাকোতেই তেখেত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হৈছিল। সেয়াই নেতৃত্বৰ আৰম্ভণি। মঙলদৈ মহাবিদ্যালয়ত স্নাতক বিজ্ঞান শাখাত নামভৰ্তি কৰিছিল যদিও কিছু খেলি-মেলিত তেখেতে তেজপুৰৰ দৰং মহাবিদ্যালয়ত নামভৰ্তি কৰে আৰু কমাৰ্চ বিভাগ অধ্যয়ন কৰে। তাৰ পৰা বি. কম. উত্তীৰ্ণ হৈ গুৱাহাটীমুখী হয়।

গুৱাহাটী বিশ্ববিদ্যালয়ত কমাৰ্চ বিভাগত স্নাতকোত্তৰ মহলাত নামভৰ্তি কৰি শিক্ষাগ্ৰহণ কৰে আৰু তাৰ পিছত M.B.A. ডিগ্ৰী লয়।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাই তেখেতে আইনৰ ছাত্ৰ হিচাপে LLB ডিগ্ৰী লাভ কৰে। তেখেতে ১৯৯১ চনত গৱেষণামূলক গ্ৰন্থ Human Resource and Development লিখি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা P.hd ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয় আৰু ৰাইজৰ পৰা সমাদৰ লাভ কৰে।

ছাত্ৰ নেতা ঃ মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰি থাকোতেই ১৯৭২ চনতেই তেখেতে ছাত্ৰ একতা সভাৰ সম্পাদক হৈ নেতৃত্ব প্ৰদান কৰিছিল। তাৰ পিছত মঙলদৈ জিলা ছাত্ৰ সন্থাৰ সভাপতিৰ দায়িত্বত থাকি জিলা ছাত্ৰ সংগঠনটিৰ কাৰ্য পৰিচালনা কৰিছিল আৰু সেই সময়ছোৱাতেই সদৌ অসম ছাত্ৰ সন্থাৰ লগত জড়িত হৈ পৰে। তাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়ি থকা সময়ৰ পৰা সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক হিচাপে মনোনীত হয় আৰু আছুৰ নেতৃবৰ্গৰ সৈতে একত্ৰিত হৈ সদৌ অসম ছাত্ৰ সন্থাৰ কামসূহ নিষ্ঠাৰে সম্পাদন কৰে। সেই সময়খিনিত অসমত অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম আৰম্ভ হয় আৰু সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত বিদেশী বহিষ্কাৰ আন্দোলনে সাৰ্বজনীন ৰূপত গা কৰি উঠে। লগে লগেই ডঃ জয়নাথ শৰ্মাদেৱ জনসাধাৰণৰ মাজত সোমাই পৰে আৰু অসমৰ জিলাই জিলাই অনুষ্ঠিত হোৱা ৰাজহুৱা সভাসমূহত উদাত্ত কণ্ঠে ভাষণ প্ৰদান কৰি ৰাইজক উদ্বোদ্ধ কৰাৰ লগতে তেখেতেও সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল। অসমত কেন্দ্ৰীয় চৰকাৰৰ স্তিমিত উন্নয়ন, বাংলাদেশ সীমান্তৰ উন্মুক্ত অঞ্চলসমুহেদি দ্বিধাহীনভাৱে বিদেশী নাগৰিকৰ মুক্ত বিচৰণ আৰু অসমৰ মাটি বিদেশীৰ আবাসথলী হৈ পৰাৰ ওপৰত ডঃ শৰ্মা ডাঙৰীয়াই তেজস্বী ভাষণেৰে ৰাইজক একত্ৰিত কৰিবলৈ সক্ষম হৈছিল। সদৌ অসম ছাত্ৰ সন্থাৰ সেই সময়ৰ স্বেচ্ছাসেৱক বাহিনীটোৰ তেখেতে সৰ্বাধিনায়কৰ দায়িত্বত থাকি নেতৃত্ব প্ৰদান কৰিছিল। ছয় বছৰ ধৰি চলা এই আন্দোলনৰ ফলশ্ৰুতিত ১৯৮৫ চনৰ ১৪ এপ্ৰিল তাৰিখে কেন্দ্ৰীয় চৰকাৰৰ লগত হোৱা ঐতিহাসিক চুক্তিত আন্দোলনৰ যতি পৰে।

ৰাজনীতিলৈ আগমন আৰু কৰ্মৰাজি ঃ অসম চুক্তি সম্পাদনাৰ

পিছত তদানীন্তন ছাত্র সন্থাৰ নেতৃবৰ্গই ছাত্ৰ সন্থা ত্যাগ কৰি আঞ্চলিক ৰাজনৈতিক দল গঠনৰ পোষকতা কৰে আৰু অসম গণ পৰিষদ দল গঠন কৰি নিৰ্বাচনত নামি পৰিল। ১৯৮৫ চনত অসমত অসম গণ পৰিষদ দলে পোন প্ৰথমবাৰৰ বাবে নিৰ্বাচনত অংশগ্ৰহণ কৰে আৰু ৰাইজৰ বিপুল ভোটত দলটিয়ে অসমত চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়। উক্ত নিৰ্বাচনত ডঃ জয়নাথ শৰ্মাদেৱে ছিপাঝাৰ বিধান সভা সমষ্টিৰ পৰা অসম গণ পৰিষদৰ এগৰাকী প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰে আৰু বিপুল ভোটত জয়ী হৈ ছিপাঝাৰ সমষ্টিত অসম গণ পৰিষদৰ ধ্বজা উৰুৱাবলৈ সক্ষম হয়। একেৰাহে চতুৰ্থবাৰলৈ অৰ্থাৎ বিশ বছৰ ছিপাঝাৰ সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হৈ সমষ্টিটোক অগপৰ অভেদ্য দুৰ্গ হিচাপে প্ৰতিপন্ন কৰিবলৈ সক্ষম হয়। ১৯৮৫ চনত শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন চৰকাৰৰ প্ৰথমতে ডঃ জয়নাথ শৰ্মাদেৱ বিধায়িনী দলৰ মুখ্য সচেতক হিচাপে কাৰ্য পৰিচালনা কৰে। তাৰ পিছতেই তেখেতে কেবিনেট মন্ত্ৰীত্ব লাভ কৰিবলৈ সক্ষম হয়। জলসিঞ্চন দপ্তৰৰ মন্ত্ৰীত্ব লাভ কৰি বিভাগটো উন্নয়নৰ দিশত আগবঢ়াই লৈ যায়। উক্ত সময়ছোৱা সম্পূৰ্ণ হোৱাৰ পূৰ্বেই কেন্দ্ৰীয় চৰকাৰে অসমত ৰাষ্ট্ৰপতি শাসন ঘোষণা কৰে আৰু চৰকাৰৰ বহু কাম ৰৈ যায় আৰু দ্বিতীয় নিৰ্বাচনত অগপ দলে চৰকাৰ গঠন কৰিবলৈ সক্ষম নহ'ল। আকৌ ১৯৯৬ চনত অসমৰ ৰাইজৰ বিপুল সঁহাৰিত অগপ দলে দ্বিতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিলে। সেইবেলি ডঃ শৰ্মাদেৱে ৰাজহ দপ্তৰৰ মন্ত্ৰীত্ব লাভ কৰে। তেখেতে নিজা দপ্তৰৰ কাম-কাজ পৰিচালনাৰ উপৰিও সমষ্টিটোৰ ভিন্ন দিশৰ উন্নয়নৰ প্ৰতি নজৰ ৰাখে আৰু ৰাইজ উপকৃত হ'ব পৰা ধৰণে কিছু কাম কৰি যায়। প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াৰ নেতৃত্বাধীন দ্বিতীয়বাৰৰ চৰকাৰৰ কাৰ্যকালত শিক্ষিত নিবনুৱা যুৱক-যুৱতীক নিযুক্তি দিয়াৰ প্ৰচেষ্টা হাতত লয় আৰু বিশেষকৈ শিক্ষা বিভাগত খালী পদসমূহত লগতে আঁচনিভুক্ত পদত মকৰল কৰাৰ বাবে Advisary board গঠন কৰি মৌখিক পৰীক্ষাৰ যোগেদি শিক্ষক পদসমূহত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰে। উল্লেখযোগ্য যে এক নিকা ব্যৱস্থাৰে কোনো ধৰণৰ উৎকোচ নোলোৱাকৈ নিযুক্তি পত্ৰ প্ৰদান কৰে। উল্লেখনীয় যে সেই

শিক্ষক পদৰ আমিও প্ৰাৰ্থী আছিলো আৰু বাছনি প্ৰক্ৰিয়াত মনোনীত হৈ দুনী মজলীয়া বিদ্যালয়ত সহঃ শিক্ষক পদত নিযুক্তি লাভ কৰিবলৈ সক্ষম হওঁ। এক নিকা প্ৰক্ৰিয়াৰে কৰ্ম সংস্থাপন লাভ কৰিবলৈ পোৱা বাবে নিজকে ধন্য মানিছে। "দৰং জিলা শিক্ষা উপদেষ্টা পৰিষদ"ৰ অধ্যক্ষ হিচাপে ড° জয়নাথ শৰ্মাদেৱে যি পৰিষ্ফুত ব্যৱস্থাৰে নিযুক্তি প্ৰক্ৰিয়া সম্পাদন কৰিছিল সেয়া আমাৰ বাবে সদায় আদৰ্শ আৰু নজিৰ হৈ ৰ'ব।

বিশ বছৰীয়া বিধায়কৰ সময়ছোৱাত ছিপাঝাৰ সমষ্টিৰ ৰাইজৰ বাবে বহুতো উন্নয়নৰ কাম কৰিলে। ইয়াৰ ভিতৰত প্ৰধানকৈ খোৱা পানীৰ বাবে বহুতো ৰাজহুৱা স্থান আৰু শিক্ষানুষ্ঠানত দমকল, আদি বহুৰাই জনসাধাৰণক আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসমূহক উপকাৰ সাধন কৰে। ৰাস্তা-ঘাট মেৰামতি কৰি বহুতো পথৰ সুচল অৱস্থা কৰি দিছিল। সমষ্টিটোৰ উত্তৰ-পশ্চিম অঞ্চল বিশেষকৈ দুনী, দিপীলা, চেঙেলীয়া, সৰাবাৰী, বুঢ়া, বোনমাঝা আদি পিছ পৰা অঞ্চলসমূহকো সমষ্টিটোৰ অন্যান্য অঞ্চলসমূহৰ লগতে আগুৱাই নিয়াৰ ক্ষেত্ৰত প্ৰচেষ্টা হাতত লৈছিল। গাঁওবুঢ়া নিযুক্তি, বৃদ্ধ পেন্সন প্ৰদানৰ যোগেদিও কিছু সংখ্যক লোকক সকাহ দিছিল। পুঁজিৰ ধন যথেষ্ট কম হোৱা বাবে পৰ্যাপ্ত কামৰ পৰিৱৰ্তে সীমিত কামৰহে ধন আৱণ্টন দিব পাৰিছিল। জিলাখনৰ পশ্চিম অঞ্চলত অৱস্থিত আমাৰ নিকটতম উচ্চ শিক্ষাৰ অনুষ্ঠান দুনী কণিষ্ঠ মহাবিদ্যালয় আৰু স্নাতক মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ পদ অলংকৃত কৰাৰ উপৰিও কণিষ্ঠ মহাবিদ্যালয়খনি প্ৰাদেশীকৰণৰ ব্যৱস্থা কৰে আৰু স্নাতক মহাবিদ্যালয়খনিৰ অগ্ৰগতি সাধন কৰে।

এগৰাকী সিংহ পুৰুষ হিচাপে পৰিচিত ডঃ জয়নাথ শৰ্মাদেৱ একেৰাহে চতুৰ্থবাৰলৈ ছিপাঝাৰ সমষ্টিৰ বিধায়ক পদ দখল কৰিবলৈ সক্ষম হৈছিল। পঞ্চমবাৰ অৰ্থাৎ ২০১৬ চনৰ নিৰ্বাচনত ছিপাঝাৰ সমষ্টিত তীব্ৰ প্ৰতিদ্বন্দিতা হৈছিল আৰু উক্ত নিৰ্বাচনত ডঃ জয়নাথ শৰ্মাদেৱ পৰাজিত হয়। একেৰাহে চতুৰ্থবাৰলৈ ছিপাঝাৰ সমষ্টিত প্ৰতিনিধিত্ব কৰা ডঃ জয়নাথ শৰ্মাদেৱক অগপ দলৰ নেতৃত্বই দলীয় প্ৰাৰ্থীত্বৰ পৰা বঞ্চিত কৰিলে। উক্ত কাৰ্যত ড°

শৰ্মাদেৱৰ লগতে সমষ্টিটোৰ দলীয় নেতা কৰ্মীসকল ক্ষোভিত হয় আৰু ছিপাঝাৰ ঘোঁৰাবান্ধাত বিশাল জনসভা অনুষ্ঠিত কৰে। উক্ত সভাত নেতা কৰ্মীসকলে জন্মলগ্নৰে পৰা ত্যাগ স্বীকাৰ কৰি জীয়াই ৰখা দলটিৰ তদানীন্তন নেতৃত্বৰ এনে বঞ্চনাত দলটিৰ প্ৰতি মোহভংগ হয় আৰু গণ পৰিষদৰ পৰা ফালৰি কাটি আহি নিৰ্দলীয়া অৱস্থান লোৱাৰ সিদ্ধান্তত একত্ৰিত হয়। সেই নিৰ্বাচনত ডঃ শৰ্মাদেৱে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হয় যদিও জয় লাভ কৰিব নোৱাৰিলে। পৰৱৰ্তী সময়ত অসম গণ পৰিষদ দলৰ স্থিতি দুৰ্বল হৈ পৰে আৰু বৰ্তমানেও দলটিয়ে পূৰ্বৰ স্থিতি ঘূৰাই আনিবলৈ সক্ষম হোৱা নাই। ড° শৰ্মাদেৱে সমান্তৰালভাৱে শৈক্ষিক দিশত গুৰুত্ব দি আহিছে।

ড° জয়নাথ শৰ্মাদেৱ এগৰাকী শিক্ষানুৰাগী ব্যক্তি। উচ্চ শিক্ষাৰ অনুষ্ঠান নেৰিম, ড° অনিতা বৰুৱা শৰ্মা বি.এড.মহাবিদ্যালয়, ছিপাঝাৰ বি. এড. কলেজ, মঙলদৈ মহৰ্ষি বিদ্যালয় আদি প্ৰতিষ্ঠা কৰি অসমৰ শিক্ষা ক্ষেত্ৰখনত প্ৰভূত বৰঙণি যোগাই আহিছে। যাৰ ফলস্বৰূপে প্ৰতি বছৰে বহু সংখ্যক ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষা প্ৰদান কৰি উলিয়াই দিব পাৰিছে।

সাংসাৰিক দিশত এগৰাকী সফল অভিভাৱক হিচাপে পৰিচিত হোৱা ড° শৰ্মাদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ড° অনিতা বৰুৱা শৰ্মাৰ সতে বিয়া পাতে। তেওঁলোকৰ এজন ল'ৰা আৰু এজনী ছোৱালীৰে চাৰিজনীয়া সংসাৰ আৰম্ভ হয়। কিন্তু দুৰ্ভাগ্যজনকভাৱে তেখেতৰ পত্নীৰ অকাল বিয়োগ ঘটে। ছোৱালীজনী উপযুক্ত পাত্ৰত বিয়া দিয়ে আৰু ল'ৰাজনক বৰ্তমানে এগৰাকী সুচিকিৎসক হিচাপে আগবঢ়াই নিবলৈ সক্ষম হৈছে। ইয়াৰ মাজেৰেও তেখেতে সমাজ জীৱন আৰু ৰাজনৈতিক জীৱনৰ কৰ্মৰাজী অব্যাহত ৰাখিবলৈ সক্ষম হৈছে।

ড° জয়নাথ শৰ্মাদেৱ আমাৰ বাবে সামগ্ৰীক দিশৰ আদৰ্শ স্বৰূপ। কিয়নো তেখেতৰ লগত সততে আমি দলীয় ৰাজনীতি, সামাজিক বাতাবৰণ, শৈক্ষিক দিশৰ পৰামৰ্শ সাংসাৰিক দিশ আদিৰ বিষয়ত আমি সততে পৰামৰ্শ পাই আহিছো। এই ছেগতে তেখেতৰ বহু সান্নিধ্যৰ ভিতৰত এটি অভিজ্ঞতা

উল্লেখ কৰিলো। এদিন তেখেতে ৰাজহ মন্ত্ৰী হৈ থকা সময়ত গুৱাহাটীৰ চাৰ্কিট হাউচত তেখেতে কিবা কামত ব্যস্ত থকা সময়ত মই আৰু এজন বন্ধু গৈছিলো। তাত আমি চৌহদৰ ভিতৰত এঠাইত ৰৈ আছিলো। আমি দূৰৈত ৰৈ গ'লো। তেওঁলোকে Advisary boardৰ কামত বিভাগীয় বিষয়া কৰ্মচাৰীৰ লগত ব্যস্ত আছিল। তেখেতে কোঠাৰ ভিতৰৰ পৰা আমাক দেখা পাই দুয়োজনকে মাতি নিলে আৰু সুধিলে, "তহঁত কিয় আহিলি?" আমি চাকৰি সম্পৰ্কীয় খা-খবৰ ল'ব অহা বুলি ক'লো। হঠাৎ যেন তেখেতৰ খং উঠিল আৰু ৰূদ্ৰমূৰ্তি প্ৰদৰ্শন। আমি চুপচাপ কিছু সময় বহি থাকিলো। তাৰ পিছত আমি অতি সন্তৰ্পনে বাহিৰলৈ আহি ঘৰলৈ আহিলো। তেখেতৰ বিভিন্ন বাক্যৰ মাজত এষাৰ কথাই মোৰ অন্তৰ চুই গ'ল "তহঁতৰ বিশ্বাস নাই?" মনতে ভাবিলো বিশ্বাস আছে। তাৰ পিছত দীৰ্ঘ দিন ধৰি দিছপুৰ যোৱা নহ'ল। কিছু দিন পিছত দুনী চ'কত তেখেতে দিয়া অনুদানৰ বজাৰ গৃহ উদ্বোধন কৰিব আহি তেখেতে কৈছিল, "গালি খাই নোযোৱা হৈছা?, যাবি।" তথাপি বহু দিনলৈ নগ'লো। যিদিনা শিক্ষক পদৰ নিযুক্তি পত্ৰ শিক্ষা বিষয়াই বিতৰণ কৰে গুৱাহাটী চাৰ্কিট হাউচত সেইদিনা গ'লো আৰু Advisary boardৰ বাছনি অনুযায়ী যুগুত হৈ থকা শিক্ষকৰ নিযুক্তি পত্ৰলৈ শিক্ষক পদত যোগদান কৰি বৰ্তমানেও শিক্ষকতা কৰি আছো। পিছত মনতে ভাবিলো, এয়াই বিশ্বাস।

১৯৮৫ চনৰ পৰা প্ৰতিটো নিৰ্বাচনত অসম গণ পৰিষদ দলে জয়ৰ নিচান উৰুৱাই আঞ্চলিকতাবাদ জীয়াই ৰখাৰ স্বাৰ্থত দৰং জিলা অগপ সমিতি, ছিপাঝাৰ অগপ সমষ্টি সমিতি আদিৰ বিভিন্ন কামত সহযোগিতা কৰি অহাৰ উপৰিও বিশেষকৈ অসম গণ পৰিষদ দলৰ দুনী আঞ্চলিক সমিতিৰ লগত সকলো কামতেই আমি সহযোগিতা কৰি আহিছো। সেই সকলোবোৰ ডঃ শৰ্মাদেৱৰ পৰামৰ্শ অনুযায়ীয়ে হৈছিল। তেখেতৰ পৰামৰ্শ অনুযায়ী দুনী আঞ্চলিক অগপ সমিতিত অঞ্চলটিৰ বিশিষ্ট ব্যক্তিসকলক জড়িত কৰিবলৈ প্ৰয়াস কৰা হৈছিল আৰু সফলতাত সাধ্য হৈছিল। পিছলৈ শিক্ষক হোৱা বাবে আমি দলীয় কাম-কাজবোৰৰ পৰা আঁতৰি থাকিব লগীয়া হ'ল। যা-নহওক

ডঃ জয়নাথ শৰ্মাদেৱ নিঃসন্দেহে এগৰাকী প্ৰভাৱশালী তথা প্ৰতিভাশালী, বুদ্ধিদীপ্ত এক অগ্ৰণী ব্যক্তি হিচাপেই অসমবাসীৰ মাজত চিনাকি, আমাৰ মাজত চিনাকি। সদৌ শেষত এই লিখনিৰ যোগেদি তেখেতৰ সমাজ জীৱনৰ বলিষ্ঠ পদক্ষেপ সদায় বৰ্তি থকাৰ আশা কৰিলো লগতে পৰম কৰুণাময়ে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু দান কৰক তাকেই কামনা কৰিলোঁ।

❑❑❑

# শ্ৰদ্ধাৰ ড° জয়নাথ শৰ্মাদেৱ আৰু কিছু সান্নিধ্য

– অনন্ত নাৰায়ণ শৰ্মা

মাতৃ গৰ্ভৰ পৰা সন্তান যেতিয়া ভূমিষ্ঠ হয়, তেতিয়াই হেনো ঈশ্বৰে সিজনৰ ভাগ্য আৰু কৰ্মপন্থা নিৰ্ণয় কৰে। ই এক প্ৰকাৰ প্ৰাকৃতিক বিশ্বাস। শৈশৱ কাল মধুৰ, বৃদ্ধকাল গধুৰ আৰু দুয়োৰে মাজৰ সময় খিনি বৰ জটিল। এই শৈশৱ কালতেই হেনো জীৱনৰ ব্যক্তি চৰিত্ৰৰ আভাস পোৱা যায়। এটা মাথোঁ উদাহৰণেৰে পাঠক সমাজৰ আগত দাঙি ধৰিব বিচাৰিছো। সুভাষ চন্দ্ৰ বসুৰ তেতিয়া মাত্ৰ ৭ বছৰ। দুৰ্গাপূজাৰ সময়। শৰাই আগবঢ়োৱাৰ বাবে মাকৰ লগতে সুভাষ চন্দ্ৰ বসু মা-দুৰ্গাৰ থলী পালেগৈ। মাকে শৰাই আগবঢ়াই চাকি-বন্তি, ধূপ-ধূনাৰে মা-দুৰ্গাৰ শ্ৰীচৰণত সেৱা জনালে। শিশু বসুকো দুৰ্গা আইৰ শ্ৰীচৰণত সেৱা জনাবলৈ মাকে ক'লে। লগে লগে সুভাষ বসুৱে মাকক সুধিলে- "মা-দুৰ্গা দেৱীলৈ কি আগবঢ়ালা?" শৰাই, নৈবেদ্য আদি আগবঢ়ালে বুলি মাকে ক'লে। সুভাষ চন্দ্ৰ বসুই অলপ সময় মৌন হৈ থাকি মাকক এটা চেফ্‌টি পিন খুজিলে। মাকে সহজভাৱে পিন্ধি থকা চোলাৰ পৰা পিন এটা দিলে। সুভাষে মাকৰ চকুৰ আগতে বুকুৰ পৰা পিনটোৰে খুচি তেজ উলিয়াই মা-দুৰ্গা চৰণ যুগলত তেজৰ ফোট দি দিলে। মাকে আচৰিত হৈ সুধিলে- "তুমি এইটো কি কৰিলা? তুমি মহা ভুল কৰিলা।" প্ৰত্যুত্তৰত সুভাষ চন্দ্ৰই মাকক প্ৰশ্ন কৰিলে- "মা তুমি জানানে, যে শক্তিৰ গৰাকী মা-দুৰ্গাহে। সেয়ে তেখেতক তেজেৰেহে পূজা কৰিব লাগে।" মাকে একো নক'লে। মই কথাটো এই কাৰণেই উল্লেখ কৰিলো যে ৭ বছৰ বয়সতেই তেখেতক চিনিব পৰা গৈছিল। ভৱিষ্যতে নিশ্চয় তেওঁ এজন প্ৰৱল সংগ্ৰামী সত্বাৰ ব্যক্তি হ'ব। তাত কোনো সন্দেহ নাই। মই

ইয়াকে ক'ব বিচাৰিছো যে, এজন ব্যক্তিৰ জীৱন পৰিক্ৰমা কেনে ধৰণে আগবাঢ়ি যাব তাক হেনো শৈশৱ কালতেই বুজিব পাৰি। মই সুভাষ চন্দ্ৰ বসুৰ ব্যক্তিত্বক টানি আনিছো এই কাৰণেই যে, যিজন ব্যক্তিক প্ৰাথমিক পৰ্যায়ৰ পৰা কলেজ পৰ্যায়লৈ, চাকৰি জীৱনৰ পৰা ৰাজনীতিলৈ লগ পাই আহিছো তেখেত হৈছে ছিপাঝাৰ বিধান সভা সমষ্টিৰ ক্ৰমাগত ৪ বাৰৰ বিধায়ক তথা ৰাজহ মন্ত্ৰী ড° জয়নাথ শৰ্মা। মোৰ দৃষ্টিত সুভাষ চন্দ্ৰ বসুৰ দৰে তেখেতো এজন সংগ্ৰামী সত্বাৰ ব্যক্তি। দুয়োজনৰ কাৰ্যপন্থা বেলেগ বেলেগ সত্বা কিন্তু এটাই 'সংগ্ৰামী'। মই তেখেতক সৰুৰে পৰা লগ পোৱাৰ মাধ্যমটো হৈছে তেখেত মোমায়েকৰ ঘৰলৈ অহা বাবে। মোমায়েকৰ ঘৰ যিহেতু আমাৰ ওচৰৰে সৰুব্যাসপাৰা চুবুৰীত। মই যেতিয়া প্ৰাথমিকত পঢ়ি থাকো বছৰটোৰ ৬ মাহমান ৰাতিপুৱা ৰাতিপুৱা স্কুল বহিছিল। পুৱা ৭ বজাৰ পৰা প্ৰায় ১০ বজালৈ। স্কুল যিহেতু ১০ বজাতে ছুটি হয়, দিনৰ বাকীখিনি সময় গধূলিলৈকে সমনীয়াৰ লগত গৰু চৰোৱা, খেল-ধেমালি কৰা, ডোঙত গা ধোৱা, গৰুৰ নেজত ধৰি ডোঙৰ ইপাৰ সিপাৰ হোৱা, গছ কুপতি (মানে গছ বগোৱা) আদিত ব্যস্ত থাকো বেং নৈৰ দুয়ো পাৰৰ মথাউৰিত ওচৰৰ চুবুৰী বিলাকৰ সমনীয়া বিলাকেও আমাৰ লগত বিভিন্ন খেলত ভাগ লয়। সেই সময়ৰ কেইবিধমান খেল বৰ প্ৰিয় আছিল। যেনে- ঢোপ খেল, টাংগুটি, বন্ধা চিউ আদি। ৰবাব টেঙা যদি কোনোবাই লৈ যায় তেতিয়াহে ৰবাব টেঙাৰে বল খেলোৱা হয়। মই তেতিয়া দ্বিতীয় নে তৃতীয় শ্ৰেণীৰ ছাত্ৰ। স্কুলৰ পৰা আহিয়েই ভাত-পানী খাই গৰু চৰাবলৈ যাওঁ। কাৰণ সমনীয়াবোৰক লগ পামেই। সেইদিনা আমাৰ লগ-বন্ধু কেইজনমানে ৰবাব টেঙা লৈ গৈ সৰু ব্যাসপাৰা চুবুৰীৰ লগত খেলি কথা। কথা মতে কাম। আমি গৰু লৈ পোনে পোনে সৌৰাগুৰি নামৰ ঠাইখন পালোগৈ। তাত সৰু ব্যাসপাৰা চুবুৰীৰ সমনীয়াবোৰক লগ পালো। সিহঁতৰ লগত যে বল খেলিম কথাটো সিহঁতক জনালো। দুয়ো দলৰ মাজত খেল আৰম্ভ হ'ল। খেল চলি আছে। কোনেও কাকো গ'ল দিব পৰা নাই। দুয়ো দলৰে বিপক্ষ দলক গ'ল দিয়াৰ লক্ষ্য। কিছু সময় পিছতে আমাৰ দলে সৰু ব্যাসপাৰা দলটোক এটা গ'ল দিলে। সেই দলৰ গ'ল ৰক্ষক আছিল সৰু ব্যাসপাৰাৰ ৰত্নেশ্বৰ শৰ্মা (বৰ্তমান জীৱিত)। ৰত্নেশ্বৰ শৰ্মাই গ'লটো হাতেৰে দিয়া বুলি অভিযোগ দিলে।

দুয়ো দলৰ মাজত তৰ্কা-তৰ্কি আৰম্ভ হ'ল। সৰু ব্যাসপাৰাৰ দলটোত জয়নাথো আছিল। তেখেতক আমি সৰু ব্যাসপাৰাৰে বুলি ভাবিছিলো। তেখেতে বলটো হাতত লৈ ৰত্নেশ্বৰৰ (গাঁও সম্বন্ধীয় মামাক) ফালে আগুৱাই আহি ধমকিৰ সুৰত ক'লে- “এই ৰত্নেই মামা কিয়া ফাকি দিছা? মইতো বলটো তোৰ দুই ভৰিৰ মাজেৰে পাৰ হৈ যোৱা দেখিছো। তইহে বলটো ধৰিব নোৱাৰিলি।” আমাৰ ফালে চাই জয়নাথে ক'লে- “আমি এক গ'ল খালো।” খেল আৰম্ভ কৰো। সিদিনাই জয়নাথ শৰ্মাৰ লগত খেলৰ জৰিয়তে লগালগি হওঁ।

১৯৭১ চন। মই মঙলদৈ কলেজৰ প্ৰি-ইউনিভাৰছিটিৰ ছাত্ৰ। মোৰ ঘৰৰ অৱস্থা সিমান ভাল নহয়। গাঁৱলীয়া ভাষাত ক'বলৈ গ'লে পেটে-ভাতে খাই থকা। মই কেইবাজনো সহপাঠীৰ লগত মঙলদৈ কলেজৰ পশ্চিম দিশত চেকেণ্ড কলনিত মেচ কৰি থাকো। হঠাৎ এদিন জয়নাথ শৰ্মাক পালো। কথা পতাৰ পিছত জানিব পাৰিলো যে, তেওঁ মঙলদৈ চৰকাৰী হায়াৰ চেকেণ্ডাৰী স্কুলত দশম শ্ৰেণীত পঢ়ি আছে।তেওঁলোকো মঙলদৈ কলেজৰ ওচৰতে থাকে। তাৰ পৰাই স্কুললৈ অহা যোৱা কৰে। আমি প্ৰায় লগালগি হওঁ। বিভিন্ন কথাৰে মত-বিনিময় কৰো। মই নাজানিছিলো যে, তেওঁ হায়াৰ চেকেণ্ডাৰী স্কুলৰ ছাত্ৰ একতা সভাৰ সম্পাদক। এদিন কথা প্ৰসংগত প্ৰয়াত লয়ন চন্দ্ৰ শৰ্মাৰ ভাড়াঘৰৰ বাৰাণ্ডাত থিয় হৈ জয়নাথ শৰ্মাই মোক ক'লে- “শৰ্মাদেউ, আমিয়ে এদিন দেশৰ নেতৃত্ব ল'ব লাগিব।” মই কৈছিলো- “চেষ্টা অব্যাহত ৰাখক।” ডিগ্ৰী দ্বিতীয় বৰ্যত পুনৰ একেখন কলেজৰে ছাত্ৰ বন্ধু হিচাপে জয়নাথ শৰ্মাক লগ পালো। হায়াৰ চেকেণ্ডাৰী পাছ কৰি মঙলদৈ কলেজতে নাম লগালে। কলেজৰ ছাত্ৰ একতা সভাৰ সম্পাদকো হ'ল। বহু ক্ষেত্ৰতে তেখেতৰ সংগ্ৰামী সত্তাটোক নিজ চকুৰে প্ৰত্যক্ষ কৰিছিলো। ১৯৭১ চনৰ ভাষা আন্দোলনতো তেখেতে নিৰ্বিঘ্নে জঁপিয়াই পৰিছিল। সেইবোৰ কথাও আমি প্ৰত্যক্ষ কৰিছো।

ছাত্ৰ আন্দোলন আৰম্ভ হ'ল। বিদেশী বহিষ্কাৰৰ প্ৰবল দাবীৰ আন্দোলনে তীব্ৰতৰ ৰূপ পালে। ছাত্ৰৰ আন্দোলন আৰু জনগণৰ আন্দোলন দুয়ো একেলগে বিদেশী বিতাৰণৰ বিৰুদ্ধে জঁপিয়াই পৰিল। জয়নাথ শৰ্মাই সদৌ অসম ছাত্ৰ সন্থাৰ

স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধি নায়কৰ নেতৃত্ব দিলে। ৬ বছৰ ধৰি আন্দোলন চলিল। ৮৫৫ জন অসমীয়া শ্বহীদ হ'ল। দুখৰ কথা আজিও সমস্যাৰ সমাধা নহ'ল। যিয়ে নহওক, জয়নাথ শৰ্মাৰ সংগ্ৰামী সত্তাতো বাৰুকৈয়ে প্ৰকাশ পালে। সেই সময়ত আমিও জনসেৱা আঞ্চলিক গনসংগ্ৰাম সমিতিৰ চেক্ৰেটাৰী আছিলো। আন্দোলন সম্পূৰ্ণ সহযোগিতাৰে চলাই নিছিলো।

অসম গণ পৰিষদ চৰকাৰ হ'ল। সদৌ অসম ছাত্ৰ সন্থাৰ নেতাসকল ৰাজনীতিত নামি পৰিল। বহু সময়ত ব্যক্তিগত কিম্বা ৰাজহুৱা স্বাৰ্থত তেখেতক লগ ধৰিবলৈ দিছপুৰলৈ অহা-যোৱা কৰিছিলো। মোৰ ক্ষেত্ৰত তেখেতৰ মনোভাৱ সলনি হোৱাৰ কোনো ইংগিত পোৱা নাছিলো। বন্ধুত্ব সুলভ মনোভাবেৰেই আমাৰ লগত কথা-বতৰা পাতিছিল আৰু ইতিবাচক দৃষ্টিভংগীৰেই অংশগ্ৰহণ কৰিছিল। এদিনৰ কথা। মই তেতিয়া বলদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দায়িত্বত আছো। বিদ্যালয়ৰ আন্তঃগাঠনি উন্নয়নৰ বাবে তেখেতৰ ওচৰলৈ সাহায্যৰ বাবে বিদ্যালয়ৰ সভাপতি প্ৰয়াত শৰৎ চন্দ্ৰ শৰ্মাদেৱক লগত লৈ দিছপুৰলৈ গ'লো। সেইদিনা তেখেতৰ আবাসত বহুত মানুহৰ ভিৰ দেখিলো। লগ ধৰাৰ কোনো উপায় নাই। বাহিৰত ৰৈ আছো। হয়তো তেখেতক কোনোবাই বাহিৰত বহু মানুহ ৰৈ থকা কথাটো ক'লে। অলপ পিছতে তেখেত ওলাই আহি মানুহখিনিক উদ্দেশ্যি নেৰিমলৈ যাবলৈ ক'লে। হঠাৎ আমাক দুয়োকে দেখি ‘আপোনালোক আহকচোন।’ বুলি ক'লে। ভিতৰলৈ সোমাই গ'লো, কিন্তু বহিবলৈ খালী আসন নাই। তেখেতে বহি থকা দুজন মানুহক উঠিবলৈ দি আমাক বহুৱালে। দৰ্খাস্তখন আগবঢ়াই দিলো। তেখেতে ক'লে- “হ'ব, কিবা এটা দিব লাগিব।” তিনি মাহ পিছত তেখেতে বিধায়ক পুঁজিৰ পৰা বলদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ উন্নয়নৰ নামত এক লাখ টকাৰ আবণ্টন দিছিল। কমিটিত প্ৰস্তাৱ লৈ তখেতলৈ ধন্যবাদ সূচক প্ৰস্তাৱ প্ৰেৰণ কৰিছিলো।

শ্ৰীশ্ৰী শানপাৰা দেৱালয় এখন ইতিহাস প্ৰসিদ্ধ শক্তিপীঠ। দেৱালয়ৰ বাৰ্ষিক বসন্ত উৎসৱ সৰ্বজন বিদিত। এইখন দেৱালয় কেৱল দেৱ-দেৱীৰ পূজা-অৰ্চনাৰ স্থলীয়ে নহয় উৎসৱৰ লগত সংগতি ৰাখিয়ে পৰম্পৰাগতভাৱে সনাতনী ধৰ্মৰ আচাৰ-নীতি, বৈদিক পৰম্পৰা ধৰ্মৰ মাৰ্গ দৰ্শন আদি তত্বসমূহ আলোচনাৰ্থে

এখনি ধৰ্মালোচনা সভা বছৰ বছৰ অনুষ্ঠিত কৰি আহিছে। পৰিস্থিতি সাপেক্ষে সময়ে সময়ে ৰাজনৈতিক নেতাসমূহকো উৎসৱ তথা ধৰ্মালোচনী সভালৈ নিমন্ত্ৰণ কৰা হয়। স্থানীয় বিধায়ক হিচাপে তেখেতকো বহুবাৰ আমন্ত্ৰণ জনোৱা হয়। ৰাইজৰ অনুৰোধ ৰক্ষা কৰি তেখেতে বহুবাৰ মন্দিৰ দৰ্শন কৰিছিল আৰু মন্দিৰলৈ আৰ্থিক সাহায্যও আগবঢ়াইছিল।

বিজ্ঞজনৰ সান্নিধ্যলৈ আহিলে জড়তা ভাঙে। সাধাৰণ মানুহ হিচাপে আমিও অসম সাহিত্য সভা, সাংস্কৃতিক মহাসভা, ব্ৰাহ্মণ মহাসভা আদি অনুষ্ঠানবোৰক মনে-প্ৰাণে শ্ৰদ্ধা কৰো। অনুষ্ঠানবিলাকৰ পৰিয়ালবৰ্গ, আমন্ত্ৰিত-নিমন্ত্ৰিত ব্যক্তিসকলক সেই অনুষ্ঠানবোৰৰ মুকলি মঞ্চত তেওঁলোকৰ অন্তৰ চুই যোৱা ভাষণবোৰেও আমাক বহুত আকৰ্ষিত কৰে। ৰাজনৈতিক নেতা হিচাপে সভাই-সমিতিয়ে দিয়া জয়নাথ শৰ্মাৰ ভাষণেও আমাক আকৰ্ষিত কৰিছিল।

বৰ্তমান ড° জয়নাথ শৰ্মা এজন ৰাজনীতিক হিচাপেই সমাজত পৰিচিত। বহু বছৰ তেখেতক লগ পোৱা নাই যদিও কোনো কোনো ব্যক্তিগত টিভি চেনেলৰ পৰ্দাত টক্‌শ্ব'ৰ পেনেলিষ্ট হিচাপে দেখা পাওঁ। যিয়ে নহওক মোৰ দৃষ্টিত তেখেত এজন নিপুন ৰাজনীতিবিদ, তীক্ষ্ণ বুদ্ধিৰ সুক্ষ্ম দৃষ্টি সম্পন্ন ব্যক্তি। এই লেখাৰ জৰিয়তে তেখেতৰ সু-স্বাস্থ্যৰ ও দীৰ্ঘায়ু কামনা কৰাৰ লগতে তেখেতৰ পৰিয়াল বৰ্গৰো সৰ্বতো প্ৰকাৰ মংগল কামনা কৰিলো। পৰিশেষত তেখেতলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

❑❑❑

# বিহংগম দৃষ্টিত ড° জয়নাথ শৰ্মা

– হিৰণ্য কুমাৰ নাথ

ঐতিহাসিক অসম চুক্তিৰ ফলশ্ৰুতিত এদিনাখন অসম আন্দোলনে শাম কাটে। পশ্চিম দৰং আঞ্চলিক ছাত্ৰ সন্থাৰ এগৰাকী বিষয়-ববীয়া হোৱা হেতুকে এই আন্দোলনত প্ৰত্যক্ষভাৱে জড়িত আছিলো। সেই সময়ত বহুতো নেতা-কৰ্মীৰ সৈতে চিনাকি আছিল। অসমৰ অস্তিত্ব ৰক্ষাৰ সেই সৰ্ববৃহৎ আন্দোলনৰ এক চিনাকি আৰু জনপ্ৰিয় নাম আছিল 'জয়নাথ শৰ্মা।' তেওঁ স্বেচ্ছাসেৱক বাহিনীৰ মুখ্য সৰ্বাধিনায়ক আছিল। তেখেতক ওচৰৰ পৰা লগ পেৱাৰ বা চিনাকি হোৱাৰ সুযোগ ঘটা নাছিল। অৱশ্যে আন্দোলনৰ কাৰ্যসূচীত দূ ৰৰ পৰা দেখাৰ সৌভাগ্য হৈছিল। আন্দোলনৰ পৰিসমাপ্তিৰ পাছতহে শৰ্মাদেৱক ওচৰৰ পৰা লগ পোৱাৰ সুযোগ আহে।

সেই সময়ৰ ছাত্ৰ নেতা মোৰ সম্পৰ্কীয় মামা খৰ্গেশ্বৰ নাথদেৱে এদিন মোলৈ এটা খবৰ পঠিয়ালে জয়নাথ শৰ্মা আন্ধেৰীঘাটলৈ আহিব গুৱাহাটীৰ পৰা। হালধাত তেওঁক সংগ দি আন্ধেৰীঘাটলৈ লৈ যাব লাগে। সেই মৰ্মে তেখেত শালমাৰা হৈ হালধা পায়। মই তেখেতৰ গাড়ীত একেলগে আন্ধেৰীঘাটলৈ যাওঁ। তাত এখন সভা আছিল। ৰাস্তাত গৈ থাকোতে তেখেতে সুধিলে- মই যদি নিৰ্বাচন খেলো এই অঞ্চলৰ মানুহে মেক ভোট দিবনে? বিশেষকৈ সংখ্যালঘু লোকসকলক উদ্দেশ্য কৰিয়ে কথাখিনি অৱতাৰণা কৰিছিল। তেতিয়া কৈছিলো- নিশ্চয় কৰিব, কিয়নো এই অঞ্চলত আপোনাৰ জনপ্ৰিয়তা আছে। সময়ত "অসম গণ পৰিষদ" গঠন হ'ল, নিৰ্বাচন খেলিলে। আমাৰ এই অঞ্চলৰ জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৱে তেওঁক ভোট দি জয়যুক্ত

কৰালে। সেই যে প্ৰথম ওচৰৰ পৰা শৰ্মাদেৱক লগ পালো তাৰ পিছত বহুবাৰ দিছপুৰ বা সমষ্টিৰ বিভিন্ন ঠাইত লগ পাইছো অন্তৰংগভাৱে।

প্ৰথমবাৰৰ নিৰ্বাচনৰ সময়ৰ কথা। ছাত্ৰ সন্থাৰ কৰ্মী হোৱাৰ সূত্ৰেই নিৰ্বাচনত জিকাবৰ বাবে ব্যক্তিগতভাৱে প্ৰচেষ্টা চলাইছিলো। নিজৰ গাঁৱৰ ৰাইজক ভোটদানৰ বাবে আহ্বান জনোৱাৰ উপৰি জয়ন্তীপুৰ গাঁৱৰ ঘৰে ঘৰে গৈ বেলট পেপাৰৰ নমুনা লৈ জয়নথ শৰ্মাক কিদৰে হাতীৰ ছবিত ভোট দিব লাগিব বুজাইছিলো। মোৰ সৈতে আছিল মাধৱ বসুমতাৰী। এনেকৈ ঘূৰোতে দুই এজনৰ বিৰোধীতাৰো সন্মুখীন হৈছিলো। শৰ্মাদেৱ জিকাৰ পিছত কিন্তু তেনে ব্যক্তিক প্ৰায়েই ওচৰে-পাজৰে দেখিছিলো। পাছলৈ শিক্ষকতা বৃত্তিত নিয়োজিত হোৱাৰ লগতে সামাজিক সংগঠনৰ নেতৃত্ব বহন কৰিব লগীয়া হোৱাত প্ৰত্যক্ষ ৰাজনীতিৰ পৰা আঁতৰি আহোঁ। অৱশ্যে গাঁও তথা অঞ্চল, সংগঠনৰ স্বাৰ্থত আমাৰ এগৰাকী জনপ্ৰতিনিধি হিচাপে সু-সু-সম্পৰ্ক বজাই ৰাখিছিলো।

এবাৰ ছাত্ৰ-ছাত্ৰীৰ কেৰিয়াৰ দিগ-দৰ্শন সম্পৰ্কীয় সজাগতামূলক কাৰ্যসূচীৰ পৃষ্ঠপোষকতা বিচাৰি জয়নাথ শৰ্মাদেৱক গুৱাহাটীত লগ কৰিবলৈ ভূষন চন্দ্ৰ চহৰীয়াৰ সৈতে যাওঁ। তেখেতে নেৰিমত আমাক লগ দিয়ে। লগ ধৰাৰ উদ্দেশ্যে ক'লো। তেখেতে আমাক বহিবলৈ দি দুটা ফটো থকা এখনকৈ কাগজ দিলে। কাগজখনত আছিল দুটা হাতী আৰু এটা হাঁহ। হাঁহজনীয়ে এখন ভৰিৰ ওপৰত ভেজা দি থিয় হৈ থকা ছবি আৰু আনটোত দুটা হাতী ওচৰা ওচৰিকৈ থকা এখন ঠেং বেছি থকা যেন লগাকৈ ফটোখন আছিল। সেই ফটো দুখনৰ ওপৰত কেবাটাও প্ৰশ্ন সুধিলে। আমি উত্তৰ দিবলৈ অপাৰগ হৈছিলো। তেওঁ তেতিয়া কেৰিয়াৰৰ এখন তালিকা আমাৰ হাতত দি কেৰিয়াৰৰ সৈতে যে সেই ফটো দুখনৰ সম্পৰ্ক আছে তাক বুজাই দিছিল। পৰৱৰ্তী সময়ত ছিপাঝাৰ সমষ্টিৰ পৰা দশম শ্ৰেণীৰ পজিশ্বন থকা ছাত্ৰ-ছাত্ৰীসকলক গুৱাহাটীৰ বিভিন্ন স্থান দৰ্শনৰ বাবে লগতে নেৰিমৰ ভিতৰ চ'ৰা প্ৰত্যক্ষ কৰাবৰ বাবে সুবিধা কৰি দিছিল।

ডঃ জয়নাথ শৰ্মা এগৰাকী বিচক্ষণ, সাহসী, শক্তিশালী ৰাজনৈতিক নেতা হিচাপে ৰাইজৰ মাজত পৰিচিত। তেখেতৰ গুণাৱলী, আদৰ্শ, দৰ্শন আদিৰ বিষয়ে বিশ্লেষণ কৰাৰ ধৃষ্টতা মোৰ নাই। তথাপি বিহংগম দৃষ্টিত চাবলৈ গ'লে তেখেত এগৰাকী আদৰ্শবান নেতা বুলিব পাৰি। উচ্চ শিক্ষিত বাবেই হয়তো তেখেত অন্য ৰাজনৈতিক নেতাতকৈ পৃথক। বিধায়ক বা মন্ত্ৰী হৈ থকা সময়ত তেখেতৰ বাসভৱনেই হওক বা সভা-সমিতিতে হওক দেখা গৈছিল মানুহৰ লানি নিচিগা সোঁত আৰু সমাগম। তেখেতৰ কলমৰ জোৰ আছিল। বিষয়াসকলেও সমীহ কৰি চলিছিল। স্মৃতিশক্তি প্ৰসৰ যি নেকি ৰাজনৈতিক নেতাৰ থাকিব লগা অন্যতম গুণ। চাকৰি প্ৰাৰ্থীৰ ফোন নম্বৰ কিম্বা আবেদনৰ নম্বৰ, ব্যক্তিৰ নাম-গাঁও পৰ্যন্ত তেওঁৰ যেন মানসপটত। শিক্ষাপ্ৰেমী হোৱাৰ বাবেই হয়তো অন্য কামত মন নেমেলি নেৰিমৰ দৰে অনুষ্ঠান গঢ় দিয়াৰ কথা ভাবিলে। ছিপাঝাৰ সমষ্টিত উন্নয়নৰ চাবি-কাঠি শৰ্মাদেৱৰ প্ৰথম কাৰ্যকালতে মুকলি হয়। ৰাস্তা-ঘাট, দলং-মথাউৰি, স্বাস্থ্য, শিক্ষা, খোৱাপানী আদি দিশত উন্নয়নৰ বতাহ বলিবলৈ আৰম্ভ কৰে।

যিয়েই নহওক বিভিন্ন অভিজ্ঞতা, জ্ঞানেৰে পৰিপুষ্ট ডঃ জয়নাথ শৰ্মাদেৱৰ পৰা ছিপাঝাৰবাসীয়ে ভৱিষ্যতে আৰু অধিক আশা কৰে- ৰাজনৈতিক বা সামাজিক ক্ষেত্ৰত এগৰাকী বলিষ্ঠ ব্যক্তি হিচাপে।

❑❑❑

# ড° জয়নাথ শৰ্মা নামেই যাৰ পৰিচয়

- গোবিন্দ মোহন গোস্বামী

জীৱন বৰ অনুপম। নানা ঘাত-প্ৰতিঘাতেৰে ভৰা এই জীৱন সুন্দৰভাৱে উদ্‌যাপন কৰি যে সফল হ'ব পৰা যায় এই কথা অনুভৱ কৰিব লাগিব ড° জয়নাথ শৰ্মাদেৱৰ জীৱনলৈ লক্ষ্য কৰিলে। নামেই যাৰ পৰিচয়। ১৯৭৮ চনৰ কথা। তাৰিখ, বাৰ ভালদৰে মনত পৰা নাই। সেই সময়ত অসমৰ বান পৰিস্থিতি বৰ ভয়াবহ হৈছিল। অবিভক্ত কামৰূপ জিলাৰ নলবাৰী মহকুমাৰ অন্তৰ্গত ভানুকুচি, আৰঙ্গ মৌ, কালাগ আদি অঞ্চলৰ ৰাইজৰ দুখ দূৰ্দশাৰ অন্ত নাই। এই বানপীড়িত ৰাইজৰ সাহায্যাৰ্থে সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ উদ্যোগত দিনযোৰা কাৰ্যসূচীৰে কটন মহাবিদ্যালয় ইউনিয়ন হলৰ পৰা ওলোৱা সুৰ বাহিনীৰ জৰিয়তে গুৱাহাটীৰ ইমূৰৰ পৰা সিমূৰলৈ কাপোৰ-কানি, টকা-পইচা সংগ্ৰহ কৰা হৈছিল বানপীড়িত ৰাইজৰ বাবে। ধন সংগ্ৰহৰ বাবে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ হাতত একোটাকৈ নম্বৰ লগোৱা টেমা দিয়া হৈছিল। সন্ধিয়া সময়ত এই সংগৃহিত ধনৰ টেমাবোৰ যেতিয়া ইউনিয়ন হলত জমা দিয়া হৈছিল তেতিয়া একাদিক্ৰমে টেমাবোৰত থকা ধনৰাশি সকলোৰে সন্মুখতে হিচাপ কৰি দিছিল ছাত্ৰ-ছাত্ৰীসকলে। সেই দিনাৰ কাৰ্যসূচীত লগ পোৱা ব্যক্তিসকল আছিল সদৌ অসম ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক নগেন শৰ্মা, নুৰুল হুছেইন, সদৌ গুৱাহাটী বিদ্যালয় ছাত্ৰ সন্থাৰ হৰেৰাম ডেকা, শশীন বৰুৱা, ধীৰাজ বৈশ্য, অৰ্চনা ঠাকুৰীয়া, তৃষ্ণা বৰা, মৌচুমী বৰা আদি সতীৰ্থবৃন্দ। প্ৰথমবাৰৰ বাবে সেইদিনাখন লগ পোৱাৰ সৌভাগ্য হৈছিল ড° জয়নাথ শৰ্মাদেৱক। সেই সময়ত তেখেত সদৌ অসম ছাত্ৰ সন্থাৰ জ্যেষ্ঠ নেতা। সকলো ছাত্ৰ-ছাত্ৰীয়ে বৰ শ্ৰদ্ধা সহকাৰে জয়নাথ

দাদা বুলি মাতিছিল। তেওঁক জয়নাথ দাদা বুলি মতাৰ কাৰণে ময়ো মাতিছিলো। এইদৰে দাদাৰ লগত মোৰ পৰিচয় হৈছিল। তেওঁ যে মঙলদৈ মহকুমাৰ অন্তৰ্গত সৰু থেকেৰাবাৰী গাঁওৰ ল'ৰা এই কথা মই একেবাৰে জনা নাছিলো। থেকেৰাবাৰীত থকা মোৰ মাজু খুড়া প্ৰয়াত প্ৰতাপ চন্দ্ৰ দেৱ গোস্বামী (অৰুণ গোঁসাই)ৰ ব্ৰহ্মানন্দ সেৱাশ্ৰমত গ'লে তেওঁলোকৰ ওচৰ চুবুৰীয়া লোকসকলে মোক সুধিছিল- "বোপা, আমাৰ জয়নাথক চিনি পাহনে?" মই পাওঁ বুলি কৈছিলো। তেতিয়া মই গম পালো যে জয়নাথ দা থেকেৰাবাৰী গাঁৱৰ ল'ৰা। মোক তেওঁলোকে সোধাৰ কাৰণ আছিল এই যে মই সেই সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ এজন সক্ৰিয় কৰ্মী আছিলো এই কথা তেওঁলোকে জানিছিল।

এইখিনিতে উল্লেখ কৰিব লাগিব যে থেকেৰাবাৰীত গ'লে মই জয়নাথ দাৰ পিতৃ প্ৰয়াত পদ্মনাথ শৰ্মাদেৱক লগ পাইছিলো। তেখেত এগৰাকী ধৰ্ম পৰায়ণ ব্যক্তি আছিল। অতি সুন্দৰ মৰম সনা মাতেৰে জেঠাই মাতিছিল। তেখেতৰ পত্নী প্ৰয়াত কিৰণময়ী দেৱী অৰ্থাৎ ড° জয়নাথ শৰ্মাৰ মাতৃয়ে থেকেৰাবাৰী অঞ্চলৰ মহিলাসকলক একগোট কৰি সমাজ সংস্কাৰৰ কাৰণে কিছুমান সজাগতা সভা পাতিছিল। মহিলাসকলক যতঁৰত সূতা কটা, কাপোৰ বোৱা আদি কামবোৰ কৰিবলৈ থেকেৰাবাৰীৰ বৰপুখুৰী পাৰত সভা পাতি বুজাই দিছিল। মোৰ বৰদেউতা প্ৰয়াত দীন কৰুণাময় হৰিপদ দেৱ গোস্বামীদেৱ অবিভক্ত দৰং জিলাৰ কংগ্ৰেছ দলৰ সম্পাদক আছিল আৰু তেওঁৰ নিৰ্দেশতে কিৰণ্ময়ী দেৱীৰ দৰে আন মহিলাসকলে সমাজ সংস্কাৰত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। পিতৃ-মাতৃৰ পৰাই হয়তো ড° জয়নাথ শৰ্মাদেৱৰ গাত সমাজৰ প্ৰতি কাম কৰাৰ আগ্ৰহ অজানিতে আহিছিল। প্ৰয়াত পদ্মনাথ শৰ্মা আৰু কিৰণময়ী দেৱীৰ সু-পুত্ৰ সৰুৰে পৰা সাহসী, নিৰ্ভীক স্পষ্টবাদী হৈ পৰিছিল।

উজান বজাৰত সেই সময়ত আসাম পেপাৰ কনভাৰচন নামৰ তেওঁৰ বন্ধু গিৰিশ শৰ্মাৰ ছপাশালত প্ৰায়ে মই লগ পাইছিলো। তেতিয়া তেওঁলোকে ভাষা আন্দোলন, খাদ্য আন্দোলনৰ কথাবোৰ আলোচনা কৰি থকা শুনিবলৈ পাইছিলো। মলয় শৰ্মাও আছিল।

ড° জয়নাথ শৰ্মাই থেকেৰাবাৰী প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল। তাৰ পাছত ৰঙামাটিত মাধ্যমিক শিক্ষা আৰু মঙলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিল। সেই সময়তে অসম সাহিত্য সভাৰ অধিবেশনখন মঙলদৈত হৈছিল। অধিবেশনলৈ অসমৰ বিভিন্ন ঠাইৰ পৰা অহা প্ৰতিনিধিসকল থাকিবলৈ বিদ্যালয়খনৰ গৃহবোৰ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰাৰ লগতে চূণ-তেল দিবলৈ তেওঁ অভ্যৰ্থনা সমিতিৰ ওচৰত দাবী জনাইছিল। উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ দৰং কলেজত বাণিজ্য শাখাত অধ্যয়ন কৰিছিল। তাৰ পৰা স্নাতক ডিগ্ৰী লৈ পৰৱৰ্তী পৰ্যায়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লয়।

আন্দোলনৰ সময়ত দাদাৰ লগত বিভিন্ন ঠাইত হোৱা গণ সমাবেশবোৰলৈ মই গৈছিলো। দাদাৰ খুড়াক প্ৰয়াত যতিন শৰ্মাৰ শহুৰেকৰ দীঘলীপুখুৰীৰ পাৰত থকা প্ৰয়াত কুমুদ শৰ্মাদেৱৰ বাসভৱনত সেই সময়ৰ আন্দোলনৰ নেতাসকল ক্ৰমে ৰেখাৰাণী দাস বড়ো , ভৰত নৰহ আদি আন বহুতো নেতা তেওঁৰ ঘৰত নিশা কটাইছিল। এদিন এখন সভাৰ পৰা ঘূৰি আহি গম পালো যে কুমুদ শৰ্মাদেৱৰ ঘৰটো পুলিচ, চি. আৰ. পি. বাহিনীয়ে ঘেৰাও কৰি ৰাখিছে। এই কথা আমাক আগতীয়াকৈ জনাবৰ বাবে কুমুদ শৰ্মাদেৱৰ বৰ পুত্ৰ মৃগেন শৰ্মা (বাবুল মামা) জৰ্জ ফিল্ডৰ এটা চুকত ৰৈ আছিল। তেওঁৰ কথামতে আমি উজান বজাৰৰ জাহাজ ঘাটত থকা মামনি বাইদেউৰ ঘৰত ড° জয়নাথ শৰ্মা দাক ৰাতি লুকুৱাই ৰাখিছিলো। সেই দিনাৰ পৰা জয়নাথ দা উজান বজাৰত থকা বিভিন্ন মানুহৰ ঘৰত নিশা পলাই থাকিবলৈ লৈছিল। দাদাৰ খুড়াক প্ৰয়াত যতিন শৰ্মাও উজান বজাৰৰ ৰাজবাৰীত ভাড়াঘৰত আছিল। দাদাও পাছত আন এটা কোঠাত তেওঁলোকৰ লগত আছিল। সেই কেম্পাচ বা চৌহদতে বৰ্তমান জি. এন. আৰ. চি. (GNRC)ৰ স্বত্বাধীকাৰী তথা অধ্যক্ষ ডাঃ নোমল বৰাদেৱ আছিল। জয়নাথ দাদাৰ ওচৰত প্ৰায়ে গৈছিলো আন্দোলনৰ বিভিন্ন খবৰ বাতৰিবোৰ যোগান ধৰাৰ বাবে। তেতিয়া মোৰ সৌভাগ্য হৈছিল ডাঃ নোমল বৰাদেৱক সঘনাই লগ পোৱাৰ। নিজৰ কৰ্ম

ব্যস্ততাৰ মাজতো বৰাদেৱকো সময় পালে বিভিন্ন আলোচনী যেনে- নীলাচল, কলাখাৰ, জনক্ৰান্তি আদি পঢ়া দেখিবলৈ পাইছিলো। যিয়েই নহওক এই ছয়বছৰীয়া আন্দোলনতে আন বহুতো শ্বহীদৰ লগতে জয়নাথ শৰ্মাদেৱৰ নিজ ভাতৃ দ্বীপেন শৰ্মাক (দয়া) হেৰুৱাব লগা হৈছিল। সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভাত আন্দোলনৰ বিভিন্ন কাৰ্যসূচী তথা গুৰুত্বপূৰ্ণ সিদ্ধান্তবোৰ লোৱাৰ ক্ষেত্ৰত ডঃ জয়নাথ শৰ্মাই আগভাগ লৈছিল। মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যু হোৱাত মঙলদৈত নিৰ্বাচনী আয়োগে লোকসভা উপ-নিৰ্বাচন পাতিব খোজাত বিদেশী নাগৰিক অৰ্ন্তভুক্ত হৈ থকা ভোটাৰ তালিকাখন শুদ্ধ কৰি নিৰ্বাচন পাতিবৰ বাবে ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভাত প্ৰথম প্ৰস্তাৱ উত্থাপন কৰা ব্যক্তিজন আছিল ডঃ জয়নাথ শৰ্মা ডাঙৰীয়া। ইয়াৰ পাছৰ পৰাহে সদৌ অসম ছাত্ৰ সন্থাই বিদেশী নাগৰিক বহিষ্কাৰৰ বাবে প্ৰথম কাৰ্যসূচী গ্ৰহণ কৰে। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে সদৌ অসম ছাত্ৰ সন্থাই শৰ্মাদেৱক কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত মৰ্মে স্বেচ্ছাসেৱক বাহিনীত গুৰু দায়িত্ব অৰ্থাৎ মুখ্য আহ্বায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। তেওঁ সূচাৰুৰূপে সেই দায়িত্ব পালন কৰিছিল। স্বেচ্ছাসেৱক-সেৱিকাসকলক আত্মৰক্ষাৰ বাবে প্ৰশিক্ষণ, স্বাৱলম্বিতা (জোতা চিলাই, চাফ কৰা, চুলি কটা) আদি কামবোৰ কৰি ছাত্ৰ-ছাত্ৰীসকলক একগোট কৰি ৰখাত তেওঁ বিশেষভাৱে সহায় কৰিছিল। অসম আন্দোলন সফলভাৱে ৰূপায়ণ কৰিবলৈ শৰ্মাদেৱে অহোপুৰুষাৰ্থ চেষ্টা চলাইছিল।

এদিনাখন তেওঁৰ লগত আমি কেবাজনো ছাত্ৰ সন্থাৰ সদস্য উত্তৰ কামৰূপৰ এখন সভালৈ গৈ থাকোতে গাড়ীখন হঠাৎ চালকজনৰ অসাৱধানতাৰ বাবে দ খাৱৈত বাগৰি পৰি তিনি-চাৰি লুটি খাই গৈছিল। ভাগ্য ভাল আছিল, আমাৰ গাড়ীখনৰ ভিতৰত থকা সকলোযাত্ৰী ক্ৰমে- হিৰণ্য ভট্টাচাৰ্য্য, মুনি নবিচ, ড° জয়নাথ শৰ্মা, নিৰেশ্বৰ ৰাভা আৰু মই নিজে মৃত্যুৰ পৰা ৰক্ষা পৰিছিলো। খৰালি কাল হোৱাৰ বাবে স্থানীয় ৰাইজ আহি গোট খাইছিল আৰু তেওঁলোকৰ সহযোগত গাড়ীখন পুনৰ পথত উঠাই দিয়াত আমাৰ গন্তব্য স্থানলৈ

যাত্ৰা আৰম্ভ হৈছিল। এই কথাবোৰে মোৰ মনটো আজিও শিহৰিত কৰি তোলে। আমাৰ এজনৰো গুৰুতৰ আঘাত হোৱা নাছিল। এয়া ভগৱানৰ কৃপা বুলিব লাগিব।

সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত মৰ্মে স্বেচ্ছাসেৱক বাহিনী গঠন কৰা হৈছিল। বাহিনীটাৰ সৰ্বাধিনায়কৰ দায়িত্ব দিয়া হৈছিল ড° জয়নাথ শৰ্মাদেৱক। ছাত্ৰ সন্থাৰ আন্দোলনটো যদিও অহিংস আছিল তথাপি আত্মৰক্ষাৰ বাবে সদস্য-সদস্যাসকলক প্ৰশিক্ষণ দিয়া হৈছিল অভিজ্ঞ প্ৰাক্তন সৈনিকসকলৰ দ্বাৰা। আনহাতে শাৰীৰিক ব্যায়ামৰ অনুশীলন কৰোৱা হৈছিল ছাত্ৰ-ছাত্ৰীসকলক। কিয়নো আন্দোলনৰ সময়ত বিদ্যালয়বোৰ বন্ধ কৰি দিয়া হৈছিল। আত্মৰক্ষাৰ প্ৰশিক্ষণ দিয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলক স্বাৱলম্বী হোৱাৰ বাবে উদ্‌গনি দিয়া হৈছিল। আন্দোলনৰ সময়ত হিংসা জৰ্জৰ হোৱা অঞ্চলবোৰত এই স্বেচ্ছাসেৱক সকলে ৰাতি পহৰা দিছিল।

এইখিনিতে উল্লেখ কৰিব লাগিব যে আন্দোলনৰ নেতা ক্ৰমে প্ৰফুল্ল কুমাৰ মহন্ত, প্ৰয়াত ভৃগু কুমাৰ ফুকন ডাঙৰীয়াই ছাত্ৰ সন্থাৰ শিৱসাগৰত হোৱা অধিবেশনত দায়িত্ব লোৱাত আগৰ চোৱাত সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহকত কেইজনমান বামপন্থী ছাত্ৰ নেতাই ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ ২১ দফীয়া দাবী চনদৰ ড° জয়নাথ শৰ্মাই দাঙি ধৰা বহিৰাগত বহিষ্কাৰ প্ৰস্তাৱৰ তীব্ৰ বিৰোধীতা কৰিছিল। তেতিয়া কিছুমানে শৰ্মাদেৱক RSSৰ নেতা বুলি তুমুল প্ৰচাৰ চলাইছিল। কিন্তু সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহকৰ এই বামপন্থী ছাত্ৰ নেতাসকলক লগে লগে বহিষ্কাৰ কৰা হৈছিল। এইবোৰ কথা সেই সময়ৰ কাৰ্যনিৰ্বাহকত উপস্থিত থকা নুৰুল হুছেইনকে ধৰি বৰ্তমান জীৱিত থকা বহু কেইজন জ্যেষ্ঠ সদস্যই আজিও স্বীকাৰ কৰে। বামপন্থী ছাত্ৰ নেতাসকলক বহিষ্কাৰ কৰি প্ৰয়াত নগেন শৰ্মাক ভাৰপ্ৰাপ্ত সম্পাদক আৰু প্ৰয়াত ললিত ৰাজখোৱাক ভাৰপ্ৰাপ্ত সভাপতিৰ দয়িত্ব অৰ্পণ কৰিছিল। এইবোৰ আছিল শিৱসাগৰৰ অধিবেশনৰ আগৰ। বৰ্তমান সেই যাত্ৰাৰ সহযাত্ৰী দুজন ব্যক্তি আমাৰ মাজৰ পৰা হেৰাই গ'ল। আন্দোলনৰ কাৰ্যসূচীসমূহ পালন কৰি থকা সময়তে দিল্লীত আন্দোলনৰ নেতা আৰু সেই সময়ৰ প্ৰধানমন্ত্ৰী ৰাজীৱ

গান্ধীৰ সন্মুখত এখন চুক্তি স্বাক্ষৰিত হৈছিল। সেই চুক্তিখন অসমলৈ লৈ অহা প্ৰথম গৰাকী নেতা আছিল ড° জয়নাথ শৰ্মা।

সেই সময়ত উজান বজাৰত তেওঁ থকা ভাড়াঘৰটোৰ সন্মুখতে ময়ো আছিলো। গতিকে তেওঁক সঘনাই লগ পোৱাৰ সুযোগ হৈছিল। দিল্লীৰ পৰা লৈ অহা চুক্তিখন মই প্ৰথম তেওঁৰ পৰা পাবলৈ সক্ষম হৈছিলো। চুক্তিখন মই লৈ গৈছিলো বি. বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক ভাষাবিদ বিশ্বেশ্বৰ হাজৰিকা ছাৰৰ ওচৰলৈ আৰু তেখেতে চুক্তিখন অসমীয়া ভাষালৈ তৰ্জমা কৰিছিল। এই চুক্তি পত্ৰখনৰ ৩০ হাজাৰ কপি ছপা কৰি উলিয়াই অসমৰ বিভিন্ন ঠাইত হোৱা ছাত্ৰ সন্থাৰ সমাবেশবোৰত ৰাইজৰ মাজত বিক্ৰী কৰি পোৱা সংগৃহীত ২৫ হাজাৰ সমুদায় ধন তেতিয়াৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক ভৃগু কুমাৰ ফুকনৰ হাতত গোলাঘাটত বহা ৰাজনৈতিক জাতীয় অধিবেশনত জমা দিয়া হৈছিল। আজিও সেই কথা সদৌ অসম ছাত্ৰ সন্থাৰ সেই সময়ৰ কাৰ্যনিৰ্বাহকৰ সদস্য ৰূপম কাকতী আৰু উৎপল দত্তই স্বীকাৰ কৰিব লাগিব। সেই অধিবেশনতে জন্ম হোৱা অগপ দলৰ সদস্য হৈ ড° জয়নাথ শৰ্মাদেৱে প্ৰথমবাৰৰ বাবে ছিপাঝাৰ সমষ্টিৰ পৰা অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হৈছিল। এইদৰে তেওঁ প্ৰত্যক্ষ ৰাজনীতিত জড়িত হৈ পৰিছিল আৰু অগপ দলৰ চৰকাৰৰ এজন কেবিনেট মন্ত্ৰী হ'বলৈ সক্ষম হৈছিল। তেওঁ ছিপাঝাৰ বিধান সভা সমষ্টিৰ পৰা একেৰাহে কেইবাবাৰো নিৰ্বাচনত বিজয়ী হৈছিল। ৰাজনৈতিক ক্ষেত্ৰত উত্থান-পতন থাকেই। সেয়া তেওঁৰ ক্ষেত্ৰতো হৈছিল। বিধান সভাত বিৰোধী দলৰ নেতা হিচাপেও সক্ৰিয় ভূমিকা লৈছিল।

ড° জয়নাথ শৰ্মাদেৱ বিবাহ পাশত আৱদ্ধ হৈছিল বিদূষী মহিলা ড° অনিতা শৰ্মা বৰুৱাৰ লগত। তেখেত আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা। ড° শৰ্মা বৰুৱাৰ পিতৃ আছিল প্ৰয়াত ড° হিতেন্দ্ৰ নাথ বৰুৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য আৰু মাতৃ প্ৰয়াত পাৰুকুটী বৰুৱা কটন মহাবিদ্যালয়ৰ অধ্যক্ষা। ড° জয়নাথ শৰ্মাদেৱৰ পুত্ৰ-কন্যা ক্ৰমে ৰণঞ্জয় আৰু প্ৰিয়ংকা। দৈব্যৰ দূৰবিপাক অকালতে পত্নী ড° শৰ্মা বৰুৱাৰ মৃত্যু হৈছিল।

কিন্তু ড° শৰ্মাদেৱে ৰাজনৈতিক জীৱনৰ ব্যস্ততাৰ মাজতো মাতৃহীন দুই পুত্ৰ-কন্যাক অকণো অসুবিধাত পৰিবলৈ দিয়া নাছিল। পুত্ৰ ৰণঞ্জয় (ৰোহণ) বৰ্তমান গুৱাহাটী মেডিকেল কলেজ হাস্পাতালৰ চিকিৎসক। তেওঁ পিতৃৰ পছন্দৰ পাত্ৰী প্ৰয়াত গৌৰ শংকৰ ভট্টাচাৰ্যৰ নাতিনী আৰু পূব-গুৱাহাটী সমষ্টিৰ বৰ্তমান বিধায়ত শ্ৰীযুত সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ কন্যা গাৰ্গী ভট্টাচাৰ্যৰ লগত বিবাহ পাশত আৱদ্ধ হৈছে। আনহাতে ড° শৰ্মাদেৱৰ একমাত্ৰ কন্যা প্ৰিয়ংকা সমাজতত্ব বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে আৰু তেওঁকো পিতৃয়ে সু-পাত্ৰৰ হাতত অৰ্পণ কৰিছে। জোঁৱাই কপিঞ্জল কিশোৰ শৰ্মা ৰে'লৱে বিভাগৰ এগৰাকী উচ্চ পদস্থ চৰকাৰী বিষয়া। গতিকে এই কথা ক'বই লাগিব যে ড° জয়নাথ শৰ্মা এগৰাকী সফল পিতৃও।

ড° জয়নাথ শৰ্মাদেৱৰ জীৱনৰ আন এটি গুৰুত্বৰ্পূ কাৰ্য হ'ল অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত লোৱা পদক্ষেপ। ১৯৯৫ চনত NERIM নামেৰে উচ্চ শিক্ষাৰ প্ৰষ্ঠিান এখন গঢ়ি তুলিছে যিখন অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলৰে নহয় ভাৰতৰ বিভিন্ন ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা কৰি আছে। বৰ্তমান সময়ত এই অনুষ্ঠানটিত এম. বি. এ., বি. বি. এ. আদি বিভিন্ন পাঠ্যক্ৰম অৰ্ন্তভুক্ত কৰা হৈছে। যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকল আজি অসমৰ বাহিৰলৈ পঢ়িবৰ বাবে যাব নলগা হৈছে। NERIM এতিয়া এটা অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান হিচাপে জনাজাত হৈ পৰিছে। এয়া আমাৰ বাবে বৰ গৌৰৱৰ কথা। এই ক্ষেত্ৰত আমি সকলোৱে স্বীকাৰ কৰিব লাগিব যে তেখেতে যি উদ্দেশ্যৰে অনুষ্ঠানটি স্থাপন কৰিছিল সেয়া পূৰ্ণমাত্ৰাই সফল হৈছে।

পৰম পিতা পৰমেশ্বৰে তেখেতক সু-স্বাস্থ্যৰ অধিকাৰী হৈ দীৰ্ঘ জীৱন লাভ কৰি ৰাইজৰ মংগলৰ বাবে আৰু কাম কৰিব পৰা শক্তি দিয়ক। তেখেতৰ সৰ্বতোপ্ৰকাৰ মংগল কামনা কৰি মোৰ লিখনিৰ মোখনি মাৰিলো। নাম আৰু কামৰ মিল থকা সফল ব্যক্তি গৰাকীয়ে হ'ল ড° জয়নাথ শৰ্মা।

❑❑❑

# ড° জয়নাথ শৰ্মাদেৱক যেনেদৰে পাইছো

- কৈলাশ চন্দ্ৰ শৰ্মা

দৰং জিলাখনে যিদৰে সাহিত্য-সংস্কৃতি আৰু শিক্ষাৰ ক্ষেত্ৰত অতীজৰে পৰা এক সুকীয়া ঐতিহ্য বহন কৰি আহিছে সেইদৰে ৰাজনৈতিক ক্ষেত্ৰতো নেতৃত্ব প্ৰদানৰ গৌৰৱময় ইতিহাস ৰচিত হৈছে আৰু বৰ্তমানলৈ সেই ধাৰা অব্যাহত আছে। ঐতিহাসিক পথৰুঘাটৰ ৰণত সেই দৃষ্টান্ত দেখিবলৈ পোৱা যায়। প্ৰায় ১৮৩০ চনমানৰ পৰা সূৰ্য নুডুবা পৰাক্ৰমী ইংৰাজ বা বৃটিছ শাসকৰ বিৰুদ্ধে জাগি উঠা দৰঙীয়া ৰাইজৰ বৈপ্লৱিক সত্বাই বৰ্ধিত হাৰৰ মাটি-সম্পতি-নাঙল কৰৰ প্ৰতিবাদ কৰিবলৈ ওলাই অহাটো আৰু ১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ দিনটোত শাসকীয় পক্ষৰে প্ৰত্যক্ষ বা মুখামুখি সমৰত লিপ্ত হোৱাটো জ্বলন্ত নিদৰ্শন হিচাপে পৰিগণিত হৈ ৰ'ল।

ভাৰতৰ স্বাধীনতা আন্দোলনতো দৰঙৰ একনিষ্ঠ সেৱক আৰু আত্মত্যাগী স্বতন্ত্ৰ সেনানীসকলে বিশেষ ভূমিকা পালন কৰিছিল। সেইসকলৰ প্ৰায় সংখ্যকে স্কুলীয়া জীৱন আধৰুৱা কৰি কাৰাবাসী হোৱা, বিশেষকৈ পণ্ডিত দীনেশ্বৰ শৰ্মাদেৱে অসমৰ প্ৰথম কাৰাবাসী হৈ দৰঙক গৌৰৱান্বিত কৰা তথা সতীৰ্থ আৰু অনুগামীসকলক ভাৰতৰ স্বাধীনতাৰ হকে উদ্বুদ্ধ কৰা গৌৰৱোজ্বল ইতিহাস সকলোৰে বিদিত।

সেইদৰে মাধ্যম আন্দোলন, ভাষা আন্দোলন য'ত প্ৰথম শ্বহীদ হোৱা দৰঙৰ মোজাম্মিল হকে সেই গৌৰৱৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিলে, বিদেশী বহিষ্কৰণ আন্দোলন য'ত দৰঙৰ অলেখ যুৱকে প্ৰাণ বিসৰ্জন দিবলৈ কুণ্ঠাবোধ নকৰিলে। আৰু এনে অলেখ প্ৰতিবাদী আন্দোলন আছে, যিসমূহৰ

নেতৃত্ব দৰঙৰ ৰাইজে দি আহিছে। এক কথাত কিছু প্ৰতিবাদী আন্দোলনৰ গুৰি ধৰোতা দৰং জিলা বুলি ক'লে হয়তো অত্যুক্তি কৰা নহ'ব। ইয়াৰ পৰা প্ৰতীয়মান হয় যে দৰঙীয়া ৰাইজৰ তেজত থকা প্ৰতিবাদী সত্বা আৰু নেতৃত্ব বহনকাৰী গুণ যুগে যুগে প্ৰবাহিত হৈ আহিছে। সেয়ে হয়তো দৰং জিলাৰ ঐতিহ্য আন ঠাইৰ তুলনাত অনন্য।

ড° জয়নাথ শৰ্মা অভিনন্দন গ্ৰন্থখনিৰ বাবে যুগুতাব খোজা আমাৰ নিজা বক্তব্য সম্বলিত লেখাৰ পাতনিতে এইখিনি কথাৰ প্ৰসংগ এইবাৰেই উল্লেখ কৰাৰ আৱশ্যকতাবোধ কৰিলো যে যিসকল লোকৰ ত্যাগ, উৎসৰ্গিত মনোভাবৰ অনবদ্য অৱদানেৰে অসমৰ বিদেশী বহিষ্কৰণ আন্দোলনত দৰং জিলাই অৰিহণা যোগাইছিল, সেইসকল শ্ৰদ্ধাৰ নেতা-কৰ্মীৰ অন্যতম আছিল ডঃ শৰ্মাদেৱ। উল্লেখ নকৰিলে ভুল হ'ব যে ডঃ শৰ্মাদেৱৰ সমপৰ্যায়ৰ বহু সুদক্ষ তথা সাহসী ছাত্ৰনেতা স্বাভিমানী বা প্ৰচাৰ বিমুখ হোৱা বাবে পৰৱৰ্তী কালত ৰাজনৈতিক ক্ষেত্ৰৰ পৰা আঁতৰত থাকিল। তেখেতসকলৰ উদাসীনতাৰ বিপৰীতে ডঃ শৰ্মাদেৱে কিন্তু অসমৰ আন নেতাসকলৰ শাৰীত উপবিষ্ট হ'ব পৰাকৈ নিজকে যোগ্য কৰি তুলিলে।

অসম চুক্তি ৰূপায়ণৰ উদ্দেশ্যেৰে আঞ্চলিক দল অসম গণ পৰিষদে প্ৰথমবাৰলৈ চৰকাৰ গঠন কৰিলে। শীৰ্ষস্থানীয় নেতাসকলে মুখ্য পদবীসমূহ অধিকাৰ কৰিলে। অন্যান্য দপ্তৰ সমূহতো আন জিলাৰ প্ৰতিনিধি অগ্ৰাধিকাৰ পালেও সমান অৰিহণা আৰু নেতা হিচাপে প্ৰথম মন্ত্ৰীসভাত ডঃ শৰ্মাদেৱক প্ৰথম অৱস্থাত কোনো দপ্তৰৰ দায়িত্ব দিব খোজা নাছিল বা দিয়া নহ'ল। ছিপাঝাৰ, মঙলদৈ, কলাইগাঁও আৰু দলগাঁও সমষ্টিত অসম গণ পৰিষদৰ প্ৰাৰ্থী বিজয়ী হোৱাৰ পাছতো সমগ্ৰ দৰং জিলাবাসী আশাহত হৈছিল। সেয়া আছিল (কৰ্মীসকলৰ বাবে) ক্ষোভৰ ক্ষণ। অৱশ্যে পিছলৈ দলৰ মুখ্য সচেতক, অসম চুক্তি ৰূপায়ণ আৰু ৰাজহ বিভাগৰ মন্ত্ৰী হিচাপে তেখেতৰ নেতৃত্ব আৰু কৰ্মকুশলতাৰ স্বীকৃতি স্বৰূপে দায়িত্ব অৰ্পন কৰা হ'ল। অসম আন্দোলন সদৌ অসম ছাত্ৰসন্থাৰ আহ্বানত আৰু অসম গণ সংগ্ৰাম পৰিষদৰ এগৰাকী একনিষ্ঠ

কৰ্মী হিচাপে সকলোবোৰ কাৰ্যসূচীতে অংশগ্ৰহণ কৰিছিলো । সেয়ে আঞ্চলিক দল অসম গণ পৰিষদৰ প্ৰতি দলীয় আনুগত্যৰে অসমৰ জ্বলন্ত সমস্যা বিদেশী অনুপ্ৰৱেশৰ এটা স্থায়ী সমাধানৰ আশা পোষণ কৰাৰ লগতে সমষ্টিটোৰ উন্নয়নৰ ক্ষেত্ৰতো গভীৰ প্ৰত্যাশাৰে কাম কৰিছিলো। সাহস আছিল এইয়োৱে যে ড° জয়নাথ শৰ্মাদেৱৰ দৰে শক্তিশালী নেতা এগৰাকীক আমাৰ সমষ্টিৰ বিধায়কৰূপে পাইছো। অৱশ্যে ছিপাঝাৰ সমষ্টিয়ে নহয় সমগ্ৰ দৰং জিলাখনেই ড° শৰ্মাদেৱৰ ভূমিকাৰ ক্ষেত্ৰত আশাবাদী আছিল।

সময়ত কেন্দ্ৰ আৰু ৰাজ্য উভয়তে ৰাজনৈতিক প্ৰেক্ষাপট সলনি হ'ল। কেন্দ্ৰ আৰু ৰাজ্যত একেদলীয় চৰকাৰ বা কেন্দ্ৰত সন্মিলিত চৰকাৰ হোৱা দিনতো ড° শৰ্মাদেৱ ছিপাঝাৰ সমষ্টিৰ বিধায়ক নিৰ্বাচিত হৈছিল যদিও সমষ্টি উন্নয়নৰ ক্ষেত্ৰত আৱশ্যকীয় অনুদান আদায়ত কিছু জটিলতাৰ সন্মুখীন হৈছিল। তৎস্বত্বেও এচাম সমৰ্থকৰ ড° শৰ্মাদেৱৰ প্ৰতি আস্থা অপৰিৱৰ্তিত হৈ আছিল আৰু এতিয়াও আছে। হয়তো তেখেতৰ ব্যক্তিগত সিদ্ধান্তৰ বাবে কোনো সময়ত আহুকলীয়া পৰিস্থিতিৰ উদ্ভৱ হ'লেও পূৰ্বৰ স্থিতি ঘূৰাই অনাৰ বাবে প্ৰচেষ্টা হাতত ল'লে নিশ্চয় তেখেতৰ সমৰ্থকসকলক উৎসাহিত কৰিব।

নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত তেখেতে লোৱা পদক্ষেপ নিশ্চয় সংস্থাপিত হোৱা সকলে অস্বীকাৰ নকৰিব। প্ৰাগবছিমী চিন্থেটিক লিমিটেড (PBSL) স্থাপনেৰে স্থানীয় নিবনুৱাক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিয়োজিত হোৱাত সহায় কৰাটো সকলোৱে জ্ঞাত। (পৰিচালনাৰ খেলিমেলিৰ বাবে এই উদ্যোগ বৰ্তমান সম্পূৰ্ণৰূপে বন্ধ হৈ পৰে।

ড° শৰ্মাদেৱৰ জীৱন পৰিক্ৰমাক আলোকপাত কৰাটো এই ক্ষুদ্ৰ লিখনিৰ পৰিসৰত সম্ভৱ নহয়। তেখেতৰ গুণমুগ্ধসকলে নিশ্চয় বিভিন্ন অভিজ্ঞতাৰ মাজেৰে তেখেতৰ সান্নিধ্য আৰু ব্যক্তিত্বৰ সম্পৰ্কত বহু নজনা দিশ উন্মোচিত কৰিব। আমি মাথোঁ আমাৰ জীৱন কালত প্ৰভাৱ পৰা অসম গণ পৰিষদৰ এগৰাকী দলীয় কৰ্মীৰ নিষ্ঠাপূৰ্বক অনুভৱহে এইখিনিত ব্যক্ত কৰিব বিচাৰিছো।

ড° শৰ্মাদেৱৰ ৰাজনৈতিক দিশৰ কৰ্মকুশলতাই তেখেতৰ ব্যক্তিত্বক আনতকৈ কিছু পৃথক মাত্ৰা প্ৰদান কৰিছিল। সম্ভৱতঃ বহু জটিলতাৰ মাজেৰে অতিক্ৰম কৰা কালছোৱাত লাভ কৰা বাস্তৱিক অভিজ্ঞতা, প্ৰত্যুৎপন্নমতিতা, আত্মবিশ্বাস আৰু প্ৰচুৰ মেধাশক্তি তেখেতৰ ব্যক্তিত্ব প্ৰকাশৰ আধাৰ আছিল। ইয়াৰ প্ৰমাণ পোৱা যায় নিৰ্বাচনী প্ৰচাৰ কাৰ্যত উদ্ভৱ হোৱা প্ৰতিকূল পৰিৱেশ, আহুকলীয়া পৰিস্থিতি, প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ সমৰ্থকৰ দ্বাৰা সৃষ্টি কৰা প্ৰতিবন্ধকতা আদিত। আমি নিজে তেমে দুটামান পৰিস্থিতিৰ সন্মুখীন হৈ মোকাবিলা কৰাৰ উদাহৰণ আছে। এনে ধৰণৰ কথাবোৰ অপ্ৰিয় যেন লাগিলেও সত্য।

অসম গণ পৰিষদ চৰকাৰৰ কাৰ্যকালতো তেখেতৰ বিচক্ষণতাৰ প্ৰমাণ ডাঙি ধৰিছিল। তেখেতৰ প্ৰত্যক্ষ সান্নিধ্যত থকা ব্যক্তিসকলৰ পৰা জানিব পৰা মতে, বিধান সভাৰ অধিৱেশনৰ সময়ত বিৰোধী পক্ষৰ যিকোনো জটিল প্ৰশ্নৰ উত্তৰ দিয়াৰ ক্ষেত্ৰত ড° শৰ্মাদেৰ আছিল অতিকে সৰৱ। তেখেতৰ তীক্ষ্ণ মেধাশক্তিৰে পৰৱৰ্তী দিনত নিজৰ বিভাগৰ লগতে আন দপ্তৰৰ সম্পৰ্কত বিৰোধী পক্ষই আনিব পৰা বা উত্থাপন কৰিব পৰা সম্ভাব্য প্ৰশ্ন অনুধাৱন কৰি যথাযথ উত্তৰ প্ৰস্তুত কৰিছিল আৰু সকলোকে বিব্ৰত কৰিছিল হেনো। আমি জনাত তেখেত সেই সময়ৰ জনপ্ৰতিনিধি সকলতকৈ শিক্ষাগত অৰ্হতাৰে আগবঢ়া আছিল, বাণিজ্য আৰু আইন বিষয়তো তেখেত উচ্চ অৰ্হতা সম্পন্ন হোৱা বাবেই হয়তো সেয়া সম্ভৱ হৈছিল।

সময়ৰ সোঁতত ৰাজনৈতিক ক্ষেত্ৰখনত স্থবিৰতা আহিলেও এচাম সমৰ্থকৰ মাজত ড° শৰ্মাদেৱৰ প্ৰাসংগিকতা এতিয়াও অপৰিৱৰ্তিত ৰূপত থকা দেখা যায়। তেখেতৰ প্ৰতি থকা আস্থাৰ বাবেই ৰাজনৈতিক ক্ষেত্ৰখনত তেখেতৰ প্ৰত্যাবৰ্তনৰ আশা সেইসকল সমৰ্থকৰ মাজত পৰিলক্ষিত হয়।

ৰাজনীতিত জৰিত হৈ থকাৰ মাজতে তেখেত ইস্কন ( ISCON) (আৰ্ন্তজাতিক কৃষ্ণ ভাৱামৃত সংঘ)ৰ ভাৱধাৰৰ প্ৰতি আকৃষ্ট হোৱাতো লক্ষ্য কৰিছিলো আৰু আধ্যাত্মিক চিন্তা-চৰ্চা, অধ্যয়ন আৰু জীৱন শৈলী পৰিৱৰ্তনৰ আভাস পাইছিলো। তেখেতৰ সাক্ষাৎ বিচাৰি যোৱা দিনত (সামাজিক

উদ্দেশ্যত) অনেক ধৰ্মমূলক গ্ৰন্থৰ সমাহাৰ আবাসৰ বৈঠকখানাত প্ৰত্যক্ষ কৰিছিলো। সাক্ষাৎকাৰীসকলৰ সৈতে ধৰ্ম সম্পৰ্কীয় আলোচনাও কৰিছিল।

এইখিনিতে তেখেতৰ প্ৰতি কৃতজ্ঞতাৰে উল্লেখ কৰিব খুজিছো মোৰ সংস্থাপনৰ ক্ষেত্ৰত থকা তেখেতৰ অৱদানৰ কথা। ১৯৯২ চনত অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৱৰ কাৰ্যকালত অসমৰ মধ্য ইংৰাজী মজলীয়া বিদ্যালয় আৰু উচ্চ মাধ্যমিক বিদ্যালয়সমূহত গণিত আৰু বিজ্ঞান বিষয়ৰ শিক্ষক নিযুক্তি দিয়া হৈছিল। বেংকত ট্ৰেজাৰী চালানৰ জৰিয়তে নিৰ্দিষ্ট মাচুল জমা দি আবেদন কৰাৰ পাছত লিখিত পৰীক্ষাৰ পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু গণিত মুখ্য বিষয় হিচাপে থকা প্ৰাৰ্থীসকলক অগ্ৰাধিকাৰ ভিত্তিত নিযুক্ত কৰাৰ চৰ্ত আছিল, সেই অগ্ৰাধিকাৰৰ আওঁতাত পৰা মোৰ লগতে আন কেবাজনৰো নাম চূড়ান্ত বাছনি তালিকাৰ পৰা কোনোৱে অজ্ঞাত কাৰণত কৰ্তন কৰি আনৰ নাম সন্নিৱিষ্ট কৰিছিল। বিষয়টো নিযুক্তিৰ দায়িত্বত থকা বিষয়া গৰাকীয়ে সমাধান কৰিবলৈ অপাৰগ হোৱাত আমাৰ খুড়াদেউ ছিপাঝাৰৰ এগৰাকী বিশিষ্ট ব্যক্তি প্ৰয়াত তৰুণ চন্দ্ৰ শৰ্মাদেৱৰ জৰিয়তে তেতিয়াৰ বিধায়ক হিচাপে থকা ড° শৰ্মাদেৱৰ হস্তক্ষেপ বিচৰাত তেখেতে শিক্ষা বিষয়া গৰাকীক বিষয়টি সমাধান কৰিবলৈ অনুৰোধ জনোৱাত মোৰ সংস্থাপনৰ পথ প্ৰশস্ত হয় আৰু সুদীৰ্ঘ ৩০ বছৰ ওদালগুৰি জিলাৰ সীমান্তৱৰ্তী ঠাকুৰীয়াপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ত (একত্ৰিকৃত) শিক্ষাদান কৰি অৱসৰ গ্ৰহণ কৰো। ডঃ শৰ্মাদেৱে দিয়া পৰামৰ্শ মতে চাকৰি কালছোৱাত বদলিৰ ইচ্ছা পৰিহাৰ কৰি উক্ত স্থানৰ পৰিৱেশত মিলি ভিন্ন জাতি-গোষ্ঠীৰ সৈতে সহৱস্থান কৰি বিভিন্ন অভিজ্ঞতা অৰ্জন কৰিবলৈ সক্ষম হওঁ। এয়া মোৰ জীৱন কালৰ এটা বৃহৎ সাৰ্থকতা বুলি ধন্য মানিছো আৰু ড° শৰ্মাদেৱৰ প্ৰতি শ্ৰদ্ধাসূচক কৃতজ্ঞতা নিবেদিছো।

জীৱনত বিভিন্ন দিশৰ সাফল্যৰে ড° শৰ্মাদেৱৰ জীৱন পৰিপূৰ্ণ হ'লেও 'জুয়ে পোৰা তিৰাশী'ত ঘাতকৰ হাতত শ্বহীদ হোৱা ভাতৃ দয়া শৰ্মা আৰু শাৰীৰিক অসুস্থতাৰ হেতু অকালতে হেৰাই যোৱা প্ৰিয় সহধৰ্মিণী গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° অনিতা বৰুৱা শৰ্মাৰ

অনুপস্থিতিয়ে যি এক বিশাল শূন্যতাৰ সৃষ্টি কৰিলে, সেয়া প্ৰকাশৰ ভাষা আমাৰ কাৰোৰে নাই। মনত পৰে ৰাজহুৱা কামৰ বাবে ড° শৰ্মাদেৱক লগ ধৰিবলৈ যাওঁতে তেখেতৰ অনুপস্থিতিত সাদৰেৰে বহিবলৈ কৈ নিজৰ কৰ্তব্যস্থলীলৈ ৰাওনা হোৱা সাদৰী মহিলা গৰাকীলৈ। নিজৰ ব্যক্তিগত বিষয়ৰ সৈতে তেওঁ কোনোদিনে ৰাজনীতি একাকাৰ কৰা নাছিল। আনকি ড° শৰ্মাদেৱৰ সৈতে কোনো সভা-সমিতিলৈও যোৱা দেখা নাছিলো। অৱশ্যে কোনো সামাজিক বা ধৰ্মীয় অনুষ্ঠানত সপৰিয়ালে যোৱাটো সুকীয়া কথা। অসমৰ এখন প্ৰতিস্থিত তথা সম্ভ্ৰান্ত ঘৰৰ জীয়ৰী তথা এগৰাকী মন্ত্ৰীৰ পত্নী হিচাপে সচৰাচৰ থাকিব পৰা আভিজাত্যৰ বহিঃ প্ৰকাশ তেখেতৰ ব্যৱহাৰত পৰিলক্ষিত হোৱা নাছিল। আছিল মাথোঁ এগৰাকী উচ্চ আসনত অধিষ্ঠিতা বিদ্বান ব্যক্তিৰ প্ৰজ্ঞাৰ আভা। প্ৰতি বছৰে ২৭ এপ্ৰিলৰ তাৰিখে এই গৰাকী বিদূষীৰ মৃত্যু বাৰ্ষিকীত সমূহ পৰিয়ালে শ্ৰদ্ধাৰে সোঁৱৰণ কৰা আলোকচিত্ৰসহ বাতৰি কাকতত প্ৰকাশিত বাতৰিটোৱে আমাৰো চকুলো সেমেকাই তোলে। এই মুহূৰ্তত তেওঁৰ প্ৰতি একাঁজলি শ্ৰদ্ধা নিবেদনেৰে পৰলোকগত আত্মাৰ শান্তি কামনাৰে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

শেষত ড° জয়নাথ শৰ্মাদেৱৰ জীৱন পৰিক্ৰমা সামৰি তেখেতৰ গুণমুগ্ধ, সতীৰ্থ আৰু শুভাকাংক্ষীৰ শুভেচ্ছামূলক বক্তব্যৰে প্ৰস্তুত কৰিব বিচৰা অভিনন্দন গ্ৰন্থখনিত আমাৰ দৰে অভাজনকো ডঃ শৰ্মাদেৱৰ প্ৰতি কৃতজ্ঞতাসূচক এইখিনি লেখা সন্নিৱিষ্ট কৰাৰ সুযোগ দিয়া বাবে গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি, সম্পাদক প্ৰমুখ্যে সন্মানীয় বিষয়ববীয়া আৰু সদস্য-সদস্যাবৃন্দলৈ কৃতজ্ঞতা জনালোঁ।

❑❑❑

# ড° জয়নাথ শৰ্মা
# এক সফল ব্যক্তিত্বৰ কিছু জীৱন গাঁথা

- আদ্য প্ৰসাদ শৰ্মা

একেধাৰে এজন সফল ৰাজনীতিবিদ, সফল শিক্ষাপ্ৰেমী, সফল সংগঠক, সকলো দিশত পাৰদৰ্শী, কিছুমান বিশেষ বিশেষ ব্যক্তিৰ ক্ষেত্ৰতহে প্ৰযোজ্য। সেই সফল ব্যক্তি গৰাকীয়েই হ'ল সামগ্ৰিকভাৱে সকলো লোককেই অন্তৰ চুই যোৱা শ্ৰদ্ধাৰ ড° জয়নাথ শৰ্মা। ছাত্ৰ জীৱনৰ পৰা কঠোৰ পৰিশ্ৰম কৰি সমগ্ৰ প্ৰশাসনৰ একালৰ মূৰৰ কামোৰণি ড° শৰ্মাদেৱক যিজনে এবাৰ ওচৰৰ পৰা লগ পাইছে সেইসকলে কেতিয়াও পাহৰিব নোৱাৰে। সুন্দৰ হাতৰ আখৰৰ অধিকাৰী, প্ৰত্যুৎপন্নমতি ড° শৰ্মাদেৱৰ জীৱন শৈলী আছিল আন কাৰোৰে লগত নিমিলা এক ব্যতিক্ৰম। আমাতকৈ দুবছৰমান জ্যেষ্ঠ ড° শৰ্মাদেৱক প্ৰথমে লগ পাইছিলো ১৯৬৯ চনত তেল শোধনাগাৰ আন্দোলনৰ সময়ত। সেই আন্দোলনত শ্বহীদ হৈছিল ছিপাঝাৰৰ ৰেৱৎ শৰ্মা। সেই আন্দোলনৰ পৰা ড° শৰ্মাদেৱে ছাত্ৰসন্থাৰ গুৰি ধৰি ১৯৭২ চনৰ ভাষা আন্দোলনৰ লগত সংপৃক্ত হৈ পৰিছিল। অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ বাঘজৰী ধৰি সৰ্বাধিনায়ক পদত অধিষ্ঠিত হৈ ছাত্ৰ আন্দোলনটোক বিশ্ব দৰবাৰলৈ লৈ যোৱাত ড° শৰ্মাদেৱে নেতৃত্ব দিছিল। ১৯৭৯-৮০ চনত দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তি ক্ষেত্ৰত দেখা দিয়া এক সমস্যা সমাধানৰ বাবে তেখেতক লগ কৰিবলৈ আমি বন্ধুবৰ গজেন বৰাৰ লগত তেজপুৰলৈ গৈছিলো। তেতিয়া তেজপুৰলৈ যোৱা গাড়ী কম আছিল আৰু সৰু গাড়ীবিলাক ভৰলী নদীৰ ওপৰত সজা অস্থায়ী বাঁহৰ দলঙেৰে পাৰ হৈছিল আৰু ডাঙৰ গাড়ীবিলাক মিছামাৰী হৈ তেজপুৰলৈ চলাচল কৰিছিল। আমি

ভৰলী নদীৰ ওপৰত থকা অস্থায়ী বাঁহৰ দলঙেদি পাৰ হৈ এদিন ৰাতি দহমান বজাত তেজপুৰ পালোগৈ। সেই সময়ত ডঃ **শৰ্মা**দেৱ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ এটি অস্থায়ী চাকৰি কৰি আছিল। আমি গৈ থকা ঠাইখিনি বিচাৰি উলিয়াই গম পালো যে তেওঁ ক'ৰবাত ওলাই গৈছে। থকা ঠাইখিনিত এখন খাত আৰু সামান্য বিছনাৰ সামগ্ৰী। ৰাতিটো যেনে তেনে থাকি ৰাতিপুৱালৈ ড° **শৰ্মা**দেৱক লগ পালো আৰু খুব পুৱাতেই তেতিয়াৰ শিক্ষামন্ত্ৰীক লগ কৰি বিদ্যালয়ৰ শিক্ষক নিযুক্তি প্ৰক্ৰিয়াৰ বিষয়ে আলোচনাত মিলিত হওঁ। সেই সময়ত ড° **শৰ্মা**দেৱে যি ভূমিকা পালন কৰিছিল সেয়া আজিও মনত আছে।

সফল বিধায়ক আৰু প্ৰত্যেক বিভাগৰ বিভিন্ন কাম-কাজৰ ওপৰত গভীৰ দখল থকা বাবে মন্ত্ৰীত্বৰ কালতো কাৰ্যালয়সমূহৰ প্ৰথম শ্ৰেণীৰ বিষয়াৰ পৰা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকলে প্ৰতিটো মুহূৰ্ততে সচেতন হৈ থকাটো পৰিলক্ষিত হৈছিল। কি পদ্ধতিৰে আগবাঢ়িলে সাধাৰণ ৰাইজে কষ্ট নকৰাকৈ চৰকাৰী আঁচনিসমূহ লাভ কৰিব সেই সম্পৰ্কত ড° **শৰ্মা**দেৱ আছিল সফল কুটনীতিবিদ।

ধৰ্মৰ প্ৰতি থকা তেখেতৰ আনুগত্যই ভক্তসকলক বিশেষভাৱে অনুপ্ৰাণিত কৰিছে। এগৰাকী পুৰোহিতৰ থাকিবলগীয়া সকলোবিলাক গুণৰ অধিকাৰী আছিল ড° **শৰ্মা**দেৱ। ৰাজনীতিৰ ভাষণতকৈ ধৰ্মৰ ওপৰত দিয়া তত্বগধুৰ মন্তব্যসমূহে সকলোকে আকৰ্ষিত কৰে। তেখেতৰ পত্নীৰ অকাল মৃত্যুৱে পৰৱৰ্তী সময়ত কিছু বাধাৰ সৃষ্টি হৈছিল যদিও ড° **শৰ্মা**দেৱ এতিয়াও এজন শক্তিশালী নেতা হিচাপে পৰিগণিত হৈছে। ড° **শৰ্মা**দেৱৰ পৰৱৰ্তী দিনসমূহ ভালদৰে সুকলমে যাওক, শতায়ু গৰকক তাকেই কামনা কৰি তেখেতৰ প্ৰতি থকা অগাধ ভালপোৱা পৰৱৰ্তী সময়তো অটুট থাকক সেই আশাৰে সামৰণি মাৰিলোঁ।

❑❑❑

# ড° জয়নাথ শৰ্মালৈ অভিনন্দন

- প্ৰসন্ন শৰ্মা

শ্ৰদ্ধাৰ ড° জয়নাথ শৰ্মালৈ অভিনন্দন জনাবলৈ আয়োজন কৰা প্ৰস্তুতি সমিতিলৈ প্ৰথমে মই কৃতজ্ঞতা প্ৰকাশ কৰিলো। প্ৰস্তুতি সমিতিৰ পৰা এখন চিঠি পাইছিলো। সেয়ে আমাৰ দৰে লোকে তেখেতৰ কৰ্মৰাজিৰ বাবে দুআষাৰ লিখিব বিচাৰিছো। ভুল-ত্ৰুটি মাৰ্জনা কৰে যেন।

ড° শৰ্মাদেৱক প্ৰথম দিনা লগ পাইছিলো আমাৰ দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত, এজন ঐতিহাসিক অসম আন্দোলনৰ বিপ্লৱী নেতা হিচাপে। সেইদিনা দুনী ছাত্ৰসন্থাৰ উদ্যোগত উক্ত বিদ্যালয়তে এখন সভা অনুষ্ঠিত হৈছিল। ছাত্ৰ-ছাত্ৰীৰ লগতে আৰু বহুতো লোক আহি সভাত যোগ দিলেহি। সভাত ড° শৰ্মাদেৱে উদাত্ত কণ্ঠে ভাষণ দিছিল, যেন মুখেৰে জুইৰ ফিৰিঙতিহে ওলাইছিল। ৰাইজৰ হাত চাপৰিৰ লগতে "জয়নাথ শৰ্মা জিন্দাবাদ, সদৌ অসম ছাত্ৰসন্থা জিন্দাবাদ" ধ্বনিৰে মুখৰিত হৈছিল আৰু তেতিয়াৰ পৰাই ড° শৰ্মাদেৱ নামটি সকলোৰে মানস পটত অংকিত হৈ ৰৈছিল।

ইয়াৰ পিছৰ পৰাই ড° শৰ্মাদেৱ য'লৈকে গৈছে মানুহৰ লানি নিছিঙা সোঁত বৈছিল- এই বিপ্লৱী বীৰজনক এবাৰ মাত্ৰ দৰ্শন কৰি মনত সাহস পাবলৈ। কোনো কোনো লোকে ামোদ কৰি তেখেতৰ নাম দিছিল "জুইনাথ শৰ্মা"। কাৰণ তেখেতৰ মুখেৰে বিপ্লৱৰ জুই ওলাইছিল। একাধিকবাৰ তেখেত কাৰাৰুদ্ধ হোৱা বুলিও জানিছিলো। তেখেতৰ শক্তিশালী সংগ্ৰামী নেতৃত্বৰ বাবে অভিনন্দন জ্ঞাপন কৰিলো।

ড° শৰ্মাদেৱ ৰাজনৈতিক ক্ষেত্ৰখনৰো সুদক্ষ সেৱক আছিল। দুখীয়াৰ দুখ তেখেতে বুজি পাইছিল। আন এটি কথা নকৈ নোৱাৰিলো যে,

তেখেতে জাতি ভেদ প্ৰথা মানিব পৰা নাছিল। তেওঁৰ মনত আল্লা, ঈশ্বৰ, যীশু এজনেই। মানুহেই ভগৱান। তেখেতৰ ধৰ্মমূলক বক্তব্যত সেই কথা প্ৰকাশ পাইছিল।

ৰাজনৈতিক জীৱনত সমাজলৈ যি অৱদান আগবঢ়াইছে সেয়া প্ৰশংসনীয়। তেখেতৰ বিগত আৰু বৰ্তমানৰ কৰ্মৰাজিৰ বাবে মোৰ লগতে পৰিয়ালবৰ্গই অভিনন্দন জনালো আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

❑❑❑

# দেওমৰনৈ আৰু ড° জয়নাথ শৰ্মা

- বিনয় কুমাৰ শৰ্মা

ইং ১৯৭৭ চনৰ কথা। দেওমৰনৈৰ তেতিয়াৰ শিক্ষানুষ্ঠান দেওমৰনৈ উচ্চ মাধ্যমিক বিদ্যালয় আৰু দেওমৰনৈ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভা কলাইগাঁও আঞ্চলিক ছাত্ৰসন্থাৰ অন্তৰ্গত আছিল। কিবা এটা কাৰণত কলাইগাঁও আঞ্চলিক ছাত্ৰসন্থাই দেওমৰনৈৰ দুয়োখন বিদ্যালয়ৰ ছাত্ৰ একতা সভাক বহিষ্কাৰ কৰি থলে। তেতিয়াই দেওমৰনৈত সুকীয়াকৈ ছাত্ৰ সংগঠন কৰিব পাৰি নেকি চিন্তা-চৰ্চা আৰম্ভ হ'ল। ইতিমধ্যে কলাইগাঁওৰ সভা-সমিতিবোৰলৈ যাবৰ বাবে দুয়োখন বিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলে বৰ অসুবিধা অনুভৱ কৰি আছিল। এই ক্ষেত্ৰত আলোচনা আৰম্ভ হ'ল। আগভাগ ল'লে সেই সময়ৰ দেওমৰনৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ তথা ছাত্ৰ একতা সভাৰ বিষয়ববীয়া প্ৰফুল্ল কুমাৰ, অজিত কুমাৰ শৰ্মা, যামিনী ৰঞ্জন শৰ্মা বৰুৱা আৰু মঙলদৈ মহবিদ্যালয়ত অধ্যয়নৰত দেওমৰনৈৰ ছাত্ৰ পৰমানন্দ ৰাজবংশী, যাদৱ চন্দ্ৰ শৰ্মা আৰু প্ৰনৱ কুমাৰ শৰ্মা আদিয়ে। আনহাতে আন্তঃ মঙলদৈ ছাত্ৰসন্থাৰ উপ-সভাপতিৰ দায়িত্বত পৰমানন্দ ৰাজবংশী থকা হেতুকে বিষয়টোৱে কিছু মাত্ৰা লাভ কৰিলে আৰু মূৰকত দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থা গঠন হ'ল। যাদৱ চন্দ্ৰ শৰ্মা সভাপতি, প্ৰনৱ কুমাৰ শৰ্মা কাৰ্যকৰী সভাপতি, অজিত কুমাৰ শৰ্মা সম্পাদক আৰু প্ৰফুল্ল কুমাৰদেৱ স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়ক হিচাপে লৈ অন্যান্য বিষয়ববীয়া সকলেৰে দেওমৰনৈ আঞ্চলিক ছাত্ৰসন্থা গঠন হ'ল। ইতিমধ্যে ৰাজ্যত জনতা দলৰ চৰকাৰ চলি আছিল। হঠাৎ লোকসভাৰ সাংসদ টংলাৰ হীৰালাল পাটোৱাৰীদেৱৰ মৃত্যুত মঙলদৈ লোকসভা সমষ্টিৰ মধ্যকালীন নিৰ্বাচনৰ যো-জা আৰম্ভ হ'ল আৰু তেতিয়াই ভোটাৰ তালিকাত অস্বাভাৱিক অবৈধ ভোটাৰৰ সংখ্যা বৃদ্ধি হোৱাটো দৃষ্টি গোচৰ হোৱাত মঙলদৈ জিলা ছাত্ৰসন্থাই ভোটাৰ তালিকা শুদ্ধ নকৰাকৈ নিৰ্বাচন অনুষ্ঠিত নকৰিবলৈ চৰকাৰক আবেদন জনালে। বিষয়টো সদৌ অসম ছাত্ৰসন্থাৰ মজিয়াত উত্থাপিত হ'ল। চৰকাৰে মানি নোলোৱাত সদৌ অসম ছাত্ৰসন্থাই অবৈধ বিদেশী ভোটাৰৰ নাম ভোটাৰ তালিকাৰ পৰা কৰ্তন

আৰু বিদেশী বিতাড়নৰ বাবে আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিলে। লাহে লাহে আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰিলে। লগে লগে অসমৰ চহৰ-নগৰ, গাঁও-ভুঁইত বিভিন্ন সভা-সমিতি হ'বলৈ ধৰিলে। মঙলদৈতো বিভিন্ন ঠাইত আন্দোলনত ৰাইজৰ যোগদান বিচাৰি সভা আহ্বান কৰা হ'ল আৰু তেতিয়াই বিভিন্নজন ব্যক্তিত্ব সম্পন্ন সুবক্তা ছাত্ৰনেতাৰ আৱিষ্কাৰ হ'ল। তেওঁলোকৰ অন্যতম আছিল শ্ৰদ্ধাৰ প্ৰয়াত প্ৰেমেশ্বৰ শৰ্মা, তিলক প্ৰসাদ বৰুৱা, জয়নাথ শৰ্মা, অতুল গোস্বামী, ৰমেশ বৰুৱা, পৰমানন্দ ৰাজবংশী, যাদৱ চন্দ্ৰ শৰ্মা আদি। এই ছাত্ৰনেতাসকলৰ ভাষণ শুনি ৰাইজ আবেগিক আৰু উত্তেজিত হৈ পৰিল আৰু সকলোৱে আন্দোলনৰ সকলো কাৰ্যসূচীত সদলবলে যোগদান কৰিলে। তেতিয়াই ৰাইজৰ দৃষ্টিত ধৰা পৰিল এক বিশাল ব্যক্তিত্বৰ সুবক্তা ছাত্ৰনেতা ড০ জয়নাথ শৰ্মা। ইতিমধ্যে ড° শৰ্মাদেৱে সদৌ অসম ছাত্ৰসন্থাৰ স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়কৰ দায়িত্ব লাভ কৰিলে। অন্যহাতে যাদৱ চন্দ্ৰ শৰ্মাদেৱৰ আন্তঃ মঙলদৈ ছাত্ৰসন্থাৰ সভাপতিৰ দায়িত্ব পোৱাত তেওঁ দেওমৰনৈ আঞ্চলিক ছাত্ৰসন্থাৰ সভাপতিৰ দায়িত্বৰ পৰা অব্যাহতি ল'লে আৰু কাৰ্যকৰী সভাপতি প্ৰনৱ কুমাৰ শৰ্মাই সভাপতিৰ দায়িত্ব পালে। একে সময়তে অসম আন্দোলনৰ সহযোগী সংগঠন সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ দেওমৰনৈ আঞ্চলিক সমিতিৰ সভাপতি দায়িত্ব আমাৰ পিতৃ প্ৰয়াত মুক্তিযোদ্ধা জিতেন্দ্ৰ নাথ শৰ্মাদেৱৰ ওপৰত ন্যস্ত হয়। লগে লগে তেওঁ দেওমৰনৈ আঞ্চলিক কৰ্মচাৰী পৰিষদৰো সভাপতিৰ দায়িত্ব ল'বলগীয়া হয়। কৰ্মচাৰী পৰিষদে ছাত্ৰসন্থাৰ আন্দোলনক পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। আমি তেতিয়া (১৯৭৯) নৱম শ্ৰেণীৰ ছাত্ৰ। ককাইদেউ ছাত্ৰসন্থাৰ সভাপতি, পিতৃ গণ সংগ্ৰাম পৰিষদ আৰু কৰ্মচাৰী পৰিষদৰ সভাপতি হেতু আমাৰ ঘৰখন ছাত্ৰসন্থাৰ অসম আন্দোলনৰ দেওমৰনৈৰ ৰহঘৰত পৰিণত হৈছিল। পিছত ১৯৮৩ চনত দেওমৰনৈ আঞ্চলিক ছাত্ৰসন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ দুয়োটা কাৰ্যালয় পদুলিত থকা জুপুৰি ঘৰটিত চলাই যাবলৈ উৎসৰ্গিত কৰিছিল। এই সূত্ৰে বহুতো ছাত্ৰনেতাৰ আমাৰ ঘৰলৈ সঘন আহ-যাহ হৈছিল আৰু ড° জয়নাথ শৰ্মাদেৱো তাৰ মাজৰ এজন আছিল। স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক হিচাপে ড° শৰ্মাদেৱৰ বহু ৰোমাঞ্চকৰ কাহিনীয়ে সেই সময়ত সমাজক আকৰ্ষিত কৰিছিল। বহু সময়ত তেওঁ ছদ্মবেশ ধৰি আত্মগোপন কৰিবলগীয়া হৈছিল। তেনে এক কাহিনীত পাঞ্জাৱী পাগুৰি পিন্ধি ছদ্মবেশ ধাৰণ কৰা তেওঁৰ ফটো বাতৰি কাকতত

প্ৰকাশ পাইছিল। এনে বহুতো ঘটনা আৰু কাহিনীয়ে সেই সময়ৰ মঙলদৈ ছাত্ৰনেতা ড° জয়নাথ শৰ্মাদেৱে গোটেই অসমতে সমাদৃত আৰু জনপ্ৰিয় হ'বলৈ সক্ষম হৈছিল। জুয়ে পোৰা তিৰাশীৰ নিৰ্বাচনৰ সময়ত অসমৰ অৱস্থা অতি বেয়া হৈ গৈছিল। ছাত্ৰনেতাসকলক কাৰাৰুদ্ধ কৰা হ'ল। আন্দোলনৰ গতি মন্থৰ হ'ল। অৱশেষত ১৯৮৫ চনৰ ১৫ আগষ্টৰ মাজনিশা অসম চুক্তি স্বাক্ষৰিত হ'ল।

দিল্লীৰ পৰা চুক্তি স্বাক্ষৰ কৰি উভতি অহা ছাত্ৰনেতাসকলক বিমান বন্দৰৰ পৰা আদৰণি জনোৱা হ'ল। লগে লগে গোটেই অসমতে বিভিন্ন সভাত তেওঁলোকক আদৰি জনোৱা হ'ল আৰু আঞ্চলিক ৰাজনৈতিক দল গঠনৰ কুজকাৰাজ আৰম্ভ হৈ গ'ল। গোলাঘাটত ৰাজনৈতিক অভিৱৰ্তন অনুষ্ঠিত হ'ল। দেওমৰনৈৰ পৰা প্ৰয়াত মুক্তিযোদ্ধা জিতেন্দ্ৰ নাথ শৰ্মা, বিশিষ্ট কৃষক প্ৰয়াত নৰপতি কলিতা আৰু দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰদ্ধেয় কমিনাথ ডেকাদেৱক দেওমৰনৈ আঞ্চলিক ছাত্ৰসন্থাই অভিৱৰ্তনত প্ৰতিনিধি হিচাপে পঠিয়ালে। এই অভিৱৰ্তনত দৰঙৰ পৰা যিসকলে বক্তব্য দিবলৈ সুবিধা পাইছিল তাৰ মাজত অৰ্থনীতিৰ ওপৰত ভাষণ ৰাখিবলৈ জিতেন্দ্ৰ নাথ শৰ্মাদেৱে দহ মিনিট সময় লাভ কৰিছিল।

আন্দোলনৰ কাৰ্যসূচী সমাপ্ত হোৱাৰ পিছত ৰাজনৈতিক চিন্তা চৰ্চাবোৰ আৰম্ভ হ'ল। অভিৱৰ্তনত নতুন আঞ্চলিক ৰাজনৈতিক দল গঠন হ'ব। আচৰিত কথাটো হ'ল যে, এই দলটোৰ কাৰ্যনিৰ্বাহত যাতে জয়নাথ শৰ্মাদেৱে সদস্য পদ লাভ কৰিব নোৱাৰে কিছু প্ৰতিনিধিয়ে তাৰ ষড়যন্ত্ৰৰ গোন্ধ পালে। লগে লগে দল গঠনৰ মূল সভা আৰম্ভ হোৱাৰ আগতেই মুক্তিযোদ্ধা প্ৰয়াত ৰত্নেশ্বৰ শৰ্মাদেৱৰ সভাপতিত্বত এটি কোঠাত সুকীয়াকৈ অবিভক্ত দৰঙৰ এখন সভা অনুষ্ঠিত কৰিলে আৰু তাত তেজপুৰৰ ছাত্ৰনেতা বাপধন কোঁচদেৱে নতুন দলটিৰ কাৰ্যনিৰ্বাহক সদস্য হিচাপে মঙলদৈৰ জয়নাথ শৰ্মাদেৱৰ নাম আৰু ৰত্নেশ্বৰ শৰ্মাদেৱে তেজপুৰৰ বৃন্দাবন গোস্বামীদেৱৰ নাম প্ৰস্তাৱ কৰিলে আৰু দল গঠনৰ সভাত অবিভক্ত দৰঙৰ সদস্য হিচাপে দুয়োগৰাকীৰ নাম ঘোষণা কৰি দিলে। জয়নাথ শৰ্মা বিৰোধীসকল অধিৱেশনস্থলীৰ চৌহদৰ বাহিৰতে থাকিল। যথা সময়ত 'অসম গণ পৰিষদ' দল গঠন হ'ল।

১৯৮৫ চনৰ ডিচেম্বৰ মাহত অসমত অসম গণ পৰিষদৰ চৰকাৰ

গঠন হ'ল। এইখিনিতে উল্লেখ কৰিব লাগিব, অসম গণ পৰিষদ দলৰ পৰা ছিপাঝাৰ বিধান সভা সমষ্টিৰ বিধায়কৰ প্ৰাৰ্থীত্বৰ বাবে দলীয় টিকট লাভ কৰাৰ লগে লগেই অতুল গোস্বামী, পৰমানন্দ ৰাজবংশী আৰু ৰমেশ বৰুৱাদেৰক লগত লৈ মাজনিশা জয়নাথ শৰ্মা আমাৰ ঘৰ পালেহি আৰু পিতাদেউক ক'লে- দাদা, টিকেট পালো। এতিয়া আপোনালোকৰ কাম বাঢ়িল। বিধায়ক নিৰ্বাচিত হ'ল। প্ৰথম পৰ্যায়ত ড০ জয়নাথ শৰ্মাদেৱে মন্ত্ৰীত্ব নাপালে যদিও পৰৱৰ্তী সময়ত জলসিঞ্চন মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰিলে। তেওঁ জলসিঞ্চন মন্ত্ৰী হৈ থকাৰ সময়ত দেওমৰনৈৰ এটা ডাঙৰ কাম সাধন হ'ল। দেওমৰনৈ নিকটৱৰ্তী কপিলীসত্ৰ গাঁৱত কুলসী নৈত জলসিঞ্চন আঁচনিৰ যি বান্ধ আছিল হঠাৎ এদিন বান্ধটো ভাগি থাকিল। ফলত খেতিপথাৰত পানীৰ অভাৱত খেতিয়কৰ দুদৰ্শাৰ সীমা নোহোৱা হ'ল। খুব সম্ভৱ সেয়া ১৯৮৮ চনমানৰ কথা। তৰাৰ কেঁচা বান্ধ বান্ধি কৃষক ৰাইজে পথাৰত পানী যোগানৰ ব্যৱস্থা কৰিব লগীয়া হ'ল। ৰাইজ একত্ৰিত হৈ বান্ধ নিৰ্মাণ কমিটি গঠন কৰিলে। প্ৰয়াত জিতেন্দ্ৰ নাথ শৰ্মা সভাপতি, ওচিয়ৎ আলি সম্পাদক, প্ৰয়াত ক্ষিৰোদানন্দ গোস্বামী সহকাৰী সম্পাদক আৰু নন্দ ডেকা সহিতে কেইবাগৰাকী সদস্যেৰে এখন বান্ধ নিৰ্মাণ কমিটি গঠন হ'ল। সভাপতি আৰু সম্পাদকে জলসিঞ্চন মন্ত্ৰী ড° জয়নাথ শৰ্মাৰ ওচৰত আবেদন জনালে। সেই সময়ৰ দৰঙৰ জলসিঞ্চন বিভাগৰ কাৰ্যকৰী অভিযন্তাই প্ৰস্তাৱ প্ৰেৰণৰ ব্যৱস্থা কৰিলে। এইখিনিতে এটি অথন্তৰ ঘটিল। প্ৰস্তাৱ পঠিয়াবৰ বাবে কৃষি বিভাগৰ ক্ৰ'প পেটাৰ্ণ ৰিপোৰ্ট (Crop Pattern Report)ৰ প্ৰয়োজন হ'ল। ৰিপোৰ্ট দিব লগা কৃষি বিভাগৰ অধীক্ষক অভিযন্তাৰ কাৰ্যালয় তেতিয়া তেজপুৰত। দৰঙৰ জলসিঞ্চন বিভাগৰ কাৰ্যকৰী অভিযন্তাই ৰিপোৰ্ট বিচাৰি পত্ৰ প্ৰেৰণ কৰিলে। কিন্তু ৰিপোৰ্ট আহি নাপায়হে নাপায়। ছমাহমান হৈ গ'ল। সভাপতি আৰু সম্পাদকে চান্দমাৰীস্থ জলসিঞ্চন বিভাগৰ মুখ্য অভিযন্তাক সঘন সাক্ষাৎ কৰিলে। ইফালে আলফাৰ কাৰ্যসূচী তুঙ্গত। চৰকাৰ থৰক-বৰক। উপায়হীন হৈ বান্ধ নিৰ্মাণ সমিতিৰ সভাপতিয়ে (মোৰ পিতৃ জিতেন্দ্ৰ নাথ শৰ্মা) পত্ৰ এখন লিখি মোক মন্ত্ৰী ড° জয়নাথ শৰ্মা ওচৰলৈ পঠিয়ালে আৰু মুখেৰে পৰিস্থিতিটো বুজাই দিবলৈ মোক ক'লে। যথা সময়ত মই মন্ত্ৰীৰ বাসগৃহত উপস্থিত হওঁ। মন্ত্ৰীয়ে চিঠিখন পঢ়ি চালে আৰু মোক সুধিলে- Crop Pattern ৰিপোৰ্ট মানে কি? মই নাজানো বুলি ক'লো। তেওঁ খং কৰি ক'লে- তই কি পাছ

কৰিছ? মই ক'লো- বি. এছছি. পাছ কৰিছো। তেওঁ ক'লে- বি. এছছি. পাছ কৰিছা Crop Pattern ৰিপোৰ্ট কি নাজান? মই ক'লো- যিয়েই নহওক মই বৰ্তমান পত্ৰ বাহক পিয়ন। মই এইবোৰ নাজানো । তথাপি মই জনাত Crop Pattern ৰিপোৰ্ট মানে দেওমৰনৈ অঞ্চলৰ খেতিপথাৰত কি ধৰণৰ খেতি হয়, জলসিঞ্চনৰ প্ৰয়োজন আছেনে নাই সেইটো। লগতে ক'লো, ৰিপ'ৰ্টটো বিচাৰি যোৱা ছমাহত সভাপতি, সম্পাদকে অনেকবাৰ অফিচলৈ যোৱাতো কোনো গুৰুত্ব দিয়া নাই। পৰিস্থিতিটো বুজাই ক'লো। ৰাজহুৱা স্বাৰ্থ জড়িত কাম এটাত অৱহেলা কৰা শুনি মন্ত্ৰীৰ ভাষণ খং উঠিল আৰু লগে লগে তেওঁৰ সহায়ক গোপীক ফোন লগাব দিলে। ফোনত তেজপুৰস্থ কৃষি বিভাগৰ অধীক্ষক অভিযন্তাক ধমক দি ক'লে- আজিৰ ভিতৰত ৰিপোৰ্ট মঙলদৈ পাব লাগিব। ধমক পাই বিষয়াগৰাকীয়ে তেওঁৰ কথা মতে কাম কৰিবলৈ খৰধৰ লগালে। সেইদিনাই ৰিপোৰ্ট মঙলদৈ আহি পালে। পিছদিনা ফাইল মুখ্য অভিযন্তাৰ কাৰ্যালয় পালে। লগে লগে জলসিঞ্চন বিভাগৰ সচিবৰ কাৰ্যালয় পালে। তাৰ পাছত মন্ত্ৰীৰ টেবুল পালেগৈ আৰু মন্ত্ৰীয়ে অনুমোদন দিলে। চাৰি কৌটি চাৰি লাখ টকা মঞ্জুৰ কৰিলে। এইখিনিতে ক'ব লাগিব সেই সময়ৰ মুখ্য অভিযন্তা (জলসিঞ্চন বিভাগ) গৰাকীৰ কোনোবা পাছা উপাধিধাৰী অভিযন্তা এগৰাকীয়ে কামখিনি ততাতৈয়া হোৱাত সহায় কৰিছিল।

ইয়াৰোপৰি দেওমৰনৈ সামূহিক স্বাস্থ্য কেন্দ্ৰ স্থাপনৰ ক্ষেত্ৰতো ড০ জয়নাথ শৰ্মাদেৱৰ বৃহৎ অৱদান আছে। দেওমৰনৈৰ বহু দিনৰ ডাঙৰ সমস্যা চিকিৎসালয় এখন নথকাটো। বহু দিনৰ পৰা জিতেন্দ্ৰ নাথ শৰ্মাদেৱ সম্পাদক হিচাপে থকা চিকিৎসালত দাবী সমিতিখনে চৰকাৰৰ ওচৰত দেওমৰনৈত এখন চিকিৎসালয় প্ৰতিষ্ঠাৰ বাবে দাবী উত্থাপন কৰি আহিছিল। এইবাৰো ডেকা শক্তিক লগত লৈ পুনৰ বিধায়ক ড° শৰ্মাদেৱৰ জৰিয়তে স্বাস্থ্যমন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীৰ ওচৰত দাবী উত্থাপন কৰিলে। চৰকাৰে অসমত কেইবাখনো চিকিৎসালয় স্থাপন কৰা সিদ্ধান্ত গ্ৰহণ কৰিলে। এয়া ১৯৮৮ চনৰ কথা। দেওমৰনৈৰ নামটোও তালিকাত আহিল। কিন্তু P.H.C. স্থাপনৰহে তালিকাভুক্ত হ'ল। লগে লগে ড° শৰ্মাদেৱৰ লগত যোগাযোগ কৰা হ'ল। তেওঁ এদিন মঙলদৈ আৱৰ্তভৱনত ভ্ৰমণৰত স্বাস্থ্যমনত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক দেওমৰনৈৰ পৰা যোৱা সঁজাতি দলটিক লগ কৰাৰ সুবিধা কৰি দিলে আৰু দেওমৰনৈত ত্ৰিশখন বিচনাযুক্ত এখন চিকিৎসালয় স্থাপনৰ দাবী

উত্থাপন কৰিবলৈ পৰামৰ্শ দিলে। তেওঁ মন্ত্ৰীৰ লগত আলোচনা কৰি সিদ্ধান্ত সলালে। তেওঁৰ তৎপৰতাৰ বাবে পিছদিনা পুনৰ বাতৰি কাকতত শুধৰণি তালিকা প্ৰকাশ হ'ল। অৱশেষত দেওমৰনৈত ত্ৰিশখন বিচনাযুক্ত সামূহিক স্বাস্থ্য কেন্দ্ৰ স্থাপন হ'ল। পৰৱৰ্তী সময়ত স্বাস্থ্যমন্ত্ৰী ছামসিং হান্সে ডাঙৰীয়াই আধাৰশিলা স্থাপন কৰে। তাত সম্পাদকে দেওমৰনৈত চিকিৎসালয় স্থাপনৰ ইতিহাস সম্পাদকীয় প্ৰতিবেদনত পাঠ কৰে। এয়া ড° জয়নাথ শৰ্মাদেৱৰ দেওমৰনৈৰ প্ৰতি এক বৃহৎ অৱদান। বৰ্তমান এই চিকিৎসালয়খনৰ পৰা বৃহত্তৰ দেওমৰনৈৰ জনসাধাৰণে চিকিৎসা সেৱা লাভ কৰি আছে।

ইয়াৰোপৰি ১৯৯৬ চনত পুনৰ অসম গণ পৰিষদ দলৰ চৰকাৰ গঠন হোৱাত ড° জয়নাথ শৰ্মাদেৱে ৰাজহ মন্ত্ৰীৰ দায়িত্ব লাভ কৰাত দেওমৰনৈৰ শিক্ষানুষ্ঠান দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ স্মৃতি ভৱন নিৰ্মাণৰ বাবে এক লাখ পঞ্চাশ হাজাৰ টকা অনুদান আগবঢ়ায়। ১৯৯৮ চনত অনুষ্ঠিত দেওমৰনৈ ছোৱালী হাইস্কুলৰ ৰূপালী জয়ন্তী উৎসৱ স্মৃতি ভৱন নিৰ্মাণৰ বাবে ডেৰ লাখ টকা অনুদান আগবঢ়ায়। শ্ৰীশ্ৰী শিয়ালা বৈষ্ণৱ দেওমৰনৈ সত্ৰ চৌহদত থকা মীন পালনৰ পুখুৰীটোৰ উন্নয়নৰ বাবে মীন পালনৰ আঁচনিৰ অন্তৰ্ভুক্ত কৰি অনুদান পোৱাত সহায় কৰি দিয়ে। দেওমৰনৈ জুনিয়ৰ কলেজ (বৰ্তমান চিনিয়ৰ চেকেণ্ডাৰী স্কুল), দেওমৰনৈ স্নাতক মহাবিদ্যালয়, দেওমৰনৈ বি. এড. কলেজ আদি প্ৰতিষ্ঠাৰ সময়ত বিভাগীয় অনুমতি আদি লাভ কৰাৰ ক্ষেত্ৰত ড° জয়নাথ শৰ্মাদেৱৰ যথেষ্ট ভূমিকা আছে আৰু বৰ্তমান সেই অনুষ্ঠানসমূহে সগৌৰৱেৰে নিজৰ নিজৰ জয় যাত্ৰা আগুৱাই লৈ গৈ আছে।

সদৌ শেষত এনে এগৰাকী এসময়ৰ সুদক্ষ ছাত্ৰনেতা পিছলৈ দূৰদৰ্শী ৰাজনৈতিক নেতা মাননীয় ড° জয়নাথ শৰ্মাদেৱৰ দীৰ্ঘায়ু কামনা কৰি এই লেখাটি ইয়াতে সামৰিলোঁ।

❑❑❑

# ড° জয়নাথ শৰ্মাদেৱৰ সৈতে থকা বন্ধুত্বৰ ৰোমন্থন

- কুলেন্দ্ৰ কুমাৰ চহৰীয়া

মঙলদৈ কলেজত ডিগ্ৰী পঢ়ি থাকোতে ইং ১৯৭৩-৭৪ চনমানত প্ৰথম ড° জয়নাথ শৰ্মাৰ লগত চিনাকি হওঁ। একে classৰ হোৱা কাৰণে আমাৰ বন্ধুত্বও গাঢ় হৈ উঠিছিল আৰু সম্বন্ধও আপুনিৰ পৰা লাহে লাহে তই, মইলৈ পৰ্যৱশিত হৈছিল। ড° শৰ্মাদেৱ স্কুলীয়া দিনৰ পাৰই ছাত্ৰনেতা হিচাপে পৰিচিত হৈ পৰিছিল। কলেজতো তেখেতে ছাত্ৰ-ছাত্ৰী, সমাজক বিভিন্ন ক্ষেত্ৰত নেতৃত্ব দিছিল। এবাৰ তেখেতৰ সৈতে আমি কিছু ছাত্ৰ-ছাত্ৰী কলেজৰ পৰা কোৰ্টৰ সন্মুখলৈ মন্ত্ৰী, বিধায়কৰ পুত্তলিকা দাহ কৰিবলৈ আহিছিলো আৰু পুলিচৰ খেদাত দৌৰি দৌৰি মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সোমাই কোনোমতে কোব নোখোৱাকৈ সাৰিছিলো। ছাত্ৰসন্থাৰ সকলো কাৰ্যসূচীতে তেখেতে অংশগ্ৰহণ কৰিছিল আৰু আগভাগ লৈছিল। এবাৰ পুলিচৰ কোবত তেখেতৰ হাতো ভাঙিছিল।

তেখেতক প্ৰথম লগ পাওঁতেই এজন খঙাল যুৱক যেন অনুভৱ হৈছিল। কিন্তু পিছত তেখেতক বুজি পাইছিলো, খঙাল যুৱকজনৰ অন্তৰত সকলোকে ভালপোৱা, আই-মাতৃক ভাল পোৱা আৰু দেশৰ দহৰ কাৰণে কিবা এটা কৰাৰ মন অন্তৰত জাগ্ৰত হৈ আছিল।

এইদৰে কলেজৰ পৰা ওলালো আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ হোষ্টেল পালোগৈ। ড° শৰ্মাদেৱৰ সৈতে ২নং নে ৩নং হোষ্টেলত আছিল। তেখেতৰ হোষ্টেলৰ ৰুমলৈ গৈও বিভিন্ন কথা বতৰা পাতিছিলো।

বিশ্ববিদ্যালয়ৰ জীৱন শেষ কৰি ইং ১৯৭৯ চনত চাকৰিত যোগদান কৰো। এই চনতেই চেপ্তেম্বৰ মাহত অসম আন্দোলন আৰম্ভ হয়। আকৌ ড° শৰ্মাদেৱক বিভিন্ন সভাত লগ পাওঁ। এই আন্দোলনত তেখেত গ্ৰেপ্তাৰ হয়

আৰু জে'লত থাকিব লগীয়া হয়। ইং ১৯৮৩ চনত আন্দোলনৰ ভৰপক হয় আৰু তেখেতৰ ভাতৃ প্ৰয়াত দয়া শৰ্মা শ্বহীদ হয়।

কেন্দ্ৰৰ সৈতে ছাত্ৰসন্থাৰ চুক্তি মৰ্মে আন্দোলনৰ সামৰণি পৰে। ইং ১৯৮৫ চনত গোলাঘাটত অসম গণ পৰিষদ নামে এটি আঞ্চলিক ৰাজনৈতিক দলে জন্ম লাভ কৰে। এই দলটোৱে নিৰ্বাচন খেলি এই বছৰতেই চৰকাৰ গঠন কৰে। ড° শৰ্মাদেৱে ছিপাঝাৰ সমষ্টিৰ পৰা নিৰ্বাচন খেলি বিধায়ক হিচাপে নিৰ্বাচিত হয়। তেখেতে দলৰ মুখ্য সচেতক হিচাপে কাৰ্যনিৰ্বাহ কৰে।

এইদৰে ছিপাঝাৰ সমষ্টিৰ পৰা কেইবাবাৰো বিধায়ক হিচাপে নিৰ্বাচিত হৈ সমষ্টিৰ যথেষ্ট উন্নয়ন সাধন কৰে।

অসম গণ পৰিষদ চৰকাৰৰ দিনত তেখেতে জলসিঞ্চন আৰু ৰাজহ মন্ত্ৰী হিচাপেও সেৱা আগবঢ়ায়। তেখেতৰ চেষ্টাতেই ছিপাঝাৰৰ প্ৰাগবচিমি প্ৰতিষ্ঠানটো গঢ়ি উঠে। মঙলদৈৰ মহৰ্ষি বিদ্যামন্দিৰ তেখেতৰেই অৱদান।

ইয়াৰোপৰি গুৱাহাটীৰ নেৰিম প্ৰতিষ্ঠান তেখেতৰ নৱ-প্ৰজন্মৰ বাবে এটি উৎকৃষ্ট অৱদান।

সদৌ শেষত তেখেতলৈ এটাই অনুৰোধ থাকিল, দৰঙৰ জনগণই তেখেতৰ পৰা আৰু কিছু উৎকৃষ্ট অৱদান আশা কৰে। আশা ৰাখিছো, তেখেতে সকলোৰে আশা পূৰণ কৰিবলৈ চেষ্টা কৰিব।

আমাৰ বন্ধুত্বৰ ভালপোৱা সদায় থাকিব। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো, জনহিতকৰ কামবোৰ কৰিবলৈ তেখেতক যাতে সু-স্বাস্থ্য আৰু দীৰ্ঘ জীৱন প্ৰদান কৰে।

❑❑❑

# জ্ঞান পিপাসু ড° জয়নাথ শৰ্মা

- গৌৰী শংকৰ শৰ্মা

অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন এক ঐতিহাসিক ঘটনা। এই আন্দোলনৰ গুৰি ধৰোতা ব্যক্তিসকলৰ ভিতৰত ড° জয়নাথ শৰ্মাদেৱ অন্যতম। জাতীয় চেতনাক উদ্বুদ্ধ কৰি সেই সকলৰ প্ৰচেষ্টাতে গঠিত হৈছিল অসম গণ পৰিষদ দল আৰু এই অসম গণ পৰিষদ দলৰ নেতৃত্বত গঠন হোৱা অসম মন্ত্ৰী সভাৰ এগৰাকী অন্যতম সদস্য হিচাপে ড° জয়নাথ শৰ্মা ছাৰৰ নাম আমাৰ পৰিচিত। তেখেতৰ উদাত্ত ভাষণ, ব্যক্তিত্ব আমি দূৰৈৰ পৰাই শুনিছিলো যদিও ব্যক্তি গৰাকীৰ লগত মুখামুখি হোৱাৰ সৌভাগ্য হোৱা নাছিল। যদিওবা শৰ্মা ছাৰক এগৰাকী ৰাজনৈতিক ব্যক্তি হিচাপে অৱগত আছিলো, তেখেত যে এগৰাকী সফল শিক্ষা ক্ষেত্ৰৰ উদ্যমী (educational entrepreneur) সেয়া বহু পিছতহে জ্ঞাত হৈছিলো। তেখেতৰ উদ্যোগতেই নেৰিম(NERIM a group of institution)ত প্ৰথম ব্যৱস্থাপনা (Manegement)ৰ পাঠ্যক্ৰম, MBA, BBA আদি আৰম্ভ হৈছিল। ব্যক্তিগত উদ্যোগত অসমত ব্যৱস্থাপনা শিক্ষাৰ প্ৰথম এইখনেই প্ৰথম শিক্ষনুষ্ঠান। পিছলৈ অৱশ্যে নেৰিমত আইন, মনোবিজ্ঞান ইত্যাদিৰ পাঠ্যক্ৰম আৰম্ভ হৈছে। তেখেত দূৰদৰ্শী ব্যক্তি হোৱা বাবেই ১৯৯২ চনৰ আগতেই ব্যৱস্থাপনা শিক্ষাৰ প্ৰয়োজনীয়তা তথা গুৰুত্ব উপলব্ধি কৰিব পাৰিছিল।

ড° জয়নাথ শৰ্মা ছাৰৰ লগত পোনতে কথা পাতিছিলো ২০২২ চনৰ জুন মাহত। তেতিয়াহে জানিলো যে তেখেত ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰো সভাপতিৰ দায়িত্বত আছে লগতে গুৱাহাটীৰ ড° অনিতা বৰুৱা শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, দৰং জিলাৰ মঙলদৈ চহৰত অৱস্থিত মঙলদৈ মহৰ্ষী বিদ্যা মন্দিৰ বিদ্যালয় আৰু মঙলদৈ নেৰিমখনো তেখেতৰ উদ্যোগতে স্থাপিত হৈছে। এই

শিক্ষানুষ্ঠানসমূহৰ বিবিধতা বিশ্লেষণ কৰি তেখেতৰ দূৰদৰ্শীতা আৰু জ্ঞান পিপাসু মনৰ পৰিচয় পাবলৈ সক্ষম হৈছিলো।

তেখেতৰ মুখামুখি হৈছিলো ২০২২ চনৰ চেপ্তেম্বৰ মাহৰ ২২ তাৰিখে ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত। সিদিনা তেখেতৰ জ্ঞানৱন্ত বক্তৃতা শুনি তেখেতৰ অধ্যয়ন পিপাসু মনৰ আভাস পোৱাৰ লগতে প্ৰত্যক্ষ কৰিছিলো। সিদিনা তেখেতে শিক্ষা, আধ্যাত্মিকতা আৰু ব্যৱস্থাপনাৰ সমন্বয়ত দিয়া ভাষণে মোক মন্ত্ৰমুগ্ধ কৰিছিল।

ড° জয়নাথ শৰ্মা ছাৰে প্ৰত্যক্ষভাৱে প্ৰশিক্ষাৰ্থীসকলৰ লগত শ্ৰেণীকোঠাত ভাবৰ আদান-প্ৰদান কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা দেখা যায়। তেখেতক বহুদিন মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাত প্ৰত্যক্ষ কৰিছো আৰু দেখিছো যে প্ৰশিক্ষাৰ্থীসকলৰ লগত তেখেত কেনেদৰে একাত্ম হৈ পৰে, লগতে তেওঁ শ্ৰেণীকোঠাত প্ৰৱেশৰ আগতে কেনেদৰে এক সুপৰিকল্পনা কৰিহে আগবাঢ়ে তাক স্বচক্ষে প্ৰত্যক্ষ কৰিছিলো। আমিবোৰৰ দৰে বহুতো শিক্ষক প্ৰশিক্ষক (teacher educator) আৰু প্ৰশিক্ষিত শিক্ষকে (trained teacher) ও বহু সময়ত শ্ৰেণীকোঠাত শিক্ষাদান পদ্ধতি প্ৰয়োগ কৰাত অসুবিধা পাওঁ। কিন্তু ড° জয়নাথ শৰ্মা ছাৰে শিক্ষাদান পদ্ধতি সাৱলীলভাৱে শ্ৰেণীকোঠাত প্ৰয়োগ কৰা প্ৰত্যক্ষ কৰিছিলো। তেখেতে একেৰাহে দুই-তিনি ঘণ্টা ধৰি ছাত্ৰ-ছাত্ৰীৰ লগত আনন্দেৰে শিক্ষাৰ আদান-প্ৰদান কৰিব পাৰে। শিক্ষাদানত সমালোচনাত্মক ভাৱনা (critical thinking) এক গুৰুত্বপূৰ্ণ অংশ, ছাৰে প্ৰশিক্ষাৰ্থীসকলক লগত সমালোচনাত্মক ভাৱনাৰ সফল প্ৰয়োগ কৰা দেখিছো। ইয়াতেই ছাৰৰ অধ্যয়ন পিপাসু মন প্ৰতিফলিত হৈছে। ভাবী শিক্ষকৰ লগত কি ধৰণৰ সমল কিম্বা বিষয়বস্তু আলোচনা কৰিব লাগে সেয়া ছাৰৰ পৰা অনুকৰণ কৰিবলগীয়া। তেখেতে অসমৰ শিক্ষা ক্ষেত্ৰখনক আৰু এঢাপ উচ্চতালৈ লৈ যাব সক্ষম হৈছে। পৰিশেষত ড° জয়নাথ শৰ্মা ছাৰৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

❑❑❑

# তেখেত আহি থাকে

- অনিমা দেৱী

তেখেত আহি থাকে
প্ৰায়েই আহি থাকে
তেখেত আহিলেই ধুমুহা গতিত
কলেজখনে প্ৰাণ পাই উঠে।
আগতে কমকৈ আহিছিল
এতিয়া সঘনাই আহে
প্ৰথমে দূৰৈৰ পৰাই দেখিছিলো
এতিয়া ওচৰতে পাইছো,
অসম আন্দোলনৰ যোদ্ধা তেওঁ
বৰ্তমান আমাৰ কলেজখনৰ ত্ৰাণকৰ্তা।
এক কথাত জ্ঞানৰ ভঁৰাল
হ'ব পাৰে তেখেত ওকালতিৰ ছাত্ৰ
অন্যান্য দিশতো কিন্তু সিদ্ধহস্ত
এম. কম., এম. বি. এ., পি. এইচ. ডি.
কিমান দক্ষতা তেখেতৰ
সেইবাবেই তেখেত আমাৰ নমস্য।
অসম আন্দোলনৰ উদাত্ত ভাষণ
আমি বহুবাৰ শুনিছো,
মহৰ্ষি, নেৰিমৰ দৰে বহু শিক্ষানুষ্ঠানৰ
প্ৰতিষ্ঠাপক ৰূপত দেখিছো
আমাৰ কলেজৰ বিভিন্ন সমস্যাবোৰ
পলকতে সমাধান কৰা দেখিছো

আওপুৰণি বহু শিক্ষা পদ্ধতিত
নতুনত্ব অনা দেখিছো
এইবোৰ দেখি আমি কিন্তু
প্ৰথমে বেয়াই পাইছিলো।
পিছলৈ ইয়াৰ সুফলবোৰ পাইছিলো।
সু-স্বাস্থ্যৰ বাবে প্ৰতিদিন
যোগাসন কৰা দেখিছো
স্কুল-কলেজতো সেইবাবে
‘যোগ’ত গুৰুত্ব দিয়া দেখিছো।
তেখেতৰ কৰ্মস্পৃহা, উদ্যম
আৰু স্বাস্থ্য সচেতনতা
বহু কম মানুহৰহে দেখিছো
এক কথাত ড° জয়নাথ শৰ্মা ছাৰক
চেয়াৰমেন হিচাপে পাই
মই নিজকে ধন্য মানিছো।

❑❑❑

# আজিৰ সূৰ্যোদয় কোনে দেখা পাইছে?

- ভাস্কৰ শৰ্মা

তদানীন্তন ৰাজহ মন্ত্ৰী ড° জয়নাথ শৰ্মাই সুধিছিল- আজিৰ সূৰ্যোদয় কোনে দেখা পাইছে? সভাখনত কাঁহ পৰি জীন যোৱা নীৰৱতা। কোনেও হাত নাদাঙিলে। মই দাঙিছিলো। সকলোৱে মোৰ ফালে দৃষ্টি দিলে। সামান্য ইতঃস্ততঃ বোধ হৈছিল যদিও থিয় দিলো। সন্মানীয় মন্ত্ৰী গৰাকীয়ে দুই চাৰিটা প্ৰশ্ন সুধিলে, সবিনয়ে উত্তৰ দিলো। তেওঁ মোক ধন্যবাদ জ্ঞাপন কৰি বহিবলৈ কৈ ভাষণ আৰম্ভ কৰিলে।

তেতিয়া আমি মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ। কথাত ৰস নিগৰাবলৈ শিকাই নাই। কিন্তু ৰসগ্ৰাহী শ্ৰোতাৰ শাৰীত বহিব পাৰিছিলো বুলি সম্প্ৰতি অনুভৱ হয়। ৰাজহ মন্ত্ৰীগৰাকীৰ ভাষণ শৈলীয়ে ব্যক্তিগতভাৱে মোক আকৰ্ষিত কৰিছিল বাবে হয়তো আজিকোপতিও কাহিনীবোৰ মনত অন্তনিৰ্হিত হৈ আছে। ৰাজনৈতিক সভাত কোৱা কাহিনীটো এনে ধৰণৰ- "এটা মেকুৰীক যদি কুকুৰে খেদে সি পলাব। যদি দুফালৰ পৰা দুটা কুকুৰে খেদে সি তেতিয়াও পলাব। তিনিটা কুকুৰে যদি খেদে তেতিয়াও পলাব। কিন্তু চাৰিওফালৰ পৰা যদি চাৰিটা কুকুৰে আগুৰি ধৰে তেতিয়া মেকুৰীটোৱে কি কৰিব?" সেইদিনাও শ্ৰোতা দৰ্শকৰ মুখত মাত নাই। কিছু সময় মাটিত বেজী এটা পৰিলেও শব্দটো শুনিব পোৱাকৈ নিৰৱতা। কোনেও একো মাত নিদিয়াত স্বভাৱসুলভ ৰসিকতাৰে মন্ত্ৰী গৰাকীয়ে নিজেই অভিনয়ৰ ভংগিমাৰে হাত দুখন ওপৰলৈ উঠাই আক্ৰমণাত্মক মেকুৰীৰ মাত এটা উলিয়াই দৰ্শক শ্ৰোতাক আমোদ দি কৈছিল, "ময়েই সেই বিশেষ মেকুৰীটো যাক চৌদিশৰ পৰা শত্ৰুৱে আৱৰি ধৰিছে। কিন্তু কোনেও একো কৰিব নোৱাৰে।"

মুঠতে ৰূপকথাৰ নায়কোচিত কিছু কৌশলী শৈলীৰ গৰাকী মন্ত্রী গৰাকীয়ে মোহাচ্ছন্ন কৰি ৰাখিব পাৰিছিল সমষ্টিবাসীক। আনুষ্ঠানিক শিক্ষাৰে সুচতুৰ ব্যক্তি গৰাকী তদনীন্তন সময়ৰ সবাতোকৈ শিক্ষিত লোক বুলি শুনাও মনত আছে।

তাৰোপৰি দুয়োখন হাতেৰে তেওঁ একে সমানে লিখিব পাৰে বুলি শুনিছিলো। প্রত্যক্ষদর্শী হোৱাৰ সুবিধাহে পোৱা নাই। ছাত্র সন্থাৰ গুৰি ধৰোতা হিচাপে জীৱন আৰম্ভ কৰি কালক্রমে অসম আন্দোলনৰো জুইশিখা আগবঢ়াই লৈ গৈ সময়ত অসম চৰকাৰৰ ৰাজহ মন্ত্রী হিচাপে শাসনৰ বাঘজৰী হাতত লৈ ৰাজনীতিৰ সিংহ সদৃশ ব্যক্তিত্বৰ অধিকাৰী শর্মাদেৱ দৰং জিলাৰ প্রতিনিধি হিচাপে অসমত ছিপাঝাৰ সমষ্টিক নতুনকৈ চিনাকি কৰি দিছিল।

তেওঁক উপস্থিত বুদ্ধিৰ ব্যৱহাৰৰ বাবে আধুনিক যুগৰ বীৰবল আখ্যা দিলে হয়তো অত্যুক্তি কৰা নহ'ব বুলি ভাবো। বুদ্ধিত বৃহস্পতি এইগৰাকী লোকে কথাৰে বহুলোকক বিপদতো পেলাইছিল হেনো। শুনামতে সেই সময়ত চৰকাৰী চাকৰি বিচাৰি যোৱা সকলক ঠাইতে কেতিয়াবা প্রশ্নবানেৰে থকা-সৰকাও কৰিছিল। এনে ধৰণৰ বহু সংখ্যক উদাহৰণ আজিও মানুহৰ মুখে মুখে প্রচলিত।

এই গৰাকী সিংহপুৰুষলৈ মোৰ আন্তৰিক শ্রদ্ধা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।

❑❑❑

# মোৰ মানসপটত ড° জয়নাথ শৰ্মা

- নগেন্দ্ৰ ডেকা

ছিপাঝাৰ সমষ্টিৰ বিধায়কসকলৰ ভিতৰত ড° জয়নাথ শৰ্মা অন্যতম এজন। পশ্চিম মঙলদৈ অঞ্চলৰ এজন জনপ্ৰিয় জনপ্ৰতিনিধি। ল'ৰা, বুঢ়া-বুঢ়ী, জীয়ৰী-বোৱাৰী সকলেৰে মুখত ড° জয়নাথ শৰ্মাৰ গুণানুকীৰ্তন। ছিপাঝাৰ সমষ্টিৰ এজন সুদক্ষ নেতা হিচাপে ড° শৰ্মাক সকলোৱে মানি লৈছিল।

ড° জয়নাথ শৰ্মা শুদ্ধ সংস্কৃতিবান ব্যক্তি আছিল। তেওঁ যি ভাল বুলি ভাবে, যি শুদ্ধ বুলি ভাবে, যি সত্য বুলি ভাবে সেইটো কৰে। কাৰো জাল-ফাকত পৰি কোনো কাম নকৰে বুলি কৰ্মীসকলৰ বিশ্বাস আছিল। কোনো কাৰণতে তেওঁৰ কৰ্মীসকলক আনৰ হাঁহিয়াতৰ পাত্ৰ হ'বলৈ নিদিয়াটো তেখেতৰ এক বৈশিষ্ট্য আছিল। তেওঁৰ কোনো কৰ্মী অসুবিধাত পৰিলে সেইজনক বিচাৰ খবৰ কৰা তথা প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণত কৃপণালী কৰা দেখা নগৈছিল। আনহাতে জিলা আঞ্চলিক আদিৰ দলীয় বিষয়ববীয়া সকলৰ নীতি বহিৰ্ভুত কাৰ্য নিয়ন্ত্ৰণ কৰা কাৰ্যতো সকলো কৰ্মীয়ে তেখেতৰ ওপৰত আস্থা ৰাখিছিল।

ড° জয়নাথ শৰ্মাদেৱ একেৰাহে চাৰিবাৰ  ছিপাঝাৰ সমষ্টিৰ বিধায়ক হৈছিল আৰু চুক্তি ৰূপায়ণ মন্ত্ৰী তথা ৰাজহ মন্ত্ৰী হৈ ছিপাঝাৰ সমষ্টিৰ আন্তঃগাঁথনিমূলক কাম আৰু চাকৰি-বাণিজ্য বিভাগত অৰ্থ সাহায্য দি সমষ্টিবাসীক আৰ্থিকভাৱে টনকিয়াল কৰিবলৈ সক্ষম হৈছিল। এজন মন্ত্ৰী হিচাপে সমগ্ৰ অসমৰ উন্নতি ক্ষেত্ৰত যি অৱদান আগবঢ়ালে তাৰ বাবে তেখেতৰ সমূহ সতীৰ্থই গৌৰৱবোধ কৰিছিল।

ড° জয়নাথ শৰ্মা বিধায়ক হৈ থাকোতে সমষ্টি উন্নয়নৰ বাবে যিখিনি

কাম কৰিবলৈ সক্ষম হৈছিল, সময়সাপেক্ষে সেয়া আছিল অতি প্ৰশংসাৰ যোগ্য । অথচ তেওঁ কাম কৰিব লগা হৈছিল তেনেই সীমিত ধনেৰে। বিশেষকৈ চাকৰিৰ ক্ষেত্ৰত আৰু বিদ্যালয় গৃহ নিৰ্মাণৰ ক্ষেত্ৰত সমষ্টিবাসীয়ে তেখেতৰ নাম নোলোৱাকৈ থাকিব নোৱাৰে।

ড° জয়নাথ শৰ্মা এজন দুখীয়াৰ প্ৰকৃত বন্ধু বুলি ক'লেও ভুল কোৱা নহ'ব। অসম গণ পৰিষদ চৰকাৰ অহাৰ আগতে চাকৰিৰ যি দৰ-দাম চলিছিল, কাৰ্যালয়ত অফিচাৰ সকলৰ লগতে দালালসকলৰ যি মইমতালি আছিল, সেই ব্যৱস্থা ডঃ শৰ্মাদেৱৰ দিনত সমূলি বন্ধ হৈছিল। ডঃ জয়নাথ শৰ্মাৰ মানুহ বুলি জানিলেই অফিচত সকলো কাম সহজ হৈ গৈছিল। সেই কাৰণে ড° শৰ্মা দুখীয়া, মধ্যবিত্ত শ্ৰেণীৰ শিক্ষিত লোসকলৰ পূজ্য ব্যক্তি আছিল।

ড° জয়নাথ শৰ্মাদেৱ অকল ছিপাঝাৰ সমষ্টিৰ এজন জনপ্ৰিয় প্ৰতিনিধিয়ে নহয়, তেখেত অসমৰ এজন জনপ্ৰিয় ছাত্ৰ নেতাও আছিল। ড° শৰ্মা বুলি ক'লে অসমৰ সিংহ পুৰুষ হিচাপে আখ্যা দিয়া হয় বুলি অসমৰ ভিন্ন জিলাৰ সতীৰ্থ তথা হোটেলত লগ পোৱা বন্ধু-বান্ধৱৰ মুখত শুনিবলৈ পাইছিলো।

ড° শৰ্মাদেৱক পত্নী শোকে কিছু দুৰ্বল কৰিছিল যদিও ৰাইজৰ আশীৰ্বাদত তেখেতে ৰাজনৈতিক ক্ষেত্ৰখনত সবল নেতৃত্ব দি গৈছিল।

ঐতিহ্যমণ্ডিত খটৰা সত্ৰক অন্যান্য সত্ৰতকৈ অধিক উজ্জ্বল কৰাৰ ক্ষেত্ৰত তেখেতৰ অৱদান উল্লেখনীয়। সত্ৰৰ কীৰ্ত্তনঘৰ পুনৰ নিৰ্মাণ, অতিথিশালাৰ বাবে আগবঢ়োৱা চৰকাৰী অনুদান, ৰাস্তা, প্ৰাথমিক বিদ্যালয়ত আগবঢ়োৱা অনুদান, সত্ৰৰ মূল তোৰণৰ আৰম্ভণী ইত্যাদি কামৰ বাবে খটৰাবাসী সদায় পূজ্য হৈ থাকিব।

ড° জয়নাথ শৰ্মাদেৱৰ বাবে উক্ত গাঁৱৰ কেইবাগৰাকীও নিবনুৱা যুৱক-যুৱতীয়ে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চৰকাৰী চাকৰি পোৱা সৌভাগ্য ঘটিছিল। ছিপাঝাৰ সমষ্টিত ড° শৰ্মাদেৱে বানপানী, খৰাং বতৰ আদি প্ৰাকৃতিক দুৰ্যোগত ৰাইজক সহায়ৰ হাত আগবঢ়োৱাৰ ক্ষেত্ৰত তেখেতৰ নাম স্মৰণীয়

হৈ থাকিব আৰু এনে কাৰ্যৰ বাবে তেওঁৰ ছত্ৰ-ছায়াত থাকি সকলোৱে গৌৰৱবোধ কৰিছিল।

শেষত অনাগত দিনত তেখেতৰ দৰে এজন গুণী-জ্ঞানী, সমাজসেৱী প্ৰতিনিধি সদায় আমাৰ মাজত থাকি সৎ পথ দেখুৱাবলৈ ভগৱানে আপোনাক সু-স্বাস্থ্য, পাৰিবাৰিক শান্তি আৰু দীৰ্ঘ জীৱনৰ অধিকাৰী কৰক, এয়ে মোৰ ভগৱানৰ ওচৰত কাতৰ প্ৰাৰ্থনা।

❑❑❑

# মই লগ পোৱা চেয়াৰমেন ছাৰ গৰাকী

– কমল কুমাৰ নাথ

মই আজি যিগৰাকী ব্যক্তিৰ বিষয়ে লিখিব লৈছো, তেখেতৰ নাম ছিপাঝাৰ, দৰং তথা সমগ্ৰ অসমতেই পৰিচিত। তেখেতৰ নাম ড° জয়নাথ শৰ্মা। অসম আন্দোলনৰ সময়ৰ পৰাই মই তেখেতক দেখা পাইছিলোঁ, তেখেতৰ ভাষণবোৰ শুনিছিলোঁ। ব্যক্তিগতভাৱে বিশেষ চিনাকি নাছিল যদিও অসম আন্দোলনৰ নেতা হিচাপে মই তেখেতক যথেষ্ট ভাল পাইছিলোঁ বা শ্ৰদ্ধা কৰিছিলোঁ। পিছলৈ তেখেতক ৰাজনীতিবিদ, শিক্ষাবিদ আৰু বহুতো জ্ঞানেৰে সমৃদ্ধ ব্যক্তি হিচাপে অকল ময়েই নহয় সমগ্ৰ অসমতেই চিনি পাইছিল।

এইজনা শ্ৰদ্ধেয় ব্যক্তিক অসম আন্দোলনৰ সময়ত চেগা-চোৰোকাকৈ লগ পাইছিলো যদিও ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ পৰা তেখেতক মই একেবাৰে ওচৰৰ পৰা লগ পাবলৈ সক্ষম হওঁ বা তেখেতৰ সান্নিধ্য লাভ কৰো। ১৯৯৪ চনতেই প্ৰতিষ্ঠা হোৱা ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ এগৰাকী উচ্চ বৰ্গৰ সহায়ক হিচাপে মই জন্ম লগ্নৰে পৰা বৰ্তমানলৈ চেয়াৰমেন ছাৰৰ লগত থাকি মহাবিদ্যালয়ৰ বিভিন্ন কামবোৰ সুকলমে আগবঢ়াই নিছিলো। এই ক্ষেত্ৰত ছাৰৰ পৰামৰ্শ আৰু উপদেশেই মোৰ চাবি-কাঠি আছিল। আৰু তেতিয়াৰ পৰাই ছাৰ আমাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত সকলোৰে বাবে চেয়াৰমেন হিচাপে পৰিচিত।

এইজনা চেয়াৰমেন ছাৰৰ লগত মই বিভিন্ন কামত বিভিন্ন সময়ত গুৱাহাটী বিশ্ববিদ্যালয়কে ধৰি অসমৰ বিভিন্ন ঠাইৰ লগতে ভাৰতৰ বিভিন্ন ঠাইতে ঘূৰিবলৈ সুবিধা পাইছিলো। বিশেষকৈ SCERT NCTE

(Bhubaneswar, New Delhi)লৈ মহাবিদ্যালয়ৰ permission আৰু বিভিন্ন কামত ছাৰৰ লগত গৈছিলো।

ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ আৰম্ভণীৰে পৰা কলেজৰ হিচাপ-নিকাচৰ কামবোৰ ছাৰে মোক সহজ পদ্ধতিত শিকাইছিল। cash book, ledger book আৰু খৰচ-পাতিৰ অনুমোদন কেনেদৰে পৰিচালনা কৰিব লাগে আদি কথাবোৰ মোক শিকাই দি কলেজৰ কামবোৰ সুকলমে আগবঢ়াই নিয়াত সহায় কৰিছিল। ইয়াৰ লগতে কাৰ্যালয়ৰ ফাইলবোৰ কেনেদৰে ৰাখিব লাগে তাকো চেয়াৰমেন ছাৰে সুন্দৰভাৱে বুজাই দিছিল। অকল ইমানেই নহয় মহাবিদ্যালয়ত হোৱা বিভিন্ন চেমিনাৰ, মিটিং আদিৰ পৰিকল্পনা, দিহা-পৰামৰ্শ কেনেদৰে কৰিব লাগে তাকো চেয়াৰমেন ছাৰে সুন্দৰভাৱে বুজাই দিছিল। মুঠতে অনুষ্ঠান এখন কেনেদৰে পৰিচালনা কৰিব লাগে এই বিষয়বোৰৰ ধাৰণা ছাৰে ইমান সুন্দৰভাৱে দিব পাৰে যে মই দেখি স্তম্ভিত হওঁ।

এইজনা চেয়াৰমেন ছাৰৰ প্ৰভাৱ মোৰ  জীৱনত অপৰিসীম। এক কতাত তেখেতৰ ছত্ৰ-ছায়াতেই মই মোৰ বৰ্তমান জীৱনটো সুন্দৰভাৱে আগবঢ়াই নিবলৈ সক্ষম হৈছো। চেয়াৰমেন ছাৰে মোক কেতিয়াবা পুত্ৰৰ দৰে, কেতিয়াবা ছাত্ৰৰ দৰে আৰু কেতিয়াবা কৰ্মচাৰীৰ দৰে ব্যৱহাৰ কৰে। এই সকলোবোৰতেই কিন্তু মই তেখেতৰ এখন সুন্দৰ হৃদয়ৰ উমান পাওঁ।

লিখনিৰ সামৰণিত এইজনা শিক্ষাবিদ শ্ৰদ্ধাৰ চেয়াৰমেন ছাৰৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

❑❑❑

# তাপস

- প্ৰমেশ কুমাৰ মহন্ত

মঙলদৈ কলেজত মই Pre-University classৰ Final yearৰ ছাত্ৰ হৈ থকা সময়ত ঘৰ ভাড়া কৰি আছিলো তেতিয়াৰ First colonyত। মোৰ ঘৰৰ গৰাকী আছিল প্ৰয়াত জীৱন ডেকা। খুউব সহজ-সৰল মানুহ। পেচাত আছিল L. P. Schoolৰ শিক্ষক। ফাগুন মাহ, ফাকুৱা আছিল সেইদিনা। আমি কলেজৰ ছাত্ৰ-ছাত্ৰী সকলো ফাকুৱা খেলিবলৈ বাহিৰ হ'লো ৰাতিপুৱা ভাত-পানী খাই। তেনেতে গুৱাহাটীৰ পৰা এখন A.S.T.C.ৰ বাছ আহি পালে। মাননীয় ড° জয়নাথ শৰ্মা আৰু সুৰেন বৰুৱাই গাড়ীখন ৰখাই অলপ ফাকুৱা খেলিলে। সেইদিনাই মাননীয় ড° জয়নাথ শৰ্মাদেৱৰ লগত মোৰ প্ৰথম দেখা সাক্ষাৎ। জয়নাথ দাদাৰ দীঘল চুলি আৰু সুৰেন বৰুৱাৰো। গাড়ী গ'ল। কিন্তু গৈ গাড়ীৰ মানুহে থানাত কিবা অভিযোগ দিলে। তাৰ পিছতে পুলিচ আহিল। আমি সকলো দৌৰি পলালো।

মই স্নাতক মহলাৰ দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰহৈ থকা সময়ত আৰম্ভ হ'ল বিদেশী খেদা আন্দোলন। এই আন্দোলনত দৰংবাসীয়ে লোৱা ভূমিকাৰ কথা সদায় স্মৰণীয় হৈ থাকিব।

আন্দোলনৰ কথা আৰু মই ক'ব নিবিচাৰো। মই এতিয়া কম এটি সূৰ্য্যৰ কথা। যাৰ নাম অগ্নিস্ফুলিংগ, এটা সূৰ্য্য, এটা দিবাকৰ। তেওঁ আমাৰ কাৰণে এটা ৰবি। যাৰ নাম ড° জয়নাথ শৰ্মাদেৱে।

বেছি নকওঁ। আমাৰ দেওমৰনৈৰ ডেকা, বুঢ়া-বেথা সকলোৱে ড° জয়নাথ শৰ্মাদেৱক আঁকোৱালি ল'লে। চাইকেল মাৰি প্ৰয়াত হৰেণ শৰ্মা, প্ৰয়াত সতীশ শৰ্মা, শ্ৰীযুত মতিৰাম শইকীয়া, ড° ৰমেশ গোস্বামী, প্ৰয়াত চম্পাৰাম কলিতা সকলোৱে জয়নাথ দাদাৰ নিৰ্বাচনৰ কাৰণে গোটেই ছিপাঝাৰ সমষ্টিত ঘূৰিলো।

বিধায়ক হোৱাৰ পিছত তেওঁ দেওমৰনৈলৈ আহিল আৰু আমাক

ক'লে- তহঁতক কি লাগে? আমি ক'লো আমাক কোনো চাকৰি বাকৰি নালাগে। আমাক লাগে এখন ডাক্তৰখানা। কিন্তু মাটি ক'ত?

তেওঁৰ একান্ত প্ৰচেষ্টাত দেওমৰনৈত থকা ৩৫৯ বিঘা চৰকাৰী মাটি উচ্ছেদ কৰিলে। সেয়া সম্ভৱ হ'ল একমাত্ৰ তেওঁৰ সাহসী পদক্ষেপৰ বাবে। সেই কাৰণেই কৈছো- আধুনিক দেওমৰনৈৰ জন্মদাতা মাননীয় ড° জয়নাথ শৰ্মাদেৱ। দেওমৰনৈৰ মাটি দখলৰ কাৰণে তেওঁৰ পৰামৰ্শ মতে অফিচে অফিচে ঘূৰিছিলো মতিৰাম শইকীয়া, নিৰঞ্জন গোস্বামী, প্ৰায়ত ৰুদ্ৰকান্ত শৰ্মা বৰুৱা, প্ৰয়াত বিশ্ব গোস্বামী আৰু মই। এয়া কোনো ইতিহাস নহয়। এয়া সত্য বাস্তৱ কাহিনী। দেওমৰনৈৰ জন্মদাতা দাদ, ছাৰ মাননীয় ড° জয়নাথ শৰ্মাদেৱ। আজি কিমান বিধায়ক আহিল আৰু গ'ল। কোনো হিচাপ নাই। জয়নাথ দাদাই ছিপাঝাৰ সমষ্টিত যাক চাকৰি দিছে কাৰো মাটি বন্ধক দিয়া, গৰু, ম'হ, ছাগলী বেচি জয়ানাথ দাদাক টকা দিয়া নাই। আজি মই দেখিছো জয়নাথ দাদাই দিয়া চাকৰিৰে পকাঘৰ বনাই, গাড়ী লৈ ঘূৰি থাকি জয়নাথ দাদাকে গালি পাৰে। যত মানে অকৃতজ্ঞ।

দেওমৰনৈৰ কাৰণে মাননীয় জয়নাথ শৰ্মা ছাৰ এটি সূৰ্য্য। যাৰ পোহৰত দেওমৰনৈত এতিয়া কি নাই। তেওঁ আমাৰ চিৰ নমস্য।

ভগৱানে তেওঁক ভালে ৰাখক এয়ে ভগৱানৰ ওচৰত মোৰ প্ৰাৰ্থনা।

আজি ইং ২০২৪ চনত আমি যদি অসমৰ এটি চিত্ৰপট চাবলৈ যাওঁ তেনেহ'লে দেখিবলৈ পাওঁ যে প্ৰত্যেক প্ৰাক্তন বা চলিত বিধায়কসকলৰ দুই, তিনিটা বস্তু আছে। তাৰে ভিতৰত হোটেল, মদৰ দোকান, পেট্ৰ'ল পাম্প, বিয়েৰবাৰ বা বিলাসিতাপূৰ্ণ হোটেল বা চ'পিংমল। কিন্তু মাননীয় ড° জয়নাথ শৰ্মাদেৱে হোটেল, মদৰ দোকান নাইবা পেট্ৰ'ল পাম্প স্থাপন কৰা নাই। সেই কাম বিধায়ক বা মন্ত্ৰী হিচাপে মাননীয় ড° শৰ্মা মহাশয়ে কৰিব পাৰিও কৰা নাই একমাত্ৰ সমাজ তথা যুব সমাজৰ কাৰণে। সকলোৰে মংগল কামনাৰে তেওঁ স্থাপন কৰিছে এখনৰ পিছত শিক্ষানুস্থানহে। নিজৰ আৰু দহৰ ভালৰ কাৰণে চিন্তা কৰা মানুহজনেই হ'ল ড° জয়নাথ শৰ্মা.

আগতে শিক্ষকসকলে অৱসৰ পালে অৱসৰৰ পইচাখিনি পাওঁতে

৪/৫ বছৰ লাগিছিল। কিছুমান শিক্ষকে পেন্সন পোৱাৰ আগতে এই পৃথিৱী এৰি গুচি গৈছিল। কিন্তু সেই অসম্ভৱক সম্ভৱ কৰি তুলিলে একমাত্র এজন মানুহে। অগপ চৰকাৰৰ দিনত মাননীয় ড° জয়নাথ শৰ্মা নামৰ সেই মন্ত্রীজনে প্রতিষ্ঠা কৰিছিল অসমৰ অৱহেলিত শিক্ষকসকলৰ কাৰণে সুকীয়া পেন্সন অফিচ। সেই কাৰণে আজি শিক্ষকসকলে উপযুক্ত সময়ত পেন্সনখিনি পাবলৈ সক্ষম হৈছে। তাৰ কাৰণে শিক্ষকসকল আজিও তেওঁৰ ওচৰত চিৰ কৃতজ্ঞ। ভগৱানে যেন তেওঁক আমাৰ মাজত সূৰ্য্যৰ নিচিনাকৈ জীয়াই ৰাখে।

সমাজৰ উন্নয়নৰ বাবে অহোপুৰুষাৰ্থ কৰা ড° জয়নাথ শৰ্মা ছাৰলৈ এই লেখাৰে মই মোৰ অভিনন্দন জ্ঞাপন কৰিলো।

❑❑❑

# শিক্ষাৰ ক্ষেত্ৰখনত নতুন দিগন্তৰ সূচনা কৰিব খোজা শ্ৰদ্ধাৰ ড° জয়নাথ শৰ্মা ছাৰ

- ললিত নাথ

ড° জয়নাথ শৰ্মা ছাৰৰ জন্ম হৈছিল দৰংজিলাৰ সৰু থেকেৰাবাৰী গাঁৱত। তেখেতৰ দেউতাকৰ নাম আছিল প্ৰয়াত পদ্মনাথ শৰ্মা আৰু মাকৰ নাম আছিল প্ৰয়াত কিৰণ্ময়ী দেৱী। তেখেতৰ সহধৰ্মিণীৰ নাম প্ৰয়াত ড° অনিতা বৰুৱা শৰ্মা।

তেখেতে সৰু কালৰে পৰাই সমাজৰ কাৰণে ভাল কাম কৰিবলৈ চিন্তা-চৰ্চা কৰিছিল। সমাজৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত নিয়োজিত হৈ আছিল। তেখেত অসম আন্দোলনৰ সময়ত এগৰাকী বলিষ্ঠ নেতা আছিল। সমাজৰ উন্নয়নৰ হকে গাঁৱে-ভূঞে ঘূৰি ফুৰি মানুহৰ বিভিন্ন সমস্যাৰ বিষয়ে বুজ লৈছিল। তেখেত এজন সম্ভ্ৰান্ত পৰিয়ালৰ ঘৰৰ ল'ৰা আছিল।

তেখেত এজন ভাল ৰাজনীতিবিদ হিচাপে পৰিচিত হোৱাই নহয়, এজন ভাল শিক্ষাবিদ হিচাপেও পৰিচিত। তেখেতে শিক্ষাখণ্ডত এক আমূল পৰিৱৰ্তন বিচাৰিছিল, সেই উদ্দেশ্যেৰে অসমৰ বিভিন্ন প্ৰান্তত স্কুল-কলেজ স্থাপন কৰিছিল।

ড° জয়নাথ শৰ্মা ছাৰৰ উদ্যোগত অসমৰ বিভিন্ন প্ৰান্তত শিক্ষা প্ৰতিষ্ঠান গঢ়ি উঠিছে। তাৰ ভিতৰত কেআখনমান হ'ল-

1. North Eastern Regional Institute of management (NERIM) a premier B- school of the North East Region.
2. NERIM Low college.
3. NERIM Commerce college.

4. NERIM college of social work.

5. Dr. Anita Barua Sarma college of education, Guwahati.

6. Mangaldai Maharshi Vidyalaya a senior secondary school.

7. Sipajhar B. Ed. college, Darrang, Assam.

তেখেতে প্ৰতিষ্ঠা কৰা স্কুল-কলেজৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত সুখ্যাতিৰে পাছ কৰি একোজন ভাল নাগৰিক হৈ অসমৰ লগতে ভাৰতৰ নাম উজ্বলাই তুলিবলৈ সক্ষম হৈছে। তেখেতৰ প্ৰতিষ্ঠানৰ পৰা ওলোৱা বহুতো ছাত্ৰ-ছাত্ৰী আজি একো একোজন কৃতী শিক্ষক, দাৰ্শনিক, বিজ্ঞানী, অভিযন্তা, অধিবক্তা হৈ অসমৰ লগতে ভাৰতৰ আৰু বিদেশত কৰ্মৰত হৈ আছে। সেইটো আমাৰ বাবে বৰ গৌৰৱৰ কথা। নিকা চিন্তা-ভাৱনাৰে আৰু ভাল মনোভাৱেৰে যে এখন ঘৰ, এখন সমাজ আৰু এখন দেশক কেনেকৈ আগুৱাই নিব পাৰি তাৰে নিদৰ্শন ইয়াৰ মাজেৰে দাঙি ধৰিছে।

মতামত ঃ

মই ছিপাঝাৰ বি. এড. কলেজৰ প্ৰবক্তা হিচাপে ছাৰক চাৰি বছৰ লগ পাইছো। গতিকে ছাৰৰ বিষয়ে এই চাৰিটা বছৰত যিখিনি জানো তাৰ সংক্ষিপ্ত বিৰৰণ এই লিখনিৰ মাজেৰে ছাৰৰ বিষয়ে দাঙি ধৰিবলৈ প্ৰয়াস কৰিছো।

ছিপাঝাৰ বি. এড. কলেজখন ১৯৯৪ চনৰ ২২ চেপ্তেম্বৰত প্ৰতিষ্ঠা কৰা হৈছিল। কেইজনমান বৰেণ্য ব্যক্তিৰ অশেষ চেষ্টাৰ বলত ছিপাঝাৰ অঞ্চলত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে প্ৰতিষ্ঠা কৰা হৈছিল যাতে ছাত্ৰ-ছাত্ৰীখিনি দূৰ-দূৰণিৰ শিক্ষা প্ৰতিষ্ঠানত নামভৰ্তিৰ কাৰণে যাব লগা নহয়।

ছিপাঝাৰ বি. এড. কলেজখন প্ৰতিষ্ঠা কৰাত ড° জয়নাথ শৰ্মা ছাৰৰ ভূমিকা আছিল অনন্য। কলেজখন প্ৰতিষ্ঠা কালৰ পৰাই ছাৰে কঠোৰ শ্ৰম কৰি আহিছে। বহুতো ঘাত-প্ৰতিঘাতৰ মাজেৰে কলেজখন গঢ় লৈ উঠিছে। ছিপাঝাৰ বি. এড. কলেজখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ লগত সংযুক্ত কৰিবলৈও ছাৰে আৰ্থিক অনুদানেৰে সহায় কৰিছে। কলেজৰ ভৱিষ্যতৰ প্ৰগতিৰ কাৰণে তেখেতে বিশেষভাৱে

চিন্তা কৰে। তেখেতৰ একান্ত চিন্তা আৰু প্ৰচেষ্টাৰ বলতে ছিপাঝাৰ বি. এড. কলেজৰ পৰা প্ৰতি বছৰে প্ৰশিক্ষাৰ্থীয়ে ভাল ফলাফল দেখুওৱাবলৈ সক্ষম হৈছে। কলেজখনৰ ছাৰ-বাইদেউসকলেও অশেষ কষ্ট কৰি প্ৰশিক্ষাৰ্থীসকলক পাঠদান কৰাই ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। অনবৰতে ছাৰে শিক্ষাৰ লগত জড়িত হৈ থাকে আৰু শিক্ষাৰ ক্ষেত্ৰখনত নতুনত্বৰ সন্ধান কৰিবলৈ প্ৰয়াস কৰে। প্ৰশিক্ষাৰ্থীৰ লগতে আমিও ছাৰৰ পৰা নজনা কথা শিকিব পাৰিছো।

ছাৰ এজন চিন্তাশীল আৰু ধাৰ্মিক ব্যক্তি। তেখেতে নিতৌ শৰীৰ চৰ্চা আৰু যোগাসন কৰে। তেখেতৰ শিক্ষানুষ্ঠানবিলাকত বিভিন্ন পূজা-মন্ত্ৰ, গায়ত্ৰী মন্ত্ৰ, সৰস্বতী বন্দনা শিকোৱা হয় যাতে ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকল বিভিন্ন পূজা -মন্ত্ৰ ধাৰ্মিক দিশত উপকৃত হয়। এজন ভাল শিক্ষক হবলৈ হ'লে কিছুমান শিক্ষাৰ প্ৰাৰম্ভিক আৰু সহ-পাঠ্যক্ৰমিক জ্ঞান থকাতো দৰকাৰ। সেই কাৰণে ছাৰে বিচাৰে তেখেতৰ প্ৰতিষ্ঠানত শিক্ষা গ্ৰহণ কৰি থকা প্ৰত্যেক ছাত্ৰ-ছাত্ৰী তথা প্ৰশিক্ষাৰ্থীয়ে এইবোৰৰ বিষয়ে জ্ঞান আহৰণ কৰি যেতিয়া তেওঁলোকে ভৱিষ্যতে কোনো এখন শিক্ষানুষ্ঠানত নিয়োজিত হৈ ছাত্ৰ-ছাত্ৰীক শিকাব পাৰে।

এখন বিদ্যালয়ৰ প্ৰথমটো খোজ সৰস্বতী বন্দনাৰে শুভাৰম্ভ হয়। যোগ ব্যায়াম আৰু সৰস্বতী বন্দনাই ছাত্ৰ-ছাত্ৰীৰ দেহ-মন সবল আৰু সু-স্বাস্থ্যবান কৰি ৰাখে। ছাৰে ছিপাঝাৰ বি. এড. কলেজত বিভিন্ন Co-Curricular activities অনুষ্ঠিত কৰিছে আৰু প্ৰশিক্ষাৰ্থীসকল উপকৃত হৈছে। এইখন কলেজৰ পৰা বহুতো প্ৰশিক্ষাৰ্থীয়ে সুখ্যাতিৰে পৰীক্ষাত পাছ কৰি বিভিন্ন স্কুল-কলেজত কৰ্ম সংস্থাপন লাভ কৰিছে।

শিক্ষাৰ ক্ষেত্ৰত ছিপাঝাৰ অঞ্চলৰ এটা বিশেষ নাম আছে । তাৰোপৰি ছিপাঝাৰ অঞ্চল লোক-কৃষ্টিৰে ভৰপূৰ। ইয়াৰ আঁৰত হয়তো ছিপাঝাৰ অঞ্চলত থকা বিভিন্ন স্কুল-কলেজত শিক্ষাৰ পোহৰ বিলাই থকা ছাৰ-বাইদেউসকলৰ অশেষ কষ্ট আৰু সাধনা নিহিত হৈ আছে।

সদৌ শেষত ছাৰৰ উজ্বল ভৱিষ্যত আৰু সু-স্বাস্থ্য কামনা কৰিলো।

❑❑❑

# মনৰ মণিকোঠৰ মানুহজন ডঃ জয়নাথ শৰ্মা

- বনমালী নাথ

বিংশ শতাব্দী। আশী দশকৰ কথা। অশান্ত অঞ্চল। দিনক দিনে অসমৰ পৰিস্থিতি অগ্নিগৰ্ভা। জুয়ে পোৰা তিৰাশীত গৈ অসম অগ্নিদগ্ধ হ'ল। আকাশ-বতাহ চৌদিশে ধোঁৱাময়। আলি-পদুলি, দলং, দুই-এক চৰকাৰী কাৰ্যালয় আদি হুতাশনৰ ভক্ষণ হ'ল। যাতায়ত বিচ্ছিন্ন। স্কুল-কলেজ সকলো স্তব্ধ হৈ পৰিল। অসমৰ সমূহ শিক্ষাৰ্থীয়ে অমূল্য এটি শিক্ষা বৰ্ষ হেৰুৱালে। অসমত বিদেশী বহিষ্কাৰৰ গণ আন্দোলন। আমিবোৰ দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ অধীনত বিভিন্ন সভা-সমিতি, হৰতাল আদিলৈ যাব লাগে। তিৰাশীৰ অগ্নিগৰ্ভা পৰিস্থিতিৰ প্ৰেক্ষাপটত সংগীত সূৰ্য প্ৰয়াত ডঃ ভূপেন হাজৰিকাদেৱে বিৰচন কৰিলে কালজয়ী গীত- "জুয়ে পোৰা তিৰাশী"। সেই কেচেটৰ মৰ্মস্পৰ্শী গীত "শ্বহীদ প্ৰণামো তোমাক, শ্বহীদ প্ৰণামো তোমাক" আৰু "মোৰ ভাইটি নোহোৱা হ'ল তাৰ দিবিনে খবৰ তই জাননে খবৰ" আদি বুকু ভেদি যোৱা, অন্তৰ দেই পুৰি যোৱা এক জ্বলন্ত প্ৰতিচ্ছবি। অসম অসমীয়াৰ অস্তিত্বৰ বিপন্ন সময়।

সেই সময়ৰ শ্ৰদ্ধেয় ডঃ জয়নাথ শৰ্মা আৰু প্ৰয়াত ললিত ৰাজখোৱাৰ উদাত্ত ভাষণে আমাৰ ডেকা মনত হেন্দোলনী তুলি গৈছিল। কালৰ কুটিল গতিয়ে ৰাজখোৱাদেৱক অজান পুৰীলৈ লৈ গ'ল।

তেখেতৰ লগতে সমূহ শ্বহীদৰ আত্মাৰ চিৰ শান্তি কামনা কৰিলো। ক'ব নোৱাৰাকৈ (ডঃ জয়নাথ শৰ্মা) ছাৰৰ প্ৰতি এক দুৰ্বল অনুৰাগ অনুভৱ কৰিছিলো। তেখেতক মোৰ এগৰাকী পায়'নিয়াৰ ব্যক্তি হিচাপে অন্তৰত স্থান ৰাখিছিলো। দীৰ্ঘদিন ধৰি অগপ দলৰ ৰাজনৈতিক কৰ্মী হিচাপে জনাই নজনাই ইটো সিটো কামৰ বাবে দৌৰি ফুৰিছিলো। পঁচাশীৰ নিৰ্বাচনত মই অগপ দলৰ পুলিং এজেণ্ট হিচাপে কটাহী

প্ৰাথমিক বিদ্যালয়ত ভোট গ্ৰহণ কেন্দ্ৰত কাম কৰিছিলো। পিছলৈ গৈ মৌজা পঞ্চায়ত ভংগ কৰি গাঁও পঞ্চায়ত গঠন কৰাত সৰাবাৰী অসম গণ পৰিষদৰ সাধাৰণ সম্পাদকৰ দায়িত্বৰে দলীয় কাম-কাজ আগবঢ়াই লৈ গৈছিলো। সেই সময়ত মোৰ ৰাজনৈতিক উত্থান দেখি কোনো কোনো ঈৰ্ষান্বিত হৈ পৰিছিল। অৱশ্যে আজিও তেখেতসকল মোৰ প্ৰিয় বন্ধু। তেখেত সকলৰ প্ৰতি মোৰ কোনো শত্ৰুতা নাই।

১৯৯৮ চনৰ ডিচেম্বৰ মাহৰ ৬ তাৰিখে ড° শৰ্মা ছাৰৰ কৃপাত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক হিচাপে নিযুক্তি লাভ কৰি বৰ্তমান নগাঁও বালিকা প্ৰাথমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক হিচাপে সেৱা আগবঢ়াই আছো। তেখেত এগৰাকী ৰাজনৈতিক ব্যক্তি হিচাপে নহয় বিশেষকৈ তেওঁ এগৰাকী শিক্ষাবিদ হিচাপে সন্মান ৰক্ষা কৰিবলৈ অহোপুৰুষাৰ্থ কৰি কণ কণ শিশুসকলৰ অকল জ্ঞান চক্ষু মুকলি কৰাই নহয়, চৰিত্ৰৰ বুনিয়াদ গঠন কৰাৰ দিশত লক্ষ্য কৰি ছাত্ৰ-ছাত্ৰীসকলক মানুহ হিচাপে গঢ় দিয়াত অন্তৰ উজাৰি কাম কৰি আছো। তেখেতৰ যি বদান্যতাৰ বাবে শিক্ষকৰ দৰে পৱিত্ৰ সেৱাত নিয়োজিত হোৱাৰ সুবিধা লাভ কৰিলো তাৰ বাবে তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞই নহয় মোৰ পৰিয়ালো চিৰদিন কৃতজ্ঞ হৈ থাকিব। আমাৰ তেজত কৃতঘ্নতা নাই।তেওঁৰ প্ৰতি মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা আমৃত্যু থাকিব। আজিও মই উপলব্ধি কৰো তেখেতেই মোৰ জীৱনৰ সুখ, সাহস, কল্যাণ, হাঁহি আৰু শান্তিৰ আধাৰ স্বৰূপ।

যি সকল মানুহে তেখেতক কটু সমালোচনাৰে থকা-সৰকা কৰে, সেইবোৰ শুনিলে মনত বৰ বেজাৰ লাগে। কালৰ কুটিল গতিত নিজ পিতৃ-মাতৃ, শিক্ষাগুৰু আদিও নিজ পুত্ৰ-পুত্ৰী, নিজৰ শিষ্য-প্ৰশিষ্যৰ ওচৰত অৱহেলিত হোৱা দেখা যায়। তেনে ক্ষেত্ৰত ৰাজনৈতিক ব্যক্তি হিচাপে সমালোচিত হোৱাটো তেনেই স্বাভাৱিক কথা হিচাপে মনটোক বুজাই বঢ়াই থওঁ।

তেখেতৰ সৈতে যিমানবোৰ সময় অতিবাহিত কৰাৰ সুযোগ ঘটিছিল, তেনে মুহূৰ্তবোৰত নানা সোণসেৰীয়া, জ্ঞানগৰ্ভ কথা শুনাৰ সুবিধা লাভ কৰি নিজে ধন্য হৈছিলো। কেতিয়াবা ৰস ৰচনা, ফুচুৰি কথা কৈ সময়বোৰ জীৱন্ত কৰি তুলিছিল। তাৰে দুটামান ফুচৰি কথা লিখিব খুজিছো। ছাৰৰ মন পছন্দৰ চাংমাই আছিল ৰোহেশ্বৰ

নামৰ এজন ডেকা ল'ৰা। আমি বিভিন্ন কামৰ পৰা গৈ কেতিয়াবা ছাৰৰ সৈতে কথা পাতো। ৰোহেশ্বৰে আমাক বৰ ধুনীয়াকৈ একাপ চাহ যোগান ধৰে। পিছে ৰোহেশ্বৰে মানুহবোৰক চাহ যোগান ধৰাত এটা মুকলি অভিযোগ কৰিছিল। তেওঁ কৈছিল, "মানুহবোৰে চাহ খাবও নাজানে। বিস্কুটখন কিয় চাহত তিয়াই দিয়ে" এই বুলি তেওঁ বিৰক্তি প্ৰকাশ কৰিছিল। সঁচাই চাহত বিস্কুট তিয়াই খালে বিস্কুট ভাঙি চাহতে বৈ যায়। ৰোহেশ্বৰে সেইবোৰ ধুব লাগিলে বৰ দিগদাৰ অনুভৱ কৰে। অৱশ্যে চাহত বিস্কুট তিয়াই খোৱা অভ্যাস সু নে কু সেইটো পঢ়ুৱৈ সকলৰ বিচাৰ্যৰ বিষয়।

এতিয়াহে আচল কথাটি ক'ব খুজিছো। ছাৰে এদিন ৰোহেশ্বৰক ক'লে, "ৰোহেশ্হৰ বজাৰৰ পৰা অনা বস্তুবোৰ ধুব লাগে।" বেচেৰাই হ'ব ছাৰ বুলি শলাগিলে। আন এদিন চাহ খাবলৈ বহিলো। ৰোহেশ্বৰে ধুনীয়াকৈ ট্ৰেখনত চাহ কেইকাপমান বিস্কুটেৰে সৈতে সজাই লৈ আহিছো। তেনেতে চাহ খাবলৈ আৰম্ভ কৰা হ'ল। বিস্কুট খাবৰ সময়ত দেখা গ'ল যে বিস্কুটৰ অৱস্থা লেউ-সেউ। ছাৰে ৰোহেশ্বৰক মাতি আনি সুধিলে। "বিস্কুটবোৰ কি কৰিছা?" সি উত্তৰত ক'লে, "আপুনিয়ে দেখোন বজাৰৰ পৰা অনা বস্তুবোৰ ধুব লাগে বুলি কৈছিল। মই বিস্কুটবোৰ ধুই দিছো।" ছাৰে খং নকৰি খোলাকৈ এটি হাঁহি মাৰি ক'লে, "বজাৰৰ পৰা অনা শাক-পাচলি, মাছ-পুঠি ইত্যাদিহে ধুব লাগে। বিস্কুট, মিঠাই আদিবোৰ ধুব নালাগে নহয়।" এনে ধৰণৰ দুই-এটা ৰসাল ঘটনাৰ মাজেৰে দিছপুৰৰ মিনিষ্টাৰৰ কোঠালীত বহুতো সামাজিক, ৰাজনৈতিক কথা আদিৰে আশা ভৰষাৰে ভৰা জীৱনৰ শক্তিময় সময়বোৰ পাৰ কৰিছিলো। এতিয়া আৰু সেইদিন নাহে। সেইদিন হয়তো আৰু নেপাওঁ। যি কি নহওক, অনাগত দিনবোৰত তেখেত এজন পৰিপক্ক ৰাজনীতিজ্ঞ, এজন অভিজ্ঞতা সম্পন্ন শিক্ষাবিদ হিচাপে সমাজত উজ্বলি থাকক, ইতিহাসত তেওঁৰ কৰ্মৰাজিয়ে স্বাক্ষৰ বহন কৰক। লগতে তেখেতে কৰ্মোদীপ্ত জীৱনেৰে সমাজত ত্যাগৰ নিদৰ্শন হিচাপে কাম কৰিবলৈ ভগৱানে কৃপা বৰিষণ কৰক ইয়াকে কামনা কৰিলো। ❑❑❑

# সময়, সান্নিধ্য আৰু ব্যৱধান

– দিলীপ কুমাৰ শৰ্মা

এদিন মোলৈ তাগিদা এটা আহিল যে ড°জয়নাথ শৰ্মা অভিনন্দন গ্ৰন্থৰ বাবে লেখা এটা দিব লাগে। লগে লগে চিন্তা কৰি ওভতি গৈছিলো বহুদূৰ পিছলৈ। পুৰণি স্মৃতি ৰোমন্থন কৰি ভাল লাগে। এয়া কেৱল নিজৰ বাবেহে। ডাঙৰ ডাঙৰ মানুহৰ অতীত, বৰ্তমান এইবোৰ হ'ল ভৱিষ্যতৰ ইন্ধন। তেওঁলোকৰ কৰ্মই পিছৰ পুৰুষক শিকাই যায়, বীজ ৰোপণ কৰি থৈ যায়, সময় আগুৱাই যায়। সময়ৰ লগে লগে আগুৱাব নজনা মানুহবোৰক থেকেচি থেকেচি লৈ যায় এটা মুহূৰ্তলৈ। অতীতক খোচৰি বা জনাব খোজাৰ তিল মাত্ৰও ইচ্ছা নাই। কিন্তু লিখনিটো লিখিব গ'লে কিছুদূৰ পিছুৱাই যাবই লাগিব, নহ'লে ই সম্পূৰ্ণ আকাৰ নল'ব।

ধনে-জনে, মানে-সন্মানে সকলো দিশতে পৰিপূৰ্ণ এটা সময় এজন মানুহৰ ঘৰ-সংসাৰ তেওঁৰ ব্যক্তিগত। তেওঁৰেই জ্যেষ্ঠ পুত্ৰ হিচাপে একো নজনাকৈ শৈশৱ সময়ছোৱা পাৰ হৈছিল। তেনে এক সময়তে দেউতাই কিনা মঙলদৈ উপহুপাৰাৰ ৩নং কলনীত সম্ভৱতঃ দুই বিঘা মাটি। তাতেই দেউতাই এটা খেৰীঘৰ বনাইছিল। সেয়া সময় প্ৰায় ১৯৬৮-৬৯ চন। দেউতাৰ ডাঙৰ নাতি শ্ৰীখগেন শৰ্মা তেওঁ সেই সময়ত মঙলদৈ কলেজত বি. এছচি. পঢ়ি আছিল। দেউতাই বন্ধা উপহুপাৰাৰ ঘৰটোতে তেওঁ থাকিছিল। এটা সময়ত জয় দায়ো গ'ল মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ পঢ়িব আহিল। তাৰ পিছে পিছে দেউতাই মোকো ৰঙামাটি জে.ডি. এম.ই. স্কুলৰ পৰা নাম কাটি লৈ গ'ল মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ। তিনিও

উপহুপাৰাৰ ঘৰটোতে থাকি কলেজ-স্কুলত পঢ়ো। বৰ্তমানৰ উপহুপাৰা আৰু তেতিয়াৰ উপহুপাৰা স্বৰ্গ-মৰ্ত্যৰ পাৰ্থক্য। আমি থকা ঘৰটোৰ আশে-পাশে মানুহৰ ঘৰ-দুৱাৰ একেবাৰে নাছিল। কিছু দূৰত পশ্চিম-উত্তৰ দিশত মতি কোচৰ ঘৰখন আৰু পূব-দক্ষিণ দিশত সথিল ডেকাৰ ঘৰখন। আমি থকা ঘৰটোৰ দক্ষিণে অলপ দূৰত হাবি-জংগল। অৱশ্যে আৰু দুই-চাৰি ঘৰমান আছিল। সিও দূৰে দূৰে। তেওঁলোকৰ নাম-গাম এতিয়া মোৰ মনত নাই। সন্ধিয়াৰ পিছতে ঘৰৰ পিছফালে শিয়ালৰ চিঞৰ-বাখৰ। খগেন দাদা আছিল কিতাপৰ পোক, কেৱল কিতাপ পঢ়াতে ব্যস্ত। ৰন্ধা-বঢ়া কাম তেওঁ তেনেকে কৰা দেখা নাছিলো। সেই সময়ত ৰঙামাটি ডাক্তৰখানাৰ ওচৰত দেউতাৰ এখন ডাঙৰ গেলামালৰ দোকান আছিল। বিভিন্ন কামত প্ৰায়ে মঙলদৈ টাউনলৈ দেউতা আহিছিল আৰু আহ-যাহ কৰোতে আমি থকা ঘৰটোত এপাক মাৰিছিল, লগত প্ৰয়োজনীয় কিছু বস্তু লৈ আহিছিল। অৱশ্যে সেয়াই যথেষ্ট নহয়। মাজে সময়ে জয় দা আৰু মই দুই-এপদ বজাৰ নকৰাও নহয়। ৰাতিপুৱা আৰু ৰাতি ভাত ৰন্ধা কাম জয় দায়ে কৰিছিল, লগত মই সহায়কাৰী। খগেনদা থকালৈকে সকলো ঠিকে-ঠাকে আগবাঢ়ি গৈ আছিল। খগেনদা বি.এছচি. পঢ়া শেষ হোৱাৰ লগে লগে তেওঁ আমাৰ পৰা গুচি গ'ল। তাৰ পিছতে তেওঁ যোৰহাটত এছ. বি. আই.ত চাকৰিও পালে। তেওঁ গুচি যোৱাৰ পিছত জয়দা আৰু মই থাকিলো। ইতিমধ্যে জয়দাৰ ছাত্ৰ সন্থাত ঘূৰা-ঘূৰি আৰম্ভ হ'ল। মঙলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সাধাৰণ সম্পাদকো হ'ল। তেওঁ বিভিন্ন কামত ব্যস্ত হৈ পৰিল। মই স্কুল ছুটীৰ পিছত উপহুপাৰা ঘৰলৈ আহো। অকলে থাকিলে মোৰভয় লাগে। এদিন দেউতা আহোতে কথাটো ক'লো। দেউতাই তাৰ পিছতে এদিন জয়দাক ক'লে- "জয় তই ইয়াক এৰি ক'ত যাৱ।' জয়দাই উত্তৰত ক'লে- আতা মই ক'তো যোৱা নাই নহয়, কেতাবা মোৰ স্কুলৰ পৰা আহোতে অলপ পলম হওঁৰেই।' দেউতা গুচি গ'ল। তেওঁ কেইদিনমান সলনি হ'ল, যদিও কিছুদিনৰ পিছত পুনৰ ব্যস্ততাৰ বাবে আগৰ দৰেই হ'ল। সন্ধিয়াৰ লগে লগে গোটেই ঠাইখিনি নিৰ্জন পৰিৱেশ হৈ পৰে। মানুহৰ আহ-যাহ, মাত-বোল নোহোৱা হৈ

মৰিশালীৰ দৰে হয়। দেউতাক আকৌ আগৰ অভিযোগটো দিলো। দেউতাই একো নক'লে। কিছুদিনৰ পিছত দেউতাই মোক আমাৰ স্কুলৰ হোষ্টেললৈ গৈ গ'ল। (বৰ্তমান জিলা পুথিভঁৰাল থকা ঠাই) এইখিনিতে আকৌ অকনমান পিছলৈ যাওঁ। ১৯৬৯ চন, তাৰিখ মনত নাই। তেলশোধানাগাৰ আন্দোলনৰ কিবা এটা কাৰ্যসূচীত ময়ো অংশগ্ৰহণ কৰি ওলাই যাওঁতে তেওঁৰ লগৰ-লগৰীয়াই দেখা পাই জয়দাক ক'লে আৰু তেওঁ তেতিয়া আহি মোক ধমক দিলে- "মৰ্বা যাব ওলেইছা, ঘৰত যা।" মই সেমেনা-সেমেনি কৰি (উপহুপাৰা) ঘৰলৈ আহো। এয়া অতীতৰ এটা স্মৃতি।

ৰঙামাটি দাৰিয়াপাৰা গাঁৱত জন্ম গ্ৰহণ কৰি দেশৰ হকে জাতিৰ হকে সংগ্ৰাম কৰা এজন অসাধাৰণ ব্যক্তি। সমালোচনা কৰা সহজ। কিন্তু আলোচনা, পৰ্যালোচনাৰ দিশটোহে অতি প্ৰয়োজন। তেওঁৰ জীৱনৰ সংগ্ৰামখিনি ফঁহিয়াই চাওঁ আহকচোন। ছয় বছৰীয়া আন্দোলনটো প্ৰথম মঙলদৈৰ ৰঙামাটিৰ পৰাই অংকুৰণ হোৱা নাছিল জানো। তাৰেই বীজ ৰোপণ কৰা প্ৰথম গৰাকী ব্যক্তি ডঃ জয়নাথ শৰ্মাই নহয় জানো। (ভুল হ'লে মফ কৰিব) পিছত বিভিন্ন ঠাইৰ বিভিন্নজনে হাত উজান দিলে। সেই সময়তে নিজ ভাতৃও আন্দোলনত শ্বহীদ হ'ল। বিভিন্নজনৰ ভিন্ন ভিন্ন লিখনিৰ মাজতে তেওঁ দীৰ্ঘায়ু হওক। ৰাইজৰ মৰম-চেনেহৰ মাজতে তেওঁ সজীৱ হৈ ৰওক।

শেষত তেওঁ দেশৰ বাবে জাতিৰ বাবে কৰা ত্যাগ আৰু সংগ্ৰামক মই দেশৰ এজন সাধাৰণ নাগৰিক হিচাপে শ্ৰদ্ধা জনাইছো, অভিনন্দন জনাইছো।

❑❑❑

# শিক্ষাবিদ ড° জয়নাথ শৰ্মা ছাৰ সম্পৰ্কে মোৰ ব্যক্তিগত অনুভৱ

- দীপান্বীতা চহৰীয়া

ড° জয়নাথ শৰ্মা ছাৰ এটি পৰিচিত নাম, এগৰাকী বৰেণ্য ব্যক্তি। নিজৰ কৰ্মৰ জৰিয়তে এজন বৰেণ্য ব্যক্তি হিচাপে সমাজত তেওঁ পৰিগণিত হৈছে।

ইংৰাজী ১৯৯৪ চনত ছিপাঝাৰৰ কিছু সংখ্যক বিশিষ্ট শিক্ষাবিদ নাগৰিকৰ প্ৰচেষ্টাত গঢ় লৈ উঠা 'ছিপাঝাৰ বি. এড. কলজখনৰ ইতিহাসৰ এক প্ৰধান ব্যক্তি হ'ল ড° জয়নাথ শৰ্মা ছাৰ। কলেজখনৰ শুভ চিন্তক হিচাপে এই কথাটো নিশ্চিতভাৱে কওঁ যে শ্ৰদ্ধেয় ড°শৰ্মা ছাৰৰ প্ৰচেষ্টা, শ্ৰম, সাহসৰ ফলতহে ছিপাঝাৰ বি. এড. কলেজখনে ঠন ধৰি উঠি বৰ্তমান আজিৰ পৰ্যায় পাইছে। সেয়ে বোধহয় আজি শিক্ষকতা বৃত্তিৰ বাবে বাধ্যতামূলক হোৱা বি. এড. ডিগ্ৰী ছিপাঝাৰৰ লগতে অসমৰ বিভিন্ন অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে ছিপাঝাৰ বি. এড. কলেজত গ্ৰহণ কৰিব পাৰিছে। এই মহাবিদ্যালয়খনৰ উত্থান-পতন সকলোতে এই গৰাকী ব্যক্তি সততে জড়িত।

২০05 বৰ্যত মই ছিপাঝাৰ বি. এড. কলেজত প্ৰৱক্তা হিচাপে সেৱা কৰাৰ সুযোগ পোৱাৰ পিছৰে পৰা ড° শৰ্মা ছাৰৰ সান্নিধ্য লাভ কৰিছিলো। যদিও তেওঁ ৰাজনীতিৰ লগত জড়িত আছিল এজন শিক্ষাবিদ হিচাপে তেওঁৰ সমাজত যথেষ্ট সুনাম আছে। শিক্ষাবিদ হিচাপে ড° শৰ্মা ছাৰৰ বিষয়ে মোৰ ব্যক্তিগত অনুভৱৰ কিছু কথা লিখিবলৈ প্ৰয়াস কৰিছো।

আমাৰ বি. এড. কলেজত প্ৰায়বোৰ অনুষ্ঠানত ছাৰে যথেষ্ট শিক্ষা

সম্পৰ্কীয় সাৱলীল আৰু সাৰুৱা ভাষণ দিয়ে। এজন প্ৰকৃত, দক্ষ আৰু আদৰ্শ শিক্ষক কেনেদৰে হ'ব পৰা যায়, শিক্ষকৰ দায়িত্ব, কৰ্তব্য, গুণাৱলী এই সমূহৰ ওপৰত জ্ঞান দি আহিছে। পৰিৱৰ্তনশীল সমাজত এজন শিক্ষকৰ ভূমিকা কেনেকুৱা হ'ব লাগে আৰু নিজকে কেনেদৰে যিকোনো পৰিস্থিতিত খাপ খুৱাই চলিব লাগে এইবোৰৰ বিষয়ে জ্ঞান দি আহিছে।

এদিনাখন আমাৰ কলেজত তেওঁ এখন মিটিঙত কৈছিল যে তেওঁক সৰুতে কোনোবা এজন ব্যক্তিয়ে 'ডাঙৰ হৈ কি হ'বা' বুলি প্ৰশ্ন কৰোতে তেওঁ শিক্ষানুষ্ঠান খুলিম বুলি কৈছিল। আৰু সেই কথাযাৰ তেওঁ সঁচাই প্ৰমাণিত কৰিছিল। ডঃ শৰ্মা ছাৰে বিভিন্ন শিক্ষানুষ্ঠান স্থাপন কৰি বিভিন্ন লোকক শিক্ষিত কৰাৰ উপৰিও যথেষ্ট সংখ্যক লোকক কৰ্মসংস্থান দি আহিছে। ডঃ শৰ্মা ছাৰে স্থাপন কৰা শিক্ষাৰ অনুষ্ঠানসমূহ হৈছে-

1. North Eastern Regional Institute of Management (NERIM) group of institution.

2. Dr. Anita Baruah Sarma College of Education.

3. Sipajhar B. Ed. College (Dr. Sarmah landed his helping hand towards the thinkers for establishing Sipajhar B. Ed. College)

4. Mangaldai Maharshi Vidya Mandir.

5. NERIM Challenge Accademy, Mangaldai.

তীক্ষ্ণ মেধা শক্তিৰ অধিকাৰী ডঃ শৰ্মা ছাৰে নিজৰ একাগ্ৰতা, পৰিশ্ৰম আৰু কষ্ট সহিষ্ণু গুণৰ বাবে লক্ষ্মী-সৰস্বতী দুয়োৰে আশীৰ্বাদ লাভ কৰিবৰ বাবে সক্ষম হৈছিল। উচ্চ শিক্ষাৰ বিভিন্ন ডিগ্ৰীৰে অলংকিত ব্যক্তি হ'ল ড° জয়নাথ শৰ্মা ছাৰ। ছাৰৰ শিক্ষাগত অৰ্হতা সম্পৰ্কে ক'বলৈ গ'লে উচ্চ শিক্ষাৰ কেইবাটাও ডিগ্ৰী তেওঁ দখল কৰিছে। ছাৰ M. Com., M.B.A., L.L.B. (Topper, G.U.) Ph.d. ডিগ্ৰীৰে পৰিপুষ্ট এজন ব্যক্তি। ছাৰৰ এনে

ধৰণৰ শৈক্ষিক কৃতকাৰ্যতা উত্তৰ পুৰুষৰ বাবে প্ৰেৰণাৰ উৎস বুলি মই অনুভৱ কৰো।

মোৰ দৃষ্টিত এখন শিক্ষানুষ্ঠানৰ প্ৰতি, সমাজৰ প্ৰতি দায়িত্ববোধ থকা এগৰাকী ব্যক্তি হৈছে মোৰ পৰম শ্ৰদ্ধাৰ ছাৰ ড° জয়নাথ শৰ্মাদেৱ। শিক্ষাৰ প্ৰতি থকা জ্ঞানৰ উপৰিও তেখেতৰ শাস্ত্ৰ সম্পৰ্কে যথেষ্ট জ্ঞান আছে। শাস্ত্ৰৰ বহল পথাৰখনত তেখেতৰ যি দখল সেয়া সঁচাকৈয়ে আচৰিত। আমাৰ কলেজত ছাৰে প্ৰায়ে শ্ৰেণীকোঠাত প্ৰশিক্ষাৰ্থীসকলক শাস্ত্ৰ সম্পৰ্কে আৰু বিভিন্ন সংস্কৃত শ্লোকৰ সাৰমৰ্ম সুন্দৰকৈ উপস্থাপন কৰে। ছাৰ যদিও M. Com., M.B.A. বা আইনৰ বিশেষজ্ঞ তথাপিও তেওঁ শিক্ষাৰ প্ৰায়বোৰ দিশতে পাৰদৰ্শিতা আছে। ড° জয়নাথ শৰ্মা ছাৰৰ বাকপটুতা, কৰ্ম দক্ষতা, বিভিন্ন প্ৰতিভাৰ অধিকাৰী, বয়সৰ যেন এতিয়াও ম্লান পৰা নাই, এতিয়াও যেন এগৰাকী চফল চিৰ-তৰুণ ব্যক্তি হিচাপে সমাজৰ যিকোনো অনুষ্ঠান-প্ৰতিষ্ঠানত তেওঁ অংশগ্ৰহণ কৰি আহিছে।

বুদ্ধিদীপ্ত, মেধাসম্পন্ন এই ব্যক্তিজনে আধুনিক শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব দি আহিছে। এজন আধুনিক যুগত শিক্ষকৰ ভূমিকা কেনেকুৱা হ'ব লাগে এই সম্পৰ্কে অথবা বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত কেনেদৰে শ্ৰেণীকোঠাত পাঠদান কৰিব লাগে এইবোৰৰ বিষয়ে ছাৰে প্ৰায়ে আমাক শিকাই আহিছে। ডঃ জয়নাথ শৰ্মা ছাৰৰ শিক্ষাৰ প্ৰতি থকা দায়বদ্ধতাই তেখেতৰ নিজৰ শিক্ষানুষ্ঠান সমূহক গুণগত দিশত আগুৱাই নিব'লৈ সক্ষম হৈছে। শিক্ষানুষ্ঠান সমূহত প্ৰতিজন শিক্ষকক তেওঁ প্ৰশিক্ষণৰ সুবিধা কৰি দিছে আৰু তেওঁৰ শিক্ষানুষ্ঠান সমূহ সমাজত আগশাৰীৰ শিক্ষানুষ্ঠান বুলি পৰিগণিত হৈছে। যদিও তেওঁ শিক্ষকতা বৃত্তিত নিয়োজিত নাছিল তথাপিও তেওঁ আধুনিক শিক্ষণ আৰু শিকণ প্ৰক্ৰিয়াৰ বিভিন্ন কৌশল সম্পৰ্কে জ্ঞান দি আহিছে। ডঃ শৰ্মা ছাৰ ৰাজনীতিৰ লগত জড়িত হৈ থকা সময়ছোৱাত বিভিন্ন অঞ্চলৰ শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়নৰ হকে কাম কৰি আহিছিল।

যিকোনো বিষয়ে নিজে অধ্যয়ন কৰি জনাৰ হেঁপাহ আৰু আধুনিক

শিক্ষাৰ কৌশল সম্পৰ্কে জনাৰ এক অনুসন্ধিৎসু মনৰ অধিকাৰী হ'ল ড° জয়নাথ শৰ্মা ছাৰ।

মোৰ দৃষ্টিত ড° জয়নাথ শৰ্মা ছাৰ এজন সমাজ সেৱক, এজন শিক্ষাবিদ, এজন সু-পৰিচালক, এজন সফল ব্যক্তি আৰু বহুতো।

ইমানবোৰ গুণ থকা ড° শৰ্মা ছাৰদেৰ এক সমাজৰ বহুমূলীয়া সম্পদ। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত তেওঁৰ অৱদান উল্লেখনীয়। তেখেতৰ দীৰ্ঘায়ু আৰু সু-স্বাস্থ্য কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। শিক্ষাৰ ক্ষেত্ৰত তেওঁৰ দিবলগীয়া এতিয়াও বহুত আছে।

শেষত তেখেতলৈ সশ্ৰদ্ধ প্ৰণাম যাঁচিলো।

❑❑❑

# সিংহ পুৰুষ ড° জয়নাথ শৰ্মালৈ অভিনন্দন

- চিত্ৰা বালা দেৱী

ড° জয়নাথ শৰ্মাদেৱ অসমৰ এগৰাকী সাহসী আৰু সুদক্ষ সন্তান। তেখেতৰ কৰ্মৰাজিয়ে পৰিচয় দিয়ে তেখেতৰ কৃতিত্ব। ভাল-বেয়া, জয়-পৰাজয়, সফলতা-বিফলতা এইবোৰ মানুহৰ জীৱনৰ কৰ্মৰ এটি সীমাৰেখা মাথোন। আচল কথা হৈছে মানুহৰ মানসিকতা আৰু সাহসিকতা। আমি মাননীয় ড° জয়নাথ শৰ্মাদেৱৰ দেশ মাতৃৰ প্ৰতি থকা প্ৰেম আৰু মানৱীয় সাহসিকতাক লৈ সদায় গৌৰৱ কৰিছো আৰু কৰি থাকিম। ৰাজনীতিৰ ক্ষেত্ৰখন তেখেতৰ বৰ বহল আছিল আৰু নিজক এগৰাকী প্ৰকৃত ৰাজনীতিবিদ হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছিল। তেখেতৰ জীৱনৰ ৰাজনীতিৰ সময়ত দুই-তিনিটা বিভাগৰ মন্ত্ৰীত্বৰ ভাৰ গ্ৰহণ কৰি সুখ্যাতি অৰ্জন কৰিবৰ বাবে সক্ষম হয়।

মই সৰু কালৰ পৰাই তেখেতক জানো। ছাত্ৰ আন্দোলনত তেখেতৰ ভূমিকা আৰু নেতৃত্বই ৰাজনীতিৰ জগতক কঁপাই তুলিছিল। এই আন্দোলনতেই তেখেতে নিজ ভাতৃক হেৰুৱাব লগীয়া হৈছিল। ভাতৃক হেৰুৱাইয়ো তেখেতে নিজক বচাব চোৱা নাছিল, বৰঞ্চ দুগুণ উৎসাহ আৰু সাহসেৰে দেশৰ কাম কৰি গৈছিল। মোৰ স্বামী প্ৰয়াত গগন চন্দ্ৰ শৰ্মাক ড° জয়নাথ শৰ্মাদেৱে বৰ ভাল পাইছিল। তেখেতৰ লগত সকলো মেল-মিটিং, কাম-কাজতে আমাৰ এখেতৰ দিহা-পৰামৰ্শ, আলাপ-আলোচনা আছিল। মই তেখেতৰ গুৱাহাটীৰ কোৱাৰ্টাৰলৈ কেইবাবাৰো গৈছো। তেখেতৰ কৃপাত মোৰ ডাঙৰ ছোৱালীজনী চাকৰিত মকৰল হয়। তাৰ বাবে মই তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰম। মই এই মহাপুৰুষজনক কেতিয়াও পাহৰিব নোৱাৰো। কাৰণ তেখেতে জীৱনত

মোক যি উপকাৰ কৰিছে তাৰ অকনমান লিখিছো।

১৯৮৫ চন। ছিপাঝাৰ পুলিচ থানাত অ'. চি. লংকেশ্বৰ মেধিয়ে মোৰ স্বামীক এটি সত্য বাতৰি লিখাৰ বাবে যি অমানুসিক অত্যাচাৰ কৰিছিল মাননীয় ড° জয়নাথ শৰ্মাদেৱ নাথাকিলে হয়তো তেখেত আৰু জীয়াই নাথাকিলহেঁতেন। সেই সময়ত ড° জয়নাথ শৰ্মাদেৱ দিল্লীত আছিল। বাতৰিটো পোৱাৰ লগে লগে তেখেতে একে দিনাই দিল্লীৰ পৰা আহি মঙলদৈ হস্পিটেলত এখেতৰ হাতৰ পৰা লোৰ শিকলি সোলোকাই দিছিল আৰু গুৱাহাটী মেডিকেললৈ প্ৰেৰণ কৰি সমস্ত খৰচ বহন কৰি দহ হাজাৰ নগদ টকা হাতত দিছিল। এনে এগৰাকী মহান ব্যক্তি অসমত যে আৰু কেতিয়াবা ওলাব সেয়া ভাবিবলৈ টান। এইটো মোৰ নিজৰহে বিচাৰ, আনৰ বিচাৰৰ কথা কোৱা নাই। যুগে যুগে ড° জয়নাথ শৰ্মাদেৱৰ দৰে সাহসী পুৰুষৰ জন্ম হওক আৰু দেশ মাতৃৰ বাবে নিজৰ সাহসিকতাৰ পৰিচয় দাঙি ধৰক।

ঘৰুৱা জীৱনৰ ফালৰ পৰাও তেখেতৰ পিতৃ আমাৰ ঘৰখনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। তেখেতৰ পিতৃয়ে মোৰ দেউতাহঁতৰ মঙলদৈত থকা ঘৰখনত প্ৰায়ে পুথিপাঠ কৰিছিল। তেখেতৰ পিতৃ এগৰাকী ধৰ্ম পৰায়ণ লোক আছিল।

শেষত শ্ৰদ্ধাৰ ড° জয়নাথ শৰ্মদেৱলৈ মোৰ অন্তৰ ভৰা মৰম-চেনেহ কৃতজ্ঞতা থাকিল। জীৱনৰ বাকী থকা দিনকেইটা যাতে নিৰোগী হৈ থাকি সু-স্বাস্থ্য আৰু শান্তিৰে থাকিব পাৰে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

❑❑❑

# ড° জয়নাথ শৰ্মাৰ ব্যক্তিত্ব
# এক চমু অৱলোকন

-নাৰায়ণ চন্দ্ৰ বৰুৱা

সম্বৰ্ধনা বা অভিনন্দন গ্ৰন্থ প্ৰণয়ন প্ৰক্ৰিয়াটো সঁচাকৈয়ে সময়োচিত আৰু অতীৱ প্ৰয়োজনীয় প্ৰক্ৰিয়া বুলি সকলোৱে একেমুখে স্বীকাৰ কৰে। মানুহ এজনৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ ইও এক অনন্য মাধ্যম।

ড° জয়নাথ শৰ্মাদেৱৰ প্ৰতি চেনেহ যাচিবলৈ অভিনন্দন গ্ৰন্থ প্ৰণয়ন সমিতিয়ে যি উদ্যোগ লৈছে এয়া আদৰণীয় আৰু কৰণীয়। গ্ৰন্থ প্ৰণয়ন সমিতিক ধন্যবাদ জনোৱাৰ লগতে শলাগ যাচিছোঁ।

ড° জয়নাথ শৰ্মাদেৱ এজন ব্যক্তি হৈ নাথাকি এটা অনুষ্ঠানত পৰিণত হৈছে। অসমৰ বিদেশী বিতাড়ণ আন্দোলনৰ গুৰি ধৰি সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্ব লৈ সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰে। অসম গণ পৰিষদৰ জন্ম লগ্নৰে পৰা বলিষ্ঠ ভূমিকা গ্ৰহণ কৰি অগপ দলৰেই প্ৰতিনিধিত্ব কৰি ছিপাঝাৰ বিধান সভা সমষ্টিৰ পৰা একেৰাহে বিশ বছৰ কাল অসম বিধান সভালৈ বিধায়ক হিচাপে নিৰ্বাচিত হয়। অসমৰ তদানীন্তন মুখ্য মন্ত্ৰী মাননীয় শ্ৰীপ্ৰফুল্লকুমাৰ মহন্তদেৱৰ মন্ত্ৰী সভাত ৰাজহ, অসম চুক্তি ৰূপায়ণ মন্ত্ৰী আৰু জলসিঞ্চন মন্ত্ৰী হিচাপে দুটা কাৰ্যকাল দহ বছৰ ধৰি কাৰ্যনিৰ্বাহ কৰে।

মহন্ত মন্ত্ৰী সভাত ড° জয়নাথ শৰ্মাদেৱ এজন সফল আৰু বলিষ্ঠ মন্ত্ৰী ৰূপে স্বীকৃত হৈছে। ড° জয়নাথ শৰ্মাদেৱ মানুহজন যে অকল ৰাজনৈতিক নেতা এনে নহয়। বিদ্যোৎসাহী ড° জয়নাথ শৰ্মাদেৱ এজন শৈক্ষিক দিশৰ ব্যক্তি হিচাপেও অগ্ৰগণ্য। নেৰিম আৰু মহৰ্ষি বিদ্যা মন্দিৰৰ দৰে উচ্চ মানশিষ্ট বিদ্যালয়ৰ নেতৃত্ব বহন কৰি সুচাৰুৰূপে কৰা পৰিচালনাই তাৰ সাক্ষ্য বহন কৰিছে। ড° জয়নাথ শৰ্মাদেৱে বাণিজ্য বিষয়ত (commerce) স্নাতকোত্তৰ

উপাধি লোৱাৰ উপৰিও আইনৰ স্নাতক আৰু বিশ্ববিদ্যালয়ৰ সৰ্বোচ্চ উপাধি ডক্টৰেট ডিগ্ৰী লাভ কৰে।

ৰাজনৈতিক ব্যস্ততাৰ মাজতে তেওঁ গীতা-ভাগৱত আদি নানা ধৰ্মগ্ৰন্থ অধ্যয়ন কৰি আধ্যাত্মিক দিশতো যথেষ্ট আগবঢ়া। বিভিন্ন সভা-সমিতিত আধ্যাত্মিক ভাৱাপন্ন ভাষণৰ জৰিয়তে জনগণৰ মন সহজে আকৰ্ষণ কৰাটো লক্ষ্য কৰিবলগীয়া।

ড° জয়নাথ শৰ্মাদেৱৰ সুযোগ্যা পত্নী অকালতে মৰহি যোৱা ড° অনিতা শৰ্মা বৰুৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা আছিল।

ড° জয়নাথ শৰ্মাদেৱ সৰুথেকেৰাবাৰী গ্ৰামাঞ্চলৰ প্ৰয়াত পদ্মনাথ শৰ্মা আৰু কিৰণ দেৱীৰ কোলা শুৱনি কৰি জন্মগ্ৰহণ কৰিছিল। এক অনন্য প্ৰতিভাধৰ ড° জয়নাথ শৰ্মাদেৱৰ গুণ-গৰিমা উত্তৰ প্ৰজন্মৰ বাবে আদৰণীয় আৰু পাথেয় হৈ ৰওক।

মাননীয় ড° জয়নাথ শৰ্মাদেৱে পুত্ৰ-কন্যা সমন্বিতে পৰিয়ালৰ বৰ্গেৰে সুখে-সন্তোষে বাস কৰক এয়া ভগৱন্ত পুৰুষৰ ওচৰত আমাৰ একান্ত প্ৰাৰ্থনা। ড° জয়নাথ শৰ্মাদেৱৰ বহুমুখী প্ৰতিভাৰাজি নাতিদীৰ্ঘ আলোচনাত সামৰিব সম্ভৱ নহয়। সেয়ে যৎ সমান্যভাৱে তেখেতৰ জীৱন পৰিক্ৰমাৰ চমু অৱলোকন কৰি সামৰণি মাৰিলো।

❑❑❑

# আকৰ্ষণীয় ব্যক্তিত্বৰ গৰাকী ড° জয়নাথ শৰ্মা

- চন্দ্ৰকান্ত নাথ

দিন-বাৰ মনত নাই। ১৯৮২ চনত খুব সম্ভৱ জানুৱাৰী কিম্বা ফেব্ৰুৱাৰী মাহ। সন্ধিয় প্ৰায় সাত মান বজাত কৰৈগুৰী (নাৰিকলী) দলঙৰ ওপৰত এটা বিকট শব্দ হ'ল। মোৰ লগত থকা বন্ধুবৰ্গৰ সৈতে দৌৰি গৈ দলং পাওঁ মানে কিছু তৰ্কা-তৰ্কি আৰম্ভ হৈছে। তাৰ মাজৰে এজন দাড়িয়া মানুহে মোৰ হাতত ধৰি অলপ আঁতৰত লৈ গৈ ক'লে- "তুমি কোন স্কুলত পঢ়া?" ময়ো তপৰাই উত্তৰ দিলো আৰু ক'লো এইবেলি মই মেট্ৰিক পৰীক্ষা দিছো।

'তোমাৰ নাম কি?' বুলি সোধাৰ লগে লগে উত্তৰ দিলো।

'তোমালোকক ছাত্ৰ সন্থাই স্বেচ্ছা সেৱকৰ প্ৰশিক্ষণ দিছে নেকি?' তেওঁ আকৌ সুধিলে।

'দিছে। ময়ে তাৰ অধিনায়ক আৰু ময়ে প্ৰশিক্ষণ দিওঁ।' ক'লো

তেতিয়া এটা ধুনীয়া হাঁহিৰে তেওঁ ক'লে,'তেনেহ'লে তুমি জানি ভাল পাবা যে মই সদৌ অসম ছাত্ৰ সন্থাৰস্বেচ্ছা সেৱক বাহিনীৰ সৰ্বাধিনায়ক।' তেতিয়া মই আচৰিত হ'লো আৰু এটা নমস্কাৰ দিলো আৰু লগৰবোৰকো মোৰ ওচৰলৈ মাতিলো। মোৰ অনুভৱ ভগৱানেহে যেন মোৰ সন্মুখত দেখা দিছে। তেখেতে কথাবোৰ ডাঙৰকৈ নক'বলৈ অনুৰোধ কৰিলে।

আমি পুনৰ দুৰ্ঘটনাস্থলীলৈ আহো আৰু এম্বেচাদৰ গাড়ীখনে খুন্দিওৱা ম'হৰ গাড়ীখন চাইড কৰি পথ পুনৰ মুকলি কৰো আৰু মানুহ কেইজনক ওচৰৰে এঘৰত নি বহিবলৈ দিলো। লেমৰ পোহৰত দেকা পালো সেই মানুহজন জয়নাথ শৰ্মা আৰু আন কেইজন ক্ৰমে যতীন মালী, ভৰত নৰহ, দুৰ্গাদাস

বড়ো আৰু ললিত ৰাজখোৱা।

জয়নাথ শৰ্মাদেৱে মোৰ কান্ধত হাতখন থৈ সতীৰ্থসকলক পৰিচয় কৰাই দিয়ে। তেখেতসকল অসমৰ বিদেশী বহিষ্কাৰ আন্দোলন সফল কৰাৰ বাবে আত্মগোপন কৰি সভা-সমিতি পাতি ফুৰিছে।

আমি তেখেতসকলৰ সকলো সুৰক্ষা ব্যৱস্থা কৰি দিলো। প্ৰায় দুই ঘণ্টামান পাছত এখন বাহনেৰে গন্তব্য স্থান বুলি তেওঁলোক ৰাওনা হ'ল। ইয়াৰ আগতে কিন্তু ড° জয়নাথ শৰ্মাদেৱক নিৰিবিলিভাৱে লগ পোৱাৰ সৌভাগ্য হোৱা নাছিল।

মোৰ ব্যক্তিগত কোনো কামতে তেখেতৰ ওচৰলৈ যোৱা নাছিলো। ৰাজহুৱা বিভিন্ন কামৰ বাবে বিভিন্ন সময়ত তেখেতক লগ কৰিছিলো। অতি মনোযোগেৰে আমাৰ সমস্যাবোৰ শুনে আৰু প্ৰয়োজনত বিভাগীয় মুৰব্বীৰ লগত টেলিফোন যোগে কথা পাতি সমাধানৰ বাবে চেষ্টা কৰে। আনকি আমাৰ সন্মুখতে বিষয়াক ধমকি দি কথা পাতিছিল আৰু প্ৰয়োজন হ'লে মাতি পাঠায়। তেখেতক সাক্ষাত কৰিবলৈ যোৱা দূৰণিবটীয়া লোকসকলক আনকি ভাত-পানী খুৱাই যাতায়তৰো ব্যৱস্থা কৰি দিয়া দেখিছো।

তেখেতৰ অন্য এটা বৈশিষ্ট্য অলাগতীয়াল কথা তেখেতে ভাল নাপায়। কামৰ সময়ত অলাগতীয়াল কথা কোৱা মানুহক কটু কথা কৈ উলিয়াই দিয়ে। সকলোবোৰ বিষয়ৰ ওপৰত তেখেতৰ অগাধ পাণ্ডিত্য আছে যাৰ বাবে বিষয়াসকলে কামত গা এৰা দিব নোৱাৰে।

বহু কেইখন ধৰ্মালোচনী সভাত এই অভাজনৰ অংশ লোৱাৰ সৌভাগ্য হৈছিল। ধৰ্মৰ ক্ষেত্ৰত তেখেতৰ যি অধ্যয়ন তেখেতৰ যি পাণ্ডিত্য তাক নুই কৰিব নোৱাৰি। আলোচক হিচাপে ভাষণ ৰাখিবলৈ তেখেতে যেতিয়া থিয় হয় তেতিয়াই ৰসাল আৰু বিভিন্ন উদাহৰণেৰে ৰাইজক মন্ত্ৰমুগ্ধ কৰি ৰাখে। ৰামায়ণ, মহাভাৰত, গীতা, পুৰাণ, কোৰান, বাইবেল আদি সকলো ধৰ্মগ্ৰন্থৰে তেখেতে অধ্যয়ন কৰে।

সৰুতে হেনো ড° জয়নাথ শৰ্মাদেৱ অলপ দুষ্ট প্ৰকৃতিৰ আছিল।

বহু বছৰ আগতে তেখেতে অধ্যয়ন কৰা মঙলদৈ হায়াৰ ছেকেণ্ডাৰী স্কুল এগৰাকী শিক্ষকে কথা প্ৰসংগত আমাৰ আগত কৈছিল আৰু তেখেত হেনো তীক্ষ্ণ বুদ্ধিসম্পন্ন ছাত্ৰ আছিল। তেখেতে দলক নেতৃত্ব দি ভাল পাইছিল (ছাত্ৰ অৱস্থাত)। যি মূলা বাঢ়ে তাৰ দুপাততে চিন তাৰ উদাহৰণ আমাৰ নেতা ড° শৰ্মাদেৱ। তীক্ষ্ণ বুদ্ধিসম্পন্ন ছাত্ৰসকল পাছলৈ ডাঙৰ মানুহ হয়।

নাৰিকলীবাসী ৰাইজক তেখেতে বৰ সন্মান কৰিছিল আৰু ৰাইজেও তেখেতক সন্মান কৰিছিল।

এবাৰ মই শিৱৰাত্ৰীৰ সময়ত নাৰিকলী মন্দিৰত অতি নিৰিবিলিভাৱে পাইছিলো। ৰাতি আঠমান বজাত মন্দিৰৰ ভিতৰত তেখেত আৰু মই। দুয়োজনে বহি শিৱৰাত্ৰী কি? শিৱক কিয় ৰাতি পূজা কৰিব লাগে, চাৰি গ্ৰহৰ হোম কি আদি আলোচনা কৰি থাকোতে মই অনুভৱ কৰিছো আৰু লাজো লাগিছে যে মই শিৱ গোত্ৰ মানুহ হৈ শিৱৰাত্ৰীৰ বিষয়ে একো নাজানো। তেখেতে ঘড়ীটো চাই মোক ক'লে মহাদেৱৰ ১০৮ টা নাম তই জান? মইতো নাজানো বুলি কোৱাত মোক ক'লে- “ইয়াৰ পৰা এটা এটাকৈ বেলপাত লৈ মই ১০৮ টা নাম কৈ যাম তই ভালদৰে উচ্চাৰণ কৰি শিৱ লিংগত দি যাবি। ময়ো তেখেতৰ কথা মতে একান্ত মনে ১০৮ টা বেলপাত শিৱ লিংগত দিওঁ।

তেখেত এজন বিদগ্ধ পণ্ডিত আৰু আমি ছিপাঝাৰবাসীয়ে ড° জয়নাথ শৰ্মাদেৱক নেতা হিচাপে পাই সদায় গৌৰৱ অনুভৱ কৰি আহিছো।

❑❑❑

# ড° জয়নাথ শৰ্মা ঃ ব্যক্তি আৰু ব্যক্তিত্ব

- নিৰঞ্জন শৰ্মা

**পৰাহ্ন ঃ**

ড° জয়নাথ শৰ্মাদেৱৰ জন্ম হৈছিল প্ৰয়াত পদ্মনাথ শৰ্মা (political sufferer)ৰ ঔৰষত আৰু প্ৰয়াত কিৰণময়ী দেৱীৰ গৰ্ভত, ৰঙামাটি অঞ্চলৰ দাৰিয়াপাৰা গাঁওত। ড° জয়নাথ শৰ্মাদেৱ সৰুৰে পৰাই চাৰিত্ৰিকভাৱে ব্যতিক্ৰমি আছিল। অত্যন্ত সাহসী আৰু মেধাসম্পন্ন আছিল ড° জয়নাথ শৰ্মাদেৱ। প্ৰাথমিক শিক্ষা তাতেই গ্ৰহণ কৰি তেওঁ মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক স্কুলত অধ্যয়ন কৰে। অধ্যয়ন কালত ড° জয়নাথ শৰ্মাদেৱৰ শৌয্য-বীৰ্যৰ বলত ১৯৭১-৭২ চনত ছাত্ৰ সংসদৰ সাধাৰণ সম্পাদক হয়। তেওঁৰ কাৰ্যকালত কেইবাটাও উল্লেখযোগ্য ঘটনা সম্পাদিত হৈছিল। তাৰ পৰৱৰ্তী কালত ১৯৭৪-৭৫ চনত মঙলদৈ কলেজৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হৈছিল। তেওঁৰ অসাধাৰণ গুণাৱলীৰ কাৰণে একেধাৰে ১৯৭৬-৭৭, ১৯৭৭-৭৮ আৰু ১৯৭৮-৭৯ চনত দৰং জিলা ছাত্ৰ পৰিষদৰ সভাপতি হিচাপে নিৰ্বাচিত হৈ বৃহত্তৰ ছাত্ৰ সমাজখনক সু-পৰিচালনা কৰিছিল। ১৯৭৬ চনৰ পৰা ১৯৮৫ চনলৈ তেখেত সদৌ অসম ছাত্ৰ ইউনিয়নৰ Central Executive Committee ৰ Member মনোনীত হৈছিল। পৰৱৰ্তী কালত তেখেত সদৌ অসম চাত্ৰ সন্থাত (আছু) Chief of volunteer Force হিচাপে মনোনীত হৈ দক্ষতাৰে ছাত্ৰ সংগঠনটোক নেতৃত্ব দি আগবঢ়াই নিছিল। ছাত্ৰ হিচাপে তেওঁ প্ৰখৰ মেধা সম্পন্ন, সাহসী, উদ্যমী আছিল। কেতিয়াও কোনো ক্ষেত্ৰতে আপোচ নকৰিছিল।

**মধ্যাহ্ন ঃ**

ইং ১৯৮৩ চনত বিদেশী বিতাড়ন আন্দোলন আৰম্ভ হয়। এই বিদেশী বিতাড়ন আন্দোলন প্ৰথমে মঙলদৈৰ পৰাই আৰম্ভ হয় আৰু ড° জয়নাথ শৰ্মাদেৱৰ নেতৃত্বত আগবাঢ়ে। সেই আন্দোলনত ড° জয়নাথ শৰ্মাদেৱে আন্দোলন পৰিচালনা, ৰণ কৌশল ৰচনা আদি বিচক্ষণতাৰে সম্পাদন কৰি আন্দোলনটোক আগবঢ়াই নিছিল। তেতিয়ালৈকে আমি ড° জয়নাথ শৰ্মাদেৱক কায়িকভাৱে দেখাই নাছিলো। ১৯৮৪ চনমানত আমি তেতিয়া ভাৰতীয় ষ্টেট বেংক, মঙলদৈ শাখাত কৰ্মৰত আছিলো। ডঃ জয়নাথ শৰ্মাদেৱৰ দাদা শ্ৰীখগেন শৰ্মাও মোৰ সহকৰ্মী আছিল। এদিন প্ৰয়াত ভৃগু কুমাৰ ফুকন আৰু ডঃ জয়নাথ শৰ্মাদেৱ হঠাৎ বেংকত উপস্থিত হৈ বাৰাণ্ডাতে কেইমুহূৰ্তমান এটা বক্তৃতা দিছিল আৰু গুচি গৈছিল। তেতিয়া খগেন শৰ্মাই কৈছিল- ইয়েই আমাৰ জয়নাথ। তেতিয়া তেওঁৰ লগত চিনাকি হোৱা, কথা পতা নহ'ল। তেওঁলোকৰ সময়ৰ অভাৱ আৰু অনিবাৰ্য্য পৰিস্থিতিৰ কাৰণে তাৰাতাৰি যাব লগীয়া হোৱাৰ বাবে। সেই দিনাই তেওঁৰ ভাৱদৰ্শনৰ উমান পাইছিলো। অসম আন্দোলন হ'ল, সাম কাটিলে। কিন্তু ডঃ জয়নাথ শৰ্মাদেৱৰ কৰ্মৰাজি অসম আন্দোলনৰ বুৰঞ্জীত লিপিবদ্ধ হৈ ৰ'ল। অসমৰ বিদেশী বিতাড়ন আন্দোলনৰ চুক্তি, ভাৰত তথা অসম চৰকাৰৰ লগত স্বাক্ষৰিত হ'ল, আন্দোলন সমাপ্ত হ'ল।

১৯৮৫ চনত বিধান সভা নিৰ্বাচন আহিল আৰু ড° জয়নাথ শৰ্মাদেৱে ছিপাঝাৰ সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰাৰ্থীত্ব আগবঢ়াই তেওঁৰ প্ৰতিদ্বন্দ্বীক ৪২,০০০ (বিয়াল্লিশ) হাজাৰৰো অধিক ভোটৰ ব্যৱধানত পৰাস্ত কৰি বিধায়ক নিৰ্বাচিত হয়। পৰৱৰ্তী কালত ১৯৯১ চনত আকৌ প্ৰতিদ্বন্দ্বিতা কৰি ৩০,০০০ (ত্ৰিশ) হাজাৰৰো অধিক ভোটত জয়যুক্ত হয়। তাৰে পিছৰবাৰ ১৯৯৬ চনতো ৪৬,০০০ (ছয়ছল্লিশ) হাজাৰ ভোটত জয়যুক্ত হয়। ২০০১ চনতো ৪৯,০০০ (উনপঞ্চাশ) হাজাৰ ভোটত জয়লাভ কৰি আকৌ বিধায়ক নিৰ্বাচিত হয়। তাৰ পিছত ২০০৬ চনত কিন্তু তেওঁ ৪৮,০০০ (আঠছল্লিশ) হাজাৰ ভোট লাভ কৰিও পৰাজয় বৰণ কৰিবলগীয়া হয়। ২০১১ চনত তেওঁ

নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰাৰ্থীত্ব আগবঢ়াই হাৰ মানিব লগীয়া হয়। ২০১৬ চনত তেওঁ দল সলনি কৰি এন. চি. পি. দলত যোগদান কৰে আৰু এন. চি. পি.ৰ প্ৰাৰ্থী হিচাপে প্ৰাৰ্থীত্ব আগবঢ়াই হাৰে। সেই চনতই তেওঁ Social political activist হিচাপে হয়। তেখেতৰ সদৌটি ৰাজনৈতিক পৰিক্ৰমাত ৰাজহ বিভাগৰ মন্ত্ৰী হিচাপে বিভাগৰ বহুতো সংস্কাৰ সাধন কৰিছিল। তেখেতে বিখ্যাত পণ্ডিত ড° হিতেন্দ্ৰ নাথ বৰুৱা আৰু ড° পাৰুকুটি বৰুৱাৰ জীয়ৰী প্ৰয়াত ড° অনিতা শৰ্মা বৰুৱাৰ পানিগ্ৰহণ কৰে। তেওঁলোকৰ সুযোগ্য সন্তান ডাঃ ৰণঞ্জয় শৰ্মা আৰু জীয়ৰী প্ৰিয়ংকা শৰ্মা। দুৰ্ভাগ্যবশতঃ পত্নী অনিতা শৰ্মা বৰুৱাই অতি কম বয়সতে ইহ সংসাৰ ত্যাগ কৰাত তেখেতে মানসিকভাৱে ভাগি নপৰি পৰিয়ালটোক (ল'ৰা-ছোৱালী দুটিক) অশেষ কষ্টেৰে ডাঙৰ-দীঘল কৰি প্ৰতিষ্ঠিত কৰে। ড° জয়নাথ শৰ্মাদেৱৰ আটাইতকৈ শলাগিব লগীয়া গুণ হ'ল তেওঁৰ উপস্থিত বুদ্ধি, সাহস আৰু বাকপটুতা। উদাহৰণ স্বৰূপে ১৯৭৫ চনত মঙলদৈত হোৱা অসম সাহিত্য সভাত খোৱা-লোৱাত হোৱা খেলি-মেলিৰ কাৰণে এটা সাংঘাটিক হুলস্থূলৰ সৃষ্টি হৈছিল। কাৰো বুজনিয়ে একো কাম দিয়া নাছিল। হঠাৎ ড° জয়নাথ শৰ্মাদেৱে গম পাই দৌৰি আহি ৰাইজৰ মাজত থিয় হৈ উপস্থিত বুদ্ধিৰে আৰু বাকপটুতাৰে গোটেই পৰিৱেশটো এনেদৰে চম্ভালিলে যে দেখি আচৰিত। কেতিয়াও আপোচ নকৰা এইজনেই হ'ল ড° জয়নাথ শৰ্মাদেৱ।

**অপৰাহ্ন ঃ**

ব্যক্তিগত হ'লেও তেখেতে গুৱাহাটী আৰু মঙলদৈত NERIM-Group of Institution আৰু Mangaldai Maharshi Bidyalaya প্ৰতিস্থা কৰি আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-চাত্ৰীক শিক্ষা গ্ৰহণ কৰিবলৈ সুবিধা কৰি দিছে। বৰ্তমান তেখেতে নানান সামাজিক কাম-কাজৰ সৈতে জড়িত হৈ আছে। সদৌ শেষত তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলো।

❑❑❑

# শিক্ষাৰ আলোকেৰে
# মানৱ সম্পদ গঢ়া মানুহজন

- অনিল  প্ৰিয়ৰঞ্জন শৰ্মা

অসমৰ শিক্ষা জগতখনক যিসকল গুণী-জ্ঞানী লোকে জ্ঞানৰ বন্তিৰে পোহৰ দি আহিছে সেইসকল লোকৰ ভিতৰত ড° জয়নাথ শৰ্মাদেৱৰ নাম ল'ব পাৰি। এসময়ৰ ছাত্ৰ নেতা আৰু ৰাজনৈতিক নেতা হিচাপে অসমৰ জনমানসত ড° জয়নাথ শৰ্মাদেৱ ডাঙৰীয়া পৰিচিত ব্যক্তি। অসমীয়া জাতিৰ স্বাৰ্থৰ হকে, সুৰক্ষাৰ হকে সততে যুঁজ দি অহা ড° জয়নাথ শৰ্মাদেৱ ডাঙৰীয়াই ছাত্ৰাৱস্থাতে অশেষ নিৰ্যাতন ভোগ কৰিবলগীয়া হৈছিল। পিছলৈ ৰাজনৈতিক নেতা হিচাপে বিধান সভাৰ বাহিৰে-ভিতৰে সৰৱ ভূমিকা পালন কৰি অসমীয়া ৰাইজৰ অভাৱ-অভিযোগবোৰ সততে আঙুলিয়াই দি অহাৰ লগতে সমাধানৰ বাবেও তেওঁ চেষ্টা কৰি আহিছে। এগৰাকী বলিষ্ঠ ছাত্ৰ নেতা আৰু ৰাজনৈতিক নেতা হিচাপে অসমৰ জনমানসত সততে পৰিচিত হৈ অহা এইগৰাকী অসমপ্ৰেমী লোকে মানৱ সম্পদ গঢ়া শিক্ষাৰ দৰে পৱিত্ৰ কৰ্মৰ সতে নিজকে আমোৎসৰ্গীও কৰি দেশৰ ভৱিষ্যত স্বৰূপ ডেকা-গাভৰুসকলক সুনাগৰিক হোৱাৰ পথ প্ৰশস্ত কৰি পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰি অহা দেখা গৈছে। দেশৰ ভৱিষ্যত প্ৰজন্মক মানৱ সম্পদ ৰূপে গঢ়ি তুলিব বিচৰা কাৰ্যই তেওঁক অন্য ছাত্ৰ নেতা আৰু ৰাজনৈতিক নেতাৰ সতে তুলনা কৰিব নোৱাৰি। ডঃ জয়নাথ শৰ্মাদেৱ ডাঙৰীয়াৰ দৃষিটভংগী যে পৃথক তেওঁৰ কাৰ্য প্ৰণালীৰ পৰাই পৰিস্ফুট হৈ পৰা দেখা যায়।

ক'বলৈ গ'লে বিগত শতিকাৰ প্ৰায় আশীৰ দশকমানলৈ অসমৰ

বাণিজ্য শিক্ষা জগতখনত কেৱল মাথো মাৰোৱাৰী সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰহে অধিকভাৱে অংশগ্ৰহণ দেখিবলৈ পোৱা গৈছিল। অৰ্থাৎ বাণিজ্য শিক্ষা বুলিলে কেৱল মাথো মাৰোৱাৰী আৰু অসমত বসবাস কৰা ভাৰতৰ অন্য প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীয়েহে পঢ়া বিষয় বুলি আমাৰ অসমীয়া ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মনত দৃঢ়ভাবে শিপাই আছিল বুলি ক'লেও হয়তো ভুল কোৱা নহ'ব। বিশেষকৈ আমাৰ অসমীয়া ছাত্ৰ-ছাত্ৰীসকলে ডাক্টৰ, ইঞ্জিনিয়াৰ হোৱাৰ সপোনত উটি-বুৰি আছিল। ফলত বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে সময়ত সপোন পুৰাব নোৱাৰি মানসিকভাৱে ভাগি পৰিছিল। পিছে ডাক্টৰ, ইঞ্জিনিয়াৰত বাদেও যে ছাত্ৰ-ছাত্ৰীসকলে বাণিজ্য শিক্ষাৰ জৰিয়তে সপোন পূৰাব পাৰি এই বিষয়ে পলমকৈ হ'লেও উপলব্ধি কৰিব পাৰিছিল। বাণিজ্য শিক্ষাৰে শিক্ষিত হৈ দেশৰ অন্য প্ৰান্তৰ ছাত্ৰ-ছাত্ৰীসকলে দেশৰ অৰ্থনীতি গঢ় দিয়া কাৰ্যত জড়িত হৈ অহা কথা আমি জানি আহিছো। এগৰাকী উদ্যোগপতি অথবা ব্যৱসায়িক প্ৰতিষ্ঠানৰ মালিকে নিজে সংস্থাপিত হোৱাৰ লগতে অন্য দহজনকো সংস্থাপিত কৰাৰ সুযোগ পায়। ইয়ে দেশৰ নিবনুৱা সমস্যা সমাধানত অৰিহনা যোগোৱাৰ উপৰিও দেশৰ অৰ্থনীতিৰ ভেটি সবল কৰা কাৰ্যত অৰিহণা যোগায়। কিন্তু এজন ডাক্তৰ অথবা ইঞ্জিনিয়াৰে নিজে সংস্থাপিত হৈ নিজৰ পৰিয়ালটোক পোহপাল দিয়াত বাদে দেশৰ অৰ্থনীতি আৰু নিবনুৱা সমস্যা দূৰীকৰণত ভূমিকা পালন কৰিব পৰা তেওঁলোকৰ পৰিৱেশ নাথাকে। সেয়েহে ক'ব পাৰি এজন ডাক্তৰ অথবা ইঞ্জিনিয়াৰতকৈ এজন উদ্যোগপতি অথবা ব্যৱসায়িক প্ৰতিষ্ঠানৰ মালিকৰ দেশ গঢ়া কামত অধিক সুবিধা বুলি ক'ব পৰা যায়।

সুখৰ বিষয় যে যোৱা কেই দশকমানৰ পৰা অসমীয়া ছাত্ৰ-ছাত্ৰীসকলেও বাণিজ্য শিক্ষাৰে শিক্ষিত হৈ একো একোজন উদ্যোগপতি অথবা ব্যৱসায় প্ৰতিষ্ঠানৰ মালিক হৈ নিজে সংস্থাপিত হোৱাৰ উপৰিও অন্য দহজনক কৰ্ম সংস্থাপনৰ বাট মুকলি কৰি দি দেশৰ নিবনুৱা সমস্যা দূৰীকৰণ আৰু দেশৰ অৰ্থনীতিৰ ভেটি সুদৃঢ় কৰাত অৱদান আগবঢ়াই আহিছে। এয়া এক শুভ লক্ষণ। অসমত বাণিজ্য শিক্ষাৰ পৰিৱেশ সৃষ্টি কৰাত ড° জয়নাথ শৰ্মাদেৱ ডাঙৰীয়াৰ

এক বিশেষ ভূমিকা আছে। এই কথা আমি স্বীকাৰ কৰিব লাগিব।

ড° জয়নাথ শৰ্মাদেৱ ডাঙৰীয়া নিজে এগৰাকী বাণিজ্য বিষয়ৰ উচ্চ ডিগ্ৰীধাৰী শিক্ষিত লোক। বাণিজ্য বিষয়ৰ শিক্ষাৰে শিক্ষিত বাবেই তেওঁ বাণিজ্য বিষয়ৰ গুৰুত্ব ভালদৰেই বুজি পায়। সেয়েহে তেওঁ উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক গুণগত বাণিজ্য শিক্ষাৰে শিক্ষিত কৰি দেশ গঢ়া সপোন বাস্তৱত ৰূপ দিয়াৰ অৰ্থে গুৱাহাটী মহানগৰীৰ মাজমজিয়াত 'নেৰিম' নামে ব্যৱসায় পৰিচালনাৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান আৰম্ভ কৰে। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত ব্যক্তিগত খণ্ডত গঢ়ি উঠা এইখন প্ৰথম ব্যৱসায় পৰিচালনাৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান। এই শিক্ষা প্ৰতিষ্ঠানখনৰ পৰা প্ৰতি বছৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে চৰকাৰী আৰু বেচৰকাৰী খণ্ডত উচ্চ পদত মকৰল হৈ কাৰ্যনিৰ্বাহ কৰাৰ সুযোগ লাভ কৰি আহিছে। ইয়াৰ উপৰিও এই শিক্ষা প্ৰতিষ্ঠানৰ পৰা উত্তীৰ্ণ হোৱা বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজে উদ্যোগ স্থাপন কৰি অথবা ব্যৱসায় প্ৰতিষ্ঠান খুলি নিজে সংস্থাপিত হোৱাৰ উপৰিও অন্য দহজনক কৰ্ম সংস্থানৰ বাট মুকলি কৰি দি দেশৰ নিবনুৱা সমস্যা দূৰীকৰণত অৰিহণা যোগোৱাৰ উপৰিও দেশৰ অৰ্থনীতি সুদৃঢ় কৰাত অৱদান আগবঢ়াই আহিছে।

নেৰিমত বাদেও ডঃ শৰ্মা ডাঙৰীয়াই গুৱাহাটী মহানগৰীত এখন আইনৰ কলেজ আৰু এখন বি. এড. কলেজ প্ৰতিষ্ঠাৰে উত্তৰ পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক গুণগত উচ্চ শিক্ষা লাভ কৰাত সুবিধা প্ৰদান কৰি দি এই অঞ্চলত মানৱ সম্পদ গঢ়া কামত আত্মনিয়োগ কৰি আহিছে। অকল গুৱাহাটী মহানগৰীতে যে তেওঁ শিক্ষা প্ৰতিষ্ঠান গঢ়ি তুলিছে এনে নহয় তেওঁ নিজৰ পিতৃপুৰুষৰ বাসভূমি দৰং জিলাৰ ছিপাঝাৰত এখন বি. এড. কলেজ স্থাপন কৰি এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চ শিক্ষা লাভ কৰাত সুবিধা প্ৰদান কৰিছে। ইয়াৰ উপৰিও মঙলদৈ চহৰৰ ভেবাৰঘাটৰ দক্ষিণ অঞ্চল গেৰিমাৰী চাপৰিত মহৰ্ষি বিদ্যা মন্দিৰ আৰু নেৰিম চেলেঞ্জ একাডেমী স্থাপন কৰি এই অঞ্চলত শিক্ষাৰ প্ৰসাৰ ঘটাত অৰিহণা যোগাইছে। ১৯৮৫ চনৰ আগলৈ গেৰিমাৰী অঞ্চল বাৰিষাকাল ছোৱাত পানীৰে বুৰি থকা অঞ্চল আছিল আৰু খৰালিকালত কাহিবনেৰে আবৰি থকা অঞ্চল আছিল। ভৱিষ্যদৰ্শী ডঃ শৰ্মা

ডাঙৰীয়াৰ উদ্যোগত গেৰিমাৰী চাপৰি অঞ্চলত প্ৰফুল্ল নগৰ আৰু জয় নগৰ নামেৰে দুখন নগৰ প্ৰতিষ্ঠা কৰি মানুহৰ বসতিৰ উপযোগী কৰি অঞ্চলটিৰ নতুন ৰূপ দিয়ে। এই অঞ্চলত মহৰ্ষি বিদ্যা মন্দিৰ আৰু নেৰিম চেলেঞ্জ একাডেমী গঢ়ি তোলাৰ বাবে এই অঞ্চলটিৰ আৰ্থ-সামাজিক অৱস্থাৰ দ্ৰুত উন্নয়ন ঘটে। উল্লেখ কৰা ভাল হ'ব যে যদিহে এই অঞ্চলত মহৰ্ষি বিদ্যা মন্দিৰ আৰু নেৰিম চেলেঞ্জ একাডেমী স্থাপন নহ'ল হয় তেতিয়া হ'লে এই অঞ্চলৰ ভূমি সন্দেহযুক্ত বিদেশীয়ে বেদখল কৰি লোৱাৰ সম্ভাৱনাই প্ৰবল আছিল বুলি ক'ব পৰা যায়।

মুঠতে ক'ব গ'লে এগৰাকী ছাত্ৰ নেতাৰ পৰা ৰাজনৈতিক নেতালৈ উত্তৰণ ঘটা জনতাৰ নেতা অসমপ্ৰেমী ডঃ জয়নাথ শৰ্মাদেৱক কৰ্মযোগী হিচাপে আমি সদায়ে মনত ৰাখিব লাগিব তেওঁৰ কৃত কৰ্মৰ বাবে। সমাজত মানৱ সম্পদ গঢ়া কৰ্মৰ দৰে পৱিত্ৰ কৰ্মকৰাটোৱেই যেন তেওঁৰ জীৱনৰ সাধনা। ডঃ শৰ্মা ডাঙৰীয়াৰ এই জীৱন সাধনা আৰু অধিক ব্যাপক হওক এয়াই আমাৰ কামনা। সমাজখনলৈ নিৰলসভাৱে আগবঢ়াই অহা অৱদানৰ বাবে তেওঁ প্ৰশংসাৰ পাত্ৰই নহয় উঠি অহা নতুন প্ৰজন্মৰ বাবে তেওঁ প্ৰেৰণা পুৰুষ আৰু অনুকৰণীয় ব্যক্তি হৈ থাকিব।

❑❑❑

# সমাজ সেৱাত উৎসৰ্গিত প্ৰাণ

- কান্তিৰাম শইকীয়া

তেতিয়া কংগ্ৰেছক পৰাস্ত কৰি ৰাষ্ট্ৰীয় জনতা দলৰ চৰকাৰ। ১৯৭৭ চন। ভাৰতৰ প্ৰধান মন্ত্ৰী হৈছিল মাননীয় প্ৰয়াত মোৰাজী দেশাই। এই চৰকাৰৰ দিনত মঙলদৈ লোক সভা সমষ্টিৰ সাংসদ আছিল প্ৰয়াত মাননীয় হীৰালাল পাটোৱাৰীদেৱ। তেখেতৰ আকস্মিক মৃত্যুত এই আসনখন পূৰাবৰ বাবে উপ নিৰ্বাচন পাতিবলৈ ১৯৮০ চনত অধিসূচনা জাৰি কৰি নিৰ্বাচন পাতিবলৈ কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লৈছিল। কিন্তু কংগ্ৰেছে নিজ স্বাৰ্থ সিদ্ধিৰ বাবে অসমত বাংলাদেশী আনি ভোটাৰ তালিকাত নাম ভৰাই নিজৰ সমৰ্থক বঢ়োৱাৰ কৌশল কৰিছিল। তেতিয়া মঙলদৈৰ মাজ মজিয়াৰ পৰা দৰং জিলা ছাত্ৰ সন্থাই হুংকাৰ দিছিল যে এই বিদেশীৰে ভৰা অশুদ্ধ ভোটাৰ তালিকাৰে নিৰ্বাচন কেতিয়াও হ'ব নোৱাৰে। আগতে ভোটাৰ তালিকা শুদ্ধ সংশোধন কৰিব লাগিব। তাৰ পিছত নিৰ্বাচন পাতিব পাৰিব।

এই হুংকাৰ মঙলদৈৰ মাজ মজিয়াৰ পৰা পানীত কেৰাচিন তেল বিয়লি যোৱাৰ দৰে চাৰিওফালে বিয়পি পৰিছিল। অসমীয়া জাতি একত্ৰিত হৈ পৰিছিল। ছাত্ৰ সন্থাৰ সভাপতি প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তদেৱ, সম্পাদক প্ৰাক্তন মন্ত্ৰী প্ৰয়াত ভৃগু কুমাৰ ফুকনদেৱ আছিল। দৰং জিলা ছাত্ৰ সন্থাৰ এই প্ৰস্তাৱ সদৌ অসম ছাত্ৰ সন্থাই গ্ৰহণ কৰি অসমত চাৰিওফালে অসহযোগ আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিছিল। ১৯৮৩ চনৰ অগ্নি গোটেই অসমত দাউ দাউকৈ জ্বলি উঠিল। অসমৰ মানুহ ঘৰ-দুৱাৰ এৰি আন্দোলনত ৰাজআলিত উপস্থিত হৈছিল।

কিন্তু স্বেচ্চাচাৰী কংগ্ৰেছ দল সোতৰ বপৰীতে গৈ বিদেশীক ৰক্ষণা বেক্ষণ দিয়াত নামি পৰিছিল আৰু নিৰ্ভয় দিছল যে তোমালোক বিদেশী নহয়, সম্পূৰ্ণ ভাৰতীয় নাগৰিক । আমি কংগ্ৰেছ জীয়াই থকা পৰ্যন্ত তোমালোকৰ ভয় নাই। মাত্ৰ মনত ৰাখিবা কংগ্ৰেছক ভোট দিবলৈ নাপাহৰিবা।

গোটেই অসমত স্বেচ্ছা সেৱক অপাৰেচনৰ গোট গঠন হৈছিল। চৰ-চাপৰি অঞ্চলত বিদেশীয়ে যুদ্ধং দেহী মনোভাৱেৰে আগবাঢ়ি আহিল। বিদেশী আৰু স্বদেশী ল'ৰাবোৰৰ মাজত তয়াময়া যুদ্ধ হৈছিল। এই যুদ্ধত আমাৰ অসমীয়া ৮৮৫ জনৰ অকাল মৃত্যু হৈছিল। ১৯৮৩ চনৰ এইবোৰ কথা মনত পৰিলে আজিও গাৰ নোম শিঁয়ৰি উঠে। এই ১৯৮৩ চনৰ আন্দোলনৰ সময়ত দেওমৰনৈত এটি বিৰাট শক্তিশালী অপাৰেচন বাহিনী গঠন হৈছিল। সম্পূৰ্ণ নেতৃত্ব লোৱা প্ৰয়াত ক্ষীৰোদানন্দ গোস্বামী, চন্দ্ৰ ডেকা, বিপিন ডেকা, শ্ৰীক্ষিতিন্দ্ৰ শৰ্মা, শ্ৰীঅমিতাভ বৰদলৈ, শ্ৰীদেবেন ডেকা আদি মহান ব্যক্তিসকলৰ বীৰত্ব অতুলনীয় হৈ থাকিব। তেতিয়া সকলোৱে দেওমৰনৈ বাহিনীক বিচাৰিছিল। সকলো ক্ষেত্ৰতে দেওমৰনৈ বিখ্যাত হৈ পৰিছিল। প্ৰয়াত ক্ষীৰোদানন্দ গোস্বামীয়ে বীৰ লাচিতৰ দৰে যুঁজৰ আগত কাম কৰিছিল। দেওমৰনৈ পাৰ্টী আহিছে বুলি জানিলে বিদেশী পলাই পটং দিছিল।

কিছুদিন পিছত অসম বিধান সভাৰ নিৰ্বাচন হ'ব। সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত সভাপতি মাননীয় শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, সম্পাদক প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ নেতৃত্বত গণ পৰিষদ নামেৰে এটি নতুন ৰাজনৈতক দলৰ জন্ম হৈছিল। আমাৰ দেওমৰনৈত বিৰাট ৰাজহুৱা সভা এখন পাতি প্ৰয়াত জয়নাথ ডেকাক সভাপতি আৰু প্ৰয়াত হৰেণ শৰ্মাক সম্পাদক নিৰ্বাচন কৰি এখন বলিষ্ঠ দেওমৰনৈ আঞ্চলিক গণ পৰিষদ সমিতি গঠন কৰা হৈছিল। প্ৰত্যেক গাঁৱৰ গাওঁবুঢ়াসকল আৰু মুখ্য মানুহবিলাক সমিতিত অন্তৰ্ভুক্ত কৰা হৈছিল। এই সমিতিৰ মানুহ দেখি দেওমৰনৈ কংগ্ৰেছ দল পেপুৱা লাগিছিল। ক্ৰমান্বয়ে ভাঙোনমুখী হৈছিল। দেওমৰনৈ অগপ নতুন সমিতিখনে গাঁৱে গাঁৱে মিটিং পাতি ৰাইজ একত্ৰিত হৈছিল। এই নতুন দল গণ পৰিষদে দিছপুৰ

দখল কৰিব লাগিব। ৰাইজ সঁচাই একত্ৰিত হৈছিল। মল সমিতিত কেন্দ্ৰীয় সদস্য হিচাপে প্ৰাক্তন মন্ত্ৰী ড° জয়নাথ শৰ্মাদেৱে দিনে-ৰাতিয়ে কাম কৰি আছিল।

ইফালে ১৯৮৫ চনৰ বিধান সভাৰ নিৰ্বাচনৰ অধিসূচনা কেন্দ্ৰীয় চৰকাৰে জাৰি কৰিছিল। অসম ৰাজ্যিক গণ পৰিষদৰ কেন্দ্ৰীয় সমিতিয়ে প্ৰত্যেক সমষ্টিত সদস্য নিৰ্বাচনৰ বাবে ঠিকেই বিতৰণ কৰিব, তিনিদিনীয়া কাৰ্যসূচীৰে গোলাঘাট চহৰৰ চৰকাৰী আৱৰ্ত ভৱনত বহিবলৈ সিদ্ধান্ত হৈছিল। অসম গণ পৰিষদৰ সমষ্টিৰ টিকট বিতৰণ আৰম্ভ হ'ল।

অগপৰ টিকট ছিপাঝাৰ সমষ্টিত ড° জয়নাথ শৰ্মাদেৱে পালে।

দেওমৰনৈ অসম গণ পৰিষদ সমিতিৰ উদ্যোগত বিৰাট ৰাজহুৱা সভা এখন দেওমৰনৈত আহ্বান কৰা হৈছিল। দেওমৰনৈ ত মানুহ লোকে-লোকাৰণ্য হৈ পৰিছিল। সেই দিনা ড° শৰ্মাদেৱৰ সুমধুৰ ভাষণত ৰাইজ মন্ত্ৰমুগ্ধ হৈছিল।

সঁচাকৈয়ে দিছপুৰ গণ পৰিষদৰ দখলত আহিছিল। মাননীয় শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত অসমৰ মুখ্যমন্ত্ৰী হৈছিল। ডঃ জয়নাথ শৰ্মাদেৱক প্ৰথমতে পাৰ্টীৰ নায়ক মুখ্য সচেতকৰ দায়িত্ব দিছিল। তাৰ পিছত কেবিনেট মন্ত্ৰী ৰাজহ বিভাগ অৰ্পন কৰিছিল। সমষ্টিৰ ভিতৰত দেওমৰনৈ ৰাইজে অসম গণ পৰিষদক বিপুল ভোট প্ৰদান কৰিছিল। সেয়েহে ড° শৰ্মাদেৱক সম্বৰ্ধনা জনাবলৈ প্ৰথমখন ৰাজহুৱা মিটিং দেওমৰনৈ ত অনুষ্ঠিত কৰা হৈছিল। তেওঁ দেওমৰনৈক কথা দিছিল যে আপোনালোকে মোক যি মৰম দেখুৱালে মই সুখী হৈছো। আপোনসৱৰ অভাৱ-অভিযোগ পূৰণ কৰিবলৈ মই যৎপৰোনাস্তি চেষ্টা কৰিম। ৰাইজে অভাৱবোৰ মিটিং যোগে দাঙি কৈছিল- ইয়াত এখন পূৰ্ণ পৰ্যায়ৰ চিকিৎসালয়ৰ অতি প্ৰয়োজন। শিক্ষা, বিশুদ্ধ খোৱা পানী, ৰাস্তা-ঘাট, নিবনুৱা সমস্যা ইত্যাদি এশ-এবুৰি অভিযোগ দাঙি ধৰা হৈছিল। বিধায়ক ড° শৰ্মাদেৱে সকলো গুৰুত্ব সহকাৰে উপলব্ধি কৰিছিল। ৰাইজে মোৰ লগত থাকক, মই ইয়াত এখন ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয় প্ৰতিষ্ঠা কৰিম। প্ৰথমতে

চিকিৎসালয় এখন ইয়াত অতি প্ৰয়োজন মই উপলব্ধি কৰিছো।

লগতে সম্পাদকক ৰাইজৰ চহী সংগ্ৰহ কৰি দৰ্খাস্ত এখন দিবলৈ পৰামৰ্শ দিছিল।

কিছুদিনৰ পিছত ড° শৰ্মাদেৱে স্বাস্থ্য বিভাগৰ হেড অফিচত গৈ অফিচাৰক ক'লে যে মই দেওমৰনৈত এখন চিকিৎসালয় দিম বুলি ৰাজহুৱা মিটিঙত ঘোষণা দি আহিছো। গতিকে তাত এখন চিকিৎসালয় দিব লাগিব। অফিচাৰে ক'লে যে এখন চিকিৎসালয় দিব লাগিলে তাত পুৰণা উপকেন্দ্ৰ চলি থাকিব লাগিব আমাৰ অফিচত ৰেকৰ্ড থাকিব লাগিব। যদি আছে দিব পৰা যাব। অফিচাৰে ডঃ শৰ্মাদেৱৰ সাক্ষাতত গোটেই অফিচ পিয়নযোগে বিচাৰি চাইছিল। কিন্তু কোনো পুৰণা ৰেকৰ্ড মতে দেওমৰনৈত উপকেন্দ্ৰ চলি থকা পোৱা নাছিল। তেতিয়া অফিচাৰে ড° শৰ্মাদেৱক ক'লে- আপুনি মোক বেয়া নাপাব। এই ক্ষেত্ৰত মই আপোনাক সহায় কৰিব নোৱাৰিম।

ড° জয়নাথ শৰ্মাদেৱ বিমুখ হৈ ঘূৰি আহিল। ৰাতিটো তেওঁৰ টোপনি নাহিল। কি উপায় কৰা যাব? চতুৰ বুদ্ধি পৰায়ণ ড° শৰ্মাদেৱে বুদ্ধি বিচাৰি পালে। তেওঁ নিজান ঠাইত হেড অফিচৰ পিয়নজনক মাতি নি ক'লে যে তুমি মোক এই বিপদৰ  পৰা উদ্ধাৰ কৰিব লাগিব, নহ'লে আন কোনোৱে নোৱাৰে। পিয়নজনে কৈছিল- এই ক্ষেত্ৰত আপোনাক মোৰ সাধ্যানুযায়ী সহায় কৰিম ছাৰ। কি কৰিব লাগিব মোক আপুনি কওক। তেতিয়া তেওঁ বুজাই দিলে- দেওমৰনৈত যে পুৰণি উপস্বাস্থ্য কেন্দ্ৰ এটি আছিল বুলি মই এটি ক্ল'জ (দেমেজ) ফাইল যুগুত কৰিম সেই ফাইলটো তই পুৰণা ফাইলৰ মাজত থ'ব লাগিব। মই কালি গৈ অফিচাৰক কম যে দেওমৰনৈ ৰাইজে কৈছে যে তাত বহুদিন উপকেন্দ্ৰ এখন চলি আছিল। আপুনি পুনৰ পিয়ন যোগে আকৌ ফাইল বিচাৰক, নিশ্চয় ওলাব। তেতিয়া তই এই  ফাইলটো অফিচাৰৰ টেবুলত দিবি। কথা মতে কাম হ'ল। দেওমৰনৈত এখন ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয় এইদৰে প্ৰতিষ্ঠা হ'ল। কিন্তু ড° শৰ্মাদেৱৰ চতুৰ বুদ্ধি বিচক্ষণতাৰ বাবে নোহোৱা কাম এটি সম্ভৱ হৈছিল।

আজি দেওমৰনৈৰ মাজ মজিয়াত থিয় হৈ যিকোনো দিশত চাই দেখিব কিছু উন্নয়ন হৈছে। এয়া সম্ভৱ হ'ল একমাত্ৰ ড° জয়নাথ শৰ্মাদেৱৰ সদ্ ইচ্ছাত। দেওমৰনৈ মহাবিদ্যালয়, পশু চিকিৎসালয়, প্ৰাথমিক বিদ্যালয়, ছোৱালী উচ্চতৰ বিদ্যালয়, বি. এড. কলেজ, বিশুদ্ধ খোৱা পানী আঁচনি ইত্যাদি দেওমৰনৈ অঞ্চলৰ গাঁওবোৰত কিছু উল্লেখখনীয় কাম আছে। প্ৰত্যেক গাঁৱতে নিবনুৱাক চাকৰি দিয়া হৈছিল।

দেওমৰনৈৰ আঞ্চলিক অসম গণ পৰিষদ দল মৰি শেষ হোৱা নাই। অসম গণ পৰিষদ আৰু বিজেপি দল একত্ব হৈ দুগুণ উৎসাহেৰে দিনে-ৰাতিয়ে কাম কৰি আছে। দেওমৰনৈত আজি এটি ডাঙৰ অনুষ্ঠান বহুৱাবলৈ চৰকাৰী মাটি নাই। কংগ্ৰেছৰ দিনত কিছু মাটি ব্যক্তিগত খণ্ডত গ'ল আৰু ৰাইজৰ কোনো উপকাৰ নোহোৱা চেৰিকালশ্বাৰ ফাৰ্ম বহুৱাই ভৱিষ্যতৰ সুবিধাৰ পৰা প্ৰজন্মক অসুবিধা কৰি থৈ গ'ল।

সম্প্ৰতি হিৰাপাৰা খণ্ডত চাৰিশ বিঘা মাটি চৰকাৰীভাৱে পৰি আছে। ভৱিষ্যতৰ দিনত তাত এটি অনুষ্ঠান গঢ়ি উঠিলে ৰাইজ উপকৃত হ'ব।

শেষত ড°জয়নাথ শৰ্মাৰ উত্তৰোত্তৰ মংগল কামনা কৰিলোঁ।

# আত্মা দৰ্শন

- ৰজনী কান্ত বৰুৱা

ইংৰাজসকলৰ আগমনৰ কেইবাশ বছৰ আগৰ পৰা অসম মলুকত দৰং শব্দটিৰ প্ৰচলন হৈ আহিছে। ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে মণিপুৰ আৰু ম্যানমাৰ সীমাত অৱস্থিত ইয়াণ্ডাবু নামৰ ঠাইখনত ইষ্ট ইণ্ডিয়া কোম্পানী আৰু ম্যানমাৰৰ মানসকলৰ মাজত ঐতিহাসিক ইয়াণ্ডাবু সন্ধি হৈছিল। সন্ধিৰ চৰ্ত অনুযায়ী মানসকলে বৰ অসম ত্যাগ কৰিছিল। পিছলৈ চলে-বলে কৌশলে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে আহোম তথা অসম মলুকত থকা ৰাজ্যসমূহৰ ৰজাৰ অধিকাৰ কৰ্তন কৰি বৃটিছ ৰাজত্বৰ সূচনা কৰে। প্ৰথমে দহখন কমিচনাৰী জিলা গঠন কৰা হৈছিল। দহখন কমিচনাৰী জিলাৰ ভিতৰত দৰং অন্যতম জিলা আছিল। অবিভক্ত দৰং জিলা বৰ্তমান বহুকেইখন জিলাত বিভক্ত হ'ল। বিগত শতিকাৰ ১৯৮৩ চনত শোণিতপুৰ আৰু দৰং নামেৰে দুখন জিলাত বিভক্ত হোৱাৰ পিছত ২০০৩ চনত বি.টি.এ.ডি. গঠনৰ সময়ত ওদালগুৰি জিলাই বৰ্তমান দৰং জিলাৰ উত্তৰ অংশ সামৰি ল'লে। সেইদৰে নতুন বিশ্বনাথ জিলাই শোণিতপুৰ জিলাৰ কিছু অংশ নিজৰ ভিতৰুৱা কৰিলে।

ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰে মহানদখনৰ গাতে লাগি থকা সুন্দৰ ভৌগলিক পৰিৱেশৰ দ্বাৰা গঠিত ইয়াৰ মৃত্তিকা, মৌচুমীৰ প্ৰভাৱিত-ক্ৰান্তীয় জলবায়ু প্ৰায় সৰহখিনি সমান পলসুৱা উৰ্বৰ ভূমিৰে গঠিত ভূমি ভাগ শস্য-শ্যামলা হোৱা বাবে আমাৰ দৰঙী লোকসকল কৃষিজীৱি। বৰ্তমান দৰং জিলাৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ ডুমুনীচকীৰ পৰা পূবলৈ ওৰাং (শোণিতপুৰ জিলা বাদ কৰি) তথা ওৰাং ৰাষ্ট্ৰীয় উদ্যানলৈ ব্ৰহ্মপুত্ৰৰ পলসুৱা মৃত্তিকাৰে সৃষ্টি হোৱা চৰ-চাপৰি

আৰু জলাহ ভূ-ভাগ। বৰ সাৰুৱা। এই ভূমি ভাগৰ উত্তৰৰ ওখ মৃত্তিকাঞ্চলত আমাৰ খিলঞ্জীয়া লোকৰ পাতলীয়া বসতি। দক্ষিণত বিশাল মুকলি চৰাঞ্চল। দক্ষিণ-পশ্চিমা অঞ্চলত কুৰুৱা, ঢলপুৰ, মান্দাকাটা, খলিহৈ আদি চাপৰ পাহাৰীয়া। শীতকালৰ নান্দনিক পৰিৱেশ। বৰ্তমানৰ প্ৰজন্মই ভালকৈ নেদেখিলেও আজি কিছু বছৰ- বিগত শতিকাৰ শেষৰ অদ্ধলৈ এই পৰিৱেশ বৰ্তমান হৈ আছিল। আমাৰ পূৰ্বপুৰুষ সকলে বা আমাৰ অগ্ৰজসকলে আমাতকৈ বেছি জানিব। পাতনিটো দীঘলীয়া নকৰি আমি ক'ব খুজিছো যে আমাৰ জীৱনক প্ৰভাৱিত কৰা ব্যক্তি বিশেষৰ কথা। আমি শুনিছো, দেখিছো, কিতাপ বা কাগজত পঢ়িছো। কোনোৱে কয়- মোৰ জীৱনৰ আদৰ্শ ব্যক্তি- আব্ৰাহাম লিংকন, কেনেডী, শ্বেলী, কীটচ্, বাইৰণ, গান্ধী, কবীৰ, শংকৰদেৱ, মাধৱদেৱ ইত্যাদি ইত্যাদি। হয় এখেতসকল মহান, সকলোৰে আদৰ্শৰ, জীৱনী পঢ়িছো, লিখনি পঢ়িছো। কিন্তু আমাৰ নিজৰ যুক্তি আমি ওচৰতে পোৱা এনে ব্যক্তি আছে যিসকল আমাৰ পৰিৱেশৰ বাবে আমাৰ প্ৰয়োজনৰ বাবে আদৰ্শ ব্যক্তি হ'ব। আমি সদায় বাস্তৱবাদী, যিটো দেখিছা, যাৰ কাৰ্যৰ বাস্তৱিক উমান পাইছো, কেৱল আমিয়ে নহয় সুবিশাল ব্যক্তি সমষ্টিক যিয়ে প্ৰভাৱিত কৰিব পাৰিছে- যাৰ প্ৰভাৱে মানৱ সমাজৰ প্ৰকৃত যুক্তিসমূহ বৰ সবাহত উত্থাপিত হৈছে, যিবোৰ সমাজৰ কল্যাণকামী, যিবোৰে আমাক জন্ম-জন্মান্তৰে মানুহ হৈ থাকিবলৈ প্ৰেৰণা দিব, এনেবোৰ যুক্তিত আমাৰ ফালৰ পৰা আমাৰ ঐতিহাসিক দৰঙী সমাজৰ অনেক মহান ব্যক্তিসকলৰ মাজৰ পৰা দুজন ব্যক্তিক চিনাক্ত কৰিলো। আমাৰ গাঁৱৰেই আমাৰ অগ্ৰজ গুৱাহাটী ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি (পিছলৈ অসম ছাত্ৰ সন্থা) কলাইগাঁও বিধান সভা সমষ্টিৰ প্ৰক্তন বিধায়ক মঙলদৈ নিম্ন-আদালত তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা মাননীয় লক্ষী কান্ত শইকীয়া আৰু ছিপাঝাৰ বিধান সভা সমষ্টিৰ প্ৰাক্তন (বিশ বছৰ ধৰি) বিধায়ক, অসম চৰকাৰৰ মন্ত্ৰী বৰ্তমান মঙলদৈ নেৰীম মহাবিদ্যালয়, মহৰ্ষি বিদ্যামন্দিৰ তথা অন্যান্য অনুষ্ঠানৰ প্ৰতিষ্ঠাপক, প্ৰাক্তন সদৌ অসম ছাত্ৰ সন্থাৰ স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক ড° জয়নাথ শৰ্মাদেৱ।

আমাৰ আদৰ্শ ব্যক্তি ইতিমধে মাননীয় লক্ষী কান্ত শইকীয়াদেৱৰ অভিনন্দন গ্ৰন্থলৈ তেখেতৰ বাবে লিখা লেখাটো পঠিওৱাৰ পিছত আমাৰ জীৱনত আদৰ্শ ব্যক্তি হিচাপে চিহ্নিত মাননীয় ড° জয়নাথ শৰ্মাদেৱৰ লেখাটো লিখিব বিচাৰিলো।

বিগত শতিকাটোৰ আশী দশকৰ আৰম্ভণিৰ সময়ছোৱাত ১৯৭১-৭২ চনৰ সময়। আজিৰ পৰা প্ৰায় বাৱন্ন বছৰ আগৰ ঘটনা। আমি আমাৰ গাঁৱত নতুনকৈ স্থাপিত হোৱা প্ৰাথমিক বিদ্যালয় কবিকাৰা আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ প্ৰথম দলৰ ছাত্ৰ হিচাপে দ্বিতীয় শ্ৰেণীত অধ্যয়নৰত। ৰাজ্যত প্ৰয়াত শৰৎ চন্দ্ৰ সিংহদেৱৰ নেতৃত্বত সমাজবাদী কংগ্ৰেছ চৰকাৰৰ চৰকাৰ, আমি জনা মতে তেল শোধনাগাৰ দাবী আন্দোলনৰ পিছত মাধ্যম আন্দোলন, মূল্য বৃদ্ধিৰ আন্দোলনে কিছু শাম কাটিছে। য'ত পুলিচৰ গুলীত গজেন ইংতি শ্বহীদ হৈছিল। ১৯৭২ চনত অসমত ভাষা আন্দোলন। তেতিয়াৰ আমাৰ গাঁৱৰ ডাঁহী হাইস্কুলত দৰং জিলা ছাত্ৰ সন্থাৰ মিটিং, প্ৰয়াত ককাইদেউ ডাঁহী হাইস্কুল- বৰ্তমান ডাঁহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰিছিল। আমি সৰু ল'ৰা হেতুকে ককাইদেৱে ছাত্ৰ সন্থাৰ সভালৈ লৈ গৈছিল। মনত আছে- ইয়াত তুমি যি দেখা বা শুনা সকলোবোৰ লিখি ৰাখিবা। হয়তো তেখেতৰ প্ৰেৰণাৰ পৰাই ডায়েৰী লিখা বা প্ৰয়োজনীয় কথাবোৰ সংৰক্ষণৰ বাবে শিক্ষা পালো। ডাঁহী হাইস্কুলত যথা সময়ত ছাত্ৰ সন্থাৰ অধিবেশন আৰম্ভ হ'ল। এজন ছাত্ৰ নেতাই তীব্ৰ ভাষণেৰে সকলোকে উৎসাহিত কৰিছিল। সকলো ফালৰ পৰাই হাত চাপৰি উঠিছিল। প্ৰয়াত ককাইৰেৰ দ্বাৰা জানিছিলো ছাত্ৰজনৰ নাম বৰ্তমানৰ ডঃ জয়নাথ শৰ্মাদেৱ। এয়াই মোৰ প্ৰথম এজন আমাৰ জীৱনৰ আদৰ্শ পুৰুষৰ প্ৰতি অনুৰাগ। অসমত জোৰদাৰ ভাষা আন্দোলন। মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ মোজাম্মিল হক খাৰুপেটীয়াত শ্বহীদ হ'ল, নগাঁওত অনিল বড়া, শিৱসাগৰত বলীন নেওগ আৰু ভলে কেইজন। ভাষা আন্দোলনে শাম কাটিলে। পৰৱৰ্তী সময়ত মুখ্যমন্ত্ৰী শৰৎ সিংহৰ সময়ছোৱাতে অসমৰ ৰাজধানী শ্বিলঙৰ পৰা দিছপুৰলৈ স্থানান্তৰ হ'ল। সমগ্ৰ দেশত

জৰুৰীকালীন অৱস্থা ঘেষণা, ইন্দিৰা গান্ধী চৰকাৰৰ পতন, পুনৰ সাধাৰণ নির্বাচন, দেশত মোৰাৰজী দেশাইৰ নেতৃত্বত পোন প্ৰথমবাৰৰ বাবে অনাকংগ্ৰেছী চৰকাৰ, ভালে কেইজন প্ৰধান মন্ত্ৰীৰ আগমন। ১৯৭৯ চনত বৰ্তমানৰ ডাঁহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অষ্টম শ্ৰেমীত নামভৰ্তি কৰো। অসমৰ ছাত্ৰ সন্থাৰ 'ইতিহাসত' সবাতোকৈ দীঘলীয়া আন্দোলন ১৯৭৯ চনৰ পৰা ১৯৮৫ চনৰ ১৪ আগষ্টলৈ। অসমৰ ছাত্ৰ সমাজ তথা অসমৰ ৰাইজ উভয়ে ঐতিহাসিক সাক্ষী হৈ থাকিল।

অসমৰ বিদেশী বহিষ্কৰণ আন্দোলন (অসমৰ অস্তিত্ব ৰক্ষা আন্দোলন) দৰঙত আৰম্ভণি হৈছিল। ভাৰতৰ তথা বিশ্বৰ ছাত্ৰ ইতিহাসৰ আটাইতকৈ দীঘলীয়া সংগ্ৰামসমূহৰ ভিতৰত অসমৰ বিদেশী বহিষ্কাৰ আন্দোলন আটাইতকৈ দীঘলীয়া আন্দোলন। এই আন্দোলনে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক তথা সাংস্কৃতিক দিশ বাৰুকৈয়ে প্ৰভাৱিত কৰি আহিছে। ইংৰাজ ৰাজত্বৰ দুশ বছৰ নানান যাতনা ভোগী ভাৰতৰ অন্যান্য প্ৰান্তৰ দেশৰ স্বাধীনতা সংগ্ৰামীসকলৰ সতে অসমীয়া সমাজে যুঁজি সৰ্বভাৰতীয় প্ৰেক্ষাপটত নিজৰ সবলস্থিতি প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে। দেশৰ স্বাধীনতাৰ পিছৰে পৰা সহজ-সৰল অসমীয়া সমাজে বিভিন্ন জীয়াতু ভোগী আহিছে।

আমাৰ অসমৰ নদী মাতৃকা উৰ্বৰ ভূমিয়ে বিভিন্ন লোকৰ অসম ভূমিলৈ প্ৰব্ৰজন ঘটালে, এচাম তথা কথিত অসম প্ৰেমীয়ে চলে-বলে, কৌশলে অসমত বিদেশী লোকক বৰপিৰা পাৰি বহুৱালে। ইয়াৰ পৰিপ্ৰেক্ষিতত অহিংসা নীতিত বিশ্বাসী ছাত্ৰ সমাজ আৰু সহজ-সৰল অসমীয়াসকলে তথা কথিত বিদেশী বহিষ্কাৰ ান্দোলন কৰিব লগীয়াত পৰিল।

লেখাটোৰ পাতনিতে উল্লেখ কৰিছো যে দক্ষিণ দৰঙৰ পশ্চিম প্ৰান্তৰ পৰা পূব প্ৰান্তলৈ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণাংশ ব্ৰহ্মপুত্ৰৰ নিকট অঞ্চললৈ পলসুৱা উৰ্বৰ ভূমিৰে গঠিত বিস্তৃৰ্ণ চৰাঞ্চল। চাওঁতে চাওঁতে এই ঠাইবোৰ এচাম অচিনাকি অনা-অসমীয়া লোকেৰে ভৰি পৰিল। দৰং জিলাৰ ইতিহাস প্ৰসিদ্ধ ৰঙামাটি তহছিলৰ অন্তৰ্গত 'মানৈঘাট' ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন

কালত মেকেঞ্জী ৰোড বা ৰঙামাটি কলাইগাঁও পথৰ ৰঙামাটি এসময়ত দৰং জিলাৰ মঙলদৈ মহকুমাৰ সদৰ আছিল আৰু মঙলদৈ সমষ্টিৰ নাম আছিল ৰঙামাটি সমষ্টি। ৰঙামাটিৰ গাতে লাগি আছে ইতিহাস প্ৰসিদ্ধ সৰু থেকেৰাবাৰী গাঁও। এই গাঁৱৰ বোকা-পানী গছকি ডাঙৰ-দীঘল হোৱা স্বাধীনচিতীয়া, মেধাৱী ছাত্ৰ এজন, কালক্ৰমত বহল ক্ষেত্ৰত প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হোৱাটো আমি সকলোৱে মন কৰিবলগীয়া। "ঘাঁহ মানে পথাৰ, পথাৰ মানেই কৃষি, কৃষি মানেই সংস্কৃতি"- অসমৰ সংস্কৃতি মূলতঃ কৃষি ভিত্তিক।

আগতেই উল্লেখ কৰা ধৰণে ৰঙামাটিৰ সম্পূৰ্ণ দক্ষিণ-পূব অঞ্চল বিশাল ব্ৰহ্মপুত্ৰৰ পলসুৱা চৰাঞ্চল। ড° জয়নাথ শৰ্মাদেৰৰ এই চৰাঞ্চল আমাতকৈও অতি আপোন। কিন্তু স্বাধীনচিতীয়া লোকজনৰ চকুৰ আগতে তথা কথিত বহিৰাগতৰ আগমন। মঙলদৈ চহৰত জিলা ছাত্ৰ সন্থা, সদৌ অসম ছাত্ৰ সন্থা সচেতন ৰাইজৰ মাজত বহিৰাগতৰ আগমনৰ ওপৰত আলোচনা আৰম্ভ হ'ল। ইয়াৰ ফলশ্ৰুতিত অসমত ঐতিহাসিক 'অসম আন্দোলন'।

বিগত শতিকাৰ আশী দশকৰ (১৯৭৯) শেষৰ ফালে, আমি তেতিয়া বৰ্তমানৰ ডাঁহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ। অসম বিধান সভাৰ বাবে নিৰ্বাচনী অধিসূচনা জাৰি কৰা হ'ল। লগে লগে মনোনয়ন দাখিলৰ কাম আৰম্ভ হৈ গ'ল। সদৌ অসম ছাত্ৰ সন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদে অসমৰ পৰা বিদেশী বহিষ্কাৰ আন্দোলন আৰম্ভ কৰিলে। সত্যাগ্ৰহী অসমীয়া ছাত্ৰ-ছাত্ৰী আৰু গণ সংগ্ৰাম পৰিষদে ঠায়ে ঠায়ে পিকেটিং আৰম্ভ কৰিলে। অসমত কেন্দ্ৰীয় অৰ্দ্ধ-সামৰিক বাহিনী (চি. আৰ. পি. এফ.) প্ৰেৰণ কৰিলে। কে. পি. এছ. গিল আৰু শ্ৰীবাস্তৱৰ নেতৃত্বত অহা চি. আৰ. পি. এফ. বাহিনীয়ে দায়িত্ব চমজি ল'লে। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত ফখৰুদ্দিন আলী আহমেদৰ পত্নী বেগম আবিদা আহমেদে মনোনয়ন দিবলৈ অহাত বাধা প্ৰদান কৰা হ'ল। কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীয়ে পিকেটিংকাৰীৰ ওপৰত নিৰ্মম অত্যাচাৰ আৰম্ভ কৰিলে। ডিচেম্বৰ মাহৰ শীতৰ দিন। পুলিচৰ নিৰ্মম লাঠীৰ আঘাতত বৰপেটাৰ ভৱানীপুৰীয়া দশম শ্ৰেণীৰ মেধাৱী ছাত্ৰ খৰ্গেশ্বৰ তালুদাৰ

ঐতিহাসিক অসম আন্দোলনৰ প্ৰথম শ্বহীদ হিচাপে চিহ্নিত হ'ল। এই সুযোগতে উল্লেখ কৰো যে আমাৰ শ্ৰদ্ধেয় ব্যক্তি ড° জয়নাথ শৰ্মাদেৱ উক্ত সময়ছোৱাৰ পৰাই এক প্ৰকাৰ অজ্ঞাত বাস খাটিব লগীয়া হৈছিল। ভৱানীপুৰীয়া ছাত্ৰ নেতা গৰাকী শ্বহীদ হোৱা বাতৰিয়ে অসমৰ সকলো সংবাদ পত্ৰৰ শিৰোনাম দখল কৰাত বিদ্যালয় এৰি ছাত্ৰ-ছাত্ৰীসকলে মৌন সমদলে শোভাযাত্ৰা কৰিলে। ইফালে আমাৰ জিলাতো মনোনয়ন গ্ৰহণৰ মুহূৰ্তত বাধা দিবলৈ ছাত্ৰ-ছাত্ৰী ৰাইজ মণ্ডলদৈৰ উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত গোট খালে। ইয়াৰ মাজৰে এজন ছাত্ৰ নেতাই খৰ্গেশ্বৰ তালুকদাৰৰ শ্বহীদৰ সমস্ত ঘটনা উপায়ুক্ত আৰু পুলিচ অধীক্ষক তথা ৰাইজক জোৰ জোৰকৈ কৈ আছিল। সকলোবোৰ ঠিকেই আছিল। হঠাৎ ছাত্ৰসকলে কোনোবাই মনোনয়ন দিবলৈ অহা বুলি উমান পাই ভেটিবলৈ আগবাঢ়িলে। লগে লগে পুলিচক লাঠী চালনা আৰু টিয়াৰগেছ প্ৰয়োগৰ আদেশ দিয়া হ'ল। আমাৰ সন্মুখতে যিজন ছাত্ৰই সকলোকে আচৰিত কৰি কথাবোৰ কৈ আছিল, তেওঁকেই পুলিচে প্ৰথমে আক্ৰমণৰ লক্ষ্য হিচাপে লৈছিল। সকলোবোৰ নিমিষতে চেদেলি-ভেদেলি হৈ পৰিল। আমি দৌৰিবলৈ ধৰিলো। পিছলৈ জানিব পাৰিলো যিজন ছাত্ৰ নেতাই সমস্ত বিৱৰণি দি আছিল তেখেতেই বৰ্তমানৰ ডঃ জয়নাথ শৰ্মাদেৱ।

অসম আন্দোলনৰ বিভিন্ন কাৰ্যসূচী চলি থাকিল। ৰাজ্যত ৰাষ্ট্ৰপতি শাসন বলবৎ কৰা হ'ল। সাধাৰণ নিৰ্বাচনৰ ভেকো-ভাওনাৰে এখন অবৈধ চৰকাৰ ৰাইজক জাপি দিয়া হ'ল। ৰাইজে প্ৰত্যাখ্যান কৰিলে। ঠাই বিশেষে স্বদেশী বিদেশীসকলৰ মাজত সংঘৰ্ষ হ'ল। আমাৰ খিলঞ্জীয়া ভালেকেইজন লোক শ্বহীদ হ'ল। মাননীয় শ্ৰদ্ধাৰ ডঃ জয়নাথ শৰ্মাদেৱৰ মাজু ভায়েক দয়া শৰ্মা (দ্বিপেন), অৰুণ বড়া, যতীন চহৰীয়া, হৰগোবিন্দ গোস্বামী আদি শ্বহীদ হ'ল। দ্বিতীয় দিনাখন হাজাৰ হাজাৰ মানুহ ৰঙামাটি ঘাটত একত্ৰিত হ'ল। সৰু থেকেৰাবাৰী গাঁওত ড° জয়নাথ শৰ্মাদেৱৰ ঘৰত উপস্থিত হৈ শ্বহীদ ভাতৃ দয়া শৰ্মাৰ (দ্বিপেন) মৃতদেহ প্ৰত্যক্ষ কৰিলো। ড° জয়নাথ শৰ্মাদেৱ নিজ ভাতৃক হেৰুৱালে, আত্মীয়ক হেৰুৱালে। পুলিচ, চি.আৰ.পি.এফৰ ভয়ত মানুহে ঘৰ

ত্যাগ কৰিলে। উজনি-নামনিত কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ অত্যাচাৰ চলিল। প্ৰচাৰ মাধ্যমসমূহে সত্য বাতৰি পৰিবেশন নকৰাত পৰিল।

এই সুযোগত উল্লেখ কৰিব পাৰি যে বৰ্তমানৰ ম'বাইল ফোন, দূৰদৰ্শনৰ প্ৰচাৰ নাছিল। সংবাদ পত্ৰাদিৰ যোগাযোগ বিচ্ছিন্ন। কেৱল ৰেডিঅ'টো আমাৰ সংগী আছিল। ৰেডিঅ'ই শুদ্ধ বাতৰি পৰিবেশন নকৰিলে। সেই সময়ৰ গুৱাহাটী অনাঁতাৰ কেন্দ্ৰৰ বাতৰি পঢ়োতা অৰুণ বড়া, প্ৰমোদ শইকীয়া, দিল্লীৰ অসমীয়া বাতৰিত আছিল, হিৰণ দত্ত, লিলি দাস মালিক আদি। আমাৰ অনাঁতৰ কেন্দ্ৰই শুদ্ধ বাতৰি পৰিবেশন নকৰাত বি.বি.চি.ৰ পৰা প্ৰকাশিত বঙালী বাতৰিকে আশ্ৰয় কৰিলো। সুধীৰ ভৌমিক প্ৰভৃতিলোকে সুৱলা বঙালী ভাষাৰ বাতৰিত সঘনাই বৰ্তমানৰ ডঃ জয়নাথ শৰ্মাদেৱৰ নামটো উচ্চাৰিত হৈছিল।

এই সময়ছোৱাত ড° জয়নাথ শৰ্মাদেৱে অহোপুৰুষাৰ্থ কষ্ট স্বীকাৰ কৰিছিল। ছাত্ৰ সন্থাৰ সভাপতি মাননীয় প্ৰফুল্ল কুমাৰ মহন্ত, সম্পাদক প্ৰয়াত ভৃগু কুমাৰ ফুকনৰ লগতে ঃ জয়নাথ শৰ্মাদেৱে অহোপুৰুষাৰ্থ চেষ্টা কৰিছিল। পুলিচ চোৰাংছোৱাৰ চকুত ধূলি দি অনাই-বনাই ঘূৰি ফুৰিব লাগিছিল। এই সময়ছোৱাৰ আমাৰ অগ্ৰজসকলে ড° জয়নাথ শৰ্মাদেৱৰ ত্যাগ, সাহস তথা বুদ্ধি মত্তাৰ বিষয়ে অধিক জানিব। নিজৰ জীৱন হাতৰ মুঠিত ৰাখি অনাই-বনাই, ভোকে-লঘোণে এক দীঘলীয়া সংগ্ৰাম আগবঢ়াই লৈ যোৱাটো সকলোৰে বাবে সহজ নহয়।

অৱশেষত বিগত শতিকাৰ ১৯৮৫ চনৰ ১৪ আগষ্টত প্ৰধান মন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধী আৰু সদৌ অসম ছাত্ৰ সন্থা অসম গণ সংগ্ৰাম সমিতিৰ মাজত ছবছৰীয়া অসম আন্দোলনৰ চুক্তি স্বাক্ষৰিত হ'ল। উল্লেখ কৰো যে ইয়াৰ এবছৰ আগত বিগত শতিকাৰ ১৯৮৪ ৩১ চেপ্তেম্বাৰত প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী আততায়ীৰ হাতত নিহত হৈছিল।

সদৌ অসম ছাত্ৰ সন্থা প্ৰতিষ্ঠাৰ পৰা বৰ্তমানলৈ ঐতিহাসিক মুহূৰ্তসমূহৰ ভিতৰত বিগত শতিকাৰ ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ সময়ছোৱা

সোণোৱালী আখৰেৰে লিখা থাকিব।

আগতেই উল্লেখ কৰাৰ দৰেই কওঁ যে আমাৰ অসম আন্দোলনৰ এই সমস্ত কথাৰ বৰ্ণনা কৰাৰ মূলতে আছিল দৰঙৰ গৌৰৱ- দৰঙৰ ছাত্ৰ ইতিহাসৰ অন্যতম ছাত্ৰ নেতা ড° জয়নাথ শৰ্মাদেৱ। সাহসী, নিৰ্ভীক, স্পষ্টবাদীতা, উপযুক্ত যুক্তি-যুক্তিতাৰে সমাজৰ হকে যুঁজা এজন সঁচা বাস্তৱবাদী ব্যক্তি। সাধাৰণ অৱস্থাৰ পৰা গৈ ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত এটা জাতিক চিনাকি দিব পৰাটো সাধাৰণতে এক অসাধাৰণ অধ্যৱসায়ৰ বাহিৰে একো হ'ব নোৱাৰে।

বিগত শতিকাৰ ৯০ দশকৰ মাজভাগত পোনপ্ৰথমে অসমৰ ৰাজনৈতিক ইতিহাসত এটি আঞ্চলিক দলে সৰ্বভাৰতীয় ৰাজনৈতিক মঞ্চত ভুমুকি মাৰিলে। সদৌ অসম ছাত্ৰ সন্থা আৰু অসম অসম গণ সংগ্ৰাম পৰিষদ মিলি অসম গণ পৰিষদ (এজিপি)ৰ জন্ম হ'ল। মাননীয় প্ৰফুল্লকুমাৰ মহন্তৰ নেতৃত্বত অসম গণ পৰিষদে ৰাজ্যৰ শাসনৰ দায়িত্ব গ্ৰহণ কৰিলে। সদাশয় পাঠক-পাঠিকাসকল, আপোনালোকে ডঃ জয়নাথ শৰ্মাদেৱৰ ৰাজনৈতিক দক্ষতা সম্পৰ্কে আমাতকৈও যথেষ্ট জ্ঞাত। অসম গণ পৰিষদৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ পৰা প্ৰয়াত দ্বিগেন বড়াৰ ভিতৰত সঘনে উচ্চাৰিত, নামটো আছিল সেই সময়ৰ অসম মন্ত্ৰী সভাৰ অসম চুক্তি ৰূপায়ণ আৰু ৰাজহ দপ্তৰৰ এজন গুৰুত্বপূৰ্ণ দপ্তৰৰ মন্ত্ৰী। তেওঁ হ'ল অসমৰ ছাত্ৰ সমাজৰ ঐতিহাসিক অসম আন্দোলনৰ এগৰাকী একনিষ্ঠ কৰ্মী

ড° জয়নাথ শৰ্মাদেৱৰ বৈচিত্ৰ্যপূৰ্ণ জীৱন পৰিক্ৰমাত প্ৰত্যক্ষ ৰাজনৈতিক জীৱনকাল নানান বৈচিত্ৰৰে পৰিপূৰ্ণ।তেতিয়া দূৰদৰ্শনৰ বৰ্তমানৰ নিচিনা ব্যৱস্থা নাছিল, আনহাতে ম'বাইলৰো ব্যৱস্থা নাই। ৰেডিঅ'ৰ জৰিয়তে মাজে সময়ে বিধান সভাৰ কাৰ্যক্ৰমণিকাত ড° জয়নাথ শৰ্মাদেৱৰ কাৰ্য নিপুনতা, তেখেতৰ বিভিন্ন জ্ঞান বুদ্ধি যুক্তি সঁচাকৈ সমাজৰ বাবে হিতকাৰী বিবেচিত হৈছিল। এজন শ্ৰেষ্ঠ বিধায়ক তথা কেবিনেটৰ মন্ত্ৰী হিচাপে আমাৰ যুক্তিত প্ৰতিপন্ন কৰিব বিচাৰো।

সঠিক মনত নপৰে যদিও এবাৰ বিধান সভাৰ অধিবেশনৰ কাৰ্যাৱলী

মোৰ মনত পৰে, সমষ্টি উন্নয়নৰ বাবে বিধায়ক পুঁজিৰ ধন আবণ্টনৰ কাৰ্যসূচীত ড° জয়নাথ শৰ্মাদেৱৰ অংশগ্ৰহণ। অসম বিধান সভাৰ ১২৬ জনীয়া বিধায়কৰ মাজত কোনজন জনপ্ৰিয় বিধায়ক, তথা সমষ্টিৰ সকলো সমস্যা আৰু ভোটাৰৰ সৈতে ঘৰ ঘৰ চিনাকিৰ প্ৰসংগত ড° জয়নাথ শৰ্মাদেৱে সমষ্টিৰ প্ৰত্যেক ঘৰ ভোটাৰৰ সৈতে পৰিচয় আছে বুলি কথাষাৰ প্ৰতিপন্ন কৰিব গৈ সমষ্টিৰ এফালৰ পৰা ভোটাৰ ৰাইজৰ নাম উচ্চাৰণ কৰিব ধৰিলে। অৱশেষত অধ্যক্ষৰ হস্তক্ষেপেৰে মাননীয় ড° জয়নাথ শৰ্মাদেৱক শান্ত কৰোৱা হৈছিল। এইদৰে ড° জয়নাথ শৰ্মাদেৱৰ বিধান সভাৰ বিধায়ক বিচক্ষণতা মন কৰিবলগীয়া। এটা বিধান সভাৰ সমষ্টি আৰু এজন বিধায়ক। সমষ্টিৰ প্ৰত্যেকটো সমস্যাৰ সৈতে পৰিচয় থকা কাৰ্য দক্ষতা সম্পন্ন সমষ্টিৰ ভোটাৰ ৰাইজে পোৱাটো এক ভাগ্যৰ কথা। ইয়াৰ উপৰিও ছিপাঝাৰ সমষ্টিবাসী ৰাইজৰ আটাইতকৈ লাভটো হ'ল ড° জয়নাথ শৰ্মাদেৱৰ বিচক্ষণ বুদ্ধিদীপ্ত ৰাজনৈতিক চৰিত্ৰটি বা ছিপাঝাৰবাসী ৰাইজৰ মাজত জাতি-বৰ্ণ নিৰ্বিশেষে ৰাজনৈতিক সচেতনতা আৰু সামাজিক সচেতনতা সৃষ্টি কৰিব পৰা গুণটো। ড° জয়নাথ শৰ্মাদেৱৰ ছাত্ৰ জীৱন, ৰাজনৈতিক জীৱন, তেখেতৰ বৰ্তমান কৰ্ম জীৱন এই তিনিৰ সংযেগত গঠিত ব্যক্তিত্ব আমাৰ সকলোৰে বাবে উপকাৰী। এনে গুণ বিশিষ্ট ব্যক্তিৰ জীৱন দৰ্শন, জীৱন আদৰ্শ সকলোৰে বাবে বহুতো প্ৰয়োজনীয়।

দৰং জিলাৰ নেতৃস্থানীয় তথা ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত দখল দিব পৰা ব্যক্তিসমূহৰ ভিতৰত ড° জয়নাথ শৰ্মাদেৱ এজন অন্যতম উল্লেখযোগ্য ব্যক্তি। গাঁওৰ বোকা-পানী গছকি সাধাৰণ ঘৰত ভালেকেইজন ককাই-ভাইৰ মাজত ডাঙৰ-দীঘল হৈ নিজৰ অধ্যৱসায়ৰ মাজেৰে, অনেক ঘাত-প্ৰতিঘাট নেওচি ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা লাভ কৰি সমাজত নেতৃত্ব বহন কৰি দহৰ উপকাৰৰ হকে নিজকে অৰ্পন কৰিব পৰাটো, নিশ্চয়কৈ এক উল্লেখযোগ্য উদাহৰণ । শ্ৰদ্ধাৰ ড° শৰ্মাদেৱ অধ্যয়নৰ সময়ছোৱা আসমৰ সামাজিক, ৰাজনৈতিক পৰিবেশো যথেষ্ট প্ৰতিকুল আছিল। নিজৰ আপোন জিলাতে প্ৰাথমিক, মাধ্যমিক আৰু নিজৰ আপোন ৰাজ্যতে মহাবিদ্যালয় আৰু

বিশ্ববিদ্যালয়ৰ শিক্ষা লাভ কৰি উচ্চ নৈতিক চৰিত্ৰৰ পৰিচয় দাঙি ধৰিছে। এই লেখাটোৰ মূল উদ্দেশ্য হ'ল আমাৰ ভৱিষ্যত প্ৰজন্মক এজন জিলাস্তৰত থকা বিশেষ গুণসম্পন্ন ব্যক্তিৰ সৈতে চিনাকি কৰি দিয়া। তেখেতৰ জীৱনৰ তিনিওটা বিশেষ কাল বিভিন্ন বৈচিত্ৰ্যৰে পৰিপূৰ্ণ। ডঃ জয়নাথ শৰ্মাদেৱৰ ব্ৰহ্মচাৰ্য কালটো বিভিন্ন সংঘাতপূৰ্ণ। এফালে নিজৰ গুৰুত্বপূৰ্ণ অধ্যয়নকাল, আনফালে সমগ্ৰ ৰাজ্য বহিৰাগত বহিষ্কাৰ আন্দোলন, য'ত ডঃ জয়নাথ শৰ্মাদেৱৰ স্বতঃস্ফুত অংশগ্ৰহণ। এই সময়ছোৱাৰ আংক্ষিক বৰ্ণনা কৰিলো। ইয়াৰ পৰা পাঠক-পাঠিকাসকলে নিজৰ যুক্তিৰে প্ৰকৃত বাস্তৱ সত্যৰ অনুসন্ধান কৰিব পাৰিব।

ড° জয়নাথ শৰ্মাদেৱৰ বৰ্তমানলৈ চলি থকা দীঘলীয়া ৰাজনৈতিক জীৱন কালৰ আংক্ষিক বৰ্ণনা কৰিছো। য'ত তেখেতৰ ৰাজনৈতিক দক্ষতা, সমাজপ্ৰিয়তা, স্পষ্টবাদীতা, সৎ-সাহস আদি মানৱীয় গুণৰাজিৰ আংক্ষিক বৰ্ণনা দাঙি ধৰিলো। আমি এজন দৰঙী প্ৰজা হিচাপে এজন দৰঙীৰ ৰাজনৈতিক বিচক্ষণতাত মুগ্ধ হৈছো। এইটো নহয় যে কেৱল দৰঙৰ বাবেহে ড° জয়নাথ শৰ্মাদেৱে কাম কৰিলে, সমগ্ৰ অসমবাসী তথা ৰাষ্ট্ৰৰ বাবেও সেৱা কৰিছে। এনে বহু উচ্চকীৰ্তি সম্পন্ন লোকৰ জীৱন দৰ্শন বৰ্ণনা কৰিব বিচৰাটো আমাৰ দৰে লোকৰ সম্ভৱ নহয়।

ড° জয়নাথ শৰ্মাদেৱৰ কৰ্মময় জীৱন পৰিক্ৰমাত স্থাপিত হোৱা বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানসমূহে তেখেতৰ বিদ্যায়তনিক পৰিপক্কতা তথা বৌদ্ধিক গুণৰাজিৰ চানেকী দাঙি ধৰিছে।

আমি আগেয়ে উল্লেখ কৰিছো ডঃ জয়নাথ শৰ্মাদেৱে বিভিন্ন সংঘাতৰ মাজেৰে আগবাঢ়ি যোৱা এজন ব্যক্তি। তেখেতৰ সাংসাৰিক জীৱন আৰম্ভ হোৱাৰ কিছু সময়ৰ পিছতেই পত্নীৰ বিয়োগ ঘটে। এজন সৎ-সাহসী, বাক্তি হিচাপেই সাংসাৰিক যাত্ৰাত আগুৱাই গৈ বৰ্তমানৰ স্থিতিত উপনীত হৈছে। গতিকে আমাৰ আদৰ্শৰ ব্যক্তি গৰাকীক আমাৰ হাতত থকা বাস্তৱ সত্য যুক্তিৰে যথাসাধ্য বৰ্ণনা কৰিছো।

পৰিশেষত ক'ব বিচাৰিছো, হে শ্ৰদ্ধেয় পাঠক-পাঠিকাসকল এই

লেখাটোত বৰ্ণনা কৰা শ্ৰদ্ধেয় ব্যক্তি ড° জয়নাথ শৰ্মাদেৱৰ সৈতে আমাৰ কোনো চিনাকি নাছিল, কিন্তু তেখেত সমাজৰ নেতৃস্থানীয় ব্যক্তি হোৱা বাবে, আমি তেখেতক চিনি পাওঁ। আজিৰ পৰা প্ৰায় বাৱন্ন বছৰ আগৰ পৰাই আমি যেতিয়া প্ৰাথমিক বিদ্যালয়ৰ দ্বিতীয় শ্ৰেণীত অধ্যয়ন কৰো, তেতিয়াৰ পৰাই ড° জয়নাথ শৰ্মাদেৱক জানিছিলো। আন্তৰিকতাৰে আত্মিকভাৱে শ্ৰদ্ধাভাৱে তেখেতক বিচাৰিছিলো। তেনে অভিজ্ঞতাকে সম্বল কৰি এই লেখা লেখিছো। সদাশয় ৰাইজলৈ নিবেদন ড° জয়নাথ শৰ্মাদেৱৰ ছাত্ৰ সন্থাৰ পৰা ৰাজনৈতিক জীৱনলৈ যদি তেখেতৰ বিভিন্ন সময়ৰ ৰাজহুৱা সভা-সমিতি সমূহৰ  সৎ-সাহসী সমাজ সংস্কাৰী, যুক্তনিষ্ঠ বক্তৃতাসমূহ সংগ্ৰহ কৰিব পৰা যায়, তেতিয়া হ'লে পৰৱৰ্তী সমাজৰ ভৱিষ্যত প্ৰজন্মৰ বাবে এখন অমূল্য গ্ৰন্থ পোৱা গ'লহেঁতেন।

ড° জয়নাথ শৰ্মাদেৱক আমি একান্তমনে নিঃস্বাৰ্থভাৱে আত্মীকভাৱে বিচৰা হেতুকে সৌ সিদিনা জলজলীত ৮ জুলাই, ২০২৩ তাৰিখে প্ৰয়াত কমলা কাকতিদেৱৰ বাসগৃহত অনুষ্ঠিত শ্ৰদ্ধাৰ্ঘ্য গ্ৰন্থ উন্মোচনী সভাত ৰাজহুৱা মঞ্চত লগ পাইছিলো। সেয়েহে লেখাটোৰ শিৰোনাম 'আত্মা দৰ্শন' ৰাখিলো।

সদৌ শেষত ড° জয়নাথ শৰ্মাদেৱৰ সু-স্বাস্থ্য লগতে পৰিয়ালৰ মংগল তথা ৰাইজৰ উপকাৰ কামনা কৰিলোঁ।

❑❑❑

# জন কল্যাণৰ হকে
# যুঁজ দিয়া ব্যক্তিগৰাকী

**– অপূৰ্ব কুমাৰ নাথ**

মঙলদৈ সমষ্টিৰ অন্তৰ্গত সৰুথেকেৰাবাৰী গাঁৱত এটি সৰু পৰিয়ালত জন্ম গ্ৰহণ কৰা এজন নিৰ্ভীক ব্যক্তি হ'ল ড° জয়নাথ শৰ্মা। তেওঁ শৈক্ষিক দিশৰ পাতনি মেলিছিল গাঁৱৰে প্ৰাথমিক বিদ্যালয়ত। শ্ৰেণীকোঠাত এজন তীক্ষ্ণ বুদ্ধিসম্পন্ন ছাত্ৰ হিচাপে নিজকে চিনাকি দিয়াৰ উপৰিও ওজাছাত্ৰ হিচাপে পৰিগণিত হয়। মনতে যি কৰিম বুলি ভাবে তাকে কৰি দেখুওৱা ব্যক্তি গৰাকীয়েই হ'ল ড° জয়নাথ শৰ্মাদেৱ। এজন ব্যক্তিৰ ব্যক্তিত্বৰ আৰু প্ৰতিভাৰ পৰিচয় পোৱা যায় জড়িত হোৱা সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ জৰিয়তে। ড° শৰ্মা নিষ্ঠা আৰু ঐকান্তিকতাৰে কাম কৰা এগৰাকী দায়িত্বশীল ব্যক্তি। শুদ্ধ যুক্তিবাদী আৰু মানুহৰ মনত ৰেখাপাত কৰিব পৰা গুণেৰে বিভূষিত ড° শৰ্মাদেৱ আছিল এজন পথ প্ৰদৰ্শক।

বৰ্তমান সময়ত তেওঁ ৰাজনীতিৰ দিশত সক্ৰিয়ভাৱে নাই যদিও উত্তৰ-পূৰ্বাঞ্চলৰ শিক্ষা জগতৰ এটি সৰ্বজন সমাদৃত উজ্জ্বল তাৰকা। কিয়নো তেওঁৰ অনুশাসনত তথা তত্বাৱধানত কেইবাখনো শিক্ষানুষ্ঠান গঢ় লৈ উঠিছে। ছিপাঝাৰত ড° শৰ্মাই পোনপ্ৰথমবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হৈ ছিপাঝাৰ সমষ্টিবাসীৰ অভাৱ-অভিযোগ আৰু উন্নয়নমূলক কাম-কৰাৰ বাবে দিনে-নিশাই অহৰহ চেষ্টা কৰিছিল। কিন্তু যান্ত্ৰিকতাৰ দিশতেই হওক বা আধুনিকতাৰ দিশতেই হওক আজি সেইবোৰ চিনাকি নোহোৱা হৈ গৈছে। ড° শৰ্মা বাকপটু, নিৰ্ভীক, যুক্তিবাদী, কৰ্মপটু তথা এজন ৰাজনৈতিক নেতা হিচাপে নিজকে সমাজৰ আগত পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা দৰং জিলাৰ এজন

উচ্চ শিক্ষিত ব্যক্তি.।

দৰং জিলাৰ এখন অন্যতম পিছপৰা অঞ্চল ছিপাঝাৰ। ছিপাঝাৰক শৈক্ষিক দিশত আগবঢ়াই নিয়াৰ উদ্দেশ্যে মঙলদৈ চহৰৰ পৰা ১৫ কিলোমিটাৰ পশ্চিমে ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে তেখেতৰ একান্ত প্ৰচেষ্টাত ১৯৯৪ চনত প্ৰতিষ্ঠা হয় ছিপাঝাৰ বি. এড. কলেজ। এই কাৰ্যত ছিপাঝাৰৰ আন ভালেকেইগৰাকী সমাজসেৱকৰ শ্ৰম জড়িত হৈ থকা কথাটোও প্ৰণিধানযোগ্য।তেখেতৰ অনুগ্ৰহতেই ছিপাঝাৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত দেওমৰনৈ বি. এড. মহাবিদ্যালয়খনো স্থাপন হয়। তেখেতৰ তত্বৱধানতে গুৱাহাটীত ২০০৪ চনত তেওঁৰ পত্নীৰ নামতো ড° অনিতা বৰুৱা শৰ্মা বি. এড. মহাবিদ্যালয় এখনো স্থাপন কৰা হয়। অসমৰ শৈক্ষিক ক্ষেত্ৰখনত ড° শৰ্মা ছাৰৰ অৱদান অতুলনীয়। ১৯৯২ চনত ছয়মাইলৰ জয়া নগৰত স্থাপন হোৱা "নেৰিম গ্ৰুপ অফ্ ইনষ্টিটিউচন"ত বিভিন্ন পাঠ্যক্ৰমৰ সংযোগ হৈ আছে। কলা, বিজ্ঞান শাখাৰ লগতে বাণিজ্য মহাবিদ্যালয়, আইন মহাবিদ্যালয়ো ইয়াৰ অন্তৰ্ভুক্ত। উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত পোন প্ৰথমবাৰৰ বাবে ব্যক্তিগত মহাবিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ আৰম্ভণি কৰা ব্যক্তি গৰাকীয়েই হৈছে ড° জয়নাথ শৰ্মা।

ইয়াৰ উপৰিও তেখেতৰ অনুগ্ৰহত ২০০০ চনৰ ১৫ মাৰ্চ তাৰিখে মঙলদৈৰ মাজ মজিয়াত শিক্ষাৰ আগশাৰীৰ অনুষ্ঠান মহৰ্ষি বিদ্যামন্দিৰ স্থাপন কৰা হয়। এই বিদ্যামন্দিৰ মঙলদৈ অঞ্চলৰেই নহয় সমগ্ৰ দৰং জিলাৰেই এখন আগশাৰী ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান। প্ৰতিষ্ঠা কালৰ পৰাই শিক্ষানুষ্ঠানখনিয়ে মানৱ সম্পদ গঢ় দিয়াৰ ক্ষেত্ৰত অহৰহ প্ৰচেষ্টা চলই আহিছে। সেইমতে এই বিদ্যামন্দিৰখনে আজি উচ্চমান বিশিষ্ট শিক্ষানুষ্ঠান হিচাপে পৰিগণিত হৈছে আৰু দৰং জিলাৰ ভিতৰত চি. বি. এছ. ই. পাঠ্যক্ৰমৰ এক অনন্য বিদ্যালয় প্ৰতিষ্ঠান হিচাপে স্বীকৃতি লাভ কৰে। ইয়াৰোপৰি ২০১৭ চনত ড° শৰ্মা ছাৰৰ তত্বাৱধানত মঙলদৈ চহৰৰ মাজ মজিয়াত "নেৰিম চেলেঞ্জ একাডেমী" নামৰ এখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানো স্থাপন কৰে।

এতিয়া আহো ড° শৰ্মাদেৱে অংশগ্ৰহণ কৰা ছয় বছৰীয়া

আন্দোলনৰ কথালৈ। তেওঁ বিদেশী খেদা আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। তাত তেওঁ এনেকুৱা নেতৃত্ব বহন কৰিছিল যে মৰিবলৈকো কুণ্ঠাবোধ নকৰা ব্যক্তি হিচাপে চিনাকি দিছিল। 'হয় মৰিম, নহয় তৰিম' এই বাক্যশাৰীৰে মনত সাহস বান্ধি আগবাঢ়ি গৈছিল। জুয়ে পোৰা তিৰাশীৰ ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহৰ পৰাই মঙলদৈত অগ্নি সংযোগ, গুলীয়াগুলি, তাৰ পাছত চাউলখোৱা, অপৰিয়া, ঢলপুৰ আদি ঠাইত কেবাজনো অসমীয়া যুৱক বিদেশীৰ হাতত প্ৰাণ আহুতি দিবলগীয়া হৈছিল। তেওঁৰ ভাতৃ দয়া শৰ্মাও এজন সক্ৰিয় আন্দোলনকাৰী নেতা আছিল। তেখেতো এই আন্দোলনতে শ্বহীদ হৈছিল যদিও ড° শৰ্মাদেৱ পিছ হুহকি অহা নাছিল। বৰং তেওঁ সিংহৰ দৰে গৰ্জনী মাৰি অধিক প্ৰকট হৈ পৰিছিল। এই আন্দোলনত শৰ্মাদেৱে লোৱা ভূমিকাৰ কথা চিৰদিন স্মৰণীয় হৈ থাকিব।

সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে অসম আন্দোলনৰ নেতৃত্ব বহন কৰিছিল। আছুৱে 'বিদেশী বহিষ্কাৰ'ক মূল দাবী হিচাপে লৈ আন্দোলন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। অৱশেষত ১৯৮৫ চনৰ ১৫ আগষ্টত ছাত্ৰ সন্থাৰ নেতৃবৃন্দ আৰু প্ৰধানমন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ মাজত নতুন দিল্লীত 'অসম চুক্তি' স্বাক্ষৰিত হ'ল। এই চুক্তিৰ জৰিয়তে অসম আন্দোলনৰ পৰিসমাপ্তি ঘটে। ইয়াৰ ফলস্বৰূপে আন্দোলনৰ নেতৃবৃন্দই এটা ৰাজনৈতিক দল গঠন কৰি পৰৱৰ্তী সময়ত অসমত চৰকাৰ গঠন কৰে।

১৯৮৫ চনত গঠন হোৱা অগপ চৰকাৰৰ সময়ত ড° শৰ্মাদেৱে ছিপাঝাৰবাসীৰ উৎকৰ্ষ সাধনৰ বাবে এটি বৃহৎ উদ্যোগ (P.B.S.L.) স্থাপন কৰিছিল। এই উদ্যোগত স্থানীয় বহু নিবনুৱা যুৱক সংস্থাপিত হৈছিল। কিন্তু আজি সেই উদ্যোগটো কেইবা বছৰ ধৰি বন্ধ হোৱাত কৰ্মচাৰীসকলৰ অৱস্থা পানীত হাঁহ নচৰা বিধৰ হৈছে। দুৰ্ভাগ্যজনক কথা যে আজি বহু মন্ত্ৰী-বিধায়ক সেই উদ্যোগটোৰ সন্মুখেৰে পাৰ হৈ অহা-যোৱা কৰে। কিন্তু ভূত বাংলাত পৰিণত হোৱা উদ্যোগটো পুনৰ জীৱিত কৰি কৰ্মচাৰীসকলক জীৱন-জীৱিকাৰ পথ দিবলৈ সক্ষম হোৱা নাই। অতি দুৰ্ভাগ্যজনক যে, উদ্যোগটোত সংস্থাপন

পোৱা ব্যক্তিসকল বৰ্তমানে অবিৰাম সংগ্ৰাম কৰি আজি জীৱন নিৰ্বাহ কৰি আছে। হতাশাত ভুগি থকাবোৰে পাহৰি যায় দিন আৰু ৰাতিৰ দৰেই যে জীৱন পৰিক্ৰমা। যাৰ ফলত দুৰ্বল শ্ৰেণীৰ লোকসকল হতাশাৰ বলি হৈ হীনমন্যতাত ভুগি থাকিব হৈছে।

সদৌ শেষত নতুন প্ৰজন্মৰ বাবে ড° জয়নাথ শৰ্মা ডাঙৰীয়াদেৱ প্ৰেৰণা পুৰুষ আৰু অনুকৰণীয় ব্যক্তি হৈ জিলিকি থাকক তাৰেই কামনাৰে লেখাটিৰ সামৰণি মাৰিলোঁ।

❑❑❑

# কৰ্মপটু নেতা ড° জয়নাথ শৰ্মা

– ব্ৰজেন শৰ্মা

এদিনাখন হঠাতে জয়নাথ শৰ্মাদেৱে মোৰ ঘৰ ওলাইছিলহি। তেতিয়া ভাষা আন্দোলনৰ সময়। সেই সময়ত আন্দোলনৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ নেতা হিচাপে তেওঁ পুলিচৰ ভয়ত পলাই ফুৰিব লগা হৈছিল। তেনেকুৱা এটা দিনত দেওমৰনৈৰ ফালৰ পৰা আহি মোৰ ঘৰত উপস্থিত হৈছিল। তেওঁৰ মামাকৰ ঘৰ সৰুব্যাসপাৰাত আৰু মোৰ বাইদেউ-ভিনদেউৰ ঘৰো সৰুব্যাসপাৰাত। গতিকে ভাগিনহঁত, মই আৰু জয়নাথ শৰ্মা প্ৰায় সমবয়সীয়া বাবে সৰুৰে পৰা চা-চিনাকি হ'বলৈ সুবিধা পাইছিলো। তাৰোপৰি ছাত্ৰ হিচাপে আমিও সক্ৰিয় আছিলো। সেই সূত্ৰেই তেওঁ মোৰ ওচৰ পাইছিল। ভাষা আন্দোলনত আমিও সহযোগ কৰিছিলো। কিন্তু আমি আছিলো আন্দোলনটোৰ তৃণমূল পৰ্যায়ৰ কৰ্মী। গতিকে  তেওঁলোকৰ লগত আমি ওতঃপ্ৰোতভাৱে জড়িত থকাৰ সুবিধা নাছিল

তাৰ পিছত আকৌ আহিল বিদেশী বহিস্কাৰ আন্দোলন। সেই আন্দোলনটোত আমি আছিলো সুঠাম যুৱক। চাপৰিলৈ গৈ বিদেশী খেদা কাৰ্যসূচী বা অন্যান্য সকলো কাৰ্যসূচীতে আমি সক্ৰিয় ভূমিকা ল'ব লগা হৈছিল। প্ৰসংগত কওঁ যে সেই আন্দোলনটোত আমাৰ যিমান মানুহে প্ৰাণ দিলে তাতকৈ কম বিদেশীৰ মৃত্যু হ'ল বা কম বিদেশী বহিস্কৃত হ'ল। অথচ এই আন্দোলনটোৱে ইতিহাসত এক অনন্য স্থান অধিকাৰ কৰা বুলি আমি দাবী কৰো।

আন্দোলনৰ সমাপ্তিত অসম গণ পৰিষদৰ আৰ্বিভাৱ হ'ল। তাতো জড়িত হ'লো একমাত্ৰ জয়নাথ শৰ্মাৰ শুভকাংক্ষী হিচাপে। গতিকে অসম গণ

পৰিষদত তেওঁ যিমান দিন আছে আমাৰো সিমানেই দিন হ'ল। কি পালো, কি নাপালো হিচাপো কৰা নাই। মাথো তেওঁক সংগ দিয়াটো প্ৰধান দায়িত্ব হিচাপে একে ব্ৰতেৰে আজিও চলি আছো।

ছিপাঝাৰ সমষ্টিৰ যিবোৰ প্ৰাথমিক বিদ্যালয়ৰ গৃহ একেবাৰে পুতৌ লগা আছিল, সেই গৃহবোৰ পকীকৰণৰ বাবে তেওঁ লোৱা পদক্ষেপত আমাৰ নিজৰ গাঁৱৰ স্কুলখনৰো পকী ঘৰ নিৰ্মাণ কৰি কণ কণ ল'ৰা-ছোৱালীৰ উপকাৰ সধা কথাটোৱে মোক অতি আনন্দিত কৰিছিল।

অসম গণ পৰিষদৰ সাংগঠনিক দিশ সবল কৰিবলৈ মই আমাৰ আঞ্চলিকৰ সভাপতি হৈ পোন্ধৰ বছৰ কাৰ্যনিৰ্বাহ কৰিছিলো। গতিকে অঞ্চলটোৰ সামাজিক কামবোৰত তেওঁ লোৱা ভূমিকাৰ প্ৰত্যক্ষদৰ্শী হোৱাৰ সুযোগ পাইছিলো।

ব্যক্তিগতভাৱে তেওঁ মোক যথেষ্ট মৰম কৰে। মই তাৰ প্ৰতিদান দিব পাৰিছোনে নাই সেই কথা তেওঁ জানিব। কিন্তু সকলো সময়তে মই যে তেওঁৰ একান্ত শুভাকংক্ষী আছিলো, দুমুখীয়া নীতি লোৱা নাছিলো সেই কথা তেওঁ ভালকৈ জানিছিল।

ব্যক্তি হিচাপে জয়নাথ শৰ্মা এগৰাকী অসীম সাহসী, সৎ, ন্যায় পৰায়ণ আৰু সকলো ধৰ্মৰ প্ৰতি শ্ৰদ্ধাশীল ব্যক্তি। সেই হিচাপত তেওঁ শত্ৰুৰো শ্ৰদ্ধা আদায় কৰে। প্ৰখৰ স্মৃতি শক্তিৰ বাবে এবাৰ চিনাকি হোৱাৰ পিছত কোনো মানুহকে তেওঁ পাহৰি নাযায়।

তেনেকুৱা এগৰাকী ব্যক্তিৰ সান্নিধ্য পাই নিজে গৌৰৱবোধ কৰিছো আশা কৰিছো অনাগত দিনত তেওঁ অধিক উজ্জ্বল হৈ সেৱা কৰিবলৈ সুবিধা লাভ কৰিব। শেষত তেখেতৰ উজ্জ্বল ভৱিষ্যত আৰু দীৰ্ঘায়ু কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

❑❑❑

# ড° জয়নাথ শৰ্মা জিন্দাবাদ

- শিৱ প্ৰসাদ কলিতা

মাতৃভূমি অসমী আইৰ বুকুত জ্বলা বিদেশীৰ দপদপনিত অতিষ্ঠ হৈ কৰা আন্দোলনৰ শেষ দৃশ্যৰ যৱনিকাৰ আঁৰ কাপোৰ পৰিল। দিল্লীয়ে অসমলৈ পঠোৱা স্বাক্ষৰিত দলিলখনে অসমৰ ধৰালৈ আনন্দৰ বন্যা বোঁৱাই দিছে মাথো। এদিন দুজনমান মহাৰথীৰে নিশা প্ৰায় ন মান বজাত আমাৰ ঘৰত উপস্থিত এজন দাড়িপূৰ্ণ ব্যক্তি। বহিবলৈ দি গুৱা-পাণ আগবঢ়াই দি আগন্তুকৰ চিনাকি সহ আগমনৰ উদ্দেশ্য অৱগত কৰিবলৈ সেৱা ধৰিলো। এমোকোৰা হাঁহিৰে আৰম্ভ কৰিলে- "মই জয়নাথ শৰ্মা, ঘৰ ৰঙামাটিত, তোমাৰ ঘৰলৈ অনাহূতভাৱে আহিলো, তোমাৰ দেউতাৰ পৰা আশীৰ্বাদ বিচাৰি"। মই অবাক। নৰীয়া দেউতাৰ লগত চিনাকি কৰি দিলো। তেতিয়া শৰ্মাদেৱে দেউতাক নমস্কাৰ দি উদ্দেশ্য প্ৰকাশ কৰি ক'লে- "মই এইবাৰ অসমৰ হ'বলগীয়া নিৰ্বাচনত ছিপাঝাৰ সমষ্টিৰ পৰা 'অসম গণ পৰিষদ দল' নামৰ আঞ্চলিক দলৰ পৰা বিধায়ক প্ৰাৰ্থী হিচাপে থিয় দিব খুজিছো। আপুনি আশীৰ্বাদ দিয়ক আৰু শিৱক মোৰ প্ৰয়োজন বুলি কৈ আমাৰ ঘৰৰ পৰা ফলাহাৰ গ্ৰহণ কৰি বিদায় ল'লে। দেউতাই শৰ্মাদেৱক আনন্দৰ চকু লোতকেৰে বিদায় দিলে- "বোপাই বহু অসমীয়াৰ তেজ এই আন্দোলনৰ দাবানলত দিব লগা হ'ল, সিহঁতৰ আত্মাই আশাৰে বাট চাই আছে। সেই শ্বহীদৰ সপোন তোমালোকে পূৰণ কৰিব লাগিব আৰু কৰিব পাৰিবা, যোৱা আমাৰ আশীৰ্বাদ তোমালোকৰ প্ৰেৰণা হওক" বুলি কৈ এটা হুমুনিয়াহ কাঢ়ি বিদায় দিলে। ময়ো তেখেতসকলক বিদায় দি তেওঁলোকৰ গাড়ীৰ ধূলিময় বাটটোলৈ চাই আনাগত দিনবোৰৰ কথা ভাবি গাড়ীলৈ চাই শ্ৰদ্ধাৰে বাই বাই দিলো। সময় আগবাঢ়িল, জয়নাথ শৰ্মাৰ ঠিকনা বিধায়ক কলনি হ'ল। ছিপাঝাৰৰ ৰাইজ আনন্দত আত্মহাৰা হ'ল। গোটেই সমষ্টিৰ লোকে কৈ উঠিল আমি

এজন আমাৰ ভাষা বুজি পোৱা প্ৰতিনিধি পালো। জয়নাথ শৰ্মাদেৱে বিধান সভাৰ আসন দখল কৰিলে। সমষ্টিৰ উন্নতিৰ কাৰণে তেখেত ৰাইজৰ মাজত সোমাই পৰিল। ব্যৱহাৰিক কৌশল আৰু মনোযোগেৰে কৰা কামৰ ফলত ৰাইজৰ মনত আনন্দৰ বন্যা বৈ গ'ল। শৰ্মাদেৱৰ ব্যক্তিত্বই বিধান সভাত ৰাজহ বিভাগৰ মন্ত্ৰী পদত অলংকৃত কৰিলে। চৰকাৰ যি দলৰেই নহওক, ছিপাঝাৰ সমষ্টিৰ প্ৰতি দায়িত্ব আৰু কৰ্তব্য আন্তৰিকতাৰে আগবঢ়াই নিয়াতো মূলমন্ত্ৰ। এয়া শৰ্মাদেৱৰ ৰাইজৰ প্ৰতি দিয়া প্ৰতিশ্ৰুতি। তেনো মনোভাবেৰে আগবাঢ়ি গৈ থাকিল। যোগ্যতাৰ ভিত্তিত কৰ্ম সংস্থানৰ ব্যৱস্থা শৰ্মাদেৱৰ মূল লক্ষ্য। তেখেতৰ চেষ্টাতেই মই ১৯৮৮চনত বন বিভাগৰ সামাজিক বনানিকৰণ বিভাগত ভৰ্তি হওঁ। তিনি বছৰ কাল উক্ত বিভাগত সেৱা কৰি ব্যক্তিগত কাৰণত মই উক্ত বিভাগৰ পৰা অব্যাহতি লওঁ। অ' নতুন আঞ্চলিক দলৰ চৰকাৰ হোৱাৰ আগতে মই অন্য বিভাগত চাকৰি কৰি আছিলো। কেইমাহমানৰ মূৰত উক্ত বিভাগৰ পৰা অব্যাহতি লৈ আহো। কেইমাহমান শৰ্মাদেৱে মোক শিক্ষা বিভাগৰ বোনমাঝা মাদ্ৰাছা বিদ্যালয়ত নিযুক্তিৰ ব্যৱস্থা কৰি দিয়ে। তাতো নিয়তিয়ে মোৰ ফালে বক্ৰ দৃষ্টিৰে চালে। উক্ত বিভাগত শিক্ষকৰ দৰে সেৱা কৰি থাকোতে মোৰ চাকৰিৰ অৱসান ঘটে। তেতিয়া মই খেতি পথাৰলৈ ঢাপলি মেলিলো আৰু মই লঠাপাৰা শুক্ৰবৰীয়া আৰু মংগলবৰীয়া বজাৰলৈ মোৰ কাৰণে আবন্তিত এটি কোঠালৈ চিলাই মেচিনটো লৈ যোৱাটো নিয়মিত আৰম্ভ হ'ল। এদিন বজাৰত মোৰ চলন্ত মেচিনৰ ওপৰত টোকৰ পৰিল। মেচিন বন্ধ হ'ল। শুন তোমাক বিধায়ক জয়নাথ শৰ্মাদেৱে আজিয়েই মাতিছে। এক প্ৰকাৰ তাগিদাত কৈছিল দগীয়াপাৰা গাঁৱৰ প্ৰয়াত প্ৰদীপ কলিতা ককাইদেউ। শিৱদা, আপুনি মেচিন এৰক আৰু এতিয়াই যাওক, ছাৰে নিশ্চয় ভাল কামত মাতিছে। এই বক্তব্য খটৰা গাঁৱৰ কে. এছ. কে.ৰ মালিক শ্ৰীকুলেন কলিতাদেৱৰ। মিতা, মেচিন মই চম্ভালিম, আপুনি যাওক ঘৰত সোমাই যাব। এয়া মৰমসনা সুৰৰ তাগিদা শ্ৰীভূপেন ডেকাদেৱৰ। তেখেত মোৰ মিতা, গাঁও কমাৰ গাঁও। গুৱাহাটীৰ কাৰ্যসূচীৰ কথা গম পাই মোৰ পত্নী শ্ৰীকুঞ্জ কলিতাই এগাল ভাত খুৱাই মোক পঠোৱাত তৎপৰ হ'ল। কুঞ্জই মোক কৈছিল- আপোনাৰ যাৱতীয় কাগজ-পত্ৰ আদিবোৰ ল'ব নাপাহৰিব বুলি কৈ দুখনমান

তামোল কাটি মোৰ হাতত গুজি দি বিদায় দিলে। মই সেইদিনাই মোৰ কাগজ পাতিবোৰ বিধায়ক কলনিৰ তেওঁৰ কোঠাত লগ ধৰি চমজাই দিলো। শৰ্মা ছাৰেও মৰমেৰে চমজি লয়। শৰ্মাদেৱে মোৰ কাগজ পত্ৰবোৰ পৰীক্ষা কৰি মাননীয় বিত্ত মন্ত্ৰীৰ জৰিয়তে তেজপুৰস্থ জ্যেষ্ঠ কৰ অধীক্ষক কাৰ্যালয়ত মোৰ নিযুক্তিৰ বাবে যোগাযোগ কৰিলে। ১৯৯৩ চনৰ ১৬ জুন তাৰিখে মোৰ জীৱনৰ অন্তিমবাৰৰ চাকৰিত নিযুক্তি লৈ যোগদান কৰো। মোৰ লিখনিৰ জৰিয়তে মোৰ চিৰনমস্য মান্যবৰ ডঃ জয়নাথ শৰ্মাদেৱলৈ কৃতজ্ঞতা আৰু শ্ৰদ্ধা জনালো। হয়, মান্যবৰ শৰ্মাদেৱ অৱশ্যে বিৰোধী দলৰ এজন বিধায়ক আছিল। বিৰোধী দলত থাকিও এজন শাসকীয় দলৰ বিভাগীয় মন্ত্ৰীৰ দৰে কৰা কৰ্মৰ নমুনাহে মোৰ লিখনিত প্ৰকাশ কৰিলো।

ছিপাঝাৰ সমষ্টিৰ ৰাইজৰ কাৰণে শৰ্মাদেৱ আজিও জনপ্ৰিয়। যদিও শৰ্মাদেৱৰ সহধৰ্মিণী অকালতে ইহ সংসাৰ ত্যাগ কৰি পুন্যধামলৈ গতি কৰিলে, তথাপি স্বৰ্গগত পত্নীৰ প্ৰতি মৰম তথা কাৰুণ্যতা আৰু ভালপোৱাৰ প্ৰতিদান স্বৰূপে ৰাইজৰ পৰা বিচাৰিছিল আশীৰ্বাদ।

হে মহান, আপুনি ছিপাঝাৰ সমষ্টিৰ কাৰণে যিবোৰ সেৱা আগবঢ়ালে, যিবোৰ অনুষ্ঠান আপোনাৰ বিধায়ক আৰু মন্ত্ৰীত্বৰ সময়ত গঢ়িলে, যিমানবোৰ শিক্ষিত নিবনুৱাক কৰ্ম সংস্থান দি জীৱন গঢ়িলে, সেইবোৰৰ হিচাপ আপোনাৰ নাথাকিব পাৰে, কিন্তু যিয়ে পাইছে তথা ৰাইজে পাইছে তেওঁলোকৰ হৃদয়ৰ শিৰাই শিৰাই আন্তৰিকতাৰে আপোনাৰ জয়গান গাব। আজিও ছিপাঝাৰ সমষ্টিৰ ৰাইজে আপোনাৰ উপস্থিতি কামনা কৰে। আশাৰে বাট চাই আছে পদূলি মুখত ৰৈ। ৰাইজে বিচাৰে আপোনাৰ দৰে এজন প্ৰতিনিধি, যিয়ে সমষ্টিৰ ভাষা বুজি পায়, সৎ পৰামৰ্শ দিব পাৰে, যিজন ব্যক্তিয়ে আধ্যাত্মিক তথা ধৰ্মীয় বক্তব্যৰে সমাজ সংস্কাৰ কৰিব খোজে। আমি সদায় ভাবো আপুনি ছিপাঝাৰ সমষ্টিৰ দায়িত্ব লৈ পুনৰ ৰাইজৰ উন্নতিৰ কাৰণে আগবাঢ়ি যাওক।

❑❑❑

# কৰ্মযোগী
# ড° জয়নাথ শৰ্মাদেৱ

- কমলা কান্ত কলিতা

জনপ্ৰীতি ৰাজনীতি সদানীতে বাঢ়ে প্ৰীতি
হাঁহিমুখে সবাকো তোষেয়।
এনেজন জননেতা ড° জয়নাথ শৰ্মা
উজাগৰে কৰ্মক সাধয়।।
ক্ষত্ৰিয়ৰ ৰূপ ধৰি কঁকালে টঙালি মাৰি
দিন-ৰাতি কৰি একাকাৰ।
প্ৰজাৰ লগত ঘূৰে বিপদত লগ নেৰে
তীব্ৰ গতি কৰে প্ৰতিকাৰ।।
সমাজৰ সাধে হিত কৰ্মদক্ষে পৰিচিত
অসমৰ ৰাজহ মন্ত্ৰী ৰূপে।
সুখে দুখে সমভাগী জনগণ মধ্যে থাকি
এনে নেতা দিঠক স্বৰূপে।।
অ.গ.প.ৰ চৰকাৰ অসম সন্তান ৰূপে
থিয় দিলে দুটি কাৰ্যকাল।
কৰ্মদক্ষ জননেতা তীক্ষ্ণ মেধা বুদ্ধিমত্তা
চৰকাৰ চম্ভালে ভালে ভাল।।
ড° জয়নাথ শৰ্মাদেৱ হাঁহিমুখে কৰে সেৱ
পূৰ্বৰ সাধনে পৰিপক্ক।
অভেদ্য কবচ লই জ্ঞান মাৰ্গ ধনু লই
অক্ষতুন হস্তে খৰ্গহস্ত।।

ধন্য পিতৃ-মাতৃ তাৰা মহাভাগ্যবান পুত্ৰ (তাৰা- তেওঁ)
গৰ্ভে ধৰে সুশীলা জননী।
ঔৰস সাধন ভাল পৌৰস সাধিবে কাল
উপজিলা এহি শিশু গুটি।।
সৌভাগ্য উদিত ভৈলা বাঢ়ে শিশু দিনে গৈয়া
হৃষ্ট-পুষ্ট শিক্ষা-দীক্ষা লৈয়া।
ছাত্ৰৰ মুকুট পিন্ধি সমাজৰ মধ্যে তিনি (তিনি- তেওঁ)
শোভে সদা অগ্ৰগণী হৈয়া।।
সৌভাগ্য উদয় হৈলা মনোৰথ সিদ্ধি ভৈলা
জনতাৰো পুৰে হাবিয়াস।
মুখে লোৱা ৰাম নাম হস্তে কৰা নিজ কাম
সিদ্ধি হৈব সবাৰো প্ৰয়াস।।
ছিপাঝাৰ সমষ্টিত বিধায়ক পদবীতে
জয়নাথৰ উত্থান ঘটিলা।
বিজয় নিনাদ ধল চৌদিশে আস্ফালন
অ.গ.প.ৰ ধ্বজাক উৰাইলা।।
অ.গ.প.ৰ চৰকাৰ টোপ ধ্বনি বাৰবাৰ
প্ৰজাৰ আনন্দে নধৰয়।
নতুন যুগৰ যেন সূচনা হইলা তেন
প্ৰজাসৱে নিশ্বাস কাঢ়য়।।
ইটো দিন পাৰ হ'ল আজি ইতিহাস হ'ল
শৰ্মাদেৱ সমাজ মাজত।
পূৰ্ব দৰে বিৰাজয় সৰ্বস্থানে শোভা পায়
এনাজৰী পূৰ্বৰ সাজত।।
এনে হেন জননেতা শতবৰ্ষ অতিক্ৰমি
আয়ুলৈ জীয়ক ধৰণী।

সবাৰো মংগল মাগি মূৰ্খহৰ লিখনিৰ
সামৰণ কৈলো হাত যুৰি।।
শব্দৰ দুষণ যিটো ক্ষমা মাগি কৰো নতি
গুণী-জ্ঞানী মহন্তৰ পদে।
মহামূঢ় হুয়া মই গডুৰৰ পাখাছাত
কৰিয়া পৰিলো ভৱকুঁপে।।

❑❑❑

# বিশিষ্ট ৰাজনীতিবিদ ড° জয়নাথ শৰ্মা

- মহানন্দ কলিতা

ড° জয়নাথ শৰ্মা এগৰাকী প্ৰখ্যাত ৰাজনীতিবিদ, সমাজ সেৱক। তেওঁৰ সক্ৰিয় ৰাজনীতিৰ সময়ছোৱাত সমাজৰ হকে বহুতো ভাল কাম কৰি গৈ্ছে। তেওঁ সদায় সাধাৰণ ৰাইজৰ মাজত থাকি ভাল পাইছিল। নিজকে সাধাৰণ ৰাইজৰ মাজৰে এজন বুলি ভাবি সকলোৰে ভালৰ বাবে কাম কৰি গৈছিল। মাননীয় শৰ্মাদেৱে তেওঁৰ মন্ত্ৰীত্বৰ সময়ছোৱাত অসমৰ হিতৰ হৈ সজোৰে দাবী তুলিছিল। অসমৰ ৰাজনীতিত নিকা চৰিত্ৰৰ গৰাকী তথা ৰাজ্যৰ দীৰ্ঘকালৰ বিধায়ক ড° জয়নাথ শৰ্মাদেৱ অসমৰ ৰাজনীতিত এক উজ্জ্বল নক্ষত্ৰ স্বৰূপ। হিংসা সংঘৰ্ষ তথা বিভিন্ন সামাজিক সমস্যাৰে জৰ্জৰিত হৈ থকা অসমবাসীক শান্তি আৰু প্ৰগতিৰ দিশলৈ আগুৱাই নিয়া জননেতাজনৰ অৱদান ছিপাঝাৰবাসীৰ লগতে সমগ্ৰ অসমবাসীয়ে চিৰদিন স্মৰণ কৰিব।

সাধাৰণ হৈও অসাধাৰণ, অসাধাৰণ হৈও সাধাৰণ এজন ব্যক্তি। তেওঁৱেই ৰাজ্যৰ প্ৰাক্তন ৰাজহ মন্ত্ৰী ড° জয়নাথ শৰ্মাদেৱ। আজীৱন সাধাৰণ মানুহৰ সৈতেই সাধাৰণ জীৱন যাপন কৰা শৰ্মাদেৱ এজন সফল ৰাজনীতিবিদ হোৱাৰ উপৰিও এজন প্ৰসিদ্ধ সমাজ সেৱক।

ড° জয়নাথ শৰ্মাদেৱ এজন সুদক্ষ বক্তা। বিধান সভাৰ বিতৰ্কত অংশ লৈ বলিষ্ঠ কণ্ঠেৰে ছিপাঝাৰবাসীৰ লগতে সমগ্ৰ অসমবাসীৰ স্বাৰ্থৰ হকে মাত মাতিছিল। মন্ত্ৰী হিচাপে তেওঁ অসমৰ সৰ্বাংগীণ উন্নয়নৰ হৈ কাম কৰিছিল। বিৰোধী দলত থকাৰ সময়তো তেওঁৰ ভূমিকা দেখি জনসাধাৰণে অতিশয় প্ৰশংসা কৰিছিল।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ দৰং জিলাত অতি শক্তিশালী গণভিত্তি থকা এগৰাকী সক্ৰিয় ৰাজনৈতিক নেতা ড° জয়নাথ শৰ্মাদেৱ। তেওঁ সদায় ৰাজ্যৰ সকলো গুৰুত্বপূৰ্ণ সামাজিক বিষয়ত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে আৰু নিজৰ মত প্ৰকাশ কৰে সমাজৰ উন্নয়নৰ হকে।

শেষত মাননীয় ড° জয়নাথ শৰ্মাদেৱৰ সু-স্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰিছো। তেওঁৰ দৰে সুদক্ষ ৰাজনীতিবিদ শিক্ষাবিদৰ আমাৰ সমাজত খুবেই প্ৰয়োজন। তেওঁ সমাজৰ হকে ভাল ভাল কাম কৰি যাওক আৰু সাধাৰণ মানুহৰ হকে সদায়ে মাত মাতি যাব পৰাকৈ সুস্থ সবল হৈ থাকক।

❑❑❑

# ড° জয়নাথ শৰ্মাৰ সান্নিধ্য

- হৰেন্দ্ৰ কলিতা

অসমৰ প্ৰতিষ্ঠিত ৰাজনীতিবিদ, সুদক্ষ বিধায়ক, মন্ত্ৰী আৰু প্ৰাক্তন ছাত্ৰ নেতা ড° জয়নাথ শৰ্মাদেৱৰ বিষয়ে লিখিব গ'লে বহু কথাই মনলৈ আহে। ১৯৭৯ চনৰ পৰা অসমত আৰম্ভ হোৱা বিদেশী বিতাড়ণ আন্দোলনৰ সময়ত লগ পোৱা আন আন ছাত্ৰ নেতাসকলৰ ভিতৰত অন্যতম আছিল ড° জয়নাথ শৰ্মাদেৱ। সদৌ অসম ছাত্ৰ সন্থাৰ স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক হিচাপে উদাত্ত ভযণেৰে অসমৰ বিভিন্ন অঞ্চলৰ ৰাইজক আন্দোলনৰ তাৎপৰ্য ব্যাখ্যা কৰি ৰাইজক একত্ৰিত কৰিছিল। সেই সময়ৰ আন্দোলনকাৰী নেতা মাননীয় প্ৰফুল্ল কুমাৰ মহন্ত, প্ৰয়াত ভৃগু কুমাৰ ফুকন, নগেন শৰ্মা, ললিত ৰাজখোৱা, নৰুল হুছেইন, তিলক প্ৰসাদ বৰুৱা, বৰ্তমানৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী আদিৰ বক্তব্য আমি শুনিবলৈ পাইছিলো কিন্তু ড° জয়নাথ শৰ্মাদেৱ আছিল অনন্য আৰু অন্যতম।

মই তেতিয়া দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ। অৱশ্যে সেই সময়ত মই আনসকলৰ লগত সভা-সমিতি আদিত অংশ লোৱা, ভাষণ শুনাৰ লগতে সৰু-সুৰা কাম কৰিছিলো। গণ সমাৱেশবোৰত ডঃ জয়নাথ শৰ্মাদেৱ আহিব বুলি প্ৰচাৰ হ'লে ৰাইজে তেখেতৰ ভাষণ শুনিবলৈ স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছিল। বহু সভা-সমিতিত পুলিচে তেখেতক অংশগ্ৰহণ কৰাত বাধা প্ৰদান কৰে। সময় বাগৰিল। ক্ৰমাৎ আন্দোলনে ভৰপক দিলে। আমিবোৰ লাগি থাকিলো। কেৱল ৰেডিঅ'ৰ বাতৰি আৰু দুই এখন বাতৰি কাকতত খবৰবোৰ পাব ধৰিলো। ১৯৮৩ চনৰ ৰক্তাক্ত আন্দোলন আৰু পিছলৈ পুলিচে ছাত্ৰ সন্থাৰ নেতাসকলক গ্ৰেপ্তাৰ কৰা আদি বিভিন্ন আতিশয্য চলোৱা হৈছিল।

ড° জয়নাথ শৰ্মাদেৱ ইয়াৰ ব্যতিক্ৰম হোৱা নাছিল।

১৯৮৫ চনৰ ১৫ আগষ্টত যেতিয়া অসম চুক্তি স্বাক্ষৰ হৈছিল তেতিয়া অন্যান্য নেতৃবৃন্দৰ লগতে ড° জয়নাথ শৰ্মাদেৱক বিভিন্ন সভা-সমিতিত লগ পোৱাৰ সৌভাগ্য হৈছিল। বক্তব্যৰ দ্বাৰা চুক্তিৰ বিভিন্ন দফা তেখেতে ব্যাখ্যা কৰিছিল।

**ৰাজনীতিবিদ হিচাপে শৰ্মাদেৱ ঃ**

অসম চুক্তিৰ পিছত গঠন হোৱা অসমৰ আঞ্চলিক দল 'অসম গণ পৰিষদ' দলৰ পৰা ডঃ শৰ্মাদেৱে ৬৬ নং ছিপাঝাৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰে। মই তেতিয়া মেট্ৰিক পাছ কৰি দুনী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম বৰ্ষৰ ছাত্ৰ। ভোটাধিকাৰ নাই যদিও নিজ শক্তিৰে অন্যবোৰৰ লগতে নিৰ্বাচনত সক্ৰিয় অংশগ্ৰহণ কৰিছিলো। বিধায়ক হিচাপে তেখেতে লোৱা উন্নয়নৰ পদক্ষেপসমূহত আমি ছাত্ৰ সন্থাৰ কৰ্মী হিচাপে সৌহাদ্যপূৰ্ণ সহযোগ কৰিছিলো। দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ সহঃ সম্পাদক, পিছলৈ সভাপতি হিচাপে অঞ্চলটোৰ বিভিন্ন উন্নয়নমূলক কামযকাজত বহুবাৰ আলোচনা কৰি আমি কাৰ্যব্যৱস্থা হাতত লৈছিলো। একেবাৰে পিছপৰা সমষ্টিটোৰ ড° জয়নাথ শৰ্মাদেৱৰ বলিষ্ঠ নেতৃত্বত যথেষ্ট উন্নতিৰ মুখ দেখা গৈছিল। একেৰাহে বিশ বছৰ কাল বিধায়ক তথা দুটা কাৰ্যকালত মন্ত্ৰী হিচাপে বলিষ্ঠ পদক্ষেপ লৈ সমষ্টিটোৰ বিভিন্ন উন্নয়নমূলক কাম কৰাটো পৰিলক্ষিত হৈছিল। আমি ছিপাঝাৰ সমষ্টিৰ মানুহ বুলি গৌৰৱ কৰিব পাৰিছিলো। অসমৰ বিভিন্ন ঠাইত গ'লে ছিপাঝাৰৰ মানুহ বুলি ক'লে ড° জয়নাথ শৰ্মাদেৱৰ সমষ্টিৰ মানুহ বুলি গুৰুত্ব দিছিল। আনকি বিভিন্ন কাৰ্যালয়ত বিষয়া কৰ্মচাৰীসকলেও ছিপাঝাৰ সমষ্টিৰ মানুহ বুলি ক'লে কামবিলাক পৰাপক্ষত সোনকালে কৰি দিছিল।

১৯৯৫ চনত মঙলদৈ গান্ধীমৈদানত হোৱা সমাৰেশত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ উপস্থিতিত মোৰ নেতৃত্বত দুনী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰায় ১০৫ গৰাকী প্ৰাক্তন বিষয়ববীয়াই অ.গ.প. দলত যোগদান কৰাৰ পিছত বিভিন্ন দলীয় কাম-কাজ আদি কৰা ক্ষেত্ৰত ড° শৰ্মাদেৱক বহু ওচৰৰ

পৰা পাইছিলো। ১৯৯৬ চনৰ মাৰ্চ মাহত তেখেতৰ পূৰ্ণ সহযোগত মই চৰকাৰী চাকৰি লাভ কৰিছিলো। তাৰ পিছৰ পৰা কৰ্মচাৰী আৰু বিধায়ক বা মন্ত্ৰী হিচাপে দূৰত্ব বজাই ৰাখি এতিয়ালৈ চলি আছো। বৰ্তমান তেওঁ বিধায়ক নহয় যদিও দাদা-ভাই হিচাপে সম্পৰ্ক বজাই ৰাখিছো। ব্যক্তিগতভাৱে লগ পোৱাৰ উপৰিও দূৰভাষ যোগে খা-খবৰ আদান-প্ৰদান কৰি আছো। মই তেখেতক কি সহায় কৰিব পাৰিছো নাজানো যদিও তেখেতৰ কৃপাত বৰ্তমান ভাতমুঠি খাই আছো, পৰিয়াল পোহপাল দি সমাজত থিয় দি আছো।

শেষত শ্ৰদ্ধেয় ড° জয়নাথ শৰ্মাদেৱৰ লগতে পৰিয়ালবৰ্গৰ সু-স্বাস্থ্য কামনা কৰিলোঁ।

❑❑❑

# শ্ৰদ্ধাৰ ড° জয়নাথ শৰ্মাদেৱলৈ অভিনন্দন

– কৰুণা কান্ত কলিতা

এগৰাকী ছাত্ৰনেতা হিচাপে আত্মপ্ৰকাশ কৰি পৰৱৰ্তী সময়ত ছিপাঝাৰ বিধান সভা সমষ্টিৰ একেৰাহে কুৰি বছৰৰ (১৯৮৫-৯৫) বিধায়ক তথা অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী ড° জয়নাথ শৰ্মা এগৰাকী বিশিষ্ট ৰাজনীতিবিদ। ছিপাঝাৰ সমষ্টিৰ লগতে সামগ্ৰিকভাৱে দৰং জিলাৰ আৰ্থ-সামাজিক, শৈক্ষিক ক্ষেত্ৰৰ প্ৰতি ডঃ জয়নাথ শৰ্মাৰ অৱদান উল্লেখনীয়।

১৯৭২ চনত আমি যেতিয়া ৭ম শ্ৰেণীৰ ছাত্ৰ আছিলো তেতিয়া অসমত অসমীয়া ভাষা ৰাজ্যিক ভাষা হিচাপে স্বীকৃতি লাভ কৰিবলৈ ভাষা আন্দোলন চলিছিল। দৰঙতে এই আন্দোলনৰ আৰম্ভণি বুলি কোৱা শুনিছিলো। পশ্চিম দৰঙৰ ৰঙামাটি মৌজাৰ এখন অখ্যাত গাঁও সৰু থেকেৰাবাৰীত জন্ম গ্ৰহণ কৰা ড° জয়নাথ শৰ্মাদেৱে এই আন্দোলত দৰং জিলা ছাত্ৰ সন্থাৰ নেতৃত্ব বহন কৰিছিল। আন্দোলনৰ কালছোৱাত ড° শৰ্মাদেৱৰ সাহস, প্ৰত্যুৎপন্নমতি, বাকচাতুৰ্য্য আদি গুণ প্ৰকাশ পাইছিল। ড° জয়নাথ শৰ্মাদেৱে এফালে আন্দোলনৰ নেতৃত্ব লৈছিল যদিও অধ্যয়নৰ ব্যস্ততাও এৰা নাছিল। যিহেতু তেখেতে চূড়ান্ত পৰীক্ষাসমূহত মেধাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল।

১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন। বিদেশী নাগৰিক চিনাক্তকৰণ আৰু বহিষ্কৰণৰ দাবীত ছয় বছৰীয়া গণ আন্দোলন চলিছিল। আবাল-বৃদ্ধ-বনিতা সকলোৱে নিজৰ নিজৰ পৰ্যায়ত এই আন্দোলনত জড়িত হৈ পৰিছিল। ডঃ জয়নাথ শৰ্মাদেৱ এই আন্দোলনত সদৌ অসম ছাত্ৰ

সন্থাৰ নেতৃত্ববহনকাৰী আছিল। পৰৱৰ্তী সময়ত ১৯৮৫ চনত ঐতিহাসিক অসম চুক্তি স্বাক্ষৰ হোৱাৰ পিছত গঠিত অসম গণ পৰিষদ চৰকাৰৰ ছিপাঝাৰ বিধান সভা সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী হিচাপে দায়িত্ব ভাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। ড° জয়নাথ শৰ্মাদেৱ এগৰাকী জনপ্ৰতিনিধি তথা মন্ত্ৰী হিচাপে ছিপাঝাৰ সমষ্টিৰ লগতে সমগ্ৰ দৰঙৰ উন্নয়নৰ ক্ষেত্ৰত উল্লেখনীয় অৱদান আগবঢ়াইছিল। বিশেষকৈ চৰ অঞ্চলত থলুৱালোকক মাটিৰ পট্টা প্ৰদান, নিবনুৱা যুৱক-যুৱতীৰ সংস্থাপন, ৰাজহুৱা খণ্ডৰ অনুষ্ঠানলৈ আগবঢ়োৱা অনুদান তথা ৰাস্তা পকীকৰণ আদি উল্লেখযোগ্য। মই এগৰাকী দগীয়াপাৰা গাঁৱৰ বাসিন্দা হিচাপে উল্লেখ কৰিব লাগিব যে ড° জয়নাথ শৰ্মাদেৱে বিধায়কৰ কাৰ্যকালতে দগীয়াপাৰা শ্ৰীশ্ৰীবিষ্ণু মন্দিৰ উন্নয়নৰ হকে এটি পুখুৰী খন্দাৰ বাবে অনুদান আগবঢ়াই মহৎ কাম কৰিছিল। তাৰ বাবে মন্দিৰ পৰিচালনা সমিতি আজিও কৃতজ্ঞ। ইয়াৰ উপৰিও বৃহত্তৰ দগীয়াপাৰা অঞ্চলৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ বহুতকে কৰ্ম সংস্থান দি দুখীয়া দৰিদ্ৰ পৰিয়ালৰ মহৎ উপকাৰ সাধন কৰিছিল।

আজিও ড° জয়নাথ শৰ্মাদেৱক যিকোনো অনুষ্ঠান সভা-সমিতি আদিত এই অঞ্চলৰ ৰাইজে আমন্ত্ৰণ জনোৱাটো নিয়মত পৰিণত হৈছে। ডঃ জয়নাথ শৰ্মাদেৱেও এই অঞ্চলৰ ৰাইজৰ সুখ-দুখত সমভাগী হোৱা দেখি আহিছো। উল্লেখ্য যে দগীয়াপাৰা শ্ৰীশ্ৰীবিষ্ণু মন্দিৰত বত্ৰিশ বছৰে চলি অহা কাতিমহীয়া সপ্তাহ যজ্ঞ (অখণ্ড ভাগৱত পাঠ) অনুষ্ঠানত উপস্থিত থাকি আধ্যাত্মিক বক্তব্যৰ ভক্তপ্ৰাণ ৰাইজক আপ্লুত কৰাৰ লগতে পৰিচালনা সমিতিক উৎসাহ যোগাই আহিছে।

শেষত শ্ৰদ্ধাৰ ডঃ জয়নাথ শৰ্মাদেৱৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু তথা অনাগত দিনবোৰ সুখকৰ হোৱাৰ অলেখ কামনাৰে সামৰণি মাৰিলোঁ।

❑❑❑

# অসমৰ প্ৰাক্তন ৰাজহ মন্ত্ৰী ড° জয়নাথ শৰ্মাদেৱলৈ অভিনন্দন

- কুলেন কলিতা

ঐতিহাসিক অসম আন্দোলনৰ নেতৃত্ব বহনকাৰী, সু-বক্তা, অসম বিধান সভাৰ ছিপাঝাৰ সমষ্টিৰ প্ৰতিনিধি ড° জয়নাথ শৰ্মাদেৱ আমাৰ লঠাপাৰা গাঁৱৰ অতি আত্মীয়। লঠাপাৰা গাঁৱৰ সমূহীয়া উন্নতি অসম গণ পৰিষদ চৰকাৰৰ দিনত ড° জয়নাথ শৰ্মাদেৱৰ দিনতে আৰম্ভ হয়। অসম গণ পৰিষদ চৰকাৰৰ আগতে আমাৰ গাঁৱৰ বাট-পথ, গাঁৱত বিজুলী যোগানৰ ব্যৱস্থা নাছিল। ড° জয়নাথ শৰ্মাদেৱৰ কৃপাত, কাৰ্যদক্ষতাত গোটেই গাওঁখনতে বিজুলী যোগানৰ ব্যৱস্থা হৈছিল। এক দিনাই আলোকেৰে আলোকিত হৈ পৰাত গাওঁবাসীয়ে উৎফুল্লিত হৈ আনন্দ উল্লাস কৰিছিল। পশ্চিম মঙলদৈ কৃষকৰ উন্নতিৰ হকে ৰাইজৰ বিপুল দাবীত ড° শৰ্মাদেৱৰ নেতৃত্বত লঠাপাৰাত কালপানী নদীত ১৪ লাখ টকাৰ বান্ধৰ বাবদ অনুমোদন হয়। উক্ত ধন বান্ধ নিৰ্মাণত যথাযোগ্য নোহোৱাত ধনখিনি অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত বিতৰণ কৰাত ড° জয়নাথ শৰ্মাদেৱৰ সমগ্ৰ পশ্চিম মঙলদৈ অঞ্চলতে আপোন হৈ পৰে। সেই ১৪ লাখ টকাৰ পৰাই লঠাপাৰা গাঁৱৰ সমূহীয়া অনুষ্ঠান লঠাপাৰা শিৱ মন্দিৰৰ উন্নতিৰ অৰ্থে এটি ডাঙৰ পুখুৰী খন্দা হয়। এই পুখুৰীটো বৰ্তমান লঠাপাৰা শিৱ মন্দিৰ পৰিচালনা সমিতিয়ে মৎস্য পালনৰ জৰিয়তে অৰ্থ উপাৰ্জন কৰি মন্দিৰৰ উন্নতি সাধন কৰিছে। পশ্চিম মঙলদৈ অঞ্চলত অৱস্থিত নগাঁও জনতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাথঁনিৰ উন্নয়নৰ ক্ষেত্ৰত ড° জয়নাথ শৰ্মাদেৱৰ উল্লেখযোগ্য অৱদান আছে। ড° জয়নাথ শৰ্মাদেৱে নগাঁও জনতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ শৈক্ষিক উন্নতিত অৰিহণা যোগোৱাৰ ফলত বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ সমূহীয়া প্ৰচেষ্টাত কেইবা বছৰো হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল এশ শতাংশ দেখুৱাবলৈ সক্ষম হৈছিল।

ড° জয়নাথ শৰ্মাদেৱৰ কাৰ্যকালত আমাৰ অঞ্চলত নিবনুৱাসকলে

কিছু পৰিমাণে চাকৰি পাবলৈ সক্ষম হৈছিল, তাৰ ভিতৰত আমাৰ লঠাপাৰা গাঁও ব্যতিক্ৰম নহয়। আমাৰ অঞ্চলৰ প্ৰতিটো অনুষ্ঠানত ড° জয়নাথ শৰ্মাদেৱৰ অৰিহণা আছে। ড° জয়নাথ শৰ্মাদেৱৰ কৃত-কৰ্মৰ ফলত লঠাপাৰা গাঁৱত অসম গণ পৰিষদ দলৰ সুনাম আছিল। আমাৰ অঞ্চলত অনুষ্ঠিত নগাঁও জনতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৰূপালী জয়ন্তী, লঠাপাৰা প্ৰাথমিক বিদ্যালয়ৰ সোণালী জয়ন্তী, লঠাপাৰা শিৱ মন্দিৰৰ সোণালী জয়ন্তী পালনত ড° জয়নাথ শৰ্মাদেৱৰ অৰিহণা আছে। আমাৰ লঠাপাৰা, নাপ্তাপাৰা, দগীয়াপাৰা, নগাঁও গাঁৱৰ মানুহৰ লগত অসম গণ পৰিষদৰ গুৰুত্বপূৰ্ণ সময়ত প্ৰতিঘৰ মানুহৰ লগত সম্পৰ্ক স্থাপন হৈছিল। এবাৰ দলীয় নীতি নিয়মত অসন্তুষ্ট হৈ ড° জয়নাথ শৰ্মাদেৱে অসম গণ পৰিষদ দল এৰাৰ পিছতো ব্যক্তিগতভাৱে আমাৰ অঞ্চলৰ ৰাইজে সম্পৰ্ক স্থাপন কৰিছিল। আমাৰ লঠাপাৰা গাঁৱৰ প্ৰতিটো পৰিয়ালৰ ড° জয়নাথ শৰ্মাদেৱৰ প্ৰতি শ্ৰদ্ধা আছে। আমাৰ গাঁৱৰ ব্যক্তিসকলৰ বিপদ-আপদ, উৎসৱ-পাৰ্বণ আদিত ড° জয়নাথ শৰ্মাদেৱৰ অৰিহণা যথেষ্ট।

আমাৰ গাঁৱৰ মানুহে ড° জয়নাথ শৰ্মাদেৱৰ লগত সম্পৰ্ক থকা হেতু তেওঁৰ পৰিয়ালৰ লগতো সম্পৰ্ক স্থাপন কৰি সুখ-দুখৰ সমভাগী হৈছিল। ড° জয়নাথ শৰ্মাদেৱ এগৰাকী বিধায়ক বা মন্ত্ৰী হিচাপে অৰিহণা যোগোৱাই নহয়, তেওঁ অঞ্চলৰ ব্যক্তিসকলক আধ্যাত্মিক জ্ঞানদান কৰাটো উল্লেখযোগ্য। ডঃ শৰ্মাদেৱ এগৰাকী অধ্যয়ন পুষ্ট ব্যক্তি। বিধায়ক হৈ থকা সময়তো তেওঁ প্ৰতিদিনে অধ্যয়ন কৰি আহিল বুলি মোৰ ধাৰণা। যিমানদিন তেওঁৰ ওচৰলৈ ৰাজহুৱা অভাৱ-অভিযোগ লৈ গৈছো, সেই সমস্যা-অভাৱ দূৰ কৰাটো তেওঁৰ এটি গুৰুত্বপূৰ্ণ গুণ।

ড° জয়নাথ শৰ্মাদেৱৰ শ্ৰদ্ধাৰ্ঘ্য গ্ৰন্থৰ জৰিয়তে তেওঁৰ সহধৰ্মীনী আমাৰ গাঁৱৰ তথা অঞ্চলৰ লগত সু-সম্পৰ্ক স্থাপন হোৱা ড° অনিতা শৰ্মা বৰুৱা বাইদেউৰ আত্মাৰ চিৰশান্তি কামনা কৰিলো। তেওঁৰ পৰিয়ালৰ সু-মংগলৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। আমাৰ লঠাপাৰা গাঁৱৰ প্ৰতিটো পৰিয়ালৰ তৰফৰ পৰা শ্ৰদ্ধা জ্ঞাপন কৰি ড° জয়নাথ শৰ্মাদেৱৰ সু-স্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই লিখনিৰ সামৰণি মাৰিলো। ❑❑❑

# স্মৃতিৰ-পাপৰি জয়-পদ্মপৰি

- ব্ৰজেশ্বৰ শৰ্মা

লিখনিৰ শিৰোনামটো পঢ়িলে দেখা যায় যে ই এটা অবুজ সাঁথৰ। ইয়াত দুটা শব্দৰ সংমিশ্ৰণে পাঠকৰ মনত এটা খেলি-মেলিৰ সৃষ্টি কৰিব যদিও পিছলৈ ই পাঠকৰ অনুমেয় হ'ব। অৰ্থাৎ জয় শব্দটোৱে জয়নাথ বৰ্তমানৰ ডং জয়নাথ শৰ্মা আৰু পদ্মপৰি শব্দটোৱে সৰু থেকেৰাবাৰী গাঁৱৰ (প্ৰায় ১৬ বিঘা মাটি জুৰি) এটা বিশাল পদুম ফুল থকা পুখুৰীৰ কথা কোৱা হৈছে। এই খিনিতে পঢুৱৈ সমাজৰ এটা প্ৰশ্নৰ অৱকাশ থাকিব পাৰে- পদ্মপৰি পুখুৰী নামটো ইয়াত কিয় সন্নিৱিষ্ট কৰা হ'ল? আপোনালোকে জানি সুখী হ'ব যে পদ্মপৰি পুখুৰী অবিহনে থেকেৰাবাৰী গাঁৱৰ অস্তিত্ব নাই। এই পুখুৰীটোক কেন্দ্ৰ কৰিয়েই ইয়াৰ পাৰত এক বিশাল শিৱ মন্দিৰ, এখন প্ৰাইমাৰী বিদ্যালয়, এটা সংঘ, এটা সমাজ কল্যাণ কেন্দ্ৰ আদি অনুষ্ঠান-প্ৰতিষ্ঠান উজ্বলি আছে। অতীজতে এই পুখুৰীৰ পৰাই প্ৰায় হেজাৰ-বাৰশ পৰিয়ালে পানী খাই জীৱন নিৰ্বাহ কৰিছিল। আজি কিছু বছৰ আগৰ পৰা এই পুখুৰীটো মৎস্য উৎপাদনৰ আহিলা হিচাপে আৰতি সংঘৰ তত্বাৱধানত ব্যৱহাৰ কৰি অহা হৈছে।

এই পুখুৰীটোক এই কাৰণেই গাঁওখনৰ প্ৰাণকেন্দ্ৰ বুলি কোৱা হৈছে যে ইয়াৰ দক্ষিণ ফালে ডঃ জয়নাথ শৰ্মাৰ জন্ম স্থান, যাক ভাণ্ডুৰীচুবা বুলি জনা যায়। ইয়াৰ পাৰৰ সৰু থেকেৰাবাৰী বালক প্ৰাইমাৰী বিদ্যালয়খনতে তেওঁক মই মাত্ৰ দুটা শ্ৰেণী অৰ্থাৎ 'ক' শ্ৰেণী আৰু 'খ' শ্ৰেণীত বিদ্যালয় সতীৰ্থ হিচাপে লগ পাইছিলো। প্ৰাথমিক পৰ্যায়ৰ বাকী কেইটা শ্ৰেণী তেওঁ ওচৰৰে অন্য এখন বিদ্যালয়ত অধ্যয়ন কৰিছিল। সেই দুটা শ্ৰেণীৰ সংযোগেই আজিও মোৰ মানসপটত সাঁচ বহুৱাই থৈছে। তেতিয়াৰ পৰাই তেওঁৰ নেতৃত্বৰ

আভাস পোৱা যায়। স্বভাৱত অতি চতুৰ আৰু দূৰদৰ্শী হোৱা বাবে তেখেতক বিদ্যালয়ৰ হেডছাৰে চাফাই মন্ত্ৰীৰ দায়িত্ব দিছিল আৰু সেই দুয়োটা শ্ৰেণীতেই তেওঁ উক্ত দায়িত্ব পালন কৰিছিল। ৰাতিপুৱা বিদ্যালয় আৰম্ভ হোৱাৰ আগতে বিদ্যালয়ত চাফাই কাম কৰোতে (ছাৰহঁতৰ অনুমতি ক্ৰমে) হাতত এডাল এচাৰি লৈ উক্ত দায়িত্ব পালন কৰিছিল। ইয়াৰ পিছত শ্ৰেণী সতীৰ্থ হিচাপে মঙলদৈ কলেজত পাইছিলো যদিও মই পঢ়িছিলো কলা শাখাত আৰু তেওঁ পঢ়িছিল বিজ্ঞান শাখাত। কলেজতো তেওঁ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছিল।

এই খিনিতে আন এটা ঘটনাৰ কথা উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো। মই যেতিয়া মঙলদৈ মহাবিদ্যালয়ত পি. ইউ. পঢ়ি আছিলো, তেতিয়া কলেজৰ পশ্চিম ফালে উপহুপাৰা তৃতীয় কলনীত ঘৰ ভাড়া কৰি আছিলো। উক্ত কলনিতেই জয়নাথ শৰ্মাইয়ো ভাড়া ঘৰত থাকি উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমত অধ্যয়ন কৰি আছিল। তেতিয়া সেই কলনি বিলাকত স্থায়ীভাবে বসতি কৰা মানুহ খুব কম আছিল, প্ৰায়বোৰতেই কলেজত পঢ়া ছাত্ৰই বেছি আছিল। ইতিপূৰ্বে মই উল্লেখ কৰিছোৱেই যে তেওঁ অতি তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ হোৱাৰ লগতে অতি চতুৰ আছিল। তেওঁ কেতিয়াও ৰাতি ৯-১০ বজাৰ আগতে শোৱা বা অধ্যয়ন কৰা অভ্যাস নাছিল। সেই সময়খিনিত তেওঁ প্ৰায়ে ওচৰৰ ভাড়া ঘৰ বা মেচবিলাকত টুকুৰিয়াই  ছাত্ৰসকলক সামাজিক ন্যায় বিচাৰৰ বাবে উদ্বুদ্ধ কৰিচিল। জাতীয় চেতনা জাগ্ৰত কৰিবলৈ যত্ন কৰিছিল। অদ্যয়ন আৰু সমাজসেৱা দুয়োটাৰে প্ৰয়োজনীয়তাৰ কথা বুজাইছিল। ১০ বজাৰ পিছত তেওঁ ৰাতি ১-২ বজালৈ অধ্যয়ন কৰিছিল।

এইখিনিতে আন এটা স্মৰণীয় ঘটনা উল্লেখ নকৰি নোৱাৰিলো। তেতিয়া আমি পি. ইউ. পঢ়ি আছিলো। ১৯৭৫-৭৮ চনৰ কথা। সেই দিনা দ্বিতীয় ফাকুৱাৰ দিন। মেচবিলাকলৈ আহি ফাকুৱা খেলাৰ বাবে সকলোকে একত্ৰিত হ'বলৈ কোৱাত আমিও ওলাই আহিলো আৰু ফাকু খেলিলো। তেতিয়া প্ৰায় দিনৰ ১১-১২ মান বাজিছে। তেওঁ ক'লে যে আমি সকলোৱে এতিয়া ৰাস্তাত ফাকু খেলিম আৰু গাড়ীবিলাক ৰখাই গাড়ীৰ পৰা কিছু পইচা

সংগ্ৰহ কৰিম। প্ৰায় ২০-২৫ জন ছাত্ৰ ওলাই ৰাস্তাত ফাকু খেলিবলৈ গ'লো। প্ৰায় এঘণ্টামান ফাকু খেলাৰ পিছত গুৱাহাটীৰ পৰা তেজপুৰ অভিমুখী বাছ এখন ৰখাই ফাকু দিব খোজোতে গাড়ীৰ ড্ৰাইভাৰে বাধা প্ৰদান কৰে কটু মন্তব্য কৰে। তেতিয়া জয়নাথ শৰ্মাৰ খং উঠিল আৰু তেওঁৰ নিৰ্দেশত কোনোবা এজনে ইতিমধ্যে মাটি বোকা আৰু ৰঙৰ দুটা বাল্টি লৈ গৈ গাড়ীখনত বোকা মৰাৰ উপৰি ড্ৰাইভাৰজনক গাড়ীৰ পৰা টানি নমাই আনি ৰং বোকা মূৰত জাপি দিলে। শেষত ড্ৰাইভাৰে কোনো ৰকম গাড়ীখন লৈ গৈ মঙলদৈ থানাত হাজিৰ হৈ উক্ত ঘটনাৰ কথা বিৱৰি ক'লে। কিছু সময়ৰ পিছত থানাৰ পৰা পুলিচৰ দল এটা গাড়ী লৈ উপস্থিত হ'ল সেই স্থানত। গাড়ী অহাৰ উমান পায়েই সকলো পলাই পত্ৰং দিলে। দুজন অন্য ল'ৰাকহে পুলিচে লৈ গ'ল। আকৌ শুনিলো যে অলপ পিছতে পুলিচে গোটেই অঞ্চলটো ঘেৰাও কৰিব। গতিকে আমিও সকলো আশা এৰি চাপৰিৰ মাজেৰে প্ৰায় পাঁচ কিলোমিটাৰ দৌৰি পলাই কোনো ৰকম নিজৰ ঘৰ পালো।

সেই সময়ৰ উপস্থিত বুদ্ধি সম্পন্ন উদ্যমী, উৎসাহী ল'ৰাজনেই বৰ্তমানৰ ড° জয়নাথ শৰ্মা। নষ্টালজিক হৈ তেখেতৰ জীৱনৰ সৈতে জড়িত কিছু কথা উল্লেখ কৰিলো। পৰৱৰ্তী জীৱন কালৰ বিস্তৃত বিৱৰণ ইতিমধ্যে অসমৰ ৰাইজে জানে। লিখনিত মোৰ হয়তো ক'ৰবাত কেতিয়াবা আঁত হেৰাই যাব পাৰে তাৰ বাবে মই পঢুৱৈ সমাজৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলো লগতে শৰ্মাদেৱৰ উজ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

❑❑❑

# সহপাঠী ড° জয়নাথ শৰ্মা

- কনক চন্দ্ৰ দেৱ শৰ্মা

আমি যিখন এল.পি. স্কুলত পঢ়িছিলো সেইখনৰ নাম আছিল সৰু থেকেৰাবাৰী বালক প্ৰাথমিক বিদ্যালয়। সেই হিচাপত তাত ল'ৰাহে পঢ়াৰ কথা যদিও আমি ল'ৰা-ছোৱালী উভয়ে তাত শিক্ষা লাভ কৰিছিলো। তাত আমি 'ক' শ্ৰেণীৰ পৰা তৃতীয়া শ্ৰেণীলৈ পঢ়িছিলো। এইখিনি সময়ত মোৰ এগৰাকী সহপাঠী আছিল জয়নাথ শৰ্মা, মানে প্ৰাক্তন ৰাজহ মন্ত্ৰী ড° জয়নাথ শৰ্মা।

আমি পঢ়া কালৰ কথা কওঁতে প্ৰথমে মনত পৰিছে স্কুলৰ পঢ়া শেষ হ'লে ভাওনা কৰিবলৈ লোৱাৰ কথা। আমি ছুটীৰ পিছত প্ৰায়ে 'সীতা হৰণ' নামে নাটক অভিনয় কৰিবলৈ লৈছিলো। কোনোবা ৰাম, লক্ষ্মণ হ'লে কোনোবা ৰাৱণ হয় বিভীষণ হয়। প্ৰয়োজনীয় ধনু কাড়, গডা সকলো নিজেই বনাই লৈছিলো। এই ভাওনাত জয়নাথ হৈছিল সীতা। খুলীয়া ভাউৰীয়াবোৰ চাই তেনেদৰে ভাওনা কৰাৰ কথা মনলৈ আহিছিল।

সেই সময়ত আমাৰ গাঁৱত থকা আৰতী সংঘৰ উদ্যোগত এখন মইনা পাৰিজাতো চলি আছিল। এই মইনা পাৰিজাতৰ জৰিয়তে আমি নানা কৃষ্টিৰ চৰ্চা কৰাৰ সুবিধা পাইছিলো। এই সকলো ক্ষেত্ৰতে ডঃ জয়নাথ শৰ্মা আছিল আগৰণুৱা আৰু নেতৃত্ব বহনকাৰী। তেওঁ নিজে আগবঢ়াৰ লগতে আমাকো উৎসাহিত কৰিছিল।

আমি পঢ়া দিনত চিন্তাৰাম শৰ্মা ছাৰে আমাক দিনলিপি লিখিব দিছিল। আগদিনা কি কৰো পিছদিনা লিখি আনি দেখুৱাব লাগে। আমি সকলোৱে দিনলিপি লিখি নিওঁ। কিন্তু সেইবোৰ চাই ছাৰে সদায়ে জয়নাথ

শৰ্মাক ওচৰলৈ মাতি নিয়ে আৰু হিয়া উজাৰি আশীৰ্বাদ দিয়ে। হয়তো সেই আশীৰ্বাদ লৈয়েই তেওঁ বহু আগুৱাই গ'ল। আত্মচেষ্টা,ভাগ্য আৰু নিজ কৰ্মৰ গুণে কেনেকৈ আগবাঢ়ি যায় তাৰ এটা জ্বলন্ত উদাহৰণ ড° জয়নাথ শৰ্মা।

ড° জয়নাথ শৰ্মা বৰ চোকা ছাত্ৰ আছিল। তেওঁ আছিল বাওঁহতীয়া। আখৰ যে কি সুন্দৰ। পৰিপাটিকৈ লিখা কথাবোৰ দেখি আমি আচৰিত হৈছিলো আৰু ছাৰহঁত মোহিত হৈ মোহিত হৈছিল।

এই কথাও কওঁ যে তেওঁ যিমান চোকা আছিল সিমান দুষ্টও আছিল। আমি আটায়ে লগ লাগি কাৰোবাৰ পৰা কুঁহিয়াৰ, তিয়ঁহ, মধুৰী আম আদি মনে মনে আনো। সকলোৰে দলৰ পথাৰৰ পুখুৰীৰ পাৰত বহি সেইবোৰ খাইছিলো। গৃহস্থই গম পায়। কিন্তু একো নকয়। সৰু ল'ৰা বুলি সৰ্বদোষ মাফ কৰিছিল। আজিৰ দিনত হ'লে ডাঙৰ কাজিয়া লাগি গ'ল হয়।

পিছলৈ তেওঁ মন্ত্ৰী হ'ল। আমি বৰ বেছি উধাব নোৱাৰিলো। তথাপি তেওঁ আমাৰ কথা পাহৰা নাই। আমিও তেওঁৰ কথা কৈ গৌৰৱ কৰি থাকো।

শেষত তেওঁৰ উত্তৰোত্তৰ মংগল কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো। লগতে এই সুযোগতে তেওঁলৈ মোৰ অভিনন্দন যাঁচিলো।

❑❑❑

# বাল্যবন্ধু ড° জয়নাথ শৰ্মা

- খুদীৰাম শৰ্মা

আমাৰ প্ৰাক্তন ৰাজহ মন্ত্ৰী, ছিপাঝাৰৰ বিধায়ক ড° জয়নাথ শৰ্মা মোৰ বাল্যবন্ধু আৰু সহপাঠী আছিল। মই প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা লৈয়ে ছাত্ৰ জীৱনৰ সামৰণি মাৰিছিলো। কিন্তু তেওঁলোক পঢ়া-শুনা কৰি বহু ওপৰ পালেগৈ।

পঢ়া দিনতে তেওঁৰ লগত মোৰ এৰা-এৰি হ'ল। মই নানান ধৰণৰ কামত ব্যস্ত হ'লো। পাম ধৰিবৰ বাবে আমজুলিলৈ গৈ তাতেই ঘৰ-দুৱাৰ কৰিলো। অৱশ্যে পিছলৈ ৪০ বছৰ পিছত আকৌ থেকেৰাবাৰী পাওঁহি। এইখিনি সময়ত ড° জয়নাথ শৰ্মাই সংগ্ৰামী জীৱন এটাৰ মাজেৰে নিজকে প্ৰতিষ্ঠা কৰিলে। শিক্ষা-দীক্ষাও ল'লে। ছাত্ৰ আন্দোলনৰ নেতৃত্ব দিলে। শেষলৈ বিধাযকো হ'ল, মন্ত্ৰী হ'ল। আজি ইমান দিনে তেওঁৰ লগত মোৰ দেখা দেখিয়েই নহ'ল। বন্ধু হিচাপে তেওঁলৈ মোৰ সদায় শুভ কামনা আছে আৰু ভৱিষ্যতলৈকো থাকিব। তেওঁৰ সুদীৰ্ঘ সমাজ জীৱনৰ কথা সকলোৱে মনত ৰাখিছে। আমি এতিয়াও আশা ৰাখিছো সমাজলৈ আহি থকা দিনবোৰতো তেওঁ সেৱা আগবঢ়াই থাকিব।

তেওঁলৈ মোৰ আন্তৰিক শুভ কামনা আৰু অভিনন্দন জ্ঞাপন কৰিলো।

❑❑❑

# সোণালী শৈশৱ আৰু ড° জয়নাথ শৰ্মা

– ৰাজেন্দ্ৰ শৰ্মা

ড° জয়নাথ শৰ্মা আৰু মই প্ৰায় সমবয়সীয়া। তেওঁ মোতকৈ তিনি বছৰ ডাঙৰ। পঢ়োতে আমি এটা শ্ৰেণী ইফাল সিফাল আছিলো। মই এক শ্ৰেণী পিছত আছিলো। তথাপি একেলগে খেলা-ধুলা কৰা বন্ধু আছিলো।

বিশেষকৈ মনত পৰে ফাকু খেলা, হৰিধ্বনি দি ফুৰা দিনবোৰৰ কথা।

মই ৰঙামাটি মধ্য ইংৰাজী বিদ্যালয় পৰ্যন্ত ছাত্ৰ হিচাপে তেওঁক লগ পাইছো। মুঠ আঠ বছৰ কাল। পিছলৈ তেওঁ মঙলদৈ হায়াৰ ছেকেণ্ডাৰীত পঢ়িবলৈ গুচি যায়। আমি পঢ়িলো পশ্চিম ৰঙামাটি হাইস্কুলত।

পিছত তেওঁ বিভিন্ন সভা-সমিতিত ঘূৰি ফুৰা হ'ল। মঙলদৈত পঢ়িবলৈ যোৱাৰ পিছৰে পৰা তেওঁ গাঁওখনৰ পৰা দূৰে দূৰে থাকিব লগা হ'ল। মাজে মাজে লগ পাওঁ। বিভিন্ন অভিজ্ঞতাৰ কথা কয়। ভাল লগা কথা। আমোদজনক কাহিনী। বিশেষকৈ স্বদেশ প্ৰেমমূলক কথাৰে আমাকো জাগ্ৰত কৰিছিল। লঘোণে থাকিও পুলিচৰ ভয়ত পলাই ফুৰা কথা বা বহু ঠাইত সন্মান লাভ কৰা কথা সকলোবোৰ আমাক শুনাইছিল।

আন্দোলনৰ মাজতে তেওঁ পঢ়া-শুনাও কৰিছিল। তেওঁ সুখ পোৱাৰ পথত বহুত দুখ কষ্ট সহিব লগা হৈছিল।

জয়নাথ দাদাৰ ককায়েক খগেন দাদাৰ সহযোগত মই গুৱাহাটীলৈ গৈ কাম এটা লাভ কৰো। পিছলৈ অৱশ্যে সেই কাম এৰি মই ঘৰলৈ আহোঁ।

ঘৰলৈ আহি ঘৰুৱা কামতে আত্মনিয়োগ কৰো। এটা সময়ত জয়নাথ দাদাই মোক নিজৰ বিছ্নাত ৰাখি গুৱাহটীত কাম কৰাত সহায় কৰিছিল। মোৰেই দুৰ্ভাগ্য সেই সহায় পায়ো বিশেষ একো উদ্‌গতি কৰিব নোৱাৰিলো।

মই খোজত খোজ মিলাই সংসাৰ পথত আগবাঢ়িব নজনা বাবে তেওঁ খং কৰিছিল আৰু গালিও পাৰিছিল। শেষত লাজে-ভয়ে আঁতৰি থকাই হ'লো।

আৰু শেষত তেওঁলৈ মোৰ অভিনন্দন থাকিল।

❑❑❑

# আন্তৰিক অভিনন্দন

- ৰমেশ নাথ

ড° জয়নাথ শৰ্মা আমাৰ বাবে এগৰাকী আদৰ্শ পুৰুষ। তেনে এক আকৰ্ষণীয় ব্যক্তিত্বৰ সৈতে চিনাকি হোৱাৰ সুযোগ পাইছিলো বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ত। সেই আন্দোলনৰ গুৰি ধৰিছিল সদৌ অসম ছাত্ৰ সন্থাই। ছাত্ৰ নেতা হিচাপে আন্দোলনৰ সভাবোৰত ড° জয়নাথ শৰ্মাদেৱৰ তেজস্বী ভাষণ শুনিয়ে মই তেখেতৰ প্ৰতি আকৃষ্ট হওঁ। তেখেতৰ দৰে সাহসী পুৰুষ, অধ্যয়নশীল ব্যক্তিক নেতা হিচাপে পাই আন্দোলনটোক সমৰ্থন জনাবলৈ অগণন জনতা ওলাই আহিছিল।

আন্দোলনৰ সমাপ্তিৰ পিছত অসম গণ পৰিষদ গঠন হোৱাত উৎফুল্লিত হৈছিলো। তাতোকৈয়ে বেছি আনন্দিত হৈছিলো ছিপাঝাৰ সমষ্টিত ড° জয়নাথ শৰ্মাদেৱক অসম গণ পৰিষদৰ প্ৰাৰ্থী হিচাপে পাই।

অসম গণ পৰিষদৰ নেতা হিচাপে প্ৰফুল্ল কুমাৰ মহন্ত, প্ৰয়াত ভৃগু কুমাৰ ফুকন, বৃন্দাবন গোস্বামীৰ দৰে ব্যক্তিসকল বিৰল ব্যক্তিত্বৰ অধিকাৰী আছিল। তেওঁলোকৰ দোষো থাকিব পাৰে, কিন্তু গুণখিনিৰ কথা উলাই কৰাৰ সাধ্য নাই।

ড° জয়নাথ শৰ্মাদেৱ বিধায়ক হ'ল, মন্ত্ৰী হ'ল। কিন্তু তাৰ পিছতো আমাৰ দৰে সৰু সৰু মানুহবোৰক পাহৰি যোৱা নাই। সেইদৰে তেওঁৰ ভাল সময়বোৰৰ সংগী হৈ থাকি বেয়া সময়বোৰত আঁতৰি যাবলৈ চেষ্টা কৰা নাই। আমাৰ সুখ-দুখৰ সমভাগী হৈ থকা কাৰণে তেওঁৰ প্ৰতি আমাৰ আছে অপৰিসীম কৃতজ্ঞতা।

এবাৰ এটা সমদলত মই তেওঁৰ গাড়ীৰ কাষে কাষে গৈ আছিলো।

হালধা মৈজেলীৰ এটি ৰাস্তাত। কিন্তু তেনে সময়তে কিবা কাৰণত তেওঁৰ গাড়ীৰ মানুহ এজনে দৰ্জা এখন খুলি দিলে। তেতিয়া দৰ্জাখনে মোক খুন্দা মাৰি দিলে আৰু লগে লগে পথাৰত বাগৰি পৰিলো। কিন্তু মই উঠিব নৌপাওঁতেই কেই ছেকেণ্ডমানৰ ভিতৰতে ড° জয়নাথ শৰ্মা গাড়ীৰ পৰা ওলাই মোক তুলি ধৰিছিল।

দীঘলীয়া সময়বোৰত তেওঁৰ সান্নিধ্য লাভ কৰা সকলোবোৰ কথা লিখা সম্ভৱ নহয়।

শেষত তেওঁলৈ মোৰ শ্ৰদ্ধা আৰু অভিনন্দন জনালো।

❑❑❑

# সান্নিধ্য - প্ৰভাৱ

- বীৰেন্দ্ৰ কুমাৰ শৰ্মা

"Do not save your loving speeches
For your friends till they are dead
Do not write them on their tombstone
Speak them rather now instead."

"তোমাৰ স্নেহ ভৰা প্ৰশংসাৰ বাক্যবেৰ তোমাৰ প্ৰিয়জনৰ মৃত্যুৰ সময়লৈকে সাঁচি নাৰাখিবা। সেই মৰম শ্ৰদ্ধাৰ কথাবোৰ তেওঁলোকৰ সমাধিৰ ফলকৰ ওপৰত লিপিবদ্ধ কৰিবলৈ অপেক্ষা কৰি নাথাকিবা। তাৰ সলনি সেইবোৰ এতিয়াই অৰ্থাৎ জীৱিত অৱস্থাতে যিকোনো প্ৰকাৰে প্ৰকাশ কৰা যাতে তেওঁলোকে আনন্দ লাভ কৰিব পাৰে।" এই বাক্য কেইশাৰী আছিল প্ৰখ্যাত কবি Anna Comnins ৰ।

মোৰ ভাতৃপ্ৰতীম বন্ধু নিপন আচাৰ্য্যই এবছৰমান আগতে গুৱাহাটীলৈ যাওঁতে প্ৰসংগক্ৰমে মোক সুধিছিল জয়নাথ শৰ্মাৰ লগত আপোনাৰ কেনে সম্পৰ্ক? আপোনাৰ ওপৰত তেখেতৰ কিবা প্ৰভাৱ আছে নেকি? মই সুধিলো, 'কিয় সুধিলা?' তেওঁ ক'লে, 'আজি আমি যেনেকৈ নৰনাথ ভট্টাচাৰ্য্যৰ ওপৰত লিখি উলিওৱা কিতাপখনৰ উদ্বোধনী অনুষ্ঠান তেখেতৰ বাসগৃহত উদ্‌যাপিত কৰিবলৈ আহিছো তেনেকৈ এদিন ড° জয়নাথ শৰ্মাদেৱৰ অভিনন্দন গ্ৰন্থ এখনি প্ৰকাশ কৰি উলিওৱাৰ প্ৰয়াস কৰি আছো। মই জনাত আপুনিও এটা সময়ত নেৰিমত সেৱা আগবঢ়াইছিল, সেয়ে নিশ্চয় কিবা নহয় কিবা অভিজ্ঞতা থাকিব। গতিকে পাৰিলে এটা লিখনি দিবচোন।' ময়ো ক'লো- হয়, নথকা নহয়, আছে। তেনেকুৱা তিতা-কেঁহা-মিঠা অভিজ্ঞতা। কেইবাটাও ঘটনাই ড° শৰ্মা ছাৰৰ সান্নিধ্যত মোৰ জীৱনৰ প্ৰথম চোৱাতে প্ৰভাৱ

পেলাইছিল। তাৰে কেইটামান এই লিখনিত প্ৰকাশ কৰিব বিচাৰিছো।

মই তেতিয়া হায়াৰ চেকেণ্ডাৰী ফাইনেল পৰীক্ষা দি উঠিছো। চন ১৯৮৭। ছাৰ তেতিয়া আমাৰ ছিপাঝাৰ সমষ্টিৰ বিধায়ক। সমষ্টিৰ অসংখ্য মানুহে চাকৰি বিচাৰি স্থানীয় বিধায়কৰ ওচৰত আবেদন কৰিছিল। ময়ো ব্যতিক্ৰম নহ'লো। এদিন হঠাতে শৰ্মা ছাৰৰ এজন আত্মীয় ভোলাবাৰীৰ দণ্ড শৰ্মা আমাৰ আত্মীয়তাৰ খাটিৰতে আমাৰ ঘৰলৈ আহিল। পিতাই তেখেতক ক'লে- ইয়াক চাকৰি এটাকে যোগাৰ কৰি দিচোন বিধায়কক কৈ। বৰডেকাৰ (লোহিত) একো নহ'লেই ইয়াকে কিবা এটা কৰি দিচোন বাপা। তাৰ পিছত এদিন দণ্ড শৰ্মাৰ লগত দিছপুৰত ড° শৰ্মা ছাৰৰ বিধায়ক আৱাস গৃহ পালোগৈ ৰাতিপুৱাতে। গে'টত টিকত কাটি অনুমতি লৈ সোমালোগৈ ছাৰৰ ঘৰত। বাটত যাওঁতে দণ্ড শৰ্মাই মোক ক'লে ভয় নকৰিবি। যি সোধে তাৰে উত্তৰ দিবি। আমাৰে আত্মীয়। ৰুমত সোমাই দেখিলো সেই পুৱাতে ন মান বজাতে বিভিন্ন কাম লৈ যোৱা ছিপাঝাৰৰ মানুহৰ ভিৰ। আমি পোনে পোনে ভিতৰলৈ সোমাই গ'লো। পাৰি থোৱা চোফাতে বহিলো। কিছু সময় বহাৰ পিছত তেখেত ভিতৰৰ ৰুমৰ পৰা ওলাই আহিল। ইৰালে মানুহে আগুৰি ধৰিলেহি। ইফালে দণ্ডদাক দেখা পাই তেওঁ সুধিলে- 'তই কিয় আহিলি?' এওঁক কিবা এটা চাকৰি যোগাৰ কৰি দিব লাগিছিল। লগে লগে মোক সুধিলে 'কি নাম তোৰ?' উত্তৰত ক'লো- বীৰেণ শৰ্মা। কাৰ ঘৰৰ? দেউতাৰ নামটো ক'লো- মেঘো শৰ্মা ওৰফে ৰজনী কান্ত শৰ্মা। ঘৰ কেহেৰাত। 'কি পাছ কৰিছা?' এইবাৰ উচ্চ মাধ্যমিকৰ ফাইনেল দিছো। 'তাৰ পিছত পঢ়িব নালাগিব? টাইপ জানা?' নাজানো। 'ষ্টেনো জানা?' নাজানো। 'কৰ্ণেল Spelling টো ক?' ক'লো। ভয়ে ভয়ে ক'লো কৰ্ণেল। 'এই গোপী এইফালে আহ', মই ভাবিলো আজিৰে পৰা মোৰ চাকৰি হৈ যাব। গোপী আহিল। ছাৰ..। 'কাঁচি এখন লৈ আহ। আৰু ইয়াক ঘোঁৰাৰ ঘাঁহ কাটিব দিয়া' বুলি কৈ মানুহমখাৰ মাজৰ পৰা ওলাই গৈ বাহিৰত ৰাখি থোৱা গাড়ীত বহিলগৈ। দণ্ডদাই ক'লে- বীৰেণ, যাওঁ যৌ।

বাটত আহোঁতে মনতে ভাবি আহিলো, টাইপ, ষ্টেনো শিকিলে চাকৰি পাব পাৰো নেকি? মনতে ঠিৰাং কৰিলো টাইপ, ষ্টেনো শিকিবই লাগিব। ভালকৈ গমো নাপাওঁ ষ্টেনো কি? ইজন সিজনক সুধি চালো। ক'লে- আই.

টি. আই. গুৱাহাটীত শিকায়। এদিন গৈ খবৰ কৰিলো। এপ্ৰিলতহে ফৰ্ম দিব। ইতিমধ্যে উচ্চ মাধ্যমিকৰ ৰিজাল্ট ওলাল। স্নাতক মঙলদৈ কলেজত নামভৰ্তি কৰিলো। এই সময়ছোৱাতে এবাৰ মঙলদৈ কলেজত সৰস্বতী পূজা অনুষ্ঠানৰ ড° শৰ্মা ছাৰৰ দেউতাকে পূজাখনত পুৰোহিতালি কৰিবলৈ গৈছিল। তেখেতে মোকেই তেখেতৰ যোগালী হিচাপে পূজাখনত ৰাখিছিল। এই আপাহতে তেখেতলৈ মোৰ সশ্ৰদ্ধ একাঁজলি প্ৰণাম যাঁচিছো। এই তিনি বছৰ আৰু ষ্টেনো পঢ়া নহ'ল। পুনৰ আই. টি. আই. লৈ গৈ ফৰ্ম আনিলো, ষ্টেনো পঢ়িমেই। ভবা মতে এবছৰ গুৱাহাটী আই. টি. আই.ত ষ্টেনো শিকিলো। এইবাৰ পুনৰ ষ্টেনো সম্পূৰ্ণ কৰাৰ খবৰ লৈ ড° শৰ্মা ছাৰৰ ওচৰত গ'লো। জনালো তেওঁৰ কথামতে মই টাইপ, ষ্টেনো পাঠ্যক্ৰম কৰিলো। এতিয়া এটা চাকৰি লাগে। এদিন মোক মাতি পঠিয়ালে A. I. D. C. স্থিত নেৰিম প্ৰতিষ্ঠানখনলৈ। গ'লো। ছাৰে গোপীক ক'লে- এটা টাইপ মেচিন আনি দিয়াচোন। গোপীয়ে এটা ভঙা টাইপ মেচিন আনি দিলে। ছাৰে ষ্টেনোত এখন দৰ্খাস্ত লিখিবলৈ শ্ৰুতলিপি দিলে। লিখিলো। ক'লে- এইখন টাইপ কৰি আনা। কথামতে কাম। টাইপ কৰি থাকোতে মনতে ভাবিলো এইবৰ হয়তো চাকৰি এটা হ'ব। কাৰণ ভগা মেচিন হ'লেও কিবাকৈ দৰ্খাস্তখন টাইপ কৰিলো। ছাৰক দেখুৱালো। তেখেতে এটা হাঁহি মাৰি কাগজখন লৈ চকু ফুৰালে। তেখেতৰ মুখৰ ভাব-ভংগী সন্তপৰ্ণে লক্ষ্য কৰিছিলো। সুধিছিল Sale Tax ত চাকৰি কৰিবি? তেনেতে মই উত্তৰ দিব নৌপাওঁতে ৰুমৰ ভিতৰলৈ সোমাই আহিল আন এগৰাকী ছোৱালী। দেখিলো মোৰেই উচ্চ মাধ্যমিকত একেলগে পঢ়া সহপাঠী। তায়ো হেনো চাকৰিৰ বাবেই গৈছে। মোক যাবলৈ কৈ ক'লে- বেলেগ এদিন আহি খবৰ কৰিবা। ঘৰলৈ আহি সকলো বিৱৰি ক'লো। মা-দেউতাই আশ্বাস দিলে হ'বদে এইবাৰ চাকৰি। কিছুদিন পিছত গৈ পুনৰ খবৰ ল'লো। গোপীদাই ওলাই আহি মোক ক'লে- তোৰ চাকৰিটো নহ'ব অ' বীৰেণ। ছিপাঝাৰৰ ছোৱালী এজনীয়ে পাইছে। মোৰ বুজিবলৈ বাকী নাথাকিল। নিশ্চয় মোৰ সেই সহপাঠী গৰাকীয়ে হয়তো পালে। হয় বিচাৰ খোচাৰ কৰাত গম পালো Sale Tax অৰ চাকৰিটো তায়েই ল'লে। এনেকৈ দিনবোৰ পাৰ হ'ল। এবছৰমান পাৰ হোৱাৰ পাছত পুনৰ এদিন আকৌ তেখেতৰ ওচৰত যাবলৈ বাধ্য হ'লো। কাৰণ এইবাৰ মই

এটা ইণ্টাৰভিউ দিছিলো Assam University, Silsar ত ষ্টেনোগ্ৰাফাৰ পদৰ বাবে। লিখিত পৰীক্ষাত পাছ কৰিলো। মৌখিক হ'ব। গম পালো শৰ্মা ছাৰৰে নিজৰ মানুহ ৰেজিষ্টাৰ পূৰ্ণানন্দ ভট্টাচাৰ্য্য। ছাৰৰ ওচৰ চাপিলো। কথাখিনি বিৱৰি কোৱাৰ পাছত ছাৰে সহানুভূতিৰে ক'লে- মই এখন চিঠি লিখি দিওঁ ভট্টাচাৰ্য্যদেৱক দি দিবা। চিঠিখন ল'লো। মৌখিক পৰীক্ষাৰ আগদিনাখন night super ত পল্টন বজাৰস্থিত নেটওৰ্ৱক ট্ৰেভাৰত যাত্ৰা আৰম্ভ কৰিলো। শিলচৰলৈ। দুৰ্ভাগ্যবশতঃ ৰাতি ৰাস্তাত Land sliding হোৱা বাবে চাৰি ঘণ্টা ধৰি ৰাস্তা বন্ধ হোৱাত আবদ্ধ হৈ থাকিলো। মোৰ পৰীক্ষা আছিলন বজাত।  পালোগৈ বাৰ বজাত। ছাৰৰ চিঠিখন দিওঁ মানে মোৰ এক বাজিল। চিঠিখন পঢ়ি চাই ভট্টাচাৰ্য্য ছাৰে ক'লে- দুঃখিত। ইতিমধ্যে ৰিজাল্ট প্ৰকাশ হৈ গ'ল। এতিয়া আৰু একো কৰিব নোৱাৰি। ফলাফল পেপাৰতো গুচি গ'ল। বহুতো কাকুতি-মিনতি কৰিলো। শেষত ছাৰে তেওঁৰ ঘৰলৈ মোক লৈ গ'ল। যথেষ্ট আতিথ্যৰে তেওঁ মোক তেওঁৰ ঘৰত তিনিদিন ৰাখি ক'লে পিছত কেতিয়াবা পদ ওলালে তোমাক মই খবৰ দিম। আহিবা। চুপাৰত টিকট কাটি তেওঁ গুৱাহাটীলৈ পঠাই দিলে। আহোতে ওৰেটো নিশা নাইট চুপাৰত যাত্ৰা কৰি আহি থাকোতে মোৰ বহুতো ভাৱনাই জুমুৰি দি ধৰিছিল। ভাবিছিলো মোৰ ভাগ্যত কিজানি চাকৰি বোলা বস্তুটো নাই। ইমান চেষ্টা কৰিও সকলোতে বিফল। আনকি শৰ্মা ছাৰে সহানুভূতিশীল মানসিকতাৰে চোৱাৰ পিছতো চাকৰিটো নহ'ল। ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি। প্ৰসংগতঃ কৈ থওঁ ভগৱান সদয় হ'লে কামবোৰ সহজ হৈ পৰে। সেই বাবেই হয়তো কেইদিনমান আগতে বিশেষ কষ্ট নকৰাকৈয়ে আমাৰ ছোৱালীজনীয়ে মঙলদৈ কোৰ্টত চাকৰি এটা পালে। সিয়ো ষ্টেনোগ্ৰাফাৰ পোষ্টতে। নিজে ষ্টেনো শিকা বা ছোৱালীজনীক ষ্টেনো পঢ়াবলৈ লোৱা চিন্তাটো প্ৰবাহিত হৈ আহিছিল কিন্তু ড° জয়নাথ শৰ্মাৰ দৰে চিন্তাশীল ব্যক্তিত্বৰ সান্নিধ্যৰ পৰাহে।

এনেকৈ এবছৰ পাৰ হ'ল। এদিন হঠাৎ শৰ্মা ছাৰে মোক বিচাৰি ভৰলুমুখ পালেহি। তেতিয়ালৈ মই ভৰলুমুখৰ এখন টাইপ-ষ্টেনো শিকোৱা ইনষ্টিটিউত ইনষ্ট্ৰাক্টৰ হিচাপে কাম কৰো। ছাৰে আহি লগ ধৰি মোক ক'লে যে নেৰিমত ষ্টেনো কম্পিউটাৰ পাঠ্যক্ৰম এটা আৰম্ভ কৰিছো। শিকাব লাগে।

শিক্ষক হিচাপে তুমি পাৰানে নোৱাৰা ক'ব লাগে। মই একেষাৰে হ'ব বুলি কৈ দিলো। কাৰণ যিখন নেৰিমত মই সাক্ষাৎকাৰ দিছিলো সেইখন মহান অনুষ্ঠানত এটা শিক্ষকৰ দৰে চাকৰি। জইন কৰিলো। তেতিয়া মই ভৰলুমুখত ভাৰা লৈ থাকো। দৈনিক নেৰিমলৈ অহা-যোৱা কৰো। এনেকৈ এবছৰ পাৰ কৰিলো। তেনেতে এদিন হঠাতে শুনিলো আমাৰ খাটিকুছি গাঁৱৰ নিবাসী প্ৰখ্যাত ব্ৰাহ্মণ খৰ্গেশ্বৰ শৰ্মা ওৰফে আহিনা বামুণক আৰ্মিয়ে গুলিয়াইছে। মই নেৰিমত চাকৰি কৰা মানে শৰ্মা ছাৰৰ লগত এটা সম্পৰ্ক থকা বুলিয়ে দুৰ্ভগীয়া পৰিয়ালটোই মোক অনুৰোধ জনাই কিবা এটা আৰ্থিক সাহায্য প্ৰদানৰ বাবে শৰ্মা ছাৰক কৈ দিবৰ বাবে ক'লে। ইতিমধ্যে আহিনা বামুণক জি. এম. চি. এইছ.ত ভৰ্তি কৰোৱা হৈছিল। ছাৰক কথাখিনি বুজাই ক'লো। দুখীয়া পৰিয়ালটিক সাহায্য অলপ দিব পৰা হ'লে ভাল আছিল। কথামতে কাম। লগে লগে ছাৰে দুই হাজাৰ টকা এটা পৰিয়ালটোক দিবলৈ দি দিলে। মই আনন্দিত হ'লো। কাৰণ মন্ত্ৰী এজনৰ লগত সম্পৰ্ক থকা বাবেহে পৰিয়ালটোয়ে মোক আবেদন জনাইছিল। সাহায্যখিনি দিবলৈ পাই ময়ো ধন্য মানিলো। ময়ো পুনৰ নেৰিমৰ পৰা ওভতি আহি ভৰলুমুখত নিজাকৈ ইনষ্টিটিউত পাতি চাকৰিৰ ধান্দা বাদ দি কৰ্মজীৱন আৰম্ভ কৰিলো। বিগত সময়ছোৱাত জয়নাথ শৰ্মা ছাৰৰ সান্নিধ্যত যিখিনি নজনা কথা শিকিলো ইয়ে পৰৱৰ্তী সময়ত মোৰ বাবে যথেষ্ট সমল হিচাপে কাম কৰিছে। নেৰিমত থকা সময়ছোৱাতে এবাৰ এক অঘটনে মোক লগ দিছিল। ছাৰে এদিন ক'লে, তোমাৰ ছাত্ৰ-ছাত্ৰীখিনিক শিক্ষামূলক ভ্ৰমণৰ বাবে শ্বিলঙলৈ নিব লাগে। সেই মতে দুখন চুমু গাড়ী লৈ যাত্ৰা কৰিলো। নেৰিমৰ পৰা শ্বিলং অভিমুখে ৰাতিপুৱাতে। শ্বিলঙৰ পৰ্যতনথলীবোৰ চাই সন্ধিয়া ৰাওনা হ'লো গুৱাহাটী অভিমুখে। শ্বিলঙৰ একাবেকা পথেৰে নিশা গাড়ী চলাই আহোতে এক পথ দুৰ্ঘটনাত কথমপি প্ৰাণ ৰক্ষা পৰা কথাও আজি মনত পৰিছে।

যা হওক, শৰ্মা ছাৰক ধন্যবাদ এই কাৰণেই যে তেখেতৰ দিহা পৰামৰ্শ, সান্নিধ্যই মোক নিজকে প্ৰতিষ্ঠিত হ'বলৈ শিকালে।

এটা সময়ত ভৰলুমুখস্থিত টাইপ-ষ্টেনো প্ৰতিষ্ঠান এটাৰ স্বত্ব ক্ৰয় কৰি নিজাকৈ ব্যৱসায় আৰম্ভ কৰিলো। সুদীৰ্ঘ বত্ৰিশ বছৰ কাল তাত পাৰ কৰিলো। ইয়াতে কিছু সফলতা, কিছু বিফলতা আছে যদিও বহুতো ছাত্ৰ-ছাত্ৰীক

শিক্ষক্ষাদান কৰি কৰ্মসংস্থাপন আহৰণ কৰি দিয়াত অৰিহণা যোগালো। সেয়ে আনন্দ। আচলতে শৰ্মা ছাৰৰ ধমকি নোখোৱা হ'লে আজি মোৰ ষ্টেনো শিকা নহ'লহেঁতেন বা গুৱাহাটীত সংস্থাপনো নহ'লহেঁতেন। বৰ্তমানেও সেই টাইপ-ষ্টেনো-কম্পিউটাৰ ইন্সটিটিউতটো ছিপাঝাৰত চলি আছে। যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীক কাৰিকৰী শিক্ষা প্ৰদান কৰি কৰ্মসংস্থাপনৰ বাট মুকলি কৰি দিয়াত কিছু পৰিমাণে অৰিহণা যোগাবলৈ পাই নিজকে ধন্য মানিছো। লগতে ড° জয়নাথ শৰ্মা ছাৰকো এই আপাহতে ধন্যবাদ জ্ঞাপন কৰিলো। তেখেতৰ সু-স্বাস্থ্য ও দীৰ্ঘায়ু কামনা কৰিছো। এজন সুদক্ষ ৰাজনীতিক হিচাপে অসমৰ জাতীয় স্বাৰ্থ সুৰক্ষাৰ হকে যি কষ্ট স্বীকাৰ কৰি জনতাৰ মংগলৰ হকে কাম কৰিলে তাৰ বাবে পুনৰবাৰ তেখেতলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

❑❑❑

# ড° জয়নাথ শৰ্মালৈ অভিনন্দন

- আবুল হুছেইন

মোৰ ভাতৃ হাছান আলী আৰু তেওঁ সমসাময়িক। বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ত তেওঁলোকে একেলগে কাম কৰিছিল। তেতিয়া মাজে সময়ে আমাৰ ঘৰলৈ তেওঁৰ আগমন হৈছিল। সেই সূত্ৰে তেওঁৰ লগত মোৰ চিনাকি। ছাত্ৰ আন্দোলনৰ সামৰণিত যেতিয়া গোলাঘাটত এক অভিৱৰ্তনৰ আয়োজন হৈছিল তেতিয়া দৰং জিলাৰ পৰা হাছান আলী আৰু জয়নাথ শৰ্মা প্ৰতিনিধি আছিল। অৱশ্যে তেওঁলোকৰ লগতে আন আন ব্যক্তিও প্ৰতিনিধি হিচাপে গৈছিল। সেই অভিৱৰ্তনতে গঠন হৈছিল অসম গণ পৰিষদ দলৰ। পৰৱৰ্তী সময়ত হোৱা নিৰ্বাচনত অসম গণ পৰিষদ দলৰ পৰা ছিপাঝাৰ বিধান সভা সমষ্টিৰ বিধায়ক হিচাপে প্ৰাৰ্থীত্ব লাভ কৰি জয় লাভ কৰে। সেই নিৰ্বাচনৰ ফলাফল ওলাবৰ দিনা ফলাফল লৈয়েই ৰাতি এক মান বজাত হাছান আলীৰ সৈতে আহি মোক ঘৰত দেখা কৰিছিলহি। ময়ো অত্যন্ত আনন্দিত হৈছিলো আৰু লগে লগে তেওঁক ফুলৰ মালা আৰু গামোচাৰে সম্ভাষণ জনাইছিলো। মোৰ আশীৰ্বাদ লৈয়েই তেওঁ পুনৰ মঙলদৈলৈ ৰাওনা হৈছিল। তেতিয়াৰে পৰা জয়নাথ শৰ্মাই মোক নিজৰ অগ্ৰজৰ দৰে ভাবি আহিছে আৰু ময়ো ভাতৃ হিচাপে তেওঁক মৰম কৰি আহিছো। আমাৰ সেই সম্পৰ্ক আজিও অটুট আছে।

অকল প্ৰথম বাৰতে নহয় পৰৱৰ্তী সময়ত হোৱা নিৰ্বাচনবোৰতো মই তেওঁৰ সহযোগী হৈ আছিলো। সেই সময়বোৰত আমি নানা ঘাত প্ৰতিঘাতৰ মাজেৰে কাম কৰিব লগা হৈছিল। মোৰ কেইটামান ঘটনা আজিও মনত পৰি থাকে।

তেওঁ মোক নিজৰ শুভ কাৰ্যবোৰতো সদায় বিচাৰিছিল। নিজৰ বিয়া, শিশুৰ নামকৰণ, ছোৱালীৰ বিয়া আদি সকলো পৰ্বতে বিচাৰিছিল।

বিশেষকৈ তেওঁৰ ল'ৰাটোৰ নামকৰণৰ সময়ত আমি উপস্থিত থাকোতে শিশুটোৰ কি নাম ৰখা যাব তাকে লৈ আমাৰ সৈতে আলোচনা কৰিছিল। অথচ এগৰাকী কেবিনেট পৰ্যায়ৰ মন্ত্ৰীৰ ল'ৰাৰ নাম ৰাখিবৰ বাবে আমাৰ দৰে মানুহৰ পৰামৰ্শ নহ'লেও হয়। কিন্তু তেওঁৰ দৰে মহানুভৱে আমাকো কিমান গুৰুত্ব দিছিল এই কথাই তাৰ প্ৰমাণ। আমি সকলোৱে বিভিন্ন নামৰ কথা ভাবিছিলো আৰু শেষত তেখেতে দিয়া 'ৰণঞ্জয়' নামটোকে সমৰ্থন জনাইছিলো। জয়নাথ শৰ্মাদেৱৰ পিতৃ বিয়োগ বা পত্নীৰ মৃত্যুৰ সময়ত সান্ত্বনা দিবলৈ আমি তেখেতৰ ওচৰত থিয় দিছিলে। শৰ্মাদেৱৰ পিতৃ পদ্মনাথ শৰ্মাৰ সৈতে মই পঞ্চায়ত পৰ্যায়ত একেলগে কাম কৰিছিলো। মই আছিলো পাথৰিঘাট গাঁও পঞ্চায়তৰ সভাপতি আৰু তেখেত আছিল অন্য এখন পঞ্চায়তৰ চেক্ৰেটাৰী। সেয়ে নানা সময়ত একেলগ হ'ব লগা হৈছিল।

অসম আন্দোলনৰ সময়ত পাথৰিঘাট আঞ্চলিক গণ সংগ্ৰাম সমিতিৰ মই সভাপতি আছিলো। অৰ্থাৎ জয়নাথ শৰ্মা আৰু মোৰ আদৰ্শ একে আছিল। ফলত আমাৰ আত্মিক সম্পৰ্ক গাঢ় হৈছিল। সেয়ে তেওঁৰ বাবে অভিনন্দন জনোৱাৰ সুযোগ এটা পাই অতিশয় আনন্দিত হ'লো আৰু সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

❑❑❑

# ড° জয়নাথ শৰ্মা ঃ এক বিৰল ব্যক্তিত্ব

- ধম নাৰায়ৰ্ণ ভট্টাচাৰ্য্য

মই জয়নাথ শৰ্মাৰ লগত চিনাকি হৈছিলো এদিন গুৱাহাটীৰ পৰা ছিপাঝাৰলৈ আহোতে Transport busত। মোৰ চাইকেলখন ছিপাঝাৰৰ কৰুণা মৌজাদাৰৰ ঘৰত থৈছিলো। তাৰ পৰা চাইকেল লৈ ঘৰমুৱা হওঁ। সিদিনা তেওঁ মোৰ সংগী হ'ল। দুয়ো একেলগে আহিলো। তেওঁৰ গন্তব্যস্থল আছিল মোমায়েক দেৱেন্দ্ৰ আচাৰ্য্যৰ ঘৰ। আচাৰ্য্যদেৱৰ ঘৰ পাৰ হৈ আমাৰ ঘৰ। মোৰ চাইকেলখন ফুটিছিল বাবে দুয়ো খোজ কাঢ়ি আহিছিলো। তেতিয়া তেওঁ অসমৰ জলন্ত সমস্যাবোৰৰ কথা মোৰ সৈতে আলোচনা কৰিছিল। তাৰ পিছৰ পৰ্যায়ত আন্দোলন শেষ হৈছিল আৰু অসম গণ পৰিষদ চৰকাৰ হোৱাত তেওঁ বিধায়ক তথা মন্ত্ৰী হৈছিল। তেতিয়া ৰাজহুৱা কামত তেওঁৰ লগত কেৰা বাৰো কথা পাতিছিল। নিৰ্বাচনৰ সময়ত তেওঁ মোক নিজৰ গাড়ীত উঠাই লৈ বিভিন্ন ঠাইত ঘূৰা কথা মনত পৰে। তেতিয়াই মই তেওঁৰ ব্যক্তিত্ব সম্বন্ধে বহু কথা জানিব পাৰিছিলো।

শানপাৰা দেৱালয়ৰ কথা লৈ লগ ধৰিছিলো। মোৰ লগত আছিল প্ৰয়াত হলধৰ শৰ্মা আৰু প্ৰয়াত দেৱেন্দ্ৰ শৰ্মা। আমাৰ কথাত তেওঁ আগ্ৰহেৰে দেৱালয়লৈ অনুদান আগবঢ়াইছিল। সেই সময়তে মন্দিৰলৈ তেওঁ ৪০,০০০ (চল্লিশ হাজাৰ) টকা দিছিল। সেই টকাৰে আমি দেয়ালয়ৰ মূল মণিকুটটো নিৰ্মাণ কৰিছিলো। তাৰ লগত ৰাইজৰ দান বৰঙণিও আছিল। মোৰ ব্যক্তিগত সমস্যা কিছুমানতো তেওঁক লগ ধৰিছিলো।। সেইবোৰতো তেওঁৰ সহায় লাভ কৰিছিলো। তেওঁৰ সহৃদয়তাৰ কথা মই অকপটে স্বীকাৰ কৰে।

তেওঁ মোক ইমানেই ভাল পাইছিল যে একেবাৰে আপোন মানুহৰ দৰে 'তই' সম্বোধনেৰেহে কথা কৈছিল।

তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো আৰু এই লেখাৰে তেওঁলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। ❑❑❑

# দেওমৰনৈৰ উন্নয়নত বিধায়ক আৰু মন্ত্ৰী হিচাপে ড° জয়নাথ শৰ্মাৰ ভূমিকা

– যুগল চন্দ্ৰ শৰ্মা

ড° জয়নাথ শৰ্মাৰ সৈতে দেওমৰনৈৰ ৰাইজৰ আত্মীয়তা লগতে মোৰ ব্যক্তিগত অনুভৱ ঃ ১৯৮৫ চনত অসম গণ পৰিষদ গঠন হোৱাৰ পিছত পৰ্যায়ক্ৰমে জিলা সমিতি আৰু মৌজা সমিতিসমূহ গঠন হৈছিল। তেতিয়া সৰাবাৰী মৌজা সমিতিখনো গঠন হৈছিল। সৰাবাৰী মৌজা সমিতি গঠন হওঁতে প্ৰয়াত হেমচন্দ্ৰ ডেকাক সভাপতি, মোৰ দেউতা প্ৰয়াত ৰুদ্ৰনাথ শৰ্মা বৰুৱাক উপ-সভাপতি আৰু প্ৰয়াত হৰেন্দ্ৰ নাথ শৰ্মাক সম্পাদক হিচাপে লৈ মূল সমিতি গঠন হৈছিল।

ড° জয়নাথ শৰ্মা ৰাজনৈতিক কামত দেওমৰনৈলৈ আহিলে আমাৰ ঘৰলৈ প্ৰায়ে আহিছিল আৰু দেউতা আৰু হৰেন্দ্ৰ নাথ শৰ্মাৰ লগতে দলৰ কৰ্মীসকল লগ হৈ বিভিন্ন উন্নয়নমূলক কামৰ আলোচনা হৈছিল। তেতিয়াৰ পৰাই ড° জয়নাথ শৰ্মা মহোদয়ৰ সৈতে মোৰ চিনাকি আৰু পৰৱৰ্তী সময়ত আত্মীয়তা বাঢ়ি গৈছিল।

১৯৮৫ চনত ড° শৰ্মা বিধায়ক হোৱাৰ পিছত দেওমৰনৈৰ ৰাইজৰ প্ৰথম দাবী আছিল দেওমৰনৈত এখন চিকিৎসালয় প্ৰতিষ্ঠা কৰি দিব লাগে। প্ৰথম দাবীটো তেওঁ ৰাজহুৱাভাৱে মানি লৈ ত্ৰিশখন বিছনাযুক্ত এখন চিকিৎসালয় প্ৰতিষ্ঠাৰ বাবে চৰকাৰৰ পৰা অনুমোদন আনে। কিন্তু সমস্যা হ'ল ক'ত স্থাপন কৰা হ'ব এই চিকিসালয়খন। কাৰণ এতিয়া য'ত চিকিসালয়, কলেজ, বজাৰ, পঞ্চায়ত আদি অনুষ্ঠান আছে তেতিয়া সেইবোৰ আছিল বেদখলত। তেতিয়া তেওঁ নিজাববীয়া প্ৰচেষ্টা লৈ ৰাইজ লগতে নিজে উপস্থিত

থাকি সেই বেদখল উচ্ছেদ কৰিছিল। সেয়া আছিল তাহানিৰ মৰনৈঝাৰ । সেই মৰনৈঝাৰত যাবলৈ বাট-পথ নাছিল। ৰাইজে চিকিৎসালয় পোৱাৰ উৎসাহত নিজে পথ বনাই তাত চিকিৎসালয়ৰ আধাৰশিলা স্থাপনৰ ব্যৱস্থা কৰিছিল।

তেনেদৰে তেওঁৰ প্ৰথমটো কাৰ্যকালত দেওমৰনৈৰ ডাঙৰ অভাৱ এটা পূৰণ হৈছিল। তাৰ লগে লগে মহাবিদ্যালয় স্থাপন, বি. এড. মহাবিদ্যালয় স্থাপনত তেওঁ বিশেষ ভূমিকা লৈছিল। বৰ্তমান বজাৰ য'ত আছে সেয়া বেদখলকাৰীৰ কবলত আছিল। তেওঁৰ নিৰ্দেশতেই বৰ্তমানৰ বজাৰখন স্থাপন কৰি বেদখলমুক্ত অঞ্চল হৈ থকাৰ প্ৰয়াস কৰা হৈছিল।

উন্নয়নৰ দিশলৈ চালে দেখা যায় যে ছিপাঝাৰ বিধান সভা সমষ্টিৰ প্ৰতিখন প্ৰাথমিক বিদ্যালযৰ আন্তঃগাঁথনি উন্নয়নৰ লগতে ৰাস্তা ঘাট ওখ আৰু বহল কৰি গাঁও সমূহলৈ এক সূচল পৰিৱেশ আনি দিছিল। প্ৰতিখন গাঁৱৰ প্ৰায় প্ৰতিটো মন্দিৰ/মছজিদলৈ অনুদান আগবঢ়াই উপাসনাস্থলীসমূহ উপযুক্তভাৱে গঢ়ি তোলাৰ প্ৰয়াস কৰিছিল। সময়ৰ লগে লগে ছিপাঝাৰ সমষ্টিৰ প্ৰতিখন গাঁওত থকা পুৰণি মৃত পুখুৰীসমূহ নকৈ খন্দাই নতুন ৰূপ দিবলৈ সক্ষম হৈছিল। ১৯৯৪ চনত অসম গণ পৰিষদ দেওমৰনৈ আঞ্চলিক সমিতিৰ সম্পাদকৰ দায়িত্ব লোৱাৰ পৰা তেখেতক নিচেই ওচৰৰ পৰা পোৱাৰ সৌভাগ্য হৈছিল। তেতিয়া দেখিছিলো যে ৰাজনৈতিক নেতা এজনৰ থাকিব লগীয়া গুণ বিশেষকৈ সাহস, ব্যক্তিত্ব, বাকপটুতা, মৰম-আত্মীয়তা, কৰ্মপটুতা, সহানুভূতিশীলতা, জ্ঞান আৰু দায়বদ্ধতা আদি গুণসমূহ তেওঁৰ সদায়েই আছে।

ছিপাঝাৰ বিধান সভা সমষ্টিৰ বানপানী সমস্যা দূৰ কৰাৰ বাবে তেওঁ নিজাববীয়াকৈ চৰকাৰী আঁচনি লৈছিল আৰু সেই ক্ষেত্ৰত যথেষ্ট সফল হৈছিল। খেতিপথাৰৰ পানী যোগানৰ বাবে দেওমৰনৈৰ নিকটৱৰ্তী কুলসী গে'টত কুলসী বান্ধ নিৰ্মাণ কৰি খেতিপথাৰত পানী যোগান ধৰা, ৰবি শস্য কৰিবলৈ ডিপ-টিউবৱেলৰ ব্যৱস্থা আদি আঁচনি তেওঁ ল'বলৈ সক্ষম হৈছিল। ইয়াৰ উপৰিও আমি সভাপতি/সম্পাদক হৈ থকাৰ সময়ত সমষ্টিৰ যিবোৰ হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী স্কুলৰ ৰূপালী বা সোণালী জয়ন্তী হৈছিল, তেনেকুৱা প্ৰতিখন স্কুলতেই আঢ়ৈ লাখ আৰু তিনি লাখকৈ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছিল।

দেওমৰনৈখনৰ চকুত লগা উন্নয়ন বুলিলে চিকিৎসালয় স্থাপন, পুৰণি পুখুৰীসমূহ উদ্ধাৰ কৰি ৰাইজক গটাই দিয়া, পাতিদৰং মূল মন্দিৰ নিৰ্মাণ, প্ৰতিখন প্ৰাথমিক বিদ্যালয়ৰ গৃহ পকীকৰণ, কুলসী বান্ধ নিৰ্মাণ, বানপানী নিবাৰণৰ বাবে লোৱা আঁচনিৰ উপৰি গাঁৱৰ মূল পথবোৰ পকীকৰণ আৰম্ভ কৰা আদিৰ কথা উল্লেখ কৰিব পাৰি। তাৰ লগত সংস্থাপনৰ বাবে লোৱা ভূমিকাৰ বিষয়েও ক'ব পাৰি।

শেষত তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনাৰ লগতে সামাজিক শৈক্ষিক আৰু ৰাজনৈতিক প্ৰতিপত্তি সূচল হোৱাৰ কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই লিখনিৰ সামৰণি মাৰি মোৰ অভিনন্দন জ্ঞাপন কৰিলোঁ।

❑❑❑

# বহুমুখী প্ৰতিভা সম্পন্ন ব্যক্তি
# ড° জয়নাথ শৰ্মা

- শিৱ প্ৰসাদ শৰ্মা

ভগৱানৰ এই বিনন্দীয় সৃষ্টিত মানৱ জীৱন অমূল্য। মানুহ অমৃতৰ সন্তান। জীৱ শ্ৰেষ্ঠ প্ৰাণী হিচাপে মানুহৰ জন্ম হয়। ইয়াৰে কিছুমানে নিজৰ কৰ্মৰাজি, সাধনাৰ জৰিয়তে পৃথিৱীত তেওঁৰ প্ৰতিভাৰে সাহিত্য-সংস্কৃতি, শিক্ষা, ধৰ্মীয় আৰু ৰাজনৈতিক সামাজিক উৎকৰ্ষ সাধন কৰি প্ৰচণ্ড আত্মবিশ্বাস, কৰ্মস্পৃহা আৰু সাহসেৰে হেজাৰ বাধা নেওচি লক্ষ্যত উপনীত হয়। এই মহান ব্যক্তিসকল উত্তৰ প্ৰজন্মৰ বাবেও আদৰ্শ ব্যক্তি। তেনে এগৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তি ড° জয়নাথ শৰ্মা। তেখেতৰ অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰিব বুলি জানিব পাৰি আনন্দিত হৈছো। পোনতে আমি স্বীকাৰ কৰিবই লাগিব মঙলদৈ থানাৰ অন্তৰ্গত শিক্ষা, সাহিত্য, সংস্কৃতি, ধৰ্মীয়, সামাজিক দিশত উৰ্বৰা সৰু থেকেৰাবাৰী গাঁৱৰ সুসন্তান ড° জয়নাথ শৰ্মা এগৰাকী বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি। মোৰ বাইদেউ-ভিনদেউৰ ঘৰ সৰু থেকেৰাবাৰীত। সৰুতে বাইদেউৰ ঘৰলৈ গ'লে সুধিছিলো জয়নাথ শৰ্মাৰ বিষয়ে। যেতিয়া হাইস্কুলৰ ডেওনা পাৰ হ'লো তেতিয়া তেওঁৰ বিষয়ে বহুতো জানিলো, তেওঁ প্ৰাথমিক বিদ্যালয়ৰ বৰ্গমন্ত্ৰীৰ পৰা আৰম্ভ কৰি কলেজীয়া জীৱনত সাধাৰণ সম্পাদকৰ দায়িত্ব পালন কৰাৰ কথা জানিছিলো। বিভিন্ন সভা-সমিতিত তেওঁৰ নামটো জানিছিলো, শেষত ১৯৮৩ চনৰ আন্দোলনত সক্ৰিয় ভূমিকা পালন কৰি নৱ গঠিত অসম গণ পৰিষদৰ নিৰ্বাচনত জয়লাভ কৰি বিধায়ক হয়, সেই সময়ত মই পকাদলি উচ্চ মাধ্যমিক বিদ্যালয়ত অবৈতনিক শিক্ষক হিচাপে নিযুক্তি পাইছিলো। মোৰ চাকৰিটো নিয়মীয়া কৰিবৰ বাবে তেওঁৰ ওচৰলৈ গৈছিলো আৰু মোৰ চাকৰিটোৰ বাবে মোক লৈ D.S.E. অফিচত গৈ মোৰ নিযুক্তিৰ

পত্ৰ লোৱাত সহায় কৰিছিল। সেই ফালৰপৰা তেওঁ মোৰ তথা মোৰ পৰিয়ালটিৰ চিৰ কৃতজ্ঞ। তেখেতৰ সামাজিক-ৰাজনৈতিক জীৱনৰ ইমান ব্যস্ততাত থাকিও ডক্টৰেত ডিগ্ৰী লোৱাটোৱে বুজাই যে ৰাজনৈতিক নেতা হিচাপেও অধ্যয়ন বাদ দিয়া নাছিল। সকলো দিশত পাৰ্গত আছিল। তেখেত অসম গণ পৰিষদ চৰকাৰৰ মন্ত্ৰী হৈ থাকোতে আমাৰ চুবুৰী শানপাৰালৈ আহিছিল। আমাৰ চুবুৰীত থকা শিৱ মন্দিৰৰ বাবে দুটা কিস্তিত চৰকাৰী ধন আগবঢ়াই মূল শিৱ মন্দিৰটো নিৰ্মাণ কৰাত এই বৃহত্তৰ অঞ্চলৰ উপাসনাৰ স্থলী উজ্বলি উঠিল। তাৰোপৰি শানপাৰা, বেকাপাৰা, হোকোৰাপাৰা শাখাৰ ব্ৰহ্মযজ্ঞৰ সময়ত সম্পূৰ্ণ ভোগৰ চাউল, দাইল, তেল আৰু লগত ধন আগবঢ়াইছিল। তাৰ বাবে আমি তেওঁৰ ওচৰত কৃতজ্ঞ। ইয়াৰ উপৰিও সামাজিক ক্ষেত্ৰত তেওঁৰ বহুতো অৱদান আছে। তাৰোপৰি ছিপাঝাৰ সমষ্টিকে ধৰি হিন্দু-মুছলমানসকলৰ ৰীতি-নীতি ভালদৰে অধ্যয়ন কৰি সেইবোৰ সভা-সমিতিত ব্যাখ্যা কৰিছিল। শ্ৰদ্ধাৰ ড° শৰ্মাদেৱ আমাৰ কাৰণে চিৰদিন আদৰ্শ হৈ ৰ'ব। এইখিনিতে আমি প্ৰশংসা কৰিব লাগিব ড° শৰ্মাৰ গুণমুগ্ধ শুভাকংক্ষী গ্ৰন্থ প্ৰকাশক ভাতৃ প্ৰতীম নিপন আচাৰ্য্যৰ উদ্যোগত অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰাটো অতিশয় আনন্দ আৰু গৌৰৱৰ কথা। এই গ্ৰন্থখনিয়ে ড° শৰ্মা দাদাক আৰু অধিক প্ৰেৰণা যোগোৱাৰ উপৰিও মনত বিমল আনন্দ দিব, শান্তিৰ সুখানুভৱ কৰাব আৰু দীৰ্ঘায়ু প্ৰদান কৰিব। ড° শৰ্মা দাদাৰ কথা কৈ শেষ কৰিব নোৱাৰি। মোৰ ফালৰ পৰা ভগৱানৰ ওচৰত তেখেতৰ দীৰ্ঘায়ু আৰু সুখ-শান্তি কামনা কৰি যাচিলোঁ শ্ৰদ্ধা আৰু অভিনন্দন।

❑❑❑

# প্ৰতিবাদী সত্বা ড° জয়নাথ শৰ্মালৈ সান্নিধ্যৰ মিঠা সোঁৱৰণীৰে অভিনন্দন

- মণ্টু চহৰীয়া

ছাত্ৰ জীৱনতে এক আপোচবিহীন প্ৰতিবাদী সত্বা ৰূপে খ্যাতি লাভ কৰা বৰ্তমানৰ ড° জয়নাথ শৰ্মাৰ স'তে আমাৰ এক মনোৰম আৰু ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিছিল ১৯৭৪ চনত মঙলদৈ মহাবিদ্যালয়তে। সেই সময়ত তেওঁ উক্ত মঙলদৈ মহাবিদ্যালয়ৰ বিজ্ঞান স্নাতক শ্ৰেণীত ভৰ্তি হৈছিল আৰু আমি ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা গৈ উক্ত মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত প্ৰি-ইউনিৰ্ভাচিটি শ্ৰেণীত ভৰ্তি হৈছিলো। ড° শৰ্মাদেৰৰ স্কুলীয়া শিক্ষা হৈছিল মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। সঁচা কথা ক'বলৈ হ'লে আমি দুয়ো সেই সময়ৰ চোকা ল'ৰাৰ শাৰীত থিয় হ'বলৈ সক্ষম হৈছিলো।

আমি বিদ্যালয়ত থাকোতেই যিকোনো ছাত্ৰ আন্দোলন, তেল শোধনাগাৰ আন্দোলন, শিক্ষাৰ মাধ্যম আন্দোলন আদিত ছাত্ৰ নেতা হিচাপে সমগ্ৰ জিলাখনত প্ৰতি নিয়ত উচ্চাৰিত হৈছিল ড° শৰ্মাৰ নাম। অৱশ্যে সেই সময়ত আমি তেওঁক শাৰীৰিকভাৱে চিনি নাপাইছিলো। কিন্তু পিছলৈ কলেজত অতি গাঢ় সম্পৰ্ক গঢ়ি উঠিছিল আন্দোলনৰ মাধ্যমেৰে। কলেজত ভৰ্তি হোৱাৰ পিছতেই ছাত্ৰ ইউনিয়নৰ নিৰ্বাচনত ড° শৰ্মা বিপুল ভোটত নিৰ্বাচিত হ'ল মঙলদৈ মহাবিদ্যালয় ছাত্ৰ ইউনিয়নৰ সাধাৰণ সম্পাদক পদত।

নিৰ্বাচন গ'ল। এতিয়া আহিল ড° শৰ্মাৰ সাধাৰণ সম্পাদক হিচাপে দায়িত্ব পালনৰ কৰ্মসূচী নিৰ্ণয় কৰাৰ কাম। আগতেই উল্লেখ কৰা হৈছে ড° শৰ্মা আছিল এক আপোচবিহীন প্ৰতিবাদী ছাত্ৰ নেতা। তেওঁ এক দাবী চনদ তৈয়াৰ কৰিলে, য'ত আছিল প্ৰধানকৈ মহাবিদ্যালয়ৰ স্নাতক শাখাৰ বিভিন্ন বিষয়ত অনাৰ্চ কৰ্চ (আজিকালিৰ মেজৰ বিষয়) খোলা, নতুন নতুন বিষয়

আৰম্ভণী কৰা, পুথিভঁৰালৰ উন্নতিকৰণ, হোষ্টেল উন্নীতকৰণ তথা আসন বৰ্ধন কৰা, কলেজৰ সন্মুখৰ পথত পদ পথ নিৰ্মাণ ইত্যাদি ইত্যাদি। ছাত্ৰ ইউনিয়নৰ সভাত দাবীসমূহ অনুমোদন কৰি সংশ্লিষ্ট বিভাগ সমূহলৈ দাবী পূৰণৰ সময় বান্ধি দি আবেদন প্ৰেৰণ কৰা হ'ল। কিন্তু বান্ধি দিয়া সময় অতীত হোৱাৰ পিছতো সন্তোষজনক উত্তৰ নাপাই ঘোষণা কৰি দিলে প্ৰতিবাদী আন্দোলনৰ কাৰ্যসূচী। জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ (মহকুমাধিপতি কাৰ্যালয়?) সন্মুখত ধৰ্না, প্ৰতিমূৰ্তি দাহ হ'ল। অৱধাৰিতভাৱেই প্ৰশাসনৰ লাঠি চাৰ্জ হ'ল, অসংখ্য ছাত্ৰ-ছাত্ৰী আঘাতপ্ৰাপ্ত হ'ল আৰু ড° শৰ্মাসহ আমি চৈধ্য গৰাকী ছাত্ৰ জে'ললৈ গ'লো। সৌভাগ্যক্ৰমে জে'ল যাত্ৰী ছাত্ৰসকলৰ ভিতৰত মই এটাও লাঠিৰ কোব খোৱা নাছিলো।

এই জে'ল যাত্ৰাৰ বাবে মই এতিয়া গৌৰৱবোধ কৰো। কাৰণ জে'লৰ ভিতৰ চ'ৰাৰ বিষয়ে জানিবলগীয়া বহু কথাই আছে। তাত থকা-খোৱা, কোঠালিৰ পৰা ওলোৱা-সোমোৱা, নিশাৰ ভাগত জে'ল গিনটি ইত্যাদি বহু জানিবলগীয়া আৰু আমোদজনক কথা আছে। মই তাচপাত খেলিব নাজানিছিলো, জে'ইলত শিকিলো। গুৰু আছিল এগৰাকী চুৰ কেচত জে'ল খাই থকা কয়েদী। আমাৰ বাকী কেইজনৰ মনোবল ভাঙিবৰ বাবে ড° শৰ্মাদেৱক তিনি দিন পিছতে পুৱাৰাতি অন্য জে'ললৈ চালান দিলে। তেওঁ থকা কেইদিন খুব জমিছিল। আমাক প্ৰত্যেককে হাতে হাতে ভাত খোৱা কাঁহী আৰু পিতলৰ পানী খোৱা গিলাছ বজাবলৈ দি তেওঁ নাম লগাই দিয়ে, আমি চিঞৰি চিঞৰি গাওঁ। জে'লৰ কুঠৰীত চৈধ্য দিন ৰাখি আমাক মুকলি কৰি দিলে। ড° শৰ্মাদেৱকো মুকলি কৰি দিলে, যিমানদূৰ মনত পৰে তেজপুৰ জে'লৰ পৰা। আন্দোলন কিন্তু অথলে নগ'ল। কৰ্তৃপক্ষই এটা দুটাকৈ দাবী পূৰণ কৰিলে আৰু ড° শৰ্মাৰ সপোনৰ কলেজখনে আজি পূৰ্ণাংগ ৰূপ পালে। আমাৰো সেয়া এক মিঠা গৌৰৱ।

পিছলৈ ড° শৰ্মাদেৱৰ বিজ্ঞানৰ স্নাতক হোৱাৰ সপোন ভংগ হ'ল। তেওঁ মঙলদৈ মহাবিদ্যালয় এৰিলে। দৰং মহাবিদ্যালয়ৰ পৰা বাণিজ্য শাখাত

নামভৰ্তি কৰি বাণিজ্যৰ স্নাতক হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বাণিজ্যৰ স্নাতকোত্তৰ ডিগ্ৰী লৈ বৰ্তমান ড° জয়নাথ শৰ্মা।

শিক্ষা সাং কৰি ড° শৰ্মা কিছু কাল বিদ্যুত বিভাগত চাকৰি কৰা বুলি শুনিছিলো। আমি তেতিয়া গুৱাহাটী বিশ্ববিদ্যালযত আইন মহাবিদ্যালয়ত নামভৰ্তি হৈছিলো। দিছপুৰীয়া অতুল বৰা, প্ৰয়াত ভৃগু কুমাৰ ফুকন আদি আমাৰ সেই সময়ৰ সহপাঠী। হঠাৎ অসমৰ প্ৰেক্ষাপট সলনি হৈ গ'ল। উমি উমি জ্বলি থকা বিদেশী বিতাড়ণৰ আন্দোলনে চাৰিওদিশে চানি ধৰিলে। আমাৰ দৰঙতো আন্দোলনৰ জুই বাৰুকৈয়ে লাগিল। ড° শৰ্মাই চাকৰি এৰি আন্দোলনত নামি গ'ল। তেওঁ দৰঙৰ অবিসম্বাদী নেতা হৈ আন্দোলনৰ নেতৃত্ব দিলে। সুদীৰ্ঘ ছবছৰীয়া আন্দোলনৰ এদিন অৱসান ঘটিল। সদৌ অসম ছাত্ৰসন্থা আৰু অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত গঢ়ি উঠিল ৰাইজৰ দল অগপ। ১৯৮৫ চনত নিৰ্বাচন অনুষ্ঠিত হ'ল। ড° শৰ্মা আমাৰ ছিপাঝাৰ বিধান সভা সমষ্টিৰ পৰা অগপ প্ৰাৰ্থী ৰূপে বিধায়ক নিৰ্বাচিত হৈ মন্ত্ৰীত্ব লভিলে আৰু একেৰাহে বিশ বছৰ কাল ছিপাঝাৰ সমষ্টিৰ বিধায়কৰ আসন অনায়াসে দখল কৰি থাকিল।

এইখিনিতে আমি এটা কথা স্বীকাৰ কৰিবই লাগিব যে একান্ত আন্তৰিক আৰু জ্যেষ্ঠ ভাতৃ সদৃশ বন্ধু হোৱা স্বত্বেও মই তেওঁৰ ৰাজনৈতিক উত্থানত অলপো অৰিহণা যোগাব পৰা নাই, কাৰণ মই কোনো দলীয় ৰাজনীতিত আজিলৈকে সংপৃক্ত হোৱা নাই। এই কথা ড° শৰ্মাদেৱেও জানে। তথাপি আমাৰ মাজৰ আন্তৰিক সদ্ভাৱ, বুজাবুজি, ভালপোৱা, বিশ্বাস কোনোদিনে ম্লান পৰা নাই আৰু আজিও তেওঁৰ সৈতে মোৰ গভীৰ সম্পৰ্ক সজীৱ হৈ আছে।

বিধায়ক কিম্বা মন্ত্ৰী হিচাপে প্ৰথমৱস্থাত ন যিমান সক্ৰীয় আছিল, শেহৰ ফালে যথেষ্ট ম্লান হৈছিল বুলি আমাৰ ধাৰণা। যাৰ ফলত তেওঁৰ প্ৰতি জনসমৰ্থন বহু পৰিমাণে কমি অহা পৰিলক্ষিত হৈছিল। অৱশ্যে তেওঁৰ এই উদ্যমিতা কমি অহাৰ অন্তৰালত এক দুখজনক কাৰণ আছিল। সেয়া আছিল

তেওঁৰ সাংসাৰিক জীৱনলৈ নামি অহা এক অসহনীয় তথা অভাৱনীয় পৰিঘটনা, যিয়ে এজন অদমনীয় সাহসী ৰাজনৈতিক যুঁজাৰুক নমনীয় কৰি তুলিছিল।

এই ক্ষুদ্ৰ প্ৰৱন্ধটিত আমি তেওঁৰ এগৰাকী কণিষ্ঠ বন্ধু তথা ভাতৃ হিচাপে তেওঁলৈ যাচিছোঁ আন্তৰিক অভিনন্দন, কামনা কৰিছো এই গৰাকী প্ৰতিবাদী যুঁজাৰু পুনৰ গৰজি উঠক সমাজৰ উত্তৰণৰ হকে প্ৰতি নিয়ত চলি থকা যুঁজখনৰ এগৰাকী অপ্ৰমাদী সেনাৰ ৰূপত। আমাৰ এয়া ড° শৰ্মালৈ একান্ত আহ্বান। ভগৱন্ত প্ৰভুৱে সমাজৰ কল্যাণৰ বাবে তেওঁক শক্তি প্ৰদান কৰক।

❑❑❑

# এগৰাকী তৰুণ সাহসী বুদ্ধিদীপ্ত প্ৰতিনিধি

- ননী কুমাৰ শইকীয়া

ইং ১৯৮৫ চনৰ আগষ্ট মাহৰ পৰা ইং ১৯৮৬ চনলৈ অৰ্থাৎঅসম চুক্তি স্বাক্ষৰ হোৱাৰ পৰা অসম বিধান সভাৰ নিৰ্বাচনৰ সময়ছোৱাত আমি দশম মানৰ ছাত্ৰ আছিলোঁ। চৌপাশে আনন্দ উল্লাহৰ বন্যা। আমিও আনন্দত আত্মহাৰা। অসম আন্দোলনৰ তৰুণ নেতৃত্বক এবাৰ ওচৰৰ পৰা চোৱাৰ প্ৰবল হেঁপাহ। ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হৈছিল বিশাল জনসভা। যিমান দূৰ মনত পৰে প্ৰয়াত ভূচন্দ্ৰ বৰুৱা ছাৰে সেই সভাত সভাপতিত্ব কৰিছিল। প্ৰয়াত নগেন শৰ্মা, প্ৰফুল্ল কুমাৰ মহন্তকে ভিতৰ কৰি দেখিবলৈ পাইছিলো আমাৰ অঞ্চলৰ দুৰ্দান্ত সাহসী, প্ৰখৰ বুদ্ধিদীপ্ত তৰুণ নেতা জয়নাথ শৰ্মাদেৱক। বিশেষকৈ আমাৰ জিলাৰ তথা স্থানীয় এগৰাকী যুৱক, ছাত্ৰ সন্থাৰ নেতৃত্বত থকাটো আমাৰ বাবে অতিশয় গৌৰৱৰ কথা আছিল। জয়নাথ শৰ্মাদেৱক সেইদিনা অতি ওচৰৰ পৰা দেখি আমি নথৈ আনন্দিত হৈছিলোঁ। কিছুদিন পিছত অসম গণ পৰিষদ দলৰ জন্ম হৈছিল আৰু বিধানসভা নিৰ্বাচনত জয়নাথ শৰ্মাদেৱ ছিপাঝাৰ বিধানসভা সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। নিৰ্বাচনত আমাৰ অঞ্চলৰ লোকে দান বৰঙণি তুলি নিৰ্বাচনৰ খৰছ বহন কৰিছিল। আমাৰ প্ৰয়াত পিতৃদেৱকে ভিতৰ কৰি সমসাময়িক ছিপাঝাৰৰ সকলো লোকেই জয়নাথ শৰ্মাদেৱক বিধায়ক হিচাপে নিৰ্বাচিত কৰিবলৈ দেহে কেহে খাটিছিল। ভবা মতেই তেখেত নিৰ্বাচিত হৈছিল। তাৰ কিছুদিন পিছতেই তেখেত আহি আমাৰ ঘৰত উপস্থিত হেছিল দেউতাক এষাৰ মাত দিবলৈ। সেইদিনা তেখেত ছিপাঝাৰ মটৰ ষ্টেচনৰ পৰা এখন ৰিক্সাত উঠি আমাৰ ঘৰলৈ আহিছিল। আমাৰ ঘৰত উপস্থিত হোৱাত জয়নাথদাক (তেখেতক আমি দাদা সম্বোধন কৰিছিলোঁ আৰু আজিও কৰো) এবাৰ বিধায়ক হিচাপে অতি ওচৰৰ

পৰা প্ৰত্যক্ষ কৰিবলৈ ওচৰ চুবুৰীয়া সকলো আমাৰ ঘৰত গোট খাইছিলহি। সকলো বৰ আনন্দিত হৈছিল। ভালেকেইগৰাকী ব্যক্তিয়ে তেখেতক আমাৰ ঘৰৰ ওচৰতে থকা দোপ (দেওধনী দোপ) টোত কিবা এটা উদ্যোগ বা অফিচ স্থাপন কৰিবলৈ অনুৰোধ জনাইছিল। তেখেতে সন্মতিও জনাইছিল। সেইমতে কথা ৰাখি পৰৱৰ্তী সময়ত সেই স্থানত চৰকাৰী হাঁহৰ ফাৰ্ম এখন স্থাপন কৰিছিল। আজিও সেইখন কাৰ্যক্ষম হৈ আছে।

বিধানসভাৰ মজিয়াত তেখেতে প্ৰতিদিনেই বিভিন্ন প্ৰশ্ন উত্থাপন কৰি ৰাজ্যখনৰ বিভিন্ন সমস্যা সমাধানৰ বাবে চেষ্টা কৰিছিল। সেই সময়ছোৱাত অনাতাঁৰৰ জৰিয়তে নিশা বিধানসভাৰ কাৰ্যক্ৰমনিকাৰ বিৱৰণী দিছিল, য'ত প্ৰতিদিনেই জয়নাথদাৰ নাম বহুবাৰ উল্লেখ কৰিছিল। ১৯৮৮ চনত বি. বৰুৱা মহাবিদ্যালয়ত পঢ়ি থকা সময়ত এদিনাখন বিধানসভাৰ কাৰ্যক্ৰম চাবলৈ সুযোগ লাভ কৰিছিলো আমাক তেখেতে দিয়া অনুমতি পত্ৰখনৰ জৰিয়তে। সেইদিনা স্বচক্ষে তেখেতৰ কাৰ্যদক্ষতা দেখিছিলো আৰু বিধানসভাৰ মজিয়াত তেখেতে ৰখা বহুমূলীয়া ভাষণ শুনি আপ্লুত হৈ পৰিছিলো।

বোধ হয় ১৯৮৮-৮৯ চনমানত এবাৰ অসম গণ পৰিষদ বিধায়িনী দলৰ সভাত ৰাজ্যখনৰ উন্নয়নৰ পৰ্যালোচনা চলিছিল আৰু সেই সভাত মুখ্যমন্ত্ৰীয়ে ছিপাঝাৰ আৰু দুটা এটা সমষ্টিৰহে উন্নয়ন হৈছে বুলি কোৱাত ভালেকেইগৰাকী বিধায়কে থিয় হৈ কৈছিল - মন্ত্ৰীসকলে ছিপাঝাৰৰ বিধায়কক ভয় কৰে, সেয়ে তেখেতৰ কাম সকলো মন্ত্ৰীয়ে কৰি দিয়াৰ বাবেই ছিপাঝাৰৰ উন্নয়ন হৈছে। তেতিয়া সেই সভাত জয়নাথদাই তপৰাই কৈছিল,'মুখ্যমন্ত্ৰী মহোদয় , মন্ত্ৰীসকলে মোক মৰম কৰে, ভয় নহয়।' এয়াই তীক্ষ্ণ বুদ্ধিদীপ্ত জয়নাথদা।

১৯৯০ চনত কেন্দ্ৰীয় চৰকাৰে অসম মন্ত্ৰীসভা ভংগ কৰি দিয়েই অপাৰেশ্যন বজৰঙ্গ আৰম্ভ কৰিছিল আৰু সেনাবাহিনীৰ লোক , সশস্ত্ৰ বাহিনীৰ লোক জঁপিয়াই পৰিছিল আলফা সদস্যসকলৰ ওপৰত। ইতিমধ্যে জয়নাথদাই গুৱাহাটী উচ্চ ন্যায়ালয়ত অধিবক্তা হিচাপে যোগদান কৰিছিল প্ৰয়াত সুৰেণ মেধি ডাঙৰীয়াৰ সৈতে। বজৰঙ্গ অভিযানত আমাৰ জ্যেষ্ঠ ভাতৃ তথা আলফা নেতা

জ্যোতিদাক সশস্ত্র বাহিনীৰ লোকে ওদালগুৰিত কৰায়ত্ব কৰি কেইবাদিনলৈ লুকুৱাই ৰাখি পুলিচক চমজাই দিয়া নাছিল। আমাৰ দেউতা প্ৰমুখ্যে পৰিয়ালৰ লোকসকলে ডি.চি., এচ.পি.ক লগ ধৰিও একো সুফল নোপোৱাত আমাৰ দেউতাই গুৱাহাটীত জয়নাথ দাদাক লগ ধৰি সহায় কৰিবলৈ কৈছিল। সেই সময়ত মই গুৱাহাটীতে আছিলোঁ। সেয়ে তেখেতে নিজৰ গাড়ীত মোক লৈ চিধাই মঙলদৈ আৱৰ্ত ভৱনলৈ আহিল আৰু সেই সময়ৰ ডি.চি. গৰাকীক মতাই আনি আমাৰ সন্মুখতে অতি শীঘ্ৰে আমাৰ দাদা ক'ত আছে বিচাৰি পুলিচৰ জিম্মাত অনাৰ ব্যৱস্থা কৰিবলৈ ক'লে। অন্যথা তেখেতক অভিযুক্ত কৰি হাইকৰ্টত কেছ দিব বুলিও ক'লে। উপায়ুক্ত গৰাকীয়ে শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস দিছিল। সেইমতে পিছদিনাই সশস্ত্ৰ বাহিনীয়ে জ্যোতিদাক পুলিচৰ হাতত চমজাই দিছিল। এইদৰে বিভিন্ন সময়ত জয়নাথদাৰ সাহসী পদক্ষেপ আমি প্ৰত্যক্ষ কৰিছো আৰু উপকৃত হৈছোঁ। ছিপাঝাৰ সমষ্টিৰ বহু যুৱক-যুৱতীক চৰকাৰী কৰ্ম সংস্থাপনেৰে তেখেতে উপকৃত কৰিছে। অঞ্চলটোৰ নিবনুৱা সমস্যা সমাধানৰ বাবে তেখেতৰ প্ৰচেষ্টাত পি.বি.এচ.এল. নামৰ উদ্যোগ স্থাপন কৰাটোও এক মাইলৰ খুঁটি। যদিও সেই উদ্যোগটো বন্ধ হৈছে, উদ্যোগ প্ৰতিষ্ঠাই কিন্তু অঞ্চলটোৰ এক উন্নয়নৰ বাতাবৰণ সৃষ্টি কৰিছিল।

এক দীঘলীয়া সময়ৰ বাবে জয়নাথদাই ছিপাঝাৰ সমষ্টিৰ বিধায়ক হিচাপে কেতিয়াবা শাসক পক্ষত আৰু কেতিয়াবা বিৰোধী পক্ষত এক সবল ভূমিকা পালন কৰি বিভিন্ন বিষয়ত মাত মাতিছিল। বিগত ভালেকেইটা বছৰ তেখেত বিধায়কৰ আসনত নাই। এগৰাকী সাহসী , বিভিন্ন আইন কানুন , চৰকাৰী আঁচনি ৰূপায়ণ প্ৰক্ৰিয়া , চৰকাৰী ব্যৱস্থা আদি বিষয়ৰ গভীৰ জ্ঞান থকা জয়নাথদাই নেতৃত্ব গ্ৰহণ কৰি জনসাধাৰক লগত লৈ উন্নয়নৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ বাবে তেখেত সততে ছিপাঝাৰবাসীৰ লগত থকাটো আমি ব্যক্তিগতভাৱে বিচাৰো । বিধায়ক হ'লেও নহ'লেও তেখেত ছিপাঝাৰৰ সামগ্ৰিক বিকাশৰ বাবে সমাজ জীৱনৰ সৈতে প্ৰত্যক্ষ আৰু সক্ৰিয়ভাৱে জড়িত হোৱাটো আমি আন্তৰিকতাৰে বিচাৰো, যাতে তেখেতৰ প্ৰখৰ বুদ্ধিমত্তা আৰু সাহসী ব্যক্তিত্ব নতুন প্ৰজন্মৰ বাবে অনুকৰণীয় হয়। ❑❑

# শ্ৰদ্ধাৰ দাদাৰ বিষয়ে এষাৰ

- ভূপেন শৰ্মা

আমাৰ মাৰ মুঠ আঠ গৰাকী বাই-ভনীৰ ভিতৰত মা আছিল তিনি নম্বৰ। মা নিচেই কম বয়সতে বিধৱা হয় আৰু ককাই তেওঁক নিজ গৃহলৈ লৈ যায়। সেই সূত্ৰে মোৰ শৈশৱ কৈশোৰ অতিবাহিত হয় মামাহঁতৰ ঘৰত। প্ৰাক্তন ৰাজহ মন্ত্ৰী ড° জয়নাথ শৰ্মাৰ মাতৃ কিৰণ্ময়ী দেৱী মোৰ মাৰ জ্যেষ্ঠা ভগ্নী। ককাৰ দুই নম্বৰ ছোৱালী। গতিকে মোৰ মামাৰ ঘৰখনেই তেওঁৰো মামাৰ ঘৰ। তেখেতক আমি জয়নাথ দাদা বুলি সম্বোধন কৰো। মামাহঁতৰ ঘৰখন সৰুৰে পৰা দাদাই বৰ ভাল পাইছিল আৰু সময় সুবিধা পালেই মামাহঁতৰ ঘৰলৈ আহিছিল। গতিকে মই নিচেই কম বয়সৰ পৰা তেওঁক লগ পাইছো।

সেই সময়ৰ পৰা এতিয়ালৈকে কিছুমান কথা স্মৃতিত সজীৱ হৈ আছে, যিবোৰ স্মৃতি অভিনন্দন পুস্তিকাৰ বাবে লেখা এটা প্ৰস্তুত কৰা সময়ত সঘনাই মনলৈ আহিছে।

মামাহঁতৰ ঘৰত কেইডালমান নাৰিকলৰ গছ আৰু এডাল বৃহৎ আকাৰৰ লিচু গছ আছিল। নাৰিকলৰ গছৰ পৰা নাৰিকল পাৰি আনি আমাক খুওৱাত তেওঁৰ অত্যন্ত চখ আছিল। তেওঁৰ প্ৰিয় ফলবোৰৰ ভিতৰত নাৰিকল আছিল অন্যতম। সেয়ে নিজেও খাইছিল আৰু আমাকো খুৱাইছিল। লিচু পকা দিনতো লিচু পৰা কাৰ্যত তেওঁ আগভাগ লৈছিল। লিচুৰ কথা কওঁতে অন্য এটা কথা মনত পৰিছে। এদিনাখন সন্ধিয়া মোৰ মামা ফনীন্দ্ৰ শৰ্মা, ব্ৰজেন্দ্ৰ আচাৰ্য, জয়নাথ দাদা আৰু মই ককাৰ সৈতে চোতালত বহি আছিলো। তেতিয়া আমাৰ সকলোৰে আগত ককাই ক'লে- "মই তহঁতক এটা সাঁথৰ দিম, সাঁথৰটোৰ উত্তৰ যিজনে দিয়া সেইজনকে এটা পুৰস্কাৰ দিম। সাঁথৰটো শুনা- এজন মানুহে তেওঁৰ চাকৰজনক দহ টকীয়া নোট এখন দি ক'লে যে তই দোকানলৈ যা

আৰু নোটখন খুচৰাই আন। দোকানীজন বৰ বুধিয়ক আৰু সি টকাই প্ৰতি পছিশ পইচাকৈ কমিচন ৰাখিহে খুচৰা দিয়ে। গতিকে সাৱধান হ'বি। চাকৰটো আছিল আৰু বুধিয়ক। সি দোকানলৈ গৈ নোটখন খুচৰাই আনিলে। সি দোকানীকো কমিচন দিলে আৰু মালিককো তেওঁৰ প্ৰাপ্য চাৰে সাত টকা দিলেহি। তাৰ মাজতে সি বুদ্ধি খটুৱাই নিজৰ বাবে পঞ্চাশ পইচা ৰাখিলে। এইটো কেনেকৈ সম্ভৱ হ'ল কোৱা। যদি ক'ব নোৱাৰা তেন্তে বুজিম চাকৰজনতকৈয়ো তহঁতৰ বুদ্ধি আৰু কম।"

তেতিয়া আমি বহুত চেষ্টা কৰিও উত্তৰটো উলিয়াব নোৱাৰি অৱশেষত নোৱাৰিম বুলি হাত দাঙিলো। কিন্তু জয়নাথ দাদাই ক'লে- মই আশা এৰা নাই আৰু চেষ্টা কৰিম। সঁচাকৈয়ে বহুত চেষ্টা কৰি কৰি অৱশেষত দাদাই উত্তৰটো উলিয়ালে। উত্তৰটো পাই ককা ইমান সন্তুষ্ট হৈছিল যে দাদাক সাৱটি ধৰি ক'লে- তই ঠিক আছা। দাদাই বোলে মই ঠিক আছো বুলি ক'লে নহ'ব পুৰস্কাৰটো ক'ত? তেতিয়া ককাই ক'লে- কোৱা কি লাগিব। জয়নাথ দাদাই ক'লে অংকটো টান সেই হিচাপত পুৰস্কাৰো ভাল হ'ব লাগে। তথাপি অন্য একো দিব নালাগে পকা পকা লিচু কেইটামানকে দিয়া। ককাই বোলে- পুৱাই পাই যাবা। তেতিয়া দাদাই পুনৰ ক'লে- পুৱাতো মই নিজেই পাৰি আনিব পাৰিম। মোক এতিয়াই লাগিব। মোক পুৱা লিচু দিলে সেইটো আৰু পুৰস্কাৰ হৈ নাথাকে।

ককাও আছিল কথা দি কথা ৰখা মানুহ। দাদাৰ কথা মতে ৰাতিয়ে ককাই হাঁহি হাঁহি গছত উঠি লিচু পাৰি দিছিল। ককা গছত উঠোতে মই কেৰাচিন তেলৰ চাকি এটাৰে পোহৰ দেখুৱাইছিলো।

দাদা কিমান প্ৰখৰ বুদ্ধিমান ল'ৰা আছিল ইয়াৰ পৰাই বুজিব পাৰি। মামাহঁতো পঢ়াই-শুনাই অত্যন্ত চোকা আছিল। কিন্তু তেওঁলোকে নোৱাৰা কাম এটা আকৌ অহৰহ চেষ্টা কৰি হ'লেও দাদাই সমাধা কৰা কথাটোৱে তেওঁৰ আত্মবিশ্বাস আৰু দৃঢ়তাৰ কথা বুজাই দিয়ে।

ককা নিধিৰাম আচাৰ্য্য আৰু ডাঙৰ মামা দেৱেন্দ্ৰ আচাৰ্য্যই বহুত

ভালকৈ অনুমান কৰিব পাৰিছিল যে জয়নাথ দাদাৰ দৰে মেধা সম্পন্ন তীক্ষ্ণ বুদ্ধিৰ ল'ৰা এটাই ভৱিষ্যতে ভাল কিবা এটা কৰিব পাৰিব। মাথোঁ তাৰ বাবে কিছু দিহা-পৰামৰ্শৰে আগবঢ়াই দিব লাগিব। তেনেকুৱা কাৰণতে বোধহয় তেওঁলোক প্ৰায়ে থেকেৰাবাৰীলৈ গৈ জেঠাই কিৰণ্ময়ী দেৱীক লগ ধৰি আহিছিল। সকলো কথাৰ বুজ লৈ আছিল।

দাদাই এই কথা ভালকৈ বুজি পাইছিল যে পৰিশ্ৰমেই হ'ব উদ্‌গতিৰ মূল চাবি কাঠি। সিয়ো অভ্যাস গঢ়ি তুলিব লাগিব সৰুতে। সেই কাৰণে দেখিছিলো খেতি পথাৰতো ককা নিধিবাবুক সহায় কৰিবলৈ নিজেই আগবাঢ়ি গৈছিল। সকলোৰে কটা ধানৰ মুঠিবোৰৰ মাজতো ব্যতিক্ৰমী মুঠি কেইটামান দেখি ককাই কয়- সেই কেইটা জয়নাথে কটা মুঠি। তেনেকুৱা কৰিব পাৰা নেকি বাকীবোৰেও চেষ্টা কৰিবিচোন।

মামাহঁতৰ ঘৰখনত কিজানি দাদাই কিবা এটা অনুপ্ৰেৰণা, কিবা এটা উৎসাহ পাইছিল। সেই কাৰণে দেখিছিলো বন্ধৰ দিনবোৰত তেওঁ মামাহঁতৰ ঘৰতে আছিল। গৰমৰ বন্ধৰ দৰে দীঘলীয়া বন্ধ পালেতো কথাই নাই।

স্মৃতিত বহু কথাই আছে আটাইবোৰ লিখাটোও সম্ভৱ নহয়। পিছৰ সময়খিনিৰ কথালৈ যদি যাওঁ দেখো তেওঁ লাহে লাহে সামাজিক কামত সোমাই পৰিল। পঢ়াৰ মাজতে ভাষা আন্দোলন, তেল শোধনাগাৰ আন্দোলন, বিদেশী বহিষ্কাৰ আন্দোলন আদিত সক্ৰিয় ভূমিকা লৈ কাম কৰিলে। সেইখিনি সময়তো তেওঁৰ ছাত্ৰ বন্ধুসকলক মামাহঁতৰ ঘৰলৈ আনি চিনাকি কৰি দিবলৈ ভাল পাইছিল। ককাৰ ব্যক্তিত্বৰ কথা কৈ আনন্দ পাইছিল।

অসমৰ বিদেশী বহিষ্কাৰ আন্দোলনৰ পিছত অসম গণ পৰিষদৰ চৰকাৰ আহিল। দাদা বিধায়ক হ'ল, মন্ত্ৰী হ'ল। তেনে কথাবোৰ সকলোৰে জনা কথা। এগৰাকী বলিষ্ঠ নেতা হেচাপে, সক্ৰিয় ৰাজহুৱা কৰ্মী হিচাপে তেখেতে সকলোৰে আদৰ পাইছে। তাৰ বাবে আমিও গৌৰৱান্বিত। ❑❑❑

# মোৰ স্মৃতিত দাদা

- উমেশ চন্দ্ৰ শৰ্মা

এই পৃথিৱীত কোন মানুহে কিমান কাম কৰিলে সেইটো ডাঙৰ কথা নহয়, কোনে কিমান ভাল কাম কৰি সমাজ আৰু জাতিৰ বাবে কাম কৰি নিজক ভোটা তৰাৰ দৰে প্ৰতিষ্ঠা কৰে সেইটোহে ডাঙৰ কথা। কথাষাৰিৰ যথাৰ্থতা বিচাৰি পোৱা যায় দাদা ড° জয়নাথ শৰ্মাৰ জীৱন পৰিক্ৰমাত। নিজৰ সুকীয়া ব্যক্তিত্ব আৰু গুণৰ বলত নানা ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি অসমৰ ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, শিক্ষা আৰু আধ্যাত্মিক জগতখনত সুকীয়া আসন লাভ কৰা এজন সুদৰ্শন ব্যক্তি।

"পৰিৱৰ্ত্তিণী সংসাৰে মৃতঃ কো বা নজায়তে।
স জাতঃ যেন জাতেন যাতি বংশ সমুন্নতিম।।"

এই পৰিৱৰ্তনশীল জগতত কোনো মানুহ নমৰে বা নজন্মে, তেওঁহে জন্মে যাৰ জন্মৰ দ্বাৰা বংশ আৰু দেশৰ উন্নতি হয়। ভতৃ হৰিৰ এই শ্লোকটোৰ কথাষাৰে দাদাৰ জীৱন চৰিত্ৰক ৰিজাব বিচাৰিছো। কিয়নো দাদাৰ জীৱন পৰিক্ৰমাৰ পৰা আমি বহু কথা কামৰ চানেকী জানিব পাৰিছো। মানৱ জীৱনৰ বিভিন্ন ছবি দেখিবলৈ পাৰিছো।

কথাবোৰ এনে ধৰণৰ- মলয় দাদা (মোৰ জ্যেষ্ঠ ভাতৃ) আৰু জয়নাথ শৰ্মা দাদা একেলগে থাকে। তেওঁলোকে আহি পদুলিতে মোক দেখি কয়, "Good morning, what is your name?" তেতিয়া মই ক'ব লাগিব, "My name is Umesh ch. Sarma."

আকৌ আন এদিনৰ কথা, "উমেশ, তই কোন শ্ৰেণী পালি? সদায় সময় মতে পঢ়িবি, ঘৰৰ নিয়ম মানি চলিবি। ডাঙৰক দেখা মাত্ৰকে নমস্কাৰ দিবি। এইবাৰ আহিলে verb list মাতি শুনাব লাগিব।

মাজে সময়ে দাদা যেতিয়া ঘৰলৈ আহে চুবুৰীৰ সৰু সৰু ল'ৰা-ছোৱালীক প্ৰাৰ্থনা আৰু ভজন লিখি মুখস্থ কৰিবলৈ দিয়ে। বিভিন্ন ধৰণৰ নীতি শিক্ষা দিয়ে।

উমেশ, ধন আৰু সম্পত্তি থাকিলে নহ'ব, প্ৰতিটো দিনতে ইয়াৰ উচিত ব্যৱহাৰ কৰি মানৱ সম্পদ গঢ় দিয়াটোহে মানুহৰ কাম। বিভিন্ন সময়ত ভিন ভিন ঠাইৰ মানুহে দাদাৰ সাহস, কৰ্তব্য পৰায়ণতা, কৰ্মদক্ষতাৰ বাবে প্ৰশংসা কৰা শুনিলে গৌৰৱ অনুভৱ কৰো। দাদাৰ সুস্বাস্থ্য কামনা কৰিলোঁ।

❑❑❑

# ড° জয়নাথ শৰ্মা
# এটি উজ্জ্বল নক্ষত্ৰ

– ব্ৰজেন্দ্ৰ আচাৰ্য্য

এইখিনিতে কৈ থওঁ যে যিজন ব্যক্তিৰ বিষয়ে লিখিব লৈছো, তেখতৰ বিষয়ে লিখিব খোজাটো মোৰ দৰে মানুহৰ বাবে অতি দুৰূহ কাম। তথাপি তেখেতৰ প্ৰতি অতি শ্ৰদ্ধা আৰু অকৃত্ৰিম মৰম থকা বাবে হাতত কলম তুলি লৈছো। অথাই সাগৰত এখন টুলুঙা নাৱেৰে পাৰ হ'ব খোজাৰ দৰে মন এটি লৈ ভুলে-চুকে যি মনলৈ আহিছে তাকে লিপিবদ্ধ কৰিবলৈ চেষ্টা কৰা হৈছে। মই জানো ইয়াত বহুতো ভুল ৰৈ যাব। সেইবাবে সদাশয় ব্যক্তি সমূহলৈ ক্ষমা খুজিছো আৰু লগতে মোৰ পৰম শ্ৰদ্ধাৰ ভাগিন ড° জয়নাথ শৰ্মালৈ প্ৰণিপাত জনাইছো। ভুল হ'লে তেখেতে যেন ক্ষমা কৰে। শ্ৰদ্ধাৰ ড° জয়নাথ শৰ্মাৰ ঘৰ সৰু থেকেৰাবাৰীত। তেখেত প্ৰয়াত নিধিৰাম আচাৰ্য্য ৰয়ৰ ছোৱালী প্ৰয়াত কিৰন্ময়ী দেৱী আৰু প্ৰয়াত পদ্মনাথ শৰ্মাৰ ল'ৰা আৰু মোৰ ভাগিন। তেখেত সৰুৰে পৰাই পঢ়া-শুনাত অতি চোকা আছিল। পঢ়া-শুনা কৰি থকা অৱস্থাতে তেওঁ সদৌ অসম ছাত্ৰ সন্থাত যোগদান কৰি দেশৰ হকে কাম কৰিবলৈ আগবাঢ়ে। তাৰ পিছত ছিপাঝাৰ সমষ্টিৰ বিধায়ক হৈ কাম কৰে। তেওঁ প্ৰথম বিধায়ক হৈ মই জনাত আমাৰ ব্যাসপাৰা গাঁৱত দুখীয়া গোটেইখিনি মানুহক পকা ঘৰ দিছিল। আৰু দুখীয়া তিৰোতা বিলাকক টিং আৰু বঙালী তাঁতশাল দি নাম উজ্জ্বলাই আজিও জিলিকি আছে। আৰু বহুতকো চাকৰিও দিছিল। তাৰ পিছত তেখেত অসম চুক্তি ৰূপায়ন মন্ত্ৰী হয়। ড° জয়নাথ শৰ্মা এজন ৰাজনীতি পাৰ্গত যশস্বী ব্যক্তি । ছাত্ৰ সন্থাত যোগদান কৰি থকা অৱস্থাতে তেখেত আমাৰ ঘৰত আছিল। মই মেট্ৰিক পৰীক্ষা দিয়াৰ সময়ত তেখেত

মোৰ লগতে আছিল। ইংৰাজীত ভাল হ'লে মই প্ৰথম বিভাগত উত্তীৰ্ণ হ'ম বুলি তেখেত নিশ্চিত আছিল। আৰু হয়তো তেখেতৰ আশীৰ্বাদতে মই মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হওঁ। মোক গীত গাবৰ বাবে সৰু থেকেৰাবাৰীলৈ লৈ গৈছিল। মোৰ ভতিজা কুসম আৰু মই থেকেৰাবাৰীৰ আৰতি মইনা পাৰিজাতৰ বাকী বহুতো ল'ৰা-ছোৱালীৰ লগত গীত গাবলৈ গুৱাহাটীৰ বি. বৰুৱা কলেজলৈ লৈ যায়। তাতে আমি গীত পৰিবেশন কৰো। তাৰ পিছত তেওঁ আমাক ঘৰলৈ লৈ আহে। আকৌ পঢ়া-শুনাত যোগ দিওঁ। জয়নাথ শৰ্মা একেৰাহে তিনিবাৰ মন্ত্ৰীত্বৰ পদত অধিষ্ঠিত হয়। প্ৰথমতে চুক্তি ৰূপায়ণ মন্ত্ৰী, তাৰ পিছত ৰাজহ মন্ত্ৰী আৰু তৃতীয় বাৰ জলসিঞ্চন মন্ত্ৰী হিচাপে তেওঁ সমষ্টিৰ গৌৰৱ কঢ়িয়াই আনে। তেওঁ আমাৰ দেশৰ গৌৰৱ। তেখেতৰ লগত শৈশৱ কালত আমি বহুতো ধেমালি কৰিছিলো। তেখেত এজন সিংহ পুৰুষ। তেখেতক গোটেই অসমৰ মানুহে চিনি পায়। ড° জয়নাথ শৰ্মাই ঘৰখনৰে নহয় নিজৰ অঞ্চলটিৰ বাবেও গৌৰৱ কঢ়িয়াই আনিছে। এতিয়াও তেওঁ ৰাজনীতি এৰা নাই।

শেষত জীৱনৰ বাকী থকা দিনবোৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু হৈ থাকক এয়ে পৰমব্ৰহ্মাৰ ওচৰত মোৰ প্ৰাৰ্থনা। তেখেত এজন সমাজহিতৈষী, ৰাজনীতিজ্ঞ, গৱেষক আৰু দূৰদৰ্শী ব্যক্তি। আহি থকা দিনবোৰ তেখেতৰ বাবে সুখদায়ক হওক, তাকেই কামনা কৰিলোঁ।

❑❑❑

# আমাৰ গৌৰৱৰ স্থলী বৰদেউতাগৰাকী

- মণিমালা আচাৰ্য্য

মই বুজা হোৱাৰে পৰা দেখি আহিছো আমাৰ বৃহত্তৰ পৰিয়ালটিৰ এগৰাকী সদস্য আহি আমাৰ ঘৰখনিত উপস্থিত হোৱাৰ লগে লগে গোটেই ঘৰখনত এক উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰে। তেওঁৰ আগমনে আমাৰ ওচৰ চুবুৰীয়াবোৰকো আহ্লাদিত কৰা দেখা পাওঁ। আনন্দ বা গৌৰৱবোধৰ জ্যোতিৰেখাই সকলোকে বিধৌত কৰি তোলা দেখা যায়। সেই গৰাকী ব্যক্তি আন কোনো নহয় মোৰ বৰদেউতা ড° জয়নাথ শৰ্মা। তেখেত দেউতাৰ জেঠায়েকৰ ল'ৰা হোৱা বাবে আমাৰ পৰিয়ালটিৰ লগত সঘন যোগাযোগেই নহয় সকলো সময়তে সুখ দুখৰ লগৰী হৈ থকা দেখিছো। কিন্তু তেখেতক লৈ সকলোৱে কিয় ইমান আগ্ৰহী হয়, কিয় ইমান ব্যস্ত হৈ পৰে তেতিয়া বুজিব পৰা নাছিলো। যেতিয়া বুজি পালো যে তেখেতেই অসম আন্দোলনৰ নেতৃত্ব বহনকাৰী বিচক্ষণ নেতা , তেখেতেই অসম বিধান সভাৰ মজিয়া কঁপাই তোলা সাহসী পুৰুষ ড° জয়নাথ শৰ্মা গৰাকী, তেতিয়া অজানিতে মোৰো মন এক গৌৰৱবোধেৰে ভৰি পৰিল। নহ'বই বা কিয়, আমাৰ পৰিয়ালৰ পৰা বিধায়ক তথা মন্ত্ৰীত্বৰ আসন অলংকৃত কৰা বংশৰ প্ৰদীপ তেখেত যে আমাৰ মৰমৰ বৰদেউতা। তেখেত আমাৰ আদৰ্শ আৰু প্ৰেৰণাৰ উৎস।ইমান ব্যস্ততাৰ মাজতো বৰদেউতাই মোৰ পঢ়া শুনাৰ খবৰ লৈ থকা কথাটোতো মই আচৰিত হওঁ। সকলোবোৰ কেনেকৈ বাৰু চম্ভালি লয় ? তেখেতৰ বিৰল প্ৰতিভা আৰু ব্যক্তিত্বই মোক সদায় প্ৰভাৱিত কৰি আহিছে।

এই চমু লেখাটিৰ জৰিয়তে বৰদেউতালে যাচিলোঁ হিয়া ভৰা মৰম, শ্ৰদ্ধা আৰু শুভকামনা। লগতে আশা ৰাখিছো তেখেতৰ কৰ্মময় জীৱন অধিক উজ্বল হওক আৰু সুস্বাস্থ্যৰে দীৰ্ঘ দিন সমাজৰ সেৱাত ব্ৰতী হৈ ৰওক।❑❑

# চেনেহৰ অনুজ ড° জয়নাথ শৰ্মা

- ৰুদ্ৰনাথ শৰ্মা

আমাৰ পিতৃদেৱ প্ৰয়াত পদ্মনাথ শৰ্মা আৰু মাতৃ প্ৰয়াত কিৰন্ময়ী দেৱী। তেওঁলোকৰ আঠটা সন্তানৰ আমি ল'ৰা পাঁচটা। এই পাঁচ ভাই ককাইৰ মই দুই নং আৰু জয়নাথ তিনি নম্বৰ। সৰুতে সি বৰ ধুনীয়া স্বাস্থ্যৰ গৰাকী আছিল। খোৱা-লোৱাৰ প্ৰতি তাৰ বৰ আগ্ৰহ আছিল। শিশু অৱস্থাত সি কিছুমান শব্দ স্পষ্টকৈ ক'ব নোৱাৰিছিল। 'ভাত খাওঁ' বুলি নকৈ 'ভাত গাও' বুলি কৈছিল।

পঢ়োতে আমি সৰু থেকেৰাবাৰী বালক প্ৰাথমিক বিদ্যালয়ত পঢ়িছিলো। আমাৰ মাজত ব্যৱধান তিনিটা শ্ৰেণীৰ। তাক শিক্ষকে বৰ মৰম কৰিছিল। তাকে দেখি আমি বৰ আনন্দিত হৈছিলো। অন্য যিয়েই নকৰক সি শিক্ষকক বৰ শ্ৰদ্ধা কৰিছিল আৰু পঢ়াত বৰ মনোযোগী আছিল।

পঢ়ি থকাৰ মাজতে জয় ছাত্ৰ সংগঠনৰ সৈতে জড়িত হয় আৰু সমাজত ন্যায় প্ৰতিষ্ঠাৰ বাবে একাগ্ৰচিত্তে লাগে। দেশপ্ৰেমৰ ভাব জাগ্ৰত হোৱা বাবেই বিদেশী বহিষ্কাৰ আন্দোলনতো আগভাগ লৈছিল। উল্লেখযোগ্য যে এই আন্দোলনত আমাৰ এগৰাকী ভাতৃ দয়া বা দ্বীপেন শৰ্মা শ্বহীদ হয়।

আন্দোলনৰ পিছত সি ছিপাঝাৰ সমষ্টিৰ বিধায়ক হিচাপে নিৰ্বাচিত হয়। এই কথাত আমি যিমান আনন্দিত হৈছিলো তাতকৈ পিতাক বেছি সুখী হোৱা দেখিছিলো। মায়ে বহু আগতেই সংসাৰ এৰা বাবে তাৰ এই উন্নতিখিনি দেখা নাপালে।

আমি ব্যক্তিগতভাৱে কি পালো কি নাপালো সেয়া বিচাৰ নকৰো, কিন্তু ছিপাঝাৰ সমষ্টিৰ পূৰ্বৰ ৰেহ ৰূপ সলনি কৰি দিছিল জয়নাথে। তেতিয়া চৰকাৰৰ ধন নাছিল, কিন্তু ধন নহ'লেও জয়নাথৰ কিবা এটা কৰাৰ মন আছিল।

যি পাৰে কৰিছিল। উল্লেখযোগ্য কথা যে জয়নাথৰ শাসন কালত ছিপাঝাৰ সমষ্টিত মদৰ দোকান বা বাৰ আদি হোৱা নাছিল।

আমাৰ ছোৱালী দুজনী বিয়া দিওঁতে জয়নাথে ৰাজকুমাৰীৰ দৰে বিয়া দিছিল। ফৰেষ্টৰ এগৰাকী সৰু কৰ্মচাৰী বাবে ছোৱালী কেইজনী তেনেকৈ বিয়া দিয়া মোৰ বাবে সম্ভৱেই নহ'লহেঁতেন। আন এটা কথা, কেৱল জয়নাথৰ বাবেই আমি বহু মান-সন্মান পাবলৈ সক্ষম হৈছো। সেইটোকে কেতিয়াবা পৰম সৌভাগ্যৰ কথা যেন লাগে।

আমাৰ পিতা শাৰিৰীক, মানসিকভাৱে অতি শক্তিশালী আছিল। তেনেকুৱা মানসিক বলৰ অধিকাৰী আমি কোনেও হ'ব নোৱাৰিলো। কিন্তু তাৰে কিছু অংশ জয়নাথে আয়ত্ব কৰা যেন লাগে। সঁচাকৈয়ে জয়নাথ আমাৰ ঘৰৰে নহয় বংশৰে গৌৰৱৰ স্থলী। তাৰ প্ৰতি মোৰ মৰম চেনেহ শুভাশীষ সকলো সময়তে অম্লান হৈ ৰ'ব। শেষত, জয়নাথ সম্পৰ্কে কিতাপ এখন উলিয়াবলৈ যত্ন কৰা বাবে মামাৰ ল'ৰা নিপনৰো শলাগ ল'লো।

❑❑❑

# জয় দাদাৰ অনুকৰণ

- হৈম্য দেৱী (নিৰু)

ৰঙামাটি মৌজাৰ থলুৱা লোকৰ জন বসতি প্ৰধান এখন বৃহত্তৰ গাঁও। গাঁওখনৰ নাম দাৰিয়াপাৰা। সেই দাৰিয়াপাৰা গাঁওখনৰ এটা কোণত, যিটো কোণত আলি-পদূলি, যান-বাহনে ঢুকি নাপায়, সেই ঠাইতে দাদা ড° জয়নাথ শৰ্মাদেৱৰ জন্ম। সেই ঠাই ডোখৰত এতিয়াও ৰাস্তা-পদূলি উন্নত হৈ উঠা নাই।

পৰিয়ালত আমি ভাই-ভনী আছিলো আঠজন। মই অলপ জনা হোৱাৰ পৰাই জয় দাদাৰ কিছুমান কথা আৰু গুণৰ কথা শুনি আহিছিলো। আমি পিতাৰ মাকক বুঢ়ীমাই বুলি মাতিছিলো। আমি সকলোৱে বুঢ়ীমাইৰ লগতে লাগি থাকো। মায়ে বোলে এদিন বুঢ়ীমাইৰ ওচৰত জয় দাদাক থৈ হাতত ফলি-কিতাপ-পেঞ্চিল দি ভাত ৰান্ধি আছে। জয় দাদাই ক-খ নে কিবা লিখি বুঢ়ীমাইক কৈছিল, এয়া মোৰ লিখা হৈছে নে? তেতিয়া বুঢ়ীমায়ে কৈছিল- “যাকে পা তাকে লিখি থাক।”

মায়ে ভাত ৰান্ধি থকা ঠাইৰ পৰা সকলো কথা শুনি আছিল। মাই ওলাই আহি হাঁহি হাঁহি বুঢ়ীমাইক ক'লে- “আই তাক তেনেকৈ ক'ব নালাগে। তাক ক'ব লাগিব কিতাপত যি আখৰ লিখা আছে তাকেহে লিখ, বেলেগ ধৰণে নিলিখিবি। তেতিয়া সি সাৱধান হ'বলে বাধ্য হ'ব।” আমাৰ মা সম্পৰ্কে জানিবলৈ বোধকৰো এই কথাষাৰ যথেষ্ট হ'ব। তেনে এগৰাকী মাতৃৰ তত্বাৱধানতে মেধাৱী শিশু ড°জয়নাথ শৰ্মাৰ শৈশৱ কাল অতিবাহিত হৈছিল। কাজেই সেই শিশু আজিৰ শিক্ষাব্ৰতী ড°জয়নাথ শৰ্মা। মাৰ শিক্ষা আছিল যদিও মায়ে আমাৰ লগত থাকিব অলপো সময় নাপাইছিল। সেই সময়ত সকলো মহিলাই বহুতো কষ্ট কৰিছিল। পুখুৰীৰ পৰা পানী অনা। যিমান দূৰতে

নহওক কিয় পুখুৰীৰ পৰা পানী আনিছিল। আমাৰো মায়ে পুখুৰীৰ পৰা পানী আনি গা ধোৱা, বাচন ধোৱা আদি সকলো কাম কৰিছিল। আঠ-নজন মানুহৰ বাবে প্রয়োজনীয়  পানী আনিছিল। সেয়ে মাই আমাক অকনো সময় দিব পৰা নাছিল। দাদাহঁতৰ পঢ়াৰ কথা অলপ মনত পৰে। বাহিৰা মানুহ আহিলে বহিবলৈ দিয়া ঘৰটোক আমি বহাঘৰ বুলি কৈছিলো। সেই ঘৰটোত এখন টেবুল আৰু এখন কাঠৰ চকী, এটা লেম্প। তাতে ডাঙৰ দাদাই পঢ়িছিল। জয় দাদা আমাৰ লগতে বুঢ়ীমাইৰ ঘৰৰ ভিতৰত মাটিমাহ, সৰিয়হৰ বস্তাৰ ওচৰতে এখন টুল-পিৰা লৈ পঢ়ি আছিলো। মই, বাই, দাক্ষ্য আমি তিনিওজনীয়ে দাদাক পঢ়াত অসুবিধা কৰি আছিলো।

সেই সময়ত এল.পি. স্কুলত ‘ক’ শ্রেণী, ‘খ’ শ্রেণী, ২য় শ্রেণী আৰু ৩য় শ্রেণীকে ধৰি চাৰিটা শ্রেণী আছিল। হয়তো সেই সময়ত দাদা ২য় শ্রেণী মানত আছিল। আৰু কেৰাচিনৰ চাকিৰে পঢ়িছিল। দিনৰ সময় চাইছিল বেলিৰ ফালে চাই। পশ্চিমৰ ফালৰ ঘৰটোৰ বাৰাণ্ডাত এটা চিন দিয়া আছিল। সেই চিনটোৰ সৈতে ছাঁৰ লগত সম্পৰ্ক এটা বনাই লৈছিলো। সিয়ে আছিল আমাৰ ঘড়ী। আমাৰ ঘৰলৈ অহা ওচৰ চুবুৰীয়াই কোৱা শুনিছিলো জয় এজন মানুহ হ’ব। তেতিয়া বুঢ়ীমায়ে কৈছিল- অঁ, পুখুৰীৰ পাৰৰ স্কুলৰ বাবুটো আহি কৈয়ে থাকে সি বোলে পঢ়াত বৰ ভাল আৰু বোলে কিবা মন্ত্রীও।

আমাৰ ঘৰলৈ এজন মানুহ আহি থাকে। মই ভাবিছিলো তেওঁ আমাৰ আলহী। পিছত গম পালো তেওঁ দাদাহঁতক পঢ়ুওৱা ছাৰ। সেয়ে দাদাহঁতৰ মৰমতে আহে। তেওঁৰ নাম আছিল বাপুৰাম চহৰীয়া। দাদাহঁতক অতি মৰম কৰিছিল। দাদাহঁতৰ শিক্ষাগুৰু আৰু তেওঁ খা-খবৰ লয়। সেই সূত্রে প্রয়াত বাপুৰাম চহৰীয়া ছাৰৰ ঘৰখন আমাৰ অতি আপোন হৈ পৰিছিল।

দাদাহঁত ৰঙামাটি জে. দি. এম.ই স্কুলত পঢ়িছিল। সেই সময়ত দাদা বগা পাইজামা আৰু বগা চাৰ্ট পিন্ধি স্কুললৈ গৈছিল। আমাৰ ওচৰত পানীৰ সুবিধা নাছিল। সেয়ে আমি সৰুৰে পৰা বৰপুখুৰীলৈ কাপোৰ ধুব বা গা ধোবলৈ গৈছিলো। জয় দাদাৰ চাৰ্ট সদায়ে ধুব লাগে। এদিন মই জয় দাদাৰ

চাৰ্টটো ধুই উঠি ভালকৈ জোকাৰি দিছিলো। তেতিয়া কালাৰটো চিঙি গৈছিল। মই সেই কথাটো নক'লো। দাদাই চাৰ্টটো পিন্ধিবলৈ চাই দেখিলে কালাৰটো ছিঙি আছে। সেই সময় ঠিক স্কুলত যোৱাৰ সময় হৈছিল। দাদাৰ বহুত খং উঠিছিল আৰু মোক আমাৰ ঘৰৰ পিছফালে এজোপা আতচফলৰ গছ আছিল সেই গছৰ পৰা এটা সৰু ডাল ছিঙি আনি দুখন ভৰিত কোবাইছিল। সেই সময়ৰ কথা মাজে সময়ে মনত পৰি থাকে। অতি কষ্টেৰে মাহ-বেহাৰৰ বস্তাৰ ওপৰতে আমি পঢ়িছিলো।

মায়ে আমাক অতি কষ্টেৰে অতি সহজ সৰল জীৱনৰ মাজেদি বুকুত উচ্চাকাংক্ষা বান্ধি লৈ আগবাঢ়ি গৈছিল। দাদাৰ বাল্য জীৱনৰ গুণ-গৰিমাই মাৰ অন্তৰত ৰেখাপাত কৰিছিল। দাদাই সৰু কালৰ পৰা বহু কষ্ট কৰি শিক্ষা লাভ কৰায়ে নহয় জীৱনৰ বাট বিচাৰি লৈছিল। পিতা-মাইক দাদাই কোনো কাৰণত বিশেষ সুবিধা বিচৰা নাছিল। পিতা-মায়ে দাদাক পঢ় বুলি ক'ব নালাগিছিল।

দাদা ৰঙামাটি জে. দি. এম. ই. স্কুল পাছ কৰি মঙলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঢ়িছিল। কিন্তু সৰু থেকেৰাবাৰীৰ লগ-বন্ধু বা আৰতি সংঘ এৰা নাছিল আৰু ঘৰৰ কিছুমান কাম এৰা নাছিল যেনে পথাৰত শালিধানৰ গুছি লোৱা, ধানৰ আগ অনা পৰ্ব সেইবোৰ দাদাই কৰিছিল। পিছলৈ দাদাই ঘৰৰ সকলো কথা আওকাণ কৰি নিজৰ কামত ব্যস্ত হ'ল। দাদা বৰ মেধাবী ছাত্ৰ আছিল। তেওঁ নিজৰ একান্ত আগ্ৰহ আৰু ধাউতিৰ বাবে সৎ আৰু কৰ্তব্য পৰায়ণ নেতা হৈ উঠিছিল।

ডাঙৰ দাদাই মঙলদৈ কলেজৰ পৰা বি. এছচি. পাছ কৰিলে। সেই সময়ত মোৰ বয়স আছিল মাত্ৰ এঘাৰ বছৰ। মই প্ৰাথমিক বিদ্যালয়ৰ পৰা লিভিং পৰীক্ষা পাছ কৰি ৰঙামাটি জে. দি. এম. ই. স্কুলত নাম লগাইছিলো। পিছে মোৰ পঢ়া নহ'ল। বিবাহ পাশত আবদ্ধ হ'লো। সেই সময়ত আমাৰ ঘৰৰ অৱস্থা একেবাৰে টনকিয়াল নাছিল। আমি তিনিজনী ছোৱালী। গতিকে এজনী ছোৱালীক দিবলৈ ল'ৰা চাইছিল। কিন্তু দাদাহঁতে কোনেও গম পোৱা নাছিল।

মোৰ শহুৰ দেউতাক পিতায়ে আতি বুলি মাতিছিল। আৰু কৈছিল মোৰ ডাঙৰ ছোৱালীজনীক আপোনাৰ ল'ৰালৈ বিয়া কৰাই আনা। শহুৰ দেউতাই হ'ব বুলি ক'লে। আচলতে পিতাই বাইদেউৰ কাৰণেহে দৰা চাইছিল, পিছত মোৰহে বিয়া হ'ল। বাইদেউ চাকৰি নকৰা লৰাৰ লগত বিয়া নহওঁ বুলি আপত্তি কৰিলে।

মায়ে অলপ অনিচ্ছা কৰিছিল। পিতায়ে কৈছিল ওচৰত এজনী ছোৱালী দিব লাগে। কাৰণ ভাই-ভনীৰ সহায়ৰ হাত হয়। পিতাৰ আশা পুৰণ হ'ল। পুৰা-গধুলি পিতায়ে মোৰ ঘৰলৈ এবাৰ আহিবই। পিতা নাহিলে মই গৈ খবৰ লৈ আহো।

মোৰ বিয়াৰ পিছত ডাঙৰ দাদাৰ যোৰহাটত বেংকত চাকৰি হৈছিল। জয়নাথ দাদা ছাত্ৰ নেতা। দয়া, দাক্ষ্য, দেৱ পঢ়ি আছিল। সেই সময়ত মাৰ অলপ অসুখ হ'ল। আমাৰ মাহ-বেহাৰ, আলু-কচু সকলো ধৰণৰ খেতি কৰা মাটি চাপৰিত আছিল। তাতে ৰুদ্ৰ দাদা আৰু কাম কৰা মানুহ এজনৰ লগত খেতিৰ কামত লাগি আছিল। মাৰ পেটৰ বিষ বেমাৰ হ'ল। সেই বেমাৰ দিনক-দিনে বেছি হ'বলৈ ধৰিলে। মই গৈ মাক চাইছিলো। দয়া, দেৱ, পিতাক মায়ে ভাত পানী দিব লাগিছিল। সেই সময়ত ফোনৰ ব্যৱস্থা নাছিল। মাৰ বেমাৰ হোৱা খবৰটো দিবলৈ কোনো সুবিধা নাছিল। আমাৰ ওচৰৰে খুৰাৰ ল'ৰা মলয় দাদা আৰু জয় দাদা সৰুৰে পৰা নলে-গলে লগাকৈয়ে ফুৰে। সৰুৰে পৰা নিজৰ গাঁৱৰ আৰতি সংঘ মইনা পাৰিজাত এইবোৰত লাগি থাকে। আমি দেখিছো মইনা পাৰিজাতৰ মইনাসকলে নাটক কৰিছিল। দাদা আছিল নাটকত ভাল অভিনয় কৰা অভিনেতা। সেইবোৰ কথা আমাৰ গাঁৱৰ ককা-আইতা সকলে কৈছিল। জয় দাদা সকলো কথাতে পাকৈত। সৰুৰে পৰা দাদাৰ গুণ-গৰিমা কথা শুনিছো আৰু দেখি আহিছো।

জয়নাথ দাদাৰ সৰুৰে পৰা দেখি অহা কথাবোৰ মনলৈ আহিয়ে থাকে।

আজি সৰু কথাবোৰ কিন্তু মনত পৰে। জয় দাদা শিশু অৱস্থাৰ পৰা দৃঢ় আৰু বহল মনৰ আছিল। সঁচাকৈয়ে আমি চুকৰ ভেকুলীৰ দৰে দাৰিয়াপাৰা

গাঁৱৰ এটা কোণত থাকো। সেই ঠাইত মানুহৰ যাতায়ত কম। গাড়ী-মটৰ আমি দেখায়ে নাছিলো।

ঐতিহাসিক সৰু থেকেৰাবাৰী গাঁৱৰ এটা খণ্ডৰ নাম ভাঙুৰীপাৰা। সেই ভাঙুৰীপাৰাতে আমাৰ আতা-পিতাৰ জন্ম। তাতে এডোখৰ ঠাইৰ জুৰৌবাৰী নাম। সেই জুৰৌবাৰী এখন জাগ্ৰত শিৱ লিংগ আছিল। তাতে ভাঙুৰীপাৰাৰ সকলো লোকে আপদে-বিপদে নৈবেদ্য এখন আগবঢ়ায়। আয়তীসকলেও নাম-প্ৰসংগ কৰিছিল। কিন্তু তাতে ৰাতি-বিয়লি যাবলৈ নোৱাৰে। তাত বহু ধৰণৰ গছ-গছনি, বাঁহ-বেত। দিনৰ ভাগতে শিয়াল, নেউল, সাপ সেইবোৰ দেখিছিলো। এতিয়া কিন্তু সেই হাবি-বননি নাই।

দাদাৰ বয়স হয়তো ন বছৰ মান হৈছিল। তেতিয়া দাদাৰ মনত এটা মহৎ চিন্তা উপজিছিল। যিকোনো উপায়ে আমাৰ এই শিৱ লিংগতো মুকলি ঠাইলৈ আনিব লাগে। আৰু আমাৰ এই ভাঙুৰীপাৰা অঞ্চলটোত এখন সৌন্দৰ্য্যৰে ভৰপূৰ নঙলা আছে। তাতে আম গছ, শিলিখা গছ, জামু গছ ইত্যাদিৰে ভৰা। এই নঙলাখনতে আমি গোসাঁই থম। পিছলৈ ডাঙৰকৈ মন্দিৰ হ'ব। এইবুলি দাদাই স্কুললৈ যাওঁতে ভাঙুৰীপাৰাৰে বাপু দাদা আৰু হংস, মলয় দাদা এওঁলোকে আলোচনা হ'ল- আজি আমি জুৰৌবাৰীৰ পৰা গোসাঁই উলিয়াই আনিম। স্কুলৰ পৰা ঘূৰি আহোতে চাৰিজনে ভাঙুৰীপাৰাৰ ঘাতত আহত গছ এজোপা আছে। সেই গছ জোপাৰ তলত ফলি, পেঞ্চিল, কিতাপ সকলোবোৰ থলে। কাপোৰবোৰো খুলি থৈ গা ধুই ল'লে। কাৰণ গোসাঁই উলিয়াই আনিব।

ইফালে ঘৰত হাহাকাৰ। আমাৰ বুঢ়া মায়ে মাক কৈ আছে। চোতালৰ ছেঁয়া গ'ল, স্কুলীয়া ছলি আহা নাই। তেতিয়া মায়ে বুঢ়া মাইক ক'লে আয়ে ওলাই যাছোন ভাঙুৰীপাৰাৰ ফালে। বুঢ়া মাই ওলাই গ'ল। দাক্ষ্য আৰু মইও পিছে পিছে ওলালো।

বুঢ়া মায়ে ওলাই গৈ মলয় দাদাহঁতৰ ঘৰৰ সন্মুখত থিয় হৈ সুধিলে- অ' দোমাহী, মলয় আহিছেনে? নাই আহা? পিছে বুঢ়া ভিঠিৰ পালে যাওঁ চোতাল ছেঁয়া পৰিল। সিঁহাত বা কিয়া আহি পাৰা নাই। দুয়ো গৰাকী বুঢ়া

মাই'ৰ পিছে পিছে আমিও গ'লো। আমি অলপ দূৰৈৰ পৰায়ে হা হুৰুলী শুনিলো। ওচৰ পালোগৈ। দেখিলো জুৰৌবাৰী গোসাঁই থানত ল'ৰা-ছোৱালীবোৰ গোট খাইছে। গম পালো গোসাঁই নঙলালৈ নিব। বুঢ়া মাইহঁতে এটা এটা সেৰা ল'লে আৰু ক'লে- এয়া জয়নাথৰ বুদ্ধি। এইবুলি কৈ বুঢ়া মাইহঁত তাৰ পৰা ওলাই আহিল। আমি চাই থাকিলো।

হৰিৰ ধ্বনি দিলে আৰু লগে লগে কোনোবা এজনে ক'লে, যদি বহিৰলৈ যা পাতল হোৱা আৰু যদি নোযোৱা আমি এই চাৰিটায়ে তোমাক লৰাবা নোৱাৰা হ'বা। এইবুলি এটুকুৰা বাঁহ শিৰ লিংগটোৰ কাযেৰে ভৰাই দি গোসাঁইটো দাঙিলে। পাতল হৈ উঠিল আৰু হৰিৰ ধ্বনিৰে গোসাঁই লৈ নঙলা পালে। দাদাহঁতে গা ধুই আহোতে নঙলাত এটা গোসাঁই ভিঠি বনাই মোচা-সাৰা কৰি থৈ আহিছিল। সেই নঙলাত গোসাঁইটো থৈ কৈছিল, আজিৰ পৰা সকলোৱে দেখাকৈ ইয়াতে থাকিবা আৰু কাকো ভয় নুখুৱাবা। তেতিয়াৰে পৰা আমি নঙলাৰ বুঢ়া গোসাঁই বোলো।

এদিনৰ কথা। আমি সঁচাকৈয়ে এটা চুকৰ কোণত থকাৰ দৰে থাকো। আমাৰ কোনো বাহিৰা জ্ঞান নাছিল। সেই সময়ত আমি টিভি., ৰেডিঅ', ম'বাইল দেখা নাছিলো।

ব'হাগ মাহ হ'লে নতুন বছৰ সৰু-ডাঙৰ সকলোকে বিহুৱান দিয়ে। সৰুৱে ডাঙৰক সেৱা কৰে। ৰঙালী বিহুত সকলোৰে উলাহ-মালহ। বিহু হ'লে আলহী মাতি ভাত, জলপান, দৈ, মিঠাই, বহু ধৰণৰ পিঠা বনোৱা দেখিছিলো।

আমি কিন্তু জানুৱাৰী মাহটো ইংৰাজী মাহৰ প্ৰথম মাহ বুলি জানো। জানুৱাৰী মাহত শুভেচ্ছা বা গ্ৰিটিংছ্ কাৰ্ড দিব লাগে বুলি নাজানিছিলো। সেইদিনা জানুৱাৰী মাহৰ এক তাৰিখ। আমি মানে প্ৰয়াত ৰত্ন বাই, দাক্ষ্য, মই তিনিটায়ে শুই আছো। আমাৰ ওচৰলৈ জয়নাথ দাদা গৈছে আৰু আমাক কৈছে এই তহঁত উঠা নাই? মই তহঁতৰ কাৰণে নতুন বছৰৰ শুভেচ্ছা আনিছো। পিছে ব'হাগ মাহ দেখো আহাই নাই। হেই বেঙেৰীহঁত আজি জানুৱাৰী মাহৰ এক তাৰিখ। ইংৰাজী মতে আজি নতুন বছৰৰ প্ৰথম মাহ আৰু প্ৰথম দিন। গতিকে

মই তহঁতৰ কাৰণে এয়া গ্ৰিটিংছ্ কাৰ্ড আনিছো। তাতে লিখা আছে নতুন বছৰৰ শুভেচ্ছা আৰু ধুনীয়া ধুনীয়া ফুল। আমি বহুত ডাঙৰ বস্তু পোৱা যেন পালো আৰু দেখিলো। মই ভাবিলো আজি স্কুললৈ লৈ যাম। সকলো লগৰীয়াকে দেখুৱাম। মই স্কুললৈ গ'লো। প্ৰাৰ্থনাৰ পিছত লাহেকৈ গ্ৰিটিংছ্ কাৰ্ডখন্ ুলিয়াই ল'লো। এনেতে ওচৰতে বহা কোনোবা এগৰাকীয়ে দেখিলে। কি চাওঁ বুলি আগ্ৰহ কৰিলে। ময়ো দেখুৱাবলৈ লৈ লৈছিলো। মোৰ পৰা লোৱাৰ পিছতে ইটো-সিটোৰ তনা-আঁজোৰা লাগি পৰিল। আমি দ্বিতীয়মান শ্ৰেণীত আছিলো।

সেই সময়ত আমাৰ স্কুলত শিক্ষক তিনিজন আছিল। প্ৰয়াত ধৰণীধৰ শৰ্মা, প্ৰয়াত বুদ্ধি বড়া আৰু প্ৰয়াত দুৰ্গাৰাম শৰ্মা। আমাৰ শ্ৰেণীটোত গ্ৰিটিংছ্ কাৰ্ডখনৰ বাবে ল'ৰা-ছোৱালীবোৰৰ অলপমান কিবা হাই উৰুমি হৈছিল। সেইবোৰ দুৰ্গা ছাৰে চাই আছিল। আৰু তেওঁ টেবুলত দুটামান কোব মাৰিলে। সকলো নিমাত হ'ল। আৰু লগে লগে দুৰ্গা ছাৰে ক'লে- হৈম্য, ইফালে আহা, মই বহি থকা ঠাইৰ পৰা লাহে লাহে ছাৰৰ ওচৰ পালোগৈ। ছাৰে ক'লে হাত দুয়োখন দিয়া। ময়ো হাত দুখন ছাৰৰ ফালে আগবঢ়াই দিলো। ওঁ মোৰ হাত ফালি যোৱকৈ পাৰে মানে কোবালে। স্কুলৰ ছাত্ৰ-ছাত্ৰী বাকী শিক্ষক দুজন সকলো অবাক। মই কান্দি কান্দি নিজৰ ঠাইত বহিলো আহি।

হেড্ছাৰে মোক কথাটো কি বহুবাৰ সুধিছিল. মই একো ক'ব নোৱাৰিলো। মাত্ৰ মোৰ জয় দাদাৰ ওপৰত খং উঠিছিল। মনতে ভাবিছিলো, গ্ৰিটিংছ্খনৰ কাৰণেহে কোব খালো। এনেতে মোৰ লগৰে এজনে গ্ৰিটিংছ্ কাৰ্ডখন লৈ হেড্ছাৰৰ ওচৰলৈ গ'ল। আৰু ক'লে ছাৰ আমি সকলোৱে এইখন চাই আছিলো। ইটো সিটোৱে টনা-আজোৰা কৰোতে আমি কথা ক'ব লগা হৈছিল। সেই কাৰণে হৈম্যক কোবাইছে। হেড্ছাৰে কাৰ্ডখন হাতত লৈ দুৰ্গা ছাৰক মাতিলে। দুৰ্গা ছাৰ ওচৰলৈ আহিল। আৰু হেড্ছাৰে থিয় হৈ ক'লে এই কাৰ্ডখন নতুন বছৰৰ শুভেচ্ছা শুভেচ্ছা জনোৱা কাৰ্ড।

হেড্ছাৰে ক'লে দুৰ্গা এই গ্ৰিটিংছ্ কাৰ্ডখনৰ বিষয়ে বহলাই ছাত্ৰ-ছাত্ৰীক বুজাই কোৱা। দুৰ্গা ছাৰে একো নক'লে। হেড্ছাৰে সকলো কথা বুজাই

দিলে আৰু ক'লে বৰ্তমান চহৰবোৰত প্ৰচলিত হৈছে। লাহে লাহে আমাৰ গাঁৱবোৰতো ইংৰাজী মাহৰ নতুন বছৰ পালন কৰিব।

মোৰ মনত লাজ নে দুখ নে খং নিজে একো নাজানিলো। কিন্তু মনতে ভাবিলো দাদাই এই গ্ৰিটিংছ্ কাৰ্ডখন দিয়াৰ বাবেহে মই কোব খালো। কিন্তু জয় দাদাৰ কাৰণে আজি সকলোৱে এই গ্ৰিটিংছ্ কাৰ্ডখনৰ কথা ছাত্ৰ-ছাত্ৰীয়েও জানিলে। দুৰ্গা ছাৰেও লাজ পাইছে। মই ঘৰত কথাবোৰ ক'লে মইয়ে দায়ী হ'ম। এইবোৰ কথা ভাবি-চিন্তি মই কেইদিনমান স্কুলত নগ'লো। মনতে ভাবিছিলো আৰু মই স্কুলত নাযাওঁ, পঢ়া মোৰ আৰু নহ'ব।

এদিন স্কুলৰ পৰা বাহিৰে বাহিৰে দুৰ্গা ছাৰ আমাৰ ঘৰলৈ আহি সকলো কথা ক'লে। লগতে ক'লে- হৈম্য স্কুলত যোৱা নাই। সেয়ে স্কুলত যোৱাৰ কথা ক'বলৈ আহিলো। মোক তেওঁৰ ওচৰলৈ মাতিছিল, মই নগ'লো।

দাদাৰ কথা ক'বলৈ আগবাঢ়োতে পুৰণি কথাবোৰ মনলৈ আহিল। এই স্মৃতি ৰোমন্থন কৰোৱ বাবে মৰমৰ নিপনলৈ ধন্যবাদ জনালো। শেষত শ্ৰদ্ধাৰ দাদা সকলোৰে প্ৰেৰণাৰ উৎস হৈ ৰওক তাকেই কামনা কৰিলোঁ।

❑❑❑

# ঘৰৰ সকলোৰে মৰমৰ ল'ৰাজন

- গোলাপী শৰ্মা

স্বদেশ, স্বধৰ্ম, স্বকৰ্মৰ প্ৰতি অনুৰাগ সকলো জ্ঞানী লোকৰে থাকে আৰু নিজা সংস্কৃতি ৰক্ষাৰ বাবে তেনে লোকে চেষ্টাৰ কোনো ত্ৰুটি নকৰে। আমাৰো জয় তেনে এগৰাকী ব্যক্তি।

দৰং জিলাৰ মঙলদৈ মহকুমাৰ ৰঙামাটি মৌজাৰ অন্তৰ্গত দাৰিয়াপাৰা গাঁৱত ড° জয়নাথ শৰ্মাৰ জন্ম। জন্ম পোৱা গাঁওখনৰ এতিয়াও ৰাস্তা, পদূলি বাৰিষা আহিলেই এক আঁঠু বোকা পানী। আমাৰ শহুৰ দেউতা প্ৰয়াত পদ্মনাথ শৰ্মা আৰু শাহুমা প্ৰয়াত কিৰণময়ী দেৱী। তেওঁলোকৰ ল'ৰা-ছোৱালী আঠজন। ল'ৰা পাঁচজন আৰু ছোৱালী তিনিজনী। তিনি নম্বৰ ল'ৰাজনেই হ'ল ড° জয়নাথ শৰ্মা। ১৯৭৯ চনত দ্বিতীয় জন পুত্ৰ ৰূদ্ৰনাথ শৰ্মাৰ লগত বিয়া হোৱাৰ পৰা মই জয়ক চিনি পাওঁ আৰু লগ পাওঁ। জয় ঘৰলৈ নাহিছিল কাৰণ তেওঁ ছাত্ৰ নেতা হিচাপে নানা কামত ব্যস্ত আছিল।

কেতিয়াবা ৰাতি আহিছিল লগত কিছুমান ছাত্ৰ নেতা লৈ। তেওঁলোকৰ ভিতৰত মনত পৰে ভৰত চন্দ্ৰ নৰহ, বৃন্দাবন গোস্বামীৰ কথা। ৰাতি নুপুৱাওঁতেই তেওঁলোক আকৌ ঘৰৰ পৰা গুচি যায়। এদিনাখনৰ কথা। পুহ মাহ ৰাতিপুৱা ৪.৩০ মান বাজিছে। দেউতাই চোতালত জুই পুৱাই আছিল। মই চোতাল-বাট ঝাডু মাৰি আছিলো। এনেতে দহ-বাৰজন মানুহ জোটা পিন্ধি গুপগুপকৈ ঘৰলৈ সোমাই আহিল। মই ভয়তে দেউতাক ক'লো- কোনোবা আহিছে। দেউতাই ক'লে- পুলিচ। মই ভয়তে দেউতাৰ ওচৰত বহিলো। পুলিচ কেইজনে দেউতাক কিবা সুধি গুচি গ'ল। পিছত দেউতাই ক'লে আমাৰ জয় ডাঙৰ ছাত্ৰ নেতা। সেহে তাক বিচাৰি আহিছে।

মই জয়ক ভালদৰে লগ পাইছো ২০০৩ চনত আমাৰ দেউতা (শহুৰ)

ঢুকোৱা সময়ত। প্ৰায় বিশ দিনমান লগ পাইছিলো। তেতিয়া জয়ৰ পৰা বহু ভাল কথা শুনিছিলো। কিছুমান খুহুতীয়া কথা আজিও মনত পৰে।

জয়ৰ লগতে তেওঁৰ সহধৰ্মিণী আমাৰ মৰমৰ জা সৰ্ব গুণৰ অধিকাৰী অনিতাৰ বহু কথা মনত পৰে। এদিন তেএঁ মোক সুধিছিল আমাৰ ল'ৰা-ছোৱালীক কি খুৱাওঁ। মই কৈছিলো ঘৰত যি আছে তাকে খায়। কাৰণ সিঁহতৰ দেউতাকৰ তেতিয়া চাকৰি নাছিল।

তেতিয়া তেওঁ কিছু টকা হাতত দি কৈছিল- ইহঁতক ভাল বস্তু আনি খুৱাব। সেইখিনি কথাই মোৰ হৃদয়ত মচিব নোৱাৰা সাঁচ বহুৱাই থৈ গ'ল।

শেষত অনিতাৰ আত্মাই স্বৰ্গত চিৰ শান্তিৰে বাস কৰাৰ কামনা কৰাৰ লগতে জয়ৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

❑❑❑

# মোৰ দৃষ্টিত ড° জয়নাথ শৰ্মা

- হেমলতা দেৱী

এই ধৰাৰ বুকুত মানুহ ৰূপে জন্মগ্ৰহণ কৰি জীৱনটো সুন্দৰভাবে যাপন কৰা মোৰ ভাগিন ড° জয়নাথ শৰ্মালৈ অভিনন্দন জনালো। মই ২০০৫ চনত প্ৰয়াত নিধিৰাম আচাৰ্য্যৰ সৰু পুত্ৰ শ্ৰীব্ৰজেন্দ্ৰ আচাৰ্য্যৰ লগত বিবাহ পাশত আবদ্ধ হৈ অহাৰ পৰাই মই তেখেতক পাওঁ।

মোৰ ডাঙৰ জা স্বৰ্গীয়া প্ৰেমলতা দেৱীয়ে প্ৰথম আমাক দুয়োজনকে দিছপুৰত থকা তেওঁৰ বাসভৱনলৈ লৈ গৈছিল। আজিও মনত পৰে সেইদিনা নানান ব্যঞ্জনেৰে ভনীয়েক নিৰুৱে আমাক ভাতপানী খুৱাই আপ্যায়ন কৰাৰ কথা। তাৰ পিছত তেওঁৰ পৰা বহুতো দিহাপৰামৰ্শ আৰু সহায় সহযোগ পাই আহিছো। তেওঁ অধ্যয়ন অধ্যাপনা কৰি ভাল পায়। তেওঁ আমাৰ বংশৰ গৌৰৱ কঢ়িয়াই অনা এটি উজ্জ্বল ভোটা তৰা। তেওঁ আমাৰ ঘৰখনৰ অৱস্থা দেখা পাই মোক ছিপাঝাৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ লাইব্ৰেৰীৰ সহায়িকা হিচাপে নিযুক্তি দিয়ে। তেওঁ এজন ৰাজনীতিজ্ঞ হিচাপে আজিও জিলিকি আছে।

তেওঁলৈ মোৰ আন্তৰিক শ্ৰদ্ধা এই লিখনিৰে জনালো। আৰু পৰম ব্ৰহ্মাৰ শ্ৰীচৰণত তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি প্ৰাৰ্থনা জনালো। তেওঁৰ চেনেহ, মৰম আৰু আশীৰ্বাদ আমাৰ জীৱনৰ অনুপ্ৰেৰণা হওক।

❑❑❑

# পৰিশিষ্ট
# ড° জয়নাথ শৰ্মাৰ চমু জীৱন পৰিক্ৰমা

## Dr. Zoii Nath Sarma,

Former MLA and Cabinet Minister in Assam

## Personal Details :

Place of birth Rangamati (Dariapara) Dist. Darrang
E-mailID : drznsarma@yahoo.in
Contact no. : 9957571357

## Educatinal qualification :

1) Ph.D in Management (HRD), GU.
2) MBA, Finance and Human Resource Management, GU.
3) M.Com (Accountancy & Taxation), GU.
4) B.Com (Honours in Accountancy)
5) LLB (Holding Top Position, GU, 1983)

Dr. Z. N. Sarmah is a well known personality and public figure in Assam with a very strong and popular social base among the people of Assam. Inspired by his father Late Padma Nath Sarmah, a freedom fighter and active congress volunteer with care and concern for the welfare of the people of Assam, Dr. Sarmah got involved in

Politics since his student's day in the year 1970 and he was the key person who initiated Assam Movement in Mangaldai against the Bangaladeshi immigrants.

During his Political career he was elected to the Assam Legislative Assembly from the Sipajhar constituency and continued for a long and uninterrupted period of 20 years, upto 2006. He is a political leader and known as prominent advocate for safeguard of interest for people of Assam and still he enjoys the active support and cooperation from different segments of the people of Assam.

## Family background :

Dr. Z. N. Sarmah comes from a middle class family background and his father Late Padma Nath Sarmah, a freedom fighter and a social worker continues to remain a source of inspiration in his pursuit of achieving excellence in academic and public life in the interest of the people of the state. Dr. Sarmah hinself is a role model for young and aspiring youth in his home constituency Sipajhar and other parts of the state.

## Perticipation in student activities :

1. General Secretary, Students Union Mangaldai Government Higher Secondary School in 1971-72.

2. General Secretary, Mangaldai College in 1974-75.

3. President, Mangaldai Sub-division Students' Union in 1975-76.

4. President, Darrang District Students' Union in 1976-77, 1977-78 and 1978- 79.

5. Central Executive Member, All Assam Students' Union (AASU), from 1971 to 85.

6. Chief of the All Assam Students' Union (AASU) Volunteer force.

## Political Affiliation :

1. One of the Founder member of Assam Gana Parishad, a regional political party, which was partner of NDA Government.

2. Elected to Assam Assembly in 1985 with more than 50,000 votes de feated his nearest candidate with a margin of 42,000 (Approx) votes.

3. In 1991, he was re-elected from Sipajhar LAC with securing 48,000 votes and won the election with a margin of 30,000 votes.

4. In 1996, won the election by securing 46,000 votes.

5. In 2001, won the election by securing 49,000 votes.

6. In 2006, lost the election, however he secured 48,000 votes.

7. In 2011, contested the election as Independent Candidate and secured 49,000 votes but lost

8. In 2016, contested from NC and was defeated by securing 55,000 votes.

## Position held in Government :

1. Cabinet Minister for
    (i) Irrigation
    (ii) Assam Accord
    (iii) Parliamentary Affairs
    (iv) Public Grievances
2. Cabinet Minister, Revenue Department and Parliamentary Affairs.
3. Vice-President AGP.
4. Chief whip of AGP Legislative Party.
5. Chairman, Assurance Committee.
6. Member, Public Accounts Committee.
7. Member, Estimate Committee.
8. Member, Employment Review Committee.
9. Member, Rule Committee.
10. Member, Business Advisory Committee.

## Present Occupatin :

Dr. Sarmah is also academician and institution builder . He has established a group of educational institution in Assam.

NERIM (North Eastern Regional institute of Management), premier B-School of the North East Region, affilated to Dibrugarh University

(i) NERIM Law College for 5 year BA, LLB (H) and LLM, affiliated to Dibrugarh University.

(ii) NERIM College of Computer Science, af-

filiated to Dibrugarh University.

(iii) NERIM Commerce College, affiliated to Guwahati University.

(iv) NERIM College of Social Work, affiliated to Dibrugarh University.

(v) Dr. Anita Barua Sarmah College of Education, affiliated to Guwahati University.

(vi) Sipajhar B.Ed. College, affiliated to Guwahati University.

(vii) Mangaldai Maharishi Vidyalaya, a senior Secondary School, affiliated to CBSE.

(viii) Mangaldai Distict Rural Computer Center.

## Performance in debates and discussion in Assembly

Dr. Sarmah is an active political leader of the state of Assam with a very strong mass-base in the district of Darrang in North Bank of Assam. He always takes active part in all the important social issues of the state and participates in the debates in most of the local electronic medias. As minister also he was influential Government Spokesman in the Assembly. Dr. Sarma is an inborn orator and is a good public speaker. His performance in Assembly Debate was always given well publicity by the Media in Asssam.

❑❑❑

ড° জয়নাথ শৰ্মাৰ
বহু কেইগৰাকী সংগ্ৰামী সতীৰ্থ,
ৰাজ্যখনৰ ভালেমান প্ৰবীন ৰাজনৈতিক কৰ্মী আৰু
সমাজৰ বিভিন্ন ক্ষেত্ৰৰ কিছু বিশিষ্ট নাগৰিকৰ লেখা
তথা ফটো এলবাম আদি সন্নিৱিষ্ট হৈ প্ৰকাশ পাব
'ড° জয়নাথ শৰ্মা অভিনন্দন গ্ৰন্থ'ৰ
পৰৱৰ্তী খণ্ড।